# প্ৰৱচন কোষ

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

এল ডোৰাডো পাব্লিকেশনচ
শ্ৰীমন্তপুৰ গুৱাহাটী ৭৮১০৩২

Pravachan Kosh Collected by Sri Priyadas Talukdar Digboi published by Srimati Gul Pathak Guwahati

প্ৰকাশক :

এল ডোৰাডো পাব্লিকেশনচ
শ্ৰীমন্তপুৰ, গুৱাহাটী ৭৮১০৩২

ৰচনা কাল : ১৯৯১ চন

প্ৰথম প্ৰকাশ
১৫ আগষ্ট, ১৯৯৪ চন

মূল্য— ৬০ টকা

মুদ্ৰক :

আৰ্ট প্ৰিন্টাৰ্চ এণ্ড ষ্টেচনাৰ্চ
এ. টি ৰোড গুৱাহাটী- ৭৮১০০১

# পাতনি

প্ৰৱচন সমূহ কেবাখনো পুথি বিশেষ বিশেষ ব্যক্তি আৰু বাতৰি কাকতৰ পৰা সংগ্ৰহ কৰা হৈছে। ইয়াত সংগৃহীত প্ৰৱচনবোৰৰ উপৰিও গাৱে ভূঞে আৰু বহু প্ৰৱচন সিচৰিত হৈ আছে। ভিন ভিন ৰকমে প্ৰৱচনবোৰ কোৱা শুনা যায়। সেই সকলোবোৰৰ সংগ্ৰহ এজন বা দুজন ব্যক্তিয়ে কৰিব নোৱাৰে। অসম সাহিত্য সভাৰ শাখা সমূহে এই কাম সহজে কৰিব পাৰে। তেনে কৰিলে ই এখন অসমীয়া ভাষাৰ আপুৰুগীয়া সম্পত্তি হ'ব।

ছপাখানাৰ বাবে যুগুতোৱাত শ্ৰীমতী জবা তালুকদাৰ ৰুকেয়া বেগম ফাৰহীনা বেগম দীপালি দাস আৰু শ্ৰীমান সদানন্দ দাসৰ সহায় লোৱা হৈছে। তেওঁলোকৰ ওচৰত আমি কৃতজ্ঞ।

অৱশেষত শ্ৰীমতী গুল পাঠকে ছপা কৰি দিয়াৰ দায়িত্ব গ্ৰহণ কৰাত আমি বৰ সুখী হৈছো।

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

ডিগবৈ

ASSAM GUWAHATI

# প্ৰকাশিকাৰ একাষাৰ

অসমীয়া ভাষাৰ একনিষ্ঠ সাধক মোৰ দেউতা স্বৰ্গীয় প্ৰিয়দাস তালুকদাৰৰ কেইবাখনো কিতাপ লেখকৰ জীৱিত কালত ইতিমধ্যে প্ৰকাশ হৈ গৈছে। প্ৰকাশকৰ অভাৱত এই প্ৰবচন পুথিখন বহুদিন পৰি থকাত অৱশেষত প্ৰকাশৰ দায়িত্ব লৈ পুথিখন প্ৰেছত দিয়া হল। কিতাপখনৰ ছপাৰ কাম প্ৰায় শেষ হওঁতেই দেউতা যোৱা ১০ জুন ১৯৯৪ চনত ইহ সংসাৰৰ পৰা বিদায় ললে। সম্পূৰ্ণকৈ কিতাপখন ছপা কৰি দেউতাক জীৱিত কালত দেখুৱাব নোৱাৰাত আমি অতি দুখিত।

প্ৰকাশিকাৰ কিবা ভুল ভ্ৰান্তি থাকিলে সুধীজনে আঙুলিয়াই দেখুৱালে আনন্দিত হম। পাঠক সমাজে কিতাপখন আঁকোৱালি লব বুলি আমাৰ বিশ্বাস থাকিল।

গুৱাহাটী ১০ জুলাই ১৯৯৪ চন। শ্ৰীমতী গুল পাঠক

# উচৰ্গা

নিভাজ অসমীয়া ভাষাপ্ৰেমী প্ৰত্যেক শিক্ষাৰ্থীৰ হাতত

ডিব্ৰুগড় | শ্ৰীপ্ৰিয়দাস তালুকদাৰ

১৫ মাৰ্চ ৯০

# অৱতৰণিকা

## প্ৰবচন কোষ

### আৰু সাহিত্যিক প্ৰিয়দাস তালুকদাৰৰ সম্পৰ্কত

পৃথিৱীৰ বিভিন্ন সমৃদ্ধ ভাষা সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে পূৰ্বসূৰী মৌখিক সাহিত্যই এই ভাষা সমূহত মৰ্য্যদাপূৰ্ণ স্থান অধিকাৰ কৰি আছে। কিছুমান ভাষাত এনে লোক সাহিত্য সংখ্যাত ডাঙৰ আৰু কিছুমানত সৰহ। পৃথিৱীৰ প্ৰখ্যাত ভাষা সাহিত্যত —যেনে গ্ৰীক জাৰ্মান লেটিন আবেস্তীয় আৰ্মেনীয় স্লাভীয় চীনা আদি ভাষাৰ যিবিলাক প্ৰাচীন নিদৰ্শন আমাৰ হাতত আছে–তাতো পোৱা যায় মৌখিক লোক সাহিত্যৰ সন্ধান। সমগ্ৰ ভাষা সাহিত্যৰ ধাৰাত দৃষ্টিপাত কৰিলে মৌখিক সাহিত্যৰ অন্তৰ্গত বিবিধ ধাৰাৰ ৰূপ দেখিবলৈ পোৱা যায়। ভাৰতীয় আৰ্যভাষাসমূহ ইয়াৰ ব্যতিক্ৰম নহয়।

মৌখিক সাহিত্যই–লোক সাহিত্যৰূপে গঢ় লৈ পিচত লিখিত আকাৰলৈ গতি কৰে। ইণ্ডো ইউৰোপীয় ভাষা গোষ্ঠীক বিশ্বৰ বৃহত্তম ভাষা বুলি কোৱা হয়। এই গোষ্ঠীৰ সংস্কৃত ভাষাৰ প্ৰাচীনতম নিদৰ্শন ঋক বেদৰ সূক্ত সমূহো আদিতে মৌখিক সাহিত্যৰ পৰ্য্যায়তে ঠন ধৰি উঠিছিল। বহুকাল পিচতহে ইয়াৰ লিখিত ৰূপ হয়। পণ্ডিতসকলে ঋকবেদৰ ৰচনা খৃষ্টপূৰ্ব আঢ়ৈ হাজাৰ বছৰৰ বুলি কয়। অৱশ্যে সূক্ত সমূহ বিশেষ শ্ৰেণীৰ ঋষি মুনিৰ মাজতে আবদ্ধ আছিল। এই সূক্তসমূহ পবি থকা জন সাহিত্যৰ পৰ্য্যায়ৰ নহয় যদিও ঋকবেদৰ ক্ষেত্ৰত এই পৰ্য্যায় যেতিয়া আন পৰ্য্যায়ৰ লোকসাহিত্যৰতো কথায়ে নাই। সময়ৰ অগ্ৰগতিত সাহিত্যই এই দৰেই উৎকৰ্ষ লাভ কৰিছে।

এইদৰে পৃথিৱীৰ সকলো জাতিৰ লিখিত ৰূপ পোৱাৰ আগতে মৌখিক গীত মাত প্ৰবচন আৰু সাধুকথা থকাৰ প্ৰমাণ পোৱা যায়।

এনে আধাৰতে আমাৰ অসমীয়া লোক বা জন সাহিত্যত (১) লোকগীত, (২) ফকৰা যোজনা আৰু প্ৰবচন (৩) সাধুকথা পোৱা হয়।

ফকৰা-যোজনা প্ৰবচনত সাংসাৰিক অভিজ্ঞতাযুক্ত নীতি বিভিন্ন কালৰ জীৱন-চৰ্চা আৰু আদৰ্শবান জাতিৰ মনতত্ত্ব আচাৰ ব্যৱহাৰ আৰু সময়ে সময়ে সমালোচনাও প্ৰতিফলিত হয়। প্ৰবচন প্ৰবাদ বাক্য হ'ল বহুজনৰ জীৱন অভিজ্ঞতাৰ যেন সমাহাৰ।

আৰু ফকৰাবোৰ? -ফকৰাবোৰ সাধাৰণতে গূঢ়াৰ্থক বক্তব্যৰ আঁৰত থাকে একোটা নিগূঢ় অৰ্থ। কেতিয়াবা ভকতীয়া অৰ্থও থাকে। হিন্দী ভাষাৰ ফক্কৰ শব্দৰ পৰা অসমীয়াত ফকৰ আৰু ফকৰৰ ৰসসিক্ত কথাই ফকৰা বুলি শ্ৰীযুত তালুকদাৰে অনুমান কৰে। যোজনাত এফাকি মূল কথাত আন এফাকি যোগ কৰি দিয়া হয়-যাৰ অৰ্থ নাথাকিবও পাৰে।

অসমীয়া সাহিত্যৰ ফকৰা যোজনা প্ৰবাদ প্ৰবচন আদিত বুৰঞ্জীৰ আচোৰা পোৱা হয়।

লোকসাহিত্যত ফকৰা যোজনা আৰু প্ৰবচনক কেৱল প্ৰবচন বুলি ইয়াৰ প্ৰকাশ ভঙ্গিমা অৰ্থৰ ফালৰ পৰা ছুটা ভাগত ভাগ কৰা হৈছে—ফকৰা যোজনা পটন্তৰ বা দৃষ্টান্ত বচন বা ভনিতা নীতিবচন আৰু বাণী।

সময়ৰ বিবৰ্তনত সোণ চেকুৰা হৈ পৰা ডাকৰ বচন হৈ পৰিছে প্ৰবাদ বাক্য। এনে ক্ষেত্ৰত প্ৰবাদ প্ৰবচন প্ৰটন্তৰৰ একা˶শ ডাকৰ বচনেও সামৰি লৈছে।

প্ৰবাদ প্ৰবচন ফকৰা যোজনা সৃষ্ট ৰূপ অসমীয়া ভাষাত অপৰিমেয়। কম শব্দ অথচ গধুৰ ভাব আৰু বহল অৰ্থ প্ৰকাশক হৈ পৰে। প্ৰবাদ প্ৰবচন ফকৰা যোজনাৰে প্ৰাক বৈষ্ণৱ যুগৰ মাধৱ কন্দলি বৈষ্ণৱ যুগ বুৰঞ্জী সাহিত্য কথা গুৰু-চৰিতত প্ৰয়োগ হোৱা সুন্দৰ নিদৰ্শন আছে। সেইবোৰে অসমীয়া ভাষাৰ শৈলী কৰি তুলিছে সুন্দৰ।

শ্ৰম আৰু নিষ্ঠাৰে সাগৰ ভলিৰ এনে মণি মুকুতা সংগ্ৰহ কৰি আৰু তাৰ যথাযথ ব্যাখ্যা দাঙি ধৰি অসমীয়া ভাষা সাহিত্যলৈ এক অমূল্য অৱদান আগবঢ়াইছে সু সাহিত্যিক শ্ৰীপ্ৰিয়দাস তালুকদাৰদেৱে। সংগ্ৰহত তেখেতৰ দৃষ্টি আমাৰ পুৰাতন ধাৰাৰ পৰাই আছে—

আপনা মাসে হৰিণা বৈৰী। (প্ৰাকৃত)

হৰিণৰ মঙহেই বৈৰী। (অসমীয়া)

যদৃশ্য ৱলতে 'বীজং তাদৃসং হৰতে ফলং (সং)

যেনে কৰা তেনে পাবা। (অসমীয়া)

হাৰে হিমজুৰে অসমীয়া হৈ পৰা– নাই পো গোঁফে নাই পো মুখে– দূৰৰ পৰ্বত শুৱনী অথবা দূৰৰ পৰ্বত বাতিৰ জুই তাক নেখেদি থাকিবা শুই'তো সংস্কৃতীয়া শোল্ক দেখুৱাই দিছে।

যোজনাৰ সুন্দৰ অৰ্থ সুন্দৰ মনৰ ভাব প্ৰকাশক– আহক বাৰিষা কাটক পাত, বৈ বা তিনিহী খাই বা ভাত ও এৰা নাই তেখেতে। বুৰঞ্জীৰ আঁচোৰ থকা হয় গুৱাহাটী নহয় কণ্ডামাটি 'গড়গঞা কটাবীৰ কথাও কৈছে।

অসমীয়া প্ৰবাদ পটন্তৰ ফকৰা যোজনাৰ পটভূমি অসমীয়া গ্ৰাম্যসমাজ। গ্ৰাম্য জীৱনৰ কৃষিজীৱী ৰূপ কন্দলীৰ ৰামায়ণ আন বৈষ্ণৱী সাহিত্য আদিতো আছে।

সময় আঁতৰি নোযোৱা ওজাপালিৰ ব্যাহৰ ওজাই অমৃত মন্থনৰ পদ গাওঁতে ডাইনা পালিয়ে উপযুক্ত ঠাইত দৃষ্টান্ত মাতি হাঁহিৰ বহঘৰা তোলাৰ কথা শ্ৰীযুত তালুকদাৰে কৈছে। গাই পোৱালি ছিৰাওতা আৰু পাখীৰৰ গ্ৰাম্য বৰ্ণনা দি বহঘৰা তোল শ্লোক হ'ল—

অথালি পোকৰ পথালি পোকৰ

আঠুত পোকৰ মাটিত পোকৰ

চাৰি পোকৰৰ জকৰ মকৰ

অমৃত সৰে টপৰ টপৰ।।

প্ৰবচন শ্ৰীযুত তালুকদাৰৰ সুন্দৰ সংগ্ৰহ। অভিধানিক ৰূপত ব্যাখ্যা কৰি গৈছে ন পুৰণি সংগৃহীত প্ৰবচনবোৰ। অ'ত আৰম্ভ কৰিছে—অ বুলিব নোৱাৰে বত্ৰাৱলী পঢ়ে অকৰাই মৈত উঠা অচিন কাঠৰ ঠোৰা নলগোৱা অতিদৰ্পে হতলঙ্কা অন্ন বিদ্যা ভয়ঙ্কৰী আদিৰো এইবোৰ অসমীয়াৰ হাড়ে হিমজুৰে সোমাই থকা চিৰ চিনাকি প্ৰবচন।

প্ৰবচন কৌতুকপূৰ্ণ কিন্তু অৰ্থবহ, —আপদত মিত্ৰ চিনি যুদ্ধত চিনি বীৰ

দুখৰ দিনত ভাৰ্যা চিনি থিৰ নে অথিৰ।

কচু হ'লে খজুৱায়

শাহু হ'লে নচুৱায়।

মহন্তৰ চিন মাহুলিত

বুঢ়া গৰুৰ চিন ঘাঁহুলিত।

হেপাহ্ অনিলে তিৰী

বোন্দাই হ'ল ওপৰতে গিৰী।

বসঘৰা যেন অৰ্থৰ ভাঙনি অনা অসমীয়াক ব্যাখ্যা কৰি ক'ব লাগিব। এনে ঐতিহ্য অসমীয়া ভাবাত আছে দেখাৰ। প্ৰবচনত বাণী যেন অৰ্থৰ উপদেশো আছে।

ঋণৰ শেষ ব্যাধিৰ কেশ

ইয়াৰ নাৰাখিবা লেশ।

অ'ৰ পৰা সংগ্ৰহিত ক'লৈ পৰিৱেশন কৰিছে শ্ৰীযুত তালুকদাৰে। 'ক'ত সমাপ্তি কৰিছে আমাৰ সৰ্বপৰিচিত প্ৰবাদ বচনৰে কতেকৰ ভোজ খাওঁতা নাই।

পুথিখনিত সৰ্বশেষে স্পৰ্শ দি সংগ্ৰহ পৰিবেশন তথা মুকলি ব্যাখ্যা ডাঙি ধৰিছে। ফকৰা যোজনা প্ৰবাদ প্ৰবচন পটন্তৰ আদিৰ বিষয়ে সুন্দৰ আলোচনাও কৰিছে। পৰিবেশন তথা আলোচনা সমৃদ্ধ প্ৰবচন অসমীয়া ভাষা সাহিত্যত এক সুন্দৰ সংযোজন হৈছে। আমি অভিনন্দন জ্ঞাপন কৰিলোঁ।

প্ৰবাদ পটন্তৰ সাঁথৰ ফকৰাৰ চৰ্চা অসমীয়া সাহিত্যত পুৰণি। পুৰণি পৰম্পৰাৰ ইতিবৃত্তত ভদ্ৰসেন বৰাৰ ৰামচৰিত (১৮৯৯) আৰু গোলাপ চন্দ্ৰ দাসৰ অসমীয়া পটন্তৰ মালা (১৯০০) উল্লেখযোগ্য। ইয়াৰ পিচৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল কান্তিৰাম বুঢ়াভকতৰ সাধুকথা চৰিত্ৰ (১৯১৩) হৰিৰাম মহন্ত ঠাকুৰৰ ফকৰাৰ পুথি আৰু পৰমাৰ্থ তত্ত্ব প্ৰসন্ন চন্দ্ৰ বৰুৱাৰ ফকৰা পটন্তৰ মালা (১৯২৯) শ্ৰীৰামচন্দ্ৰ দাসৰ যোজনা (১৯৪১) ইন্দ্ৰনাৰায়ণ বড়াৰ অসমীয়া প্ৰবচন (১৯৪৩) এজেঞ্চি কোম্পানিৰ ডাক চৰিত্ৰ (১৯৪৪) ডিম্বেশ্বৰ নেওগৰ বহৰহী (১৯৪৮) হৰেন্দ্ৰ নাথ শৰ্মাৰ অসমীয়া বচনভঙ্গী (১৯৬৫) দণ্ডীৰাম দত্তৰ সাঁথৰ ফকৰা যোজনা (১৯৬১ ১৯৭৩) হেমেন্দ্ৰ নাথ ভট্টাচাৰ্য্যৰ ফকৰা যোজনা (১৯৬৩) সৰ্ব্বেশ্বৰ ৰাজগুৰুৰ অসমীয়া প্ৰবাদ (১৯৭২) হেমৰথ বৰ্মনৰ সম্পূৰ্ণ ডাকৰ বচন (১৯৭৭) নবীন চন্দ্ৰ শৰ্ম্মাৰ ডাক প্ৰবচন (১৯৮৭) আৰু সৰ্ব্বেশ্বৰ ৰাজগুৰুৰ হেয়ালিৰ ছন্দ (১৯৮৮)।

প্ৰসঙ্গক্ৰমে প্ৰবাদ পটন্তৰ ফকৰা যোজনাৰ লগতে অসমীয়া জতুৱা ঠাঁচ বা খণ্ডবাক্যৰ কথাও আহি পৰে। জতুৱা ঠাঁচ বা খণ্ডবাক্যৰ সংগ্ৰহ কম হৈছে। অসমীয়া খণ্ডবাক্যৰ সৰ্ব্বপ্ৰথম সংকলনটো শ্ৰীমতী এইচ বি কটাৰৰ সম্পাদনাত প্ৰকাশ পায়। ক্ষুদ্ৰ আকাৰৰ এই পুথিখন হ'ল— Phrases in English and Assamese। খণ্ডবাক্যৰ বাহিৰে যোজনা পটন্তৰবো সন্নিবেশিত হৈছে। দ্বিতীয় সংকলন প্ৰকাশ পায় আৰ গৰ্ডনৰ সম্পাদনাত— Some Assamese Proverbs। এইখনতো প্ৰবাদ প্ৰবচনৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

ইয়াতে আন দুখনি পুথি উল্লেখনীয় পুথি হ'ল বেনুধৰ ৰাজখোৱাৰ অসমীয়া খণ্ডবাক্য চন্দ্ৰধৰ বৰুৱাৰ বত্মকোষ। এইবোৰতো খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ সংখ্যা কম। ৰাজখোৱাৰ অসমীয়া খণ্ডবাক্যৰ ভিতৰত আটাইবোৰকে সামৰি লোৱা দেখা যায়।

শ্ৰীতালুকদাৰেও এই প্ৰচেষ্টাত সফলকাম আৰু কৃতীমান বুলি দাবী কৰিব পাৰে। এই সফলতাৰ বাহিৰেও অসমীয়া সাহিত্য আৰু ভাষাত এগৰাকী খ্যাতিমন্ত লোক বুলি পৰিগণিত হৈছে। তেখেতৰ অসমীয়া ভাষা বোধিকা (ব্যাকৰণ) উচ্চমান অসমীয়া ভাষা বোধিকা' উচ্চ পৰ্য্যায়ৰ ব্যাকৰণ। স্নাতক তথা স্নাতকোত্তৰ অসমীয়া ছাত্ৰ ছাত্ৰীৰ কাৰণে 'উচ্চমান অসমীয়া ভাষা বোধিকা উল্লেখযোগ্য ব্যাকৰণ। তেখেত এজন

অৱসৰপ্ৰাপ্ত আদর্শ শিক্ষক। ছাত্র ছাত্রীৰ উপযোগী আদর্শ চিঠি আৰু ৰচনা (পাঠ্য) বুনিয়াদী অঙ্ক শিক্ষা লিপিকা (হস্তলিপি) আদিও প্রণয়ন কৰিছে।

শ্রীযুত তালুকদাৰ এগৰাকী আশাশুধীয়া শিশু সাহিত্যিক। প্রকাশিত পুথিসমূহ হ'ল— কিচিঙৰ পয়মাল পশুৰ পঞ্চশীল বহাগীৰ বিয়া (গীতি নাটিকা) কণজুন (পর্বত ভৈয়াম সম্প্রীতিসূচক নাটক দেশৰমান মৰমী নাই (দ্রুতপাঠ্য) অসম দেশৰ বিষম কথা (দ্রুতপাঠ্য)। পখীৰ ৰজা আৰু মিতিৰালিৰ পৰিণাম (দুৰ্য্যোধন শিশু পাঠ্য) শ্রীযুত তালুকদাৰৰ অপ্রকাশিত পুথিৰ ভিতৰত আছে সাগৰৰ কথা মহিয়সী নাৰী বাক্যাবিধান।

সাহিত্যিক তালুকদাৰ অসম চৰকাৰৰ সাহিত্যিক পেন্সনাৰ। ১৯২৯ চনৰ পৰা অসম সাহিত্য সভাৰ লগত তেখেতৰ সম্পর্ক পুৰণি। ১৯২৯ চনত যোৰহাট সাহিত্য সভাত তেখেত আছিল স্বেচ্ছাসেৱক। ১৯৩৫ চনত ৰজনীৰ বৰুৱা বেণুধৰ ৰাজখোৱাৰ সভাপতিত্বত প্রথম ডিগবৈ সাহিত্য সভাৰ মুকলি অধিবেশনৰ প্রবন্ধক। ১৯৩৭ চনত স্থাপিত ডিগবৈ সাহিত্য সেৱা সমিতিৰ প্রতিষ্ঠাপক সম্পাদক। ১৯২৫ চনত আৰম্ভ হোৱা জিৰণি চ'ৰাৰ প্রতিষ্ঠাপক সভাপতি। ১৯৬৪ চনত অসম সাহিত্য সভাৰ ডিগবৈ অধিবেশনৰ অভ্যর্থনা সমিতিৰ সম্পাদক। ১৯৬৫ চনৰ ২০ জুনত প্রতিষ্ঠিত ডিব্রুগড় জিলা সাহিত্য পৰিষদৰ প্রথম সভাপতি (এয়া অসমত জিলা ভিত্তিত গঠিত প্রথম সাহিত্য সভা।) অসম সাহিত্য সভাৰ ডুমডুমা অধিবেশনত (১৯৮৯) তেখেত স্মৃতিগ্রন্থ উন্মোচক আৰু শিৱসাগৰ অধিবেশনত (১৯৯৩) শ্বহীদ তর্পকৰ সম্মান দিয়া হয়। ডিগবৈ সাহিত্য সেৱা সমিতি আৰু বৰপেটা জিলা সাহিত্য সভাই তেখেতক সম্বর্দ্ধনা জনাইছে।

শিক্ষাবিদ সাহিত্যিক তালুকদাৰ একাধাৰে নাট্যকাৰো আছিল। যৌৱনৰ প্ৰাৰম্ভণিত ৰৱৰুৰা বহৰী ডিগবৈ আদিত নাট্যাভিনয়ত অংশ গ্রহণ কৰিছিল।

শিক্ষা সম্প্ৰসাৰণতো এখেতৰ অৱদান আছে। ডিগবৈ সাহিত্য সেৱা সমিতিৰ উদ্যোগত বাপাপু, ৩নং গোলাই আদিত প্রাথমিক বিদ্যালয় স্থাপনত অংশ গ্রহণ কৰে। সৌমাৰ উচ্চতৰ মাধ্যমিকৰ প্রতিষ্ঠাপক সম্পাদক হোৱাৰ উপৰি ডিগবৈ কলেজ পৰিচালনাত বালভৱন শিশু নিকেতন আদিৰ লগত সক্রিয় সহযোগ উল্লেখযোগ্য। জীৱনৰ এই বিয়লি বেলাতো ডিগবৈ তিনিচুকীয়া জিলা অবিভক্ত ডিব্রুগড় জিলাৰ সাহিত্য সংস্কৃতি তথা ডিগবৈৰ শিক্ষাজগতত ওত প্ৰোতঃভাৱে জড়িত হৈ আছে।

জন্ম তেখেতৰ ১৯১০ চনৰ ১৩ এপ্রিল— অর্থাৎ ৩১ চ'ত। বিহুৰ সংক্রান্তি। জন্মস্থান পুৰণি কামৰূপ বর্তমান বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত বহৰী। এই বহৰীতে মহামহোপধ্যায় পুৰুষোত্তম বিদ্যাবাগীশ জন্মিছিল আৰু মধ্যযুগৰ বৈষ্ণৱ আন্দোলনত মহাপুৰুষ শ্রীশ্রীহৰিদেৱে প্রথমখন সত্র পাতিছিল।

শ্ৰীযুত তালুকদাৰে বহৰী মজলীয়া স্কুল পাছ কৰি ১৯৩১ চনত নৰ্মাল পাছ কৰে। ১৯৩৬ চনত এটি বিখ্যাত পৰিয়ালৰ অপেশ্বৰী দাসৰ লগত শুভবিবাহ হয়। দুখৰ কথা ১৯৯৩ চনৰ বহাগ মাহত তালুকদাৰ দেৱৰ পত্নী বিয়োগ ঘটে। নিজস্ব পৰিয়াৰে জিলিকি থকা চাৰিপুত্ৰ বোৱাৰী নাতি নাতিনীৰে পৰিবেষ্টিত হৈ আছে তেখেত।

শ্ৰীযুত তালুকদাৰ আজীৱন শিক্ষাব্ৰতী। শিক্ষকতাৰে কৰ্মজীৱন পাতনি মেলে ১৯৩১ চনত বৰবৰুৱা মাইনৰ স্কুলত। ১৯৩৪ চনত ডিব্ৰুগড় মাদ্ৰাচাত আৰু তাৰ পিচত ১৯৩৫ চনত ডিগবৈৰ তেল কোম্পানীৰ মাইনৰ স্কুলত যোগদান। অসম তেল কোম্পানীৰ বিভিন্ন স্কুলত শিক্ষকতা কৰি১৯৭২ চনত অৱসৰ গ্ৰহণ কৰে। উল্লেখযোগ্য ডিগবৈৰ তেল কোম্পানীত কাম কৰা কেবাজনেও অসমৰ সাহিত্য সংস্কৃতি আৰু জাতীয় জীৱনত উল্লেখযোগ্য ব্যক্তি হৈ আছে।

শ্ৰীযুত তালুকদাৰ সহজ সৰল লোক। প্ৰচাৰবিমুখো। তেখেতৰ পৰিচয় লিখোঁতেও সংযমেৰে লিখিব লগা হৈছে।

এয়া আগকথা তেখেতৰ প্ৰবচনৰ সম্পৰ্কতহে। অকপটে মই স্বীকাৰ কৰোঁ ইয়াৰ যোগ্যজন মই নহয়। বাধ্যত পৰিহে সিও সংযমেৰে লিখিব লগা হৈছে। মোৰ পাণ্ডিত্য নাই আৰু তেখেতৰ তুলনাত বয়স? বয়স হৈও হোৱা নাই তেখেতৰ সমুখত। তেখেতৰ প্ৰবচনৰ উক্তিৰে সামৰণি মাৰোঁ দোষ নধৰিব—

'দানৰ গৰুৰ দাঁত নাচাবা

বাঘ চাব নালাগে বিজালীকে চাবা।

ডুমডুমা মহাবিদ্যালয়
১৮/৭/৯৩

ৰবীন চৌধুৰী

# প্ৰৱচন

## থূল-মূল কথা

জন জীৱনৰ অভিজ্ঞতাত কিছুমান সাৰুৱা অৰ্থপূৰ্ণ নীতি ধৰ্মমূলক মূল্যবান কথাৰ উদ্ভৱ হয়। সেইবোৰকে প্ৰৱচন বোলা হয়। প্ৰৱচন শব্দৰ অৰ্থ প্ৰকৃষ্ট বা উৎকৃষ্ট বচন। কথাবোৰ চুটি চুটি কিন্তু অৰ্থ গধুৰ কিছুমানৰ অৰ্থৰ ব্যাপকতা ব্যাখ্যা কৰিবলগীয়া।

এইবোৰ কোনে কেতিয়া সৃষ্টি কৰিছে কেতিয়াৰ পৰা সৃষ্টি হ'বলৈ আৰম্ভ কৰিছে কোৱা টান। অনুমান কৰিব পাৰি জীৱন যাপনৰ বাবে কৰা অভিজ্ঞতাৰে এইবোৰৰ সৃষ্টি হৈছে। অনাখৰী লোকেই প্ৰধানকৈ এইবোৰৰ সৃষ্টিকাৰী। তেওঁলোকৰ জ্ঞান গৰিমাৰ কথা ইয়াত খুন্দ খাই আছে। সমাজ সংগঠন আৰু কৰ্ম বিস্তৃতি ঘটাৰ লগে লগে মানুহৰ অভিজ্ঞতা বাঢ়িছে লগে লগে প্ৰৱচনৰ সংখ্যাও বৃদ্ধি পাইছে। সময়ৰ ধোৰনি বাছনিত এইবোৰ জুইত পোৰা সোণৰ দৰে উজ্জ্বল হৈ উঠিছে। আদিতে মৌখিক সাহিত্য হিচাবে কথাৰ লাচত অৰ্থাৎ কথা অথপূৰ্ণ কৰিবলৈ এইবোৰ ব্যৱহাৰ হৈছিল। গ্ৰাম্য পৰিবেশত এতিয়াও এইবোৰৰ বহুল প্ৰচলন আছে। সেইবোৰকে এতিয়া লিখিত সাহিত্যত সুমুৱাই লোৱা হৈছে তাৰ সুন্দৰ প্ৰতিফলন ঘটোৱা হৈছে। প্ৰৱচনৰ সংখ্যা অলেখ।

পৃথিৱীৰ সকলো দেশতে প্ৰায় সকলো ভাষাতে কম বেছি পৰিমাণে এনেবোৰ কথা আছে। ৰহন লগাই কথা কবলৈ ৰসাল সাহিত্য তৈয়াৰ কৰিবলৈ প্ৰৱচনবোৰৰ ব্যৱহাৰ অপৰিহাৰ্য্য। এইবোৰে ভাষাৰ স্বকীয়তা ৰক্ষা কৰে সাহিত্যৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সৰহভাগ প্ৰৱচন সাৱলীল অৰ্থ সম্পূৰ্ণ। পদ্য আৰু গদ্য উভয়তে এইবোৰৰ ব্যৱহাৰ হয়।

প্ৰৱচনবোৰক প্ৰকাশ ভঙ্গিমা আৰু অৰ্থৰ ফালৰপৰা ছটা ভাগত ভাগ কৰা হয়। যেনে—(১) ফকৰা (২) যোজনা (৩) পটন্তৰ বা দৃষ্টান্ত (৪) বচন বা ভনিতা (৫) নীতিবচন আৰু (৬) বাণী।

**(১) ফকৰা** –হিন্দী ভাষাত ফক্কৰ বুলি শব্দ এটা আছে। তাৰ অৰ্থ ধেমেলীয়া কথা কোৱা লোক। অসমীয়া ভাষাত সেই ফক্কৰ'ৰ পৰা ফকৰ হৈছে। ফক্কৰে কোৱা কথাকে ফকৰা বুলি অনুমান কৰিব পাৰি। ফকৰাবোৰৰ গভীৰ অৰ্থ থাকিলেও শুনোতে ধেমেলীয়া যেন অনুভূত হয়। যেনে-

(১) "আগত পোকৰ পাছত পোকৰ
আঠুত পোকৰ মাটিত পোকৰ
চাৰি পোকৰৰ ঘটৰ মটৰ
অমৃত সৰে টপৰ টপৰ।"

ই এক প্ৰকাৰে গ্ৰাম্য পৰিবেশৰ কথা। শুনিবলৈ ধেমেলীয়া ধৰণৰ অৰ্থ খাজে খোপে খোৱা—

গাই খীৰাবৰ সময়ত গাইজনীৰ পোকৰ যি ফালে থাকে পোৱালিটিৰ পোকৰ তাৰ বিপৰীতে থাকে। তাকে আগ পাছ বুলি কোৱা হৈছে। খীৰাওতে খীৰাওতা বা খীৰাওঁতীয়ে মাটিত বহি কৰীয়াটি আঠু দুটিৰ মাজত সুমুৱাই লৈ গাখীৰ খীৰায়। গাখীৰ টপৰ টপৰ (চৌ চৌৱায়) কৰীয়াত পৰে।

(২) "উবুৰি কৰি কৰিলো চিত
সুমুৱাই দিলোঁ মোহন বিত
নলীৰ পৰা থলীত পৰিল
সৰ্ব শৰীৰ জুৰ পৰিল।

ভোকত ভাত মুঠি খাওতে প্ৰথমে হাতখন উবুৰি কৰি আঙুলা ভাত লওঁ তাৰ পাছত আঙুলি কেইটা ওপৰমুৱা কৰি মুখত ভৰাও সেই খাদ্য খাদ্যনলীৰে গৈ পাকস্থলীত পৰি ভোক পলায় গা জুৰ পৰি যায়।

(৩) 'বিল্লাও বিল্লা কুকং বিন্দা
থু দি দি মাৰে খুন্দা
বুঢ়াৰ হ'লে সাত বাৰ
ডেকাবোৰৰ একে বাৰ।

বেজীৰ জলা তেনেই সৰু। তাত বুঢ়ালোকে বটিয়া সুমুওৱাবলৈ কেবাবাৰো যত্ন কৰিব লাগে। বুঢ়াসকলে বটিয়াডাল জোঙা কৰিবলৈ থু লগাই লব লাগে। ডেকা সকলে এবাৰতে বটিয়া সুমুৱাব পাৰে।

(৪) এক পুৰুষত গৰু খায়।
সাত পুৰুষলৈ নাম যায়।

হিন্দুৱে গৰু খোৱাটো পাপ বুলি ভাবে। গতিকে গৰু খোৱাটো হিন্দুৰ বাবে ধৰ্মবিৰোধী কথা। কোনোবা হিন্দুৱে গৰু খালে পাপ আৰু অন্যায় কৰা বুলি হয়। তাৰ কুখ্যাতি পুত্ৰ পৌত্ৰাদিক্ৰমে বহু পুৰুষলৈ থাকি যায়।

(৫) "কাটিবৰ ছাগল।
কি শনি কি মঙ্গল।"

কাটিবই যদি লাগে ভাল দিন বাৰ চোৱাৰ পধা ছাগলীৰ একো লাভ নহয়। মৃত্যুই শেষ পৰিণতি। সি যদি অৱশ্যম্ভাৱী হয় তাৰ ভাল বেয়া চাই লাভ নাই।

(৬) এবাই খালে চৈপ।
নেৰেৰিত লাগিল খোপ।"

অৰ্থ একজনে দোষ কৰে আন একজনে তাৰ বাবে শাস্তি ভোগ কৰে। ঠিক তেনেকৈ—

এক বাবাই ধান খায়।
এক বাবাই হান খায়।

ওপৰৰ ফকৰাটিত পাৰমাৰ্থিক ভাব এটাও লোমাই আছে। যেনে—

ৰিপুবোৰৰ প্ৰৰোচনাত ইন্দ্ৰিয়বোৰে বেয়া কাম কৰে দেহাই তাৰ ফল ভোগ কৰে।

এইবোৰ একোটা সাধৰৰ দৰে কথা। সেই কাৰণে বহুতে ইয়াক সাস্তৰ বুলি কয়।

২। যোজনা ঃ যোজন মানে সংযোজন। কোনো এটা সহজ কথা লগ লগাই দি মূল কথাটিৰ অৰ্থ ফুটাই তোলা হয় বাবে এইবোৰক যোজোনা বোলা হয়। যেনেঃ

অতিৰ লগত যতি মৰে।
উলুৰ লগত বগৰী পোৰে।

ইয়াত অতিৰ লগত যতি মৰে কথাটি বুজিবলৈ কিছু টান। উলুৰ লগত বগৰী পোৰে বুলি কোৱা বাবে সঙ্গদোষত বিপদ হোৱা বুলি বুজিব পাৰি।

উলুবনিত বগৰী গছ থাকিলে উলুৰ লগত বগৰী গছ পোৰা যায়। সেইদৰে অত্যাচাৰীৰ লগত সাধু সন্ন্যাসী থাকিলে অত্যাচাৰীৰ লগত সাধু সন্ন্যাসীও লাঞ্ছিত হয় দুৰ্গতি ভোগ কৰিব লগীয়া হয়।

যোজোনাত উপমা থাকে। যেনে

গছৰ মূৰা।
ঘৰৰ বুঢ়া।

গছৰ মূৰা যেনে অলৰ অচৰ ঘৰৰ বুঢ়া মানুহো তেনে ধৰণৰ স্থিৰ। কোনো কথা লৰচৰ হবলৈ নিদিয়ে। ঘৰখনৰ শৃংখলা ৰক্ষা কৰিবলৈ যত্ন কৰে।

প্ৰায়বোৰ যোজোনাত উপমান কথাটিয়ে প্ৰাধান্য লাভ কৰে। কেতিয়াবা কেতিয়াবা উপমেয় উহ্য থাকে। যেনেঃ

"গছ কাটোঁতাক গছে ছাঁ নিদিয়াকৈ নাথাকে। অৰ্থাৎ গছে যেনেকৈ গছ কাটোঁতাকো ছাঁ দিয়ে। সেইদৰে জ্ঞানী সকলে শত্ৰুৰ প্ৰতিও ভাল ব্যৱহাৰ কৰে।

চৰাইটিহে সৰু লয় হোলো গছত বাহ।

হোলোং গছ বৰ ওখ আৰু শকত হয়। তেনে গছতো সৰু সৰু চৰায়ে বাহ সাজি থাকিব পাৰে। সামান্য হলেও জ্ঞান বুধিৰে মানুহে ভাল কথা কব পাৰে। ভাল কাম কৰিব পাৰে সুনাম অৰ্জন কৰিব পাৰে। গতিকে কাকো হেয় জ্ঞান কৰিব নেপায়।

আৰু যেনে

ধানপুৰীয়া কঁঠাল পাতৰ আঁৰত লুকায়।

অৰ্থ—এপুৰা ধান থব পৰা টোম এটাৰ দৰে ডাঙৰ কঠাল এটি পাতৰ আঁৰত নেদেখা হৈ থাকিব পাৰে। সেইদৰে গুণী জ্ঞানী মানুহো সৰ্বসাধাৰণ মানুহৰ লগত এনে ধৰণে মিলি থাকে চিনি উলিয়াবলৈ টান হয় অৰ্থাৎ জ্ঞানী গুণী মানুহ মুখাফুটা হলেও নিজৰ গুণ জ্ঞানৰ প্ৰচাৰ নকৰে। নিমাখিত যেন কৈ থাকে।

ধান খেৰেও খেৰ চান খেৰেও খেৰ
কামতহে হেৰ ফেৰ।
বা আকাশৰ তৰাও তৰা গৰু বন্ধা তৰাও তৰা।

একে নাম ধাম হলেও কামত সকলো সমান হব নোৱাৰে। চান খেৰেৰে ঘৰ ছালে চাৰি পাঁচ বছৰ স্থায়ী হয়। ধান খেৰেৰে ঘৰ ছাব নোৱাৰি গৰু ম'হৰ খাদ্য কৰিব পাৰি। ধান খেৰ ডাঠ বকলা তৈযাৰ কৰাত ব্যৱহাৰ হয়। সেইদৰে আকাশৰ তৰাও তৰা আৰু হাবিৰ পৰা আনি পঘা তৈয়াৰ কৰা তৰা গছো তৰা। দুয়ো সমান নহয় এবিধ আকাশত থাকে আনবিধ হাবি বননিত থাকে। দুয়োৰে কামো একে নহয়। আকাশৰ তৰাই নিশাৰ আকাশৰ শোভা বৰ্দ্ধন কৰে মানুহৰ কাম‌ত নালাগে। হাবিৰ তৰাৰ বাকলিৰে ৰচী তৈয়াৰ কৰি লব পাৰি। তেনেকৈ একে নাম থলে একেঘৰত উপজিলে বা একে পদবী ললেও মানুহ একে নহয় কামতো হেৰ ফেৰ হয়। তথাপি কোৱা হয়—

একে গছৰ পাণ।
সি কি হব আন।"
কথাফাকিৰ অৰ্থ আছে।

৩। **পটন্তৰ বা দৃষ্টান্ত** — কোনো কথাৰ উদাহৰণ দি কোৱা কথাটিৰ মূল্য বঢ়ালে তাক পটন্তৰ ব দৃষ্টান্ত বোলে। গাৱত দষ্টান বুলিও কয়।

বহুজনৰ অনিষ্টকাৰীলোক বিপদত পৰিলে কোৱা হয়

এশ গৰু মৰিলে বাঘৰো মৃত্যু।

অৰ্থাৎ যি ম ... নিতৰ গৰু মাৰি ... ক ... বাঘক বাইজে খেদি ফুৰি

যি কোনো উপায়ে মৃত্যু ঘটায়। সেইদৰে বহুলোকৰ অনিষ্টকাৰীজন বিপদত পৰে।

ভিন্ন চৰিত্ৰৰ দুজন লোকৰ মাজত আত্মীয়তা নজন্মে। তেনে অৱস্থাত কোৱা হয়—

"তেল আৰু পানী মিহলি নহয়।"

দুখীয়াৰ ঘৰত পণ্ডিতৰ জন্ম হ'লে কোৱা হয়

"গোবৰতো পদুম ফুল ফুলে।"

ভাল বা বেয়া কামৰ কথা বজগুৰা হৈ পৰিলে কোৱা হয়—

'ফুল ফুলিলে গোন্ধ ওলাবই।

সেইদৰে উদাহৰণ দি কোৱা হয়—

'চন্দ্ৰতো কলঙ্ক আছে।"

অৰ্থাৎ চন্দ্ৰ উজ্জ্বল মনোমোহা তাতো ক'লা দাগ আছে। তাৰ বাবে চন্দ্ৰৰ জেউতি কমা নাই। সেই দৰে সাধু সন্তৰ গাতো চেকা থাকিব পাৰে কাৰণ দোষে গুণেহে মানুহ তাৰ কাৰণে সাধু সন্ত সকল নীচ হৈ নপৰে।

"ছাটেক নখিয়ালে ছাটৈৰেও নখিয়ায়।"

অৰ্থাৎ যাক যেনে ব্যৱহাৰ কৰা তাৰ পৰাও তেনে ব্যৱহাৰ হে পোৱা যায়।

এনে ধৰণে উদাহৰণ দি কথা কোৱাকে দিষ্টান (দৃষ্টান) মাতি কথা কোৱা বোলা হয়। দৃষ্টান্তই যে দৃষ্টান বা দিষ্টান হৈছে বুজিব পাৰি।

৪। বচন বা ভণিতা ঃ—লোক প্ৰবচনবোৰ সংগ্ৰহ কৰি কোনো ক্ষণজন্মা পুৰুষ বা তিৰোতাৰ নামত প্ৰকাশ কৰা হয়। ডাক খনা আদিৰ মুখ নিসৃত তেনে বাণী সমূহক বচন বা ভণিতা বোলে। ডাক স্বল্পকাল জীৱিত আছিল। কিন্তু ডাকৰ বচন বা ভণিতাবোৰত জ্যোতিষ কৃষিতত্ত্ব সমাজতত্ত্ব বতৰ বিজ্ঞান ৰন্ধন প্ৰকৰণ নীতিমূলক আদি বহু অভিজ্ঞতা সঞ্চিত কথা আছে। গতিকে ডাকৰ বচনবোৰ স্বল্পকাল জীয়াই থকা 'ডাকৰ বচন হয়নে নহয় বহুতেই সন্দেহ পোষণ কৰে। খনা জন্মিছিল শ্ৰীলঙ্কাত শিক্ষা লৈছিল শ্ৰীলঙ্কাত। বাকসৰ মাজৰ পৰা মিহিৰে বিয়া কৰাই আনি উজ্জয়িনীত ৰাখিছিল। খনাৰ বচনবোৰ জাতে পাতে বাংলা ভাষাত লিখা। অন্য ভাষাত কিছু আছে যদিও বাংলা ভাষাত থকাৰ দৰে শ্ৰেণী বদ্ধ ভাৱে থকাৰ নিদৰ্শন নাই। গতিকে বচনবোৰ খনাৰ বচন হয়নে নহয় সন্দেহৰ অৱকাশ আছে। সি যি কি নহওক সেইবোৰত অভিজ্ঞতাৰ কথা আছে নীতি কথা সাৱধানী কথাও আছে।

আপামৰ জন সাধাৰণে এইবোৰ কথা আখৰে আখৰে পালন কৰে। বহুতে ডাকৰ বচনক বেদৰ বাণী বুলিও ধৰি লৈছিল—

"ডাকৰ বচন বেদৰ বাণী।
ইয়াত মাজনে কোন পৰাণী।"

৫। নীতি বচন ঃ মানুহে দৈনন্দিন জীৱনত মানি চলা কিছুমান কথা আছে। তাকে সকিয়াই দিয়া কথাবোৰকে নীতি বচন বোলা হয়। যেনে-

খুটিব নোৱাৰিলে কোঁপাউৰি মাৰিবা।

অৰ্থাৎ শত্ৰুৰ সমুখত লেতু সেতু নহবা। শত্ৰু বলবান হলে আন একো কৰিব নোৱাৰিলেও খং ৰাগ কৰি দেখুৱাব লাগে।

ডাকৰ বচন খনাৰ বচনবোৰত শাস্ত্ৰাদিত এনে নীতি কথা ভৰি আছে। যেনে

গৰু কিনিবা বিংটিব বাটত।
ছোৱালী আনিবা দিনটিৰ বাটত। (ডাক)
শূন্য কলসী শুকান নাও।
শুকান ডালে ডাকে কাও।।
যদি দেখা গাইমুৱা তপা।
এপদও নাৰাবা বোপা।। (খনা)
নখে মাটি লেখা খোজে তলমূৰ কৈ
নাথাকিবা পৃথিৱীত পখিলা নাচাই।
সাপ মাৰি নেজত বিষ নেৰিবা।
দিনৰ পৰ্বত ৰাতিৰ শুই
ডাক নেখেদি থাকিবা জুই
নাহাহিবি মোক।
সুঁচৰিব তোক।
আছিলোঁ যেনে হৈছ তেনে
হৈছোঁ যেনে হবি তেনে।
মঙলৰ ঊষা বুধে পা।
যথা ইচ্ছা তথা যা।। (খনা)
চেঙক খৰিবা ফুৰ্ট ছাহিবে।
কৈটেলাক ধৰিবা পচলাবে।।
নৰৰ লঘু লেপলেপোৱা।
তিৰীৰ লঘু ঘৰ বেবোৱা।।
বাব ঠাই ফুৰে ঘি।
বাব কথা শিকে সি।।
ভাল আমৰ এচকল খাবা।।
সজ্জনৰ লগত এখোজ যাবা।।

৬। বাণী ঃ মহান ব্যক্তি সকলৰ অভিজ্ঞতা পুষ্ট সাকৰা কথাবোৰক বাণী বুলি কোৱা হয়। যেনে

"অসীম জ্ঞানৰ সাগৰৰ মই বালুকণা এটিহে বুটলিবলৈ সক্ষম হৈছো। (নিউটন)

'সাহিত্যৰ সোৱাদ মৌতকৈ বেছি। ওৰে জীৱন সাহিত্যৰ সোৱাদ অনুভূত হয়। (অজ্ঞাত)

'ভাল নেতাই কম কথা কয়। মনে মনে কৰ্ত্তব্য কৰে। (লাওৎচু)

শুনহে মানুষ ভাই
সবাৰ উপৰে মানুষ সত্য
তাহাৰ উপৰে নাই। (বিদ্যাপতি)

'ইখন গালত চৰ এটা মাৰিলে সিখন গালো পাতি দিবা। (যীশু)

অহিংসাই পৰম ধৰ্ম।" (গৌতম বুদ্ধ)

অতীতৰ সমস্ত সুজ্ঞানৰ যোগফুক্ত ৰাশিকলেই ঐতিহ্য। (উজাত)

মানুহেই দেৱ মানুহেই সেৱ
মানুহেই পৰাৎপৰ
এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ। (আগৰৱালা)

দেশতকৈ মোমাই ডাঙৰ নহয়। (লাচিত)

বেদ গীতা আদিৰ সাৰুৱা কথাকো বাণী বুলি কোৱা হয় আৰু বুৰঞ্জীৰ সাৰুৱা কথাকো বুৰঞ্জীৰ বাণী বুলি কোৱা হয়। কোনো কোনোৱে গীতাৰ সাৰুৱা কথাক গীতা প্ৰৱচন বোলাও দেখা যায়।

স্বৰ্গদেউ তুমি ৰং আনন্দক হে মন দিলা। এই পোন্ধৰ বৎসৰে যদি দিব লগা ঠাইত পোন্ধৰ চপৰা মাটি দিলা হতে তোমাৰ কিয় এনে অৱস্থা হব। (বুৰঞ্জী)

'যতো ধৰ্মস্ততো জয়ঃ (গান্ধাৰী, মহাভাৰত)

ধনতকৈ বিদ্যা শ্ৰেষ্ঠ। (নীতিশাস্ত্ৰ)

প্ৰৱচনবোৰত কিছুমান নিচুকনিমূলক কথা থকাও দেখা যায়। যেনে

নাকান্দ ছলি পাবি।
বাপেৰ দৈছে কল কৰবৈ
খোক পৰিলে খাবি।"

প্ৰৱচনবোৰ গতিশীল। ই এটা ভাষাৰ পৰা আন এটা ভাষালৈ এখন দেশৰ পৰা আন এখন দেশলৈ গতি কৰিব পাৰে। নানা ঠাই নানা জাতি উপজাতিৰ সংমিশ্ৰণ বেহা বেপাৰ আৰু আহ যাহৰ ফলত প্ৰৱচনবোৰ গতি সচ্ছল হবলৈ সুবিধা পায়। তাৰ উপৰি অসমীয়া ভাষা সংস্কৃতমূলীয়া হোৱা বাবে সংস্কৃতৰ চৰ্চা এতিয়াও চলি থকা হেতুকে বহু প্ৰৱচন সংস্কৃতৰ পৰা পোনে পোনে অথবা ;" ৰাগৰি আহি অসমীয়া ভাষাত সোমাই পৰিছে। যেনে

| সংস্কৃত | অসমীয়া |
|---|---|
| অল্প বিদ্যা ভয়ঙ্কৰী | অল্পবিদ্যা ভয়ঙ্কৰী |
| প্ৰহাৰেণ ধনঞ্জয় | ধনঞ্জয় প্ৰহাৰ |
| বুদ্ধিৰ্যস্য বল তস্য | বুদ্ধি যাৰ বল তাৰ |
| কালস্য কুটিলা গতি | কালৰ কুটিল গতি |
| মুনিনাঞ্চ মতিভ্ৰম | মুনিৰো মতিভ্ৰম হয়। |
| পদস্খলতি হস্তিন | হাতীৰো পিছলে পাৱ |
| নন, ফলতি সাধুষু | সজ্জনৰো বুৰে নাও |
| ভীমস্যোপি ৰণে ভঙ্গ | ভীমেও দিয়ে ৰণ ভঙ্গ |
| ঘ্ৰানেন অৰ্দ্ধ ভোজনম | গোন্ধ ললে আধা খোৱা হয় |

ওচৰ চুবুৰীয়া হিন্দী বাংলা উড়ীয়া আদি ভাষাৰ পৰাও বহু প্ৰবচন আহিছে।

দিল্লীকা লাড্ডু ইনক্লাব জিন্দাবাদ বাপ চাই বেটা কণা ল'ৰাৰ নাম পদ্মলোচন যত দোষ নন্দ ঘোষ যত মত তত পথ অতি চালাকীৰ গলায় দড়ি (অতি চালাকৰ ডিঙিত জৰী) খাল কাটি কুম্ভীৰ আনা (কোৰে কাটি গ্ৰহণী চপোৱা) ইত্যাদি

কিছুমান ইংৰাজী ভাষাৰ পৰাও অনা হৈছে যেনে

All that glitters is not Gold উজ্জ্বল বস্তু মাত্ৰেই সোণ নহয়

Tit for tat যেনে কুকুৰ তেনে টাঙোন

# অ

**১। 'অ বুলিব নোৱাৰে বত্ৰাৱলী পঢ়েঃ অৰ্থ কামৰ আ ভু নোপোৱাকৈ কাম কৰা।**

বত্ৰাৱলী এখন ধৰ্মীয় পুথি। মূল পুথি সংস্কৃতত লিখা। মহাপুৰুষ মাধৱদেৱে অসমীয়ালৈ তৰ্জমা কৰিছে। ধৰ্মীয় পুথিবোৰ দৰাচলতে টান পুথি। ভালকৈ ভাষা জ্ঞান আৰু অৰ্থবোধ নহ'লে বত্ৰাৱলী পটি বুজিব নোৱাৰি। অ আখৰ অৰ্থাৎ বৰ্ণমালা চিনি নোপোৱা লোকে বত্ৰাৱলী পটিবই নোৱাৰে। সেইদৰে কোনো কামৰ আ ভু নোপোৱা লোকে সেই কাম কৰিব নোৱাৰে বা কৰিবলৈ আগবঢ়া উচিত নহয়।

**২। অঁকৰাই মৈত উঠা ঃ**

অঁকৰা মানুহে কামত ধৰিলে এৰিব নোখোজা হয়। মৈত উঠি মাটি মৈওৱা কাম তেনেই সহজ নহয়। মৈত উঠিব নামিব নাজানিলে বিপদ ঘটাৰ ভয় থাকে। অঁকৰাই কিবা প্ৰকাৰে মৈত উঠি মজা পালে নামিব নোখোজে। তেনে লোকৰ মৈ খালে বামে গৈ বিপদ ঘটায়। অনভিজ্ঞ লোকে কেনেবাকৈ কিবা কৰিব পৰা যেন পালেও তাৰ পৰিমিত ব্যৱহাৰ নজনা বাবে অতিমাত্ৰা কৰিবলৈ যায়। তাৰ বাবে বিপদত পৰে।

**৩। অকলশৰীয়া পহু বাঁহ তলত মৰ**
**টোকা পৰুৱাই কামুৰিলে ধৰফৰাই মৰ।**

অকলশৰীয়া প্ৰাণী মাত্ৰৰে সুখ নাই। মানুহ সমাজপ্ৰিয়। সমাজত থাকি নানা কথা শিকে। আনৰ সহায় সহানুভূতিয়ে মানুহক জীৱন নিৰ্বাহত আনন্দ দিয়ে। ভাই বন্ধু মিতিৰ কুটুম ঘৰ দুৱাৰ মাটি বৃত্তি সকলো সুখৰ কাৰণ। বিপদত আত্মীয় কুটুমে সহায় কৰি উদ্ধাৰ কৰে। অকলশৰীয়া মানুহৰ ভাই বন্ধু ঘৰ দুৱাৰ একো নাথাকে। বিপদ হলে তেওঁলোকক চাওঁতা নাথাকে। আনকি বাহ গছত থকা টোকা পৰুৱাই কামুৰিলে টোকা পৰুৱা খেদাবলৈ কাৰো সহায় নাপাই ধৰফৰাই থাকিবলগীয়া হয়।

**৪। অঁকৰাৰ ধন মকৰাই খায়।**
**পাপৰ ধন পৰাচিত্তত যায়।**

ধন উপাৰ্জন কৰিলেই নহয় তাক খৰচ কৰিবলৈ জানিব লাগে। অঁকৰা মানুহৰ ধন হ'লে নিজে খাবলৈ নাপায় লোকে ঠগাই খায় নিজে খৰচ কৰিলেও অবাৰত খৰচ কৰে। অন্যায় ভাবে চুৰি ডকাইতি কৰি লাভ কৰা ধনো মানুহে সুখ শান্তিৰে ভোগ কৰিবলৈ নাপায়। চুৰি ডকাইতি কৰি মাৰ খোৱা ফাটেক খোৱা জৰিমনা ভৰা আছেই সাখীক দিওতে উকীল মুক্তিয়াৰক দিওতে ধন শেষ হৈ যায়। অঁকৰাই ধন

উপাৰ্জন কৰিও খৰচ কৰিব নজনাৰ দোষত খাবলৈ নাপায়। লোকক ঠগাই চুৰি ডকাইতি কৰি উপাৰ্জন কৰা ধনো অথলে যায়।

৫। অকৰ্মাই নিন্দে ভূমি।
বেশ্যাই নিন্দে স্বামী।।
চোৰে নিন্দে চন্দ্ৰমা।
শাস্ত্ৰই নিন্দে অধমা।।

অকৰ্মাই খেতিৰ কাম কৰিবলৈ টান পায় কাৰণে পথাৰৰ দোষ ত্ৰুটি উলিয়াই খেতি নকৰে। বেশ্যা তিৰীয়ে এক পতিত সন্তুষ্ট নহয় কাৰণে স্বামীক নিন্দা কৰি পৰ পতিৰ সোৱাদ লয়। চোৰৰ বাবে পোহৰ অসুবিধাৰ কাৰণ। সেই কাৰণে চোৰে চন্দ্ৰৰ জ্যোতি বেয়া পায়। শাস্ত্ৰ সমূহত ভাল কথা থাকে। ভাল কথা জানিবলৈ নিবিচৰা লোকক অধম বুলি কোৱা হয়। তেনে লোকক শাস্ত্ৰই নিন্দা কৰে।

৬। অকাৰ্য্যত যি ফুৰয় বাতি।
জুইৰ কাষত বান্ধে গাঁটি।।
টুলুঙা নাৱত ওপৰ ভৰা।
বোলন্ত ডাকে তিনিও মৰা।। (ডাক)

ৰাতি অকাৰ্য্য অন্যায় কাৰ্য্য বা অহিত কাৰ্য্য কৰি ফুৰা জনৰ জীৱন বিপন্ন হয়। জুইৰ ওচৰত গাঁটি বান্ধি কাপোৰ ললে কেতিয়াবা জুই লাগি পুৰি মৰাৰ ভয় থাকে। কাৰণ গাঁটি বন্ধা কাপোৰ সহজে সোলোকাব নোৱাৰি। কাপোৰ খুলি পেলায় মানে পুৰি আধ্যা পৰে টুলুঙা নাৱে টুলুং ভুতুং কৰে তাতে ওপৰলৈ বোজা তুলিলে নাও বাগৰি বস্তু বাহানি নষ্ট হয় মানুহ মৰাৰ সম্ভাৱনা থাকে। গতিকে ডাকৰ বচনত এই তিনিজনক মৰা বুলিয়ে ধৰিবলৈ কৈছে।

৭। অকালত মকৰা ফুলে
টেপা দি ধৰিলে ভেঁটা নেখোৱাই
তেহে ওপৰলৈ তোলে।।

সাধনাৰ বলত অকালত অৰ্থাৎ সকলো কালতে ভগৱৎ দৰ্শন পাব পাৰে। ধ্ৰুৱই সকলো কালতে ভগৱানক দেখা পাইছিল। ভগৱানে কাৰো কোনো বস্তুলৈ আশা নকৰে গতিকে তেওঁ ভেঁটী নোখোৱাজন। মনক টেপা মাৰি থিৰ কৰিব পাৰিলে একাণপতীয়া ভক্তিৰ বলত মানুহ স্বৰ্গলৈ লৈ যায়।

৮। অল্প খোৱাৰ অল্প গাৰী
বাছি খোৱাৰ শুকায় নাড়ী।

যিজনে যিহকে পায় তিহকে আনন্দেৰে খায় ওকালি দিয়া বস্তু পৰ্যন্ত খাবলৈ ঘিণ

নকৰে তেওঁৰহে স্বাস্থ্য ভালে থাকে তেওঁ শকত আৰুত হয়। বাছি খালে যিমান দৰকাৰ সিমান খোৱা বস্তু নাপাই শুকাই থাকিবলগীয়া হয়।

৯। অগ্নিৰ মাজত কঠিয়া সিঁচিলে
জলৰ মাজত গজিল
ফুল নৌ সৰোঁতেই ফলটি সৰিল
সি ফল যজ্ঞত লাগিল।

কামাগ্নি জ্বলিলে পুৰুষৰ শুক্ৰধাৰা প্ৰকৃতিৰ শোণিত বিন্দুত থিত লৈ ভ্ৰূণৰ সৃষ্টি হয়। সেই ভ্ৰূণ বঢ়াৰ লগে লগে তাত পানীৰো আৱিৰ্ভাৱ হয়। সেই পানীৰ মাজতে ভ্ৰূণ বাঢি সম্পূৰ্ণ হ'লে তাৰ আৱৰণ নৌ সৰোঁতেই সজীৱ দেহটিৰ প্ৰসৱ হয়। সেই নৰদেহীয়ে জ্ঞান আৰু ধৰ্ম চৰ্চা ৰূপ যজ্ঞত ব্ৰতী হয়।

১০। অঙহী বঙহী মঙহ খায়।
আনেও সুবিধা পায়।।

নিজৰ অঙহী বঙহীয়ে ভিতৰ বাহিৰৰ সকলো কথা জানে ক'ত কি দুৰ্বলতা আছে তাকো গম পায়। সেই কাৰণে অনিষ্ট কৰিবলৈ ইচ্ছা কৰিলে তেওঁলোকে অতি সহজে কৰিব পাৰে। তেনেলোকৰ সহায় লৈ আনেও অন্যায় কৰিবলৈ সুযোগ পায়। ৰাৱণৰ ভায়েক বিভীষণৰ সহায় নোপোৱাহেঁতেন ৰামে ইমান সহজে ৰাৱণক সবংশে ধ্বংস কৰিব নোৱাৰিলেহেঁতেন। সেইকাৰণে কোৱা হয় বঙহে মঙহ খায়।

১১। অচিন কাঠৰ খোৰা মলগাবা ঃ

ঢেঁকীৰ খোৰা টান কাঠৰ হব লাগে। ঢিলা কাঠৰ হ'লে খোৰা ভাগি বিপদ ঘটাব পাৰে। সেইদৰে চাই চিতি বুজি সুজিহে বন্ধু পাতিব লাগে। স্বভাৱ চৰিত্ৰ নজনাকৈ কোনো লোকৰ লগত বন্ধু পাতিলে ভাল হলেতো ভালেই বেয়া হলে বিপদ চপাই লোৱা হয়। সেইকাৰণে অচিনাকি লোকৰ সৈতে আত্মীয়তা কৰিবলৈ যোৱা উচিত নহয়।

১২। অজ্ঞানীয়ে ভাত খায় চাল বেৰ চাই।
জ্ঞানীয়ে ভাত খায় তলমূৰ কই।।

কেৱল ভাতেই নহয় সকলো খাদ্য সুস্থিৰ ভাৱে খাব লাগে। চাল বেৰ চাই অন্য কথা ভাবি খাদ্য খাব নালাগে। ডিঙিত লাগি বিপদ ঘটাব পাৰে। জ্ঞানহীনেহে চালবেৰ চাই অন্য কথা ভাবি খাদ্য খায় জ্ঞানী সকলে একাত্তমনে তলমূৰ কৰি খাদ্য খায়। আহাৰ বহি খোৱা উচিত।

১৩। অজ্ঞানীক জ্ঞান দিলে মনে পায় কষ্ট।

**বাহুৰেৰ ভাঙি চিঙি কণীকে কৰে নষ্ট**

অজ্ঞানীক জ্ঞান দিলে তেও জ্ঞানৰ কথা নুবুজি কদৰ্থ কৰে। কোনো কোনো সময়ত বাহু ভাঙি চৰাইৰ কণী নষ্ট কৰাৰ দৰে আচল কথাৰ মূল নাইকিয়া কৰে কাৰণে সকলো ওলট পালত হৈ পৰে।

১৪। **অতামুলীয়ে তামোল খায়**
**তলেদি বোৱালে বাং।**
**অঘৈণী ঘৈণী হল**
**দুপৰীয়া বগালে ছাং।**

তামোল নোখোৱা মানুহে তামোল খালে দুই কোৰাৰীৰে তামোলৰ বা বই যায় ঘৰ ধৰিব নজনা তিৰোতাই ঘৰ চলালে কি কাম কেতিয়া কৰিব লাগে তাৰ আ ভু একো নাপায় কৰিবলগীয়া কাম এৰি দিন দপৰতে শোৱে ই ঘৰ সিঘৰ কৰি স্বভাৱ নষ্ট কৰে ঘৰৰো সৌন্দৰ্য্য নষ্ট হয়। অভ্যাস নাথাকি'ল মানুহে কোনো কামকে সুন্দৰকৈ কৰিব নোৱাৰে।

১৫। **অতিমাত্ৰাই অৱনতি।**

অতিমাত্ৰাই খৰচ কৰিলে কোটিপতিও ভিখাৰী হব লগীয়া হয়। অতি দৰ্পৰ কাৰণে ৰাৱণ ৰজা সবংশে ধ্বংস হৈছিল। অতি মান বিচৰাৰ কাৰণে কৌৰৱ সকলৰ পতন ঘটিছিল অতি দানী হবলৈ গৈ বলি ৰজাই পাতালতহে স্থান পাইছিল। গতিকে মাত্ৰাধিক্য হলেই পতন অৱশ্যম্ভাৱী।

১৬। **অতি চহকীৰ ধন ধাৰে নলবা**

মানুহে আপদে বিপদে আনৰ পৰা ধন ধাৰে লৈ দৰ্কাৰী কাম সমাধা কৰে। তাৰ বাবে তেও হীনহৈ নপৰে। অতি চহকী মানুহে ধনৰ গৌৰৱত ৰজাকো দেও নোবোলে। তেনে মানুহৰ পৰা ধন ধাৰে ল'লে ধাৰ লওতাজনক হীন চকুৰে চোৱাৰ উপৰিও সুবিধা পালেই সুত ব্যাজ বেছিকৈ লয়। তেওলোকে দুখীয়াৰ দুখ নুবুজে। বৰঞ্চ মাটি সম্পত্তি সোপাকে নিজৰ কৰি লৈ ধৰুৱাজনক লাউ লোৱা কৰে। সেইকাৰণে বেছি চহকী মানুহৰ পৰা ধন ধাৰে লব নালাগে।

১৭। **অতি ভক্তি চোৰৰ লক্ষণ ঃ**

অতি দগধা চোৰ সাধাৰণতে কথা বতৰাত বৰ নম্ৰ হয়। সেই নম্ৰতাৰে মানুহৰ মনত সন্দেহ নাইকিয়া কৰি বৰঞ্চ সি প্ৰিয় পাত্ৰহে হয়। তেনেলোকে সুযোগ পালেই চুৰ কৰি তহিল কৰে। অনাহকত বেছিকৈ মৰম চেনেহ বা ভক্তি শ্ৰদ্ধা কৰোঁতাজনৰ ভিতৰুৱা স্বাৰ্থ থাকে। মৰম চেনেহ শ্ৰদ্ধা ভক্তিৰে বিশ্বাস জন্মাই তেনে লোকে স্বাৰ্থ

সিদ্ধি কৰে। গতিকে অতি ভক্তি কৰোঁতাক চোৰ বুলি থাৱৰ কৰিব লাগে।

১৮। অতি তিতা নিম তিতাৰ পাত।
তাতোকৈ তিতা মাহী আইৰ মাত।।

নিম পাত খাবলৈ তিতা কিন্তু উপকাৰী। মাহী মাকৰ গালি শপনি তাতোকৈ তিতা। সেই গালি শপনিয়ে কোনো উপকাৰ নকৰে দুখ দুৰ্দশা বঢ়ায়। মাহী মাক থকা ল'ৰা ছোৱালী বৰ দুৰ্ভগীয়া। তিতা কেঁহা লগা গালি মাত হজম কৰি চলিব লগীয়া হয়।

১৯। অতিশ্ৰী হতশ্ৰী ঃ

মানুহৰ শ্ৰী অৰ্থাৎ ধন সম্পত্তি চেহেৰা পাতি সদায় একেদৰে নাথাকে। এটি নিৰ্দ্দিষ্ট বয়সলৈ চেহেৰা নিখুঁত নিপোটল হৈ থাকে। তাৰ পাছত পৰি আহে। ধন সম্পত্তিৰ ক্ষেত্ৰতো মানুহ সদায় ধনী বা সম্পত্তিশালী হৈ নাথাকে। এটি সীমিত পৰিমাণৰ পাছতে ধন সম্পত্তি কমিবলৈ ধৰে। অসম্ভৱৰূপে শ্ৰীবৃদ্ধি হ'লে অতি সোনকালে শ্ৰীনাশ হোৱা দেখা যায়। ধন আৰু ৰূপৰ গৌৰৱত মানুহে হিতাহিতো নুবুজা হয়। সেই কাৰণে নানা দুষ্কাৰ্য্য কৰি শাস্তি ভোগে নীতি ৰীতি এৰি স্বাস্থ্য হানি কৰে।

২০। অতিথি ব'ল চাউলো সিজিলঃ

ইয়াত দুটা কাম একেলগে সিদ্ধ হোৱাৰ কথা কোৱা হৈছে। কোনোবা এজনৰ ঘৰলৈ তেনেই দুখীয়া ভিখাৰী এজন আলহী ৰূপে ৰাতি থাকিবলগীয়া হ'ল। গিৰীহঁতৰ গ্ৰহদোষ উপশমৰ কাৰণে ভিখাৰী এজনক পেট পুৰাই খুৱাবলগীয়া আছিল। ভিখাৰী আলহীজনক সিদিনা খাবলৈ থাকিবলৈ দিয়াত ভিখাৰীজন পৰম সন্তুষ্ট হ'ল আৰু গিৰীহঁতৰ গ্ৰহদোষৰ উপশম ঘটিল। এনেধৰণে একেটা কামতে দুটা উদ্দেশ্য সফল হ'লে অতিথি ব'ল চাউলো সিজিল বুলি কোৱা হয়।

২১। অতি চালাকী কান্দত পৰে
বা
অতি চালাকৰ ভিতিত জৰী

বেছি চালাকি খটুৱাবলৈ গ'লে কেতিয়াবা নিজে বান্ধ খাবলগীয়া হয়। চতুৰ লোকেও কেতিয়াবা কেতিয়াবা নিজৰ বিপদৰ কথা নাভাবি চালাকি কৰি আনক বিপদত পেলাবলৈ যাওতে নিজেই বিপদত পৰে। কাউৰী হৰিণা আৰু শিয়ালৰ সাধু কথাই ইয়াৰ উত্তম প্ৰমাণ।

২২। অতি দৰ্পে হত লঙ্কা ঃ

লঙ্কাৰ ৰজা ৰাৱণে গৰ্ব ৰক্ষা কৰিবলৈ সোণৰ লঙ্কা চাৰখাৰ কৰিছিল। ৰাৱণৰ দৰ্প

নথকা হ'লে সীতাক হৰণ নকৰিলেহেঁতেন ৰামৰ হাতত সবংশে নাশ নাপালেহেঁতেন। মোৰ মান ডাঙৰ বীৰ নাই এনে ভাৱতে তেওঁ নাশ পালে। শক্তিক বেছি গৰ্ব কৰা অনুচিত।

২৩। অতি মৰমত পো নষ্ট
অতি ভোজনত ভোহ নষ্ট।

বেছি মৰম কৰিলে ল'ৰা ছোৱালী অলপতে ঠেহ পতা শাসন নমনা হৈ পৰে। তাৰ ফলত ল'ৰা ছোৱালী অকামিলা আৰু সোৰোপা হয় কাম বন কৰিবলৈ মন নকৰে লিখা পঢ়া কৰিবলৈ টান পায় মাক দেউতাকৰ মৰম চেনেহতে যেন তেওঁলোক ডাঙৰ দীঘল হ'ব অভাৱ অভিযোগবোৰ মাক দেউতাকেই ভৱিষ্যতেও পূৰণ কৰি থাকিব এনে ভাৱতেই তেওঁলোক থাকে। সময়ত এইসকলে একো কাম কৰিবলৈ সমৰ্থ নহৈ চোৰ ডকাইত হবলৈ বাধ্য হৈ পৰে। উনা ভাতে দুনা বল বেছি ভাতে ৰসাতল বুলি কথা এষাৰ আছে। বেছি ভোজন কৰিলে গেৰেউ গেঠেউ লাগে খাদ্যবস্তু হজম নহয় পেটৰ অসুখত ভুগিবলগীয়া হয়। অৰ্থাৎ বেছি ভোজন কৰা অভ্যাস হলে পাকস্থলী নষ্ট হৈ পেটৰ অসুখত পৰে।

২৪। অতিকৈ মুখ মেলিলে কোৰাৰী ফাটে

একেলগে মুখত বেছিকৈ বস্তু সুমুৱাই দিলে অতিকৈ মুখ মেলিবলগীয়া হোৱাত মুখৰ কোৰাৰী ফাটে। সেইদৰে বেছি লাভ কৰিবলৈ গলে লাভ নহৈ লোকচানহে হয়। অৰ্থাৎ বেছি লাভ কৰিবলৈ গ'লে গ্ৰাহক পোৱা নাযায়। বিকিবলগীয়া বস্তু গেলি পচি নষ্ট হৈ লোকচান হয়। অধিক লাভলৈ চাওতে মূলো হেৰায়।

২৫। অতিৰ লগত যতি মৰে।
উলুৰ লগত বগৰী পোৰে।

অতি অত্যাচাৰী দুৰ্দান্ত লোক সঙ্গত থাকিলে সাধুও চোৰ হয়। উলুৱনিত বগৰী গছ থাকিলে উলুৱনিত জুই লাগিলে বগৰী গছো পোৰে। সঙ্গদোষত সাধু সন্তও অসৎ বুলি শাস্তি ভোগ কৰিবলগীয়া হয়।

২৬। অতি কথকীক কথাই খায়
বৈদ্যক খায় সাপে।
সাতখন তাগৰত মিজনে লুটিয়ায়
তাকো হোৱে পাপে।

অথবা অতি কথকীক কথাই খায়
বনীয়াক খায় বাঘে
চাবি শাস্ত্ৰ জানে বি
তাক খায় মন্ত্ৰ পাপে।।

বেছি কথা কোৱা মানুহে বৰ দ কৈ ভাবি চিন্তি কথা নকয়। কেতিয়াবা নকবলগীয়া কেতিয়াবা বঢা কথা কৈ বিপদত পৰে কাজিয়া পেচাল মাৰ পিটো হয়। সাপৰ বিষ নোহোৱা কৰা বেজকো সাপে খুঁতি মাৰিব পাৰে আৰু সাতখন ভাগৱত পঢা লোকেও কেতিয়াবা নকবলগীয়া কথাকৈ নকৰিবলগীয়া কাম কৰি পাপ অৰ্জন কৰে। গতিকে যি যিটো বিষয়ত পাৰ্গত অসাৱধানতাবশত সেই বিষয়তে বিপদত পৰিব পাৰে। সাৱধান হৈ চলিলে বিপদ নহয়।

২৭। **অতি কথকীৰ কথাই সাৰ**

কৰ্মী মানুহে নীৰৱে কাম কৰি যায়। কথাকৈ সময় খৰচ নকৰে। বেছি কথা কোৱা লোকে কাম কৰিব নোৱাৰে। তেও মিছাকৈয়ে নিজৰ বৰাই কৰে আৰু আনক উপদেশ দিয়ে। গতিকে অতি বেছি কথা কোৱা লোকৰ কথা শুনিব নালাগে।

২৮। **অতিথিক নিদিবা ঠাই,**
**অতিথিয়ে লাবি চাবি খায়।**

অতিথিমানে বাহ্যিকতা লাহ বিলাহ আমোদ প্ৰমোদ বাহ্যিকতাক ঠাই দিলে অতিপাত ধন খৰচ হয়। লাহ বিলাহ বাঢিলে অলাগতিয়াল বস্তুও লাগতিয়াল হৈ পৰে। তাৰ ফলত মানুহ ধোৱাঁ খুলীয়া হৈ পৰে।

২৯। **অথাউনিত তৰে আঠুৱনিত মৰে।**

অথাউনী পানীত সাৱধান হৈ সাতুৰিব জানিলে মানুহ নমৰে ৰক্ষা পৰে। কেতিয়াবা আঠুৱনি পানীত অসাৱধানতাৰ কাৰণে মানুহ মৰে। সাৱধান হৈ চলিলে দিন ভাল থাকিলে ডাঙৰ বিপদতো মানুহ ৰক্ষা পৰে। দুৰ্দিন হলে সামান্য বিপদেই মাৰাত্মক ৰূপ ধাৰণ কৰি প্ৰাণ সংহাৰ কৰিব পাৰে। গতিকে ভাগ্যই সৰ্বেসৰ্বা।

৩০। **অদৃষ্টৰ লিখন আখৰে আখৰে মিলে।**

বিধাতাই হেনো কাৰ ভাগ্যত কি হবলগীয়া আছে কপালত লিখি থয়। সেইমতে মানুহৰ সুখ দুখ আদি হয়। কপালত যি লিখা আছে তাৰ অন্যথা নহয়।

৩১। **অধিক লাভলৈ চালে মূলো হেৰায়।**

বেছি লাভ লৈ কোনো বস্তু বেচিবলৈ গ'লে গ্ৰাহক নাহে বস্তু বিক্ৰী নহয় পাচলৈ শুকাই লেবেলি গেলি পচি নষ্ট হয়। লাভ পোৱা দূৰৰ কথা মূলধনিও নাথাকে। গতিকে বেছিকৈ আশা কৰা ভাল নহয়।

৩২। **অধিক মাছত বগলী কণা ঃ**

বগলীয়ে মাছ খায়। কিন্তু একেলগে বহু মাছ দেখিলে কোনটো ধৰিব কোনটো এৰিব ভাবি চিন্তি থাকোঁতেই মাছবোৰ গুচি যায় এটিও ধৰিব নোৱাৰে। মানুহৰো

একেলগে কেইটাও লাভজনক কাম আহি পৰিলে কোনটো কৰিব কোনটো এৰিব বুলি ভাবি থাকোঁতেই সময় অতিবাহিত হয়। চঞ্চল মানুহে সময়মতে এটা কামো কৰিব নোৱাৰি হায় হায় কৰিবলগীয়া হয়।

৩৩। অধিক ৰাৰ্ন্ধৈত গুৰ ধমনা ঃ

গুৰ পগাওতে জনা মানুহে নিজ মতে পগাব লাগে। নানা জনৰ কথা শুনি গুৰ পগাবলৈ ললে গুৰ ধমনা অৰ্থাৎ গোট বান্ধি টান হয়। সেইদৰে বহুতৰ উপদেশ লৈ কাম কৰিলে কাম সুসিদ্ধ নহয়। সকলো অৱস্থাতে শিকি বুজি নিজৰ মতে কাম কৰি যাব লাগে। আনৰ কথাত মূল্য দিব নালাগে।

৩৪। অধ্যাপকক গায়ত্ৰী মন্ত্ৰ শিকায়ঃ

অধ্যাপক মাত্ৰেই গায়ত্ৰী মন্ত্ৰ জানে গায়ত্ৰী মন্ত্ৰ জপ কৰে। তেনে এজন লোকক গায়ত্ৰী মন্ত্ৰ কি এই মন্ত্ৰ জপ কৰিলে কি ফল পোৱা যায় আদি কথা শিকাবলৈ যোৱাটো হাঁহি উঠা কথা। নিজে যিমানখিনি জানে সেইখিনিয়ে বহুত বুলি ভাবি আনে সিমান নাজানে বুলি ভবা লোকে এনে কাম কৰি হাঁহিয়াতৰ পাত্ৰ হয়। গতিকে নিজে যিমান জানে তাতোকৈ বেছি জনা লোক থকা বুলি ধৰি লোৱা উচিত। জ্ঞানৰ সাগৰ অতি বিশাল। এজন মানুহে তাৰ সামান্য অংশহে আয়ত্ব কৰিব পাৰে। তাকে অতি বেছি বুলি ধৰি লৈ আনক উপদেশ দিবলৈ যাব নালাগে।

৩৫। অনভ্যাসে হত বিদ্যাঃ

বিদ্যা চৰ্চা কৰিলেহে বৃদ্ধি হয় জনাখিনি ভালকৈ মনত থাকে। অভ্যাস কৰি নাথাকিলে জনা কামো নজনা হৈ পৰে। গতিকে জ্ঞান বিদ্যা চিন্তা চৰ্চাৰ ওপৰত বৰ্ত্তি থাকে। চিন্তা চৰ্চা নাথাকিলে জ্ঞান বিদ্যা পূৰ্ববৎ হৈ নাথাকে। পাহৰণিত নষ্টহে পায়।

৩৬। অপাত্ৰত থলে সোণো পিতল হৈ পৰে

ৰজা ৰাণীয়ে পিতলৰ অলঙ্কাৰ পিন্ধিলেও আনে সোণৰ বুলি ভাবে। ভিখাৰীয়ে পিন্ধা সোণৰ অলঙ্কাৰ সোণৰ বুলি কোনেও নাভাবে। গতিকে পাত্ৰ অপাত্ৰ বিশেষে পিতলক সোণ আৰু সোণক পিতল বুলি ভাব হয়। সেইদৰে সুচৰিত্ৰা নাৰী অনায়ক অবিবেচক পাত্ৰত বিয়া দিলে নাৰীৰ গুণৰ বিকাশ নহয় বৰঞ্চ চৰিত্ৰ নষ্টহে হয়।

৩৭। অবংশত ৰজা, অপনীৰ ধন
হ'লেনো কি হব সক ভাব মন।

ৰজা হবলৈ দয়া মমতা ভক্তি ক্ষমা কঠোৰতা ন্যায় পৰায়ণতা উদাৰতা আদি নানা গুণ থাকিব লাগে। ভাল বংশত নোপজিলে সেই গুণবোৰ সহজে লাভ কৰিব নোৱাৰি। নীচ বংশত জন্ম গ্ৰহণ কৰা জনৰ ঠেক মনোবৃত্তি কিছুমান মজ্জাগত হৈ থাকি যায়। তেনে লোক ৰজা হলেও ভাল শাসক হব নোৱাৰে ক্ষমতাৰ অপব্যৱহাৰ

কৰে ৰাজনীতিত আউল লাগে। সেইদৰে দুখীয়া মানুহ ধনী হ'লেও তাৰ কটাকিনালি সহজে নাযায় ভাল কামতো ধন খৰচ কৰিবলৈ টান পায় ধনৰ সৎ ব্যৱহাৰ নহয়। নতুন ধনী অহঙ্কাৰী হৈ নকৰিবলগীয়া কামত ধন খৰচ কৰে। নীচ বংশত জন্ম গ্ৰহণ কৰা লোক সহজে উদাৰচিতীয়া হোৱা টান। মনটি সৰু হৈ থাকে।

**৩৮। অবুজনক বুজোৱা ঢেকুৱাৰ ঠাৰি সিজোৱা**

যিবোৰ মূলাৰ তলত মূলা নহৈ সাৰ গোবৰ নাপাই শিপাডাল হে থাকে সেইবোৰকে ঢেকুৱা মূলা বোলে। হাজাৰ চেষ্টা কৰিলেও ই সিদ্ধ নহয়। সেইদৰে যি অবুজন যি কোনো কথাকে বুজিবলৈ চেষ্টা নকৰে যাৰ বিদ্যা বুদ্ধি নাই তেনে লোকক বুজ দিবলৈ চেষ্টা কৰিলে পৰিশ্ৰম বৃথাই যায়। ঢেকুৱাৰ ঠাৰি সিজোৱাটো যেনেকৈ পণ্ড শ্ৰম হয় অনৰ্থক সময় খৰচ কৰা হয় অবুজনক বুজাবলৈ গ'লেও অনৰ্থক সময় নষ্ট কৰাহে হয়। লাভ নহয়।

**৩৯। অভাৱেই স্বভাৱ নষ্ট কৰেঃ**

অভাৱ হ'লে মানুহে অভাৱ পূৰণৰ কাৰণে যত্ন কৰে। কোনো উপায়ে অভাৱ পূৰন কৰিব নোৱাৰিলে চুৰি ডকাইতি অথবা ঠগবাজি কৰি সেই অভাৱ পূৰণ কৰিবলৈ লয়। ফলত সাধু মানুহবো স্বভাৱ নষ্ট হয়। বুধিয়ক সকলেহে অভাৱত আৱিষ্কাৰ কৰি সকলোৰে উপকাৰ কৰে।

**৪০। অভাগা যʼলৈকে যায় জুলে বিহ্বে ৰবলে খায়।**

দুৰ্ভগীয়াৰ বিপদ য'তে ত'তে। ভাল কৰিবলৈ গ'লেও বেয়াহে হয়। যেনি তেনি বিপদত পৰে।

**৪১। অভাৱেই আৱিষ্কাৰৰ মূল**

যেতিয়া কোনো বস্তু অতি দৰ্কাৰী হৈ পৰে তেতিয়াই সেই বস্তু পাবলৈ মানুহে হামৰাও কাঢে। দূৰদৰ্শন কৰিবৰ আৱশ্যক হোৱা হেতু দূৰবীণৰ আৱিষ্কাৰ হ'ল। দূৰৰ কথা বতৰা শুনাৰ আগ্ৰহত ৰেডিঅ ওলাল টেলিফ'ন আৱিষ্কাৰ হ'ল বেতাৰ টেলিভিছন আৱিষ্কাৰ কৰিলে কথা বতৰা ধৰি ৰাখিবৰ কাৰণে টেপ ৰেকৰ্ডাৰ উলিয়ালে থিয়েটাৰ নাচ আদি নানা ঠাইত দেখুৱাবৰ কাৰণে বায়স্কোপ আৱিষ্কাৰ হ'ল গ্ৰহৰ পৰা গ্ৰহান্তৰ ভ্ৰমণৰ কাৰণে ৰকেট আৰু কৃত্ৰিম গ্ৰহ আৱিষ্কাৰ কৰিলে। এনে ধৰণে নানা বিধ যন্ত্ৰপাতি কলকব্জা ঔষধ খাদ্য দ্ৰব্য আচবাব অভাৱ অনুভৱৰ ফলতে আৱিষ্কৃত হৈছে।

**৪২। অভিমন্যু চক্ৰ ৰেহত সোমাল।**
**ওলাবলৈ বাট নাই।**

অভিমন্যুই মাতৃগৰ্ভত থাকোঁতে অৰ্জুনে মাকক কোৱা মতে কেনেকৈ চক্ৰ ৰেহ

ভেদ কৰিব লাগে তাক জানিছিল। মাক টোপনি যোৱা কাৰণে চক্ৰবেহু ভেদ কৰি ওলোৱা কথাটো নাজানিলে। কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত অৰ্জুন অন্যফালে ব্যস্ত হৈ থাকিবলগীয়া হোৱাত অভিমন্যুই চক্ৰবেহু ভেদ কৰিলে আৰু সপ্তৰথীৰ লগত যুদ্ধ কৰি চক্ৰবেহু ছেদ কৰিব নোৱাৰি প্ৰাণ দিলে। যিকোনো কামৰে আৰম্ভণি আৰু সামৰণি জনা দৰ্কাৰ আৰম্ভ কৰি শেষ কৰিব নোৱাৰিলে বিপদহে মাতি অনা হয়। কামৰ সামৰণি কৰিব নোৱাৰিলে কাম কৰা নকৰা সমান হৈ পৰে বৰঞ্চ অসাঠনৰ চেকাহে লাগে। উদ্ধাৰৰ বুদ্ধি নাজানিলে মৃত্যুও হয়।

৪৩। অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ

চতুৰ্ভুজৰ এটা চকুৰ পৰা তাৰ তৃতীয় চুকলৈ দূৰত্বত কৰ্ণটোৱেই ক্ষুদ্ৰতম। অভ্যাস কৰিলে সহজে কৰ্ণপথৰে শৰ মাৰি তৃতীয় চুক স্পৰ্শ কৰিব পাৰি। সেইদৰে অভ্যাস কৰিলে টান টান কামো সহজ উপায় কৰিব পৰা যায়। আনকি কাণৰ বিন্ধাৰেও শৰ মাৰিব পাৰি।

৪৪। অমানুহৰ ঘৈণীতকৈ ভাল মানুহৰ লিগিৰীও ভাল

ভাল সঙ্গত থাকিলে মানুহ ভাল হয় সৎ হয় বেয়া মানুহৰ সঙ্গ ললে ভাল মানুহো বেয়া বা অসৎ হয়। সেই হিচাবে অসৎ মানুহৰ ঘৈণীয়েতকৈ সৎ লোকৰ সঙ্গত থকা লিগিৰীজনী সৎ চৰিত্ৰৰ হয়।

৪৫। অমুকাৰ জোলোঙা নুবুলিবা সৰু
চাউল ধৰে চক ধৰে আৰু ধৰে গৰু।

আৱশ্যকীয় বস্তু থকা জোলোঙা এখন সৰু যেন দেখিলে সৰু বুলি ভবা উচিত নহয়। এজন মানুহ সৰু আৰু জলহ যেন দেখিলেই একো নজনা বুলি ধৰি লব নালাগে। বিদ্যাসাগৰ চক্ৰেটীচৰদৰে জলহ ধৰণৰ লোকৰ জ্ঞান গৰিমাৰ তুলনা নাই। তেওলোকক সৰু মানুহ জ্ঞান কৰা অবিবেচকৰ কাম। গতিকে ভালকৈ নিৰীক্ষণ নকৰাকৈ স্বভাৱ চৰিত্ৰ গতি গোত্ৰ নজনাকৈ দেখাত অজলা ধৰণৰ লোকক সামান্য অজ্ঞান লোক বুলি ভাবিব নালাগে।

৪৬। অমৰ মৰে নিজৰা জৰে মৰাই বায় হাল।
লক্ষ্মীনাথে ভিক্ষা কৰি খায় দুখীয়াৰ ধনবৰ নাম।
মোৰ নাম নিধনীয়ে ভাল।

অমৰা নামৰ মানুহ মৰে নিজৰাৰ পানী জুৰি হৈ বয় মৰা নামৰ হালোৱাটোৱে হাল বায় লক্ষ্মীনামৰ মানুহে ভিক্ষা কৰে ধনবৰ নাম লৈ দুখীয়াই ভিক্ষা মাগে। গতিকে নামৰ লগত অৱস্থাৰ বা কামৰ মিল নাথাকে। সেইকাৰণে নিধনী নাম হোৱাই ভাল। নিধনী নাম ললে কোনেও ধন বিচাৰি নাহে।

৪৭। অৰিক নোৱাৰি ৰৰীক ধৰে।

অৰি মানে শত্ৰু ৰৰী মানে বোৱাৰী। বহুলোকে শত্ৰুক বলে নোৱাৰি শত্ৰুৰ ক্ষোভ তলতীয়া মানুহৰ ওপৰত জাৰে। আন কাকো নাপালে বোৱাৰীয়েকৰ দোষ খুচুৰি ফুৰা শাহুৱেক বা শহুৰেকে বোৱাৰীয়েকৰ ওপৰত খ সাৰে।

৪৮।অৰিৰ পুখুৰীৰ ঘৰি

যি পুখুৰীৰ পানী নাখাওঁ

পাৰতো নিদিওঁ ভৰি।।

পুখৰীত বিহ দি থব পাৰে। সেইকাৰণে শত্ৰুৰ পুখুৰীৰ পানী খোৱা উচিত নহয়। আনকি সেই পুখুৰীৰ পাৰতো ভৰি দিয়া অনুচিত। পুখুৰীৰ পাৰ গচকিলে শত্ৰুৱে নানা ধৰণৰ সন্দেহ কৰাৰ থল ওলায়। গতিকে শত্ৰুৰ সকলো ধৰণৰ সংশ্ৰৱ ত্যাগ কৰা উচিত।

৪৯। অৰ্থই অনৰ্থৰ মূল।

অৰ্থ মানুহৰ অতি আৱশ্যকীয় সম্বল। অৰ্থ সংগ্ৰহ কৰা সকলোৰে আৱশ্যক। অৰ্থৰ বলেৰে নিজৰ সুখ সুবিধা সম্পত্তি কৰাৰ উপৰিও দান দক্ষিণা কৰি ধৰ্ম উপাৰ্জন কৰিব পাৰি। অৰ্থ থাকিলে চোৰ ডকাইতৰ ভয় হয়। চোৰ বা ডকাইতে অৰ্থ লাভৰ কাৰণে মৃত্যু পৰ্যান্ত ঘটাব পাৰে। ইয়াৰ উপৰি ধন থাকিলে মানুহ অহঙ্কাৰী হব পাৰে ফুটনি বাঢ়িব পাৰে। তাৰ কাৰণে বহুতৰ অপ্ৰিয় হ'ব লাগে। হিতাহিত বিবেচনা ৰহিত লোকে নিজৰ পৰাক্ৰম দেখুৱাবলৈ গৈ নকৰিব লগীয়া কাম কৰি বহু ধন ভগন কৰিবলগীয়া হব পাৰে। অৰ্থই বহুক্ষেত্ৰত অনৰ্থৰ বা অৰ্থ হানিৰ কাৰণ হৈ পৰে।

৫০। অল্প আৰ্জন বিস্তৰ ভোজন।

সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।।

বা

অলপ আৰ্জে খায় বিস্তৰ।

লক্ষ্মী নাথাকে তাহাৰ ঘৰ।। (ডাক)

অথবা অলপ আৰ্জন বিস্তৰ ভোজন।

সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।।

উপাৰ্জন কম খাওতাৰ সংখ্যা বেছি হ'লে সেই ঘৰ মানুহৰ দৰিদ্ৰ অৱস্থা হয়। অলপ উপাৰ্জন কৰি বেছি খৰচ কৰিলে সেই ঘৰত লক্ষ্মী বাস নকৰে। গতিকে আয় চাই ব্যয় কৰিব লাগে।

৫১। অলপ কথাই বৰ।
ফটা কঁথাই জ্বৰ।।

ফটা হওক ছিটা হওক কঁথা গাত লবলগীয়া হ'লে জ্বৰ উঠা বুলি ধৰিব লাগে। সেইদৰে অতি সামান্য কথাই ডাঙৰ কাণ্ড ঘটাব পাৰে। গতিকে কথা কোৱাত বিশেষ সাৱধান হব লাগে।

৫২। অল্প বিদ্যা ভয়ঙ্কৰী

মানুহ যিমানে শিক্ষিত হয় সিমানে নম্ৰ আৰু ভদ্ৰ হৈ পৰে। প্ৰকৃত শিক্ষিতলোকে নিজে জনা বুলি বৰাই নকৰে। সামান্য শিক্ষা পাই প্ৰকৃত শিক্ষিত লোকৰ সঙ্গ নাপালে নিজকে বহুজনা বুলি ফিতাহি মাৰি ফুৰে। তেনে লোকেই বৰ বৰ কথা কয় নকবলগীয়া কৈ বিপদত পৰে। আনকো বিপদত পেলায়।

৫৩। অশলাগী পাৰ পালে
ভুৰখনতে লাথি মাৰে।

যি খন ভুৰেৰে ইপাৰৰ পৰা সিপাৰলৈ পাৰ হৈ যায় সেইখন ভুৰকে অদৰকাৰী বুলি ভাবি লাথি মাৰি আঁতৰাই যাব নালাগে। সেইখন বহুতৰ আৰু নিজৰো কামত আহিব পাৰে। এই কথা ভাবিচোৱা উচিত। নভবাজন বিবেকহীন বুলি আখ্যা পায়। সেইদৰে বিপদে আপদে যাৰ পৰা সহায় পোৱা যায় তেওঁৰ প্ৰতি কৃতজ্ঞ থকা উচিত। সেইজন লোকৰ পৰা সহায় নাপালো বুলি ভবাটো অনুচিত। অকৃতজ্ঞ লোকেহে উপকাৰীৰ শলাগ নলয়। উপকাৰীৰ পৰা আকৌ উপকাৰ দৰ্কাৰ নহব বুলি ভবাজন অবিবেচকলোক।

৫৪। অশলাগীৰ শলাগ নাই।
চুকত থাকি বুকুত খায়।।

যিজনে উপকাৰীৰ প্ৰতি কৃতজ্ঞ নহয় সেই জনেই অশলাগী। অশলাগী লোকক বিশ্বাস কৰিব নালাগে। অশলাগীয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে মানুহৰ বুকুৰ মাজত সোমাই লৈ বিশ্বাসভাজন হৈ পৰে। নিজৰ স্বাৰ্থ পূৰণ হ লে দৰ্কাৰ হলে উপকাৰীজনৰ অনিষ্ট সাধন কৰে।

# আ

৫৫। আই বোপাইৰ গালি যায় আলি আলি।

শাহু শহুৰৰ গালি থবে শালি শালি।।

মাক দেউতাকে ল'ৰা ছোৱালী শাসনত ৰাখিবলৈ গালি দুলি পাৰে শাস্তি বিধানো কৰে। সেই গালি বা শাস্তি ল'ৰা ছোৱালীয়ে মনত প্ৰায়ে নাৰাখে।শাহুৱেক আৰু শহুৰেকে দোষ পাই গালি পাৰিলে বোৱাৰীয়েকৰ মনত দকৈ লাগে। লৰা ছোৱালীৰ প্ৰতি মৰম আৰু মাক দেউতাকৰ প্ৰতি থকা ভাল পোৱা ভাবৰ কাৰণে গালি মাতে অশুৰ নিবিদ্ধে। শাহুৱেক শহুৰেকে গালি পাৰিলে বোৱাৰীয়েক অসন্তুষ্ট হৈ পৰে। গতিকে শাহুৱেক শহুৰেকেও নিজৰ কন্যা জ্ঞান কৰি মৰমেৰে বুজাই বঢ়াই সকলো কাম কৰিব লাগে।

৫৬। আই আছে খাই যা

আই নাই চাই যা।

বিয়া দিয়া ছোৱালীৰ মাকৰ প্ৰতি গভীৰ টান থাকে। মাকেও ছোৱালীজনী ঘৰলৈ আহিলে কি খুৱাম কি দিম বেছিকৈ ভাবে। খাবলৈ নুখুজিলেও এমুঠি খুৱাই পঠিয়াব পাৰিলে ভাল পায়। মাক নাথাকিলে তেনে টান তেনে মনৰ ভাব কাৰো নাথাকে। গতিকে আহিলে ঘৰখন চাই যোৱাহে হয়।

৫৭। আই আছিল চোৰ

সেই প্ৰকৃতি মোৰ।

ল'ৰা ছোৱালীয়ে মাক দেউতাকৰ দৰে কামবন শিকে স্বভাৱ চৰিত্ৰও গঠন কৰি লয়। মাক দেউতাক চোৰ হ'লে ল'ৰা ছোৱালীয়ে চোৰ কৰিবলৈ শিকে। মাক দেউতাক দুন্দুৰা দন্দুৰী হ'লে ল'ৰা ছোৱালীও দন্দুৰা হয় মদ ভা খোৱা হ'লে তেওলোকো মদাহী ভঙুৱা হৈ পৰে। সাধুলোকৰ ল'ৰা ছোৱালী সাধু হয়। গতিকে মাক দেউতাকে ল'ৰা ছোৱালীক সৎ আদৰ্শ দেখুৱাব লাগে ।

৫৮।আই গৈছিল ঘাটক

খোজ দেখিলে বাটত।

আই ঐ বোপাই ঐ

হাতীটো ইমান ডাঙৰ।

আচল জন্তুটো নেদেখাকৈয়ে খোজ দেখিয়ে যি আচৰিত হৈ পৰে জন্তুটো

দেখিলেও অচেতন হোৱাৰ সম্ভৱনাই তেওঁৰ বেছি। হাতী বৃহৎজন্তু হ'লেও মৰম কৰি পোহ মনাব পাৰি। পোহনীয়া হাতীক ভয় নালাগে।

৫৯। আই গৈছিল তীৰ্থ কৰিবলৈ
মই গৈছিলোঁ লগত।
মাহ-চাউল খাবলৈ পাই
তাতেই হলোঁ ভকত।।

তীৰ্থযাত্ৰীৰ লগত গলেই তীৰ্থ যাত্ৰী নহয় বহুতে মাহ চাউল কল কুঁহিয়াৰ খোৱাৰ আশাত তীৰ্থ যাত্ৰীৰ লগ লয়। তেনে লোকক মাহ চাউল খোৱা ভকত বুলি কব পাৰি। তীৰ্থ যাত্ৰী বলি কব নোৱাৰি। তে তীৰ্থ ভ্ৰমণ কৰি পণ্য ফলৰ গৰাকী হব নোৱাৰে।

৬০। আই সীতা পাতাললৈ যায়
কাক নিয়ে কাক থয়।

ৰামৰ পৰা অবিচাৰ পাই সীতা পাতাললৈ গৈছে। পতি প্ৰাণা সীতা সতীয়ে স্বৰ্গত বাস কৰিব লাগিছিল নকৰিলে ব্যতিক্ৰম হল হাবিৰ চৰাই চিৰিকতি পশুপতঙ্গ আদিয়ে সীতাক ইমান ভাল পাইছিল যে সীতাৰ লগত সকলো পাতাললৈ যাবলৈ ইচ্ছা কৰিছিল। নিজৰ দুৰ্দশাৰ ভাগ সীতাই কাকো দিবলৈ ইচ্ছা কৰা নাছিল। গুণীসকলে নিজৰ দুদৰ্শাৰ ভাগ আনক দিবলৈ মন নকৰে।

৬১। আইৰ ঘৰলৈ যাম দুইহাতে খাম।
বিধাতাই বোলে মই লগে লগে যাম।।

বিয়া দিয়া ছোৱালীয়ে মাকৰ ঘৰলৈ যাবলৈ মাকৰ বন্ধা বঢ়া খাবলৈ বৰ ইচ্ছা কৰে। কিন্তু বিধাতাই সেই ইচ্ছা সেই কামনাক ধুলিসাৎ কৰি দিয়ে। গৈ সুখ শান্তি পোৱা দূৰৰ কথা কিবা অঘটনবোৰেহে ঘটা দেখে। মানুহে ভবা মতে আশা কৰা ধৰণে সুখ শান্তি নাপায়। সকলো ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰে।

৬২। আইৰ সমান হব কোনে ?
নৈৰ সমান বব কোন ?

নৈয়ে সকলো বাধা নেওচি একেৰাহে বৈ থাকে। মাকেও গৰ্ভ ধাৰণৰে পৰা আমৰণ সন্তানৰ কাৰণে সকলো ধৰণৰ কাম কৰে। দুখকো দুখ নোবোলে। সন্তানৰ মঙ্গল কামনাই এক মাত্ৰ ধ্যান। নদীৰ দৰে যুগযুগ ধৰি একেৰাহে পানী বহন কৰি কোনেও নাথাকে মাকৰ দৰে আমৰণ কোনেও দুখ কষ্ট বহন নকৰে। গতিকে মাতৃ সৰ্বেসৰ্বা।

৬৩। আহিবো বার্তা।

গঙ্গাৰে যাত্ৰা।।

গঙ্গাস্নান কৰিলে পুণ্য হয়। মাকৰ খবৰ লোৱাটো একান্ত কৰ্তব্য। একেশৰে দুয়োটা কাম হোৱাৰ দৰে ভাল কাম নাই। গঙ্গা স্নানত পুণ্য হয় মাতৃৰ খ' খবৰ লোৱাটোও উত্তম কৰ্ম। দুয়োটা একে লগে হোৱাটো অতি সুখ আৰু আনন্দৰ কথা।

৬৫। আইৰতত কৈ বাইৰ চাব।

মাকৰ তুলনাত বায়েক বা বায়েকৰ প্ৰতি থকা কৰ্তব্য ডাঙৰ নহয়। কিন্তু কোনো কোনো সময়ত বায়েকৰ প্ৰতি বেছি মনোযোগ দিব লগীয়া হব পাৰে। সেইদৰে বেতিয়াবা আচল কামতকৈ আনুষঙ্গিক কামত হে মনোযোগ বেছি দিব লগীয়া হব পাৰে।

৬৫। আঁউসীৰ ধাৰ পূৰ্ণিমাত শুজে।

আঁউসীৰ গোটেই ৰাতি আন্ধাৰ হয়। পূৰ্ণিমাত তাৰ বিপৰীত। পূৰ্ণিমাৰ ওৰে ৰাতি পোহৰ থাকে। আঁউসীৰ এন্ধাৰ ৰাতিৰ ধাৰ পূৰ্ণিমাৰ ৰাতিৰ পোহৰে শুজে। সেইদৰে আন্ধাৰৰ সুযোগ লৈ কোনোবাই অন্যায় কৰিলে তাৰ প্ৰতিশোধ পূৰ্ণিমাৰ পোহৰত লব পাৰি।

৬৬। আও চৰাইৰ তাও

জপিয়াই চৌপ খায়

কান্দাত নিদিয়ে পায়।

জিতেন্দ্ৰিয় পুৰুষ সকলে সূচল পালে সংসাৰৰ সোৱাদ লয় মায়াত বান্ধ খাই নপৰে।

৬৭। আকাশৰ তৰায়ো তৰা

গৰু পঘাৰ তৰায়ো তৰা।

নামত একে হ'লেই কামত একে হ'ব নোৱাৰে। আকাশৰ তৰাই ৰাতি শোভা কৰে মাথোন কোনো কামত নালাগে। হাবিৰ তৰা গছৰ পাখুৰে ৰচী তৈয়াৰ কৰি গৰু বন্ধা পঘা কৰিব পাৰি। গতিকে হাবিত তৰা গছহে মানুহৰ বাবে বেছি দৰকাৰী।

৬৮। আকালো নাই ভড়ালো নাই।

ধন থবলৈ ভঁড়াল লাগে। ভড়ালত ধন থাকিলে চোৰ ডকাইতলৈ ভয় থাকে। সেইবাবে জমা কৰি থবলৈ ধন বেছিকৈ নালাগে। খাইবই সুখে সন্তোষে থাকিবলৈ বিমানধনৰ দৰকাৰৰ সিমানখিনি থাকিব লাগে নহলে আকালত পৰিবলগীয়া হব লাগে।

গতিকে জমা কৰি থবলৈ ধন নথকাই শ্ৰেয়। আকালত পৰিব নালাগে ধন জমা কৰি থৈ চোৰডকাইতক সুযোগ দিবও নালাগে।

৬৯। আকালৰ ভাত।

নিদানৰ মাত।।

খাবলৈ নোপোৱাজনক এমুঠি অন্ন দি সহায় কৰিব পৰাটো পুণ্যৰ কাম। শোক তাপত জৰ্জৰিত হৈ পৰা জনক এষাৰ সান্ত্বনা বাণী শুনোৱাটোও কৰ্তব্যৰ ভিতৰত পৰে। তাকে কৰিলে বন্ধু বান্ধৱ বাঢে আৰু মনত শান্তি পোৱা যায়।

৭০। আকুলি বিকুলি চেনেহৰ মাতে।

আগত পানী ঢালি গুৰিতে কাটে।।

গছক পানী লাগে। সেই বুলি আগত পানী ঢালিলে লাভ নহয়। গছৰ আগত পানী ঢালি গুৰিত কাটিলে গছ মৰিহে যায়। সেইদৰে চলাহী লোকে মুখেৰে আদৰ সাদৰ কৰি আপোন হৈ সৰ্বনাশ কৰে। গতিকে অতিকৈ আদৰ সাদৰ কৰা চেনেহেৰে মতা লোকক সহজে বিশ্বাস কৰিব নালাগে। তেনেলোকৰ পৰা অনিষ্ট হোৱাৰ সম্ভাৱনাই বেছি।

৭১। আখৈৰ তপত তিৰীৰ শপত লুইতৰ বালি

ইয়াত সজাত গ'লে দিনতে চকু খালি।

আখৈ চকুৰ পৰা পৰিলেই চেচাঁ হয়। তিৰোতাই কথাই পতি শপত খায় কিন্তু সেই শপতৰ কোনো মূল্য নাই। তেওঁৰ যি মন যায় তাকেই কৰে। লুইতৰ বালি এই বছৰত যি ঠাইত জমা হয় আন এবছৰত সেই ঠাইত নাথাকে আন এঠাইত বালি পৰি ওখ হয়। গতিকে আখৈৰ তপত তিৰোতাৰ শপত আৰু লুইতৰ বালি চাপৰিৰ কোনো স্থিৰতা নাই। এনেবোৰত বিশ্বাস ৰাখিলে বিপদত পৰিব লাগে।

৭২। আগ ভৰি দিহে পাছ ভৰি তুলিবা।

দুখন ভৰিৰে মানুহে লৰা ঢপৰা কৰে। তাৰে এখন ভৰিৰ খোপনি ৰাখি আনখন ভৰি দাঙিব লাগে নহলে পৰি যাব পাৰে। কাম কৰিবৰ বেলিকাও প্ৰথম কামখিনি ভালকৈ চাই চিতি সুস্থিৰ ভাৱে কাম আৰম্ভ কৰিব লাগে। অস্থিৰভাৱে কাম কৰিলে কাম সুসিদ্ধ নহয়। ভাবি গুণি কাম কৰা উচিত।

৭৩। আগৰ গৰু বাঘে খায়।

পালৰ গৰুৰ আগত থকাটিহে বাঘে টানি নি খায় তেতিয়া পাছৰবোৰ পলাই ফাট মাৰে। দলৰ আগত গলে আগত যোৱা জনৰহে যি কোনো বিপদ হব পাৰে।

বাকীবোৰ পলাই সাৰে। সেই কাৰণে কোৱা হয় —দলৰ আগত যোৱা উচিত নহয়।

৭৪। আগতে আছিলো মুৰেমী মুৰেমী
সকলে বুলিছিল আই,
এতিয়া হলো নেজ গুৰৰী
পালতো নিদিয়ে ঠাই।।

গাই গৰু দেখিবলৈ ধুনীয়া হ'লে খীৰঁতী হ'লে সকলোৱে আদৰ সাদৰ কৰে আই বুলি গা মূৰ পিহি দানা পানী দি সন্তুষ্ট কৰি ৰাখে। বয়স বাঢি গলে হাড়ে ছালে লগা হৈ পৰিলে গাখীৰ নিদিয়া হ'লে কেৱে আদৰ নকৰে আনকি নেজ গুৰৰীয়া বুলি গৰুৰ পালতো সুমুৱাই নলয় জানোচা আনবোৰ গৰুবো চেৰেলিওৱা ৰোগ হয়। সুদিনত থাকোতে লৰালৈ পালে ধন সম্পত্তি দেখিলে সকলোৱে আদৰ কৰিবলৈ বিচাৰে দুদিন হ'লে ৰোগ ব্যাধি বাৰ্দ্ধক্যই আক্ৰমণ কৰিলে কেৱে চকুপাৰি দেখিব নোৱাৰে।

৭৫। আগৰ কমলা ৰবীয়াই ধুই জুলায় খৰি
এতিয়াৰ কমলা ৰবীয়াই নোধোৱে হাত ভৰি।।

দিন পৰিবৰ্ত্তন হোৱাৰ লগে লগে মানুহবো আচাৰ ব্যৱহাৰ ৰীতি নীতি সলনি হয়। আগৰ দিনত ভকতৰ চিক চাক ভাব বৰ বেছি আছিল আন কি জ্বালানি খৰিকো পানী চটিয়াই ধুইহে জুইত সুমুৱাই দিছিল। আজি কালি খৰি ধোৱা দূৰৰ কথা হাত ভৰি ধুই কাপোৰ কানি সলাই বন্ধা বঢ়া খোৱা বোৱা কৰা নীতি নিয়মবোৰ উঠি গৈছে। মনৰ পৰিবৰ্ত্তনে নীতি নিয়মবোৰবো পৰিবৰ্ত্তন ঘটায়।

৭৬। আগবাৰী গুৱলী কাকিনি তামোলে
পাছবাৰী গুৱলী পান।
ঘৰৰ গুৱলী জীয়ৰী হোৱালী
উলিয়াই দিবলৈ টান।।

ঘৰৰ আগফালে ওখ ওখ তামোল গছৰ শাৰী থাকিলে পাছফালে পাণ গছ থাকিলে ঘৰখনৰ গাম্ভীৰ্য্য বাঢ়ে আৰু গুৱলী হৈ পৰে। জীয়ৰী হোৱালী ঘৰত থাকিলে ঘৰখন আটোম টোকাৰিকৈ ৰাখে বাবে ঘৰগুৱলী হয়। তেনেজনী হোৱালীক লোকৰ ঘৰলৈ দিবলৈ সঁচাকৈয়ে বৰ বেয়া লাগে। বিবাহ উৎসৱত সেই বাবেই শোক উথলি উঠে কান্দোনৰ ৰোল উঠে।

৭৭। আগৰ হাল যেনি যায় পাছৰ হাল তেনি পোনায়।

হাল বাওঁতে কেবা হালো গৰু জুটিলে, আগৰ হাল যেনি যায় পাছৰ হালো তেনি

গৈ থাকে যেনি তেনি দিশ নসলায়। গৰু গাড়ী চলাওতে আগৰখন গাড়ী যেনি যায় বাকী কেইখনো সেই ফালে যায়। সেইদৰে এঘৰৰ প্ৰথম ল'ৰা বা ছোৱালীৰ যেনেভাবে চৰিত্ৰ গঠন হয় পাছৰবিলাকৰো সাধৰণতে তেনে ধৰণে চৰিত্ৰ গঠিত হয়। ভিন ভিন আদৰ্শত ডাঙৰ দীঘল কৰিবলৈ বিচাৰিলে চৰিত্ৰ গঠন কৰিবলৈ চালে মাক বাপেক আদি অভিভাৱক সকলে বিশেষভাৱে যত্ন কৰিব লাগে।

৭৮। আগেয়ে নাহিলা আগবাটি
এতিয়া দিম কাৰ বাটি?

ভগাই বটাই লোৱা বস্তু লবলৈ সময়মতে আহিব লাগে। নাহিলে তেওৰ ভাগ নাথাকে। ভাগ বটোৱাৰা হৈ গ'লে লোকৰ ভাগৰ পৰা তুলি দিয়াটো সম্ভৱ নহয়। নিজৰ প্ৰাপ্য লবলৈ পাছহুহকি থাকিব নালাগে। সময়মতে লবলৈ চাব লাগে।

৭৯। আঙুৰ টেঙা ( সমাৰ্থক নাচিব নাজানে চোতালখন যেন হেঁৰেমগৰীয়া)

আঙুৰ মিঠা ফল। পকা পকা আঙুৰ শিয়ালে খাবলৈ কোনো উপায় কৰিব নোৱাৰি আঙুৰ টেঙা খাবলৈ ভাল নহয় বুলি মনক প্ৰবোধ দি গুচি যায়। মানুহেও ভাল কাম কৰিবলৈ অসমৰ্থ হৈ কামটোক বেয়া বুলি নানা ধৰণে সমালোচনা কৰে। অৰ্থাৎ অসমৰ্থ লোকে নিজৰ অসমৰ্থতাক ঢাকিবলৈ কামটি বেয়া লাভ নহয় বুলি এৰি থয়।

৮০। আঙুলি চুহিবলৈ দিব পাৰি
চোবাবলৈ দিব নোৱাৰি।

সৰু সৰু ল'ৰা ছোৱালীক কেতিয়াবা কেতিয়াবা আঙুলি চুহিবলৈ দিয়া হয় লৰা বা ছোৱালীটিৰ সন্তুষ্টিৰ কাৰণে। দাঁত গজিলে ল'ৰা ছোৱালীয়ে চুহিবলৈ দিয়া আঙুলিটোকে কামোৰে তেতিয়া আঙুলি চুহিবলৈ দি মৰম কৰা নহয়। সেইদৰে কোনোজনক নিজৰ মৰমৰ বস্তু একোটা ব্যৱহাৰ কৰিবলৈ দিব পাৰি ভাঙি ছিঙি ফালি ছিৰি নষ্ট কৰিবলৈ দিব নোৱাৰি। মৰমৰ বস্তু একোটা নষ্ট হ'লে মনত ৰৰ দুখ ওপজে।

৮১। আচলে বিচলে হস্তীৰো পা পিছলে।

হাতী বৰ ধীৰ আৰু গম্ভীৰ। খোজ কাটলত তাৰ গাম্ভীৰ্য্য প্ৰকাশ পায়। তাৰ ঠেং কেইটা বহল খোপনি লবলৈ ডাঙৰ নখো আছে। তথাপি কেতিয়াবা কেতিয়াবা হাতীৰো ভৰি পিছলি যায়। সেইদৰে অতি সাৱধান লোকৰো কেতিয়াবা বিপদ হব পাৰে।

৮২। আঁচু কাঠৰ ভল পাই শিয়াল পখৰা হ'ল।

শিয়াল ধোঁৱা বৰণীয়া আঁচু কাঠৰ বং হালধীয়া। আঁচু কাঠৰ ওচৰত শিয়ালৰ বং পখৰা যেন হৈ পৰে। সেইদৰে ভাল মানুহৰ মাজত থাকিলে বেয়া মানুহে কিছুমান

ভাল গুণ ল'ব পাৰে ভাল ভাল কথা কব পৰা হয়। কিন্তু নিজৰ স্বভাৱ সহজতে পৰিবৰ্ত্তন কৰিব নোৱাৰাত ভালে বেয়াই মিহলি হৈ পৰে।

৮৩। আছে ধুলা খুচৰি
নিব ডানা মুচৰি।

মানুহে জীয়াই থকা দিন কেইটাত মাটিয়ে বালিয়ে নানা কাম কৰি কটায়। ৰং ধেমালিতো বহু সময় যায়। মৃত্যুৰ কথা ভাবি নাথাকে। মৃত্যুৰ কথা ভবাহেতেন মানুহে অনাহকত দিন নকটাই জীৱনত বহুতো কৰ্ত্তব্য কাম কৰিব পাৰিলেহেতেঁন। মানুহ কেতিয়া মৃত্যুৰ মুখত পৰে কোনেও কব নোৱাৰে। সেই কাৰণে সময়ৰ কাম সময়ত কৰি লব লাগে।

৮৪। আছিলো যেনে হৈছো তেনে
হৈছো যেনে হবি তেনে।

বয়সে মানুহক ডেকা বুঢ়া কৰে। ল'ৰাই বা ডেকাসকলে বুঢ়াক তাচ্ছিল্য কৰিব নালাগে। কাৰণ তেওঁলোকো এদিন বুঢ়া হব। বুঢ়া হ'লে নিশকতীয়া হৈ লোকৰ বা পো বোৱাৰীৰ অনুগ্ৰহ প্ৰাৰ্থী হব লাগিব। বুঢ়াজনো এসময়ত ল'ৰা আছিল তাৰপাছত ডেকা হ'ল আৰু বুঢ়া হ'ল। বয়সৰ লগে লগে স্বাস্থ্যৰো পৰিবৰ্তন হয়। গতিকে বুঢ়া লোকক তুচ্ছ তাচ্ছিল্য কৰা উচিত নহয়।

৮৬। আছে কাপোৰ আছে জাৰ
নাই কাপোৰ নাই জাৰ।

কাপোৰ থকাসকলে কাপোৰ পিন্ধি উৰিও জাৰ অনুভৱ কৰে সেইসকলেই গৰমৰ দিনত সততে বিচনী নহলে চলিব নোৱাৰে কাৰণ সেই সকলৰ সহিব পৰা গুণৰ অভাৱ। কাপোৰ নথকা সকলে জাৰ গৰম সহ্য কৰি কৰি বৰ জাৰকো জাৰ যেন নাভাবে গৰমকো গৰম বুলি অনুভৱ নকৰে। অভ্যাসেই সকলো সহ্য গুণৰ মূল।

৮৬। আছে দান, নাই সন্নিধান

খোজনীয়াক সামৰ্থ্যানুযায়ী দান কৰা উচিত। সামৰ্থ্য নাথাকিলে ভাল মুখেৰে কৈ মেলি বিদায় দিয়া উচিত। দান কৰা বা সন্নিধান দিয়াৰ যি কোনো এটা কৰিব লাগে। নহলে ভিখাৰী বা খোজনীয়াই আশা পালি থাকি নিৰাশ হৈ গুচি গ'লে গৃহস্থৰ অমঙ্গল হয়।

৮৭। আছে গৰু নবয় হাল
খোৰাত কৈ নোখোৰাই ভাল।

যি গৰুৱে হাল বাব নোৱাৰি তেনে গৰু ৰাখি দানা পানী ঘাঁহ দিওতে খৰচ ভৰি মৰাৰ লাভ নাই। তেনে গৰু নথকাই বেছি ভাল। সেইদৰে ধন জমাৰাখি কৃপণালি কৰিলে তেনে ধনৰ মূল্য নাই। খাওতা অনেক কৰোঁতা নাই তেনে লোক থকাৰ পৰা লাভ নহৈ লোকচানহে হয়। গতিকে তেনে লোকজন নথকাই ভাল।

৮৮। আছে কথা নপৰে মনত

সীতাই কান্দে অশোক বনত।

ৰামৰ দৰে বীৰ নাছিল। তেনেহেন বীৰৰ পত্নী নিঠকৰাহে অশোক বনত বহি কান্দি কান্দি দিন কটাব লগীয়া হৈছিল। ৰাম লক্ষ্মণৰ বীৰত্বৰ প্ৰকৃত ব্যৱহাৰ নোহোৱাৰ বাবে সীতাৰ মনত দুখ লাগি কান্দিছিল। সেইদৰে জনা কথা সময়ত মনত নপৰিলে মনত দুখ লাগে কান্দোন ওলায়।

৮৯। আছো বগলী আছো চাই

ক'ৰপানী ক'লৈ যায়।

বগলীয়ে পানী যুৰলীত মাছ ধৰিবলৈ খাপ পিটি বৈ থাকে দেখাত পানী সোঁত কেনি যায় তাকেহে চাই থকা যেন লাগে। সেইদৰে চতুৰ মানুহে ভিতৰুৱা উদ্দেশ্য পেটত ৰাখি বাহিৰত মানুহক দেখুৱাবলৈ কিবা এটা কৰে। উদ্দেশ্য সিদ্ধি হ'লে তেওক সেই অৱস্থাত পোৱা নাযায়। অৰ্থাৎ চতুৰ মানুহে দেখুৱাই এটা কৰে উদ্দেশ্য ক'ৰবাত থাকে।

৯০। আহোক লাভ লাভতি

মূলৰো হতাহতি।

বেহা বেপাৰ কৰিলে কিছু নহয় কিছু লাভ থাকিব লাগে লাভ নহৈ লোকচান ভৰি মূলৰ ক্ষতি হলে তেনে বেপাৰ কৰাৰ আৱশ্যক নকৰে। সেইদৰে যি কামত সুফল নফলে মাথোন সময় আৰু পৰিশ্ৰমহে অথলে যায় তেনে কাম কৰা উচিত নহয়।

৯১। অজানাক জান

তেহে বাঢ়িব জ্ঞান।

শিশুৱে প্ৰথম অৱস্থাত একো নাজানে একো নুবুজে। বয়স বঢ়াৰ লগে লগে শিশুৱে মাক দেউতাক আদিৰ পৰা ন ন কথা শিকে ন ন প্ৰকাৰে অভিভঙ্গিও কৰিবলৈ লয়। মানুহৰো জ্ঞান সীমিত হৈ থাকে। নিতে ন ন কথা শিকিলে ন ন বস্তু বা ঠাই দেখিলে নানা জনৰ লগত দেখা সাক্ষাৎ কৰি নতুন কথা শিকে। পৃথিৱীত নজনা কথা নেদেখা বস্তু বহুতো আছে। সেইবোৰ যিমানে জানিব, যিমানে দেখিব,

শুনিব সিমানে জ্ঞান বাটি যাব।

৯২। আজাল ভৈছে বিজাল কোবোৱা।

কিছুমান মানুহে নিজকে অজলা যেন দেখুৱাই আনক খেজেলিয়াই ব্যতিব্যস্ত কৰে। আনৰ আমনিকৰ হ'লেও অজলাৰ ভাওজোৰে আৰু তাকে কৰি আনন্দ লাভ কৰে।

৯৩। আঞ্জাৰ মাছ ধৰিব নাজানা।

যি মাছৰ আঞ্জা বন্ধা হয় তাত জীৱ নাথাকে লৰচৰ কৰিব নোৱাৰে। তেনে মাছ ধৰিব নোৱাৰা কথা নাই। তেনে মাছ ধৰিব নোৱাৰাজন কোঙা অসাৱধান হব লাগিব। অসাৱধানলোকে সামান্য কামৰো আ ভু নাপায়।

৯৪। আজ্ঞাত নাখায় লোণ

পিটিকাত যায় তিনিগুণ।

আজ্ঞাত কৃপণালি কৰি লোণ নিদিলে সানি খাওঁতে তাৰ তিনিগুণ খৰচ হয়। বেমাৰ পাতি হলে প্ৰথমেই খৰচৰ ভয় কৰি ঔষধ নাখালে পাছলৈ বেমাৰ টানহয় ফলত বেছি খৰচ কৰিবলগীয়া হয়। অত্যধিক খৰচ বৰ্জনীয় কিন্তু খৰচ কৰিব লগীয়াখিনি খৰচ কৰা উচিত। অৰ্থাৎ দৰ্কাৰৰ সময়ত কৃপাণালি কৰিলে খৰচ কৰি ভাগৰি পৰিব লগীয়া হব লাগে।

৯৫। আটাইতকৈ ডাঙৰ হৰি কথা

তাতোকৈ ডাঙৰ চাউল কথা।।

প্ৰত্যেকেই ঈশ্বৰৰ প্ৰতি ভক্তি ৰাখি কাম কৰি খাব লাগে। ঈশ্বৰ সকলোৰে হৰ্তাকৰ্তা। গতিকে ঈশ্বৰক চিন্তা কৰা সকলোৰে কৰ্ত্তব্য। কিন্তু ঈশ্বৰৰ চিন্তা তেতিয়াই কৰিব পাৰি যেতিয়া পেটৰ কলমলনি নাথাকে। গতিকে হৰি কথা যদিও দৰ্কাৰী চাউলহে তাতোকৈ বেছি দৰ্কাৰী।

৯৬। অথাই সাগৰত তৰে

গো খোজত মৰে।

সাগৰ বৰ দ আৰু বহল। তাত পৰ্বত প্ৰমাণ ঢৌ। সাগৰত পৰিলে নিস্তাৰ পোৱাৰ উপায় নাথাকে। কিন্তু সুদিন হলে তেনে অথাই সাগৰত পৰিও উদ্ধাৰ পাব পাৰি। দিন বেয়া থাকিলে গৰু খোজৰ পানীত পিছলি বাই পাই মৰিব পাৰে। ঠিক তেনেদৰে ডাঙৰ বিপদতো মানুহ উদ্ধাৰ পায়। কিন্তু কেতিয়াবা সামান্য বিপদে প্ৰাণ নাশ ঘটায়।

**৯৭। আঠু কাটিলে আঠপোণ লাগে।**

অকল আঠু কাটি সেৱা কৰিলেই নহয় আঠু লোৱাৰ আগতে তামোল পাণ পইচাৰ টোপোলা এটা আগবঢাব লাগে। লগতে দান দক্ষিণা সেৱা শুশ্ৰূষা আদিও কৰিব লাগে। দেৱতাৰ আগত সেৱা জনালে পূজা এভাগিও লাগে। গতিকে আঠু কঢা মানেই দোষী হোৱা। সেই দোষৰ বাবে অতি কমেও আঠ পোণ তামোল ভৰিবলগীয়া হয়।

**৯৮। আঠুৱা চাই ঠেং মেলিবা।**

ওখ ডাঙৰ মানুহৰ কাৰণে আঠুৱা দীঘল ডাঙৰ হব লাগে। সকলো অৱস্থাতে তেনে জোখৰ আঠুৱা পোৱাটো সম্ভৱ নহব পাৰে তেতিয়া আঠুৱা অনুযায়ী ঠেং কোচাই শুব লাগে। নহলে মহে ডাহে টোপনিত ব্যাঘাত ঘটাব পাৰে। সেইদৰে নিজৰ সামৰ্থ্যলৈ চাই কাম কাজ আৰম্ভ কৰিব লাগে। ঘৰত নাই কণটো ৰৰসবাহলৈ মনটো মেলিলে কোনো লাভ নহয় হাঁহিয়াতৰ পাত্ৰহে হবলগীয়া হয়।

**৯৯। আঠুৰ মাজত মূৰ সোমাল**

বুঢা হৈ নিশকতীয়া হলে গা মূৰ পোনাব নোৱাৰা হৈ পৰে। বহিলে মূৰটো আঠু দুটাৰ মাজত সোমাই পৰে। সেইদৰে ধনহীন হলেও মানুহক নিশকতীয়া বোলা হয়। তেও বুকু ফিন্দাই কোনো কথা কব নোৱাৰে। অসমৰ্থতাৰ হেতু তেনেজন লোকে তলমূৰ কৰিৰ থাকিব লগীয়া হয়। অক্ষমতাৰ কাৰণে মনত নিৰুৎসাহ জন্মে।

**১০০।আদাক দেখি উঠিল গা**

**কেঁতুৰিয়ে বোলে মোকে খা।**

আদা উপকাৰী বস্তু। মানুহে আদাক ঔষধৰূপে মছলাৰূপে ব্যৱহাৰ কৰে। কেতুৰি এবিধ আদাৰ দৰে বস্তু। সচৰাচৰ মানুহে কেতুৰীৰ ব্যৱহাৰ নজানে। আদাৰ দৰে কেতুৰী বৰ লাগতিয়াল বস্তুও নহয়। গতিকে কেঁতুৰিয়ে মোক খা মোক খা কৰি থাকিলেও মানুহে কেঁতুৰি নাখায। গুণানুসাৰে বস্তু ব্যৱহৃত হয়। দেখাত একে হলেও সকলো বস্তু একে কামত লগা হব নোৱাৰে। মানুহ দেখাত সকলো একে। গুণ অনুসৰিহে উচ্চ নীচ হয়। গুণীলোকক মানুহে আদৰ কৰে। নিৰ্গুণীলোকে নিজকে গুণী বুলি জাহিৰ কৰিলেও কোনেও তেনে লোকক আদৰ নকৰে।

**১০১। আদাৰ বেপাৰীক জাহাজৰ খবৰ নালাগে।**

আদা কম পৰিমণে কিনা বেচা হয়। তাক বেছি দূৰলৈকো নিব নালাগে। গতিকে আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ লোৱাৰ কোনো আৱশ্যক নাই। সেইদৰে সামান্য মানুহে সামান্য কাম কৰি ৰৰ লোকৰ বৰ বৰ কামৰ খবৰ লোৱাৰ কোনো দৰ্কাৰ নকৰে।

**১০২। আনৰ ধন ৰানে খায়।**

লোকৰ ধন অপহৰণ কৰিলে সেই ধন অপহৰণকাৰীয়ে সহজে ভোগ কৰিবলৈ নাপায় আন কোনোবাইহে ভোগ কৰা দেখা যায়।

**১০৩। আনৰ আন চিন্তা বুঢ়ী আইতাৰ কাণ দুখনৰ চিন্তা।**

ৰোগীৰ ৰোগৰ চিন্তাই প্ৰধান। অন্য চিন্তা মনলৈ নাহে। বুঢ়ী হলে চুলি পকে চকুৰে নেদেখা হয় কাণেৰে নুশুনা হয়। কাণেৰে নুশুনা হোৱা বুঢ়া বা বুঢ়ীৰ সদায় কাণ দুখনৰ চিন্তাই বেছি হয়। নিজৰ চিন্তা প্ৰবল হলে আন কেনো চিন্তাই ঠাই নাপায়।

**১০৪। আপদ কালত ঔৱে ডিঙি খজুৱায়।**

কচু আদিৰ তৰকাৰী খাই ডিঙি খজুৱালে ঔ খালে সেই খজুৱতি নাইকিয়া হয়। কিন্তু বেয়া দিন পৰিলে সেই ঔৱেও ডিঙি খজুৱায়। অৰ্থাৎ দুৰ্দিনত ভাল কথাই ভাল বস্তুৱেও গুণ নিদিয়ে বৰঞ্চ অপকাৰহে কৰে।

**১০৫।আপদ থাকে দুৱাৰ মুখত**

**সম্পদ থাকে বাৰীৰ চুকত।**

মানুহৰ বিপদ আপদ সঘনাই হৈ থাকে। বিপদে ধৰো ধৰো কৈ দুৱাৰ মুখতে ৰৈ থাকে। সম্পদে কেতিয়াবাহে লগ দিয়ে। তাকো অশেষ পৰিশ্ৰম কৰি লাভ কৰিব লাগে। সেই কাৰণে আপদ দুৱাৰ মুখত অৰ্থাৎ ওচৰতে আৰু সম্পদ বাৰীৰ চুকত অৰ্থাৎ দূৰৈত থাকে বুলি কোৱা হৈছে। সম্পদ লাভ কৰিবলৈ বিশেষ ধৰণৰ পৰিশ্ৰম কৰিব লাগে।

**১০৬। আপুনি কৰিলে মন।**

**বাকৰি মাটিতো ধন।।**

বাকৰি মাটিত সাৰ নাথাকে। খেতিৰ অনুপযোগী। তেনে মাটিতো যত্ন কৰিলে ভাল খেতি কৰি লাভবান হব পাৰি। পৰিশ্ৰম কৰিব জানিলে যতে ততে ধন উপাৰ্জন কৰিব পাৰি।

**১০৭।আপদত মিত্ৰ চিনি যুদ্ধত চিনি বীৰ।**

**দুখৰ দিনত ভাৰ্য্যা চিনি থিৰ নে অথিৰ।।**

সুদিনত বন্ধু বান্ধৱ বহুতো পোৱা যায় সেইবোৰ প্ৰকৃত বন্ধু নে কি ? বিপদৰ সময়তহে চিনিব পাৰি। প্ৰকৃত বন্ধুৱে বিপদে সম্পদে লগ এৰা নিদিয়ে। যুদ্ধত বীৰৰ পৰিচয় পোৱা যায়। ভাৰ্য্যাৰ পৰা মানুহে সুখ শান্তি পায়। দুখৰ দিনত যি গৰাকীয়ে

স্বামীৰ লগ নেৰে দুখ কষ্ট ভোগ কৰিও স্বমীৰ লগৰীয়া হৈ থাকে। তেওঁহে প্ৰকৃত ভাৰ্য্যা। আনবোৰে সম্পদৰ লগৰীয়া হৈ বিপদত লগ এৰা দিয়ে।

১০৮। আপোন ছিদ্ৰ নেদেখয় পৰ ছিদ্ৰ পদে পদে।

বা

১০৯। আপোনাৰ দোষলৈ নাচায়, পৰৰ দোষ খুচৰি চায়।

বা

১১০। আপোন দায় ফুট ছাই। পৰৰ দায় খুচৰি চায়।।।

মানুহে নিজৰ দোষ নেদেখে দেখিলেও ঢাকি ৰাখিবলৈ বিচাৰে। আনৰ প্ৰতি পদক্ষেপতে দোষ উলিয়াবলৈ বিচাৰে। এনে স্বভাৱ ভাল নহয়।

১১১।আপোন হাত জগন্নাথ।

পৰৰ হাত চুৱা পাত।।

জগন্নাথ সৰ্বময় কৰ্তা। তেওঁৰ কোনো বিকাৰ নাই। তেওঁক চিনিলে জানিলে জানিব লগীয়া নাথাকে। নিজৰ হাত নিজৰ কাৰণে পৱিত্ৰ। নিজহাতে সকলো কাম কৰিব পাৰিলে তাত কোনো বিকাৰ থাকিব নোৱাৰে। লোকৰ হাতক বিশ্বাস কৰিব নোৱাৰি সি চুৱাপাত সদৃশ অপবিত্ৰ।

১১২। আপোন ভালেই জগত ভাল।

মানুহৰ ভাল বেয়া আচাৰ ব্যৱহাৰ আৰু কথা বতৰাৰ পৰা চিনিব পাৰি। ভাল কথা বতৰা কোৱা ভাল আচাৰ ব্যৱহাৰ কৰা লোকক আনেও ভাল কথা কয় ভাল ব্যৱহাৰ কৰে। সজ ব্যৱহাৰে পৰম শত্ৰুকো বশলৈ আনিব পাৰি। নিজে ভাল হ'লে সকলোকে ভাল বুলি ধৰি লব পাৰে।

১১৩।আপোন ঘৰৰ ৰাণী,

লোকৰ ঘৰৰ ডাইনী।

পোতা পুখুৰীত বাঁকেই ৰজা বুলি কথা এষাৰ আছে। তিৰোতাগৰাকী নিজৰ ঘৰত নিজে ৰাণী। কোনো আদেশ দিওতা নাথাকে। নিজৰ ঠাইত নিজৰ বল জোৰ পূৰা মাত্ৰাই খাটে। আন ঠাইলৈ গ'লে সেই জোৰ বল খটুৱাবলৈ সুযোগ সুবিধা নাপায়। আনৰ ঠাইত জোৰ বল খটুওৱাটো অন্যায় কথা। তেনে জোৰ বলে অনৈক্যৰ সৃষ্টি কৰে। ফলত তেনে তিৰোতাই ডাইনী নামহে পায়।

১১৪।আপোনাৰ ছাগল

নেজতে কাটক বা ডিঙিতে কাটক

মাত মাতৌতা নিশ্চয় পাগল।

নিজৰ বস্তুৰ ওপৰত নিজৰকৰ্তৃত্ব বৰ্তে। নিজৰ বস্তু নিজে যি কি নকৰক তাত আনে মাত মতাৰ আৱশ্যক নাই। গতিকে লোকৰ কামত মাত মাতি কাজিয়া কৰাজনক পাগল নুবুলি নোৱাৰি।

১১৫। অপুতৰ পুতাই,

মূৰত তুলি সুতায়।।

বহুদিন পুত্ৰ সন্তান নোহোৱা জনৰ পুত্ৰ জন্ম হ'লে ক'ত থৰ নথ'ব কৰে মূৰত থ লে ওকণীয়ে খায়। মাটিত থ লে পকৰুাই খায় এনে ভাৱ হয়। অৱশেষত মূৰত তুলি হেঁপাহ পলুৱায়। বেছি মৰম কৰাৰ ফলত দুষ্ট দগাবাজ হ লেও মনত আনন্দহে লাগে।

১১৬। আপোন সূতে পলু বন্দী

পলুৱে নিজৰ মুখৰপৰা সূতা উলিয়াই নিজে দেহৰ চাৰিওফালে মেৰাই বন্দী হৈ পৰে। সেইদৰে মানুহেও নিজৰ কথাৰে আবদ্ধ হৈ পৰিব পাৰে। সেইবাবে কথা কওতে চাই চিতি আগপাছ ভাবিগুণি চাব লাগে।

১১৭। আপোনাৰ ওঁঠ কাটি ওঁঠ বঙা কৰে।

বিম্বফল সদৃশ বঙা ওঠে মুখমণ্ডলৰ সৌন্দৰ্য্য বঢ়ায়। তাৰ কাৰণে ওঠ কাটি তেজেৰে বাঙলী কৰিলে সৌন্দৰ্য্য বঢ়া দূৰৰ কথা ওঠত ঘা লাগি বেছি অশুৱনীহে হয়। গতিকে নিজৰ অনিষ্ট সাধন কৰি দেখনিয়াৰ বা প্ৰশংসাভাজন হবলৈ যোৱাটো অনুচিত।

১১৮।আপোনাৰ গা তেকতেকীয়া

লোকৰ গালে পানী, ছানিয়া।

যি জন লোকে দোষণীয় কাম কৰি ফুৰে তেনেলোকে লোকৰ গালে দোষ ঠেলি দিয়ে আৰু আনৰ দোষ নাথাকিলেও দোষ জাপি দি নিজৰ সমকক্ষ কৰিবলৈ বিচাৰে।

১১৯।আপোন বুদ্ধি সৰ্বসিদ্ধি।

লোকৰ বুদ্ধি তলি উলি।

শিকি বুজি নিজৰ বুদ্ধিমতে কাম কৰিলে কামত আউল নালাগে সুকলমে সমাপ্ত কৰিব পৰা যায়। আনৰ বুদ্ধি মতে কাম কৰিবলৈ গলে কামত আউল লাগে। নিজৰ বুদ্ধিও কামত লগাব নোৱাৰা হয়। গতিকে কামটো হৈ নুঠে।

১২০। আৱতৰীয়া বেঙেনাই মোক খা মোক খা কৰে।

**১২১। আবতৰীয়া বেঙেনাই,**

**মোক তোল বুলি পেঘেনিযায়।**

আবতৰীয়া বেঙেনাৰ সোৱাদ বৰ কম। কিন্তু আবতৰতো যিবোৰ বেঙেনা লাগে তাৰ আকাৰ প্ৰকাৰ আৰু ৰং বৰ ধুনীয়া হৈ মোক খা মোক খা কৰি থাকে। সেইদৰে অকামিলা অসাধন লোকেও হঠাৎ কামত পাৰ্গতালি দেখুৱাই নিজকে বৰ ডাঙৰ কিবা বুলি ভাবি আনৰ আগত জহাই ফুৰে। তেনে লোকক বেছি মূল্য দিয়া অনুচিত।

**১২২। আভোকত ন মুঠিও নোজোৰে।**

আভোকত মানুহে নাখায়। কিন্তু কিছুমান মানুহ আছে পেটত ভোক নাই বুলি কৈ খাওতে নমুঠিৰো বেছি চাউলৰ ভাত খায়। এনেবোৰ মানুহে মুখত এটা কয় পেটত আন এটা ভাব ৰাখে।

**১২৩। আম খালে বামনাথে।**

**কল খালে জগন্নাথে।**

**বাকলি চুহিলে যি**

**ধন ভৰি মৰিলে সি।**

আম কল গিলি খায়। চোবাই বা চুহি নাখায়। সেই কাৰণে আম আৰু কল গিলি খোৱাৰ পাছত খাওতাৰ মুখত কোনো চিন নাথাকে। যি জনে কল বা আম খাবলৈ নেপায় বাকলিহে চুহি খায় তেও বাকলি গিলি নাখায় বাবে ধৰা পৰে। খাওতাই সাৰে বাকলি চুহোঁতাই অপৰাধী হৈ দণ্ডভোগ কৰে অৰ্থাৎ আচল দোষী সাৰে নিৰ্দোষী লগৰীয়াই অসাৱধানহেতু দোষী হৈ দণ্ড ভৰি মৰে।

**১২৪। আম ফমুটিয়ালে লাঠিও হেৰায়।**

নিজৰ লাঠিৰে ফমুটিয়াই আম পাৰিবলৈ গ লে লাখুটি ভাগিব পাৰে গছৰ ওপৰত বৈ যাব পাৰে। নাইবা কেনিবা পৰিলে বিচাৰি নাপাবও পাৰে। বুঢ়াৰ কাৰণে লাঠী অতি আৱশ্যকীয় বস্তু। তেনে এবিধ বস্তু আম ফমুটিয়াই হেৰুৱাটো অবিবেচনাৰ কাম। বুঢ়া খোৰা আদিয়ে আম নাখালেও চলে। কিন্তু লাখুটি নহলে এখোজো দিব নোৱাৰে। গতিকে বিশেষ দৰ্কাৰী বস্তু এটা কম দৰ্কাৰী বস্তু পাবৰ কাৰণে হেৰুৱা উচিত নহয়।

**১২৫।আমে জামক নিন্দে কুলিক নিন্দে কোৱাই।**

**বৌ বাহক নিন্দে ভেৰ-পেটি নোৱাই।**

আমত কৈ জাম কাঠ মূল্যবান। তেনে মূল্যবান কাঠৰ গছক আম গছে নিকৃষ্ট বুলি ভবা সুৱলা মাতৰ কুলি চৰাইক একে ধৰণৰ কৰ্কশ মাতৰ কাউৰীযে নিন্দা কৰা

আৰু ভেৰপেটী মোৱা মাছে উৎকৃষ্ট বৌ বাহুক নিন্দা কৰাটো তেনেই অশোভনীয় কথা। সেইদৰে সামান্য লোকে সম্মানিত লোকক নিন্দা কৰিবলৈ যোৱাটো অশোভনীয় কাম।

১২৬। আমো নাই, ফমুটিও নাই

আমলৈ ফমুটিয়ালে আম নপবিব পাৰে। ফমটিও বাজি ৰ'ব পাৰে। সেইদৰে কোনো এজনক আন এজনৰ দ্বাৰা মাতিবলৈ পঠিয়ালে কেতিয়াবা দুয়োজনৰে খবৰ নাইকিয়া হয়। সেই অৱস্থাত পঠিওৱাজনে বোপ্দাপৰ দিবতো লাগেই, অসুবিধাও ভোগ কৰিব লগীয়া হয়।

১২৭। আমাৰ বোপা ভাল
পিন্ধে ফটাজাল
ঘৰে ঘৰে চাই ফুৰে
কোন জনীনো ভাল।

যৌৱনে ধনী দুখীয়া গণ্য নকৰে। অতি দুখীয়া জালৰ দৰে ছিটা কানি পিন্ধা জনকো যৌৱনে চঞ্চল কৰি তোলে। তেৱো ধুনীয়া গৃহিণী এজনী গোটাই ঘৰ সংসাৰ কৰিবলৈ বিচাৰে ল'ৰা ছোৱালীৰ চৰিত্ৰ যৌৱন কালতহে ধৰিব পাৰি। ফটা জালকে পিন্ধক বা ৰাজ পোছাককে পিন্ধক ডেকা কালত লৰা ছোৱালীৰ প্ৰকৃত চৰিত্ৰ ঢাকি ৰখা সম্ভৱ নহয়।

১২৮। আৰ (হৈয়াৰ) ফটা কানি তাৰ ফটা কানি
মাৰি যাওঁ গেৰুৱা লোটা
তাৰ ছিগা চুলি তাৰ চিগা চুলি
মাৰি যাও জলোৱা খোপা।

যি লাহ বিলাহত গা ঢালি দিয়ে তেওলোকৰ ফটা ছিটা কাপোৰ কানিও মাটিত চুচৰি যোৱা গেৰুৱা ঢাক খোৱা পোছাক কৰি লয়। নিজৰ মূৰত দীঘল চুলি নাথাকিলেও লোকৰ ছিগা চুলি বা কৃত্ৰিম চুলিৰে ডলা যেন ডাঙৰ খোপা মাৰি ধুনপেছ দেখুৱায়। অৰ্থাৎ কিছুমান লোকে নিজৰ অসামৰ্থ্য ঢাকি লোকৰ বস্তুৰে বাহাদুৰি কৰি ফুৰে।

১২৯। আৰ্জে মানে নাটে সীয়ে মানে ফাটে।

কাপোৰ পুৰণি হ'লে টাপলি মাৰি সী ললেও বেছি দিন নাযায়। বেছি পুৰণি হলে সীয়া ঠাইখিনিতে ফালি যায়। সেইদৰে খাৰবীয়া বাটি গলে অথবা ধামধুমীয়াত পৰি খৰচ কৰিব লগীয়া হ'লে আয় বাটিলেও লাভ নহয়। উপাৰ্জন চাই খৰচ নকৰিলে মানুহ বিপদত পৰিব লাগে। সেয়েহে কোৱা হয় ' অলপ আৰ্জন বিস্তৰ ভোজন সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ ।

১৩০। আল উহৰ গোন্ধ নোপোৱা।

আকৰা নে উখুৰা তাক চিনিব নোৱাৰা অৰ্থাৎ কোনো কথাৰ আ ভু নোপোৱা একেবাৰে অজ্ঞ জনৰ বেলিকা এই কথা কোৱা হয়।

১৩১। আলচা কৰ্ম নহয় সিদ্ধি
বাটত আছে কপা বিধি।

কামৰ ফলাফল ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰে। বিধাতাই কপালত যি লিখি থৈছে সেই মতেহে কাম হয়। আলচা মতে নহবও পাৰে।

১৩২।আলহী হ'লে আহুকাল।
বিষয়ী হ'লে জঞ্জাল
তিৰী হ'লে ঘোচামৰ জৰী।
বান্ধে ভালে কৰি।।

আলহীয়ে গৃহস্থৰ মানুহক আহুকাল দিয়ে। বিষয় বাব ল'লে জঞ্জাল চপাই লোৱা হয়। বিঁয়া কৰাই তিৰোতা গৰাকী আনিলে তিৰোতা গৰাকীয়ে শণ সূতাৰ জৰী স্বৰূপে হৈ লৰচৰ কৰিব নোৱাৰাকৈ বান্ধি ৰাখে। তিৰোতাৰ কথামতে উঠ বহ কৰিব লগীয়া হয়।

১৩৩। আলহীক নিদিবা ঠাই,
আলহীয়ে লাবি চাবি খায়।

ইয়াত ধুনপেচ ফিতাহি মৰা ভাব আদিক আলহী বোলা হৈছে। সেইবোৰ আলহীয়ে মানুহক খৰচী কৰে আৰু খৰচ বাটি মানুহৰ সামৰ্থ্যৰ বাহিৰলৈ নি দুখীয়া কৰে।

১৩৪। আলহীক নিদিবা ঠাই
বাৰীৰ পাত পচলা খায়
বুঢ়াৰ গালৈকো শুঙবিয়ায়।

ৰোগ ব্যাধি শৰীৰ আলহী স্বৰূপ। ৰোগ ব্যাধি হলে মানুহৰ শৰীৰৰ তেজ মঙহ শোহে অৱশেষত মৃত্যুৰ মুখলৈকে ঠেলি দিয়ে। সেইবাবে ৰোগ ব্যাধি নোহোৱাকৈ থাকিবলৈ যত্ন কৰিব লাগে। বুঢ়া মানুহে শৰীৰৰ বিশেষ যত্ন নললে জীৱন নাশৰ ভয় থাকে।

১৩৫। আলহীক নিদিবা ঠাই
সঙ্গী ভকতক খিয় কিল মাৰিবা

তেহে কৃষ্ণসেৱক পায়।

আলহী মানে বাহ্যিকতা লাহ্ বিলাহ্ আলস্য আনৰপৰা কৰা অনুকৰণ সাংসাৰিক চিন্তা ভাৱনা। সঙ্গীতকত মানে কাম ক্রোধ আদি ষড় ৰিপু। সাংসাৰিক চিন্তাত মনক ব্যস্ত ৰাখি লাহ্ লিলাহত গা ঢালি দিলে আলস্যক মনত ঠাই দিলে বিপদ হয়। ষড় ৰিপু কাম ক্রোধ আদিক জোৰ কৰি হলেও বশ কৰি ৰাখিলেহে ঈশ্বৰক চিন্তা ভাৱনা কৰিব পাৰি আৰু ঈশ্বৰ বা ভাগৱত পুৰুষৰ অনুগ্ৰহ পাব পাৰি।

১৩৬। আলিবাটলৈ গ'লে চুৰিয়াৰ ফেৰ,

ঘৰলৈ গ'লে চকুৱাৰ বেৰ।

বা

বাহিৰত বৰ চুৰিয়াৰ ফেৰ

ভিতৰত চকুৱাৰ বেৰ।

কিছুমান মানুহে খাবলৈ নেপালেও চকুৱাৰ বেৰ দি ঘৰ ৰাখিলেও মানুহৰ আগত ৰবাই কৰিবলৈ পাছ নোহোঁহোকে হাতত ফুটা কৰি নাথাকিলেও চুৰিয়াৰ ফেৰ মাৰি আলিবাটত ঘূৰি ফুৰে। ঘৰত নিমখ ভাত খালেও বা খাবলৈ নাপালেও লোকৰ আগত উগাৰ মাৰি ভুৰি ভোজন কৰাটো দেখুৱায়। তেনে কৰাৰ পৰা একো লাভ নহয় হাঁহিয়াতৰহে পাত্র হবলগীয়া হয়।

১৩৭। আলি বাটৰ দুবৰি

নিয়ঁৰ পালে জুৰুলি।

আলিবাটৰ দুবৰি বন মানুহৰ গছকত লেতু সেতু হৈ মৰহি যায়। নিশাৰ নিয়ঁৰ পাই আকৌ ঠন ধৰি উঠে। সেইদৰে দুখীয়া নিছলা নিঃকিনলোকে ক্ষমতাশালী ধনী লোকৰ অত্যাচাৰত জুৰুলা হৈ পৰে কাৰোবাৰ একণ বুজনি একণ সান্ত্বনা বাণী পালেই তেওঁলোকৰ আকৌ আগৰ দৰে জীৱনলৈ মমতাবোধ জন্মে নতুন উৎসাহ উদ্যম লাভ কৰে।

১৩৮। আলহী ঘৰত পাহি, জীয় যায় লই

সজাটিৰ চিন চাব নাই।।

দেহাটি জীৱৰ সজা। সংসাৰখন আলহী ঘৰ স্বৰূপ। ইয়াত কোনো স্থায়ী ভাৱে নাথাকে। জীৱটিক যেতিয়া কালে লৈ যায় তেতিয়া দেহাটি গেলি পচি চিন মোকাম নাহাকিয়া হৈ পৰে।

১৩৯। আলু কচু বিচাৰে বৰা।

বাজুণে শগুণে বিচাৰে মৰা।।

কনুৱা ধনুৱা পঁইতা কৰকৰা
গণকে বিচাৰে নৰিয়া পৰা।।

বৰা গাহৰিয়ে আলু কচু বিচাৰি হুলুকিয়াই ফুৰে। ব্ৰাহ্মণে শ্ৰাদ্ধাদি কৰিবলৈ কোন মৰিছে তাৰ খবৰ লৈ থাকে। শগুণে খাবৰ কাৰণে ক'ত মৰা শ পৰি আছে তাকে বিচাৰি ফুৰে। কামকৰা চাকৰ বাকৰ আদিয়ে পঁইতা বা কৰকৰা ভাত কেইটামান পালেই সন্তুষ্ট হয়। দৈৱজ্ঞই ৰোগব্যাধি হোৱা লোক বিচাৰে কাৰণ তেনেলোকৰ দলা কোষ্ঠী চাই তেও দুপইচা আয় কৰিব পাৰে। স্বাৰ্থৰ কাৰণে বিভিন্নজনে বিভিন্ন ভাবে কম কৰোতে বিভিন্ন উদ্দেশ্য আগত ৰাখে।

১৪০। আলু গাঁতত থাকে ছমাহ
সিজিবলৈ এঘন্টাও নালাগে।

আলু মাটিৰ তলত ছমাহ থাকে। একো পৰিবৰ্ত্তন নহয়। সিজাওতে এঘন্টাও নালাগে। বহু বস্তু অকামিলা হৈ বহুদিন পৰি থাকে। কেতিয়াবা ঘপৰাই কামত লাগি যায়। সকলো বস্তুৰে ব্যৱহাৰৰ উপযুক্ত হ'লে মূল্য বাঢে। মানুহৰ বেলিকাও তেনেকুৱা হয়। অলায়ক লোকো কোনো কোনো সময়ত অতি দৰ্কাৰীজন হৈ পৰে।

১৪১। আলেকৰ পালেক
বৰফুকনৰ পাইকৰ বাপেক।

বৰফুকন পদবীৰ তুলনাত পাইক তেনেই নগণ্য লোক। কিন্তু সেই নগণ্যলোকৰ বাপেকে বৰফুকনৰ নাম কৈ নিজৰ সম্মান বঢ়াবলৈ যত্ন কৰে। বহুত মানুহে নিজৰ নীচতা নগণ্যতা ঢাকিবলৈ বৰলোকৰ লগত সম্বন্ধ থকা দেখুৱাই মান সম্মান লবলৈ বিচাৰে।

১৪২। আসনৰ বৰ্জিত তিনি খুৰা।
মিত্ৰৰ বৰ্জিত পিয়ে সুৰা।। (ডাক)

তিনিটা খুৰা লগোৱা আসনত বহিব নালাগে। কাৰণ কোনোবা এফালে বেছি ভৰ পৰিলে তাৰপৰা বাগৰি পৰে। যি সুৰা পান কৰে তেনেলোকৰ লগত মিত্ৰতা কৰিব নালাগে। সুৰাপায়ী লোকৰ মগজ থিৰ হৈ নাথাকে। তেনেলোকৰ পৰা অনিষ্ট হোৱাৰ সম্ভাৱনাই বেছি।

১৪৩। আশয় পোৱা কুকুৰে ডিঙিলৈকে খায়

জীৱজন্তুৱে মানুহৰ মৰম বুজি পায়। কুকুৰ বৰ প্ৰভুভক্ত। কিন্তু বেছি আশয় দিলে সি ডিঙিত ধৰিবলৈ প্ৰয়াস কৰে। সেইবাবে কুকুৰক বেছি লাই দিব নালাগে। নীচ মানুহকো বেছি মৰম কৰা উচিত নহয়। মৰম পাই সি বহু আগবাঢি যায় শেহত

মৰম কৰোঁতাৰ জীৱন পৰ্য্যন্ত নাশ কৰিবলৈকো আগ বাঢ়িব পাৰে।

১৪৪। আঁহ লুকাবা পাহ লুকাবা

গাল সোতোৰা সোতোৰ ক'ত লুকাবা।

বুঢ়া হলে দাঁত সৰে চুলি পকে গাৰ ছাল সোতোৰা সোতোৰ হয়। আজিকালি দাঁত সৰিলে লগাই লব পাৰি চুলি পকিলে কলপ দি ক'লা কৰিব পাৰি কিন্তু গালৰ সোতোৰা সোতোৰ অৱস্থাক ঢাকি থব নোৱাৰি। বুঢ়াকালৰ চিন সোতোৰা সোতোৰ গালেই দিয়ে। বয়স ঢাকি ৰাখিব নোৱাৰি।

১৪৫। আঁহ বুলিলে আহে,

যা বুলিল হাঁহে।

১৪৬। আহ বুলিলে কামত খবে।

যা বুলিলে লৰচৰ নকৰে।।

তলতীয়া মানুহক চলাব লাগিলে সিইতৰ কামত লগাই দিব লাগে। তাৰ সলনি অমুক কামখন কৰ গৈ যা বুলি হুকুম দিলে কাম হৈ নুঠে। আদেশ পাই তলতীয়া মানুহবোৰে হাঁহি খিকিন্দালি কৰি মন গ'লে কাম কৰে নহলে নকৰাকৈ সময় কটায়।

১৪৭। আহিল কণা গ'ল কণা

খাগবি কাটিলে তিনি কণা।

জীৱ ক'ৰপৰা আহিল মৰণৰ পাছত কলৈ যাব কোনেও নাজানো। অৰ্থাৎ জন্মৰ আগৰ কথাও কব নোৱাৰে মৰণৰ পাছৰ কথাও কব নোৱাৰে। এই দুয়োটাতে জীৱ কণা। সংসাৰত থাকিও আহাৰ নিদ্ৰা আৰু মৈথুন এই তিনি কৰ্মতহে ব্যস্ত থাকে। ভগৱৎ চিন্তা চৰ্চা নকৰিলে ভাল কাম নকৰিলে মানুহৰ জীৱন অথলে যায়।

১৪৮। আহক নাহক বৰ

সেওতা ফালি মৰ।

বিয়া কৰাবলৈ দৰা আহিব। এই ভাবি কইনাক সজাই পৰাই ৰাখিব লাগে। কিন্তু নিজৰ শৰীৰ ভালে ৰাখিবলৈ সৌন্দৰ্য্য বঢাবলৈ সদায় শৰীৰ পৰিষ্কাৰ কৰি ৰাখিব লাগে পৰিষ্কাৰ কাপোৰ কানি পৰিধান কৰিব লাগে। এইখিনি কাম কৰিবলৈ কাৰো প্ৰতীক্ষা কৰিব নালাগে। সঠিক নোহোৱা কামত ব্ৰতী হ'ব নালাগে।

১৪৯। আহিলোঁ ভকত মাৰিলোঁ খুটি

চাউল চৰু নহলে নাযাও উঠি।

মানুহৰ জীৱনত ৰোগ ব্যাধি হোৱাটো স্বাভাৱিক। ৰোগ ব্যাধি হলে ঔষধ পাতি দি ভাল কৰিবলৈ চেষ্টা কৰা উচিত। নহলে ৰোগৰ উপশম ঘটা টান হৈ পৰে। ৰোগব্যাধি জীৱনৰ আলহী ভকত স্বৰূপ সি দেৱাই পানী নাপালে নিৰাময় নহয়। দেৱাই পানীক চাউল চৰু বোলা হৈছে।

১৫০। অহিংসা ভকত বহিবা শিলত
লবচৰ কৰিলে মৰিবা কিলত।

মনত নানাবিধ ভাৱ উদয় হয়। মনৰ ভাৱবোৰ প্ৰকৃত সুপথেৰে পৰিচালিত কৰিব নোৱাৰিলে অনিষ্ট সাধন কৰে। জ্ঞানীলোক সকলে মনৰ ভাৱক শাসন কৰি ৰাখে। বেয়া ভাৱ খেলালে তাক কঠোৰ ভাবে দমন কৰে। ইয়াত মনৰ ভাবক ভকত বোলা হৈছে। সুবিবেচনাক শিলৰ আসন বুলি কোৱা হৈছে আৰু উগ্ৰভাৱ বান্ধি দমন কৰা কাৰ্য্যক কিল মৰা কাৰ্য্য বুলি কোৱা হৈছে।

১৫১। আৱৈতে নাঙঠ যাওঁতে শূইন।
লগত যাব পাপ পুইন।।

মানুহ ওপোজোঁতে নাঙঠ হৈ ওপজে মৰোঁতে শূন্য হৈ যায় অৰ্থাৎ শৰীৰটিকো এৰি যায়। জীৱই জীৱনত লাভ কৰা পাপ আৰু পূণ্যহে লগত লৈ যায়। সেইমতে পৰকালত ভোগ কৰে। গতিকে ধন সম্পত্তি আৰু সুগঢী দেহটিক লৈ গৰ্ব কৰি লাভ নাই। ই অস্থায়ী বস্তু।

# ই

**১৫২। ইকাণ সিকাণ সহস্র কাণ**

গোপন কথা আনক ক'লে সি গোপন হৈ নাথাকে। ইজনে সিজনক কয় সিজনে আন এজনক কয়। কাৰণ গোপন কথা আনক কৰলৈ ভাল পায়। আনৰ গোপন কথা প্ৰচাৰ কৰাৰ এটা আমেজ থাকে। মানুহক হেয় কৰাই গোপন কথা প্ৰচাৰ কৰাৰ প্ৰধান উদ্দেশ্য। সেই কাৰণে আনে নুশুনাকৈ ক লেও উদ্দেশ্য প্ৰচাৰ কৰা। গোপন কথাৰ ৰহস্যও থাকে। আনক কৈ আনৰ পৰা শুনি ভাল লাগে। গতিকে ইকাণ সিকাণকৈ বহুতৰ কাণত পৰে।

**১৫৩। সিকুলো নাপালোঁ ইকুলো হেৰুৱালোঁ।**

**মাজ সাগৰত ঝাঁজি হৈয়া বৈলোঁ।**

জীৱ ভগৱানৰ পৰা আৱিৰ্ভাৱ হৈছে। অন্তিমত ভগৱানত লীন যাব লাগে। তাকে মোক্ষ বোলা হয়। সৎকৰ্ম কৰিব নোৱাৰিলে সংসাৰ সাগৰত বাৰে বাৰে জন্ম গ্ৰহণ কৰি যন্ত্ৰণা ভোগ কৰিব লগীয়া হয়। জীৱনটো সমুদ্ৰৰ মাজত ঝাঁজি যেন হৈ ঢৌত উটিবুৰি ফুৰিব লাগে। সেই কাৰণে জীৱই আক্ষেপ কৰিবলগীয়া হয়।

**১৫৪। ইচ্ছা থাকিলে উপায় ওলায়।**

সকলো কাম কৰিবলৈ সহজ নহয়। বহুসময়ত মানুহে কৰিবলগীয়া কাম কৰিব নোৱাৰি বিফল হৈ পৰে। মানুহেই অসম্ভৱক সম্ভৱ কৰিব পাৰে। অসম্ভৱ অসম্ভৱ কামবোৰ মানুহেই কৰিছে ইচ্ছা আৰু একাণপতীয়া চেষ্টাৰ ফলত। গতিকে মানুহে কৰিব নোৱাৰা কাম নাই, লাগে চেষ্টা আৰু লাগে কৰাৰ ইচ্ছা।

**১৫৫। ইন্দ্ৰৰ ৰাজ সভাত ফৈচাৰ কুকলি।**

ইন্দ্ৰ দেৱতাসকলৰ ৰজা। তেওঁৰ ৰাজসভাত বছা বছা দেৱতাসকল থাকে। তাত উচ্চ খাপৰ আলোচনা হয়। তেনে ৰাজসভাত যেয়ে সেয়ে মাত মাতিবলৈ সাহস নকৰে। তেনে সমাজত ফেঁচাৰ দৰে সামান্য চৰাই এটাই কুকলিওৱাটো বৰ অশোভন হয়। গতিকে সমাজ চাই কথা কৰলৈ আগবাঢ়িব লাগে। নিজৰ সামৰ্থ্যলৈও চাব লাগে।

**১৫৬। ইয়াত মাৰিলে টিপা,**

**গড়গাঁও পালেগৈ শিপা।**

আহোম ৰজা সকলৰ দিনত গড়গাঁও ৰাজধানী আছিল। ৰজাই তাঁৰৰ ৰাতৰি তাঁৰে

পাইছিল। গাঁৱে ভূঞে চোৰা,চোৱা পিয়াপি দি ফুৰিছিল। গতিকে কৰবাত অথন্তৰ ঘটিলেই তৎক্ষণাৎ ৰজাই খবৰ পাইছিল। সেইবাবে সেইসময়ত মানুহে অপকৰ্ম নকৰিছিল।

১৫৭। ইফালে গো বধ

সিফালে ব্ৰহ্মবধ।

গো বধ আৰু ব্ৰহ্মবধ দুয়োটা দুৰ্ঘোৰ পাপ কাম। কেতিয়াবা মানুহ এনে দুৰ্বিপাকত পৰে যে ইফালে কৰিবও নোৱাৰে সিফালেও কৰিব নোৱাৰে কৰিলেই পাপ হয় অন্যায় কৰা হয়। এনে অৱস্থাত নিষ্ক্ৰিয় হৈ থকাটোৱেই শ্ৰেয়স।

১৫৮। ইষ্টৰ লগত নিষ্ট কথা।

ইষ্ট মানে বন্ধু। বন্ধুক সকলা কথা খুলি ক'ব লাগে। বেয়া পোৱা ভাল পোৱা সকলো কথা ক লেহে বন্ধুত্ব বেছি গাঢ় হয়। ইষ্টৰ দোষৰ কথা খোলাকৈ কব লাগে কিন্তু তাৰ সুযোগ লৈ অনিষ্ট কৰিব নালাগে।

# উ

১৫৯। উইচিৰিঙাই ৰঙতে উৰে
হৰমুৰকৈ পুৰি মৰে।।

উজ্জ্বল বস্তু দেখিলেই খোৱা বস্তু বুলি ভাবি লোৱা অনুচিত। উইচিৰিঙাই জুই দেখি খোৱা বস্তু বুলি ৰঙেৰে খাবলৈ যায়। ফলত পুৰি মৰে। মানুহেও দেখাত ভাল উজ্জ্বল বস্তু দেখিলেই সি উপকাৰী কামৰ বুলি ভবাটো উচিত নহয়। তাৰ পৰা বিপদ হ'ব পাৰে।

১৬০। উচিত কথা ক'লে লাগে লেঠা
নকলে উচিত লাগে বেথা।

অনেক ক্ষেত্ৰত উচিত কথা কৰলৈ গ'লে কিছুমানৰ মনত দুখ দিব লগীয়া অথবা বিপথে ঠেলি দিয়া হ'ব পাৰে। আনহাতে জানিবা জানি বুজিও উচিত কথা নকলে মনত বেয়া লাগে নিজে অন্যায় কৰা বুলি ভাব হয়।

১৬২। উজ্জ্বল বস্তু মানেই সোণ নহয়।

সোণ উজ্জ্বল আৰু মূল্যবান ধাতু। কিন্তু যেই সেই উজ্জ্বল বস্তু সোণ নহয়। সেইদৰে সুন্দৰ পোছাক পৰিহিত মানুহেই মহৎলোক নহয়। গুণেহে মানুহক মহৎ কৰে।

১৬৩। উঠনা পালে উঠাই লবলৈ মন যায়।

দোকানৰ মাল বাকীকৈ পালে অদৰ্কাৰী বস্তুও দৰ্কাৰী হৈ পৰে। পাৰিলে গোটেই দোকানৰ মাল উঠাই লৈ যাবলৈ মন যায়। অৰ্থাৎ বস্তুবোৰ এনেই পোৱা যেন লাগে। ধন পৰিশোধ কৰিবৰ সময়তহে অনুপাত হয়।

১৬৪। উতলা পানীয়ে ফেন কাটে।

পানী উতলালে তাত থকা মলিবোৰ ফেন হৈ ওপৰলৈ উঠে। সেই ফেন কাটি পেলালে পৰিস্কাৰ পানী পোৱা যায়। সেইদৰে কৰ্মত লাগি দুখ ভোগ কৰি প্ৰকৃত শিক্ষা লাভ কৰি উপযুক্ত মানুহ হৈ জিলিকি উঠিব পাৰে। জুইত পোৰা সোণ যিদৰে উজ্জ্বল হৈ পৰে দুখ কষ্টৰ মাজেৰে কৰ্মপ্ৰৱণ মানুহ হ'ব পাৰে।

১৬৫। উতজা গৃহত বকতা স্ত্ৰী।
সেহি গৃহস্থৰ নাহিকে শ্ৰী।। (ডাক)

উশৃংখল ঘৰত বকতা অৰ্থাৎ আকৰী ঘৰ চলালিব নজনা তিৰোতা থাকিলে ঘৰৰ শ্ৰীবৃদ্ধি নহয়।

১৬৬। উত্তমৰ ঘৰত শান্তিপানী

অধমৰ ওচৰত কেৱল গ্লানি।

বিপদত পৰি উত্তম লোকৰ ওচৰ চাপিলে তেও সান্ত্বনা বাণী আৰু উপায় বুধি দি সহায় কৰে। অধম জনৰ ওচৰ চাপিলে তেও গালি গালাজ কৰি নিৰুৎসাহহে কৰে।

১৬৭। উত্তমে লয় গুণ

অধমে বিস্তাৰে দুৰ্গুণ।

উত্তম লোকে মানুহৰ ভাল গুণহে লয় আৰু প্ৰসংশা কৰে দুগুণ। থাকিলেও লক্ষ্য নকৰে বিস্তাৰো নকৰে। কিন্তু অধম লোকে লোকৰ বেয়া গুণবোৰৰ কথাহে বিস্তাৰ কৰে ভাল গুণবোৰলৈ লক্ষ্য নকৰে। ঘোষাত আছে

অধমে লৱণ দোষ লৱণে মধ্যমে দোষ

গুণ কৰিয়া বিচাৰ।

উত্তমে লৱয় গুণ নৱয় উত্তমোমে

অল্পগুণ কৰায় নিস্তাৰ।।

১৬৮। উৎসাহত নকয় কি?

কি নহয় চেষ্টাত

উদক ভেটাৰখীয়া থোৱা

উদে মাছ খাই জীয়াই থাকে। সেই উদক ভেটাৰখীয়া পাতিলে সি মাছ খাবলৈ বেছি সুবিধা পাই ভেটাৰ মাছ নাইকিয়া কৰি থয়। গতিকে যি যি বস্তু খাই জীয়াই থাকে তাক সেই বস্তুৰ ৰখীয়া পাতিব নালাগে। কাৰণ ৰক্ষকেই ভক্ষক হৈ সোপাকে নাইকিয়া কৰে।

১৬৯। উদক দেখি বোন্দাই ডুব মাৰে।

উদ পানীত থাকে পানীত ডুব মাৰি মাৰি মাছ ধৰি খায়। উদে মাছ ধৰা দেখি বোন্দাই মাছ ধৰিবলৈ পানীত ডুবিয়ালে তাৰ মৰণহে সাৰ হৈ পৰে। কাৰণ মেকুৰীৰ ছালত তেলেতীয়া গুণ নাই সেই কাৰণে গাত পানী পৰিলেই লেপথেপীয়া হৈ পৰে। পানীত সাতুৰিবলৈ গলেই তাৰ গা গধুৰ হৈ পানীৰ তলত সোমায়। সেই কাৰণে লোকক দেখি নুবুজা নুগুনাকৈ কোনো কাম কৰিব নালাগে।

১৭০। উদৰ সাত পুৰুষ গ'ল কেঁচা মাছ খাওঁতে

এতিয়া বিছাৰে ভজা মাছ।

উদ পানীত থাকে। নৈ বিলৰ মাছ ধৰি খায়। কেঁচা মাছ খোৱাই তাৰ অভ্যাস লোকে খোৱা দেখি ভজা মাছ খাবলৈ বিচাৰিলেই খাব নোৱাৰে। কাৰণ ভজা মাছ খাবলৈ নানা ধৰণে চেষ্টা কৰিব লাগে। উদ সিমানখিনি যত্ন কৰাটো সম্ভৱ নহয় বাবে বিপদহে হয়। গতিকে যি যিমানৰ সিমানত থকাই উচিত। সামৰ্থ্য নাথাকিলে আনৰ বিশেষ ধৰণ কৰণ নধৰাই ভাল।

১৭১। উপকাৰীক অজগৰে খায়।

১৭২।

এবাৰ উপকাৰ পালে মানুহে উপকাৰীৰ পৰা সততে উপকাৰ পাবলৈ বিচাৰে। যাৰ উপকাৰ কৰে তেনেজন উপকাৰীৰ শলাগ লোৱা বা প্ৰত্যুপকাৰ কৰাৰ কথা সপোনতো নাভাবে। বৰঞ্চ উপকাৰীৰ পৰা উপকাৰ নোপোৱা যেন দেখিলে উপকাৰীক অপকাৰ কৰিবলৈহে চেষ্টা কৰে। তেনেজনৰ পৰা সন্তৰ্পণৰ অপকাৰৰ হাত সাৰিবলৈ যত্ন কৰা উচিত।

১৭৩। উপজিয়ে গোট ভাত গিলা

সন্তান ভূমিষ্ঠ হৈয়ে জীৱন ধাৰণৰ কাৰণে গোটা ভাত খাব নোৱাৰে। পনীয়া খাদ্য খাবলৈ আৰম্ভ কৰিলেহে কঠিন খাদ্য খাবলৈ শিকিব পাৰে। সেইদৰে সামান্য বৰ্ণ কেইটামান শিকিয়ে জ্ঞানৰ ভৰাঁল হৈ পৰা বুলি ভাবিব নালাগে। চিন্তা ভাৱনা কল্পনা আৰু চৰ্চা কৰিহে জ্ঞান লাভ কৰিব পাৰি। বয়সৰ লগে লগে জ্ঞান লাভ হয়।

১৭৪। উবুৰি কৰি ঢালে

টোপ ধৰিও নপৰে।

ভৰাপাত্ৰ এটা উবুৰি কৰি ধৰিলে তাত থকা বস্তু বা পানী ওলাই পৰে। যদি নপৰে নিশ্চয় তাত ঢাকনি আছে নহলে তাৰ ভিতৰত একো নাই। কিছুমান কপৰ্দহীন মানুহ আছে বৰ বৰ কথা কৈ দাতা বোলাবলৈ বিচাৰে আনক প্ৰৰোচিত কৰে নিজে একো দিব নোৱাৰে। কিছুমানে থাকিও দিবলৈ বৰ টান পায়। পৰাপক্ষত নিদিয়াকৈ থাকিবলৈ বিচাৰে কথা কোৱাত সময়ত বৰ দানশীল বুলি যহায়।

১৭৫। উভতি চোৰে গিৰীক বান্ধে।

আৰু চাবি পোণ গিৰীকে সাধে।।

বুধিয়ক চোৰে আইনৰ পাকত পেলাই নগুৰ নাগতি কৰে।ফলত গিৰীয়েঁহে

ক্ষতিপূৰণ কৰিবলগীয়া হয়। দুষ্টলোকে আনক বিপদত পেলাই ভাল পায়।

১৭৬। উমেহতীয়া শ বাহী হয়।

মৃতকৰ গম্যকী বন্ধু হ'লে কোনে নিব কোনে দাহ কৰিব কোনে কাম ক্ৰিয়া ধৰিব আদি কথাৰ স্থিৰ সিদ্ধান্ত কাৰোঁতে বহু সময় যায়। কেতিয়াবা দুই তিনি দিনলৈ মৰাশ পৰি থাকে। সেইদৰে কোনো কাম সম্পাদনা কৰোঁতা কেবাজনো হ'লে অমুকে কৰক তমুকে কৰক বুলি গা এৰাই ফুৰোঁতে সময়মতে কাম হৈ নুঠে সময়ৰ কাম সময়ত নহলে তাৰ মূল্য কমি যায়।

১৭৭। উৰন্তেকীয়া উৰি গ'ল

গোবৰ থুপীয়াৰ মৰণ হ'ল।

বিপদ আহিলে উৰিব পৰা চৰাই উৰি আন ঠাইলৈ গুচি যাব পাৰে যিবোৰ পোৱালী উৰিবলৈ পৰা হোৱা নাই গোবৰথুপীয়া অৰ্থাৎ গোবৰৰ লদাৰ দৰে থেপথেপীয়া অৱস্থাত আছে তেনেবোৰ পোৱালীৰ মৰণ মিলে। সেইদৰে যি মানুহৰ সহায় সম্বল বল বুদ্ধি আছে তেওলোকে বিপদৰ সময়ত ৰক্ষা পৰিব পাৰে নি সম্বল বুদ্ধিহীন লোক মৰা পৰে।

১৭৮। উৰহৰ খং ভগা ঢাৰিত সাৰে—

ঢাৰি পাটীত উৰহ হ'লে ঢাৰি পাটী কোবাই উৰহ বাহিৰ কৰে পুৰণি ধৰণৰ ঢাৰি বা পাটী হ'লে ভাগি টুকুৰা টুকুৰ হৈ পৰে। অৰ্থাৎ উৰহ নমৰি ঢাৰিখনহে ভাগে। সেইদৰে কোনোবাজনৰ ওপৰত খ উঠি সেইজনক নাপালে তাৰ সলনি লগৰীয়া নিৰ্দোষী দুৰ্ব্বল জনৰ ওপৰত বহুক্ষেত্ৰত খং সৰা কাৰ্য্য হয়। অৰ্থাৎ কাৰোবাৰ খং কাৰোবাৰ ওপৰত পৰে।

১৭৯। উকথা ঘৰত বাৰিষা থাকে।

যুৱতী কণ্যাক ঘৰত ৰাখে।

চোৰ এৰে কৰে সঙ্গ।

এই তিনিৰ ন্যায় ভঙ্গ।। (ডাক)

বাৰিষা কালত উকথা ঘৰত শান্তি নাথাক আৰু শোৱাটো শান্তি নাথাকে। যুৱতী কন্যা ঘৰত থাকিলে মাক দেউতাকৰ চিন্তাৰ সীমা নাথাকে। চিন্তাশীল আৰু চৰিত্ৰৱতী কন্যা নহ'লে পদে পদে বিপদ মান সম্মানৰ বাবেও চিন্তাৰ কাৰণ হৈ পৰে। চোৰে সৈতে লগ লাগিলে সাধুও চোৰ হৈ পৰে। নকৰিলেও চোৰ সাব্যস্ত হয় শাস্তি ভোগ কৰিব লগীয়া হয়। উকথা ঘৰত বাস কৰা যুৱতীক কন্যা ঘৰত ৰখা চোৰৰ লগত বন্ধু হোৱা এই তিনিজনৰ ন্যায় যুক্তি বোলা কথা নাথাকে।

**১৮০। উলুৰ লগত বগৰী পোৰা।**

উলু বনৰ মাজত বগৰী গছ থকা দেখা যা। উলুৱনীত জুই লাগিলে সেই বগৰী গছো পোৰে। দুষ্টৰ লগত সাধু সন্তৰহে বিপদ হয়।

**১৮১। উনা ভাতে দুনা বল**

**বেছি ভাতে ৰসাতল।**

আহাৰ খাওতে সম্পূৰ্ণকৈ পেট ভৰাই খাব নালাগে। কিছু পৰিমাণে কমকৈ খালে খাদ্যবস্তু সহজে সজম হয়। খাদ্য বস্তু হজম হ'লে গাত বল পোৱা যায়। ডিঙিলৈকে অহাকৈ ভাত বা খাদ্য খালে গেৰেউ গেৰেউ লাগে খাদ্য হজম নহয়। তাৰ ফলত অজীৰ্ণ ৰোগীসকলে বেছি বেছি খাবলৈ বিচাৰে। গতিকে তেওঁলোকৰ ৰোগ বৃদ্ধি পাই শেহত মৃত্যু বৰণ কৰাহে দেখা যায়।

**১৮২। উনৈশত বা বলা**

উনৈশ বছৰমান হ'লে লৰা ছোৱালীৰ চঞ্চলতা বাঢ়ে। সাৱধান নহ'লে তেনে বয়সৰ লৰা বা ছোৱালীক শাসনত ৰখা টান হৈ পৰে। তেওঁলোকে কাৰো কথা নমনা হয় নিজৰ খুচিমতে চলিবলৈ বিচাৰে উদণ্ড হৈ পৰে যিহকে পায় তাকে কৰে। মুকলীমুৰীয়া হ'লে ল'ৰা বা ছোৱালীয়ে নকৰিবলগীয়াও কৰে।

**১৮৩। উপদেশতকৈ আৰ্হি ভাল।**

উপদেশ দিয়াতকৈ সেই উপদেশৰ আৰ্হি দেখুৱাব পাৰিলে মানুহে সহজে শিক্ষা লয়। আনক চুৰ নকৰিবা ৰাগিয়াল বস্তু নাখাবা মিছা কথা নকবা বুলি উপদেশ দিয়ে কিন্তু নিজে চুৰ কৰে ল'ৰা ছোৱালীৰ আগত বিড়ি চিগাৰেট খায় মদো খায় মিছা কথা কৈ ধৰাও পৰে তেনে মানুহৰ উপদেশ কাৰ্য্যকৰী নহয়। মহাপুৰুষ সকলৰ নিচিনাকৈ আৰ্হি দেখুৱাব পাৰিলেহে উপদেশ কাৰ্য্যকৰী হয়।

**১৮৪। ঋণৰ শেষ ব্যাধিত ৰেখ**

**ইয়াত নাৰাখিবা লেশ।**

ঋণ আৰু ব্যাধি বাঢ়ি যায়। সেই কাৰণে অৱশেষ এৰিব নালাগে। সামান্য ঋণে বাঢি গৈ ডাঙৰ অঙ্ক এটা হ'ব পাৰে। ব্যাধি নিৰাময় কৰিহে ল'ব লাগে। সামন্য একন থকা বুলি অৱহেলা কৰিলে সি বাঢি মৰাত্মক আকাৰ ধাৰণ কৰিব পাৰে। ঋণ আৰু ব্যাধিৰ ধৰ্ম একে। ইয়াৰ সামান্যকনো এৰি থব নালাগে।

# এ

১৮৫। এক পুৰুষত গৰু খায়।

সাত পুৰুষলৈ নাম যায়।

গৰুক হিন্দুৱে পবিত্ৰ জ্ঞান কৰে। গৰু বধ কৰা বা খোৱা পাপ কাম বুলি ভাবে। গৰু খোৱা হিন্দু মানুহক আনে ঘৃণা কৰে দুৰ্ণামো কৰে। সেই দুৰ্ণাম সাত পুৰুষলৈ থাকে। এজনে বেয়া কাম কৰিলেতেওৰ সতি সন্ততিলৈ কুখ্যাতি বৈ যায়।

১৮৬। এক বুটীৰ দুই কাম

ধান বানে চোহে আম।

দুটা কাম একেলগে কোনোটো নহয়

এটা এটা কৰি কৰা উত্তম উপায়। এনে নিয়মত চলা উচিত। কিছুমান মানুহে বিশেষকৈ বয়সীয়া সকলে নিজৰ পাৰ্গতালি দেখুৱাবলৈ একাধিক কাম কৰাটো দেখুৱায়। কিন্তু সেই একাধিক কাম কামৰ লেখত ধৰিব পৰা ন'যায়। ধান বানোতে আম চুহি খোৱাতো কোনো লেখত লবলগীয়া কাম নহয়। কিন্তু কাম কৰিবলৈ গলে দুৰ্ঘটনা ঘটিব পাৰে।

১৮৭। এক কিল মাৰি সাত কিল খায়

তেতিয়াহে সি চেতন পায়।

দুৰ্বলীৰ বলীৰ ওপৰত খং, ক্ষোভ জন্মিব পাৰে। খং বা ক্ষোভ জন্মিলেই বলীক শাস্তি দিবলৈ যাব নালাগে। তাৰ ফলত নিজৰহে অনিষ্ট হয়। বলীক এক কিল মাৰিলে সি সাত কিল মাৰি পোটক তোলে। এক কিল মাৰি সাত কিল খোৱা উচিত নহয়।

১৮৮। এক গাঁৱৰ এক মাৱৰ।

একেজনী মাকৰ সন্তান সকলৰ ভিতৰত যেনে মিলা প্ৰীতিভাৱ হয় গাওঁবিলাকৰ মানুহবোৰৰ লগত তেনে ভাৱ হোৱা উচিত। তেতিয়াহে মানুহে সুখ শান্তিত বাস কৰিব পাৰে।

১৮৯। এক ভদীয়াই লাচে চাবে

দুই ভদীয়াই তুলি ধৰে।

তিনি ভদীয়া যাব

সোণৰ নাঙল তাব।।

ভাদ মাহত ওপজা লোক ভাগ্যবান হয়। এঘৰত এজন ভনীয়া থাকিলেও অৱস্থাৰ কিছু ভাললৈ আহে। দুজন ভনীয়া থাকিলে অৱস্থাৰ বিশেষ উন্নতি হয়। তিনিজন ভনীয়া হ'লে সোণৰ নাঙলেৰে হাল বাব পাৰে অৰ্থাৎ ধনে সোণে সেইঘৰ মানুহ জাকত জিলিকা হৈ উঠে।

১৯০। এক কাণ দুই কাণ তিনি কাণ সহস্ৰ কাণ

কোনো এটা কথা দুজনৰ ভিতৰত হ'লে গোপনে থাকে। যেতিয়া দ্বিতীয়জনৰ কাণত পৰে তেতিয়া সি কাণ বগাবলৈ আৰম্ভ কৰে। তেনেকৈ গৈ গৈ হেজাৰজনৰ মুখে মুখে হয়। অতি গোপন কথা হলেও সি গোপন হৈ নাথাকে।

১৯১। এক ঠাইৰ বালি

এক ঠাইৰ গালি।

ঠাই বিশেষে ভাষা ভিন ভিন। যিকোনো শব্দই সকলো ঠাইতে একে অৰ্থ প্ৰকাশ নকৰে। গতিকে এঠাইৰ ভাল শব্দ এটাৰ আন ঠাইত বেয়া অৰ্থত ব্যবহাৰ হ'ব পাৰে।

১৯২। এক জোপা বৃক্ষত থাকে দুই পখী,

মায়াৰ কাৰণে নাই দেখা দেখি।

শৰীৰ ৰূপী বৃক্ষত থকা জীৱাত্মা পৰমাত্মাৰে অ˙শ। মায়াৰ কাৰণে জীৱই জীৱাত্মাক জানে পৰমাত্মাক নাজানে। একেলগে থাকিও জীৱাত্মা আৰু পৰমাত্মাক চিনি নাপায়।

১৯৩। একৰ কাই বোজা

ই এটা গুটি খেলৰ সুযোগ। সম্পূৰ্ণ এগাঁও গুটি লাভ নহলেও এটা এটাকৈ কেবাবাৰো পালে ভাৰেই এগাতৰ গুটিতকৈ বেছি লাভ কৰিব পৰা যায়। এটা এটা গুটি লোৱাৰ সুবিধা হলে দেখাত বৰ বেছি লাভ কৰা নেদেখি কিন্তু গোটালে বহুতো হয়। অলপ অলপকৈ সময়ত বহু ধন গোট খায়।

১৯৪। এক বাৰাই ধান খায়

এক বাৰাই ধান খায়।

বা

কেৰ্কেটুৱাই তামোল খায়

নৈতলক বান্ধি কিলায়।

পথাৰৰ পকা ধান বনৰীয়া গাহৰিয়ে পাল খাই তহিলং কৰে। ধাননৰি পিৰীহঁতে

তাৰ প্ৰতিশোধ লবলৈ গৈ হাবিৰ গাহৰি পালেই হানি খুচি মাৰে। অনেক সময়ত যি গাহৰিয়ে ধান খাইছিল সি নমৰে। সেইদৰে অনেক সময়ত তামোল খোৱা নাযায় তেনে আকৃতিৰ নেউলক তামোল খাইছে বুলি মৰিয়াই। সেইদৰে কোনো এজনে কুকৰ্ম কৰিলে আন এজনে বা লগৰীয়া এজনে শাস্তি খাবলগীয়া হব পাৰে। আকৃতি বা চেহেৰা পাতিৰ মিল থাকিলেহে অপৰাধী হব নোৱাৰে।

১৯৫। এক পুহে জাৰ নাযায়।

বছৰি পুহ মাহ আহে। ঠেটুৱৈ ধৰা জাৰো বছৰি আহে। পুহ মাহ অতিপাত জাৰ হয়। পুহ মাহ গলেই জাৰ গ'ল বুলি ভবা উচিত নহয়। মানুহৰ জীৱনত যিমান টি পুহমাহ আহে সিমানবাৰ জাৰো আহে। সেইদৰে দুখ কষ্টও জীৱনত বাৰ বাৰে আহে। এবাৰ দুখ কষ্ট ভোগ কৰি আৰু দুখ কষ্ট ভুগিব নালাগে বুলি ভাবি নালাগে। সুখ দুখৰ মাজেৰেই মানুহৰ জীৱন নাও চলে।

১৯৬। একেটা চোঙত দুটা বাঘ নাথাকে।

এখন চোঙত দুটা বাঘ থকা দেখা নাযায়। সেইদৰে একেখন ঠাইতে একাধিক ক্ষমতাশালী লোক থাকিলে তেওলোকৰ ভিতৰত অৰিয়া অৰি হিংসা হি সি ভাৱ বাঢি গৈ প্ৰত্যেকেই ক্ষতিগ্ৰস্ত হয়। সেই কাৰণে একে ঠাইতে প্ৰতাপশালী লোক একাধিক থকা উচিত নহয়।

১৯৭। একে লাফে স্বৰ্গ পায়

একে বেছাই মুখচ ছায়।

এক লাফ মাৰি স্বৰ্গ পাব নোৱাৰি। এবেছা খেৰেৰে মুধচ পৰ্যন্ত ঢাকিব নোৱাৰি। কিছুমান লোক আছে তেওলোক কথাৰহে মানুহ কামৰ মানুহ নহয়। তেওলোকৰ কথামতে এক লাফে স্বৰ্গ ঢুকি পাব পাৰি একে বেছাই এটা ঘৰ মুধচলৈ'ক ঢাকিব পাৰি। দৰাচলতে ই অসম্ভৱ তেনেকৈ কাম কৰিলে কাম বেয়া হয়।

১৯৮। একে ৰামে ৰক্ষা নাই

তাতে সুগ্ৰীব দোহাৰ।

ৰামে লঙ্কাৰ ৰজা ৰাৱণৰ পৰা সীতাক উদ্ধাৰ কৰিবলৈ সুগ্ৰীবৰ সহায় লৈছিল। ৰাম আৰু সুগ্ৰীব উভয়ে বৰ বীৰ আছিল। ৰামৰ বীৰত্বই ৰাৱণক শঙ্কিত কৰি তুলিছিল। লগত সুগ্ৰীব হেন বীৰ থকাত ৰাৱণে জয়ৰ আশা একেবাৰে এৰি দিবলগীয়া হৈছিল।

১৯৯। একে শাল মাছ তাতে বাহ্নী গাবে পোৰা।

শাল মাছ সৰহ ভাগ হিন্দুৱে নাখায় অশুচি জ্ঞান কৰে। গা পা নুধুৱাকৈ শাল

মাছ পুৰিলে সি বেছি অশুচি হৈ পৰে। অৰ্থাৎ অপবিত্ৰ বস্তু অপবিত্ৰ ভাবে ৰান্ধিলে বা তাৰ পৰি খাদ্য দ্ৰব্য তৈয়াৰ কৰিলে। সি বেছি অপবিত্ৰ হয়।

২০০। একে গছৰ পাণ,

সি কি হ'ব আন।

একেডাল গছৰ পাণ একে ধৰণৰ হয়। সেইদৰে একে পৰিবেশত থকা একে ঘৰৰ ল'ৰা ছোৱালীৰ স্বভাৱ চৰিত্ৰ প্ৰায় একে ধৰণৰ হয়।

২০১। একেপাট শৰে দুই পক্ষী মৰে।

একেপাট শৰেৰে দুটা চৰাই মৰা টান হ'লেও কেতিয়াবা সম্ভৱ হৈ উঠিব পাৰে। গুলিত কেতিয়াবা একাধিক চৰাই মৰিব পাৰে। মানুহে এটা কামতে দুই বা অধিক ফলো পাব পাৰে। কিন্তু ঘটনা বিশেষে এটা কামতে দুটা কাম হৈ উঠা দেখা যায়। দূৰ ঠাইৰ পৰা গঙ্গা স্নান কৰিবলৈ গ'লে স্নান কৰি পূৰ্ণ অৰ্জন নানা ঠাই দৰ্শন আৰু নানা ঠাইৰ লোকৰ লগত দেখা সাক্ষাৎ হয়।

২০২। একে কাঠি কাঁড়েৰে সাতোটা সিংহ মাৰিলোঁ

লোকক নকলোঁ লাজে।

ছমাহ খাপ দি নিগনি এটা মাৰিলে

তাতে ধনঞ্জয় ঢোল বাজে।

কিছুমান মানুহ আছে সাতোটা সিংহ মাৰিও সহায় ফুৰিবলৈ ভাল নাপায়। আনকি কিছুমানে নিগনি এটা খাপ দি থাকি মাৰিলেই নিজকে বৰ ডাঙৰ চিকাৰি বুলি সদাই ফুৰে। প্ৰকৃত যশস্বী লোকে নিজকে সহাই ফুৰিবলৈ ভাল নাপায়। সামান্য লোকে সামান্য কাম কৰিবলৈ যশ পাবলৈ বেছি ধৰণে নিজক প্ৰচাৰ কৰে।

২০৩। এণ্ডাৰ ধুলে বগা নহয়।

এণ্ডাৰ ক'লা। তাক গাখীৰেৰে ধুলেও বগা নহয়। সেইদৰে যাৰ যি স্বভাৱ হাজাৰ উপদেশ দিলে আদৰ্শ দেখুৱালেও তাৰ সেই স্বভাৱৰ পৰিবৰ্ত্তন নহয়।

২০৪। এজনী তিৰোতা লুদুৰ পুদুৰ।
দুজনী তিৰোতা গাঁতৰ এন্দুৰ।
তিনিজনী তিৰোতা নেপায় ভাত
চাৰিজনী তিৰোতা মূৰত হাত।

এজনী তিৰোতা থকা সকলে সুখ শান্তিৰে খাব পাব থাকিব পাৰে। দুজনী তিৰোতা থকা সকলে গাঁতত থকা এন্দুৰ যেন হৈ এবাৰ ইমুখ এবাৰ সিমুখ

কৰি অৰ্থাৎ এবাৰ ইজনীক এবাৰ সিজনীক ভাল পাই থাকিবলগীয়া হয়। তিনিজনী তিৰোতা যাৰ তেওঁ সময় মতে ভাত মুঠি নাপায়। ইজনীয়ে সিজনীয়ে কৰিব সি জনীয়ে আনজনীয়ে কৰিব বুলি গা এৰা দি থাকোঁতে সময়ত কামবোৰ হৈ নুঠে। চাৰিজনী তিৰোতা থাকিলে কাজিয়া পেছাল ভাঙোতে পুৰুষজন হাইৰাণ হ'ব লগীয়া হয়। কাজিয়া ভাঙিব নোৱাৰি মূৰে কপালে হাত দিবলগীয়া অৱস্থা হয়।

২০৫। এটা টিপিলেই এচৰু ভাত ধৰিব পাৰি।

এচৰু ভাতৰ এটি ভাত টিপি চালে ভাত চৰু সিজা নিসিজা ধৰিব পাৰি সেইদৰে এজন মানুহক পৰীক্ষা কৰিলেই এখন ঘৰৰ এখন সমাজৰ মানুহৰ মান মৰ্যদা ধৰণ কৰণ সভ্যতা বুজিব পাৰি।

২০৬। এটা গৰু যাৰ ওৰে পথাৰ তাৰ।—

এটা গৰুৰে খেতি কৰিব নোৱাৰি। গতিকে খেতি কৰা ঠাই মাত্ৰেই সেই গৰুৰ গিৰীহঁতৰ বুলি কোৱাত কোনো আপত্তি নাথাকে। পথাৰত বোৱা মেলা নকৰিলে দোৱা কটা কৰিব নালাগে। তেনেলোক সমগ্ৰ পথাৰখনতে নিজৰ বুলি কলে দোষ নহয়।

২০৭। এটা তিলকো সাত ভায়েকে ভগায়।

তিল তেনেই সৰু বস্তু। সাতজন ভায়েক ককায়েকৰ ভিতৰত মিল থাকিলে চেনেহা চেনেহী থাকিলে সেই তিল অথবা তেনে সামান্য পৰিমাণত বস্তুকো ভগাই পিটাই খায়। সম্প্ৰীতি এনে সামান্য কামতে ওলাই পৰে।

২০৮। এটাও শটা শটাও এটা।

ক্ষমতাৱন্ত গুণী জ্ঞানী হ'লে এটা ল'ৰাই বংশ উজ্বল কৰিব পাৰে। শ শ লৰাই তেওঁৰ সমান হ'ব নোৱাৰে। অলায়ক শ পুত্ৰ হোৱাৰ পৰিবৰ্তে লায়ক সুগুণী এটি পুত্ৰই এশ পুত্ৰৰ সমান।

২০৯। এঠাইত খান্দিলেহে পানী ওলায়।

একেখিনি ঠাইতে খান্দি থাকিলে পানী পোৱা যায়। এচাৰ এচাৰ সমগ্ৰ পথাৰখনতে মাৰিলে পানী পোৱা নাযায়। সেইদৰে একেটা কামতে লাগি থাকিলে সুফল পোৱা যায়। একেলগে কেবাটাও কাম কৰিবলৈ ললে এটা কামো হৈ নুঠে।

২১০। এটিং আছে এটিং নাই সেয়ে তোমৰ মাও

ৰাতি দিনে যাই কন্দ লাগে সেয়ে তোমৰ পাও

পৰিবেশ আৰু অৱস্থা ব্যৱস্থাই বহু ৰাতৰি দিব পাৰে। নাৱে পানীয়েনিৰ্ভয়ে ঘূৰি

ফুৰিব পাৰে কাৰণে মাছমৰীয়াসকলে টিং নথকা নাও ব্যৱহাৰত লগায়। মাছমৰীয়াৰ গাওবোৰ শিক্ষা দীক্ষাত পিচপৰা আছিল কাৰণে আগৰ দিনত দিন ৰাতি হাই কাজিয়া লাগি আছিল। হাই কাজিয়া কৰি থকা মানুহে গাওখন মাছমৰীয়াৰ গাও বুলি বুজি পাইছিল।

২১১। এঠাইৰ ঠাকুৰ আন ঠাইৰ কুকুৰ।

নিজৰ ঠাইত আত্মীয় কুটম্বৰ মাজত মানুহে যি মান সন্মান আদৰ যত্ন পায় আন ঠাইত সেই মান সন্মান আদৰ স্নেহ পাবলৈ আশা কৰিব নোৱাৰি। তেনে আশা কৰোঁতাজনক মানুহে কুকুৰ লেখিয়া লেই লেই ছেই ছেইহে কৰে। কেৱল বিদ্বান আৰু যশস্বীসকলেহে য'তে ত'তে মান পায়।

২১৩। এদেও দুটেও লোটা নিবৰ চেও।

চতুৰ মানুহে যি কোনা কাম জটপট কৰি নেপেলায়। আও ভা'ও চাই বুজি মানুহৰ কামৰ ৰকম বুজিব পাৰি।

২১৪। এদিনত ঠাকুৰ

সদায় আহিলে পিৰালিৰ কুকুৰ।।

অতি আত্মীয়ৰ ঘৰলৈকে ঘনাই যাব নালাগে। এদিন গলে যিমান আদৰ সাদৰ পোৱা যায় ঘনাই গলে তেনে আদৰ সাদৰ পোৱা নাযায়। পিৰালি চুকৰ কুকুৰক আদৰ নকৰাৰ দৰে সদায় আহিবলে ল'লে পৰম আত্মীয় জনেও অনাদৰ হে পায়।

২১৫। এনেই বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া—

নাতি নাতিনীৰ বিয়া খাবলৈ পালে ককাক আইতাকহঁতে বৰ ৰং পায়। আনন্দত অধীৰ হৈ পৰে। নাচনীৰ খোজ কাটলতে নাচোনৰ লয় ফুটি উঠে। সুৰ তাল বাজিলে নাচোনৰ ভঙ্গিমা উঠে। বিয়া আনন্দৰ উৎসৱ। ৰঙিয়াল বুঢ়ীৰ নাতি নাতিনীয়েকৰ বিয়াত মনৰ ৰং আৰু চাৰি যায়। ৰঙিয়াল লোকৰ আনন্দ কৰাৰ কাৰণ হ'লে ৰঙত উত্ৰাৱল হৈ পৰে।

২১৬। এনেই মৰো শোকে তাপে।

তাতে দিয়ে কুকুৰ জাপে।

আত্মীয় কুটুমৰ বিয়োগ বিৰহত মানুহ শোকাকুল হয়। তেনে শোকত ম্ৰিয়মান হৈ

পৰা লোকে আন একোৰে প্ৰতি লক্ষ্য নকৰে। সেই সুযোগ লৈ কুকুৰ জপাই কামুৰিবলৈ দিয়াটো অতি নিৰ্দয় লোকৰ কাম। শোক তাপ পোৱা মানুহক অধিক মনো কষ্ট দিবলৈ চেষ্টা নকৰি সহানুভূতি সূচক কথা বতৰা পাতি তেওৰ মনৰ দুখ পাতলাবলৈ যত্ন কৰিব লাগে।

২১৭। এনেই মৰো ঋষিৰ শাপত

তাতে দিয় ধানৰ ভাপত।

ঋষি মুনিৰ শাপ অব্যৰ্থ। সেই শাপগ্ৰস্ত জনক ধানৰ ভাপ দি অৰ্থাৎ কষ্টজনক কোনো ব্যৱহাৰ কৰি আৰু কষ্ট দিয়াটো উচিত নহয়। অৰ্থাৎ মানুহৰ দুৰৱস্থাত হেঁচি নধৰি সকাহ দিবলৈ ব্যৱস্থা কৰা উচিত।

২১৯। এনেয়ো মৰো তেনেয়ো মৰোঁ

বাপেকে বাপুৰ চূণ খায়ে মৰোঁ।

মৰিব যদি লাগেই তেনেহলে কিবা এটা হেতু থকা ভাল। দুষ্টলোকে নিজৰ মৃত্যুৰ বাবে আনক দোষ দি ভাল পায়। সেইবাবে কাৰোবাৰ চূণ খাই মৰাৰ দিহা কৰে।

২১৯। এনেই এন্দুৰ গাঁতত নোসোমায়

ভগা কুলা নেজত মেৰায়।

এন্দুৰ গাঁতত থাকে। এন্দুৰৰ গাঁতৰ মুখ তেনেই সৰু। কোনোমতে এন্দুৰটো ওলোৱা সোমোৱা কৰিব পাৰে। এন্দুৰৰ নেজত যদি ভগা কুলা এখন মেৰাই দিয়া হয় সি গাঁতটিত সোমাব নোৱাৰা হৈ পৰে।টি'ত নিজৰে আহ্ যাহ্ কৰিবলৈ বিশেষ সুবিধা নাথাকে তালৈ কিছুমান আৱৰ্জনা লৈ যাব নোৱাৰে। আজিকালিৰ দিনত আলহী পোহা টান বিশেষ ধৰণৰ খৰচৰ কথা হৈ পৰে। তাতে যদি আলহীয়ে লগৰীয়া লৈ সোমায় সি গিৰীহঁতৰ পক্ষে অসুবিধাৰ বিশেষ কাৰণ হৈ পৰে।

২২০। এন্দৰটো সেন্দুৰ গোলামৰো ভজা মাছ।

এন্দুৰ গাঁতত থাকে। মাটি খান্দি তলৰ মাটি ওপৰ কৰে ওপৰৰ জাবৰ জোখৰ তললৈ নিয়ে। তেনে এন্দৰক সেন্দুৰ পিন্ধাই লাভ নাই মাটি খান্দোতে মাটিৰ লগত মিহলি হৈ সেন্দুৰ নাইকিয়া হৈ যায়। লোকৰ ঘৰত গোলামী কাম কৰা লোকে ভজা মাছ আদি উপাদেয় খাদ্য বিচৰম উচিত নহয়। যি দিয়ে তাতে সন্তুষ্ট হোৱা উচিত। যি যিমান বসি সিমানতে সন্তুষ্ট থকা উচিত।

২২১। একলীয়া ভাব বৰ নোৱাৰি।

একালে বেছি বস্তু আনকালে কম বস্তু দিলে ভাৰখন একলীয়া হয়। একলীয়া ভাবে কান্ধৰ বিষ তোলে। সেইদৰে সদায় মুখত থকা জনে আমনি পায় দুখত থকা জনে আমনি পায়। মানুহৰ উত্থান পতন থাকিব লাগে। তেতিয়াহে মানুহ সজাগ আৰু সাৱধান হ'ব পাৰে।

২২২। এবাৰ বুঢ়ীৰ লাঠী হেৰালে কিবিবাৰ বুঢ়ী পাৰি ৰহে।

বুঢ়া কালত লাঠীডালে আশ্ৰয় স্বৰূপ হ'লৈ ত'লৈ যাবলৈ লাঠী নহলে নচলে। সেই লাঠী হেৰালে বৰ অসুবিধা হয়। এবাৰ কেনেবাকৈ হেৰালে তাৰ কাৰণে হোৱা আহুকাল বোৰলৈ মনত পেলাই বুঢ়া বুঢ়ী সকলে পাছলৈ লাঠীডাল হেৰাব বুলি পাৰি ৰহে। মানুহৰ বিপদ হ'লে ভৱিষ্যতলৈ সাৱধান হয়।

২২৩। এবাৰ সাপে খালে লেজুলৈকো ভয় হয়।

লেজু বা ৰচী সাপৰ সদৃশ। অনেক সময়ত লেজুকে সাপ বুলি ভ্ৰম হয়। সেইকাৰণে যাক এবাৰ সাপে খুঁটিছে তেও লেজু দেখিলেই সাপ বুলি ভয় খায়। মানুহে এবাৰ কষ্ট খালে পাছলৈ তেনে কষ্টৰ সম্ভাৱনালৈসততে নজৰ ৰাখে। সেইবাবে কেতিয়াবা কেতিয়াবা সম্ভাৱনা নথকা অৱস্থাতো সম্ভাৱনাৰ বীজ থকা যেন অনুভূত হয়।

২২৪। এলাগীক নকৰিবা হেলা

এলাগীয়ে তৰাব নিদানৰ বেলা।

এলাগীত বেয়া ব্যৱহাৰ কৰিলেই লেই লেই ছেই ছেই কৰিব নালাগে কোনো বস্তুকে অদৰ্কাৰী বুলি ভাবিব নালাগে সময়ত তেৱে উপকাৰ সাধন কৰিব পাৰে। সময়ত তেনে অদৰ্কাৰী বস্তুৱে ডাঙৰ কাম কৰে। ক্ষুদ্ৰ বুলি কাকো ঘিণ কৰিব নালাগে। অনেক সময়ত সৰুৱেও ডাঙৰক মহৎ উপকাৰ কৰিব পাৰে। এলাগীয়েও আপদ বিপদৰ সময়ত বিশেষ উপকাৰ কৰিব নালাগে।

২২৫। এলেকৰ পেলেক কুকুৰাচোৱা ভূতৰ পুতেকৰ ভাগিনীয়েক।

কুকুৰাচোৱা ভূতৰ পুতেক এসময়ত ৰজাৰ বৰ প্ৰিয়পাত্ৰ আছিল। তেও যি কৈছিল ৰজাই তাকে কৰিছিল। গতিকে কুকুৰাচোৱা ভূতৰ পুতেকৰ লগা ভগা হৈ যি কোনো মানুহে ৰাজ অনুগ্ৰহ পাইছিল আৰু নানা সুবিধা ভোগ কৰিছিল। মানুহ ক্ষমতাৱন্ত হ'লে কোনো ধৰণৰ সম্বন্ধ নথকা লোকেও সম্বন্ধ উলিয়াই লাভবান হবলৈ বিচাৰে।

**২২৬। এহাতৰ হুল দুহাতেৰে উলিয়াব নোৱাৰি।**

এখন হাতত হুলে বিন্ধিলে হুল উলিয়াবলৈ দুখন হাত ব্যৱহাৰ কৰিব নোৱাৰি। আনৰ সহায় লবলগীয়া হয়। সেইদৰে নিজে চলাব পাৰিম বুলি কৰা কাম নিজে চলোৱা টান হব পাৰে। কামত বিজুতি ঘটিলে আনৰ সহায় লোৱা ভাল।

**২২৭। এশ গৰু মাৰিলে বাঘৰো মৃত্যু।**

এশ গৰু মাৰিব পৰা বাঘৰ কালৈকো ভয় সংশয় নথকা হয়। সি যেনি তেনি ফুৰিবলৈ ধৰে। সেইবাবে মানুহে তাক মাৰি পেলাবলৈ সুবিধা পায়। সেইদৰে মানুহে চুৰ কৰি কৰি ধৰা নপৰাকৈ থাকে বা ডকাইতি কৰি সাৰে। তেনেলোকৰো শেষলৈ ভয় শঙ্কা নথকা হয়। দেখ দেখকৈ চুৰি বা ডকাইতি কৰি ধৰা পৰে আৰু বিশেষ ধৰণৰ শাস্তি খাবলগীয়া হয়।

# ও

২২৮। **ওখ গছত বতাহ লাগে।**

**বা গছ যিমানে ওখ হয়। সিমানে বতাহে কোৱায়।**

বতাহ ওপৰেৰে বলে কাৰণে ওখ গছত বতাহ লাগে। ধুমুহাত ওখ গছ ভাগেও। সেইদৰে সমাজৰো উচ্চ খাপৰ মানুহৰ ওপৰত সমাজৰ গুৰু দায়িত্ব পৰে। সমাজৰ দুখ দূৰ্দশা হলে সেই সকলেই জীয়াতু ভুগিবলগীয়া হয়। সমাজৰ ভাল বেয়াৰ ফল সেই মুখিয়াল সকলৰ ওপৰতে পৰে।

২২৯। **ওচৰৰ বামুণক সুৰী সুৰী যেন লাগে।**

বামুণৰ বেলেগ অৱস্থিতি আছে। তেওলোকে ব্ৰত আচৰণ কৰে নিত্য নৈমিত্তিক কাৰ্য সম্পাদন কৰে ধৃতি নীতি মানি চলে। এইবোৰ তেওলোকে মানুহক দেখুৱাই নকৰে মননশীলতাৰে কৰে। ওচৰৰ মানুহৰ লগত সেইবাবে বৰ বেছি প্ৰভেদ চকুত নপৰে। ওচৰৰ যিকোনো জাতৰ মানুহৰ লগত তেওলোকৰ দাদা খুৰা ভাই ভনী সম্বন্ধ বৰ্তে। বামুণসকলে নিজৰ কৌলীণ্য বজায় ৰাখি সকলোৰে লগত মিলা প্ৰীতিৰে থাকিবলৈ বিচাৰে। হাই দন্দ কৰিবলৈ ভাল নাপায়। সমাজৰ উদণ্ড লোক সকলে বামুণৰ সাম্যভাবক দুৰ্বলতা বুলি জ্ঞান কৰে। সুৰীবোৰ মদ ব্যৱসায়ী। তেওলোক নিম্ন খাপৰ সদায় নত হৈ চলে। বামুণৰ জ্ঞান নত ভাবকো আনবোৰে সুৰীসকলৰ নীচভাব বুলি ভাবি বামুণক মান সন্মান নকৰা হৈ পৰে। সেইদৰে ওচৰত জ্ঞানী গুণী মানী বিখ্যাত লোক থাকিলেও ওচৰৰ সাধাৰণ শ্ৰেণীৰ লোকে তেওক সিমান স্বীকৃতি দিব নোখোজে। নিজৰ সমান বুলি ভাবি লয়।

২৩০। **ওচৰৰ অণ্ডষ্ঠী নকৰে কাণ**

**নৰিয়া পৰিলে উঠিবলৈ টান।**

বিপদে আপদে ওচৰৰ মানুহে সহায় কৰিব লাগে। সেইবাবে ওচৰৰ মানুহক হেয় জ্ঞান কৰা উচিত নহয়। কেনিবা ক'ৰবাত আপোনজন থাকিলেও আপদে বিপদে হঠাৎ পোৱা নাযাব পাৰে। ওচৰ চুবুৰীয়াক সততে পোৱা যায়। গতিকে ওচৰ চুবুৰীয়াৰ লগত সম্প্ৰীতি ৰক্ষা কৰি চলিব লাগে।

২৩১। **ওভোটা গছত আছে পক্ষী হই।**

**ওচৰতে থাকয় কিন্তু দেখিতে নাপায়।।**

**দেখা পালে উৰিবাক নাপাৰে নিশ্চয়।**

**অজৰ অমৰ হৈ উপজি মৰয়।।**

অজৰ অমৰ আত্মা ওভোটা গছৰূপী মানৱ দেহত প্ৰাণ পখীহে থাকে। আত্মা আৰু দেহমন ওচৰা ওচৰি থাকিলেও মনে আত্মাক নেদেখে। দেখাহেঁতেন প্ৰাণ পখীক উৰি যাবলৈ নিদিলেহেঁতেন অজৰ অমৰ আত্মা দেহ পিঞ্জৰত থাকিলে জীৱ বোলে নাথাকিলে মৃত বোলে। আত্মাই দেহ পৰিগ্ৰহ কৰে আৰু এৰি গুচি যায়। তাকে উপজি মৰে বুলি কোৱা হৈছে।

২৩২। ওজাই ৰজাই সমান।

ৰজাই প্ৰজাক শত্ৰুৰ কৱলৰপৰা ৰক্ষা কৰে। সেইদৰে ওজাই (কবিৰাজ ডাক্তৰ আদিয়ে) মানুহকৰোগ ব্যাধিৰ পৰা ৰক্ষা কৰে। সেইবাবে ওজা আৰু ৰজাক সমান বুলি কোৱা হয়।

২৩৩। ওৰণি বাৰণিয়ে দেখিবলৈ ভাল।

ওৰণি গুচালে ওফোন্দা গাল।

দীঘল ওৰণিয়ে নাক মুখৰ আকৃতিক বহু পৰিমাণে ঢাকি ৰাখে। ওৰণিখন গুচালেহে গাল মুখৰ আকৃতি ভালকৈ ধৰিব পাৰি। সাজ গোজ কৰিলে মানুহ শুৱনি হৈ পৰে। কিন্তু সাজসজ্জাই মানুহৰ স্বভাৱ প্ৰকাশ নকৰে। সাজ পোছাকত বিশেষ মূল্য নিদিয়াকৈ মানুহৰ চাল চলন আচাৰ ব্যৱহাৰ কথা বতৰা আদিৰেহে প্ৰকৃত মানুহ হয়।

২৩৪। ওপৰলৈ থুৱালে নিজৰ মুখত পৰে।

বা

ওপৰলৈ পানী ছটিয়ালে নিজৰ মূৰতে পৰে।

ওপৰলৈ কোনো বস্তু দলিয়ালৈ সি তললৈ নামি আহি মাটিত পৰে তলত কিবা থাকিলে তাতো পৰিব পাৰে। ‘ওপৰ মুৱাকৈ থু পেলালে সেই থু নিজৰ চকুমে মুখে পৰে। সেইদৰে সম্মানিত ব্যক্তিক অসম্মান কৰিলে নিজৰহে অসম্মান কৰা হয়।

২৩৫। ওৱাক নিন্দে কোৱাই

পুঠীক নিন্দে ভেৰপেটি সোৱাই।।

কাউৰী দেখিবলৈ কুৎসিৎ মাতো শুৱলা নহয়। তেনে কাউৰীয়ে আনৰ শুৱনী হুতা মাতৰ বুলি নিন্দা কৰা অনুচিত। ভেৰভেৰীয়া পেটু থকা মোৱা মাছে চলচলীয়া পুঠী মাছক নিন্দা কৰাটো অশোভনীয় কথা। নিজে নিন্দাই হৈ আনক বেছি নিন্দাই বুলি ভাবি নিন্দা কৰা উচিত নহয়।

# ক

২৩৬। **কঁকাল ভগা বিড়ালী**

**নামঘৰত শোৱে।**

**গোঙোৰা মুখখন**

**গাখীৰেৰে ধোৱে।।**

কঁকালত কোব খাই বিড়ালীয়ে নিৰাপদ ঠাই ভাবি নামঘৰত শুই থাকে য'তে ত তে পৰি থাকিলে আৰু কোব খোৱাৰ ভয় থাকে। নামঘৰত শুলে বুলিয়ে সি ধৰ্মপ্ৰাণ হৈ নপৰে। মনত ধৰ্মভাৱ নাথাকিলে মঠ মন্দিৰ গীৰ্জা মছজিদ নামঘৰ য তেই নাথাকক তেও ধৰ্মপ্ৰাণ ব্যক্তি হ'ব নোৱাৰে। গোঙোৰা মুখখন গাখীৰেৰে ধুলেই মুখৰ গোন্ধ নমৰে। প্ৰকৃত ব্যৱস্থা ললেহে মুখৰ গোন্ধ মৰিব পাৰে। সেইদৰে ঘোৰ অন্যায়কাৰী অধৰ্মী এজনে মুখত হৰিনাম ললেই তাৰ পাপ খণ্ডন নহয়। মনে প্ৰাণে হৰিনামত মতলীয়া হলেহে অন্যায় অধৰ্মৰ প্ৰায়শ্চিত্ত হ'ব পাৰে।

২৩৭। **কচু হ'লে খজুৱায়**

**শাহু হ'লে নচুৱায়।**

কচুত ডিঙি খুজুওৱা গুণ থাকে। সেইদৰে শাহু আইবো বোৱাৰী নচুৱা গুণ থাকে। অলপতে দোষ ধৰে অদৰ্কাৰী কামত লগায়। নিজৰ ভাল নালাগিলেও শাহুৱেকৰ সন্তুষ্টিৰ বাবে কিছুমান কাম কৰিবলগীয়া হয়।

২৩৮। **কটা কাণ চুলিৰেহে ঢাক খায়।**

কাণ কটা থাকিলে মানুহৰ সৌন্দৰ্যৰ হ্ৰাস ঘটে। কটা গাণ কিহবাৰে ঢাকি ৰাখিলে বেছিকৈ ওলাইহে পৰে। চুলি দীঘল কৰি ঢাকি ৰাখিব পাৰিলে আনে ধৰিব নোৱাৰে সৌন্দৰ্যৰো হানি নহয়। সেইদৰে নিজৰ ত্ৰুটীপূৰ্ণ কাৰ্য নিজৰ অমায়িক ব্যৱহাৰেৰে ঢাকিব পাৰি নানা ধৰণে কৈফিয়ৎ দি নিজৰ দোষ ঢাকিবলৈ চালে তাৰ ফল বেয়াহে হয়।

২৩৯। **কটা ঘাঁত চেঙা তেল।**

কটা ঘাই কষ্ট দিয়ে তাতে চেঙা তেল দিলে জ্বলে অতিপাত কষ্ট হয় যদিও সহিব পাৰিলে ঘা দুদিনতে শুকাই যায়। সেইদৰে দুষ্ট লোকক ভালকৈ এশিকনি দিব পাৰিলে তাৰ দুষ্টালি নাইকিয়া হৈ পৰে।

২৪০। কটা ঘাত কলাখাৰ দিয়া।

কটা ঘা এনেই যন্ত্ৰণাদায়ক তাতে কলাখাৰ ঢালি দিলে অসহ্য যন্ত্ৰণা অনুভূত হয়। সেইদৰে দুখত দুখ দিলে মানুহ অধৈৰ্য হৈ পৰে।

২৪১। কটাৰীক ভাল কৰে শিলে।
তিৰীক ভাল কৰে কিলে।।

কটাৰী ধাৰ কৰিবলৈ হ'লে শান শিলৰ আৱশ্যক। সেইদৰে তিৰীক ভাল কৰিবলৈ মাৰপিট কৰা দৰ্কাৰ বুলি ভবা হয় যদিও ভাল শিকনি দিলে তিৰোতা ভাল হয়।

২৪২। কটাৰীৰ চিকোণ গুৰা
টোপনিৰ চিকোণ মূৰা।
জাকৈ বাওঁতে ছোৱালী চাবা কোন কেনেকুৱা।।

তামোল কটাৰীৰে ধুনীয়াকৈ কাটিব পাৰি কটাৰীখনো ধুনীয়া হৈ থাকে। ৰাতিপুৱা শুই আৰাম লাগে টোপনি নাভাগেহে নাভাগে। ভালকৈ ছোৱালী চাবলৈ খুজিলে জাকৈ বাই থাকোঁতে চাব লাগে। তেতিয়া গাৰ বাহু কামৰ তৎপৰতা আৰু উল্লাস দেখি ছোৱালীৰ ভাল বেয়া ধৰিব পাৰি।

২৪৩। কঠিয়াহে চুটি জেঠতে পৰা

কঠিয়া সাধাৰণতে আহাৰত পাৰি ভাদত ৰোৱে। তাৰ আগতে পাৰিলে কঠিয়াৰ গাঁঠি ধৰে সেই কঠিয়াৰ গজালি নোলায়। অসাৰুৱা মাটিত জেঠতো কঠিয়া পাৰিব পাৰি। তেনে ঠাইৰ কঠিয়া চুটি মুটি হয় বেছি নাবাঢে ৰুলে সজাল ধৰি ভাল হব। কিছুমান মানুহ আছে দেখাত চুটি চাপৰ বয়স বেছি। বয়সিয়াল লোকৰ অভিজ্ঞতা থাকে গতিকে চুটি চাপৰ হ'লেই বয়সত সৰু বুলি ভাবিব নালাগে। কথা বতৰাতহে বয়সৰ পৰিমাণ ধৰিব পাৰি।

২৪৪। কণা ল'ৰাৰ নাম পদ্মলোচন।

ল'ৰা কণা হ'ল বুলিয়ে মাক বাপেকে দলিয়াই পেলাই দিব নোৱাৰে। কণা হওক কুঁজা হওক মাক দেউতাকৰ বাৎসল্য ৰস নিগৰিত হবই। মৰমৰ কাৰণেই কণা ল'ৰাক পদ্মলোচন নাম দিয়াও হয়। বাৎসল্য প্ৰেমৰ বাবে আকৃতি প্ৰকৃতিলৈ চকু নিদি সৃষ্টি ক্ষমতাত উৎফুল্ল হৈপৰে। সেইবাবেই ধুনীয়া ধুনীয়া মনস্পূত নাম একোটি দি লয়। কণা ল'ৰাক পদ্মলোচন লেবেলা ল'ৰাক বীৰেন্দ্ৰ ক'লা ল'ৰাক চন্দ্ৰকান্ত আদি নাম আকৃতি বা গুণগত নহয় বাৎসল্য প্ৰেমাপ্লুত মনোমত নামহে। গতিকে মানুহৰ নাম আকৃতি প্ৰকৃতি গত নহে মাক দেউতাকৰ মনোমত কৰি দিয়া হয়।

২৪৫। **কণা হাঁহক পতান দি সাৰে।**

হাহে লেতেৰা ঠাইত খেদখেদাই থাকে যদিও সিহঁতে লেতেৰা বস্তু নাখায়। তাৰ মাজৰ পৰা ভালখিনি লৈ ছাকি খায়। হাঁহে চকুত কৈ ঠোঁটৰহে ব্যৱহাৰ কৰে। সেইবাবে হাঁহক পতান ধান দি কৰ্ত্তব্য সমাপন কৰা বুলি ভাবিলেও হাঁহে পতান খোঁচৰেহে নাখায়। গতিকে দিওতাৰ উদ্দেশ্য সিদ্ধি নহয়। সেইদৰে নানা উপায়ে মানুহক ঠগাব পাৰি কিন্তু সদায় নোৱাৰি। ঠগী বুলি বুজি পালে মানুহ তেওৰ ওচৰলৈ নোযোৱা হয়।

২৪৬। **কণটোতে মনটো ভাঙে।**

অতি সাধাৰণ কথাতে মানুহৰ মন ভাগিব পাৰে। সেই কাৰণে সম্প্ৰীতি ৰক্ষা কৰিবলৈ হলে অতি সৰু কথাও ভাবি চিন্তি কব লাগে সামান্য কাম এটিকো আগ পাছ শুনি কৰিব লাগে।

২৪৭। **কণাৰ কি দিন ৰাতি**

**ভিকহুৰ কি আধা পেটি।**

কণাই নেদেখে গতিকে দিন ৰাতিৰ প্ৰভেদ বুজিব নোৱাৰে। ভিকহু লোকেও কোনো দিন পেট ভৰাই খাবলৈ নাপায়। তেওলোকে আধাপেটী কাক বোলে ভৰাপেট কাক বোলে নাজানে।

২৪৮। **কণা কুঁজা লেঙুৰ ভেঙুৰ**

**ই তিনি হাৰামৰ লেঙুৰ।**

কণা কুজা লেঙেৰা মানুহৰ বুদ্ধি বৃত্তি বৰ চোকা। সেই বুধি তেওলোকে ভাল কামত নলগায়। লোকে তেওলোকক হেয় জ্ঞান কৰা বাবে তেওলোকেও বুধি খটাই লোকৰ অনিষ্ট সাধন কৰে। তেওলোকৰ বিবেচনাৰ ভাল মানুহ কমেই দেখা পায়। গতিকে ভাল মানুহৰ পৰা ভাল কথা শিকিব নোৱাৰে। সেই কাৰণে কণা কুঁজা লেঙেৰা মানুহক হাৰামী অৰ্থাৎ অনিষ্টকাৰী বুলি গণ্য কৰা হয়।

২৪৯। **কণী পাৰে হাঁহে, খায় ভকত দহে।**

হাঁহ কুকুৰাই কণী পাৰে দহজনে খায়। হাঁহ বা কুকুৰাই খাবলৈ নাপায় বা নাখায়। সেইদৰে এজনে কৰা ভাল কামৰ ফল সহস্ৰজনে ভোগ কৰে। নিজে ভোগ কৰিবলৈ নাপালে বুলি ভাল কাম বাদি দিব নালাগে। লোকৰ কাৰণে ভাল কাম কৰি যোৱাটো উৎকৃষ্ট কাম ধৰ্মৰ কাম সৎ লোকৰ কাম।

২৫০। কত ভাগ্যে পুত্ৰৱতী নাৰী।

কত ভাগ্যে তামোল পানৰ বাৰী।।

কত ভাগ্যে পৰক পৰে বায়।

কত ভাগে ভাতে ভাতক খায়।। (ডাক)

পুত্ৰৱতী নাৰী পোৱাটো ভাগ্যৰ কথা যাৰে তাৰে ভাগ্যত পুত্ৰৱতী দূৰৰ কথা সন্তানৱতী নাৰীও নিমিলে। ভাগ্য থাকিলেহে তামোল পাণৰ বাৰী হয়। তামোল পানৰ বাৰীয়ে আয়ৰ পথ মুকলি কৰে। যাৰ ভাগ্যত আছে তেৰেহে আনক চাকৰ বাকৰ ৰাখি কাম বন কৰাব পাৰে। ভাগাত থাকিলেহে ধন ধান উভৈনদী হয়।

২৫১। কথাৰ কঠিয়া

মুগাৰ বটীয়া।

কঠিয়া ৰুলে যেনেকৈ বাঢি উঠে কথা সিঁচিলেও তেনেকৈ বাঢি যায়। সেইদৰে মুগা সূতাৰ বটীয়া বাটিলেও বটীয়া দীঘল হৈ বাঢি যায়।

২৫২। কথাৰ ওপৰত লেঠা বাঢে

চালে বেৰে মাৰে ঘা।

চকু ফুটি মগুহ গল।

জোলেৰে গাল দিয়েক খা।।

তৰ্ক কৰিলে বাঢি যায়। তাৰ কাৰণে হাই কাজিয়াও লাগে চালে বেৰে কোবাই নকবলগীয়া কথাও কব লগীয়া হয়। প্ৰধান বিষয় ক'ৰবাতে পৰি ৰয়। বুধিয়কজনে তৰ্কৰ সাৰ কথাখিনিহে গ্ৰহণ কৰিব লাগে ইয়াত চকু ফুটি মগুহ যোৱা মানে তৰ্ক আচল কথা নাইকিয়া কৰা। আৰু বাকী কথাৰ পৰা যি বুজিব পাৰি তাকে গ্ৰহণ কৰিব লাগে বুলি কোৱা হৈছে।

২৫৩। কথাত কটা যায়

কথাত বটা পায়।

কথাই মানুহৰ জ্ঞান গৰিমা প্ৰকাশ কৰে কথা কব জানিলে মানুহৰ পৰা প্ৰশংসা পুৰ কৰে মৰম চেনেহ ভক্তি সকলো পাব পাৰি। কিন্তু কথা কব নাজানিলে অথবা নকবলগীয়া কথা ক'লে বিপদ হয়। অশোভন কথা কৈ হাই কাজিয়াৰ সৃষ্টি কৰা বহু ঠাইত দেখা যায়। তাৰপৰা কটা কটি মৰা মৰিও হব পাৰে। গতিকে কথা কওতে গমিপিটি কোৱা উচিত।

২৫৪। কথাত চাউল নিসিজে—

আৰ্জন নহ'লে ভোজন নহয়। কাম কৰিলেহে খাবলৈ পায়। মুখৰ কথাৰে খোৱা মুঠি যোগাৰ কৰাই টান। পেট প্ৰবৰ্তাবৰ কাৰণে কৰ্ম কৰাহে উচিত।

২৫৫। কথাত কাণ দিবা কাণত কথা নিদিবা।

সকলোৰে সকলো ধৰণৰ কথা শুনিবলৈ চেষ্টা কৰিব লাগে। সেইমতে চলা বা কথা নিজৰ ইচ্ছাৰ কথা। কিন্তু নিজকথা কোৱাৰ সময়ত সাৱধানে কব লাগে। যিকোনো কথা যিকোনো মানুহৰ কাণত পেলাব নালাগে। উপযুক্ত শ্ৰোতাক উপযুক্ত কথা কবলৈ যত্ন কৰিব লাগে। সেই কথা যিকোনো মানুহৰ কাণত পৰিলে তাৰ বিকৃত অৰ্থ কৰি বিপদ ঘটাব পাৰে। গোপন কথা আনকঁকে সদৰি কৰিব নালাগে। কথা কম কোৱাই মঙ্গল।

২৫৬। কথাত কথা বাঢ়ে।

খৰিকাত বাঢ়ে কাণ।

মাকৰ ঘৰত জীয়েক বাঢ়ে

উলিয়াই দিবলৈ টান।।

কথাত কথা ওলাই কথা বাঢ়ি যায়। শেষ নহয়। কাণ খৰিকালে কাণৰ বিন্ধা ডাঙৰ হয়। মাকৰ ঘৰত জীয়েক ডাঙৰ দীঘল হয়।

২৫৭। কথাৰ ৰস পায় যদি কব জানে।
কৃষিৰ ৰস পায় যদি নামাৰে বানে।।
ভোজনৰ ৰস পায় যদি পৰশে মাই।
নাৱত ৰস পায় যদি লোকে বায়।।

ৰস লগাই কথা কব জনা লোকৰ কথা শুনি ভাল লাগে। তেওলোকে সাধাৰণ কথা এটাকো সজাই পৰাই ৰসযুক্ত কৰি কব পাৰে। বানপানীয়ে খেতি নষ্ট নকৰিলে খেতিৰ শস্যৰ সোৱাদ গোটেই বছৰ দিন লব পাৰি। মাকে বান্ধিলেহে খোৱা মুঠি সোৱাদ লাগে আৰু আনে বাই নিলে নাওত যাবলৈ বৰ ভাল লাগে।

২৫৮। কথা বুলিলে বতাহ

বায়ু বলিলে বতাহ নাম পায়। বতাহ বহু দূৰলৈ বলে। ঠিক সেইদৰে কথাও ইকাণ সিকাণকৈ সহস্ৰ কাণত পৰে। এঠাইৰ কথা মানুহৰ মুখত পৰি বহু দূৰলৈ যায়। সেই কাৰণে কথাক বতাহ বুলি কোৱা হৈছে। মানুহৰ মুখত কথাই মোট সলায়। গতিকে কথা কোৱাত সাৱধান হোৱা উচিত।

**২৫৯। কপালত থাকিলে উখোৱা ধানেও গাজ মেলে।**

ভাগ্যৰ বলেই শ্ৰেষ্ঠ বল। ভাগ্যত হ'বলগীয়া থাকিলে হ'বই অসম্ভৱো সম্ভৱ হব। উখোৱা ধানৰ কণটি সিদ্ধহৈ অকামিলা হয়। উখোৱা ধান নগজে। কিন্তু ভাগ্যত থাকিলে উখোৱা ধানো গজিব পাৰে।

**২৬০। কপালং মূল, ধাতা।**

বিধাতা পুৰুষে কপালত যি লিখিছে সেই মতে হয়।

**২৬১। কপালত আছে বিধবাৰ যোগ**
**খাব খোজে ৰাজভোগ।**

নাৰীমাত্ৰেই ৰাজৰাণী হৈ ৰাজভোগ কৰিবলৈ ইচ্ছা কৰে। কিন্তু যাৰ ভাগ্যত যি আছে তাকেহে ভোগ কৰিবলৈ পায়। যাৰ কপালত বৈধব্য যোগ আছে তেও ৰাজভোগ খাবলৈ ইচ্ছা কৰিলেই ৰাজভোগ নাপায়। বিধবা নাৰীয়ে ভাত কাপোৰৰ দুখত দিন কটাবলগীয়া হয়।

**২৬২। কমাৰে লোহা চুৰ কৰে।**
**কছাৰীয়ে লাজত মৰে।।**

কমাৰে লোহা সোণাৰীয়ে সোণ কম পৰিমাণে হলেও চুৰ কৰে। কছাৰী সকল সৰল প্ৰকৃতিৰ ধৰ্ম ভীৰু লোক। তেওঁলোকে নিজে বেয়া কাম নকৰে। কোনোবাই কৰা শুনিলে লাজহে পায়। দুষ্ট লোকে বেয়া কাম কৰে সন্তুই লোকে বেয়া কাম কৰা বুলি জানিলে লাজ অনুভৱ কৰে।

**২৬৩। কমাৰৰ দিম দিম বণিয়াৰ কালি**
**মাছুৱৈৰ বৌ চিতল হাতে হাতে পালি।**

কমাৰক কিবা গঢ়াবলৈ দিলে আজি দিম কালিলৈ দিম বুলি কৈ বহুদিন লগায় সোণাৰীয়ে কালিলৈকে নিবহি বুলিকৈ বহুদিন ঘূৰায়। মাছ মৰীয়াই বৌ চিতল দিম বুলি কলেই দিব নোৱাৰে। বৌ চিতল মাৰিব ধৰিব পাৰিব লাগিব। গতিকে কমাৰ সোণাৰী আৰু মাছমৰীয়াৰ কথাত বিশ্বাস ৰাখিব নালাগে।

**২৬৪। কমাৰে লোহা চুৰ কৰে।**
**কছাৰীয়ে লাজত মৰে।।**

কমাৰে লোহা সোণাৰীয়ে সোণ কম পৰিমাণে হলেও চুৰ কৰে। কছাৰী সকল সৰল প্ৰকৃতিৰ ধৰ্ম ভীৰু লোক। তেওঁলোকে নিজে বেয়া কাম নকৰে। কোনোবাই কৰা শুনিলে লাজহে পায়। দুষ্ট লোকে বেয়া কাম কৰে সন্তুই লোকে বেয়া কাম কৰা বুলি জানিলে লাজ অনুভৱ কৰে।

**২৬৫। কমাৰৰ দিম দিম বণিয়াৰ কালি**
**মাছুৱৈৰ বৌ চিতল হাতে হাতে পালি।**

কমাৰক কিবা গঢ়াবলৈ দিলে আজি দিম কালিলৈ দিম বুলি কৈ বহুদিন লগায়। সোণাৰীয়ে কালিলৈকে নিবহি বুলিকৈ বহুদিন ঘূৰায়। মাছ মৰীয়াই বৌ চিতল দিম বুলি কলেই দিব নোৱাৰে। বৌ চিতল মাৰিব ধৰিব পাৰিব লাগিব। গতিকে কমাৰ সোণাৰী আৰু মাছমৰীয়াৰ কথাত বিশ্বাস ৰাখিব নালাগে।

চকু মেলিয়ে মেলে ডানা।

কুলি চৰায়ে বাহ নাসাজে। চতুৰ কাউৰীৰ বাহতে সিহঁতে কণী পাৰে। কাউৰীয়ে সেই কণীকে উমনি দি পোৱালি জগায় পোৱালিক খুৱাই মেলি ডাঙৰ দীঘল কৰে। উৰিব পৰা নোহোৱালৈকে কুলি পোৱালিয়ে চকু নেমেলে। উৰিব পৰা হলেই চকু মেলি উৰি পলাই যায়। সেইদৰে বহু সিয়ান মানুহেও লোকৰ ওপৰত একেবাৰে নিমাখিত হৈ জীৱন নিৰ্বাহ কৰে। নিজৰ বাট ঠিক কৰি সা সুবিধা কৰি লব পাৰিলে সেই উপকাৰী গিৰীহঁতক দেখাকে নিদেয়া হয়।

২৭৭। কাউৰী ধৰিবলৈ সোণৰ কাঁড নালাগে।

কাউৰী এটা নগণ্য প্ৰাণী। কাউৰী মাৰিবলৈ সাধাৰণ ধনু কাঁড় হলেই যথেষ্ট । তাৰ বাবে সোণৰ কাঁড় তৈয়াৰ কৰাটো অবিবেচকৰ কাম। সমানা কামত অধিক খৰচ কৰিব নালাগে। সামান্য লোকক সাধাৰণ ভাবে অপদস্থ কৰিব পাৰি।

২৭৮। কাউৰীয়ে কাউৰীৰ মঙহ নাখায়।

কাউৰী মঙহ খোৱা চৰাই। সেই বুলি সি স্বজাতিৰ মঙহ নাখায়। সেই দৰে মানুহে আনৰ পৰা লাভ খাব পাৰে। কিন্তু আত্মীয় কুটুমৰ পৰা লাভ খোৱা উচিত নহয়। আত্মীয় কুটুমক পৰা যায় মানে উপকাৰহে কৰিব লাগে অনিষ্ট কৰিব নালাগে।

২৭৯। কাক কম কোনে পতিয়াব
যাক কম সেয়ে লথিয়াব।

অন্তৰৰ দুখ বেদনাৰ কথা আনে বুজিবলৈ টান পায়। দুখৰ কথা ৰিবৰি কলে দুৰ্বলতাৰ সুবিধা লৈ মানুহে অত্যাচাৰহে কৰে। গতিকে মনৰ দুখ মনতে হজম কৰিবলৈ যত্ন কৰিব লাগে।

২৮০। কাক বুলিম কম
চল পালেই হয় যম।

এই পৃথিৱীত কাকো সহজতে বিশ্বাস কৰা উচিত নহয়। মানুহ স্বাৰ্থপৰ। সুযোগ সুবিধা পালে নিজৰ স্বাৰ্থ পূৰণ কৰে। সেইবাবে চাই চিতিহে আপোনজন বিচাৰি লব লাগে।

২৮১। কাকো পৰে তালো সৰে।

তাল এবিধ ডাঙৰ ফল। তাৰ ঠেক শকত টান সহজে ছিঙিব নোৱাৰি।পকিলেহে তাল সৰে। পকা তালৰ গোন্ধ পাই কাউৰী ওচৰ চাপে। কেতিয়াবা সৰোঁ সৰোঁ হৈ থকা তাল ফল কাউৰী পৰিলেই সৰি পাৰে। মানুহৰো সহজ সাধ্য নোহোৱা কাম

কিছুমান হঠাৎ সিদ্ধ হয়। নহ্বলগীয়া কাম বিশেষ কাৰণত হৈ উঠিলে মনত ভাল লাগে।

২৮২। কাকনো বুলিবা ককা
আউহুৰে দাড়ি-চুলি পকা

সাধাৰণতে ককাক হোৱা মানুহৰ দাড়ি চুলি পকে। কিন্তু দাড়ি চুলি পকা মানুহ মাত্ৰেই ককাক হ'ব নোৱাৰে। দাড়ি চুলি পকা লোক অধিক হ'লে ককাকক বিচাৰি পোৱা টান হয়। সকলো একে হ'লে বাছি উলিওৱা টান।

২৮৩। কাঁচি গালেহে টানে।

কাঁচিয়ে লওঁতাজনৰ গালে টানিলেহে কাটে। সেইদৰে আপেনজনে আপোনজনৰ বা নিজৰ কথাহে চিন্তা কৰে।

২৮৪। কাজীৰ টিকাত পাঁজি
অকাজীৰ টিকাত মুগাৰ মেখেলা
যায় খমখম বাজি।

কাজী তিৰোতাই পাঁজি বাটিয়ে সময় কটায়। কেনেকৈ তেওৰ কাপোৰ জুটি ওলায় তাৰ চিন্তাত ব্যস্ত থাকে। ফুৰিবলৈ সময় কৰিব নোৱাৰে। ভাল বোৱনীয়ে বজাৰৰ কাপোৰ ব্যৱহাৰ নকৰে। নিজে বৈ কাটি যিমান ভাল কাপোৰ লব পাৰে তাকে লয়। ধনী ঘৰ কাটিব নজনা তিৰোতা সকলে বজাৰৰ দামী দামী কাপোৰবোৰ কিনি পিন্ধে। মুগাৰ মেখেলা মৰমৰ আৰু মূল্যবান। পিন্ধি খোজ কাটিলে খমখমাই বাজে। তেনে মূল্যবান কাপোৰ পিন্ধি চখ দেখুৱাবলৈ কাজী তিৰোতাৰ সময়র নাটনি।

২৮৫। কাজীয়ে পালে দহিকটাকো কৰে কানি।
অকাজীয়ে পালে মূলবো কৰে হানি।।

কাজী তিৰোতাই দহিকটা সূতাখিনিও পেলাই নিদিয়ে। তাকে জোৰাই জোৰাই কানি কাপোৰ বৈ লয়। অকাজী তিৰোতাক ভাল ভাল সূতা আনি দিলেও কাপোৰ বৈ উলিয়াব নোৱাৰে সূতাখিনিহে নষ্ট কৰে। পাকৈত বাটেয়ে সামান্য বস্তুৰেও ভাল বস্তু তৈয়াৰ কৰিব পাৰে।

২৮৬। কাটিক নাকাটিক লো।
পোহক নোপোহক পো।।

লোৰ অস্ত্ৰই নাকাটিলেও লো খিনিৰ মূল্য থাকে। সেইদৰে পোহ পাল নিদিলেও বা দিব নোৱাৰিলেও পুত্ৰ জীয়াই থাকিলে মাক বাপেকৰ নাম লোপ নাপায়।

২৮৭। কাটিবৰ ছাগল
কি শনি কি মঙ্গল।

ক

যিটি ছাগলী কাটিবলৈ অনা হয় তাৰ কাৰণে ভাল দিন বাৰ চোৱাৰ আৱশ্যক নকৰে। শনিবাৰেই কাটক বা মঙ্গলবাৰেই কাটক দোষাদোষে তাক নাপায়। জীৱৰ অন্তিম দশা মৃত্যু। মৃত্যু হ'বই যেতিয়া ভাল বেয়াৰ কথা নাই।

২৮৮। কাটিলেও তেজ নোলায়।

কটা ঠাইৰ পৰা তেজ থাকিলে তেজ নিশ্চয় ওলাব। তেজ নাথাকিলে কাটি টুকুৰা টুকুৰ কৰিলেও তেজ ওলাই নাহে। যি অতি দুখীয়াই খুজি মাগি পেট ভৰায় তাৰ ভড়াল শূন্য। তেনেজন লোকক কাটি শেষ কৰিলেও একো সম্পদ পোৱা নাযায়। অতি কৰাইচ মানুহে হেজাৰ গালি গালাজ অপমান খালেও মুঠিৰ ধন উলিয়াই নিদিয়ে। তেনে লোকৰ ক্ষেত্ৰতো এই প্ৰবচনটি প্ৰযোজ্য।

২৮৯। কাঠৰ বিড়ালীয়ে যদি এন্দুৰ ধৰি খায়।
লাভ বিনে লোকচান নাই।।

বিড়ালে এন্দুৰ ধৰি খায়। সেই কাৰণে বিড়াল পুহিব লাগে। কাঠৰ বিড়ালে যদি এন্দুৰ ধৰিব পাৰে কোনো খৰচেই নাথাকে।

২৯০। কাঠে কাঠে পৰিলে জুই জ্বলে।

টান কাঠে টান কাঠে ঘঁহনি খালে জুই ওলায় সেইদৰে সমানে সমানে লাগিলে কথা কাণ্ড হাই দন্দ ডাঙৰ হৈ পৰে।

২৯১। কাণত কচু নাভিত তেল।
সেই ঘৰত কি বেজৰ মেল ।। (ডাক)

বা

২৯২। কাণত কচু নাভিত তেল।
সেই ঘৰলৈ বেজ গেল বা নেগেল।। (ডাক)

কাণত ক'লা কচুৰ ৰস দিলে কাণ ভালে থাকে। মাজে মাজে কচুৰ ঠাৰিৰে কাণ খজুৱাব লাগে। তেনে কৰিলে কাণ সংক্ৰান্ত বহু ৰোগৰ পৰা হাত সাৰি থাকিব পাৰি। গা ধোৱাৰ আগতে নাইত তেল দিব লাগে। নাইত দিয়া তেল শিৰা উপশিৰাৰে গৈ শৰীৰৰ নানা অঙ্গ পায়। তাৰ দ্বাৰা ৰোগ হোৱাত বাধা জন্মায়। যি ঘৰৰ লোকে কাণত কচু আৰু নাইত তেল লয় সেই ঘৰৰ মানুহৰ বেমাৰ হ'ব নোৱাৰে। গতিকে তালৈ বেজ বা ডাক্তৰৰ সমাগম নহয়।

২৯৩। কাণত ঠিলা পিঠিত কুলা
যি বোলা তাকে বোলা।

কাণত ঠিলা মাৰিলে কাণেৰে নুশুনি। পিঠিত কুলা বান্ধিলে আঘাত কৰিলেও দুখ পোৱা নাযায়। গতিকে কাণত ঠিলা মাৰি থলে যাৰ যি খুচি তাকে কব পাৰে। নুশুনা বাবে তাৰ প্ৰতিক্ৰিয়া নহয়। আৰু পিঠিত কুলা বান্ধি ললে পিঠিত কোনোৱাই মৰিয়ালেও দুখ পোৱা নাযায়। তাৰো কোনো প্ৰতিক্ৰিয়া নহয়।

**২৯৪। কান্তি ৰামৰ চকু গাঁতলৈ গ'ল।**
**কণা হবৰ কি বাকী ৰ'ল।**

চকু গাঁতত সোমালে দৃষ্টি শক্তি হীন হৈ পৰে। কণা বুলি নকলেও তেনে লোকে চকুৰে নেদেখে। গতিকে চকু গাঁতলৈ যোৱা মানেই কণা হোৱা বুজায়। কণা বুলি কোৱাৰ প্ৰয়োজন নকৰে।

**২৯৫। কাতিমৰীয়া কুকুৰ।**
**বাট এৰি দিবা ঠাকুৰ।**

কাতি মাহত কুকুৰৰ উত্তেজনা বাঢে হি সুক হয় কোনোটিহত পগলাও হয়। তেতিয়া আনক দূৰৰ কথা গিৰীহতকো কামোৰে। বলিয়া কুকুৰে কামুৰিলে জলাতঙ্ক ৰোগ হয়। সেইকাৰণে কাতি মাহত কুকুৰলৈ সমীহ কৰি বাট এৰি দি দূৰৈৰে যাব লাগে। সেইদৰে উন্মত্ত লোকৰ প্ৰতিবন্ধক হব নালাগে। তাৰ পৰা বিপদ হোবাৰ সম্ভাৱনা থাকে।

**২৯৬। কানীয়াৰ খোলা**
**ভকতৰ মালা।**

কানীয়া লোকে কানিৰ খোলাত বহিয়ে সাত ৰজাৰ চাউল খায় সাতহাল বায় কামবন নকৰি কানিৰ খোলাতে বহি বাহি সময় কটায়। ভকত সকলেও কাম বন কৰিবলৈ ইচ্ছা নকৰে সময় সুবিধা পালেই মালাহে জপ কৰি থাকে। সেয়ে উচিত কাম বুলি মানুহক দেখুৱায়। উভয়ে সোৰোপা লোক।

**২৯৭। কান্দিলেহে কল পায়।**

সৰু সৰু লৰা ছোৱালীৰ কল খাবলৈ ইচ্ছা কৰিলে কান্দি কান্দি মাকক ব্যতিব্যস্ত কৰি তুলিলেহে মাকে কল দিয়ে। সেইদৰে কাৰোবাৰ পৰা কিবা সৰকাবলৈ হলে কাকুতি মিনতি কৰি চাব লাগে নিজৰ অভাৱ আভিযোগ কব লাগে। তেনে কৰিলেহে দিওতাৰ মন কোমলে। লাগ বুলি কলেই কোনো বস্তু নাপায়। মাকেও নাকান্দিলে কল গাখীৰ পানী নিদিয়ে।

**২৯৮। কান্দোনৰ সময় পেমাওতে যায়।**

বহুতৰে ক্ষেত্ৰত দেখা যায় ফেঁকুৰি থাকোঁতে সময় অতিবাহিত হয়। কান্দিব নোৱাৰে। সেইদৰে কোনো কাম কৰিবলৈ যুগুতাই লওতে নিৰ্দিষ্ট সময় অতিবাহিত হলে আচল কাম হৈ নুঠে।

২৯৯। **কামত যাব এলাহ নাই,**
**ঠেঙৰ ওপৰত ঠেং তুলি খায়।**

কৰ্মী মানুহে কামক ঘিণ নকৰে। কাম কৰি কৰি অভিজ্ঞ হয়। সময়ৰ কাম সময়ত কৰি সুফল লাভ কৰে। কৰ্মীসকলে ডেকা কালত নেৰানেপেৰা শ্ৰম কৰি আৱশ্যতকৈও বেছি উপাৰ্জন কৰে। আতিৰিক্ত ধন বস্তু সাঁচি থয়। অভাৱৰ সময়ত বুঢ়া কালত কোনো চিন্তা ভাৱনা নোহোৱাকৈ ঠেঙৰ ওপৰত ঠেং তুলি আনন্দমনে খায়।

৩০০। **কাৰ যত্নত কোনে পিয়ে পানী**
**কাৰ ভাগিন মৰে কাৰ হয় হানি।**

ভাগ্যৱান সকলে আনৰ কামৰ ওপৰত ভোগ কৰিবলৈ পায়। কৰ্মচাৰীসকলে তেজক পানী কৰি খাটি মৰে লাভৰ সৰহখিনি শিল্পপতিসকলে ভোগ কৰে। অৰ্থাৎ খাটি মৰে কোনোবাই সৰহভাগ লয় আন কোনোবাই। কোনোবাজনৰ ভাগিনিয়েক মৰিলে তেওৰ হানি হলেও বিশেষকৈ মাক দেউতাকৰহে বেছি হানি হয়।

৩০১। **কাৰ্য্যৰ বুজিয়া ভাও**
**ছাগৰো পখালে পাৱ।**

মানুহে সম্মানিতজনৰ ভৰি ধুই দিলে পুণ্য সঞ্চয় কৰা বুলি ধৰি লয়। কোনেও নিজতকৈ নিকৃষ্টজনৰ ভৰি নোধোৱে। কিন্তু কাৰ্য্য সিদ্ধি কৰিবলৈ হলে বুধিয়ক লোকে নিকৃষ্ট জনৰো ভৰি ধুৱাবলৈ ইতস্তত কৰিব নালাগে।

৩০২। **কালৰো কাল বিপৰীত কাল**
**হৰিণাই চেলেকে বাঘৰ গাল।।**

সাধাৰণ অৱস্থাত হৰিণাই বাঘৰ গাল চেলেকা দূৰৰ কথা হৰিণাই বাঘৰ ছাঁটোকে সহ্য নকৰে। হৰিণা বাঘৰ খাদ্য। খাদ্যই খাদকৰ গাল চেলেকি মৰম জনোৱা অৱস্থা হোৱাটো অসম্ভৱ। কিন্তু কঠোৰ শাসনত থাকিলে খাদকে খাদ্যৰ অনিষ্ট কৰিব নোৱাৰে। তেনে অৱস্থাত হৰিণাই বাঘৰ গাল চেলেকিব পাৰে। চাৰ্কাচ আদিত দেখা যায় বাঘ বা সিংহৰ পিঠিত ছাগলী উঠে। এই নিৰ্ভয়তা একমাত্ৰ শাসনৰ ভয়তহে হয়।

৩০৩। **কালিৰ ছুলি পৰহিৰ গীত গায়।**

অতীতৰ কথা কবলৈ মানুহৰ অধ্যয়ন লাগে। ই বয়সৰ কথা। নিচেই কম বয়সৰ

ন'বাই অতীতৰ কথা স্মৰণ কৰিব নোৱাৰে। অতীত বুৰঞ্জীৰ কথা কবলৈ যিমান অধ্যয়ন লাগে যিমানখিনি জ্ঞান হোৱাৰ দৰ্কাৰ সিমানখিনি জ্ঞান এটি সৰু ল'ৰাৰ নহয়। সেইবাবে কম বয়সীয়া সকলে ডাঙৰৰ আগত বহুত জনাটো হৈ বৰ বৰ কথা কব নালাগে।

৩০৪। কালী পূজা ঘৰে ঘৰে।
শাল গ্ৰাম শুকাই মৰে।

কালী জাগ্ৰত দেৱী বুলি কোৱা হয়। কালী মূৰ্ত্তি ভয় লগা। মাৰি মৰকৰ ভয় নিবাৰণৰ কাৰণে বলি বিধান দি কালী পূজা কৰা হয়। মাৰি মৰক বিপদ আপদ প্ৰায়েই হয়। সেই কাৰণে মানুহে সমজুৱা ভাবে বা নিজাকৈ কালীপূজা কৰে। শাল গ্ৰাম বিষ্ণুৰ প্ৰতীক। শাল গ্ৰাম পূজা সাত্বিক ভাৱৰ পূজা। সেই পূজা অতি কম লোকে কৰে। কেতিয়াবা শালগ্ৰামৰ গা পৰ্য্যন্ত ধুওৱাও নহয়। অৰ্থাৎ মানুহে শক্তিমস্তক হে পূজে সাত্বিকক কম পূজে।

৩০৫। কি কৰে শৰৰ শিঙ্গে
কি কৰে খোৰাৰ বিঙ্গে।
কি কৰে সোলাৰ হাঁহি,
কি কৰে অন্ধলাই চাহি।
কি কৰে ঘৃতৰ ঘোল
কি কৰে নিৰ্ধনীৰ বোল ।। (ডাক)

হৰিণা পহুৰ শিঙে একো উপকাৰ নকৰে বৰঞ্চ লতা পতাত জঁট লগাই মৰণৰ সুবিধা হে কৰি দিয়ে। খোৰাই বিঙি পাৰি লোকক মাতি লাভ নাই তেও দূৰলৈ যাবলৈ সমৰ্থ নহয়। সোলা মানুহৰ হাঁহিত মোহনীয় গুণ নাথাকে। অন্ধ লোকে কিবা চাবলৈ ইচ্ছা কৰাৰ লাভ নাই। ঘিউ পচাই ঘোল কৰিলে সি অখাদ্যহে হয়। সেইদৰে ধন নাইকিয়া মানুহে ডাঙৰ কথা কলে কোনেও নুশুনে। এইবোৰ নিস্ফল।

৩০৬। কি গোঁসাই আকলি
শৰাই ভৰাই প্ৰসাদ দিও
তেওঁ নাযায় বুজনি।

গোঁসাইলৈ শৰাই ভৰাই প্ৰসাদ দিলেই সন্তুষ্ট নহয়। লাগে আন্তৰিকতা। আন্তৰিকতা বিহীন পূজা নিষ্ফল হয়।

৩০৭। কিনা হাঁহৰ ঠোঁটলৈকে মঙহ।

হাঁহৰ ঠে ঠোঁট কাটি পেলাই বাকী অ‌ংশৰ মঙহ মানুহে খায়। কিনি অনা হাঁহৰ ঠে, ঠোঁটবো দাম দিয়াহয়। গতিকে কিনোঁতাই তাতো মঙহ থকা বুলি জ্ঞান কৰে।

অর্থাৎ দাম দি আনিলে বস্তুৰ সামান্য অংশও পোলাই দিবলৈ সত নাযায়। পৰিশ্ৰম কৰি উপাৰ্জন কৰা বস্তুৰ সামান্য অংশও অপব্যয় হ'লে বেয়া লাগে।

৩০৮। **কিনো কপালীৰ কপাল?**
**একেজন ৰৰলাৰ সাতখন চোতাল।।**

বিয়াবাৰু নকৰোৱা মানুহৰ সতি সন্ততি নহয়। গতিকে খোৱা মানুহ নাথাকে কৰোঁতাও নাথাকে। তেনে লোক চহকী বা মাতব্বৰ হ'লে ভাগ্যৰ বলত সাতখন চোতাল থাকিব পাৰে। চাকৰ বাকৰ আত্মীয় কুটুমেৰে ঘৰ ভৰি থাকিব পাৰে। গতিকে ভাগ্যইহে সৰ্বেসৰ্বা।

৩০৯। **কিহত কৰিলোঁ কি?**
**ধান দোন দি পৈটৈ আনিলোঁ**
**নিতৌ কিলায় সি।।**

তি'ৰোতা গৰাকীয়ে গিৰীয়েকক ধান দোন দি আনিলে অৰ্থাৎ কিনি আনিলে। কিনি অনা বস্তুৰ গৰাকী হ'ব লাগে কিনোঁতা গৰাকী। কিন্তু গিৰীয়েকে ঘৈনীয়েকক হে নিতৌ মাৰ কিল কৰে। পুৰুষে সদায় ঘৈণীয়েকক বশ কৰি ৰাখিবলৈ বিচাৰে তাৰ কাৰণে মাৰ কিল কৰে। অধিকাৰ পালে মানুহে আগৰ কথা চিন্তা নকৰে।

৩১০। **কিল ভুকু খাই সিটো জনম লভিল**

**অগ্নি খাই জীয়ে যাতো শৰীল বাঢ়িল।।**

মাটিৰ বাচন বৰ্তনবোৰে কিল ভুকু খাই জন্ম গ্ৰহণ কৰে। ৰদত শুকাই জুইত পুৰি সেইবোৰক পকা কৰি লোৱা হয়। তাৰ পাছত সেই বাচন বৰ্তনবোৰ মানুহৰ কামত লাগে।

৩১১। **কিললৈ বাসুদেৱ ডৰায়।**

বসুদেৱৰ পুত্ৰ শ্ৰীকৃষ্ণই বাল্য কালত নন্দৰজাৰ ঘৰত ডাঙৰ দীঘল হৈছিল। শ্ৰীকৃষ্ণ বাল্য কালত বৰ উৎপতীয়া আছিল। তাৰ কাৰণে নানা ধৰণৰ শাস্তি খাবলগীয়া হৈছিল। স্বয়ং ভগৱান হৈয়ো শ্ৰীকৃষ্ণই যশোদাক ভয় কৰি চলিব লগীয়া হৈছিল। ভয়তে পলাই ফুৰিছিল। গতিকে শাস্তিলৈ সকলোৱে ভয় কৰে।

৩১২। **কুকৰ্মত নাই বাপ**
**সুধীৰ ঘৰত লক্ষীৰ বাস।।**

আনৰ অন্যায় নকৰা বেয়া কাম নকৰা নিজৰ কৰ্তব্য কৰি যোৱা লোকে মদ বেচা কাম কৰিলেও ধনসম্পত্তিৰ গৰাকী হ'ব পাৰে। নিষ্ঠাৰে গি নিজৰ কৰ্ম কৰে তেওঁ হীন বা নীচ জাতৰ হলেও তেওঁৰ ঘৰত লক্ষীয়ে বাস কৰে।

**৩১৩। কুকুৰ চিকোণ গৃহস্থৰ যশ।**

যি গৃহস্থৰ পৰিৱেশ যেনে তেওঁৰ ঘৰত থকা চাকৰ বাকৰ লৰা ছোৱালী আনকি কুকুৰ মেকুৰীয়েও তেনে ধৰণে থাকে। গতিকে গৃহস্থৰ চিকোন কুকুৰে গৃহস্থৰ যশ বঢ়ায়।

**৩১৪। কুকুৰ বুঢ়া হ'লে ফাপৰে ধৰে।**
**মানুহ বুঢ়া হ'লে প্ৰকৃতি লৰে।।**

কুকুৰ বুঢ়া হলে তাৰ গাত চালৰ মসৃনতা হ্ৰাস পায়। মাটিয়ে বালিয়ে থকাৰ কাৰণে গাত ফাপৰে ধৰে। ছালবোৰ এৰে দেখিবলৈ কুৎচিত হৈ পৰে। মানুহ বুঢ়া হলে গাৰ ছাল সোতৰাসোতোৰ হোৱাৰ উপৰি শুকাই খীণাই হাড় ছাল সাৰ হয়। চুলি পকে দাঁত সৰে চকুৰে কম দেখে কাণেৰে কম শুনে কথাবোৰ পাহৰি যায় অলপতে খং উঠে আগৰ ধীৰ গম্ভীৰ প্ৰকৃতি সলনি হৈ খেংখেঙীয়া হৈ পৰে।

**৩১৫। কুঁজাৰ মূৰত কিল।**

কিল মাৰিলে যাৰ পিঠিত কিল পৰে তেও দুখ পায় মানুহজন যদি কুজা হয় আৰু কিল মাৰোঁতে কিলটো কুজত পৰে তেতিয়া কিল মাৰোঁতা জনেও দুখ পায়। লোকক দুখ দিবলৈ গৈ কেতিয়াবা নিজেও দুখ পায়।

**৩১৬। কুকুৰৰ ছাই মুৱা**

**মানুহৰ গাই মুৱা।**

যাত্ৰা কালত ছাই মুৱা কুকুৰ আৰু দাড়ি গোফ নথকা লোক দেখিলে যাত্ৰা স্থগিত ৰখা উচিত। তেনে অৱস্থাত যাত্ৰা কৰিলে বিপদৰ সম্ভাৱনা থাকে।

**৩১৭। কুকুৰক নিদিবা লাই,**
**চোতাল এৰি মজিয়ালৈ যায়।**

কুকুৰক বেছি মৰম কৰিলে সি গিৰীহতৰ লগতে ঘৰৰ মজিয়া পায়। মজিয়াত খাদ্য বস্তু থাকিলে তালৈকে ঢাপলি মেলে। সেইদৰে সৰু মানুহক লাই দিলে সাহস বাঢে বাহিৰ ভিতৰৰ প্ৰভেদ নাৰাখে। তেনে কৰাৰ ফলত ঘৰৰ বস্তু হানি বিঘিনি হোৱাৰ ভয় থাকে। গোপনীয়তা ৰক্ষা নপৰে।

**৩১৮। কুকুৰৰ মুখত গৰুৰ হাড়।**
**আনন্দত নাই পাৰ।।**

কুকুৰে মৰা গৰু ছাগলীৰ হাড় পালে আনন্দ মনে তাকে কামুৰি থাকে সোৱাদ পায়। দুখীয়া মানুহে লোকৰ এৰেৰা খাবলৈ পালেও বৰ সন্তুষ্ট হয়। যিয়ে যি খাই ভাল পায় তাকে পালে আনন্দ মনে খায়।

৩১৯। কুকুৰৰ পেটত ঘিউ নসয়।

ঘিউ উৎকৃষ্ট খাদ্য। তাক হজম কৰিব পৰাটো হে প্ৰধান কাম। কুকুৰে ঘিউ হজম কৰিব নোৱাৰে। ঘিউ খালে কুকুৰে বতিয়ায় গাত তাৰ ফাপৰেও ধৰে। সেইদৰে বুজি নোপোৱা গধুৰ কথা অল্প শিক্ষিত লোকক ক'লে লাভ নহয়। তাৰ কদৰ্থ প্ৰচাৰ কৰি সাহিত্যৰস মূল্যহীন কৰিব পাৰে। গতিকে উৎকৃষ্ট বস্তু হলেও যি গ্ৰহণ কৰিব নোৱাৰে তেনে লোকৰ দিব নালাগে।

৩২০। কুকুৰৰ নেজ সেকিলেও পোন নহয়।

কুকুৰৰ নেজ স্বভাৱতে ভাঁজ খোৱা তাক সেকি পোন কৰিব নোৱাৰি। সেইদৰে নষ্ট চৰিত্ৰৰ লোকৰ চৰিত্ৰ নানা ধৰণে চেষ্টা কৰিও সংশোধন কৰিব নোৱাৰি।

৩২১। কুকুৰৰ ভুকনি হাতীয়ে ঘুৰি নাচায়।

হাতী দেখিলে কুকুৰে ভুকে। হাতীয়ে সেই ভুকনিলৈ ঘুৰি নাচায়। ঘুৰি চোৱাৰ আৱশ্যক বোধ নকৰে। সেইদৰে সামান্য লোকৰ গালি শপনিলৈ জ্ঞানী লোকে কাণ নিদিয়ে। ।

৩২২। কুক চালে মাছ খুজিব নালাগে।

মাছ মৰীয়াৰ কুক চালে চাওতাজনৰ মাছৰ দৰ্কাৰ বুলি বুজিব লাগে। বহুতে নিৰাশ হোৱাৰ ভয়ত মাছ নোখোজে। কোনো লোকে কাৰোবাৰ কিবা বস্তুৰ কথা বাৰে বাৰে উল্লেখ কৰিলে সেই বস্তুটি তেওৰ বিশেষ দৰ্কাৰ বুলি বুজিব লাগে। পাৰিলে তেওৰ অভাৱ পূৰণ কৰিবলৈ চাব লাগে।

৩২৩। কুটৰ মৰৰ কুটী
লোকলৈ হল পুতি
নিজে মৰে ফুটি।

কুটচক্ৰী মানুহে আনৰ অনিষ্ট কৰি ভাল পায়। নানা প্ৰকাৰে আনৰ অপকাৰ কৰাই তেওঁৰ কাম। তেনে লোকেই আনলৈ হল পুতি নিজে সেই হল ফুটি মৃত্যু বৰণ কৰে। আনৰ অনিষ্ট চিন্তা কৰা মানুহে আনৰ অনিষ্ট কৰিবলৈ যাওঁতে নিজৰহে অনিষ্ট কৰে।

৩২৪। কুকুৰ ইচ্ছাই টাঙোন

বা

যেনে কুকুৰ তেনে টাঙোন।

কুকুৰ যিমান বলবান তাৰ কাৰণে সিমান শকত টাঙোন লব লাগে। কুকুৰৰ উগ্ৰতা চাইও শাস্তি পাব লাগে। সেইদৰে যি মানুহ যিমান দুষ্ট তাৰ শাস্তিও সিমান কঠোৰ হব

লাগে। যি মানুহ যিমান দুষ্ট আহিতকাৰী তাক সিমান কঠোৰ ভাৱে শাসন কৰিব লাগে শাস্তি দিব লাগে। অৰ্থাৎ দোষ অনুযায়ী দণ্ড বিধান কৰিব লাগে।

৩২৫। কুগ্ৰহে ধৰিলে ঠাকুৰো কুকুৰ হয়।

ঠাকুৰ সম্মানিত লোক। মানুহে তেওলোকক সেৱা সন্মান কৰে। কুকুৰ অপবিত্ৰ। বহুসময়ত মানুহৰ উপকাৰ কৰে যদিও সুযোগ পালে অনিষ্টও কৰে। সেইকাৰণে মানুহে কুকুৰক লেই লেই ছেই ছেই কৰে। ঠাকুৰৰ যদি চৰিত্ৰ বেয়া হয় বেয়া কাম কৰে কাম ক্ৰোধ আদিৰ বশ হয়। তেনে ঠাকুৰকো মানুহে লেই লেই ছেই ছেই কৰে। ঠাকুৰ হৈও তেও কুকুৰক কৰা ব্যৱহাৰ পায়।

৩২৬। কুপুত্ৰক কি কৰিব ধনে ?
সুপুত্ৰক কি কৰিব ঋণে ?

দেউতাকৰ দিনৰ অজস্ৰ ধন থাকিলেও দুষ্ট চৰিত্ৰৰ ল'ৰাই মদ ভাং খাই জুৱা খেলি অগম্য ঠাইলৈ গৈ কম দিনৰ ভিতৰতে সেই ধনৰ ভঁড়াল নাইকিয়া কৰিব পাৰে। যি ল'ৰাৰ স্বভাৱ চৰিত্ৰ ভাল বিবেচক তেও বহু ধাৰৰ বোজা থাকিলেও সেইবোৰ পৰিশোধ কৰি ধনী বোলাব পাৰে।

৩২৭। কুশৰ আগেৰে মদ খায়।
পেটো নভৰে জাতো যায়।।

কুশ বনৰ আগ তেনেই জোঙা। সেই জোঙা আগেৰে মদ তুলি খালে নামতহে মদ খোৱা হয়। তাৰ দ্বাৰা বাগি নালাগে পেটো নভৰে। কিন্তু মদাহী বুলি জনাজাত হৈ নিকৃষ্ট হৈ পৰে। নিকৃষ্ট কামৰ সৰু বৰ নাই। লাভ নহলেও ঘৃণনীয় হয়।

৩২৮। কেও নাই যাৰ
ঈশ্বৰ সহায় তাৰ।।

যাৰ কোনো সহায় সাৰথি অত্মীয় কুটুম নাথাকে তাক ভগৱানে সহায় কৰে। গতিকে ভগৱানক বিশ্বাস কৰি চলিব লাগে।

৩২৯। কেঁকনি গেঁঠনি নবিয়া টান।
নবিয়াই ভাত খায় উধান সমান।।

ফাঁকি বাজ লোকে কাম কৰিবৰ বেলিকা কেঁকনি গেঁঠনি মাৰি বেমাৰৰ ভাও জোৰে। লোকক টান বেমাৰ হোৱা বুলিয়ে বুজাবলৈ যত্ন কৰে। খাবৰ বেলিকা ঠালখনত উধানৰ সমান ওখ কৰি ভাত দিলেহে সন্তুষ্ট হয়। কামৰ সময়ত ৰোগ হোৱা যেন দেখুৱায় খাবৰ সময়ত অলপো কম নাখায়। তেতিয়া ফাঁকি জোৰা বুলি ধৰিব পাৰি।

৩৩০। **কেঁকাই গেঁঠাই ভাত খালে তাকে বোলে জ্বৰ।**

**ঘৰৰ কথা বাহিৰত ক'লে তাকে বোলে পৰ।। — (ডাক)।**

জ্বৰ উঠা বেমাৰী মানুহে কেকাই গেঁঠাই ভাত খায়। খোৱাতে চাই জ্বৰ উঠা ৰোগী বুলি ধৰিব পাৰি। ঘৰৰকথা আনৰ আগত কব নালাগে। যি কয় সি আপোন নহৈ পৰ বুলি চিনাকি দিয়ে।

৩৩১। **কেঁকোৰা বাঁহ কেঁচাতে সেকিলেহে পোন হয়।**

কেঁকোৰা বাঁহ পোন কৰিবলৈ হ লে কেঁচাতে কাটি আনি জুইত সেকি পোনাব লাগে। সেইদৰে সৰু সৰু লৰা ছোৱালীক অবুজ থাকোঁতে বুজনি দি আহিঁ দেখুৱাই ঠিক বাটেৰে নিবলৈ স্বভাৱ চৰিত্ৰ গঠন কৰিবলৈ যত্ন কৰিব লাগে। বয়স হ লে স্বভাৱ সলনি কৰা টান হৈ পৰে।

৩৩২। **কেঁচু গাঁতৰ পৰা ওলালে সোমাব নোৱাৰে।**

জাৰ কালি কেচু গাতত সোমাই থাকে। বাৰিষা বৰষুণ হ লে গাঁত বিচাৰি নাপায়। গাঁত বন্ধ হৈ যায়। সেইদৰে গোপন কথা প্ৰকাশ হলে পুনৰ লুকুৱাব নোৱাৰি।

৩৩৩। **কেঁচু খান্দোতে সাপো ওলায়।**

কেঁচু আৰু সাপ উভয়ে গাঁতত থাকে। সেইবাবে কেতিয়াবা কেঁচু উলিয়াবলৈ গাঁত খান্দিলে সাপো ওলাব পাৰে। সাপ ওলালে ভয়ৰ কাৰণ হৈ পৰে। সেইদৰে কোনো সামান্য ঘটনাৰ কাৰণ বিচাৰোঁতে সাংঘাতিক ঘটনাৰ উহ ওলাব পাৰে। সেই উহ বিপদৰ কাৰণ হব পাৰে।

৩৩৪। **কেঁচুতো শগুণ পৰে।**

শগুণে মৰা শ খায় যদিও ডাঙৰ শ খায়। কেঁচু নাখায়। খাদ্যৰ অভাৱ হ লে কেঁচুতো চকু দিব পাৰে। সেইদৰে সাধাৰণতে সৰু বস্তুত মানুহৰ চকু নপৰে কিন্তু অভাৱৰ দিনত তাকে লৈ টনা আজোৰা কৰা দেখা যায়।

৩৩৫। **কেতুৱে পলে হেতু হেৰায়।**

কেতু অশুভ গ্ৰহ। ই তৃতীয়া সপ্তম দশম আৰু একাদশ স্থানত থাকিলে শুভফল দিয়ে। বাকী আঠোটা স্থানতে শুভফল নিদিয়ে কেতুৰ দশা বেয়া হ'লে বিবেচনা শক্তি কমে বিপদে জুৰুলা কৰে।

৩৩৬। **কেৰোলাত কৈ গুটি দীঘল।**

ফলতকৈ গুটি দীঘল হব নোৱাৰে। ঋণ ললে তাৰ সুত দিব লাগে সুত বাঢ়ি কেতিয়াবা মূলধনতকৈ বেছি হব পাৰে। মূধনতকৈ সুত বেছি হলে কেৰোলাতকৈ গুটি দীঘল হয় বুলি কোৱা হয়।

**৩৩৭। কেৰ্কেটুৱাৰ বাঁহ পাতেই ভেটি।**

কেৰ্কেটুৱা বাঁহ গছৰ পাত গোটাই তাতে বাহ সাজি বাস কৰে। কেৰ্কেটুৱাৰ অন্য আশ্ৰয় স্থান নাথাকে। আনক আশ্ৰয় দিব নোৱাৰে। দুখীয়া নিছলা লোকবো সামান্য এডুখৰি আশ্ৰয় স্থলহে থাকে। আলহী দুলহী আহিলে তাতেই আশ্ৰয় দিয়ে। যি যিমান সিমানত থকাই শ্ৰেয়স। লোকক দেখুৱাবলৈ দুখীয়ালোকে বেছি আয়োজন কৰা অনুচিত।

**৩৩৮। কেৰেমৰে হাড়ে হাড়ে।**
**কেৰে মৰে মঙহৰ ভাৰে।।**

যি মানুহৰ শৰীৰ হাড়ে ছালে লগা শুকান তেও হাড়ে হাড়ে ঠেকা খাই কষ্ট পায়। যি শকত আৰত মঙহাল তেও মঙহৰ ভাৰ সাহিব নোৱাৰা হৈ কষ্ট পায়। শৰীৰত একেবাৰে মঙহ নথকাটো যিমান কষ্টকৰ বেছি মঙহ থকাটোও সিমানে কষ্টকৰ। গতিকে গাৰ গঠন নিয়মত হব লাগে। সেইদৰে কিছুমান লোকে ধনৰ ওপৰত বহি চিন্তাত শুব নোৱাৰে কিছুমানে খাবলৈ নেপাই ভোকত শুব নোৱাৰে। ধন বস্তু স্বাস্থ্য বৰ বেছি হলেও বেয়া তেনেই কম হলেও বেয়া।

**৩৩৯। কোবাই মৰাও মাৰা জবাই কৰাও মাৰা**

মুছলমানসকলে কোনো জীৱ বধ কৰিব লাগিলে ভগৱানক উৎসৰ্গ কৰি ডিঙি কাটি মাৰে। কিছুমানে কোবাই মাৰে কিছুমানে ডিঙি মুচৰি মাৰে কোনোবাই বলি দিয়ে কোনোবাই হানি খুচি হত্যা কৰে। যিয়ে যি পদ্ধতিৰে নামাৰক কিয় মৃত্যুই একমাত্ৰ পৰিণতি। বিভিন্ন পদ্ধতিক আমি মূল্য দি ধৰ্ম নীতিৰ কথা আনি যদি দন্দ খৰিয়াল কৰোঁ ই বিবেচনা বৰ্জিত কাম হব।

**৩৪০। কোমোৰা পচিলে খাব পাৰি**
**ঘিউ পচিলে খাব নোৱাৰি।**

পচা কোমোৰাৰ আঞ্জা খায়। পচা ঘিউ খাব নোৱাৰি পেটত ৰোগ সৃষ্টি কৰে। সাধাৰণ বস্তু বেয়া হলেও খাব পাৰি উৎকৃষ্ট বস্তু বেয়া হলে খাব নোৱাৰি পেলাই দিবলগীয়া হয়। সেইদৰে সামান্য মানুহে দোষ কৰিলে সামান্য দোষ বুলি এৰি থব পাৰি তাৰ পৰা আনৰ একো অপকাৰ নহয়। বৰলোকে বেয়া কাম কৰিলে ঘৃণণীয় হৈ পৰে। তাৰ পৰা জাতিৰো অপকাৰ হয়।

**৩৪১। কোৰে কাটি গ্ৰহণী চপোৱা।**

**বা**

**৩৪২। খাল কাটি কুম্ভীৰ অনা**

**অথবা**

৩৪৩। খাল খান্দি খৰিনী চপোৱা

কোনোবে খাল খান্দি নৈৰ পৰা পানী বোৱাই দিলে নদীত থকা ঘঁৰিয়ালে সেইফালে আহি মানুহৰ অপকাৰ কৰিব পাৰে। সেই দৰে সুবিধা দি খৰিনী আনিও মেলিব পাৰি। অনেক সময়ত মানুহে কিবা সুবিধাৰ বাবে কোনো কোনো কাম ভৱিষ্যৎ নাভাবি কৰি বিপদত পৰে।

৩৪৪। কোলাৰটো এৰি বোকাচাৰটোলৈ কোনে আশা কৰিব পাৰে?

বিপদত কোলাত থকা কেচুৱাটো এৰি বোকোচাত থকাটোলৈ বিশেষ মনোযোগ দিলে দুয়োটাৰে অনিষ্ট হব পাৰে। এটাকো ৰক্ষা কৰিবলৈ সক্ষম নহব পাৰে। গতিকে প্ৰথমে কোলাৰটিলৈ বিশেষ যত্ন কৰা উচিত তাৰ পাচত হে বোকোচাৰটিলৈ মনোযোগ দিব লাগে। সেইদৰে হাতেৰে চুকি পোৱাতে থকা বস্তুটিৰে কাম সমাধা কৰিবলৈ যত্ন কৰিব লাগে। দূৰৰ বস্তু অনাটো সম্ভৱ নহব পাৰে। দূৰৰ বৌ বৰালিতকৈ ওচৰৰ পুঠী খলিহাই ভাল। কাৰণ হাবুঙত লোণ সত্ত্ব তাৰ পৰা লোণ অনাটো কষ্টৰ কাম।

৩৪৫। কোন সাধু কোন চোৰ চিনাবৰ টান।
বিত পালে সকলোৱে এৰিবেক মান।। (ডাক)

সাজ পাৰ কথা বতৰা আচাৰ ব্যৱহাৰত চোৰ আৰু সাধু চিনিব নোৱাৰি। ধন পোৱাৰ আশা থাকিলে সাধুলোকেও নিজৰ মান সম্মান জলাঞ্জলি দি চোৰ ডকাইতৰ সঙ্গ লোৱা দেখা যায়।

৩৪৬। কোদাল শালৌতে মাহৰ বতৰ যায়।

কাতি মাহত মাহ বয়। কোৰ শালৌতে যদি কাতি মাহ অতিবাহিত হয় পাচলৈ মাহৰ খেতি নহয়। গতিকে সময়মতে কাম সমাধা কৰিবলৈ আগৰে পৰা সজুলিবোৰ ঠিক কৰি লব লাগে। হেলা কৰিলে সময়ত কামটি হৈ নুঠে।

৩৪৭। কোনো কোনো পাকত
ঢেঁকী খোৰা সোমায় নাকত।

ঢেঁকী খোৰা নাকত সুমুৱাব নোৱাৰি। কাৰণ নাকৰ বিন্ধা ঢেঁকী খোৰাৰ তুলনাত বহু সৰু। কিন্তু কঠিন জ্ঞান গৰ্ভ কথাক সংক্ষেপ কৰি সৰু পুথি এখনত ভৰাব পাৰি। ভাগৱত পুথিখন সংক্ষেপে গুণমালা পুথি কৰি ৰচনা কৰা হৈছে। তাকে হাতী মাৰি ভুৰুকাত ভৰোৱা বুলি কোৱা হয়। অনেক সময়ত অসম্ভৱকো সম্ভৱ কৰিব পাৰি।

৩৪৮। কোনোবাৰ ঘৰ পোৰে,
কোনোবাই জুই ধুৱায়।

যাৰ ঘৰ পোৰে তাৰ সৰ্বস্ব যায়। খাবলৈ পিন্ধিবলৈ একো নাথাকে। যাৰ ঘৰ পোৰে তেওঁ দুখ বেজাৰত মৰহি যায়। অন্যলোকে সেই জুইৰ তাপলৈ গাৰ গৰম কৰে। ঘৰ পোৰাজনৰ ক্ষতি হয় বাকী বোৰৰ সহানুভূতিহে জন্মিব পাৰে একো ক্ষতি নহয়।

৩৪৯। কৌৰৱৰ চাউল খায়
পাণ্ডৱৰ গুণ গায়।

ভীষ্ম দ্ৰোণ কৃপাচাৰ্য্যই কৌৰৱৰ অন্ন গ্ৰহণ কৰিছিল কিন্তু পাণ্ডৱহে গুণ গাইছিল। তেওঁলোক বিবেকবান আছিল সেই কাৰণে প্ৰকৃত গুণীৰ গুণ গান কৰিছিল। কৌৰৱৰ চাউল খালে বুলিয়ে পাণ্ডৱৰ গুণ গান কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। কৌৰৱৰ চাউল খোৱা বাবে তেওঁলোকে কৌৰৱৰ পক্ষলৈ পাণ্ডৱৰ লগত যুদ্ধ কৰি প্ৰাণ পৰ্য্যন্ত দিছিল। যাৰ অনুগ্ৰহ পায় তাৰ প্ৰতি অকৃতজ্ঞ হোৱাটোহে দোষণীয়। অনুগ্ৰহ কৰোঁতাৰ শত্ৰুৰ গুণ গোৱা কাম দোষণীয় নহয়।

৩৫০। কাচিৎ কাচিৎ ব্যাভিচাৰী।
ছাগীৰ মুখে লম্বাডাটি।।

ডাটি সাধাৰণতে পুৰুষৰ গজে। স্ত্ৰীৰ নগজে। কিন্তু মাইকী ছাগলীৰ ডাটি আছে। গতিকে একে ধৰণ কৰণ সকলোতে নাথাকিব পাৰে অন্যথা হব পাৰে।

# খ

৩৫১। খং খাৰ কৰিব নালাগে।

খং বাগ ভয় নিন্দা আদি আনৰ পৰা ধাৰ কৰি লব নালাগে পৰিস্থিতি আৰু সময় বিশেষে নিজৰ শৰীৰতে উৎপন্ন হয়। ভক্তি প্ৰীতি আদি কৰ্ষণ কৰি লব লাগে। মানুহৰ বেয়া গুণবোৰ আপোনাআপুনি জন্মে ভাল গুণ অভ্যাস কৰিলেহে পাব পাৰি।

৩৫২। খং নামে চণ্ডাল।

চণ্ডাল সকলৰ নীতি বিধুতি নাই বিচাৰ বোধো কম। সেইদৰে খঙবো দিক বিদিক নাথাকে। খঙাল মানুহে নভবা নিচিন্তাকৈ বেয়া কামবোৰ কৰি পেলায়। পাছত তাৰ বাবে অনুতাপো কৰিবলগীয়া হয়।

৩৫৩। খকুৱাই পাত কাটিবলৈ যায়।
নিখকুৱাই মাটিতে খায়।

এজনে খোৱামুঠি সুস্থিৰমতে খাবলৈ বুলি পাত কাটি আনিবলৈ যায়। আন এজনে পাত অনালৈ অপেক্ষা নকৰি মাটিতে খাবলৈ ধৰে। তেৱেঁই পাত কাটিবলৈ যোৱাজনক খকুৱা বুলি ইতিকিং কৰে। দৰাচলতে পাত কাটিবলৈ যোৱাজন ভুকীয়া। মাটিত খোৱাজনহে খকুৱা আওখকুৱা। বহু মানুহে নিজৰ কাৰ্য্য ঘৃণনীয় হলেও ঘৃণনীয় বুলি নাভাবে। আনৰ নিখুঁত কাৰ্য্যক হে ঘৃণা কৰে। কাৰ্য্যৰ দ্বাৰা মানুহৰ স্বভাৱ ওলাই পৰে মুখেৰে ক'লে নহয়।

৩৫৪। খঙতে পেট কাটি ছমাহ শুকনি খায়।

খঙতে নিজৰ পেট কাটিলে ঘা শুকুৱাবলৈ ছমাহ শুকনি দৰৱ খাব লাগে। খঙে মানুহৰ হিতাহিত জ্ঞান নোহোৱা কৰে। তেওঁ এনে কিছুমান অনিষ্ট কাৰক কাম কৰে যাৰ বাবে ছমাহলৈ দুখ কষ্ট খাবলগীয়া হয়।

৩৫৫। খৰ বান্ধনী খৰ বাঢনী
পৈয়েকে লঘোনে যায়।
অলা বান্ধনী অলা বাঢনী
পৈয়েকে তিনিসাজ খায়।

বেছি খৰতকীয়া হলে কামৰ শৃঙ্খলা নাথাকে। পতিকে সময়ৰ কাম সময়ত কৰিবলৈ চালেও হৈ নুঠে। তেনে খৰতকীয়া বান্ধনীৰ গিৰীয়েকে সময় মতে খাবলৈ নাপায়। নোখোৱাকৈয়ে কাম কৰিবলৈ যাব লগীয়া হয়। ধীৰে সুস্থিৰে কাম কৰা পৰাকীৰ গিৰীয়েকে ঠিকমতে তিনি সাজ খাবলৈ পায়। অৰ্থাৎ ধীৰে সুস্থিৰে কৰা

কামহে সুফলদায়ক আৰু সময়মতে হয়। ততাতৈয়াকৈ সমাধা কৰিবলৈ বিচৰা সকলৰ কামত আউল লাগে। তেওলোকে সময়ৰ কাম সময়ত কৰিব নোৱাৰে।

৩৫৬। খাওঁ চাৰিখন পেলাওঁ চাৰিখন
গাঁঠিতো চাৰিখন থাকে।
খোৱা মানুহ নেখালেও নোৱাৰোঁ
বহুবত তামোলটো লাগে।
(সমাৰ্থক)
খন পেলাই খন খাওঁ
বহুবত তামোলটো ঢুকাওঁ।

কৃপণ লোকে যি সামান্য খৰচ কৰে তাৰেই অধিক হিচাব দিয়ে। খৰচ কৰিবলৈ লোৱা খিনিকো খৰচ কৰিব নোৱাৰে। গাঁঠিৰ বস্তু গাঁঠিতে ৰাখি অকাৰণত নষ্ট হবলৈ দিয়ে মাথোন।

৩৫৭। (ক) খাই কাৰ্শলা গছত উঠিল
কাঁৰী চেলেকাৰ মৰণ মিলিল।
(সমাৰ্থক)
(খ) এক বাবাই ধান খায়।
এক বাবাই হান খায়।

(গ) কেৰ্কেটুৱাই তামোল খায়
নেউলক বাজি কিলায়।

কাৰ্শলা সাপে মানুহক দংশন কৰি গছত উঠে। মানুহে দংশন কাৰীক বিচাৰি নাপায়। দংশন কাৰী বুলি ভাবি পিৰালিত ফুৰা নিৰ্দোষী সাপ এটাকহে মাৰি পেলায়। অনেক ক্ষেত্ৰত যি অন্যায় কৰে তাক পোৱা নাযায় সহজতে পোৱাজনকে অন্যায় কাৰী বুলি ভাবি শাস্তি দিয়া হয়। সেইদৰে যি গাহৰিয়ে ধান খায় তাক নাপায় আন এটা সহজতে পোৱা গাহৰিক মাৰে। কেৰ্কেটুৱাই তামোল খাই পলায়। নেউলক কেৰ্কেটুৱা যেন দেখি মাৰধৰ কৰে। চতুৰবোৰে দোষ কৰি সাৰে আকৃতিৰ মিল থকা হেতু আন কোনোবাই শাস্তি খায়।

৩৫৮। খাবৰ পৰত কুকুৰকো হেই নোবোলে।

খোৱাৰ সময়ত কাকো দিগদাৰি দিব নালাগে। যিয়ে যি নাখাওক তাক সুখ শান্তিৰে খাবলৈ দিব লাগে। আনকি কুকুৰ মেকুৰী আদি জীৱ জন্তু সকলকো খোৱাৰ সময়ত হেই হেই, হেই হেই কৰিব নাপায়।

৩৫৯। খাবি আছৰ খাবি শাহৰ

**খাবি আগ্ৰৰ খাবি কাঞ্জৰ।**

আহু ধানৰ চাউলৰ ভাত বল কাৰক। শাহুৱেকে সুস্বাদু ব্যঞ্জনেৰে মৰম সনা মাত বচনেৰে জোঁৱায়েকক খুৱায়। সেই খাদ্য খাই বৰ সোৱাদ লাগে। চাউলতকৈ আটা বল কাৰক গতিকে আটা খোৱা উচিত। আন পাত্ৰকৈ মাটিৰ পাত্ৰত (কাটা) ৰন্ধা ভাতৰ সোৱাদ বেছি।

৩৬০। **খাবলৈ নোহোৱাৰ পেট ডাঙৰ**

**পিন্ধিবলৈ নোহোৱাৰ কঁকাল ডাঙৰ।**

যাৰ খাবলৈ একো নাথাকে। তাৰ বেছি ভোক লাগে খাই উঠি খাবলৈ মন যায়। যাৰ পিন্ধিবলৈ কাপোৰ এটুকুৰা সংগ্ৰহ কৰি লব নোৱাৰে তেনেজনে দীঘল বহল ভাল কাপোৰ লোৱাৰ ইচ্ছা পোষণ কৰে। অভাৱীৰ খঁক বৰ বেছি।

৩৬১। **খাবলৈ দুম দাম বনলৈ সলিয়া।**

**পিন্ধিবলৈ লাগে আঁচুৱলী চুৰিয়া।**

বহুত মানুহে কামতকৈ খোৱাত প্ৰাধান্য দিয়ে বেছি। তেওলোকে ভাল পিন্ধিবলৈ ভাল খাবলৈ বিচাৰে। কাম কৰিবলৈ নিবিচাৰে। খোৱা পিন্ধা কেনেকৈ হব পাৰে তাৰ কথা চিন্তাও নকৰে।

৩৬২। **খাটে খটুৱায় বান্ধে আটি।**
**তাৰ অৰ্দ্ধেক মূৰত জাপি।**
**ঘৰত বহি সোধয় কথা।**
**তাৰ কৃষি জানিবা বৃথা।। (ডাক)**

যিজনে লোকক খটুৱাবলৈ নিজেও খাটে ঘৰলৈ বস্তু আনিবলৈ বান্ধি কৃন্ধি লয় তেও কৃষিৰ সৰ্বহ পায়। যি জনে মূৰত জাপি ছাতা লৈ নিৰ্দেশহে দিয়ে নিজে নাখাটে তেও যিমান পাব লাগিছিল তাৰ আধাহে পায়। যিজনে ঘৰত বহি খেতিৰ কথা সোধে সেইজনে কৃষিৰ পৰা কোনো ফল নাপায়। কাৰণ গিৰীহঁত উপস্থিত নাথাকিলে চাকৰ বাকৰে কামত ফাঁকি দিয়ে। তেনেলোকৰ খেতিৰ মাটি চন পৰিও থাকে। চাকৰৰ লগত খাটিব পাৰিলেহে কাম সম্পূৰ্ণ হয় আৰু সফলো হব পাৰি।

৩৬৩। **খাবৰ জীৱৰ যাৰ মন**

**শৌচ কৰোঁতে আঁজোৰে বন**

জীয়াই থাকিবলৈ হলে খাব লাগিব। খালে দেহৰক্ষা হয়। খাবলৈ পৰিশ্ৰম কৰিব লাগে। পৰিশ্ৰম যেতিয়াই তেতিয়াই কৰিব পাৰি। দৰকাৰ হলে নিত্য নৈমিত্তিক কামবোৰ কৰোঁতেও জীৱন নিৰ্বাহৰ চিন্তা আৰু পৰিশ্ৰম কৰিব পাৰি। সেই কাৰণে

বাহীত শৌচ কৰিবলৈ বহোঁতে ওচৰৰ বনবোৰ চিকুণাই লোৱাজন সময়ৰ মূল্যবোধ থকা লোক। বহুতে আধুনিক পায়খানাত বহি খবৰ কাকত পঢ়ে দৰকাৰী কথা চিন্তা কৰে। এনে কাৰ্য্যই সময় অমূল্য ধন কথাটি সাৰ্থক কৰে।

৩৬৪। খাব খোৱা জিভা

মুখত আহে কিবা কিবা

খাৰ খালে উচ্চাৰণ সলসলীয়া হয় বুলি কোৱা হয়। তেনে লোকৰ মুখত কেতিয়াবা অবাঞ্ছিত কথা ওলাব পাৰে। তাৰ বাবে যেন সমজুৱাই দোষ নধৰে। ই এটা দোষ স্বীকাৰ কৰি ক্ষমা প্ৰাৰ্থনা কৰা কথা।

৩৬৫। খাবে উখুৱাই দুসাজ খাবা

বুঢ়াই থেৰাই দুহালি বাবা

দুবেলা দুসাজ ভাত লোণে খাবে পেটভৰাই খাবলৈ পালেই যথেষ্ট। তাকে খোৱাৰ দিহা কৰিব লাগে। বুঢ়াই থেৰাই দুহাল গৰুৰে হাল বাবলৈ যত্ন কৰিব লাগে। লোণে খাবে দুসাজ পেটভৰাই খাওতা আৰু বুঢ়া থেৰা দুহাল গৰুৰে হাল বোৱা লোকৰ অৱস্থা ভাল হয়।

৩৬৬। খালী পাত্ৰ বেছি বাজে।

খালী পাত্ৰ বজালে বেছি শব্দ হয়। ভৰা পাত্ৰ বজালে মাত নোলায়। সেইদৰে অলপ জ্ঞান থকা সকলে বৰ বৰ কথা কয়। জ্ঞানী সকলে বকবকাই নুফুৰে। অদৰ্কাৰত কথাই নকয়।

৩৬৭। খীৰঁতী গাইৰ লাথি খাব পাৰি।

যাৰ পৰা উপকাৰ পোৱা যায়। তাৰ গালি গালাজ চৰ ভুকু সহিব পাৰি মনত বিশেষ নালাগে।

৩৬৮। খুজি ললে সৰ্বহ পায়।

চুৰি কৰিলে কটা যায়।

নম্ৰভাৱে খুজি মাগি মানুহে বহুত ধন বস্তু গোটাব পাৰে। চুৰ কৰি গোটাবলৈ গ'লে এদিন নহয় এদিন ধৰা পৰিবই। ধৰা পৰিলে লাজ অপমানত ঠাই নাইকিয়া হয়। ফাটকো খাটিব লগীয়া হয় ধনো ভৰিব লগীয়া হয়। কেতিয়াবা মাৰৰ কোবত দাব যাপত মৰণো হয়।

৩৬৯। খাৰী গাইৰ লগত সোণ কপিলীৰ মূল্য নাই।

সোণ কপিলী গাইৰ গাখীৰ অতি পৱিত্ৰ। কিন্তু সোণ কপিলী বস্তুৰ হলেও খাৰী

নেজ খাৰী হয় তেন্তে সেই গাইৰ গাখীৰ অপৱিত্ৰ। যজ্ঞাদিত ব্যৱহাৰ কৰিব নোৱাৰি। সেইদৰে অঙ্গক্ষত থাকিলে ৰাজপুত্ৰ হলেও ৰজাৰ লায়ক হব নোৱাৰে।

৩৭০। খালেহে বুজি তিতানে মধুৰ

গলেহে বুজি বাট কিমান দূৰ।।

কোনো এটা বস্তুৰ কেনেকুৱা সোৱাদ খালে বুজিব পাৰি। কোনো এখন ঠাইৰ পৰা আন এখন ঠাইলৈ দূৰত্ব কিমান অহাযোৱা কৰিলেহে অনুমান কৰিব পাৰি। সকলো কামতে অভিজ্ঞতা লাগে। অভিজ্ঞতা নহলে ভাল বেয়া সহজ বা কঠিন একো বুজিব নোৱাৰি।

৩৭১। খুটিব নোৱাৰিলে ফোঁপাউৰি মাৰিবা।

সাপক কোনোবাই অনিষ্ট সাধন কৰিবলৈ গলে সাপে খুটিয়ায় খুটিব নোৱাৰিলে ফোপাউৰি মাৰি শত্ৰুক ভয় দেখুৱায়। শত্ৰুৰ আক্ৰমণত গা পেলাই দিলে শত্ৰুৱে বেছিহে আশয় পায়। বাধা দিব নোৱাৰিলেও খং, ৰাগ দেখুৱাই শত্ৰুক আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

৩৭২। খেনোক দেখি ৰান্ধে বাঢে।

খোনোক দেখি দুৱাৰ মাৰে।।

মনে মুখে নিমিলা মানুহ দেখিলে কথা পাতিবলৈ মন নাযায়। পাৰিলে দুৱাৰ বন্ধ কৰি থৈ আহিব নালাগে বুলি ইঙ্গিত দিয়া হয়। যাক ভাল পায় তেনেলোকক পদূলি মূৰৰ পৰা আদৰি অনা হয় আৰু ভাল বস্তু ৰান্ধি বাটি খুওৱা হয়।

৩৭৩। খেৰগছিক বান্ধিলেহে খেৰ গছিয়েও বান্ধে।

খেৰ কাটি ভালকৈ বান্ধি মুঠি মুঠি কৰি ৰাখিব লাগে। সেই খেৰেৰে ঘৰৰ ছাল ছাব পাৰি। আলি মুলি হৈ থকা খেৰেৰে ঘৰ ছালে ঘৰৰ মজিয়াত পানী পৰে। উকমা ঘৰত থকা আমনিকৰ কথা। সামান্য বস্তু হলেও তাক আদৰ সাদৰকৈ ভালকৈ ৰাখিলে তাৰে সময়ত ডাঙৰ কাম কৰিব পাৰি।

৩৭৪। খোজে খাৰণি দিয়ে লোণ

এনে ওভতনিত থাকে কোন?

খাৰণিৰ সলনি লোণ দিলে প্ৰকৃত দৰকাৰৰ প্ৰতি মনোযোগ দিয়া নুবুজায়। তাৰদ্বাৰা খালে খাবি নাখালে নাখাবি এনে ধৰণৰ ভাব প্ৰকাশ হয়। গতিকে আদৰ সাদৰ নথকা সকলৰ লগত বাস কৰা উচিত নহয়।

৩৭৫। খোৱাৰ ঠেং খলত

খোৰা মানুহে প্ৰতি খোজতে খালত পৰা যেন পায়। খোৰা মানুহে সমান ঠাইতো ভালকৈ খোজ কাটিব নোৱাৰে। সেইদৰে মানুহৰ বেয়া দিন পৰিলে চাৰিওফালে বিপদে আগুৰি ধৰে।

৩৭৬। খোৰাৰ খোজে পতি অপৰাধ।

খোৰা মানুহৰ খোজ ঠিকভাৱে নপৰে। গতিকে প্ৰত্যেক খোজতে বিপদ থাকে। সেইদৰে অসমৰ্থ জুকিয়াই কথা কব নজনা লোকৰ প্ৰতি কথাতে আৰু কামতে অপৰাধ হব পাৰে। ভালকৈ কাম কৰিব নোৱাৰা নিশকতীয়া নিঠৰুৱা লোকক সকলোৱে অপৰাধী সাব্যস্ত কৰি লবলৈ সুবিধা পায়।

# গ

## ৩৭৭। গঙাটোপ ফু দিলে ফুলে

গঙাটোপ এবিধ মাছ। তাৰ মুখত ফু দিলে পেট আৰু ডিঙি ফুলি উঠে। সেইদৰে অলপ ধতুৱা মানুহক উচটাই দিলে বৰ মানুহৰ ভাব জাগে। ফিটাহি বাঢে গতিকে সামান্য লোকক উচতাই দিব নালাগে।

## ৩৭৮। গঙ্গাৰো যাত্ৰা আইৰো বাৰ্তা।

গঙ্গা স্নান কৰিলে পূণ্য সঞ্চয় হয়। লগতে যদি মাক দেউতাকৰ আত্মীয় কটমৰ খা খবৰ লোৱাটো হয়। তেন্তে একেলগে দুটা কাম হৈ পৰে। দুৰণিৰ পৰা গঙ্গাস্নান কৰিবলৈ যোৱা সকলে গঙ্গাস্নান কৰি পূণ্য সঞ্চয় কৰে আৰু নানা ঠাই দেখি জ্ঞানো লাভ কৰে এক কাৰ্য্যত দুই ৰকম সুফল হয়।

## ৩৭৯। গছকা দুবৰি লুবুৰী থুবুৰী
## অকাঠী নাও ডুবিলে হয় উবুৰি

সদায় গছকি থাকিলে দুবৰি বন বাটিব নোৱাৰে। লুবুৰী থুবুৰী হৈ শেষত মৰি যায়। অকাঠী নাও ডুবিলে তল নাযায় উবুৰি হৈ ভাহি থাকে সেইদৰে অপমানিত অত্যাচাৰিত হৈ নিৰীহ ব্যক্তিয়ে সহিব নোৱাৰি প্ৰাণ ত্যাগ কৰে। লাজ নাইকীয়া সকলে অপমানক অপমান জ্ঞান নকৰে। একো হোৱা নাই যেন দেখৱায়। পাছত আকৌ আগৰ নিচিনা হৈ পৰে। মানীক অপমান কৰিলে গভীৰ ভাবে অপমানিত হয়। সামান্য লোকক অপমান কৰিলে থমকি বৈ আকৌ আগৰ নিচিনা হৈ পৰে।

## ৩৮০। গছত গৰু উঠা হোলোঙাৰ কাণ বিন্ধোৱা

গছত গৰু উঠিব নোৱাৰে হোলোঙা মাৰিবেও কাণ বিন্ধাব নোৱাৰি। ই অসম্ভৱ কাম। কিন্তু কোনো কোনো সময়ত গছত গৰু উঠা খবৰো মানুহে প্ৰচাৰ কৰে। বিশ্বাসো কৰে। ঠিক সেইদৰে হোলোঙাৰে কাণ বিন্ধোৱাৰ দৰে অসম্ভৱ কথাকো বহু সময়ত মানুহে বিশ্বাস কৰিবলগীয়া হয়।

## ৩৮১। গছ নোহোৱা দেশত এৰাই বৃক্ষ।

ওখ ডাঙৰ গছ নাথাকিলে এৰা গছকে বৃক্ষ বুলি কব লগীয়া হয়। সেইদৰে যত জ্ঞানী গুণী লোক নাথাকে তাত ক খ ম ম জনা জনকেই জ্ঞানী গুণী মানুহ বুলি ধৰিব লগীয়া হয়।

## ৩৮২। গছত কঁঠাল ওঠত তেল
## নৌ খাওঁতেই তেল-বেল।

পকা কঁঠাল একুৱাবলৈ হাতত তেল সানি লোৱা হয়। তেতিয়া হাতত এঠা নালাগে। কঁঠাল গছৰ ওপৰতে থাকে খাব খোজা জনে পাৰি খাব লাগে। কঁঠাল খাম বুলি ওঠত তেল ঘঁহিলে কঠালৰ কোঁহ মুখত সোমাই নপৰে। আগতে তেল ঘঁহি লোৱা কাৰণে ওঠ লেটলেটীয়া হয়। অস্বস্তি লাগে।

৩৮৩। গছৰ মূল

ঘৰৰ বুঢ়া।

গছৰ গুৰিটোৱেই বৃহৎ গছজোপাক থিয় কৰাই ৰাখে। পৰিবলৈ নিদিয়ে। ঘৰৰ বুঢ়া জনেও ঘৰখন স্থিৰেৰে ৰাখে বিশৃংখল হৈ পৰিবলৈ নিদিয়ে। সেই কাৰণে ঘৰৰ বুঢ়া মানুহৰ হাক বচন মানি চলিব লাগে।

৩৮৪। গছ যিমানে ওখ হয় বতাহে সিমানে কোবায়।

ওখ গছত বতাহ ধুমুহা বেছি লাগে। ওখ গছ ভাগেও। সেইদৰে ডাঙৰ মানুহৰ গাত নানা ধৰণৰ কামৰ ভাৰ পৰে দায়িত্ব বাঢ়ে। দায়িত্ব বজায় ৰাখিব নোৱাৰিলে বিপদো হয়

৩৮৫। গছৰ গুটি খাবা

নাম নকবা।

যি ধৰ্ম গ্ৰহণ কৰা হয় তাক অতি গোপনীয় ভাবে ৰাখিব লাগে। নিজৰ ইষ্ট দেৱতাৰ নাম আৰু ভক্তিভাব আনৰ আগত প্ৰকাশ কৰিলে আনে লঘু কৰিব পাৰে। গতিকে নিজৰ বিশ্বাস অটুত ৰাখিবলৈ স্বধৰ্ম সদৰি কৰি ফুৰিব নালাগে।

৩৮৬।

বতাহ ধুমুহাত গছ লৰে গুৰি থিৰেৰে থাকে। সেইদৰে ঘৰৰ আন আন মানুহ অস্থিৰ হৈ কিবা কিবি কৰিলেও ঘৰৰ মূল মানুহজন স্থিৰ হৈ থাকিব লাগে। ধৈৰ্য্য ধৰি থাকিলে ঘৰৰ সুস্থিৰতা পুনৰ ঘূৰি আহে।

৩৮৭। গছত উঠি মৰে।
লগা ভগাই ভৰে।

গছত উঠা মানে নভবা নিচিন্তাকৈ ডাঙোপ মৰা। এজনে ডাঙোপ মাৰি ফুৰিলে বা উত্তাওালি কৰিলে তেওঁৰ বিপদ হয়। সেই বিপদে আত্মীয় কুটুম সকলকো জুলুম কৰে। ল'ৰাৰ আতিশয্যাই মাক দেউতাকক চিন্তাযুক্ত কৰে অগুহী বগুহীকো বিপদত পেলায়।

৩৮৮। গছত উঠি চাবি বাইজ যেনি যায় সেইপিনে যাবি।

বাইজক এবি অকলশৰীয়া হৈ থাকিব নালাগে। বাইজৰ গতিগোত্ৰ চাই বাইজৰ লগে লগে যাব লাগে। তেতিয়া সকলোৱে লগত মিলেৰে থাকিব পাৰি।

৩৮৯। গছত তুলি গুৰি কাটে।
বিপদত এৰাৰ মাত নামাতে।

বহু মানুহে আনক উচটাই কাৰ্য্য সিদ্ধি কৰিবলৈ বিচাৰে। কু মতলৰ থাকিলে দুষ্ট লোকে উচটাই লোকক বিপদলৈ ঠেলি দিয়ে। বিপদত পৰা দেখিলে মাত এষাৰো নামাতে। গতিকে আনৰ প্ৰৰোচনাত নভবা নিচিন্তাকৈ কোনো কাম কৰিব নালাগে। দুষ্ট লোকে আনক উচতাই জোল খায়।

৩৯০। গছৰ গুৰি কাটি আগত ঢালে পানী

গছৰ গুৰিত কাটি আগত পানী ঢালিলে একো লাভ নহয়। কিছুমান কুচক্ৰী মানুহে আনক সকলো প্ৰকাৰে সহায় কৰা যেন দেখুৱাই তলে তলে বিপদলৈ ঠেলি দিয়ে। বিপদত পৰিলে উদ্ধাৰ নকৰে উস! আস ! উচ্চাৰণ কৰি কপট সহানুভূতি জনায়। গতিকে মানুহে সদায় নিজৰ সুবিবেচনাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আনৰ প্ৰৰোচনাত বা তোষামোদত ভোল যাব নালাগে। দুষ্ট লোকৰ প্ৰৰোচনাত বিপদ থাকে।

৩৯১। গছ কাটোঁতাক গছে ছায়াৰ পৰা বঞ্চিত নকৰে।

গছে ছায়া দিয়ে। যিজনে গছজোপা কাটি থাকে তেৱোঁ গছৰ ছাঁয়াতে থাকি গছ কাটে। গছে তেনে অনিষ্টকাৰী জনকো ছায়াৰ পৰা বঞ্চিত নকৰে। সেইদৰে ধৈৰ্য্যশীল উদাৰ ভাৱৰ লোকে শত্ৰুকো ভাল ব্যৱহাৰ কৰে।

৩৯২। গধূলি সময়ত কোৱা
নাও এৰবীয়া ঘাটে মতলীয়া
সেজা চাই দিবা খেৱা।।

গধলি হলে কাউৰী বাহলে উভতি যায়। বূঢ়া কালকে গধূলি হোৱা বুলি কোৱা হৈছে। বূঢ়া কালতো মনৰূপী ঘাটেজন মতলীয়া হৈ থাকে। দেহৰূপী নাও খনৰ স্নেহ মমতা দয়া প্ৰেম এটা বাৰত আৰু ক্ৰোধ লোভ মোহ আনটো বাৰত থাকে। সাধাৰণতে কাম ক্ৰোধ লোভ মোহ থকা বাৰটি একটীয়া হয়। নাওখন ডুবোঁ ডুবোঁ অৱস্থাত থাকে। অলপ অসাৱধান হলেই নাওখন ডুবিব পাৰে। বুঢ়া কালত ক্ৰোধ লোভ মোহ বেছি হয়। তাৰ কাৰণে বিপদ হব পাৰে। চাইচিতি বেছি সাৱধান হৈ চলিব লাগে। অৱস্থা চাই ব্যৱস্থা কৰিব লাগে।

৩৯৩। গপত মৰে গজ হস্তী বণ্ডতে মৰে ছগা।
লোভত মৰে পানীৰ মাছ কু কামত লগা ভগা।।

হাতী অতি ধীৰ। উদণ্ড হলে গপাল হয় । গপাল হাতী পগলা হৈ মৃত্যুৰ মুখত পৰে। হুগাই জুইৰ পোহৰত উন্মাৱল হৈ পুৰি মৰে। পানীৰ মাছে লোভত পৰি টোপ খাবলৈ আহি মৃত্যু বৰণ কৰে। বেয়া কাম কৰিলে কৰোঁতা জনবেই লগা ভগা সকলকো জীয়াতু ভোগায়।

৩৯৪। গপত গগন ফাটে
হাড়ীৰ ভাত কুকুৰে চাটে।

গপাল মানুহে গপতে ওফন্দি ফুৰে। তেও ভাবে তেৱেহে মানুহ আনবোৰ কুটা। তেনে লোকৰ ভাৱ চিন্তাবোৰ আউল লগা। তেওক কোনেও ভাল নাপায়। সহায় নকৰে। ফলত তেওৰ খোৱা মুঠিকো অসাৱধানতা বশত কুকুৰ সোমাই হাড়ীৰ পৰা খায়। হে বোলোঁতা কোনো নোলায়। অহঙ্কাৰী মানুহে গপত থাকোতে যায় খোৱা মুঠিও নাপায় কৰা কামতো আউল লাগে। কাৰো সহায় নাপায়।

৩৯৫। গপে সিদ্ধি আৰু তপে সিদ্ধি

গর্প মানে দম্ভ অহঙ্কাৰ আৰু প্ৰতিজ্ঞা। বিবেচক সকলে লোক লজ্জাৰ ভয়ত তেও গৰ্ব কৰি কোৱা মতে কাম কৰিবলৈ বাধ্য হয়। তপ কৰিলে অৰ্থাৎ একাণপতীয়াকৈ লাগিব পাৰিলে যি কোনো কামতে সফলতা লাভ কৰিব পাৰি। গতিকে গপ আৰু তপে কাৰ্য্য সিদ্ধি কৰিব পাৰে।

৩৯৬। গপত গণ্ডাটোপ

অহঙ্কাৰী মানুহ অহঙ্কাৰ কৰি নিজে বৰ মানুহ বোলাই গণ্ডাটোপ হৈ ওফন্দি থাকে। তেওৰ দ্বাৰা কোনো কাম সিদ্ধ নহয়। কথাইহে সাৰ। যি নিজক ডাঙৰ বুলি ভাবে। আনক তুচ্ছ জ্ঞান কৰে । তেনেলোকক কেৱে ভাল নাপায়।

৩৯৭। গপালৰ বাপেক মৰে।
তিৰী বেচি শৰাধ কৰে।

অহঙ্কাৰী লোকৰ ফিতাহি মাৰি ফুৰোতে যায়। খোৱা মুঠিৰ কাৰণেও চিন্তা কৰিব লগীয়া হয়। গপত ওফন্দি থকা লোকে বহুতেই মাক বাপেক মৰিলে নিজৰ অতি আৱশ্যকীয় মূল্যবান বস্তু আধামূলীয়াকৈ বেছিহে শৰাধ কৰিব লগীয়া হয়। কোনো কোনোৱে নিজৰ তিৰোতাক বেচি বাপেকৰ শ্ৰাদ্ধ কৰে।

৩৯৮। গৰখীয়া ভাল হলে গৰুও ভাল হয়।

গৰুৰ লুটুৰা স্বভাৱ। ভাল ঘাহ পানী দেখিলে জেওৰা ভাঙি খায়। গৰখীয়া ভাল হলে তেনেবোৰ কাম কৰিবলৈ হকা বধা কৰে তেনে কৰোঁতে কৰোঁতে গৰুৱে জেওৰা নভঙা হৈ পৰে। সেইদৰে মাক দেউতাক ভাল হলে ল'ৰা ছোৱালীবোৰ ভাল হয়। লোকৰ অন্যায় কৰিবলৈ নাযায়।

৩৯৯। **গৰখীয়াই এৰিব**
**গিৰীহঁতে এৰে কেনেকৈ!**
**বা গৰখীয়াই এৰিলেও গিৰীহঁতে এৰিব নোৱাৰে।**

গৰখীয়াক গৰু চৰাবলৈ দিয়া হয়। সি গৰু চৰাওতে কোনোবাটি গৰু কেনিবা গ'লে বিচাৰি নাপাই এৰি থৈ আহিব পাৰে। গৰুৰ গিৰীহঁত তেনেকৈ গৰু এৰি থব নোৱাৰে। যি কোনো উপায়ে বিচাৰি খোচাৰি আনিবই। কাৰণ গৰুৰ লগত গাখীৰৰ কথা থাকে। হাল বোৱাৰ কথা থাকে। সেইদৰে ছোৱালী বিয়া দিলে অপছন্দ হ'লে গিৰীয়েকে এৰি দিব পাৰে। কিন্তু মাক বাপেকে এৰি থব নোৱাৰে। পুনৰ ঘৰলৈ আনি থিতাপি লগাব লগীয়া হয়।

৪০০। **গৰু চাবা গধূলি**
**বোৱা চাবা পুৱা**
**জকাই বাওঁতে ছোৱালী চাবা**
**কোন কেনেকুৱা।**

কিনিবলৈ বিচৰা গৰু গধূলি চাব লাগে। গধূলি গৰুৱে খাই বৈ নিপোটল হয়। আন সময়ত চেৰেলা পৰি থাকিব পাৰে। গৰু বেমাৰী হ'লে খালে বলেও নিপোটল নহয়। পথাৰত বোৱা ভাল হৈছেনে নাই ৰাতিপুৱা চাবলৈ যাব লাগে। তেতিয়া বোৱাৰ চেহেৰা বুজিব পাৰি। ছোৱালী ৰূপ চাবলৈ হ'লে জকাই বাই থাকোঁতে চাব লাগে। তেনে অৱস্থাত ছোৱালী ভাল বেয়া ধৰিব পাৰি। গাৰ গঠন চাব পাৰি।

৪০১। **গো হ'ল গৰীয়া পো হ'ল চোৰ**
**জী হ'ল নটিনী উপায় হেৰাল মোৰ।**

হালবোৱা গৰু হাল দগা হ'লে হালত নাযায় শুই শুই পৰে তেনে গৰুৱে হালবোৱা অতি কষ্টকৰ হয়। ল'ৰা চোৰ হ'লে মানুহৰ নানা কথা শুনিব লাগে। টকা পইচা অনাহকত ভৰণি হয় দুৰ্ণাম হয়। জীয়েকজনীৰ যদি চৰিত্ৰ বেয়া হয় মাক দেউতাকে দুচিন্তাত দিন কটাব লগীয়া হয়। ভাল কৰাৰ উপায় নাথাকে।

৪০২। **গৰু কিনিবা বিংটিয়েৰ বাট**
**ছোৱালী আনিবা দিনটিয়েৰ বাট।**

বিণ্ডি পাৰি সোধ পোছ কৰিব পৰা ঠাইৰপৰা গৰু কিনিব লাগে। গৰু হেৰালে মেলিলে বেছি দূৰলৈ যাব নালাগে ওচৰতে পোৱা যায়। ছোৱালী বিয়া কৰাব লাগিলে এদিনৰ বাটৰ পৰা বিয়া কৰাই আনিব লাগে। তেতিয়া মিতিৰৰ আদৰ থাকে। ছোৱালী হকে বিহকে মাকৰ ঘৰলৈ যেতিয়াই তেতিয়াই যাব নোৱাৰে। ঘৰধৰি থাবলৈ শিকে।

৪০৩। **গৰু নষ্ট হয় লোকৰ ঘৰত থলে।**
**খেতি নষ্ট হয় মাজে বাট ললে।**

নিজৰ গৰু আনৰ ঘৰত ৰাখিলে গৰুৱে পিৰীইতক চিনি নোপোৱা হয়। ঘৰ বুলিও চিনি নোপোৱা হয়। আনে গৰুৰে কাম কৰায় খোৱা নিদিয়ে গতিকে অনাদৰত চেহেৰা পাতিও বেয়া হয়। খেতিৰ মাজেৰে বাট হ'লে গচকত বহু শস্য নষ্ট হয়। গতিকে নিজৰ গৰু আনৰ ঘৰত থব আৰু খেতিৰ মাজেৰে বাট দিব নালাগে।

৪০৪। গৰু কিনিবা চিকা জালি

দুই চাৰি দন্তীয়া ভালি।। (ডাক)

গৰু কিনিবলৈ হলে দুদঁতীয়া চাৰিদন্তীয়া অথবা ছদন্তীয়া ধুনীয়া চাই কিনিব লাগে।

৪০৫। গৰু কিনিবা দীঘল নেজা

মৈত উঠিলে নহয় কুঁজা। (ডাক)

নেজ দীঘল গৰু বেছ সবল হয় আৰু হাল মৈ টানোতে দিগদাৰ নিদিয়ে কুঁজা নহয়। সেইবাবে দীঘল নেজীয়া ধুনীয়া গৰু কিনিব লাগে।

৪০৬। গৰু কিনিবা চিত পাখৰ।

ডাক মেলিবা একে আখৰ।

গৰু কিনিবা নিগুণ বগা

বোলন্ত ডাকে মই হওঁ লগা। (ডাক)

গৰু কিনিবলৈ হলে পখৰা অথবা শুধ বগা ৰঙৰ কিনিবলৈ ডাকে উপদেশ দিছে। পখৰা গৰুৰে হাল বাওতে বেছি চিঞৰিব নালাগে। এবাৰ হেই বুলিলেই গৈ থাকে। বগা গৰু গৃহস্থৰ মঙ্গলৰ কাৰণ। এই কথা ডাকে কৈছে।

৪০৭। গৰু চুৰ কৰি পঘাত ধৰিবলৈ লাজ কৰিলে লাভ কি?

গৰু চুৰ কৰাটো লাজৰ কথা পঘাত ধৰা কোনো লাজ বা অপমানৰ কথা নহয়। বেয়া কাম কৰি সৈ কাটিবলৈ লাজ কৰা অনুচিত।

৪০৮। গৰু আলচিয়া পানী খায়।

মানুহ আলচিয়া বেলি চায়।

অলস গৰুৱে বাৰে বাৰে পানী খাবলৈ বিচাৰে। এলেহুৱা মানুহে কামটো শেষ কৰাৰ কথা নাভাবি কেতিয়া কামটো এৰি যাব পাৰিব তাকে ভাবি ঘনাই ঘনাই বেলি পৰিবৰ হ লনে নাই তাকে চাই থাকে।

৪০৯। গৰুৰ আগত টোকাৰি বায়।

কাণ জোকাৰি ঘাঁহ খায়।

গৰুৱে খাব আৰু শুবহে জানে। গান বজনা নৃত্য গীত একো বুজি নাপায় উপভোগো কৰিব নোৱাৰে। গৰুৰ আগত টোকাৰি বজালে গৰুৱে কাণত কিবা

সোমোৱা যেন অনুভৱ কৰি কাণ মূৰ জোকা'ৰ আৰু পুনৰ খোৱা কামত লাগি যায়। সেইদৰে অজ্ঞানীক জ্ঞানগৰ্ভ কথা ক'লে মূৰ্খক সজ উপদেশ দিলে একো বুজিব নোৱাৰে। জ্ঞানো লাভ কৰিব নোৱাৰে উপদেশো গ্ৰহণ কৰিবলৈ সমৰ্থ নহয় পৰিশ্ৰমহে অথলে যায়।

৪১০। গ'ল কুঁজী গ'ল চন্দন পিন্ধাবলৈ গ'ল।
কৃষ্ণৰ লগ পাই কুঁজী ধামনি বাই ষোল বছৰীয়া হ'ল।

কুঁজীয়ে কৃষ্ণক চন্দন পিন্ধাবলৈ গৈছিল। কৃষ্ণৰ চাতুৰীত চন্দনৰ কথা পাহৰিলেই। ষোড়শী যুৱতীৰ চৰিত্ৰহে প্ৰকাশ কৰিলে। সঙ্গত পৰিলে সকলোৰে মনলৈ দুৰ্বলতা আহিব পাৰে।

৪১১। গতিয়াই নিওঁতা নাই।
দোলাৰে যায়।

যাৰ কোনেও খা খৰবকে নকৰে গলত ধৰি ঠেলি নিওতাও যাৰ নাথা'ক। তেনে লোকক দোলাৰে নিবহি বুলি ভাবি থকাৰ কোনো প্ৰয়োজন নাই।

৪১২। গলৰ ঘাত তৰে
আঠুৰ ঘাত মৰে।

(গলৰ) ডিঙিৰ ঘা বিপদজক। তাৰ আশু আৰোগ্যৰ বাবে চিকিৎসাৰ প্ৰয়োজন কাৰণ ডিঙিৰ ঘাই মানুহৰ মৃত্যু ঘটাব পাৰে। আঠুৰ ঘা সিমান বিপদজনক নহয়। আঠু কাটি হানি কৰিলেও জীয়াই থাকিব পাৰে। কিন্তু দিন বেয়া হলে বা অসাবধান হলে আঠুৰ ঘাই মাৰাত্মক ৰূপ ধাৰণ কৰিব পাৰে। সেইদৰে সাংঘাতিক বিপদৰ পৰা মানুহ ৰক্ষা পৰিব পাৰে। সামান্য বিপদেই মানুহৰ প্ৰাণ নাশ কৰে।

৪১৩। গড গাঁৱৰ পিছল বাট।
ডেকাও নিচিনি বুঢ়াও নিচিনি
হাতে পতি লাখুটিপাত।

বুঢ়া সকলেই লাখুটি লোৱা দেখা যায় আৰু দেখিবলৈও ভাল লাগে। পিছল বাটত বাতত লাখুটি থাকিলে পিছলি পৰাৰ ভয় নাথাকে। পিছল বাটত ডেকা বুঢ়া নিৰ্বিশেষে লাখুটিকহে আশ্ৰয় কৰি লয়। ডেকা বুঢ়াৰ ভেদ নাথাকে। গড়গাও এসময়ত আহোম ৰাজ্যৰ ৰাজধানী আছিল। শাসন আছিল কটকীয়া। শাসনত সৰু বৰ বা বিষয়াৰ বাছ বিচাৰ নাছিল। সকলোকে সমান দেখিছিল।

৪১৪। গড়গঞা মিচিৰৰ জাও
বাহিৰৰ কৰ থক থক

**তৰিবে বেঁচুকে নাও।**

আহোম ৰজাৰ দিনত ৰাজধানী গড়গাওত চতুৰ মানুহবোৰেক ৰখা হৈছিল। বিৰয়া আদিৰ উপৰিও চোৰাংচোৱা লোক তাত আছিল। চোৰাংচোৱা বোৰে গাঁৱে ভূঞে মিতিৰৰ ভাও লৈ সোমাইছিল আৰু সকলো সম্বেদ নি তলেতলে ৰজা ঘৰত জনাইছিল। তাৰ কাৰণে দোষী মাত্ৰেই শাস্তি ভোগ কৰিব লগীয়া হৈছিল।

৪১৫। **গড় গঞা কটাৰীৰ ডাবেও কাটে।**

কটাৰীৰ ধাৰে হে কাটে ডাবে নাকাটে। আহোম ৰজাৰ ৰাজধানী হৈ থকা সময়ত গড়গাৱঁৰ শাসন বৰ কটকটীয়া আছিল। দোষ কৰিলেই শাস্তি খাব লাগিছিল। মানুহবোৰে ৰাজবোষত পৰিবলৈ বৰ ভয় কৰিছিল। যিমানেই নগণ্য নহওক তেও ৰজাৰ হুকুম বুলি কলেই মানুহে মানিবলৈ বাধ্য হৈছিল। ৰজাৰ হুকুমত যেনেকৈ কাম চলিছিল তেওৰ পালি পহৰীয়াৰ হুকুমতো ৰজাৰ নামত তেনেকৈ কাম চলিছিল তাকে ডাবে কটা বুলি কোৱা হৈছে।

৪১৬। **গড়ে নাখায় চেলেকিহে হাড় উলিয়াই।**

গড়ে মঙহ নাখায়। ঘাঁহ খায়। কিন্তু গড়ে চেলেকা মৰিলে হাড় ওলায়। অনিষ্টকাৰীসকলে দেখাত অনিষ্ট কৰা যেন নেদেখুৱালেও সৰ্বনাশ সাধন কৰে।

৪১৭। **গাই গোৱালে মিল হ'লে এআঠু পানীতো দুব পাৰি।**

গায়ে গোৱালৰ কথা বিনা আপত্তিৰে মানি চলে। সেইবাবে গোৱালে য'তে ত'তে এআঠু পানীতো গাখীৰ খীৰাব পাৰে। উভয় পক্ষৰ সম্মতি থাকিলে য'তে ত'তে মিলিত হব পাৰে। মনোমত যি কোনো কামকে কৰিব পাৰে।

৪১৮। **গাই গৰু বায়।**
**ৰত্নাৱলী চায়।।**

হিন্দুসকলে গৰুক পবিত্ৰ জ্ঞান কৰে। গাই গৰুৰ গাখীৰ খায়। গাইৰ গাখীৰ যজ্ঞাদিতো লগায়। সেই বাবে গাই গৰু হালত নোজোঁটে পাপ বুলি জ্ঞান কৰে। কিছুমান ভণ্ডলোকে বৰকৈ ধৰ্মৰ কথা কৈ ফুৰে। ৰত্নাৱলী আদি ধৰ্মৰ পুথি পঢে। আনহাতে গাইগৰুৰে হাল বাই খেতি কৰে। বহুতে মুখত ধৰ্মৰ কথা কৈ জঘন্য কাম কৰি মানুহ বোলায় ই অতি গৰ্হিত কাম।

৪১৯। **গাই আৰু আই সমান।**

কেচুৱাই মাকৰ গাখীৰ খাই ডাঙৰ দীঘল হয়। মাকৰ গাখীৰৰ অবিহনে গৰুৰ গাখীৰ খুৱাই কেচুৱাক ডাঙৰ কৰিব লগীয়া হয়। গাইৰ গাখীৰ ল'ৰা বুঢ়া ৰোগী নিৰোগী সকলোৰে পক্ষে উপদেয় খাদ্য। সেই হিচাবেই গাইক মাতৃ জ্ঞান কৰিব লাগে।

**৪২০। গাখীৰৰ সোৱাদ ঘোলেৰে মিতায়।**

গাখীৰ সোৱাদ লগা উৎকৃষ্ট খাদ্য। গাখীৰ নাথাকিলে ঘোলেৰে সেই সোৱাদ কিছু পৰিমাণে লব পাৰি। প্ৰকৃত বস্তুৰ অভাৱ হ'লে তাৰ ঠাই সেই ধৰণৰ অথবা প্ৰকৃত বস্তুৰ পৰা তৈয়াৰ কৰা অন্য বস্তুৰে পূৰাব পাৰি। কিন্তু প্ৰকৃত বস্তুৰ গুণ তাত নাথাকে।

**৪২১। গাখীৰ খুৱাই সাপ পোহা**

সাপ বিষাল প্ৰাণী। তাৰ বিষ মানুহৰ গাত প্ৰৱেশ কৰিলে মানুহৰ মৃত্যু ঘটে। সেই বিষাল সাপক গাখীৰ খাবলৈ দিলে তাৰ বিষ বৃদ্ধি পায়। সি তেতিয়া যাকে তাকে খোঁটে। সেইদৰে অনিষ্টকাৰীক মৰম কৰি খুৱাই বোৱাই আপোন কৰিবলৈ চাব নালাগে। আপোন হবলৈ পালে অনিষ্ট কাৰীয়ে অহিত সাধন কৰিবলৈ বেছি সুচলহে পায়।

**৪২২। গাখীৰত গোবৰৰ ছিটিকনি।**

গাখীৰ উৎকৃষ্ট খাদ্য আৰু পবিত্ৰ বস্তু। গোবৰে অপবিত্ৰ ঠাই পবিত্ৰ কৰিব পাৰে। অপবিত্ৰ বস্তু পবিত্ৰ কৰিব নোৱাৰে। খাদ্য বস্তু অখাদ্য কৰি পেলায়। তেনে গোবৰৰ ছিটিকনি পবিত্ৰ গাখীৰত পৰিলে গাখীৰ অপবিত্ৰ আৰু অখাদ্য হৈ পৰে। সকলো বস্তুৰ ব্যৱহাৰ সকলোতে সমান হব নোৱাৰে। সেইবাবে য তে ত তে যেই সেই বস্তু মিহলি কৰিব নালাগে।

**৪২৩। গাখীৰতে ম'হৰ খুটি।**

য'ত গাখীৰ পোৱা যায় তাতে ম'হৰ খুটি কৰিলে গাখীৰ উভৈনদী হৈ পৰে। যাৰ ধন সম্পত্তি আছে তাক ধন সম্পত্তি উপাৰ্জনত বিশেষ সুযোগ দিলে এইবাৰ কথা কোৱা হয়। ইয়াত সুবিধা থকা লোকে বেছি সুবিধা পোৱাৰ কথা কোৱা হৈছে।

**৪২৪। গাখীৰৰ গোন্ধে খাবা।**

**মিতিৰৰ গোন্ধে যাবা।।**

ভাল গাখীৰৰ গোন্ধেই বেলেগ। গোন্ধ লৈ গাখীৰৰ খাব লাগে। যাৰে তাৰে লগত মিতিৰ পাতিব নালাগে। চাই চিতি মিতিৰ পতা ভাল। ভাল মিতিৰে উপকাৰ কৰে।

**৪২৫। গাঁঠিৰ গুৱা খাই আৰ্শীৰ্বাদ দিয়া।**

অসমীয়া মানুহৰ দস্তুৰ গুৱাপাণ দি আলহীক আনকি গুৰু গোঁসাইকো সেৱা সৎকাৰ কৰে গুৰু গোঁসায়ে তাকে লৈ সন্তুষ্ট হয় আৰু আশীৰ্বাদ দিয়ে। কিছুমান কৰ্পদকহীন মানুহ আছে তেওঁলোকে গুৱা পাণ যচিব নোৱাৰে। তথাপি বিনম্ৰ হৈ প্ৰাৰ্থনা কৰে আলহী আৰু গুৰু গোঁসায়ে যেন নিজৰ হাঁচতিৰ গুৱা পাণ খাই হলেও আশীৰ্বাদ

একেৰা দি যায়। কাৰণ অৰ্ঘ দান আদি নাপালে গুৰু জনে আশীৰ্বাদ দিয়াৰ নিয়ম নাই যদিও বিনম্ৰ প্ৰাৰ্থনা শুনিলে গুৰু গোঁসাইৰ মন কোমলে আশীৰ্বাদ নিদিয়াকৈ নাথাকে।

**৪২৬। গাত নাই চাল বাকলি।**
**মদ খাই তিনি টেকেলি।**

মদাহী মানুহে ধন সম্পত্তি বিক্ৰী কৰিও মদ খায়। দুখ কষ্টত গাৰ চাল বাকলি এৰিলেও মদ খাবলৈ নেৰে। সামৰ্থহীন ফোঁপজহী মানুহে দান দক্ষিণা মহৎ কাৰ্য্য আদিৰ কথা বৰকৈ কয়। কৰিবৰ বেলিকা একো নকৰে।

**৪২৭। গাখী মাৰিলে হাত গোন্ধায়।**
**চিকা মাৰিলেও হাত গোন্ধায়।**

গান্ধী এবিধ পতঙ্গ ই শস্য নষ্ট কৰে। গান্ধী হাতেৰে চুলেই হাত গোন্ধায়। চিকা মাৰিলেও হাত গোন্ধায়। ক্ষুদ্ৰ প্ৰাণী হলেও জীৱহত্যা পাপ। তাৰ বাবে মনত দুখ লাগে। দোষী দোষী ভাব মনলৈ আহে। বেয়া কাম কৰি অসন্মানিত হব লাগে।

**৪২৮। গাৰ কাপোৰ পেটৰ ভাত**
**তাক পালে সকলো নিমাত।।**

জীৱন ধাৰণ কৰিবলৈ পেটৰ ভাত মুঠি আৰু লজ্জা নিবাৰণ কৰিবলৈ গাৰ কাপোৰখন হলেই হয়। তাকে পাবলৈ মানুহে কঠোৰ পৰিশ্ৰম কৰিব লাগে। খোৱা মুঠি আৰু পিন্ধা উৰা কাপোৰ পালেই মানুহ সন্তুষ্ট হৈ থাকে। নাপালেই হাহাকাৰ লাগে। আকালৰ সৃষ্টি হয়। বিদ্ৰোহো হয়।

**৪২৯। গাৰ নোমেই শত্ৰু।**

দিন বেয়া হলে অতি আপোন জনেও শত্ৰু হৈ পৰে। আত্মীয় কুটুম এৰাব নোৱৰা অঙ্গ স্বৰূপ হলেও বেয়া দিন হলে নিজৰ স্বাৰ্থ সিদ্ধিৰবাবে কুটুমেও শত্ৰুতা আচৰণ কৰে। তাকে গাৰ নোমেও শত্ৰু হৈ উঠে বুলি কোৱা হৈছে।

**৪৩০। গাৰ কঁথাই ভালুকৰ সাঙী।**

ভালুক হিংস্ৰ জন্তু। ভালুকক সাঙী কৰি নিবলৈকো বৰ গধুৰ হয় আৰু এৰি দিলেও অনিষ্ট সাধন কৰে। গতিকে এৰিব ধৰিব নোৱাৰা অৱস্থা এটা হয়। কথা খনো লব নোৱাৰা আৰু এৰি থব নোৱাৰা বস্তু। জাৰৰ দিনত দৰকাৰ গৰমৰ দিনত অৰ্দাকাৰী হৈ পৰে উপকাৰত অহা বস্তুৱে কেতিয়াবা অসুবিধাৰো সৃষ্টি কৰিব পাৰে।

**৪৩১। গাৰ মঙহে কাউৰ শগুণক নিয়ে।**

দুৰ্দশাই লগ দিলে নিজৰ মঙহো পৰিত্যাগ কৰিব লগীয়া হয়। আপদ কালত নিজৰ আত্মীয় কুটুমক শত্ৰুৰ হাতত এৰি দিব লগীয়া হৈ পৰে। দেশ ৰক্ষাৰ সময়ত নিজৰ সন্তান আদিকো ত্যাগ কৰিব লগীয়া হয়।

৪৩২। **গাৰে সুখী পেটে দুখী।**

**থাক ভেন্না চাঙত উঠি।**

এলেহুৱা মানুহে বিছনাখন হে ভাল পায়। শৰীৰত দুখ নিদি বিচনাত আৰাম কৰি থাকিলে পেট নভৰে কষ্ট খাব লগীয়া হয়।

৪৩৩। **গাৰ মলি ধুলে যায়।**

**মনৰ মলি লগত যায়।।**

গাৰ মলি হ'লে ধুই পেলাব পাৰি। মনত বেয়া ভাবে ঠাই পালে সেই ভাব সহজে নাতৰে। মৰিলেহে লগত যায়।

৪৩৪। **গাঁৱৰ বলদ ওচৰৰ ভুঁই।**

**ইয়াক নেৰিবা জানন্তা হুই (ডাক)**

বলদ কিনিলে গাঁৱৰ পৰাই কিনা ভাল। কাৰণ কেতিয়াবা হেৰালে বিচাৰি উলিয়াব পাৰি। গাঁৱৰ বলদৰ বিষয়ে ভালকৈ জানি শুনিও কিনিব পাৰি। ঘৰৰ ওচৰত বা নিজৰ ভুইৰ ওচৰৰ মাটি পালে লৈ থব লাগে। তেনে মাটিৰ গোলমাল নাথাকে আৰু নিজৰ উপকাৰত লাগে। ওচৰত থকা বাবে খেতিখালা চাই থাকিব পাৰি। জ্ঞানীয়ে গাঁৱৰ বলদ ওচৰৰ ভুই ত্যাগ নকৰে।

৪৩৫। **গাহৰিক গা ধুৱালেও লেটি লয়।**

গাহৰিৰ ছাল ডাঠ গাত চৰ্বিৰ ভাগ বেছি। সেই কাৰণে ৰদত সিহঁতে থাকিব নোৱাৰে। বোকাত লেটি লৈ থাকে। বোকাত লুতুৰি পুতুৰি হোৱা দেখি গা ধুৱাই পৰিষ্কাৰ কৰি দিব পাৰি। কিন্তু সেয়ে গাহৰিক সন্তুষ্ট কৰিব নোৱাৰে। সি গৈ আকৌ বোকাত লেটি লবই। যাৰ যি অভ্যাস তাক সহজে এৰিব নোৱাৰে।

৪৩৬। **গায়নৰ ঘৰৰ বোন্দায়ো ৰাগ দিয়ে।**

এখন ঘৰত যি বিষয়ৰ চিন্তা চৰ্চা বেছি হয় তাৰ প্ৰভাৱ ঘৰৰ সকলোৰে ওপৰত পৰে। গায়নৰ ঘৰৰ ল'ৰা লুৰিৰ কথা বাদেই চাকৰ বাকৰেও ৰাগ দিব জনা হয়। আনকি বোন্দা মেকুৰীৰ ম্যেও ম্যেও মাতেও তেনে ৰাগ ৰাগিনীকে সূচনা কৰা যেন লাগে।

৪৩৭। **গিৰমিত দিয়া কুলী**

**মাতিৰ কি বুলি?**

গিৰমিত দিয়া মানে নিৰ্দিষ্ট বন্দোৱস্তত অহা লোক। যিবোৰে নিৰ্দিষ্ট বন্দোৱস্তিত মজুৰি খাটিবলৈ আহিছে সেইবিলাকে বন্দোৱস্তি শেহ নোহোৱালৈকে খাটিবই লাগিব।

সেই সময়ৰ ভিতৰত কোনো মাত মতাৰ বা আপত্তি দৰ্শোৱাৰ ক্ষমতা তেওঁলোকৰ নাথাকে।

৪৩৮। গিৰী নোহোৱা গৰু।
চাকনি নোহোৱা চৰু।।

গৰাকী নথকা গৰুৰ থকা খোৱাৰ কোনো ঠিকনা নাথাকে। যিহকে পায় তাকে খায় য'তে ত তে পৰি থাকে। খোৱা বস্তু বন্ধা চৰুত চাকনি দিব লাগে। ঢাকনি নাথাকিলে তাত যি কোনো বেয়া বস্তু পৰিব পাৰে যিহে তিহে খাবও পাৰে। তেনে বস্তু খোৱা অন্যায়। সেইদৰে শাসনত নৰখা ল'ৰা ছোৱালী উদণ্ডীয়া হয়। যেই সেই কাম কৰি যাবে তাৰে সঙ্গ লৈ অধপতে যাব পাৰে। মাক বাপেকৰো খ্যাতি নষ্ট কৰিব পাৰে।

৪৩৯। গিৰীহঁত মৰে খাবনি খাই।
চোৰে নিয়ে লফা দাই।

গিৰীহঁতে ডাঙৰ হওক খাম বুলি লোণ খাৰেৰে ভাত খায় বাৰীৰ শাক লাই লফা নিছিঙে। চোৰে সেই কথা বুজিবলৈ চেষ্টা নকৰে। তেনেকৈ মৰমতে ৰখা শাকনি বাৰী চোৰে চুৰ কৰি লৈ যায়। মানুহে নিজৰ স্বাৰ্থহে বেছিকৈ দেখে। আনৰ প্ৰতি অকণো সদয় নহয়।

৪৪০। গিৰীয়ে চোৰক চান্দে।
উলটি চোৰে গিৰীক বান্ধে।

সাধাৰণতে গিৰীহঁতে চোৰ ধৰিবলৈ বিচাৰে। কিন্তু চতুৰ চোৰে গিৰীহঁতক হে চোৰ বুলি বিপদত পেলাই নগুৰ নাগতি কৰে। অৰ্থাৎ চতুৰ চোৰৰ হাতত পৰিলে গিৰীহঁতৰ থৰ কাছুট হেৰায়। চোৰেই গিৰীহত হৈ গিৰীহতক চোৰ সাব্যস্ত কৰে।

৪৪১। গিয়াতিৰ ল'ৰা গছত উঠিল।
আম নহলে ভোজেই মিলিল।

ভাগী গিয়াতিৰ কোনোবা মৰিলে ওচৰ চুবুৰীয়াই ভোজ খাবলৈ পায়। গিয়তিৰ ল'ৰাই আম পাৰিবলৈ গছত উঠি যদি আম পাৰে তেন্তে ওচৰ চুবুৰীয়াই তাৰ ভাগ পায়। যদি আম পাৰোঁতে গছৰ পৰা পৰি মৰে তেন্তে মৰাৰ ভোজ খাবলৈকো পায়। গতিকে উভয় পৰিণতিতে ওচৰ চুবুৰীয়াৰ লাভ হয়।

৪৪২। গুটি নোহোৱা গছত বান্দৰো নুঠে।
চৰাইয়ো নপৰে মানুহে নাচায় বৈ।।
নিজৰ বাপটো নিজেহে ৰখানে

আমনি নালাগে কৈ।।

ফল নলগা গছত বাদ্দৰ নুঠে চৰাই নপৰে মানুহে বৈ নাচায়। কাৰণ তাত কাবো খাদ্য নাথাকে। গছজোপা মাথোন থিয় হৈ থাকে। সেইদৰে কিছুমান লোকে নিজকে ৰূপহ বা ৰূপহী বুলি ভাবে। আনে তেনে লোকলৈ সমূলি চকু নিদিয়ে। নিজে ভাল বুলিলে ভাল নহয়। আনে ভাল বুলিহে ভাল। গুণ থাকিলেহে ৰূপৰ মূল্য থাকে।

৪৪৩। গুটি সিঁচিবা খলি চাই,
অথলত নিদিবা
সাঁচি নথবা
সাঁচিলে মৰহি যায়।
সিঁচিলেহে বৃদ্ধি পায়।

ভক্তি আৰু জ্ঞান যাকে তাকে দিব নালাগে উপযুক্ত পত্রত দান কৰিব লাগে। উপযুক্ত পাত্রত ভক্তি আৰু জ্ঞান দিলে সি বৃদ্ধি পায় সেইজনেই উপযুক্ত পাত্রত ভক্তি আৰু জ্ঞান দিলে আন বৃদ্ধি পায়। সেইজনে উপযুক্ত আন এজনক দিব পাৰে এইদৰে উপযুক্ত পাত্রত দিব নোৱাৰিলে সি কোনো ফল দান নকৰে। সাঁচি থলেও জ্ঞান ভক্তি অকামিলা হৈ পৰে।

৪৪৪। গুণত ধৰোঁতেই বুজিব পাৰি দাদা কিমান ধনুৰ্দ্ধৰ।

ধনুৰ গুণ টানিলেই বুজিব পাৰি মানুহজন ধনু চলোৱাত কিমান পাকৈত।

সেইদৰে কোনো কাম কৰিবলৈ আৰম্ভ কৰোতেই ধৰিব পাৰি কাম কৰোতাজন কিমান পাকৈত। কমিটি কৰিব পাৰিবনে নোৱাৰে। আৰম্ভণি চায়ে কৰ্মীজনৰ পাৰ্গতালি বুজিব পাৰি।

৪৪৫। গুৱে গুৰু শুচি কৰে
ব্যঞ্জন শুচি কৰে লোণে।
পোকৰৰ নোমে গুৰু সেৱা কৰে
ই কথা মানিব কোনে?

অপবিত্র ঠাই গৰুৰ গুৱে শুচি কৰে। আঞ্জাত লোণ দিলে সোৱাদ হয় বা শুচি হয়। চামৰী পছুৰ নেজৰ নোমেৰে কৰা চোৱৰেৰে গুৰু গোসাইক আদৰি অনা হয়।

৪৪৬। গৃহিনী থাকিলে গৃহ শূন্য
গো ৱধে হয় পুণ্য
ব্ৰহ্মবধত নাই পাপ।

**কৃষ্ণক ভজিলে সৰ্বনাশ।।**

মায়াৰূপিনী গৃহিণী থাকিলে অন্তৰত ধৰ্ম ভাব উদয় নহয়। গোৱধ অৰ্থাৎ ইন্দ্ৰীয় সমূহ দমন কৰিব পাৰিলে পুণ্য অৰ্জন কৰিব পাৰি। আত্ম ৰক্ষাৰ কাৰণে ব্ৰহ্মবধ অৰ্থাৎ অন্ন জল তৃণ আদি ধ্বংস কৰাত পাপ নহয়। মায়া মোহ ত্যাগ আৰু ইন্দ্ৰিয় সমূহ নাশ কৰিব পাৰিলেহে ভগৱানক ভজিব পৰি।

৪৪৭। **গৃহস্থৰ ঘৰে চাৰি বাঁজী গাই।**

**অসতী কন্যাৰ সুখ শান্তি নাই।**

বাঁজী গায়ে পোৱালী নিদিয়ে। শাক পাত খাই তহিল কৰে। কন্যা অসতী হ লে পিতামাতাৰ কষ্ট হয়। মানুহৰ দেহটোৱে ঘৰ কাম ক্ৰোধ লোভ মোহ চাৰিজনী বাঁজী গাই। ইহতে মানুহক কষ্ট দিয়ে সুফল নিদিয়ে। মানুহৰ মনটো অসতী তিৰোতাৰ দৰে। মন বান্ধি ৰাখিব নোৱাৰিলে মানুহৰ সুখ শান্তি নাথাকে।

৪৪৮। **গেন্ধেলা মুখখন গাখীৰেৰে ধোৱে**

**কঁকাল ভঙা মেকুৰীয়ে গোঁসাই ঘৰত শোৱে।**

গেন্ধেলা মুখ গাখীৰেৰে ধুলেও গোন্ধ নায়ায় শুচি নহয়। কঁকালত কোব খাই ককাল ভঙা মেকুৰীয়ে নিৰাপদ ঠাই কণ বিচাৰি গোসাই ঘৰত থিতাপি লয়। তাৰ দ্বাৰা মেকুৰীৰ কোনো পূণ্য নহয়। ভাল বা পৱিত্ৰ স্থান বা বস্তুৱে মানুহৰ অপৱিত্ৰতা অশুচিভাৱ শুচাব নোৱাৰে। শুচি মন আৰু অন্তৰৰ পৱিত্ৰতাইহে মানুহক উন্নত আৰু পৱিত্ৰ কৰিব পাৰে।

**(ভাষান্তৰ)**

**কীয়া মুখ গাখীৰেৰে ধোৱে।**

**কঁকাল ভঙা মেকুৰী মনিকূটত শোৱে।**

৪৪৯। **গেলাতে টেঙা দিয়া**

গেলা বস্তুত টেঙা দিলে বেছিকৈ গেলে। সেইদৰে দুখত দুখ দিলে দুখ বাঢে। শোকতুৰক দোষ যাপি দি নিন্দা কৰিলে শোক বেছি হয়।

৪৫০। **গোজে গজালি মেলি গছ হয়।**

কোনো কোনো গছৰ ডাল পুতিলে পোখা মেলি গছ হয়। সেইদৰে কোনো ঠাইৰ পৰা অহা লোকে থিতাপি লাগি ঘৰ সম্পত্তি কৰিলে তেৱোঁ স্থানীয় লোক হৈ ব শ বৃদ্ধি কৰি স্থায়ী হৈ পৰে।

৪৫১। **গোটি কৰাই গোটি গোটে খায়**

**গুৰি কৰাহঁত দাঁত ভাঙি যায়।**

গোট কৰাই টান বস্তু তাকো গোটে গোটে গিলি খাব পাৰে কিন্তু গুৰি কৰাই খালে দাঁত ভাগে। টান কাম কৰোতাজনে কেতিয়াবা সৰু কাম এটাতে ঠগ খায় নিয়াৰিকৈ কৰিব নোৱাৰে।

**৪৫২। গোবৰত পদুম ফুল ফুলে।**

পদুম বোকাত জন্মে। গোবৰত নজন্মে কেতিয়াবা কেতিয়াব তেনে অথলতো পদুম ফুলিব পাৰে। সেইদৰে সাধৰণতে উচ্চ কুলত হে উচ্চ মানৱ লোক জন্মে। কিন্তু কোনো কোনো ক্ষেত্ৰত সাধাৰণ মানহৰ ঘৰতো গুণী জ্ঞানী লোকে জন্ম গ্ৰহণ কৰে।

**৪৫৩। গোবৰ পানীয়ে পাণ**

**নিকাই বিধাই ধান।**

গোবৰ পানী দিলে পাণ গছ বাঢে নিৰনি বিহুনি কৰিলে ধান গছ বাঢে বেছি গুটি দিয়ে।

**৪৫৪। গোবধীযাৰ গঙ্গা স্নান।**
**গৰু মাৰি জোতা দান ।।**

গৰু হত্যা কৰা মহাপাপ। গতিকে গোবধীয়ই গঙ্গা স্নান কৰিলে অথাবা সেই মৰা গৰু ছালেৰে তৈয়াৰী জোতা দান কৰিলে পাপ স্খলন নহয়। বেয়া কাম বা পাপ কাৰ্য্যক সুকাৰ্য্যত পৰিণত কৰিব নোৱাৰি। পাপক দানেৰে খণ্ডন কৰা টান।

**৪৫৫। গোৰ মাৰি গঙ্গাত পোলোৱা।**

গঙ্গাত স্নান কৰিলে পুণ্য অৰ্জন হয়। গঙ্গাৰ পাৰত মৰিলে স্বৰ্গ বাস হয়। কোনোবাই যদি কাৰোবাৰ অনিষ্ট সাধন অৰ্থাৎ মৃত্যু ঘটাবলৈকো গঙ্গাত গোৰ মাৰি পেলাই দিয়ে। মৃতকৰ পুণ্য আৰু স্বৰ্গাবাস হয়। অনিষ্ট কৰিবলৈ যাওঁতে কেতিয়াবা উপকাৰও কৰা হয়। তেনে ক্ষেত্ৰত গোৰ মাৰি গঙ্গাত পোলোৱা বুলি কোৱা হয়।

**৪৫৬। গোহালিৰ গৰু আৰু বাৰীৰ ঘাঁহৰ ৰাহি নাহে।**

গিৰীহতৰ গোহালিৰ গৰুৱে তেওলোকৰ বাৰীৰ ঘাঁহ খাবলৈ বেয়া পায়। সদায় একে ঘাঁহ খাব লাগে বুলিয়ে হয়তো ভাল নাপায়। নিতে ন ন ঘাঁহ পালে ভাল হয়। মানুহৰ ক্ষেত্ৰতো নিজৰ একেৰমৰ বস্তু ব্যৱহাৰ কৰি আমনি লাগে তেতিয়া আনৰ বস্তুক ভাল পাবলৈ বা খাবলৈ ইচ্ছা কৰে। অৰ্থৎ সহজে লাভ কৰা বস্তুৰ মূল্য কম।

# ঘ

৪৫৭। **ঘন ঘনকৈ দিবা আলি।**
**পৰ্বতৰ টিঙত কৰা শালি।।**
**বা আহিনে কাতিয়ে ৰাখিবা পানী।**
**যেনেকৈ ৰাখে ৰাজাই ৰাণী।**
**তেও যদি নহয় শালি**
**তেতিয়া পাবিৰা ডাকক লাগি।।**

শালি ধান কৰলৈ মাটি বোকা হ'ব লাগে। পানী ৰাখি বোকা কৰিব পাৰিলে যতে ততে শালি ধানৰ খেতি কৰিব পাৰি। পৰ্বতৰ টিঙতো ঘন ঘনকৈ আলি দি পানী ৰাখিব পাৰিলে শালিধানৰ খেতি কৰিব পৰা যায়। বুদ্ধিৰে অসম্ভৱকো সম্ভৱ কৰিব পাৰি। আহিন কাতিত মাহত ধাননিত পানী ৰাখিব লাগে তেতিয়াহে ভাল খেতি হয়।

৪৫৮। **ঘনমূৰী আহু তলমূৰী শাহু।**

আহুধানৰ শীহবোৰত ধান ঘন হ'লে বুজিব লাগে ভাল ধান হৈছে। শাহুৱেক লাজুকীয়া ভাবে তলমূৰ কৰি থকা স্বভাৱ থাকিলে ছোৱালী ভাল বুলি বুজিব লাগে।

৪৫৯। **ঘনচিৰিকাই ৰাজহাঁহক অনুসৰণ কৰিবলৈ গৈ নিজৰ খোজ কাটল পাহৰিলে।**

ঘনচিৰিকাই জপিয়াই ফুৰে। মানুহে কয় ৰাজহাঁহৰ খোজকাটল অনুকৰণ কৰিবলৈ যাওঁতে নিজৰ খোজ কাটল পাহৰি গ'ল। অনুকৰণকাৰী সকলে নিজৰখিনি বেয়া আনৰখিনি ভাল এনে ভাব লৈ অনুকৰণ কৰোঁতে নিজৰ ভাল খিনিও পাহৰি যয়। এবি পোলাব লগীয়া হয়।

৪৬০। **ঘৰৰ কথা নকৰা পৰক**
**পৰক কলে হয় লৰক ফৰক।**

ঘৰৰ কথা পৰক কব নালাগে। পৰক কলে কথাবোৰ লৰক ফৰক হৈ সামান্য কথাই বিপদ ঘটাব পাৰে।

৪৬০। **ঘন ঘনকৈ খুঁটিলে শিঙৰাও মাছ।**

শিঙৰা এজাতি সৰু মাছ। তাৰ মূৰ আৰু কাইটৰ তুলনাত মাংস কম। ঘন ঘনকৈ বৰশীত লাগিলে শিঙৰা মাছেও আগ্ৰা সোৱাদ কৰে। সৰু হলেও কেবাটাও পালে মাছ খোৱা যেন লাগে। সেইদৰে সংখ্যাত কম হলেও ঘনাই পোৱা বস্তু সংখ্যা বাঢ়ি বহু হৈ পৰে।

৪৬১। ঘৰ নষ্ট কৰে ধকাই।

মেল নষ্ট কৰে ধেকোই।

ধকা অৰ্থাৎ চপনীয়া ঘৰত থাকিলে ঘৰৰ পৱিত্ৰতা নাথাকে। মানুহৰ মন নীচভাৱাপন্ন হয় ঘৰখনত কাজিয়া পেচাল হয়। মেলুৱৈ সকলে মেলত বহি ধঁপাত ভাং বা কানিৰ টিকিৰা পুৰিবলৈ লগে মেলৰ গহীন গম্ভীৰ কথাৰ সলনি শাক খোৱা পাত খোৱা কথাৰ মালিহা মাৰিব লগীয়া হয়। ৰাগীত কোনে কি কয় তাৰো ঠিক নাথাকে। গতিকে মেল নষ্ট হয়।

৪৬৩। ঘৰৰ কথা পৰক কয় তাকে বোলে পৰ।

চ'ত মাহত কাঁথা লয় তাকে বোলে জ্বৰ।

আপোনজনেই পৰ হয় যদি ঘৰৰ কথা আনক কৈ ফুৰে। চ'ত মাহত গৰম হয়। চতৰ ৰ'দ টান। তেনে অৱস্থাত জ্বৰ উঠা মানুহেহে কাঁথা গাত লয়। গতিকে পৰ কোনজন আৰু জ্বৰ উঠা মানুহ কোন জন কাৰ্য্যৰ দ্বাৰা সহজে চিনিব পাৰি।

৪৬৪। ঘৰৰ বুঢ়া পথাৰৰ মুৰা

ঘৰৰ বুঢ়া মানুহ থাকিলে ঘৰখন ঠিক মতে চলে। ঘৰৰ গাম্ভীৰ্য্য বৰ্তে। পথাৰত গছৰ মুৰা থাকিলে মটিৰ নিচান ঠিক থাকে। সীমাৰো উমান পোৱা যায়।

৪৬৫। ঘৰৰ খাই বনৰ ম'হ খেদা।

বনৰীয় ম'হ বনত থাকে। তাক খেদি ফুৰি লাভ নাই বৰঞ্চ পৰিশ্ৰমহে হয়। ঘৰৰ খাই এনে অদৰ্কাৰী কাম কৰি ফুৰিলে অনৰ্থক পৰিশ্ৰম কৰা হয়।

৪৬৬। ঘৰৰ শত্ৰুৱে ৰাৱণ বধ।

ৰামে ৰাৱণক বধ কৰাটো তেনেই সহজ সাধ্য নাছিল। বিভীষণে ৰামক সহয় নকৰাহেতেন ৰামে ইমান সহজে ৰাৱণক সবংশে ধ্বংস কৰিব নোৱাৰিলেহেতেন। বিভীষণ ৰাৱণৰ ভায়েক হৈও ৰাৱণৰ শত্ৰু হৈছিল। সকলো অৱস্থাতে ঘৰৰ শত্ৰুৱেহে প্ৰধান শত্ৰু। সেই কাৰণে ঘৰৰ শত্ৰুক ঘৰ বিভীষণ বোলা হয়।

৪৬৭। ঘঁহি থাকিলে শিলো ক্ষয় হয়।

শিল কঠিন পদাৰ্থ ঘঁহি থাকিলে সেই কঠিন পদাৰ্থও ক্ষয় হয়। সেইদৰে অভ্যাস কৰিলে ভোটা বুদ্ধিৰ লোকো তীক্ষ্ণ বুদ্ধিৰ হব পাৰে। অভ্যাসৰ বলত টান কাম সিজে।

৪৬৮। ঘঁহোতে পিহোঁতে পিতলো সোণ যেন হৈ পৰে।

পিতলৰ বাচন ঘঁহি পিহি থাকিলে সোণৰ দৰে চকচকীয়া হৈ উঠে। তেনেদৰে

ভাল নীতি নিয়ম আচাৰ ব্যৱহাৰ শিকালে সামান্য লোকো মান্যৱন্তৰ শাৰীত উঠিব পাৰে।

**৪৬৯। ঘৰ পোৱা গৰুৰ ৰঙা মেঘ দেখিলেই আতঙ্ক উপস্থিত হয়।**

যি গৰুক এবাৰ ঘৰপোৱা জুইয়ে পুৰিছে সি আকাশত ৰঙা মেঘ দেখিলেই জুই জ্বলা বুলি ভয় খায়।

**৪৭০। ঘাত নমৰে বিমবিমিত মৰে।**

আঘাত পালেই মানুহ নমৰে। তাৰ যি বিষ ক্ৰিয়া সেই বিষেই মানুহক কাহিল কৰি মৃত্যুৰ মুখত পেলায়। গালি গালাজ অপমান অত্যাচাৰ আদিয়ে যি মানসিক পৰিণতি ঘটায় সেয়ে মানুহক ব্যথিত আৰু ব্যাকুলিত কৰি তোলে। গালি গালাজ আদিত মানুহৰ মৃত্যু নঘটে তাৰ দ্বাৰা ব্যথিত হৈছে মৰিব পাৰে।

**৪৭১। ঘৈণীয়ে ঘৰ**

**ঘৈণী নহলে বাঁহতল।**

তিৰোতাক গৃহলক্ষ্মী বুলি কোৱা হয়। তিৰোতা ঘৰত থকিলে ঘৰৰ শৃঙ্খলাৰক্ষা হয় খৰচ পাতিও নিয়মীয়া হয়। ঘৰ খনত এটি সুখকৰ পৰিৱেশ বিৰাজ কৰে। তিৰোতা নথকা ঘৰ আৰু বাঁহতল একে সমান। অগাধ সম্পত্তি থাকিলেও তিৰোতা নথকা ঘৰত সুখ শান্তি বিৰাজ নকৰে।

**৪৭২। ঘৈণীয়ে ভাঙিলে কাঁহী**
**দিলে খল খলাই হাঁহি।**
**বন্দীয়ে ভাঙিলে কতৰা**
**গড়গাওঁ পালেগৈ বতৰা।**

ঘৈণীয়েকে কাহী ভাঙিলেও গিৰীয়েকে খং নকৰে বৰঞ্চ হাহি দোষখিনি পাতলাইহে দিয়ে। বান্দীয়ে ঢেকী দিওতে কতৰা যদি ভাঙে তেন্তে সি বৰ ডাঙৰ অপৰাধ বুলি গণ্য কৰি ৰজাৰ ঘৰত অভিযোগ দিয়ে। মৰমৰ জনে বৰ ডাঙৰ অনিষ্ট কৰিলেও মানুহে সহ্য কৰে। চাকৰ বাকৰ আদিয়ে সামান্য ধৰণৰ কিবা কৰিলেই বৰ ডাঙৰ অপৰাধ হৈ পৰে। গালিগালাজ মাৰধৰ কৰাৰ উপৰিও অভিযোগ তুলি ৰাজবোষত পেলায়।

**৪৭৩। ঘৈণীয়ে মাছ খায়।**

**বোন্দাই মাৰ খায়।**

ঘৈণীয়েকৰ হাবিত খোৱা স্বভাব। তেও ভাল বস্তু পালে আগতীয়াকৈ খাই লয়। ছিচাব ধৰিলে চাকৰ বাকৰ মেকুৰী কুকুৰ আদিৰ গাত দোষ জাপি দিয়ে। ঘৈণীয়েকৰ কথা বিশ্বাস কৰি চাকৰ বাকৰক গালি পাৰে। কুকুৰ মেকুৰীক মাৰে।

# চ

৪৭৪। **চকুক নাটে পেটক আটে,**

**আধা আধি এবে পাতে পাতে।**

অনেক খকুৱা ধৰণৰ মানুহে যিমান খাব পাৰে তাতোকৈ বেছি বস্তু খুজি লয়। দিয়া বস্তুখিনি বৰ কম কম যেন দেখে। খাবৰ সময়ত খাব নোৱাৰি পাত পাতে এৰি থৈ যায়। সেইবাবে খাদ্যবস্তু পেলাই দিব লগীয়া হয়। এনে খকুৱা স্বভাৱ পৰিত্যাগ কৰা উচিত।

৪৭৬। **চকুৰ আঁতৰে মনৰ আঁতৰ।**

বহুদিনৰ নেদেখা হৈ থাকিলে মানুহজন মনৰ পৰাও লাহে লাহে আঁতৰি যায়। বহুদিন দেখা সাক্ষাৎ নহ'লে অতি আপোন জনো পাহৰণিৰ গৰ্ভত সোমায়।

৪৭৭। **চন্দ্ৰতো কলঙ্ক আছে।**

চন্দ্ৰৰ পোহৰশীতল আৰু সুখকৰ। চন্দ্ৰই সূৰ্য্যৰ পৰা পোৱা পোহৰকে পৃথিৱীৰ মানুহক দান কৰে। সেইবাবে চন্দ্ৰৰ প্ৰতি মানুহৰ সদভাৱ এটি আছে। চন্দ্ৰৰ গাত ক'লা দাগ বা চেকা আছে। চন্দ্ৰৰ সেয়া কলঙ্ক। চন্দ্ৰ নিষ্কলঙ্ক নহ'লেও মানুহৰ মানত চন্দ্ৰ বৰ ভাল। সাধুলোকৰ গাতো কলঙ্ক থাকিব পা'ৰে তাৰ বাবে সাধুজন অসাধু হৈ নপৰে। দোষে গুণেই মানুহ। গতিকে দোষ থাকিলে মানুহ নহয় বুলি ভবা অনুচিত।

৪৭৮। **চপনীয়া চপাবৰ গুণ।**

**পেনপেননি শুন।**

নিজৰ শক্তি সামৰ্থ্য নথকা লোকে ছোৱালীৰ ঘৰ চাপি চপনীয়া হয় তেনে চপনীয়া লোকে পাচলৈ নিজে বৰমতা হৈ বঢা মাত মাতিবলৈ কুণ্ঠাবোধ নকৰে। সেইদৰে কোনো লোকক সহায় কৰি থিতাপি লগাই দিলে অকৃতজ্ঞ লোকে উপকাৰ কৰোঁতাজনক পাহৰি যায়। নিজৰহে বৰাই বেছি হয়।

৪৭৯। **চৰাইটিহে সৰু লয় হোলো, গছত বাঁহ।**

হোলো, গছ বৰ ওখ হয়। সেই গছত সৰু সৰু চৰায়েও বাহ সাজি থাকিব পাৰে। শক্তি সামৰ্থ্য বিদ্যা থাকিলে সামান্য লোকেও উচ্চ স্থান লব পাৰে। আকৃতি দেখিয়ে মানুহক চিনিব নোৱাৰি। কথা কাৰ্য্য আৰু চৰিত্ৰই মানুহৰ মূল্য বঢায়।

৪৮০। **চৰণে জানে মৰণৰ ঠাই**

**যাৰ য'ত মৰণ তালৈকেহে যায়।**

কাৰ ক'ত কেনেকৈ মৃত্যু হয় তাক কোনেও কব নোৱাৰে। যাৰ য'ত মৰণ আছে তেওঁ যিকোনো প্ৰকাৰে মৰণৰ সময়ত সেই ঠাইলৈকে যায়। গতিকে চৰণেহে মৰণৰ ঠাই জানে মৰণৰ সময়ত চৰণেই সেই ঠাইত উপস্থিত কৰায়।

**৪৮১। চৰুক সুধি চাউল বৰায়।**

চৰুত ভাত সিজাবলৈ কিমান চাউল ধৰিব সেইটো কোনো ডাঙৰ কথা নহয়। কিমান মানুহৰ বাবে কিমান চাউল লাগে সেইটো হিচাব হে ডাঙৰ। তাৰ কাৰণে দৰকাৰ হ'লে ডাঙৰ চৰু লব লাগে। যাৰ দ্বাৰা কাম কৰোৱা হয় তাক সুধি কামৰ দিহা কৰিব নালাগে। নিজৰ মতে লোকক নিযুক্তি দিব লাগে।

**৪৮২। চল চাই কঠিয়া পৰিবা কলীয়া**
**বাটত নিসিঁচিবা ধান**
**লোকে যে সুধিলে নাজানো বুলিবা**
**ই কথা পাবলৈ টান।**

বিদ্যা আৰু ভক্তি জ্ঞান উপযুক্ত লোকক দান কৰিব লাগে। অপাত্ৰত দান কৰিলে ফল নিদিয়ে। সেই কাৰণে যতে ততে বিদ্যা আৰু ভক্তিতত্ত্ব সিঁচিব নালাগে। উপযুক্ত পাত্ৰ নেদেখিলে নজনাৰ ভাও ধৰাই শ্ৰেয়স। বিদ্যা আৰু ভক্তিতত্ত্ব অমূল্য সম্পদ। বিনা কষ্টে ইয়াক লাভ কৰিব নোবাৰি।

**৪৮৩। চাইনো চাই বুলিবি বাট সমনীয়া**
**চাইনো চাই বুলিবি বাট।।**
**দেহাৰে ভিতৰত আছে খলাবমা।**
**পিছলি পৰিবি তাত।।**

জীৱন নিৰ্বাহ সুকলমে চলাবলৈ হ'লে অতি সন্তৰ্পণে ভাবি গুণি কামবোৰ কৰিব লাগে। শৰীৰৰ ভিতৰতে কাম ক্ৰোধ লোভ মোহ হিংসা অসূয়া আদি লুকাই আছে। সেইবোৰে জীৱন নিৰ্বাহ সুগম কৰি নিদিয়ে। সেইবোৰেই জীৱনৰ বাটত খলা বমা সৃষ্টি কৰে। সাৱধানে খোজ নিদিলে পিছলি পৰাৰ ভয় থাকে।

**৪৮৪। চাকত ঘূৰে কুমাৰ মাটি**
**আঙুলি টিপে আটিপূতি।।**

কুমাৰে তৈয়াৰ মাটি চাকত ঘূৰাই আঙুলিৰ টিপতে ধুনীয়া ধুনীয়া বাচন বৰ্ত্তন ফুলদানি আদি তৈয়াৰ কৰে। কুমাৰৰ আঙুলিৰ টিপ শিল্প কাৰ্য্যৰ কৌশল মাত্ৰ। এইদৰে শিক্ষক শিক্ষিকা সকলেও সৰু সৰু ল'ৰা ছোৱালীক পঢাশালিৰ পৰিৱেশলৈ নি নানা ধৰণৰ শিক্ষা দি ডাঙৰ মানুহ কৰে। শিক্ষক শিক্ষিকা সকলৰ শাসন আৰু

শিক্ষা পদ্ধতি শিক্ষা চক্রুৰ কৌশল মাথোন।

৪৮৫। চাপৰিলে মেঘ নেবায়।

চাপৰি দিলে আকাশৰ মেঘ গুচি নাযায়। মেঘক বাধা দিবও নোৱাৰি। মেঘৰ পৰা হোৱা বৰষুণৰ পৰা যাতে সাৰিব পাৰি তাৰ হে ব্যৱস্থা কৰিব লাগে। সেইদৰে বিপদত সেও হৈ দিলেই বিপদ আঁতৰি নাযায়। বিপদৰ পৰা উদ্ধাৰৰ ব্যৱস্থা কৰাহে প্ৰধান কৰ্ত্তব্য।

৪৮৬। চাপৰি যোৱাকে কুঁজা বোলে।

মানুহৰ কঁকাল হাওলি মূৰ তল হলেই কুঁজা অৱস্থা প্ৰাপ্তহয়। গতিকে চাপৰি যোৱা'ক কুঁজা বোলা হয়। সেইদৰে কোনো কামত গা কৰিব নোৱাৰা মানেই অকৃতকাৰ্য্য হোৱা। মানুহে নিজৰ অসমৰ্থতা ঢাকিবলৈ অকাই পকাই অসুবিধাবোৰ কৰলৈ বিচাৰে। সেই অসুবিধাই কৃতকাৰ্য্যতা নুসূচায়। অসুবিধা থাকিবই সেইবোৰ নেওচি সফল হোৱাটোকে সফল হোৱা বোলে।

৪৮৭। চৰা নাও ভাৰা হব
লুইতৰ কি গা দুষাব–
অথবা
চ'ৰা নাৱে ভৰা স'লে
লুইতৰ কি গা বিষালে।।

লুইতৰ বুকুত বহু নাও জাহাজ চলে। সেই নাও বা জাহাজ কাঠৰে হওক বা লোৰ পাতৰে হওক চাম কাঠৰে হওক বা শাল কাঠৰে হওক তাৰ দ্বাৰা লুইতৰ কোনো ধৰণৰ বিষ দুখ বা পোৰণি নহয়। লুইতৰ যি কোনো ধৰণৰ বোজা দিয়া নাও জাহাজ বুকুপাতি লোৱাৰ ক্ষমতা আছে। সেইদৰে কৰ্ত্তব্য পৰায়ণ ব্যক্তি কাম যেনেকি নহওক টান কাম বুলি নকয়। কাম কৰিবলৈ যিখিনি কষ্টৰ দৰ্কাৰ তাক কষ্ট বুলি জ্ঞানো নকৰে।

৪৮৮। চাৰি দিনীয়া ভকত হলে
ভাত নুবুলি অন্ন বোলে।

ভকত হোৱা বেছি দিন নহৈ চাৰি দিন মান হলেই ভকতীয়া কথাবোৰ শুনি বৰ জনা বুজা লোক হোৱাৰ ভাৱত সাধাৰণ কথাকো পাক লগাই কৰলৈ বিচাৰে। যাতে আনে সহজে বুজিব নোৱাৰে আৰু তেওক ডাঙৰ ভকত বুলি ধৰিব পাৰে। অল্প বুদ্ধিৰ লোকে অলপ শিকিয়ে বহুত জনা বুলি ভাব কৰে।

৪৮৯। চাৰি বেদ চৈধ্য শাস্ত্ৰ।

**খাবলৈ নাপালে এদিন মাত্ৰ।।**

চাৰিবেদ চৈধ্য শাস্ত্ৰ পঢ়ি মানুহ সিমান আত্ম সচেতন নহয় এদিন লঘোন দিব লগীয়া হলেই দেহমন সকলোতে তাৰ প্ৰতিক্ৰিয়া আৰম্ভ হয়। অৰ্থাৎ মানুহে উৎকৰ্ষ সাধনৰ কাৰণে চাৰিবেদ চৈধ্য শাস্ত্ৰ পঢ়িব লাগে। পেটৰ ভাত মুঠি নাথাকিলে সেইবোৰৰ মূল্য নাথাকে।

৪৯০। **চালৰ কুঁটা বেৰৰ মাটি।**

**তাৰে ভাল হয় বেমাৰ পাতি।।**

চালৰ কুটা বেৰৰ মাটি তেনেই সামান্য বস্তু। বেজ সকলে সেই সামান্য বস্তুৰে ডাঙৰ ব্যধি নিৰাময় কৰে। গতিকে সামান্য বস্তুৰেও মহৎ কাম সাধন কৰিব পাৰে। সৰু বৰ সকলো বস্তুৰে মূল্য আছে। তাৰ ব্যৱহাৰ জনাটোহে প্ৰধান কথা।

৪৯১। **চিকণ টেমা ময়ৰাৰ পাখি**

**ভেনাৎ ভেনাৎ উৰে মাখি।**

চিটকণটেমা এবিধ বন তাৰ গাত বোকাপানী নালাগে সদায় পৰিষ্কাৰ হৈ থাকে। কিন্তু সেইবনে ভূই নষ্ট কৰে। ময়ূৰৰ পখি ৰ চঙীয়া কিন্তু তাৰ মাজে মাজে ভেনা মাখি থাকে। সেইদৰে একশ্ৰেণীৰ মানুহ আছে তেওলোকৰ সাজ পোছাক বৰ ধুনীয়া। দূৰৰ পৰা বৰ ভব্য গব্য যেন ভাৱ হয়। কিন্তু গা তেনেই অপৰিষ্কাৰ। গাৰ গোন্ধত ওচৰলৈ যাব নোৱাৰি। তেনে লোকে সমাজৰ কোনো উপকাৰ কৰিব নোৱাৰে। পোছাকী লোকতকৈ সংস্কাৰী গৰীব লোক বেছি ভাল।

৪৯২। **চিকুটি লাউ বুঢ়া কৰা।**

লাউ চিকুটি থাকিলে কেকোৰা মেকোৰা হৈ সোনকালে বুঢ়া হয়। সেইদৰে সামান্য কথা একোটা ঘুকুটি থাকিলে কথাটো সবল হৈ উঠে। সৰু কথা ডাঙৰ হৈ অনিষ্টৰ কাৰণ হয়।

৪৯৩। **চিকুটিলে শিল ক্ষয় নহয় নখহে ভোটা হয়।**

শিল টান বস্তু তাক চিকুটিলে নখহে ক্ষয় হয় শিল ক্ষয় নহয়। সেইদৰে গুনী জ্ঞানী লোকৰ দোষ ধৰিবলৈ গলে নিজৰ হে নীচতা প্ৰকাশ হয়। গুণী লোকৰ একো হানি নহয। নিন্দাকাৰী হে নিন্দনীয় হয়।

৪৯৪। **চিনৰ চাউল খাবা**

**গা যাব ভৰি**

**অচিনৰ চাউল খাবা**

**গা যাব সৰি ।**

বিশ্বাসী লোকৰ পৰা অনা খাদ্য শৰীৰৰ পুষ্টিসাধন হয়। বিশ্বাসী লোকে অখাদ্য খাবলৈ নিদিয়ে। অচিনাকি লোকৰ পৰা অনা খাদ্যই অনিষ্ট কৰিব পাৰে। অচিনাকি মানুহে লাভলৈ চায় উপকাৰৰ কথা নাভাবে। চিনাকি লোকৰ উপদেশ লব লাগে অচিনাকী লোকক বিশ্বাস কৰিব নালাগে।

৪৯৫। চিনা বামুণক পৈতা নালাগে।

বামুণে লগুণ ধাৰণ কৰে। লগুণে বামুণৰ পৰিচয় দিয়ে। কিন্তু চিনাকী ব্ৰামুণৰ লগুণ আছেনে নাই বিচাৰ কৰা নহয়। সেইদৰে অচিনাকী জনে নিজৰ পৰিচয়া দিব লাগে। চিনাকী জনৰ পৰিচয় দিয়াৰ আৱশ্যেক নকৰে।

৪৯৬। চিৰ কাল সমানে নাযায়।

কাল সদায় একে নাথাকে। কেতিয়াবা গৰম কেতিয়াবা শীত হয়। সেইদৰে মানুহৰ জীৱনো সদায় একে ভাবে নচলে কেতিয়াবা দুখ কেতিয়াবা সুখ হয়। খৰিভাৰীও ৰজা হয়। ৰাজাও ভিখাৰী হয়। গতিকে সকলো সময়তে ধৈৰ্য্য ধৰি থকাটোৱেই বুদ্ধিমানৰ কাম।

৪৯৭। চিলাই নিলে কাণ

দৌৰ মাৰি গই আন।

চিলাই কাণ নিয়া বুলি কলেই নিজৰ কাণত হা৺ দি নাচাই পাছে পাছে দৌৰা মানুহ বিবেচনাহীন। কাণ নিলে বুলিয়ে চিলাৰ পাছে পাছে গৈও লাভ নাই। আনৰ কথা নভবা নিচিন্তাৰে বিশ্বাস কৰিব নালাগে।

৪৯৮। চুকৰ ভেকুলীৰ চুকেই নগৰ

নাদৰ ভেকুলীৰ নাদেই সাগৰ।

চুকত থকা ভেকুলীয়ে চুকটোহে চিনি পায়। বিপদ আপদত পৰা যেন দেখিলে চুকলৈ যায়। তাৰ বাহিৰে আন ঠাই আছে বুলি সি ভাবিবই নোৱাৰে।। নাদৰ ভেকুলীয়ে নাদৰভিতৰতে তাৰ চলন ফুৰণ নাদতকৈ বহুল বিশাল সাগৰ থকাৰ খবৰ তাৰ নাই। সেইদৰে ক্ষুদ্ৰ গণ্ডীৰভিতৰত থকা লোকে সেই গণ্ডীৰ বাহিৰত কিবা আছে বুলি ভাবিব নোৱাৰে। অৱস্থা আৰু পাৰিপাৰ্শ্বিতাই মানুহক সঙ্কীৰ্ণমনা বা উদাৰ অথবা মহৎ কৰিব পাৰে।

৪৯৯। চুঙা চাই সোপা

চাজা পালে বোপা।

চুঙা যেনেকুৱা আকৃতিৰ তাৰ সোপাটোও তেনে আকৃতিৰ হব লাগে। তেনে

যথোপযুক্ত সোপা দি থলেহে চুণ্ডাৰ পৰা বস্তু পৰাৰ ভয় নাথাকে। সেইদৰে দুষ্ট লোকক দোষৰ উপযুক্ত শাস্তি দিলেহে বাপ বুলি সেও হৈ পৰে।

**৫০০। চুচি মাজি ওলালে বান্দৰীও সুন্দৰী হয়।**

পৰিষ্কাৰ পৰিচ্ছন্নতাই মানুহক সৌন্দৰ্য্য সাধনাত ইন্ধন যোগায়। যিমানেই কুৎসিৎ নহওক কিয় ধুনীয়া সাজপাৰ লৈ চুচি মাজি ওলালে সুন্দৰ হৈ পৰে। বান্দৰী দেখিবলৈ শুৱনী নহয়। সেই বান্দৰীকো সাজ পাৰ দি অয় অলঙ্কাৰেৰে সজ্জিত কৰিলে সুন্দৰী হৈ পৰে। সৌন্দৰ্য্য সাধন কৰি লব লাগে।

**৫০১। চুৰ কৰি পালে এদোন থান।**

**সিন্ধিৰ মুখত বল এড়ী কাপোৰ খন।।**

এদোন ধানৰ তুলনাত এড়ী কাপোৰ এখনৰ মল্য বহুত বেছি। নিজৰ জীবনটো বিপদৰ মাজলৈ নি পাপ কৰ্ম কৰি এদোন দান লাভ কৰাত কোনো প্ৰকাৰৰ লাভ নহয় যদিহে বেছি দামী এড়ী কাপোৰখন হেৰুৱাৰ লগীয়া হয়। অন্যায ভাবে সামান্য লাভ কৰিবলৈ যাওতে বহুতো ক্ষতি স্বীকাৰ কৰিব লগীয়া হব পাৰে।

**৫০২। চেঙেৰা চেঙেৰী কথা পাতে**
**কথায় পাতি হাঁচা**
**বুঢ়া বুঢ়ি কথা পাতে**
**ঘুণ্ড হেন লৰে মাথা।**

এইটি এটি জনজাতিৰ মাজত প্ৰচলিত প্ৰৱচন।তাৰ অৰ্থ যুৱক যুৱতীয়ে কথা পাতি আনন্দ পায়।প্ৰায় প্ৰতি কথাতে হাঁহে। বুঢ়া বুঢ়ীযে কথা পাতিলে ৰঙতে কপৌ চৰাইৰ দৰে মূৰ দুপিয়া দুপি কৰে।

এইটিৰে অসমীয়া ৰূপ তলত দিযা ধৰণৰ—

**ল'ৰাই ল'ৰাই কথা পাতে কথাই পতি দন্দ**
**তিৰোতাই কথা পাতে কথাৰ নাই ছন্দ।**
**ডেকা ডেকেৰীয়ে কথা পাতে কথাই পতি হাঁহে,**
**বুঢ়াই বুঢ়াই কথা পাত কুহুৰ কুহুৰ কাহে।**

লৰাই লৰাই কথা পাতিলে প্ৰতি কথাতে কাজিয়া লাগে।তিৰোতা সকলৰ কথাৰ আগ গুৰি নাথাকে। আগৰ কথাৰ লগত পাচৰ কথা নিমিলে। ডেকা গাভৰুৱে কথা পাতিলে ৰস পাই কথাই কথাই হাঁহে। বুঢ়া সকলে কথা পাতিলে মাজে মাজে কাহে।

**৫০৩। চেঙক ধৰিবা ফুটছাইৰে।**
**কৈটেলাক ধৰিবা পচলাৰে।**

চেঙা মাছ বৰ পিছল। তাক ধৰিবলৈ ফুটছাই লব লাগে। কেটেলা পহু ধৰা বৰ টান। যাঠী জোঙো তাৰ গাত সুমুৱাব নোৱাৰি। কেটেলা পহুক ধৰাৰ সহজ উপায় কল গছ কাটি তাৰ গাত পেলাই দিব লাগ। সেইদৰে নানা ধৰণৰ দুষ্ট লোকক জব্দ কৰিবলৈ নানা প্ৰণালী অৱলম্বন কৰা উচিত।

৫০৪। চেনেহৰ চুমাই নাকটি ছিঙে।

চুমা খাওতে নাকটি ছিঙা কাৰ্য্যক অতিশয্য বুলিবই লাগিব। মৰম চেনেহৰো অতিশয্য আছে। বেছি মৰম কৰিলে লৰা ছোৱালী বেয়া হয়। নিজৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰা হৈ পৰে। গতিকে মৰম চেনেহৰো মাত্ৰাধিক্য হব নালাগে।

৫০৫। চোতালৰ ৰ'দে এঙাই খায়।
তপত ভাতৰ ধোঁৱাই খায়।

ৰ'দ জীৱৰ উপকাৰী। ৰ'দে পোহৰ দিয়ে তাপ দিয়ে তাৰ উপৰি জীৱনী শক্তি দিয়ে। আজি কালি বৈজ্ঞানিক প্ৰক্ৰিয়াৰে ৰ'দক আৰু বহু কামত লগাইছে। সেই ৰ'দ আমি বিনা পৰিশ্ৰমে পাও কাৰণে আমুৱায়। নিজৰ চোতালৰ ৰ'দ খিনিকে অনেক সময়ত সহ্য কৰিব নোৱাৰা হও। তপত ভাত স্বাস্থ্যৰ কাৰণে উপকাৰী। তপত ভাতৰ পৰা সামান্য ধোৱা ওলায়। সেই ধোৱা সহ্য কৰিব নোৱাৰিলে তপত ভাত খাব নোৱাৰি। অতি উপকাৰী বস্তুকো এনেই বা অল্প আয়াসত পালে মানুহে তাৰ মূল্য নবুজে। সামান্য কষ্টক বেছি বুলি জ্ঞান কৰে।

৫০৬। চোৰ গ'লে বুধি
বৰষুণ গ'লে জাপি।

বৰষুণ এৰাত জাপীলৈ লাভ নাই। সেইদৰে চোৰে ধন সম্পত্তি চুৰ কৰি নিয়াৰ পাছত মানুহে বহুতো চোৰধৰা বুধি উলিয়ালে লাভ নহয়।

৫০৭। চোৰৰ শ দিন।
গৃহস্থৰ এদিন।

চোৰে চুৰ কৰি জীৱিকা নিৰ্বাহ কৰে। গতিকে যিমান দিন তাৰ গাত সাহ শক্তি থাকে সিমান দিন চুৰি কাৰ্য্য চলাই যাব পাৰে। ধৰা নপৰিলে চোৰে শ দিন চুৰি কৰিব পাৰে। কিন্তু গৃহস্থৰ এদিন চুৰি হলেই সাঁচনীয়া সকলো ধন সম্পত্তি নাইকীয়া হৈ পৰে। এদিনতে দুখীয়া হয়।

৫০৮। চোৰে চোৰে মিতিৰালি

যাৰ যি স্বভাৱ লগৰীয়াৰ তেনে স্বভাৱ থাকিলে উভয়ৰে মিত্ৰতা স্থাপন হয়। ইটোৱে সিটোক সকৰায়। এনে মিত্ৰ সকলৰ চৰিত্ৰ ধৰা কৰ টান।

**৫০৯। চোৰ গ'ল পাৰ হৈ।**

**দপদপনিত ঠাই নাই।**

ওফাইডা, মৰা ভয়াতুৰ লোকে চোৰক দেখিও একো কৰিব নোৱাৰে সুবিধা পালে লুকাই হে থাকে। চোৰ পলোৱাৰ পাছত নিজৰ ক্ষমতা জাহিৰ কৰিবলৈ নানা কথা বলকে । এনেধৰণৰ মানুহৰ কথাই সাৰ কামত তেনেই এলাবাদু।

**৫১০। চোৰক মোৰে পালে।**

চোৰে চুৰ কৰি নিয়া বস্তুক কোনোবাই মোৰ বস্তু বুলি দাবী কৰিলে চোৰে উপায়হীন হৈ বস্তু এৰি পলায়। গতিকে চুৰ কৰি নিয়া বস্তু চোৰে ভোগ কৰিবলৈ নাপায় গিৰীহঁতেও নাপায় আনেহে ভোগ কৰে।

**৫১১। চোৰে নিয়া গৰুৰ বাটে বাটে আহাৰ।**

চোৰে চুৰ কৰি নিয়া গৰুৰ নিৰ্দিষ্ট থকা ঠাই আৰু ঘাঁহ খোৱা পথাৰ নাথাকে। য'লৈকে নিয়ে যতে যি পায় তাকে খায়।। যাওতে বাটে বাটে দুই একামোৰ ঘাঁহ খাই যায়। সেইদৰে লোকৰ অধীনত থাকিলে নিজৰ খোৱা থকাৰ স্থিৰতা নাথাকে। যেতিয়াই যি পোৱা যায় তাকে খাই সন্তুষ্ট হব লাগে।

**৫১২। চোৰে নেৰে চুৰ বৃত্তি**
**কুকুৰে নেৰে ছাই**
**যাৰ যি পৰকিতি**
**মৰিলে লগত যায়।**

চোৰে চুৰ কৰি জীৱিকা নিৰ্বাহ কৰে। চুৰ কৰা বেয়া। আন কাম কৰি পেট প্ৰবৰ্তাব লাগে বুলি যিমানে যি উপদেশ দিয়া নহক কিয় সি চুৰ কৰিবলৈ নেৰে। কুকুৰক গা পা ধোৱাই ভাল ঠাইত থাকিবলৈ দিলে সি গৈ ফুটছাইত হে শাৱে। গতিকে যাৰ সি স্বভাৱ সহজে সলনি নহয়। নমৰা পৰ্য্যন্ত সি তেনে ভাবেই চলে।

**৫১৩। চোৰে নেৰে চুৰ বৃত্তি**
**শহাই নেৰে সৰ**
**যেতেকে নহওক ডোম বৰগিৰি**
**নদীৰ কুলত ঘৰ।**

চোৰে চুৰ বৃত্তি এৰিব নোৱাৰে। শহাই একেটা বাটেৰে অহা যোৱা কৰে। ধনী

মাছ মৰীয়া সকলেও মাছ মৰাৰ সুবিধাৰ কাৰণে নদীৰ পাৰতহে ঘৰসাজে। স্বভাৱৰ বশৱৰ্ত্তী হৈ মানুহে সকলো কাম কৰে। যিমানেই জ্ঞান লাভ নকৰক কিয় নিজৰ ৰীতি নীতি সলনি কৰিব নোৱাৰে।

৫১৪। চোৰৰ লগত খান্দো সিন্ধি
বামুণৰ লগত মেলো বিধি।
ডোমৰ লগত মাৰো চিতল
মৰীয়াৰ লগত খুন্দো পিতল

চোৰৰ লগত থাকিলে চুৰি কাৰ্য্য কৰিবলৈ শিকিব লাগে নহলে চোৰৰ লগত থাকিব নোৱাৰি। বামুণৰ লগত থাকিলে নৈতিকতা মানি চলিব লগা হয়। মাছ মৰীয়াৰ লগত থাকিলে মাছ মাৰিবলৈ শিকিবই লাগিব। মৰীয়াৰ লগত থাকিলে পিতল খুন্দি বাচন বৰ্ত্তন কৰিবলৈ শিকিব লাগে। তেনে কৰিলেহে সেই সকলৰ লগত লগ লাগি থাকিব পৰা যায়। অৰ্থাৎ যি সমাজত থাকিব লাগে সেই সমাজৰ ৰীতি নীতি মানি তেওলোকে কৰা কামবোৰ কৰিব লাগে। নহলে সেই সমাজত স্থান পোৱা নাযায়।

৫১৫। চোহ দি ভোহ উলিওৱা

পুতনাই শ্ৰীকৃষ্ণক স্তন পান কৰিবলৈ দিওতে শ্ৰীকৃষ্ণই তাইৰ কু মতলব বুজিব পাৰি পিয়াহ চুহি নাড়ী ভুৰি উলিয়াই পুতনাক বধ কৰিছিল। তেনেদৰে সুবিধা পালে তলকিব নোৱাৰাকৈ আনিষ্টকাৰীৰ অনিষ্ট কৰিব লাগে।

# ছ

৫১৬। **ছন ভূঁইৰ কালা**

**কোৱাই খোৱাই যি পালা।**

ছন পৰি থকা মাটি শস্য নহয় । তেনে ছন মাটিত যদি খেচাৰি মাহ সিঁচা হয় সামান্য পৰিমাণে হলেও খেচাৰি মাহ পোৱা যাব পাৰে। পৰিশ্ৰম নকৰাকৈ যদি অলপ পোৱা যায় সি লাভৰ কাৰণেই হয়। গতিকে অপ্ৰয়োজনীয় বস্তুকো অলাগতিয়াল বুলি এৰি থোৱা উচিত নহয়।

৫১৭। **ছন মাটিত ঔ পৰা দিলে।**

ছন মাটিত ঔ পৰিলে ডাঙৰ শব্দ হয়। তেনে ধৰণৰ শব্দ কৰাকে ঔপৰা শব্দ বুলি কোৱা হৈছে। বেছিকৈ মাৰ কিল কৰা অৰ্থত কোৱা হয়।

৫১৮। **ছুলি মৰক ক্ষতি নাই।**

**বেজৰ খুৰৰ প্ৰমাণ চায়।**

বেজৰ খুৰৰ ধাৰ চাবলৈ যাওতে যদি কোনো ল'ৰাৰ মৃত্যুও ঘটে তাঁলৈ কেৰেপ নকৰি খুৰৰ ধাৰ পৰীক্ষা কৰাটোহে ডাঙৰ কথা বলি ধৰা হয়। ক্ষুদ্ৰতম কামৰ কাৰণে অপূৰণীয় ক্ষতি সাধন কৰা অবিবেচকৰ কাম।

৫১৯। **ছুলিৰ মেল কলৰ ভেল**

কলগছ ভেল সাজি মানহে নদী জান আদি ইপাৰ সিপাৰ হয়। কলগছৰ ভেল (ভুৰ) স্থায়ী বস্তু নহয়। সেইদৰে ল'ৰা ছোৱালীৰ মেল সময় কটোবাৰ বাদে আন একো কামত নালাগে। কিছুমান লাগ বান্ধ নথকা কথাৰেহে লৰা ছোৱালীযে মেল পাতে। গতিকে সেইমেল ধেমেলীয়া আৰু অলাগতীয়াল।

৫২০। **ছুলি ছাগল ছাই**

**বৰষুণ দিলে নাই।**

ল'ৰা ছোৱালীযে বাহিৰত খেল ধেমালি কৰে। বৰষুণ দিলে সিহতে বাহিৰত নাথাকি ঘৰৰ ভিতৰ সোমায়। ছাগলীয়ে বৰষুণ দিলে বাহিৰলৈ নাযায়। ছাই বৰষুণত উটি ভাহি গৈ নাইকিয়া হয়।

৫২১। **ছয় পো বাৰ নাতি**

**তেৱোঁ কৰে বয়স ঘাটি**

যাৰ ছয়টি পুতেক বাৰটি নাতি নতিনী হয় তেওঁৰ বয়স বেছি হোৱাটো স্বাভাৱিক । কিন্তু তেনে এজন লোকেও নিজৰ বয়স কমাই কবলৈ প্ৰয়াস কৰে। হিচাবত দেখ দেখকৈ ওলাই থাকিলেও বুঢ়া মানুহে নিজৰ বয়স কমাই কৈ ভাল পায়।

৫২২। ছয় গো বাৰ নাতি
তেহে কৰিবা কুঁহিয়াৰ খেতি।

কুঁহিয়াৰ খেতি কৰিবলৈ সৰহ লোকৰ দৰকাৰ । সৰহ লোক বাহিৰৰ পৰা অমদানী কৰিলে ধন খৰচ কৰাৰ উপৰি খাওতে বহু কুঁহিয়াৰ নষ্ট হয় । সেই কাৰণে নিজৰ ঘৰত সৰহ লোক নাথাকিলে কুঁহিয়াৰ খেতি কৰিব নালাগে। তাৰ পৰা লাভ নহয়।

৫২৩। ছয় চণ্ডিয়া ছয় পুত
কাম কৰে অদ্ভুত
যদিহে হয় এলেহুৱা
বোলে চণ্ডিয়াৰ মুৰ খোৱা।

কাম ক্ৰোধ লোভ মোহ মদ মাৎচৰ্য্য এই ছটা স্বভাৱ গঠনৰ আহিলা। ছটা সন্তানক সৎপথত ৰাখিবলৈ মাক দেউতাকে অসম্ভৱ কাম কৰিব লগীয়া হোৱাৰ দৰে এই ছটাকে দমন কৰি সৎপথে পৰিচালিত কৰিবলৈ যথেষ্ট কষ্ট কৰিব লগীয়া হয়। তাকে নকৰি এই ৰিপু ছটাক যথেচ্ছা মতে চলিবলৈ দিলে স্বভাৱ নষ্ট হৈ যায়। তাকে চণ্ডিয়াৰ মুৰ খোৱা বুলি কোৱা হয়।

৫২৪। ছাঁটোক লথিয়ালে ছাঁটোৱেও লথিয়ায়।

মানুহে যেনে ধৰণে অঙ্গি ভঙ্গি কৰে ছাঁটোৱেও তেনে ধৰণে কৰে। ছাঁটোক যদি লথিওৱা যায় ছাঁটোৱেও লাথি মৰা দেখা যায়। গতিকে যাক যেনে ব্যৱহাৰ কৰা যায় তাৰ পৰাও তেনে ব্যৱহাৰ পোৱা যায়।

৫২৫। ছাঁটোকে বাঘটো যেন দেখে।

বাঘে মানুহ খায় এইবাবে বাঘলৈ মানুহে ভয় কৰে। অতি দুৰ্ব্বল মনৰ ভয়াতুৰ মানুহে নিজৰ ছাঁটোকে বাঘ বুলি ভাবে। ছাঁটো লগে লগে ফুৰে কাৰণে বাঘে খেদি খাবলৈ অহা বুলি অনুভৱ কৰে। অৰ্থাৎ সামান্য কথা বা কামলৈ বৰ ভয় কৰে ।

৫২৬। ছাই খাবলৈ গৈ হৰিণা বন্দী হৈ পৰে।

হৰিণাই ছাই খাবলৈ ভাল পায়। ছাই খাবলৈ মানুহৰ ঘৰৰ ওচৰলৈ যাব লগীয়া হয়। ফলত মানুহৰ দ্বাৰা হৰিণাৰ মৃত্যু ঘটে। ছাই পেলনীয়া বস্তু। তাৰ কাৰণে মৃত্যুক আকোৱালি লবগীয়া হয়। লোভ কৰিলেই মৰণ মিলে।

৫২৭। ছাইমুঠি ধৰিলে সোণমুঠি হয়।

ছাইৰ বিশেষ মূল্য নাই। পেলনীয়া বস্তু। সেই পেলনীয়া ছাইকো সাৰ কৰি ব্যৱহাৰ কৰিলে কিছুমান গছ গছনি নহপহকৈ পাড়ি ফলৱন্ত হৈ পৰে। সেই

ফলবোৰ শস্যবোৰৰ পৰা ধন লাভ হয়। ধনেৰে সোণ কিনিব পাৰি। সামান্য বস্তুকো যদি ব্যৱহাৰত লগোৱা হয় সিয়ে সোণ আহৰণ কৰিবলৈ সামৰ্থ্য দান কৰে।

৫২৮। ছাগৰ যিমান ভয় বাঘৰো সিমানেই ভয়।

ছাগলী বাঘৰ খাদ্য। বাঘে ছাগলী দেখিলেই খেদি যায় সেইবাবে ছাগলীয়ে বাঘলৈ সততে ভয় কৰি চলে। বাঘে ছাগলী ধৰিবলৈ যাওতে মানুহলৈ ভয় কৰে। সংসাৰত ভয় শূন্য হৈ কোনেও নাথাকে। কেতিয়া কোনে বিপদ আহে তাৰ স্থিৰতা নাই। গতিকে সৰু বৰ সকলোৰে মনত সকলো অৱস্থাতে ভয় থাকেই।

৫২৯। ছাগলী মৰাৰ ছমাহ পাছত ছালে বেবায়।

আত্মীয় মৰিলে গোটেই জীৱন দুখায়

ছাগলী মৰিলে তাৰ ছালেৰে ঢোল খোল তৈয়াৰ কৰি বজোৱা হয়।ছাগলী মৰাৰ পৰা ছয়মাহমান পাছতহে শুকুৱাই মেলি লোৱা ছালেৰে ঢোল তৈয়াৰ কৰিব পাৰি। গতিকে ছাগলী মৰাৰ ছমাহ পাছত ছালে শব্দ কৰিবলৈ পৰা হয়। কিন্তু আপোনজন মৰাৰ বহুদিনলৈ নমৰালৈকে মৃতকৰ ৰূপ গুণ গৰিমাই অন্তৰত মূৰ্ত হৈ বিভিযাই থাকে মনত দুখ দিয়ে।

৫৩০। ছাগলে নাখায় কি?

পাগলে নবকে কি?

ছাগলীয়ে যি পায় তাকে খায়। পগলা মানুহেও যিহকে পায় তাকে বলকে। তাৰ মূল্য দিয়া উচিত নহয়।

৫৩১। ছাগলী কিনিবা এছাৰি শিঙিয়া
ওহাৰ ওলোমা গাই।
ভাল মানুহৰ ছোৱালী আনিবা
তেহে ঘৰ ধৰি খায়।

এচাৰিৰ দৰে দীঘল আৰু শিং থকা ছাগলী আৰু ওহাৰ ওলোমা গায়ে গাখীৰ বেছি দিয়ে। ভাল ঘৰৰ ছোৱালী আনিলে ঘৰখন ভালকৈ চলাই খাব পাৰে।

৫৩২। ছাগ পাৰ পোহে হাঁহ,
দুই সীমাত বোবে বাঁহ
নিতে নিতে সিটো বিবাদ পাই
বোলন্ত ডাকে মোৰ দোষ নাই।।

ছাগলী পাৰ হাঁহ পুহিলে সীমাত বাঁহ ৰুলে ওচৰ চুবুৰীয়া লগত কাজিয়া হয়। ফলত অশান্তি ভোগ কৰিব লগীয়া হয়।

৫৩৩। ছাল ছিগা চেকুৰাৰ বাঘবায় নাম

কুকুৰ বুঢ়া হ'লে ফাপৰে ধৰে ছাল ছিগে নিশকতীয়া হৈ য'তে ত'তে পৰি থাকে। তথাপি আগতে দিয়া বাঘৰায় নামৰ সলনি নহয়। নামৰ অৰ্থ আৰু অৱস্থা একে নহব পাৰে। অৱস্থানুযায়ী নাম সলনি কৰা নহয়। বহু সময়ত নামবোৰ মৰমতে দিয়া হয়। মৰমত মতা নামৰ অৰ্থই মৰমহে বুজায় শক্তি সামৰ্থ্য বা চেহেৰা আদি নুবুজায়।

৫৩৪। ছিকো ছিকো নাৰিকল

ডিমৰুহে উত্তম ফল

নাৰিকল উত্তম ফল। বান্দৰে তেনে উত্তম ফল বাকলি আৰু টান খোলা থকা হেতু খাব নোৱাৰে।উপায় নাপাই ডিমৰু খাই তাৰ লোভ সম্বৰণ কৰে। গতিকে তাৰ মানত ডিমৰু নাৰিকলতকৈও উত্তম ফল। সেইদৰে লবলৈ খাবলৈ বা পাবলৈ সমৰ্থ নোহোৱাজনে ভাল বস্তুক বেয়া বুলি মনতে ভাবি নিকৃষ্ট বস্তুকে ভাল বুলি গ্ৰহণ কৰে। নিজৰ অসমৰ্থতা সকলোৰে ঢাকি ৰাখিবলৈ বিচাৰে। তেনে কাৰণেই শিয়ালে আঙুৰ টেঙা বুলি কৈছিল।

৫৩৫। ছিটিকা পৰিবা সবত
মৰাও নানিবা জীয়াও নাবিবা
সুদা হাতে নাহিবা ঘৰত।

সমাজলৈ গ'লে এনে এখন ঠাই লব লাগে যৰপৰা ভাল কথাবোৰহে কাণত পৰাৰ সুবিধা থাকে। তেনে ঠাইৰ পৰা মৃত বা জীৱিত একো বস্তু নিব নালাগে। সুদা হাতেও যাব নালাগে। অৰ্থাৎ কথা কিছু শিকি বুজিহে ঘৰলৈ যাব লাগে।

৫৩৬। ছেগ কামধেনু দৰে।

কামধেনু দেখিবলৈ ধুনীয়া। কিন্তু সি বেছি সময় নাথাকে। ছেগও বেছি সময় নেথাকে। ছেগ মতে কাম কৰিলেহে কামত সুফল লাভ কৰিব পাৰি।

# জ

## ৫৩৭। জনাৰ ভাত মাছ, নজনাৰ গলগ্ৰহ

ভাত–মাছ মানুহৰ প্ৰধান খাদ্য। মাছৰ কাঁইট থাকে। জনা মানুহে কাঁইট বাছি খাব পাৰে। অসাৱধান খকুৱা ধৰণৰ মানুহে কাঁইট সহ খাব'ল বিচাৰোঁতে ডিঙিত লাগি ধৰে। সেইদৰে অভিজ্ঞ লোকে কাম কৰিলে কাম শৃঙ্খলাবদ্ধ ভাবে সুসিদ্ধ হয়। কাম কৰিব নজনা লোকে কেনেকৈ কৰিব লাগে তাৰ বিষয়ে চিন্তা কৰোঁতে সময় অতিবাহিত হয় কামটো এটা বোজা হৈ পৰে। তেনে লোক কৰ্মৰ পৰা বিচলিত হোৱাৰ উপৰিও অসাঠন বুলি জনাজাত হৈ পৰে।

## ৫৩৮। জপাৰ কাপোৰ পোকে কুটে
## দ'মাই থো ৱালো এনেই ফুটে

বহুদিন ব্যৱহাৰ নকৰাকৈ জপাত সুমুৱাই খোৱা কাপোৰ পোকে কুটি ব্যৱহাৰৰ অনুপযোগী কৰে। সেইদৰে ৰ দে বৰষুণে বাহিৰত দ মাই থোৱা লোত মামৰে ধৰে। অৱশেষত মৰাহি নষ্টহৈ যায় বস্তু জমা কৰি থৈ লাভ নাই। পৰ্য্যমানে ব্যৱহাৰত লগাব লাগে। নহলে সময়ে তাৰ মূল্য কমায়। ব্যৱহাৰত নলগা হয়।

## ৫৩৯। জ্বৰৰ দাহত বেৰক লথিয়ায়।

জ্বৰ বেছি উঠিলে জৰীয়াৰ কাণ্ডজ্ঞান নথকা হয়। একো কৰিব নোৱাৰি জ্বৰৰ দাহত বেৰতে গুৰিয়াবলৈ ধৰে। সেই দৰে কাৰোবাৰ ওপৰত খ, উঠিলে সেইজনক নাপাই বা বলে নোৱাৰি বহুতে আনৰ ওপৰত খং সাৰে। নিজৰ মূল্যবান সম্পত্তি নষ্ট কৰে।

## ৫৪০। জ্বৰে এৰিলেও কপাটিয়ে নেৰে

জ্বৰ হলে মানুহ দুৰ্বল হয়। তেজ শক্তি কমি যায়। জ্বৰ এবাৰ পাছতো দুৰ্বলতা থাকে। বল শক্তি লাহে লাহেহে আহে। জ্বৰ এৰাৰ লগে লগে এইবোৰ নাইকিয়া নহয়। সেইদৰে মানুহৰ বিপদ সাম কাটিলে বিপদৰ আনুষাঙ্গিক অসুবিধাবোৰ ততালিকে নাইকিয়া নহয়। সময় লয়।

## ৫৪১। জন যোনি ভাত
## এই তিনি হিন্দু জাত।

হিন্দু ধৰ্ম অতি উদাৰ আৰু মহৎ। পৃথিবীৰ প্ৰায়বোৰ ধৰ্মকে হিন্দু ধৰ্মৰ অন্তৰ্গত বুলি ধৰিব পাৰি। এনে উদাৰ মহৎ ধৰ্মৰ কিছুমান সঙ্কীৰ্ণ নীতি নিয়ম আছে। সেই সঙ্কীৰ্ণতাই হিন্দু জাতি তৈয়াৰ কৰিছে। হিন্দুৱে আনে ছোৱা পানী নাখায়। আনে বান্ধি দিয়া ভাত নাখায়। তেনে ভাত পানী খালে জাত যায় বুলি ভাবে। তাৰোপৰি জন্ম

যোনিবো বিচাৰ কৰা হয়। এইবোৰ সঙ্কীৰ্ণতা আনি দিয়ে বাবেই হিন্দু ধৰ্ম আৰু হিন্দু জাতিৰ মাজত বহু পাৰ্থক্য আহি পৰিছে। ভাত পানী আৰু জাততহে হিন্দু ধৰ্ম বৈছেগৈ।

৫৪২। জলকীয়াৰ জলাই সোৱাদ।

জলকীয়াৰ জলা খাবলৈ সোৱাদ নালাগে। জলকীয়াত খাদ্য প্ৰাণ আছে। জলা গুণটোৱেও আঞ্জাৰ সোৱাদ বঢ়ায়। কেবল সোৱাদৰ কাৰণে বস্তু মূল্যহীন বা মূল্যবান হ'ব নোৱাৰে। ব্যৱহাৰ অনুসৰিহে বস্তু মূল্যবান হয়। সেইদৰে মানুহৰ ক্ষেত্ৰতো সকলো মানুহে সকলো কাম কৰিব নোৱাৰে। ভিন ভিন কামত ভিন ভিন লোকৰ মহত্ব প্ৰকাশ পায়। কোনো এটা কামত পাৰ্গত নহল বুলিয়ে তেওঁক অসাঠন বা এলাহিবাদু বুলিব নোৱাৰি। এদিন হয়তো তেৱেঁই সকলোৰে সহায়ক প্ৰিয়জন হৈ উঠিব পাৰে।

৫৪৩। জয় কালত ভয় নাই।
মৰণ কালত ঔষধ নাই।

সৌভাগ্য উপস্থিত হলে চৌদিশে জয় জয় ময় হয়। তেতিয়া ভাই বন্ধু আত্মীয় কুটুম সকলোৱে সহায় কৰিবলৈ আগবাঢ়ি আহে। সৌভাগ্যবানৰ কোনো ভয় নাথাকে কোনেও অনিষ্ট কৰিব নোৱাৰে। কিন্তু মৃত্যু ওচৰ চাপিলে কোনো ঔষধেই গুণ নিদিয়া হয়। ডাক্তৰ কবিৰাজেও নিৰুপায় হৈ পৰে।

৫৪৪। জাকৈ মাৰে খালৈ ভৰে।

মাছ জাকৈৰে মাৰে। কিন্তু মাছ জাকৈত নাথাকে খালৈতহে থয়। সেইদৰে কোনোবাই কাম কৰে নাম কাৰোবাৰ হয়। কোনোবাই খাটি মৰে আন কোনোবাই ধন জমা কৰে। বাইজে কাম কৰে ৰজাৰ নাম হয়।

৫৪৫। জাত চাই পাত
বিধান চাই ভাত।

যি ধানৰ বিধান সিঁচা হয় সেই ধানৰে ভাত খাবলৈ পোৱা যায়। সেইদৰে মাক বাপেক যেনে চৰিত্ৰৰ ল'ৰা ছোৱালীবো তেনে ধৰণে চৰিত্ৰ গঠন হয়।

৫৪৬। জানি শুনি বৰাহ্ পাগল।

বৰাহ্ এজন ডাঙৰ জ্যোতিষী পণ্ডিত আছিল। জ্যোতিষীবো কৰোত ভুল হব পাৰে এই কথা বৰাহে জানিছিল। গৰ্ব ভাবে তেওঁক পাগলা কৰিছিল। সেইবাবে নিজ দৰ্প চূৰ্ণ হোৱাৰ ভয়ত বোৱাৰীয়েকৰ জিভাখন কাটিবলৈ পুতেকক আদেশ দিছিল। সেইমতে কাম হ'লত খনাৰ কথা কোৱা শক্তি নাশ পালে। সেইবাবে বৰাহ্ মুনিক পাগলা বুলি কৈছিল।

৫৪৭। জানোতে জানে
নাকৰ খেকেৰ আনি পোৰা মাছত সানে।

নাকত আঙুলি ভৰোৱা কিছুমানৰ বদ অভ্যাস থাকে। তেনেলোকে পোৰা মাছেই হওক বা আন খাদ্য বস্তুৱে হওক হাত নোধোৱাকৈ সনা পোটোকা কৰে। ফলত খাদ্য বস্তুবোৰ অখাদ্য হৈ পৰে। কাম কৰিব জানিলেই নহয় পৰিষ্কাৰ পৰিচ্ছন্নও হব লাগে।

৫৪৮। জাপি লাঠী তিয়নী টনা।
ইয়াক এৰিলে দিনতে কণা (ডাক)

মানুহ আন ঠাইলৈ গ'লে জাপি লাঠী তিয়নী আৰু টনা (এবিধ এৰীয়া গামোচা দুইমূৰে মোনা যেন কৰি লোৱা হয়) এই চাৰি বিধ বস্তু লগত ৰাখিব লাগে। নৰখা জন দিনতে কণা অৰ্থাৎ অজ্ঞ বুলি বিবেচিত হয়। কিয়নো জাপি ৰ'দ হলেও লাগে বৰষুণতো লাগে। লাঠীৰ নটা গুণ–

সুৰসুৰীয়া নিয়ৰ ভঙ্গা।
হাতৰ সখা পানীৰ জোখা।
দেখিলা সৰ্প পেইলা মাৰি।
নাইকো পীৰা বহিব পাৰি।
নাইবৈঠা নদীহৈবা পাৰ।
নাইবাৰি বান্ধিলা ভাৰ।
শত্ৰু জনে নপায় সাহ।
কুকুৰেও এ নাচাপে কাষ।।

গা ধুব লাগিলে নাইবা জান জুৰি পাৰ হব লাগিলে তিয়নীখনৰ আৱশ্যক। আৱশ্যকীয় সামগ্ৰী ৰাখিবলৈ টনাখনো লাগে।

৫৪৯। জালকে বুলিলে জকাই
আন্ধাৰে মুন্ধাৰে চিনিব নোৱাৰি
পৈয়েকক বুলিলে ককাই।

ভুল সকলোৰে হয়। বিবেচনা থকা মানুহৰ ভুল হলে বিচাৰ বিবেচনাৰ মাধ্যমত হয়। জালেৰে মাছ মাৰে। জকাইৰেও মাছ মাৰে এই মাছমৰা কথাত বিশেষত্ব আৰোপ কৰা হেতু মাছ মৰা যতনৰ নামৰ খেলি মেলি হব পাৰে। এন্ধাৰত ককায়েক আৰু পিৰীয়েকৰ পাৰ্থক্য বুজা টান। সমবয়সীয়া পুৰুষ হিচাপে অন্ধাৰত কেতিয়াবা পিৰীয়েকক ককাই বুলি ভাবিব পাৰে। এনে ভ্ৰম মৰাত্মক নহয় আমোদজনক হে।

৫৫০। জিভাত হাড় নাই।

জিভা সঞ্চালন কৰি নানা ধৰণৰ কথা কোৱা হয়। জিভাত হাড় নাই কাৰণে কথা

সলাব পাৰি। এটা কথা কৈ আন এটা কোৱা বুলি কব পাৰে। গতিকে মুখৰকথাত বিশ্বাস নাই। কিন্তু সাধুসন্ত সকলে বোলা বাক্য সলনি নকৰে।

৫৫১। জী মৰা জোঁৱাই মাক মৰা পুতাই

জী মৰিলে জোঁৱাইৰ প্ৰতি আদৰ সাদৰ কমি যায়। মাক মৰিলে মাকে পুতেকৰ প্ৰতি লোৱা যত্ন মৰম চেনেহ আনে লব নোৱাৰে। উভয়ে প্ৰকৃত আদৰ সাদৰ মৰম চেনেহৰ পৰা বঞ্চিত হয়।

৫৫২। জীয়ন্তে নুখুৱালে খাহী
মৰিলে কি দেখুৱাব কাশী?

জীয়াই থাকোঁতে ভালকৈ খাবলৈ বৰলৈ নিদিয়া লোকে মৰিলে কাশীবদৰে পুণ্য স্থান দেখুৱাব বুলি আশা কৰিব নোৱাৰি।

৫৫৩। জীৰ নাতি জপনা কাতি
পোৰ নাতি ঘৰে আঁটি

জীয়েকৰ ফালৰ নাতিয়েকৰ ককাকৰ প্ৰতি মৰম চেনেহ কম হয়। কাৰণ তেওৰ দেউতাকৰ ফালৰ ককাক আইতাক থাকে। লগত থকা হেতু আদৰ সাদৰ সদায় পাই থাকে। মাকৰ ফালৰ ককাক আইতাকক কেতিয়াবাহে দেখা পায়। সেইবাবে দেউতাকৰ ফালৰ ককাক আইতাকৰ প্ৰতি আপোন ভাৱ বৰ বেছি হয়।

৫৫৪। জীৱন জুখিবা হাঁহিৰে
বয়স জুখিবা কামেৰে।
ওজন জুখিবা কথাৰে
স্বভাৱ জুখিবা সঙ্গেৰে।।

হাঁহি ধেমালিৰে ভৰা জীৱনেই সাৰ্থক জীৱন সুখী জীৱন। বহুবছৰ থাকিলে দীৰ্ঘজীৱী নহয়। ভাল কামে মানুক দীৰ্ঘজীৱী আৰু অমৰ কৰে। কথা ক'লে মানুহজন মূৰ্খ নে পণ্ডিত ধৰিব পাৰি। লগ সঙ্গবোৰলৈ চাই মানুহৰ চৰিত্ৰ বুজিব পাৰি। দুষ্টৰ লগত ফুৰি মানুহ দুষ্ট হয়। সাধুৰ লগত সাধু হ'ব পাৰে।

৫৫৫। জীয়াই থাকিলে ভাতে আটে
মৰিলে গাতে আটে

পৃথিবীত জীৱ জন্তু সকলোৰে কাৰণে ঠাই আছে। খাবলৈ খাদ্য আছে। জীয়াই থাকিব খুজিলে পৰিশ্ৰম কৰি খাদ্য সংগ্ৰহ কৰিব পাৰি। জীয়াই থাকোঁতে একণি ঠাই পোৱাৰ দৰে মৰিলেও দেহটোৰে একণি ঠাই গাঁতেই হওক বা আন কিবাই হওক পাব। গতিকে জীৱৰ খাদ্যৰ চিন্তা আৰু স্থানৰ চিন্তা চাবলৈ গ'লে নাই। মানুহৰ উৎকৰ্ষ সাধনৰ চিন্তাৰ হে বিশেষ দৰকাৰ।

৫৫৬। জীয়াত নিদিয়ে দহিকাঠি
মৰিলে দিব শ্ৰীআহুতি ?
(সমাৰ্থক) জীৱন্ত নিদিলে কীয়াপুঠী
মৰিলে দিব শ্ৰী আহুতি?

যাৰ জীৱিত কালত পিন্ধিবলৈ কাপোৰ খাবলৈ ভাত দিওতা নাই যি দুখ কষ্টৰ মাজেৰে জীৱন নিৰ্বাহ কৰে মৰাৰ পাছত তেনেজনক ধন সোণ এসোপা দান কৰিলে কোনো কামত নাহে। গতিকে মৰম চেনেহে কৰি খুওৱা ধুওৱা জীয়াই থকা দিনতে কৰিব লাগে। মৰিলে অগাধ সম্পত্তি দান কৰিলেও মৃতকৰ কামত নাহে। জীয়াই থাকোঁতে যি সকলে অকণো মৰমৰ চকুৰে নাচায় সেই সকলে মৰাৰ পাছত ধন সোণ দান কৰিলে লাভ নহয়।

৫৫৭। জুইশালত গঢ়িলেহে কমাৰ শালত গঢ়িব পাৰি।

জুইশালত সৰু সুৰা বস্তু তৈয়াৰ কৰিব পাৰি। তেনেসৰু বস্তু তৈয়াৰ কৰি কৰি অভিজ্ঞতা অৰ্জন কৰিব পাৰিলে পাছলৈ কমাৰ শালত ডাঙৰ বস্তু তৈয়াৰ কৰিব পাৰি। প্ৰথমে সৰু সৰু কাম কৰি অভ্যস্ত হব লাগে। তেতিয়া ডাঙৰ কাম কৰাৰ অভিজ্ঞতা লাভ হয়।

৫৫৮। জুইক কাপোৰেৰে ঢাকিব নোৱাৰি।

জুইক কাপোৰেৰে ঢাকিবলৈ গলে জুয়ে কাপোৰ খনকে পুৰি দুগুণে জ্বলি উঠে। সেইদৰে জ্ঞানী লোকক দোষ জাপিবলৈ গলে তেও বেছি সাৱধান হৈ পৰে। সামান্য দোষে গুণবোৰক আৰু উজ্জ্বলহে কৰি তোলে। গুণী জ্ঞানী লোকক দোষ জাপিলেও গুণৰ আদৰ নকমে। নিজৰ দোষ ঢাকিবলৈ যত্ন কৰিলে সি দুগুণে উজ্জ্বল হৈ উঠে। গতিকে নিজৰ দোষবোৰ আঁতৰাবলৈ যত্ন কৰিব লাগে।

৫৫৯। জুইত পোৰা সোণ

সোণ উজ্জ্বল বস্তু। জুইত পুৰিলে সোণ আৰু উজ্জ্বল হৈ উঠে। অন্য কিবা মিহলি হৈ থাকিলে জুয়ে সেইবোৰ পুৰি নিখুঁত কৰি তোলে। সেইদৰে জ্ঞানী গুণী লোকৰ দোষ উলিয়ালে তেওলোক ভৱিষ্যতলৈ সাৱধান হয়। নিৰ্দোষ হবলৈ যত্ন কৰে। গতিকে জ্ঞানীগুণী লোকৰ দোষ উলিয়াই দেখুৱালে তেওলোক বেছি জ্ঞানী আৰু গুণী হয়।

৫৬০। জুইৰ মাজত উধানৰ বাস।
সেই উধানত ৰান্ধনীৰ আশ।

ৰান্ধনীয়ে চৰু-হাড়ী উধানৰ ওপৰত তুলি ৰন্ধন কাৰ্য্য কৰে। উধানে জুইৰ তাপত উত্তাপিত হৈ ৰন্ধা পাত্ৰ ধৰি থাকে। উধানৰ পৰা চৰু হাড়ী পৰিলে খাদ্য দ্ৰব্য নষ্ট হয়। ৰান্ধনীয়ে উধানৰ ওপৰত বিশ্বাস ৰাখি খাদ্য তৈয়াৰ কৰে। যি নিজে বিপদত পৰি লোকৰ উপকাৰ কৰে তেও প্ৰকৃত পৰোপকাৰী আৰু অতি বিশ্বাসী।

**৫৬১। জুই মৰে জাৰত**
**পানী মৰে গৰমত**
**মানুহ মৰে নিজ নিজ কৰ্মৰ ফলত।**

জুয়ে জাৰ কমায়। সেই জুইত পানী ঢালি জাৰ লগাই নুমাই দিয়া হয়। পানীয়ে গৰম কমায়। সেই পানীৰ গাত গৰম লাগিলে পানী বাষ্প হৈ নাইকিয়া হয়। মানুহে নিজ কামৰ ফলত মৃত্যু বৰণ কৰে। যি যাৰ ওপৰত ক্ষমতা বিস্তাৰ কৰিব পাৰে তাৰ প্ৰভাৱতে মৃত্যু বৰণো কৰা হয়।

**৫৬২। জুইৰ কাষত ঘিউ**
**দোষ কাকনো দিওঁ**

জুইৰ কাষত ঘিউ থলে তাপ পাই ঘিউ গলি যায়। বাষ্পীভূত হলে ঘিউৰ পাত্ৰতো জুই লাগে। সেইদৰে যুৱক যুৱতীক ওচৰা ওচৰিকৈ থাকিবলৈ দিলে তেওলোকৰ ভাল পোৱা ভাব বৃদ্ধি পাই মিলনত পৰিণত হব পাৰে। তাৰ বাবে যুৱক বা যুৱতী দায়ী নহয়। অৱস্থা ব্যৱস্থাহে দায়ী।

**৫৬৩। জুইৰ ভয়ত উধান পলায়।**

জুইৰ প্ৰখৰ তাপ লৈয়ো উধান থাকে। জুইৰ তাপত থাকিবলৈ উধান তৈয়াৰ কৰা হয়। উধানে যদি জুইলৈ ভয় কৰি পলাই যায় তেনেহলে ৰন্ধা বঢ়া কাৰ্য্য অসম্ভৱ হৈ পৰে। যুদ্ধৰ কাৰণে চিপাহী তৈয়াৰ কৰা হয় যুদ্ধলৈ ভয় কৰি পলায়ন কৰা চিপাহী প্ৰকৃত চিপাহী নহয়। যি বস্তু যিহৰ বাবে তৈয়াৰ কৰা হয় সি সেই কামৰ বাবে উপযুক্ত কৰিও লোৱা হয়। কাম দেখি ভয় খোৱা লোক এলেহুৱা বা অকামিলা। তেনে লোকৰ কাৰণে কাম হৈ নুঠে।

**৫৬৪। জুয়ে খালে এঙাৰে হাগে।**

জুয়ে খৰি কাঠ পুৰি এঙাৰ কৰি পেলায়। জুইত পুৰিবলৈ খৰি কাঠ দিলে তাৰ পৰা এঙাৰ পোৱা যায়। যাৰ যেনে কাম তাৰ ফল তেনে হয়। কোনোবাই বেয়া কাম কৰিলে তেনে শাস্তি ভোগ কৰে।

**৫৬৫। জুইশাল নষ্ট কৰে ধানখেৰ পুৰি**
**গাওঁ নষ্ট কৰে তকৰী বুঢ়ী**

ঘৰৰ ভিতৰত জুইশাল থাকে। তাতে তুঁহ কাঠ আদি দি থোৱা হয়। তাৰ সলনি ধানখেৰ দিলে জুই দপদপকৈ জ্বলি ঘৰ পুৰিব পাৰে। ছাইৰে চেদেলি-ভেদেলি হৈ জুই শাল কুৎসিত হব পাৰে। সেইদৰে তক তকাই কথা কৈ ইঘৰৰ কথা সিঘৰত লগাই ফুৰা তকৰী বুঢ়ীয়ে কাজিয়া লগায়। অসূয়া ভাবৰ সৃষ্টি কৰি গাঁও নষ্ট কৰে।

**৫৬৬। জৌবৰ আগত বজিৰ পোহৰ**

জোঁবৰ পোহৰ বেছি উজ্জ্বল বন্তিৰ পোহৰ টিমিক ঢামাক। জোৰৰ আগত বন্তিৰ পোহৰ অকণো নিজিলিকে। সেইদৰে পণ্ডিত সমাজত সামান্য শিক্ষা গ্ৰহণ কৰোঁতাই পণ্ডিতালি দেখুৱাবলৈ গলে শোভা নাপায় হাঁহিয়াতৰ হে পাত্ৰ হয়।

৫৬৭। জোঁৰ পৰি হাত পায়।
কি হব বুলি বাট চায়।।

জোঁৰ জ্বলাই আন্ধাৰত বাট বুলি যায়। জোঁৰ পুৰি পুৰি শেষ হ'লে হাত পোৰে জুই নুমাই যায় আন্ধাৰত নেদেখা হয়। জুই জ্বলি হাত পোৱাৰ আগতে আন এটা জোঁৰ জ্বলাই লব লাগে। এনেহুৱা বিবেচনাহীন লোকে কৰিম কৰিম হব হব বোলাতে সময় অতিবাহিত হয়। মুৰকত কাম হৈ নুঠে। সময় মতে সকলো কাম কৰিব লাগে।

৫৬৮। জোঁৱাই নিলেও নিয়া যমে নিলেও নিয়া।

যমে মাৰি নিলে আৰু ঘূৰাই পাব নোৱাৰি সেইদৰে বিয়া দিলেও ছোৱালীক নিজৰ ঘৰলৈ ঘূৰাই আনিব নোৱাৰি। বিয়াৰ দিনাখনৰ পৰা বিয়া দিয়া ছোৱালী মাক দেউতাকৰ দূৰ সম্বন্ধীয় হৈ পৰে।

৫৬৯। জোকৰ মুখত চূণ

জোকৰ মুখত চূণ পৰিলে জোকে মুখখন কোঁচাই নিয়ে সেইদৰে বৰ ফিটাহি মৰা জনক ঠিক মতে তাৰ প্ৰত্যুত্তৰ দিব পাৰিলে ফিটাহি মৰা বন্ধ হৈ পৰে। কাক কেনেকৈ জব্দ কৰিব পাৰি তাৰ বুদ্ধি জনা দৰকাৰ।

৫৭০। জোনাকত হেৰুৱাই আন্ধাৰত বিচৰা।

জোনৰ পোহৰত কোনো বস্তু হেৰুৱালে আন্ধাৰত বিচাৰিবলৈ গ'লে পোৱা নাযায়। সকলো কামৰে একোটা নিৰ্দিষ্ট সময় থাকে। সেই সময়ত কামটি কৰিলে সুফল লাভ হয়। অসময়ত কাম কৰিলে তাৰ পৰা কোনো সুফল পোৱা নাযায়।

৫৭১। জোৰ যাৰ মুলুক তাৰ।

জোৰ বল থকা মানুহলৈ সকলোৱে সমীহ কৰি চলে। জোৰৱান লোকক জোকাবলৈ কেৱে সাহস নকৰে। ৰজাসকলে সৈন্যৰ বলেৰে ৰাজ্য দখল কৰি ভোগ কৰে। বলৱান লোকে নিজৰ গাৰ বলেৰে স্থান দখল কৰি ভোগ কৰে।

৫৭২। জ্বলা জুইত ঘিঁউ ঢালি
চাই লোৱা আতপালি।

জ্বলি থকা জুইত ঘিঁউ ঢালিলে জুই দপদপকৈ জ্বলি উঠে। সেইদৰে খঙত জ্বলি থকা মানুহক আৰু খং তুলিবলৈ চেষ্টা কৰিলে তেওঁ খঙতে একো নাইকিয়া হৈ পৰে। আৰু যি মন যায় তাকে কৰে। শোকত কাতৰ হৈ থকাজনকো শোক বৃদ্ধি

কৰিবলৈ চালে তেওঁ শোকত মৰিবও পাৰে। গতিকে খঙাল মানুহৰ খং তুলিবলৈ শোকাতুৰৰ শোক বৃদ্ধি কৰিবলৈ চাব নালাগে।

৫৭৩। জ্ঞানৰ আশ্ৰয় বাক
শিশুৰ আশ্ৰয় মাক।

জ্ঞান কথাৰে প্ৰকাশ হয়। মানুহৰ জ্ঞানৰ পৰিসৰ কথাত ওলাই পৰে। শিশু ডাঙৰ দীঘল হ'বলৈ মাকৰ সহায় লাগে। মাকেহে শিশুক খাদ্য খুৱাই মাত কথা শিকায় বহিবলৈ থিয় হবলৈ খোজ কাটিবলৈ শিকাই ডাঙৰ কৰে। মাকৰ আশ্ৰয় নাপালে শিশুৰ শ্ৰীবৃদ্ধি হ বলৈ টান হয়।

# ট

৫৭৪। টকা লব লেখি
বাট হাৰিবা দেখি।।

টকাৰ বেয়া ভাল থাকিব পাৰে। চাই লব লাগে। কম বা বেছি হব পাৰে। লেখি লব লাগে। বাট বুলিলে চাইচিতি বুলিব লাগে। বাটত হুল জোং থাকিব পাৰে। সাপ সুপ থাকিব পাৰে। গাঁত আদিও থাকিব পাৰে। চাই চিতি নগলে বিপদ হব পাৰে।

৫৭৫। টকাৰ সুতে ঘোঁৰাৰ আগত যায়

ঘোঁৰা বৰ বেগী জন্তু। টকা ধাৰলৈ ললে তাৰ সুত তাতোকৈ বেগী হয়। অৰ্থাৎ ধৰলৈ লোৱা টকাৰ সুত বেগেৰে বাঢে । সময়ত সি মূলতকৈও সৰহ হৈ পৰে। ধৰুৱাই যিমানে পলম কৰে। সুত সিমানে বাটিবলৈ ধৰে। চক্ৰবৃদ্ধি হাৰত বাটিলে কোনো কথাই নাই এগুণৰ ঠাইত বহুগুণ হয়। টকাই টকা আনে বুলি কথা এটাও আছে।

৫৭৬। টপামুৰ ঢাক নাযায়।

মুৰত চুলি নাথাকিলে টপা বোলা হয়। টপা মুৰ ঢাকি ৰাখিব নোৱাৰি ঢাকিলেও যি কোনো ফালেৰে ধৰিব পৰা হয়। সেই দৰে মানুহৰ দুৰৱস্থা ঢাকি ৰাখিব নোৱাৰি। যি কোনো প্ৰকাৰে তাৰ প্ৰকাশ হবই।

৫৭৭। টানত পৰিলে নাম লয়। বা টানত পৰি ৰাম বোলা।

মইয়ে সৰ্বেসৰ্বা এনে এটা ভাৱত মানুহে পৰম শক্তিমন্ত ভগৱন্তকো অকণো মনত নেপেলায়। যেতিয়া কোনো বিপদত পৰি উদ্ধাৰৰ কোনো উপায় বিচাৰি নাপায় তেতিয়াহে ভগৱানক চিন্তা কৰে। ভগৱান থকাটো অনুভৱ কৰে। অজামিলে আন উপায় নেদেখি ভগৱানত শৰণ লৈছিল। ৰোগৰ পৰা উদ্ধাৰ পাবলৈ মানুহে ভগৱানক বিচাৰে বয়সৰ শেষ সীমাত দুৰ্দান্ত অসাধু, চোৰ বেশ্যা আদিয়ে ভগবানৰ প্ৰতি ভক্তি পৰায়ণ হৈ পৰে।

৫৭৮। টান টান টান
ৰজাৰ আগত কথা কোৱা টান।
মদাৰ গছৰ পাণ পৰা টান
মৈণীৰ পৰা কথা লুকোৱা টান
ওপৰৰিৰ হিচাব দিয়া টান।

ৰজাৰ সকলো ক্ষমতা থকাৰ কাৰণে কথা ক'লে কিবা দোষ হ'ব পাৰে আৰু

দোষ হ'লেই শাস্তি পোৱাৰ ভয় থাকে গতিকে বজাৰ সমুখত কথা কবলৈ টান লাগে। মদাৰ গছত কাঁইটে ভৰি থাকে তাত পাণ উঠাই দিলে পাৰি আনিবলৈ টান লাগে। নিজৰ তিৰোতাৰ ওচৰত কথা লুকালে ঘৰত অশান্তিৰ সৃষ্টি হয়। নিজৰ ওপৰদ্ধি ধনৰো হিচাব দিব নোৱাৰি তাৰ পৰা বিপদ ঘটিব পাৰে।

৫৭৯। টিকনিৰ আগত খং
মুখত নাই ৰং

যি মানুহৰ সামান্য কথাতে খং উঠে তেওঁৰ মনত ৰং ভাব নাথাকে। তেনে ধৰণৰ মানুহ খিংখিঙীয়া হয়। চেহেৰা পাতিও ভাল নহয়।

৫৮০। টিক বলধা ওলাই মাটি।
মাক ভালে জীয়েক জাতি (ডাক)

বলধ গৰুৰ টিকা চুলেই যদি লৰ মাৰে তেনে বলধ লায়কৰ হয়। পদূলি ওলালেই যদি খেতিৰ মাটি দেখা যায় সেই মাটি খেদি কুৰি লব লাগে। কাৰণ সেই মাটিত ওলোৱা সোমোৱা কৰোঁতে চকু দিব পাৰি। মাক যদি গুণী জ্ঞানী সাধু তিৰোতা হয় জীয়েক ভাল হ'বই। মাকৰ পৰাই জীয়েকে আচাৰ ব্যৱহাৰ নীতি নিয়ম শিকে। তেনেজনী ছোৱালী আনি ঘৰ কৰিলে সুখেৰে কাল কটাব পাৰি।

৫৮১। টিপচিপলী চৰে টিপা মাৰিলে মৰে
কৈলাশলৈ উৰো উৰো কৰে।

টিপচী চৰাই তেনেই সৰু টিপা মাৰিলেই মৰি থাকে। তেনে চৰাইৰো কৈলাশ পৰ্বতলৈ উৰি যাবলৈ মন যায়। সেইদৰে সামান্য মানুহেও নিজৰ বৰীয়াকৈ মহৎ কাম এফেৰি কৰিবলৈ ইচ্ছা কৰে। কেতিয়াবা কেতিয়াবা তেনেজন লোকেই মহৎ কাম কৰি জগতক তবধ লগায়।

৫৮২। টুটকীয়া নহলে গাওঁ নবহে। লাগনী নহলে জুই নজ্বলে।

গাঁৱত সকলো ধৰণৰ মানুহ থাকে। টুটকীয়া মানুহ গাঁৱত থাকিলে কন্দল লগায়। কন্দল লাগিলে মানুহৰ বুদ্ধি বিবেচনা বাঢ়ে টুটকীয়াৰ পৰা সাৱধান হ'বলৈ শিকে। হাই দন্দ যেনেকৈ হয় মিলা প্ৰীতিও তেনেকৈ হয় হাই দন্দ মিলা প্ৰীতিৰ মাজেৰেই গাঁৱৰ স্থিতি বৰ্তে। লাগনী খৰি নহলে জুই নজ্বলে সেইদৰে টুটকীয়া নাথাকিলে গাওঁখনৰ গত নালাগে।

৫৮৩। টেঙৰ মানুহৰ কাজ
মাছৰ তেলেৰে ভাজে মাছ

কিছুমান মাছৰ তেল থাকে সেই তেলেৰে মাছ ভাজি খাব পাৰি। তেনে কৰিলে তেল ৰাহি হয়। চালাক চতুৰ মানুহে বাইজৰ পৰা দান বৰঙণি লৈ বাইজকে খুৱাই

ধুৱাই সন্তুষ্ট কৰে। নিজেও খায় আৰু দুপইচা জমাও ৰাখে। কোনো কোনোৱে ৰাইজৰ ধনেৰে স্কুল কলেজ পাতি ৰাইজৰ উপকাৰো কৰে।

**৫৮৪। টেঙা আম এবাৰহে বেচিব পাৰি।**

টেঙা আম মিঠা বুলি কৈ এবাৰহেৰ বেচিব পাৰি। দুনাই আম কিনিবলৈ তেওৰ ওচৰলৈ কোনো নাহে। ঠগ বা প্ৰৱঞ্চক সকলে এজন মানুহক এবাৰ হে ঠগাব পাৰে পাছলৈ মানুহ সাৱধান হৈ পৰে।

**৫৮৫। টেঙা খাই নাখায় পানী**
**যমে মানুহে টনা টনি।**

টেঙা খাই পানী খাব লাগে। তেতিয়া টেঙাৰ চোক কমে দাঁত আৰু পেটৰ অনিষ্ট নহয়।

**৫৮৬। টেটোনে টেপৰ বুজায়।**
**টেৰিমেৰি কৰি তাঁহাতকে বুজায়**

টেটোন মানুহে নিজে আঁৰত থাকি আনৰ কাজিয়া লগাই দিয়ে। সময়ত তেৱেঁই টেৰা বেকা কথা কৈ নিজৰ দোষ লুকুৱাই ৰাখে আৰু কাজিয়া কৰোঁতাক নান ধৰণে বুজাবলৈ যত্ন কৰি শান্ত কৰে।

**৫৮৭। টোকোৰা চৰাইৰ বাহ।**
**আহুক নাহক ঝড় বতাহ।।**

টোকোৰ চৰায়ে তামোল নাৰিকল গছত তাৰেই পাতৰ আঁহেৰে এনে ধুনীয়া লাউৰ দৰে বাহ সাজে তাত পানীও নপৰে ছিঙিও নপৰে । ঝড় বতাহ আহিলেও নষ্ট নহয়। নিৰাপদে পোৱালি ফুকাই থাকবি পাৰে। ক্ষুদ্ৰ হলেও আশ্ৰয় স্থল নিৰাপদ হোৱা বাঞ্ছনীয়।

**৫৮৮। টোপনিত ভোগ হেৰায়।**
**লাজত কাজ হেৰায়**

টোপনিৰ ভাব হ'লে খাদ্যৰ সোৱাদ অনুভৱ কৰিব নোৱাৰি। সুখাদ্য দিলেও টোপনিত থকা মানুহে সোৱাদ নাপায় খাবলৈ ইচ্ছা নকৰে। লাজকুৰীয়া মানুহে কাম ভালকৈ কৰিব নোৱাৰে। কাম কৰোঁতে মানুহৰ মনৰ বল আৰু সাহস থকা দৰ্কাৰ। নহ'লে কাম সুসম্পন্ন হৈ নুঠে। অনেক সময়ত লেতেৰা কামো কৰিব লগীয়া হ'ব পাৰে। লাজ কৰিলে তেনে কামত আগবাঢিব নোৱাৰি।

**৫৮৯। টোপনিৰ নেওচান বাঁতিপুৱা**
**তিৰীৰ নেওচান সকমুৱা।**

ৰাতিপুৱা শোৱা বেয়া। ৰাতিপুৱাৰ টোপনিয়ে স্বাস্থ্য হানি কৰে। সকমুৱা তিৰোতাৰ মুখ চোকা হয়। তেনে তিৰোতাই আনক মান সম্মান নকৰে মিলাপ্রীতিৰ ভাবো নলয়। সকলোৰে ওপৰত কথা কৈ ঘৰখনত কন্দল লগাই থাকে।

৫৯০। টোপলা দেখি টুপলি যাচে।
নাই টোপোলা থমকি আছে।।

আত্মীয় কুটুমৰ ঘৰলৈ গলে সুদা হাতে যাব নালাগে। কিবা এপদ বস্তু নিলে যাৰ ঘৰলৈ যোৱা হয় তেওলোকে আহ্লাদিত হয়। আহিবৰ সময়ত তেওলোকেও কিবা এটি দিবলৈ যত্ন কৰে বা দিবলৈ পালে ভাল পায়। টোপোলা নোলোৱাকৈ নিজ ঘৰলৈ গ লেও গৃহিণীয়ে হাতে পাতে একো নেদেখি থমকি ৰয়। আদৰ সাদৰ কৰা কাৰ্য্যত নিৰুৎসাহ হৈ পৰে।

# ঠ

## ৫৯১। ঠাকুৰ পেলাই কুকুৰ পোহে।

নিজৰ মঙ্গল কামনা কৰি ঠাকুৰ পূজা কৰা হয়। ঠাকুৰ পূজিলে মনত শান্তি পোৱা যায়। ইষ্ট দেৱতাক পূজা কৰা উচিত। কুকুৰ মানুহৰ উপকাৰী জন্তু। কিন্তু কুকুৰে মঙ্গল বিধান কৰিব নোৱাৰে। মনত শান্তিও দিব নোৱাৰে। কেতিয়াবা অনিষ্টহে কৰে। গতিকে ঠাকুৰ পেলাই কুকুৰ পোহাৰ লাভ নাই। কুকুৰ সহায়কাৰী হিচাবেহে ৰাখিব লাগে।

## ৫৯২। ঠেকে যত শিকে তত

সহজতে খাব লবলৈ পালে মানুহে কাম কৰিবলৈ নিবিচাৰে। কাম নকৰিলে একো শিকিব নোৱাৰে। য'ত খোৱা মুঠিও পাবলৈ টান হয় তাতে মানুহে কাম কৰিবলৈ বাধ্য হয়। কাম কৰি কৰি অভ্যস্ত হলে অভিজ্ঞতাও বাঢ়ে ন ন কথা শিকিবলৈ পাৰে গতিকে ঠেকা খালেহে শিক্ষা হয়।

## ৫৯৩। ঠেলাৰ নাম বাবাজী

মানুহে সহজতে খাব পিন্ধিবলৈ পালে কাম কৰিবলৈ ইচ্ছা নকৰে। শাসন কঠোৰ হ'লে কাম কৰিবলৈ আৰম্ভ কৰে অৰ্থাৎ খোৱা পিন্ধাত সুখ পালেও ফষ্টি মাৰি থাকিব নোৱাৰে। শাসন মানি কাম কৰিবলৈ বাধ্য হয়।

## ৫৯৪। ঠেংতলে বৌ যায়।
মিছালৈ টুপলি বায়।।

বহু মানুহে বৰ ভাল কথালৈ মনোযোগ নিদিয়ে। সামান্য কথাবোৰত লাগি থাকোতে যায়। মাছ মৰীয়া লোকে মিছা মাছলৈ খাপ লৈ থাকোতে তেওঁৰ ঠেঙৰ তলেৰে বৌ মাছো সৰকি যায়।

# ড

৫৯৫। ডাঙৰ গছত বতাহ্ লাগে।

ডাঙৰ গছ ওখ হৈ থকা বাবে তাত বতাহ্ বেছি লাগে। বতাহ্ লাগি ডাঙৰ গছ ভাগেও। সেইদৰে বিপদ বিঘিনি আহিলে মুৰব্বী সকলক পোনতে পায়। তেওঁলোকে সকলো আপদ আহ্কাল মূৰ পাতি লবলগীয়া হয়।

৫৯৬। ডাঙৰ গছত লতা বগায়।

লতা পৰাশ্ৰিত উদ্ভিদ। আন ডাঙৰ গছৰ আশ্ৰয় নাপালে লতা জাতীয় গছ বেছি বাঢিব নোৱাৰে। সেইদৰে সৰ্ব সাধাৰণ মানুহেও আশ্ৰয় বিচাৰি ডাঙৰ আৰু জ্ঞানী লোকৰ আশ্ৰয়ত বাস কৰে। বিপদে আপদে ডাঙৰ লোকে সজ উপদেশ আৰু বুধি ভৰসা দি তেওলোকক নিৰাপদ কৰি ৰাখিব বুলি আশা ৰাখে।

৫৯৭। ডাঙৰৰ দায় পিছলি যায়
সৰুৰ দায় খাজে খোপে খায়।

ডাঙৰ ডাঙৰ মানুহে দায় জগৰ লগালে অভাৱনীয় ভাবে হোৱা বুলি অথবা ধৰিব লগীয়া নহয় বুলি এৰি দিয়া হয়। সৰু মানুহে দায় জগৰ লগালে তন্নতন্নকৈ বিচাৰ কৰি তাৰ বাবে কঠোৰ শাস্তিৰ বিধান কৰা হয়। ডাঙৰ মানুহৰ দায় জগৰ ধন জনৰ বলতো পাতল হৈ পৰে।।

৫৯৮। ডাল ডাল কৈ পকিলে চুলি
পৈয়েক মাতে ৰূপহী বুলি।

ভাল পাওতাজনে নানা দোষ থাকিলেও ভাল বুলি কৰলৈ নেৰে। চুলি পকি বুঢ়ী হলেও প্ৰিয়তমা পত্নীক পতিয়ে ৰূপহী জ্ঞান কৰে। ৰূপহী বুলি মাতেও।

৫৯৯। ডিমত আঁহ্ উলিয়ায়।

ডিমা বা কণী মিহি বাকলি থকা বস্তু। তাত আঁহ্ থাকিব নোৱাৰে। কিছুমান চকু চৰহা মানুহে নিখুঁত কামত খুঁত উলিয়াবলৈ বিচাৰে। সাধু মানুহৰো দোষ খুচৰি ফুৰে। তেনে লোকে কেতিয়াবা অসম্ভৱকো সম্ভৱ কৰিব খোজে।

৬০০। ডুব মাৰি পানী খায়।

পিয়াহৰ পানী দেখা দেখিকৈ খাব পাৰি। পানীত ডুব মাৰি পানী খোৱাটো লুকাই খোৱা কাৰ্য্য যাতে আনে নেদেখে । কিছুমান মানুহ আছে তেওঁ লোকে লুকাই থাকি বেয়া কাম কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰে।

৬০১। ডেকা কালত ল'ৰা হয় কামৰ লয় ভাৰ।
বুঢ়া কালত ল'ৰা হয় চুমা চাটাই সাৰ।।

ডেকা অৱস্থাত ল'ৰা জন্ম হলে সেই ল'ৰা ডাঙৰ দীঘল হৈ দেউতাকৰ কৰিবলগীয়া সকলো কামৰ ভাৰ লব পাৰে। বুঢ়া কালত ল'ৰা উপজিলে মৰম কৰি ডাঙৰ দীঘল কৰি থাকোতে মৰণ কাল উপস্থিত হয়। মৰিবৰ সময়ত ঘৰ চলাবলৈ উপযুক্ত ল'ৰা নথকা বাবে মনত দুখ থাকি যায়।

৬০২। ডিঙিলৈকে পানীত বুৰো তথাপি পিয়াহত মৰো।।

ডিঙিলৈকে পানীত ডুবি থাকিও খোৱাৰ শক্তি নথকাত পিয়াহত মৰিব পাৰে। ধন সম্পত্তিৰ মাজত বহি থাকিলেও সেইবোৰ ভোগকৰাৰ মন বা ক্ষমতা যাবে তাৰে নাথাকে। ফলত শুকাই মৰে।

৬০৩। ডেকা গাভৰুৱে কথা পাতে কথাই পতি হাঁহে।
বুঢ়া বুঢ়ীয়ে কথা পাতে কথাই পতি কান্দে।।

সমাৰ্থক

চেংৰা চেংৰী কথা পাতে প্ৰতি কথায় হাঁসা
বুঢ়া বুঢ়ী পাতে কথা ঘুণ্ড হেলো লৰে মাথা।

ডেকা গাভৰুৱে প্ৰেমৰ কথা পাতি হাঁহে। বুঢ়া বুঢ়ীয়ে সুখ দুখৰ কথা পাতি অতীত কাহিনী কৈ হয় বুলি কপৌৰ দৰে মূৰ দুপিয়াই শলাগি থাকে। আনন্দ পালেও বিশেষ প্ৰকাশ নাপায। বয়সে কথা বতৰাৰ ৰেহ ৰূপ বদলি কৰে।

# ঢ

৬০৪। **ঢাবিৰ আগত ৰজাকো চৰ্চে।**

আনৰ দোষ গুণ চৰ্চা কৰাটো মানুহৰ স্বভাৱ। অনেক সময়তক ক্ষমতাশালী লোকৰ সমুখত চৰ্চা কৰাটো বিপদৰ কথা হব পাৰে। তেনে অৱস্থাত মানুহে পৰোক্ষে চৰ্চা কৰে। তাতো চোৰা‚চোৱাৰ ভয় থাকে। টুটুকীয়া লোকে তেনে চৰ্চাক সদৰি কৰে। ৰজাক চৰ্চা কৰাটো দোষণীয়। ফলত শাস্তি লব লগীয়া হব পাৰে। সেই কাৰণে শোৱা ঢাবিৰ আগত চৰ্চ্চা কৰি বিপদৰ সম্ভৱনা নাইকিয়া কৰে। চৰ্চা কৰোঁতা সকলে চৰ্চা কৰিবই। সমুখত নকৰে। খেৰ কুটা আদিৰ আগতো চৰ্চা কৰি নিজৰ খু দুৱনি মাৰে। পৰ চৰ্চাক বেছি মূল্য দিব নালাগে।

৬০৫। **ঢাল নাই তৰোৱাল নাই নিধিৰাম চৰ্দাৰ**

ঢাল তৰোৱাল ব্যৱহাৰ জনা লোক দলৰ দলপতি বা চৰ্দাৰ হবৰ যোগ্য। বহু সময়ত ঢাল তৰোৱাল নোলোৱাকৈ চৰ্দাৰি কৰিব পাৰি। অস্ত্র শস্ত্র নহলেও বুধি খটুৱাই কথা কব পৰা জনে চৰ্দাৰ হয়। নিধিৰাম তেনে এজন চৰ্দাৰ।

৬০৬। **ঢিলা পালে ঠিলা মাৰে।**
**টান পালে নাম লয়।**

ঢিলা মাটিত সহজতে হেচি খুঁটি মাৰিব পাৰি। টান মাটি হলে গাঁত খান্দিলেহে খুঁটি মাৰিব লাগে। হোজা যেন দেখিলে বোজা দিয়ে। অৰ্থাৎ কাৰ্য্যৰ ভাৰ বেছিকৈ দিয়ে। বিপদত পৰিলে অথবা ৰোগ ব্যাধিত আক্রান্ত হৈ জীয়াতু ভুগিব লগীয়া হলেহে সৰ্ব সাধাৰণ মানুহে ভগৱানৰ নাম লয়। নহলে বহুতে ভগৱানৰ অস্তিত্বকে মানিব নোখোজে। ঠেকত পৰিলেহে মানুহে আনৰ সহায় বিচাৰে। ভগৱানকো বিচাৰে।

৬০৭। **ঢুলীয়াৰ বল তালী।**
**ওজাৰ বল পালি।**
**বেৰৰ বল কামী।**
**তিৰীৰ বল স্বামী।**

ভাল তালী নহলে ঢুলীয়াৰ গা নুঠে। ভাল পালী নাথাকিলে ওজাপালীৰ ওজাৰ গা নুঠে বসাল নহয়। কামী বান্ধি নিদিলে বেৰা খটখটীয়া নহয় বেছি দিন নিটিকে। সেইদৰে স্বামী সঙ্গী নহলে তিৰোতাই সুখ শান্তি নাপায়। মনত সাহস নজন্মে।

৬০৮। **ঢেঁকীত মহে খায়।**
**উৰালত কৰকৰায়।**

ঢেঁকীত কিবা বিজুতি ঘটিলে উৰালত তাৰ প্রতিক্রিয়া ঘটিব নোৱাৰে। সেইদৰে

এজনৰ দুখ কষ্ট আন এজনৰ গাত সহজে অনুভূত হব নোৱাৰে। কিন্তু তেনেই আপোনজন যি জনে মনে প্ৰাণে ভাল পায় তেওঁৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হব পাৰে। সন্তানে কষ্ট পালে মাকৰ মনতো স্বভাৱতে কষ্ট অনুভূত হয়। স্বামীৰ দুখত তিৰোতাই দুখ অনুভৱ কৰে। গতিকে এজনৰ কষ্ট দেখি আন এজনৰ দুখ ওপজা স্বাভাৱিক।

৬০৯। **ঢেঁকী স্বৰ্গলৈ গ'লেও ধান বানে।**

ঢেঁকীৰ কাম ধান বনা। যলৈকে ঢেঁকী নিয়া নহওক কিয় ঢেকীৰে ধান বনাৰ বাদে আন কাম নাই। যাক যতে প্ৰয়োজন তাত তাৰ নিজ কামৰ বাবেই প্ৰয়োজন হয়। স্থান কালৰ কোনো কথা নাথাকে।

৬১০। **ঢোল মাৰিলেহে নাচোন আহে।**

ঢোলৰ বাজনা শুনিলে নাচনীৰ নাচিবলৈ মন যায়। সেইদৰে উপযুক্ত পৰিবেশ সৃষ্টি হলেহে মানুহে কাম কৰিবলৈ ভাল পায়।

৬১১। **ঢোলৰ লগত টেমেকা।**

টেঁমেকা এবিধ সৰু ঢোল। ঢোলৰ বাজনাৰ চেৱে চেৱে টেমেকাই তাল ৰাখি যায়। টেমেকাৰ টিংটিঙনি শুনিবলৈ ভাল হয়। সেইদৰে বৰলোকৰ লগত লগুৱা লিকচৌ আলধৰা আদি নাথাকিলে বৰলোকৰ শোভা নাবাঢে। ডাঙৰ মানুহৰ সম্মান ৰক্ষাৰ কাৰণে সৰু মানুহ লগত থাকিব লাগে।

৬১২। **ঢোলৰমাত শুনি নিতৌ তাৰোঁ বিয়া**
**শাহু আইৰ মাতশুনি আজুৰি পেলাওঁ হিয়া।।**

ঢোল পেঁপাৰ মাত শুনিলে বিয়া বিয়া লাগে। মনত ৰং হয়। বিয়াত বহিবলৈ মন যায়। কিন্তু শাহুৱেকৰ হুটা মাত শুনিলে সেই আনন্দ কেনিবা পলায়। নিজৰ কলিজা খামুচি পেলাবৰ মন যায়। ঢোল পেঁপাৰ মাতে এটা আনন্দৰ পৰিবেশ আনে। কিন্তু শাহু আইৰ হুতা মাত শুনিলে মনত দুখে বেজাৰে আগুৰি ধৰে। মাকৰ দৰেই শাহুৱেকে বোৱাৰীয়েকক মৰম কৰা উচিত। যাতে দুয়োৰে মাজত মাক জীয়েকৰ সম্বন্ধ গঢ়ি উঠে।

৬১৩। **ঢৌতে যি মাৰে খৰ**
**সিহে তৰে আঠাই সাগৰ।**

সাগৰত ঢৌ উঠে। সেই ঢৌত বুৰি নাযাবলৈ ঢৌৰ লগে লগে খৰ মাৰিবলৈ জানিব লাগে। তেতিয়া মৰিবলৈ ভয় নাথাকে। আৰু সহজে আঠাই সাগৰ পাৰ হ'ব পাৰি। এই সংসাৰখন নানা বিপদ আপদে ভৰা। বিপদ আপদত ধৈৰ্য্য ধৰি উদ্ধাৰৰ উপায় চিন্তা কৰা দৰকাৰ। তেতিয়াহে এই সংসাৰ সাগৰত জীৱন নাও সুকলমে চলাই নিব পাৰি।

৬১৪। টৌৰ গণিতা নাই,
ঢোকে ঢোকে পানী খাই।

সাগৰ টৌৰে ভৰা। তাত পৰিলে ঢোকে ঢোকে পানী খাই মৰণো হ'ব পাৰে। সংসাৰখনো বিপদ বিঘিনিৰে ভৰা। তাৰপৰা ৰক্ষা পাবলৈ সাৱধানে চলিব লাগে। বিপদ আপদলৈ লক্ষ্য নকৰিলে নানা ধৰণৰ কষ্ট খাবলগীয়া হয়।

৬১৫। টৌটৌতে বৌটো।
ফটাকানি টৌ টৌ।

ফটাকানিত পানী বান্ধি ৰাখিব নোৱাৰি টৌ টৌ কৰি পৰি যায়। সেইদৰে টৌ দেখিলেই বৌ মাছ অহা বুলি কব নোৱাৰি। বৌ মাছ গভীৰ পানীত থাকে টৌৰ ওপৰে ওপৰে নুফুৰে। টৌটোতে বৌটো দেখাটো ফটা কানিত পানী বান্ধি ৰখাৰ দৰে অসাৰ্থক কথা।

# ত

৬১৬। তই ধৰিবি তাক।
সি ধৰিব তোক।।
দুয়ো গোট খাই ধৰিবি মোক।
তাদৰ শেষপথে লৈ যাম তোক।

মনে স্থিৰ হৈ ইন্দ্ৰিয় সমূহক ধৰি দমন কৰিব নোৱাৰিলে আনে দমন কৰিব নোৱাৰে। ইন্দ্ৰিয়সমূহ দমন হ'লে মনৰ বশ হৈ পৰিব। তেতিয়া মন আৰু ইন্দ্ৰিয় একেলগ হৈ ভগবানক কাকুতি মিনতি জনাব। ভগবানে তাদৰ শেষ পথৰ কৃষি কৰ্ম কৰি এটালে অৰ্থাৎ সংসাৰৰ কাম শেষ হ'লে বৈকুণ্ঠলৈ লৈ যাব।

৬১৭। তলে গো বধ। ওপৰে ব্ৰহ্ম বধ।

গো বধ কৰিলেও পাপ। ব্ৰহ্মবধ কৰিলেও পাপ হয়। অৰ্থাৎ কোনটোকে কৰিব নোৱাৰা হোৱা অৱস্থা।

৬১৮। তলে শিল ওপৰে কিল।

তলত টান বস্তু থৈ ওপৰত আঘাত কৰিলে সেই আঘাত বেছি জোৰে লাগে। শাস্তিৰ মাত্ৰা বেছি কৰিব খুজিলে তলে ওপৰে কঠোৰতম ব্যৱস্থা লব লাগে।

৬১৯। তলে যিমান ওপৰে সিমান
তাকে বোলে ছিৰি
নতুন আৰ্জে পুৰণি খায়
তাকে বোলে গিৰী।
বা
ন আৰ্জে পুৰণি খায়
তাকে বোলে গিৰী।
তালে যিখিনি ওপৰে সিখিনি
তাকে বোলে ছিৰি।

যিমান খৰচ কৰে জমাও সিমানে কৰে সেয়া শ্ৰীমন্ত গৃহস্থৰ কথা। নতুন আৰ্জি নতুন নাখায় পুৰণিহে খায়। নতুন ধান পুৰণি হ'বলৈ থৈ দিয়ে সেয়া অৱস্থাপন্ন গৃহস্থৰ কথা। গতিকে সকলোখিনি আৰ্জন খৰচ কৰিব নালাগে। সাচিব লাগে। তেতিয়াহে গৃহস্থৰ বল হয়। প্ৰকৃত গৃহস্থই তাকে কৰে।

৬২০। তলে পুতল মধ্যে কীণ।
তাকে দেখিলে লাগে ঘিণ।

যি মানুহে পেটত বুধি ৰাখে তলে তলে আনৰ অনিষ্ট কৰাত পকা তেনে লোকক তলে পুতল বোলা হয়। তেনেবোৰ মানুহ দেখাত বৰ শান্তশিষ্ট যেন লাগে তেও কিন্তু ঘৃণনীয় ব্যক্তি।

৬২১। **তাঁতৰ চাবি বাতি ৰ**
**কথা কোৱা দি কব নোৱাৰিলে**
**শ্লোকত কোৱা দি ক।**

তাঁতৰ চাবি বাতি ৰ ৰ কাৰ্য্য কৰলৈ হলে বহু কথা কব লাগে। কাৰ্য্যৰে অতি সহজে বুজাব পাৰি। সেইদৰে কোনো কথা ভাষাৰে প্ৰকাশ কৰাত অসুবিধা হ লে ভাবেৰে বা ইঙ্গিতেৰে বা কৰ্মৰ দ্বাৰা বুজাবলৈ যত্ন কৰিব লাগে। কথাবোৰ বিৱৰণমূলক। শ্লোকবোৰ ইঙ্গিত আৰু অনুভূতিমূলক।

৬২২। **তাঁতীৰ কি ঘোঁৰা বোৱা।**
**বান্দৰৰ কি ঘৰ ছোওৱা।।**

তাতীয়ে তাঁতখন লৈয়ে ব্যস্ত থাকে। তেও ঘোঁৰাৰে কেনেকৈ হাল বায় গাড়ী চলায় ৰণ কৰে আদি কথা ভাবি নাপায়। বান্দৰে বাহ সাজি নলয়। সি ঘৰ কেনেকৈ ছায় ক'ত কি দিব বা থব লাগে একো বুজি নাপায়। গতিকে যি যি বিষয়ত অনভিজ্ঞ সেই বিষয়ে চিন্তা কৰাৰ আৱশ্যক নাই।

৬২৩। **তাচ কড়ি পাশা। ই তিনি সৰ্বনাশা।**

তাচ কড়ি পাশা খেলত হাৰ জিত আছে। তাৰফলত ধন সম্পত্তি নাশ হয়। আনকি ৰজাই ৰাজ্যও হেৰুৱাব লগীয়া হয়। গতিকে এই তিনি প্ৰকাৰ খেলাই সৰ্বনাশ কৰে।

৬২৪। **তাইৰ সমান নাই কাজী।**
**এসেৰ কপাহেৰে বাটে এডাল পাঁজি।।**

যি পাঁজি বাটিব নাজানে এসেৰ কপাহৰ এডাল হে পাঁজি কৰে। তেনে তিৰোতাই বোৱন কাটনত কাজী বুলি ওফাইডা মাৰি ফুৰা উচিত নহয়। কামৰ আৰম্ভণিতে কিমান পকৈত তাৰ চিনাকি ওলায়। মিছাকৈ ৰবাই কৰি কথা ক লে হাঁহিয়াতৰ হে পাত্ৰ হ'ব লাগে।

৬২৫। **তামোলৰ বেটু পচে।**
**কথাৰ বেটু নপচে।।**

তামোলৰ বেটু পচি সৰি যায়। তাৰ কোনো মূল্য নাথাকে। কথাৰ বেটু নষ্ট নহয়। মনত দকৈ সাচ বহা কথা কলে সি বহু দিনলৈ মনত থাকে। তাৰপৰা সময়ে সময়ে হাইদন্দ কাজিয়া পেচাল হৈ থাকে আৰু গোলখা পৰিসৰ বাঢ়িব পাৰে।

৬২৬। তামোল একণ দিয়া ভকত।
চূণ পাণ একণ দিয়া লগত।।
ধঁপাত একণ দিয়া পাছে।
বাকীখিনি মোৰেই আছে।।

তামোল পাণ চূণ ধঁপাত মিলি তামোলখন হয়। তাৰ বাহিৰে আন বস্তু নাথাকে। একন তামোল একণ পাণ একন চূণ একণ ধপাত বুলি সকলো খিনিকে খুজিলে। কিন্তু কথাবোৰৰ ধৰণত নিজৰ সকলোবিধ আছে। কিবা একণ হে লাগে—বুলি খোজা হৈছে। এনেবোৰ চতুৰ মানুহৰ উক্তি লোকক ঠগোৱা বুধি ৰ, লগোৱা চলাহী কথা।

৬২৭। তামোলৰ চিকুণ গুৱা।
টৈপনিৰ চিকুণ বাতিপুৱা।।

নুশুকোৱা তামোলক গুৱা বোলে। তাক পাণ চূণ সহ খাব লাগে। গুৱা খাবলৈ সোৱাদ দেখিবলৈকো ধুনীয়া। বাতিপুৱাৰ টোপনি বৰ আৰাম দায়ক উঠিবলৈকে মন নাযায়।

৬২৮। তাল প্ৰমাণ বাঢে তিল প্ৰমাণ টুটে।

ৰোগ ব্যাধি আৰম্ভণিৰ পৰাই বেছি ৰকমে বাঢে উপশম হবৰ বেলিকা লাহে লাহে কমিবলৈ ধৰে। অৰ্থাৎ বঢাত তালফলৰ সমান বাঢে টুটাৰ সময়ত তিল তিলকৈ টুটে।

৬২৯। তালুত চুলি নাই তাকে বোলে টপা।
কথাৰ সাঁচ নাই তাকে বোলে লপা।

তালুত চুলি নথকা জনক টপা বোলে। কথাৰ ঠিকনা নথকাজনক লপা বোলা হয়। এই দুজনৰ বেলেগে প্ৰমাণ দিব নালাগে।

৬৩০। তাহানিয়ে খালোঁ টেঙা।
এতিয়া পালেহি জেঙা (বা) এতিয়াও নমৰিল জেঙা।

টেঙা খালে তাৰ সোৱাদ পাবলৈ বেছি সময় নালাগে। কিন্তু বেয়া কাম কৰিলে তাৰ কুফল বহুদিন পাছতো ভোগ কৰিব লগীয়া হব পাৰে। তাৰ জেঙা নমৰেহে নমৰে।

৬৩১। তিতাও তিতা নিমু তিতাৰ পাত।
তাতোকৈ তিতা মাহী আইৰ মাত।।

নিমু তিতাৰ পাত খাবলৈ তিতা লাগে কিন্তু উপকাৰী। মাহী মাকৰ মাত তাতোকৈ তিতা বেছি। বেছি দুখদায়ক।

৬৩২। তিনি ঘৰজীয়াৰ মাটিত শগুণে শ নাখায়।

যি ঠাইত তিনিজন ঘৰ জোঁৱাই থাকে সেই ঠাই তেনেই অপবিত্ৰ তাত কাজিয়া

আৰু অশোভন কাৰ্য্যৰ বাহ হয়। তালৈ আলহী দুলহী যোৱা দূৰৰ কথা আনকি মৰা শ পৰি থাকিলেও শগুণে শ খাবলৈ নাযায়।

৬৩৩। তিনি পাইকৰ শ্ৰীৰাম বৰা।
তাৰে এটি ছাতি ধৰা।

আহোম ৰজাসকলৰ দিনত দৰকাৰ হলেই ৰজা ঘৰত খাটি দিয়া এশ্ৰেণীৰ মানুহ আছিল। দৰ্কাৰ হলে তেওলোকে ৰণ কৰিবলৈও যাব লাগিছিল। এই পাইকবোৰে বিনা খাজানায় মাটি খাবলৈ পাইছিল। কুৰিজন পাইকৰ ওপৰত একোজন বৰা আছিল। বৰাসকলে পাইকবোৰক য'ত যেনেকৈ লাগে খটুৱাইছিল। তিনিজন পাইকৰ বৰা নাথাকে। তিনিজনৰে এজন বৰা এজন ছাতি ধৰা হ'লে পাইকৰ নামত এজন থাকে। শ্ৰীৰাম বৰাই এজন পাইক লৈয়ে ক্ষমতা জাহিৰ কৰিছিল। এই ধৰণে নিজে হোৱা বৰাই নিজে বৰ মানুহ বোলাইছিল। আনে গণ্য নকৰিছিল। অযোগ্য লোকে মিছাকে যোগ্যতা দেখুৱাবলৈ গৈ নীতি নিয়ম পাহৰি যায়।

৬৩৪। তিনি ফেনাৰ বৃক্ষজুপি থাকে জগত জুৰি।
পাচ মুখ পিয়ে ৰস চাৰি কলহ কৰি।
সাত আঙুল ডাঠ বাকলি আঠডাল কৰে
চাৰি কলীয়া পাত মেলি দুটি ফল ধৰে।

মানুহ ৰূপী বৃক্ষজুপি সত্ব ৰজ তম এইতিনিটা গুণৰ অধিকাৰী। ক্ষিতি অপ তেজ মৰুৎ আৰু ব্যোম এই পাঁচটি ভুতেই ধৰ্ম অৰ্থ কাম মোক্ষ ৰূপ চাৰি কলহ ৰস পান কৰে। মানৱ দেহত সাতখন চালৰ আৱৰণ আছে। এই দেহেৰে অনিমা লঘিমা আদি অষ্ট ঐশ্বৰ্য্য লাভ কৰে। মানৱ দেহৰূপী গছজুপিৰ চাৰি বেদেই চাৰিটা পাত। অৰ্থাৎ মানুহেই বেদ চাৰিখন প্ৰকাশ কৰিছে। মানৱ দেহৰূপী গছত সুখ আৰু দুখ ৰূপ দুটি ফল ফলে।

৬৩৫। তিনি কাল গৈ একালত পৰিল।
তেতিয়াহে বাপুৰাৰ চেতন আহিল।।

শৈশৱ যৌৱন আৰু পৌঢ অৱস্থা পাৰ হলে বৃদ্ধৱস্থা পাপ্ত হয়। শৈশৱ যৌৱন আৰু পৌঢ অৱস্থাত মানুহে তেজ বল আৰু কৰ্ম ক্ষমতাৰ কাৰণে কালেকো গণ্য নকৰা হয়। ভগৱানকো নাভাবে। বুঢা কাল পালে মানুহৰ চেতনা হয়— এইটো কৰা নাই সেইটো কৰা নাই ভগৱানক চিন্তা কৰা নাই বুলি। অৱশেষত অনুতাপত দগ্ধ হৈ পৰে।

৬৩৬। তিনিকুৰি বছৰতো তিৰোতাৰ আঁচলে ধৰে।

তিৰোতা মাত্ৰেই অলঙ্কাৰ আৰু কাপোৰ ভাল পায়। লোকৰ গাত ভাল কাপোৰ

ভাল গহনা দেখিলে তিৰোতা মাত্ৰেই লবলৈ হাবিয়াস কৰে। বয়স অনুসৰি মানুহৰ সাজপাৰ মিলা হব লাগে। তিৰোতা সকলে বয়সলৈ লক্ষ্য নকৰে। বাঠিৰ দেওনা পাৰ হলেও যৌৱনৰ চখ নাযায়। আঁচলত ধুনীয়া ফুল বাছি লয়।

৬৩৭। তিৰী যদি হয় নষ্ট
তিনিকুল কৰে ভ্ৰষ্ট।

তিৰীয়ে গিৰী তিৰোতা গৰাকী ঘৰখনৰ লক্ষ্মী স্বৰূপা হব লাগে। নষ্ট চৰিত্ৰৰ হলে স্বামীৰ বংশ পিতৃবংশ আৰু মাতুল বংশৰ দুৰ্ণাম হয়।

৬৩৮। তিৰীবৈৰী সীমাবৈৰী
ইহঁতৰ সদা ঐৰি।

তিৰোতা গৰাকী যদি অবিশ্বাসিনী হয় ওচৰ চুবুৰীয়াই যদি সীমা ঠেলা ঠেলি কৰে উভয়ে বৈৰী হৈ পৰে। সেই বৈৰীভাৱ কেতিয়াও দূৰ নহয়।

৬৩৯। তিৰীৰ চটচটি লথিয়তী গাই।
সেই পুৰুষৰ সুখ শান্তি নাই।।

তিৰোতাজনী চটচটাই কথা কলে কেতিয়াবা নকৰ লগীয়াও কৰ পাৰে তেনে তিৰোতাই গিৰীয়েকক হে চলায়। টপটপনি খেচখেচনিত গিৰীয়েক জনৰ সুখ নাইকিয়া হয়। খীৰাবলৈ গলে যদি গাইজনীয়ে লথিয়ায় তেতিয়া গাখীৰ পোৱা দূৰৰ কথা আঘাতহে পাব লগীয়া হয়। তিৰোত গৰাকী আৰু খীৰতী গাই জনী সুস্থিৰ নহলে মানুহৰ সুখ শান্তি নাথাকে।

৬৪০। তিৰী মৰে বিয়নে
পুৰুষ মৰে ৰণে।

সন্তান জন্ম দিওতে তিৰোতাৰ অতি কষ্ট হয়। সেই কষ্টত বহু নাৰীৰ মৃত্যু হয়। আজি কালি চিকিৎসা বিজ্ঞানে তেনে মৃত্যুৰ হাৰ কমাইছে। পুৰুষ ৰণলৈ যোৱা মানে দেশৰ কাৰণে বা জাতিৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ যোৱা হয়।

৬৪১। তিৰী মিৰি ভাটৌ কোৱা
এই চাৰিৰ আশয় নোপোৱা।

তিৰী মিৰি ভাটৌ আৰু কোৱাৰ মাত কথাৰ আঁত পোৱা টান। তিৰোতাই নিজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি কথা কয়। মিৰিয়ে কব লাগে বুলিয়ে কয় বিশেষ লাগ বান্ধ নাথাকে। ভাটৌক শিকালেহে কথা কয়। নিজৰ কি মনোভাৱ বুজা কঠিন। কোৱা অৰ্থাৎ কাউৰীৰ মাতৰ অৰ্থ ধৰিব নোৱাৰি। গতিকে এই চাৰি জাতিক সহজে বিশ্বাস কৰিব নালাগে।

৬৪২।    তিৰীৰ চুটি বাটনীৰ বুটি

চুটি চাপৰ তিৰোতাৰ আঁকোৰ গোজালি মনোভাৱ। কাৰো লগত মিলিব নোৱাৰে। বুটি বাটনীৰে সৰা পূচা কৰাত অসুবিধা হয়। সময়ো বহু খৰচ হয়। উভয়কে বৰ্জন কৰা উচিত।

৬৪৩।    তিৰী খৰি কড়ি
এই তিনি প্ৰাণৰ বৈৰী

মানুহৰ সুখ সুবিধাৰ কাৰণে তিৰোতা মাটি আৰু ধনৰ আৱশ্যক হয়। তিনিওটাকে ভাল ধৰণে চলাই খাব নাজানিলে জীৱন ধ্বংস হব পাৰে। তিৰোতাৰ কাৰণে মাটিৰ কাৰণে আৰু ধনৰ কাৰণেই পৃথিবীত মহাসমৰ পৰ্য্যন্ত হয়। গতিকে এই তিনিওটাক হাতৰ মুঠিত ৰাখিব লাগে।

৬৪৪।    তিৰীৰ লেনিওৱা বৰষুণৰ কণিওৱা
ঘৰ ছাই নমাৰে মুধচ
ই তিনিৰ সমান নাই কুহুচ।

লেনিয়াই লেনিয়াই কথা কোৱা তিৰোতা আপোন পেটীয়া। আনৰ দুখ দুৰ্দশা অনুভৱ কৰিব নোৱাৰে। কিনকিনীয়া বৰষুণে ঠাই বোকা কৰি লেতেৰা কৰে। ঘৰ ছাই মুধচ নামাৰিলে বৰষুণৰ বতৰত সেইঘৰত থাকিব নোৱাৰি। গতিকে লেনিয়াই কথা কোৱা তিৰোতা কিনিকিনীয়া বৰষুণ আৰু মুধচ নমৰা ঘৰ অতি বেয়া।

৬৪৫।    তিৰীহন্তে গিৰী, তিৰী হন্তে হতছিৰি।

তিৰোতাজনী লক্ষ্মী স্বৰূপা হ'লে গৃহস্থৰ দোপত দোপে উন্নতি হয়। কুলক্ষণীয়া হ'লে ভাল ঘৰো নষ্ট হৈ যায়।

৬৪৬।    তুঁহ জুই উমাই পোৰে।

তুঁহত জুই ৰাখিলে জুই জ্বলি নুঠে জুই বুলি সহজে গমো ধৰিব নোৱাৰি। কিন্তু উমাই উমাই পুৰি থাকে। সেইদৰে অশান্তিয়ে মানুহৰ অন্তৰ দহন কৰে। বাহিৰত দেখা পোৱা নাযায়।

৬৪৭।    তুলসীৰ লগত কলপতুৱাৰ মুক্তি।

তুলসী পবিত্ৰ বস্তু। ইয়াক মাঙ্গলিক কাৰ্য্যত ব্যৱহাৰ কৰা হয়। তুলসী থবলৈ কলপতুৱা ব্যৱহাৰ হয়। গতিকে তুলসীৰ লগত কলপতুৱাও মাঙ্গলিক কাৰ্য্যৰ আৱশ্যকীয় বস্তু হৈ পৰে। সেইদৰে মহৎ লোকৰ সঙ্গত সামান্য লোকেও আদৰ সন্মান লাভ কৰে। সৎ সঙ্গত থাকিলে মুক্তিও লাভ কৰে।

৬৪৮। তুলা হেন নপাৰয় ভাৰ বান্ধে শিলে।
টেটেকুটি পিপৰাই হস্তীগোট গিলে।

পিপৰা এবিধ অতি ক্ষুদ্ৰ প্ৰাণী। তেনে পিপৰা এটাই গোটে গোটে হাতী গিলিব নোৱাৰে। সেইদৰে যি মানুহে তুলাৰদৰে পাতল বস্তু নিব নোৱাৰে তেওঁ শিল ভাৰ বান্ধিলে কোনো লাভ নাই। সমৰ্থ্য নাথাকিলেও মানুহে বৰ ডাঙৰ কাম কৰি ডাঙৰ হ'বলৈ বিচাৰে ই অনুচিত কৰ্ম।

৬৪৯। তেজ ধুলে উটে
মঙহ ধুলে নুটে।

তেজ পানীৰে ধুলে উটি যায়। মঙহ ধুই উটাব নোৱাৰি। সেইদৰে তেজৰ সম্বন্ধ ছেদ কৰিব পাৰি। মঙহৰ সম্বন্ধ ছেদ কৰিব নোৱাৰি। মানুহৰ লগত মানুহৰ তেজৰ সম্বন্ধ থাকিব পাৰে। সেই সম্বন্ধ অনেক সময়ত এৰি থোৱা হয়। প্ৰব্ৰজন আদিৰ কাৰণে এই সম্বন্ধ ছেদ হয়। কিন্তু নিজৰ পৰিয়ালৰ মাজত মঙহৰ সম্বন্ধ থাকে সেই সম্বন্ধ সহজে এৰিব নোৱাৰি। ল'ৰা ছোৱালী সেইবাবে অতি আপোন।

৬৫০। তেল পানীয়ে ছিৰি।
তামোল পাণে গিৰী।।

গাত তেল ঘঁহি পানীৰে গা ধুলে দেহৰ শ্ৰীবৃদ্ধি হয়। যিখন গৃহস্থৰ তামোল পাণৰ বাৰী থাকে সেইখন হে আদৰ্শ গিৰী বুলি স্বীকৃত হয়।

৬৫১। তেল বেছি হলে বালিত ঢালি লাভ নাই।

তেল ঠটা মাটিত পৰিলে কিছু পৰিমাণে সংগ্ৰহ কৰিব পাৰি। বালিত পৰিলে সি সোমাই যায় ঘূৰাই পোৱা নাযায়। ধন বেছি হ'লেও মানুহে অনাহকত খৰচ কৰে। দুখীয়া নিচলা লোকক দিলে উপকাৰ কৰা হয়। তাকে নকৰি বালিত তেল পেলোৱাৰ দৰে কোনো লাভ নোহোৱা ঠাইত খৰচ কৰি লাভ নাই।

৬৫২। তেল ৰজা লোণ পাত্ৰ।
জলা হালধি বং মাত্ৰ।

ৰন্ধন কাৰ্য্যত তেল অতি দৰ্কাৰী বস্তু। তেল নহ'লে আঞ্জাৰ সোৱাদ নুঠে। সেইকাৰণে তেলক ৰন্ধন কাৰ্য্যত ৰজা বুলি কোৱা হৈছে। লোণ দি আঞ্জা সোৱাদ কৰা হয়। সেইকাৰণে লোণক পাত্ৰ মন্ত্ৰী বুলি কেৱা হৈছে। জলা আৰু হালধি আঞ্জাৰ বং ভাল কৰিবলৈহে দিয়া হয়।

৬৫৩। তেলীৰ মূৰত তেল দিয়া

তেলীয়ে তেল বেচি ফুৰে। তাৰ মূৰত আনে তেল দিয়াৰ কোনো প্ৰয়োজন নাই।

আৱশ্যক বিবেচনা কৰিলে নিজেই নিজৰ মুৰত খাঁইব পাৰে। সেইদৰে ধনী মানুহক আৰু ধন দি উভৈনদী কৰাৰ আৱশ্যক নাই। তাৰ সলনি অভাৱী লোকক দিলে উপকাৰ কৰা হয়। কিন্তু কাৰ্য্যক্ষেত্ৰত যাৰ আছে তাকহে দিবলৈ চেষ্টা কৰা দেখা যায়।

৬৫৪। তেল পানী মিহ্‌লি নহয়।

তেল পানীতকৈ পাতল। পানীৰ ওপৰত ভাঁহি থাকে। মিহ্‌লি হৈ নাযায়। সেইদৰে ভিন্ন প্ৰকৃতিৰ আৰু ভিন্ন অৱস্থাৰ লোকৰ মাজত মিলা প্ৰীতি নহয়।

৬৫৫। তেলীয়াই কান্দে তেল পেলাই।
কপহুৱাই কান্দে লেটিপেটাই।।

তেলীৰ তেল পৰিলে ক্ষতি হয় কাৰণে সি দুখ কৰে। কপহুৱাই সেই তেলত পিচলি পৰি লেটিপেটি হৈ কান্দে। তাৰো ক্ষতি হয়। এজনৰ ক্ষতিয়ে আনৰো ক্ষতি কৰে।

৬৫৬। তোকে নেওচো তোকে কেওচো
তোৰ ফটাকানিৰে মুখখন মচো।

যাক নেওচা কেওচা দিয়া হয় তাৰ ফটা কাপোৰেৰে মুখ মচিবলৈ ধৰিলে প্ৰীতিৰ ভাবহে প্ৰকাশ পায়। কেৱল গালি পাৰিলেই গালি নহয় তাৰ সংলগ্ন কথা কামেহে হিংসা বা প্ৰীতিভাব প্ৰকাশ কৰে।

৬৫৭। তোৰ বাৰীত মোৰ ঘৰ
যি খুচি তাকে কৰ।

এজনৰ বাৰীত আন এজনে ঘৰ বান্ধি থাকিবলৈ ললে তেওঁ সেইজনৰ অধীন হৈ পৰে। গৰাকীয়ে যি ইচ্ছা তাকে কৰিব পাৰে।

৬৫৮। তোৰ হলেই মোৰ।
মোৰ হলে কাপোৰো নহয় তোৰ।

স্বাৰ্থপৰ লোকে লোকৰ ধন সম্পত্তি বয় বস্তু নিজৰ বস্তুৰ দৰে ব্যৱহাৰ কৰিবলৈ বিচাৰে। নিজৰখিনি কাকো চুবলৈ নিদিয়ে।

৬৫৯। তোৰ বাৰীৰ বাঁহ গাজ তাৰে কৰিছো খৰিচা।
তোকে বেচি ধানসোন লৈছো কথাটো মন কৰিছা।

কৰ্মপটু বুধিয়ক লোকে যাৰ বাৰীৰৰ পৰা বাঁহ গাঁজ আনি খৰিচা কৰে তাকেই সেই খৰিচা দি ধান সোন লয়। অকৰা মানুহে নিজৰ বস্তু দি তাৰ দামখিনিও দিবলগীয়া হয়।

# থ

৬৬০। থলত থল ৰজা
পোতা পুখুৰীত বাঁকেই ৰজা।

দেশ শাসন কৰিবলৈ ৰজা থাকে। ভিন ভিন দেশত ভিন ভিন ৰজাই ৰাজ্য শাসন কৰে। পোতা পুখুৰীতো বাঁক নামৰ ভূত এটা ৰজা হৈ থাকে। অকলশৰীয়াকৈ মানুহক পালে বাঁকে অত্যাচাৰ কৰে। প্ৰত্যেকৰে একোটা গণ্ডি থাকে। সেই গণ্ডিৰ ভিতৰত তেওঁ বলবান।

৬৬১। থলত দিলে পাবা ফল।

অথলত দিলে ওপজে খল।।

থলত গুটি সিঁচিলে গছ হৈ ফলদান কৰে। সেই ফলৰ পৰা আকৌ গছ হৈ ফল দিয়ে। তেনেকৈ বিদ্যা উপযুক্ত পাত্ৰত দান কৰিলে দান সাৰ্থক হয় বৃদ্ধি পায় তাৰ পৰা বিদ্বান আৰু ধৰ্মপ্ৰাণ লোকৰ সৃষ্টি হয়। অপাত্ৰত বিদ্যা দান বা ধৰ্ম দান কৰিব নাপায়। অপাত্ৰত পৰিলে বিদ্যা আৰু ধৰ্মই দুষ্ট লোকৰহে সংখ্যা বৃদ্ধি কৰে।

৬৬২। থান হেৰুৱালে মানো হেৰায়।

প্ৰত্যেকৰে একাখেন উপযুক্ত স্থান থাকে। সেই থান এৰিলে মানো হেৰায়। নিজৰ ঠাইত যিখিনি প্ৰতিপত্তি থাকে আন ঠাইত সেই প্ৰতিপত্তি খুটুৱাব নোৱাৰে। নিজৰ ঠাইত এজন মানুহৰ মূল্য ওচৰ চুবুৰীয়াই যিমান বুজি পায় যিমান সন্মান জনায় আন ঠাইত সেই মূল্য নাথাকে। সন্মানো নাপায়।

৬৬৩। থাপ দি খোৱা চিলাই পাখী সোপাহে পায়।

চিলাই চো মাৰি লোকৰ পৰা বস্তু কাটি নি খায়। সকলো সময়তে কাটি নিয়াটো সম্ভৱ হৈ নুঠে। কেতিয়াবা চৰাইটো নাপাই পাখিসোপাহে পায়। লোকক ঠগাই খোৱা সকলে সকলো সময়তে কৃতকাৰ্য্য হব নোৱাৰে। কৃতকাৰ্য্য লাভ কৰিলেও আচল বস্তু নাপায়।

৬৬৪। থুপুৰীৰ পৈ মাজত ফুটা হৈ।
খায় কাটি কটনা ইতিনিৰ যমৰ যাতনা।

তিৰোতা গৰাকী যদি একো বন কাম নাজানে গিৰীয়েকে নিজে পথাৰৰ কাম কৰি ঘৰ চলাব লগীয়া হয় নাৰৰ ছৈৰ মাজতে যদি ফুটা থাকে বৰষুণ দিলে সেই ফুটাৰে সো সোৱাই পানী পৰি থাকিব নোৱাৰা অৱস্থা কৰে। আৰু যিয়ে কটনা কাটি অৰ্থাৎ লোকৰ সূতা কাটি কাম কৰি খোৱা মুঠি উলিয়াব লগীয়া হয় এই তিনিজনৰ দুখ কষ্টৰ সীমা নাইকিয়া হয়।

৬৬৫। **থলঠাই কঠিয়া পাৰিবা ফল পাবা দহগুণ।**
**অথলত থলে অপাত্ৰত দিলে ভবি পৰে বদগুণ।**

উপযুক্ত ঠাইত উপযুক্ত সময়ত কঠিয়া সিঁচিলে তাৰ ফল দহগুণ হয়। অথলত অসময়ত সিঁচা কঠিয়া নিষ্ফল হয়। সেইদৰে উপযুক্ত পাত্ৰত বিদ্যা দান কৰিলে সি দহগুণ বৃদ্ধি পায় অপাত্ৰত দান কৰিলে বদনামহে পোৱা যায়।

৬৬৬। **থিয় হবলৈ দিলে বহিবলৈ বিচাৰে বহিবলৈ দিলে শুবলৈ বিচাৰে**
**শুবলৈ দিলেহি, দখলী স্বত্ব পায়।**

মানুহক একণ সুবিধা দিলেই লাহে লাহে সকলোখিনি সুবিধা লবলৈ বিচাৰে। থিয় হৈ থকা জনক বহিবলৈ দিলে সহজে তোলা টান তেও তাতে শুবলৈহে যত্ন কৰিব। শুলে তেও নিগাজী হৈ পাৰে।

# দ

৬৬৭। **দণ্ডিত বান্দৰ নাচে উৎসাহত নাচিলে হাতীৰ নাচোনতো লয় ওলায়।**

হাতী বৰ শকত আৱত। তেনে শৰীৰ লৈ নাচিলে দেখিবলৈ ভাল নেদেখি। আনন্দত নাচিলে হাতীৰ নাচোনতো লয় প্ৰকাশ পায়। বান্দৰৰ গা পাতল। বান্দৰে দিনমান নাচিয়ে ফুৰে লফিয়াই জপিয়াই ফুৰে। এজোপা গছৰ পৰা আন এজোপালৈ জপিয়াই যায় সৰু গছৰ ডাল এটাত ধৰি যেনেকৈ ওলমি ফুৰে চাই ভাল লাগে। কিন্তু বাধ্য বাধকতাত নাচিলে বান্দৰৰ নাচোনো ভাল নেদেখি। সেইদৰে উৎসাহেৰে যি কাম কৰা হয় সেয়ে ভাল কাম বাধ্য হৈ কিবা কৰিবলগীয়া হলে কামত মন নবহে কামো ভাল নহয়।

৬৬৮। **দন্দ কৰিবলৈকো লগ লাগে।**

মানুহ সঙ্গপ্ৰিয়। সমাজক উপেক্ষা কৰি অকলশৰীয়া ভাৱে থাকি মানুহে ভাল নাপায়। ভাল বেয়া সকলো অৱস্থাতে মানুহে লগ বিচাৰে। লগ থাকে বাবেই উৎসৱ পাৰ্বন আদি অনুষ্ঠান পতা হয়। কাজিয়া কৰিবলৈকো লগ লাগে। অনন্দ বিষাদ দন্দখৰিয়ালৰ মাজেৰেই মানুহে জীৱন নিৰ্বাহ কৰে। তাতেই সুখ বিৰাজ কৰে।

৬৬৯। **দৰিদ্ৰ লঙ্কালৈ যায়।**

**সাগৰ শুকায় মাণিক লুকায়।**

লঙ্কাক এসময়ত স্বৰ্ণ লঙ্কা বোলা হৈছিল ধন সোণ উভৈনদী আছিল। সাগৰৰ মাণিকেৰে লঙ্কাৰ ৰাজ ভৰালত উপচি পৰিছিল। খাবলৈ নোপোৱা দুৰ্ভগীয়া দৰিদ্ৰ লোক তেনে ঠাইলৈ গলে সাগৰ শুকায় মাণিকো লুকায ধন সোণ নাইকিয়া হৈ পৰে। অৰ্থাৎ ভাগ্যবানকহে ধন বস্তুৱে লগ দিয়ে। দুখীয়াক ধন বস্তুৱে লগ নিদিযে। থাকিলেও নাইকিয়াহে হয়।

৬৭০। **দল টানিলেহে মাগুৰ পায়।**

দলনিত মাগুৰ কাৱৈ মাছ বোকা পানীত থাকে। সেই মাছ পাবলৈ হলে দলবনবোৰ টানি পেলাব লাগে। দলনিলৈ গলেই মাছ পোৱা নাযায়। সেইদৰে খাব লবলৈ পৰিশ্ৰম কৰিব লাগে। বিনা পৰিশ্ৰমে সুখ লাভ নহয়।

৬৭১। **দহজনে চোৰ বুলিলে মেথিও চোৰ।**

সাধু প্ৰকৃতিৰ লোকক মেথি পতা হয়। তেনে লোককো যদি দহজনে চোৰ বুলি কয় তেও চোৰ নহলেও চোৰ হৈ পৰে। সমাজৰ মতামতৰ ওপৰতে স্থিতি নিৰ্ভৰ কৰে।

৬৭২। **দহৰ লাঠি একৰ বোজা**

**ছহি মাৰিলে সকলো সোজা।**

দহজনে একোডালকৈ লাঠি ললে বিশেষ বোজা হৈ নপৰে। এজনে তাকে নিব লগীয়া হ'লে এটা ডাঙৰ বোজা হৈ পৰে। সেইদৰে ভাগে ভাগে কাম কৰিলে কামটো সহজে হয়। এজনেই সকলোখিনি কৰিবলগীয়া হ'লে কাম সময় সাপেক্ষ আৰু কঠিন হৈ পৰে। যিমানে টান বা গধুৰ কাম নহওক সকলোৱে লাগি ভাগি হেলৌ হেচৌ কৈ আনন্দেৰে কৰিলে নিচেই কম সময়ত অল্প আয়াসতে কামটো হৈ উঠে।

৬৭৩। দহ চৰিত সোধ-পোছ।
তেবেসে কিনিবা বলদ গোট।

বলদ গৰু কিনিবৰ সময়ত ওচৰ চুবুৰীয়া দহ জন লোকক সুধি মেলি কিনিলে ভাল বেয়া বুজিব পাৰি।

৬৭৪। দহদেশ ফুৰে যি দহ কথা শিকে সি।

দেশ ভ্ৰমণ উন্নতিৰ এটা জখলা। নানা দেশত নানা বস্তু দেখিবলৈ পায়। নানা জনৰ কথা বতৰা শুনে নানা বুদ্ধি পৰামৰ্শ লব পাৰে। কোন দেশ বা জাতিয়ে কি বুদ্ধিৰে উন্নতি কৰিছে তাকো দেখে। গতিকে বহু ঠাই দেখিলে বহু কথা জনা হয়।

৬৭৫। দহো আঙুলিৰে খায়।
বুঢ়াই হেঁচুকিলেহে যায়।

খোৱা আদি সকলো কাৰ্য্যত দহোটা আঙুলিকে ব্যৱহাৰ কৰিব লাগে। তথাপিও বুঢ়া আঙুলিক বিশেষ কাৰ্য্য ভাৰ দিব লগীয়া হয়। বুঢ়া আঙুলিৰে হেচুকি মুখত ভৰাই দিলেহে খোৱা বস্তু মুখত সোমায়। সেইদৰে অভিজ্ঞ বয়সিয়াল মানুহক আগভাগ নিদিলে তেওঁৰ উপদেশ নললে দহ জনে কৰা কামো সুন্দৰ নহ'ব পাৰে। অভিজ্ঞতাইহে জ্ঞান বুধিক চলাই নি কাৰ্য্যক্ষম কৰিব পাৰে।

৬৭৬। দক্ষিণ কূলত চৰণ পৰিল।
গা সিয়ঁৰি মানুহ মৰিল।।

চৰণ গছ গছনি পশু পক্ষী মানুহ যিহৰ ওপৰতে পৰে সি মৰে। অতি দুৰ্বল লোকে দূৰ দূৰণিত পৰা দেখিও মৃত্যুৰ মুখত পৰে। নদীৰ এটা পাৰত পৰিলে আনটো পাৰলৈ তাৰপ্ৰভাৱ বিস্তৃত নহয়। যদিও অলপ ধতুৰা লোকৰ চৰণ পৰা দেখিলেই গা সিয়ঁৰি উঠে সহিব নোৱাৰি মৰণক সাৱটি লয়। চৰণ পৰি মানুহ মৰে চৰণ পৰা দেখিও মৰে।

৬৭৭। দাঁত ভগা সাপৰ ফোঁপাউৰিয়ে সাৰ।

দাঁত ভগা সাপে কামুৰিব নোৱাৰে। শত্ৰুক ভয় দেখুৱাবলৈ ফোঁচ ফোঁচ কৰে সেয়ে তাৰ সম্বল। ফোঁপাউৰি মাৰিব নোৱাৰিলে আনে ভয় নকৰে। আশয় পাই তাৰ

অনিষ্ট সাধন কৰিব পাৰে। সেইদৰে মানুহে বিশেষ ক্ষমতা প্ৰদৰ্শন কৰিব নোৱাৰিলে অন্তত হুমকি দি খং দেখুৱাই নিজৰ নিজত্ব বজায় ৰাখিব লাগে।

৬৭৮। দাত শিল তিৰীত কিল
ছলিক চাপৰ কুকুৰক মাৰি।।
তেহে গৃহস্থ ৰাখিব পাৰি।

শিলত দা ধাৰ কৰি কাৰ্য্যক্ৰম কৰিব পাৰি। দুষ্ট তিৰোতাক কিলাই শাসনত ৰাখিব পাৰি। দুষ্ট লৰাক চপৰিয়াই ঠিক কৰিব পাৰি। কুকুৰক মাৰি বা লাঠিৰে শান্ত কৰিব পাৰি। এই কেইটা কাম কৰিব জনা জনেহে গৃহ সুখ শান্তিৰে ৰাখিব পাৰে।

৬৭৯। দাঁত মাৰিলেও কোমোৰা কাটে।
কোমোৰাত মাৰিলেও কোমোৰা কাটে।

দাখন পাতি কোমোৰা এটা হেঁচি দিলে কোমোৰাটো কাটিব আৰু কোমোৰাটো মাটিত থৈ দাৰে ঘপিয়ালেও কোমোৰাটো কাটিব। একেটা কামৰে বেলেগ বেলেগ ধৰণ থাকিব পাৰে। কটাটোহে মূল কথা। কটাৰ ধৰণ যেয়েই নহও।

৬৮০। দাং দাং ফোঁপ দাং
ধান নাইকিয়া শুদা চাং

ডাল দৰিদ্ৰ ফোঁপজহী লোকে নিজৰ একো নাথাকিলেও ভৰালত শুদা চাংখন পৰি থাকিলেও নিজকে সম্পত্তিৰ গৰাকী মাতব্বৰ বুলি জহাই ফুৰে। নিজৰ জহ বৰকৈ গাই ফুৰা ফোপদা মানুহৰ কথা বিশ্বাস কৰিব নালাগে।

৬৮১। দাণ্ডিব নোৱাৰা শিলক পৰি নমস্কাৰ।

মানুহে পাতল বস্তুক দলিয়াই লথিয়াই নিয়ে। গধুৰ শিলক কোনোপধ্যে লৰচৰ কৰিব নোৱাৰে। দেৱতা জ্ঞানে পূজা কৰে। সেইদৰে সাধাৰণ মানুহক মানুহে কুটা জ্ঞান কৰে বুদ্ধিবান পণ্ডিত প্ৰতাপী লোকক বলে নোৱাৰি তেওঁৰ ওচৰত সেও হৈ পৰে।

৬৮২। দাতাই দিলেও বিধাতাই নিদিয়ে।

ভাগ্যই মানুহক সুখী দুখী কৰে। ভাগ্যত ভোগ নাথাকিলে দাতাৰ পৰা অলেখ সম্পত্তি পালেও ভোগ কৰিবলৈ নাপায়। আন কি নিজে উপাৰ্জন কৰিও ভাগ্যত নাথাকিলে খোৱাৰ সময়ত খাবলৈ নাপায়। যাৰ ভোগ থাকে সি ওপৰতে পায়।

৬৮৩। দাতাৰ নাৰিকল কৃপণৰ বাঁহ।

গছৰ নাৰিকল ওচৰৰ চোৰে চুৰ কৰি নিয়ে। গছ থকা লোকে ওচৰ চুবুৰীয়াৰ সৈতে ভগাই পিতাই খালে গছৰ পৰা চুৰি নহয়। গছ ভৰি নাৰিকল থাকে। বাহ চুৰ কৰা কঠিন। গতিকে বাঁহ গছ নকটাকৈ থাকিলে বাঁহ বেছি হয় বছৰি বছৰি বাঢ়ি যায়।

**৬৮৪। দান দিয়া গৰুৰ দাঁত সাচাবা।**

গৰু কিনিবলৈ হলে দাঁত চাই কিনিব লাগে। গৰুৰ দাঁতত বয়সৰ হিচাব থাকে। দান দিয়া গৰুৰ বয়সৰ হিচাব লৈ অৰ্থাৎ দাঁত চাই কোনো লাভ নাই। কাৰণ দানৰ বস্তুৰ দামতকৈ শ্ৰদ্ধাৰ মূল্যহে ধৰিব লাগে।

**৬৮৫। দানে দুৰ্গতি খণ্ডায়।**

দান দিলে পূণ্য হয়। পাপ খণ্ডন যায়। দুৰ্গতি হোৱাৰ সম্ভাৱনা থাকিলে দান কৰিব লাগে। তেতিয়া দুৰ্গতি খণ্ডন হব পাৰে।

**৬৮৬। দিনটো যায় ক্ষেণটো নাযায়।**

মানুহৰ কোন সময়ত কি ঘটে কোনেও কব নোৱাৰে। দিনবোৰ গৈ থাকে। একো বিপদ আপদ নহয়। কিন্তু ক্ষন্তেকৰ ভিতৰতে অসম্ভৱ কিবা এটা ঘটিব পাৰে। সেই কাৰণে কোৱা হয় ক্ষন্তেকৰ ভোজ খাওতা নাই। প্ৰত্যেক মুহূৰ্ত্ত সাৱধান হৈ চলা উচিত।

**৬৮৭। দিন ভিক্ষা প্ৰাণ ৰক্ষা।**

প্ৰাণ ৰক্ষা কৰাটোৱেই জীৱৰ প্ৰধান কৰ্ত্তব্য। নিজৰ শক্তি সামৰ্থ্য নাথাকিলে খুজি মাগি হলেও প্ৰাণ ৰক্ষা কৰা উচিত।

**৬৮৮। দিনৰ পৰ্বত ৰাতিৰ জুই।**
**তাক নেদেখি থাকিবা শুই।।**

দিনত বহু দূৰত থকা পৰ্বত ওচৰতে থকা যেন লাগে। গৈ থাকিলে বাট শেষ নহয়। ৰাতিৰ জুই ওচৰত যেন লাগে। গৈ গৈ বাটৰ অন্ত নহয়হে নহয়। গতিকে দিনত দেখা পোৱা পৰ্বত আৰু ৰাতি জ্বলি থকা জুই কুৰাক লক্ষ্য কৰি যাব নালাগে। বাট কিমান দূৰ কেনেকৈ যাব পাৰি তাক জানিলৈহে তাৰৈ যাব লাগে নহ'লে পৰিশ্ৰম অথলে যায কাৰ্য্য সিদ্ধি নহয তাৰ সলনি শুই থকাই শ্ৰেয়স বুলি কোৱা হৈছে।

**৬৮৯। দিন পৰিছেদ খালত।**
**লাউ কোমোৰা নুঠে চালত।।**

বেয়া দিন হলে কোনো কামতে সুফল পোৱা নাযায়। বেয়া দিনত লাউ কোমোৰাৰ গছেও নবগায। ফল নিদিযে।

**৬৯০। দুই ম'হৰ ৰণ**
**বিৰিণাৰ মৰণ**

গোনা ম হে যুজ কৰে। বহু সময় যুদ্ধে। যুজি ভাগৰি পৰে। সেইটোৱে সিহতৰ

সত্তাৰ। তাৰ বাবে ম'হ দুটাৰ বিশেষ অনিষ্ট নহয়। অনিষ্ট হয় বিৰিণা বনবোৰৰ। ম'হৰ গচকত ঠাইখন পেলেপা লাগে। তাত থকা বিৰিণা আদি বনবোৰ মৰি যায়। সেইদৰে সবলে সবলে কাজিয়া কৰে। লগত থকা দুৰ্বল সকলে তাৰ কুফল ভোগ কৰে। কেতিয়াবা সেই কাজিয়া পেচালৰ ফল সৰ্বসাধাৰণ লোকেও ভুগিব লগীয়া হয়।

৬৯১। দুই নাৱত দুই ভৰি।
পাৰ হবা কেনে কৰি।।

দুখন নাৱত দুখন ভৰি দিলে থিৰতা নাথাকে। নাও দুখন অলপ অগা-পিছা হলেই পৰাৰ সম্ভাৱনা থাকে। সেইদৰে দুটা কাম কৰিবলৈ বা দুটা দিশ বজায় ৰাখিবলৈ যত্ন কৰিব নালাগে। তাৰ পৰা বিপদহে হয়। সফলতা লাভ নহয়।

৬৯২। দুখ কৰিলেহে মুখ ভৰে।

শুই বহি থাকিলে খোৱা মুঠি আহি মুখত নপৰে। শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। আনকি সমুখত থকা বস্তুকো হাতেৰে তুলি মুখত নভৰালে দাঁতেৰে নোচোবালে গিলিবলৈ যত্ন নকৰিলে পেট নভৰে। দুখ কষ্ট নকৰিলে খাবলৈ লবলৈ টান হয়। পেট পূৰাব নোৱাৰি।

৬৯৩। দুখৰ দিনত দুখ।
তিন মোটেকা খাই কুকুৰ ঘুমায়
পোকৰৰ পিনে মুখ।

কুকুৰ শুলে সি পোকৰলৈ মুখ কৰি শোৱে। যি হলেও শোওতে সি মুখটো পোকৰৰ পিনে দিবই। সেইদৰে মানুহৰ যেতিয়া দুৰ্দিন আহিব যিমানে সাৱধান নহওক কিয় সকলো কামতে কুফলহে ফলিব। হাজাৰ ভাল কৰিবলৈ চালেও ভাল নহয়। বেয়াহে হয়।

৬৯৪। দুখৰ ৰাতি নেথায় নুপুৱায়।

বিপদৰ সময় দীঘলীয়া যেন লাগে। বেমাৰ পাতি হলে ৰাতি নপুৱায় নুপুৱায় যেন লাগি থাকে। আনন্দৰ সময়খিনি সোনকালে যোৱা যেন লাগে। দুখৰ সময় দীঘল হৈ যায়।

৬৯৫। দুখীয়া হলেই লেতেৰা
ভাগ্যই নেদেখে হিত।।
বাটত লগ পালে খিতিবে নোসোধে
দিব লাগে বুলি বিত।।

দুখীয়া মানুহক কেৱে আদৰ নকৰে। দেখিলেই মানুহে লেই লেই ছেই ছেই কৰে।

আনকি নিজৰ স্ত্ৰীয়েও তেওঁৰ পৰা কিবা হিত হব বুলি নাভাবে। মিতিৰ কুটুম আদিয়ে দেখিলেও মাতিব নোখোজে মাতিলেই কিবা দিব লাগীয়া হব পাৰে বুলি ভাবে।

**৬৯৬। দুৰ্ব্বলগীয়া য'লৈ যায়।**
**দুলেও কুটে বৰলেও খায়।**

ভাগ্য ভাল নাথাকিলে মানুহে সুফল নেপায়। দুখ কষ্টহে ভোগ কৰিব লগীয়া হয়। য'লৈ যায় তাতে বিপদেহে আগচি ধৰে।

**৬৯৭। দুৰ্দিনত বাটৰ কুকুৰেও বাট এৰি নিদয়ে।**

বাটৰ কুকুৰক কেৱে লাই নিদিয়ে লেই লেই ছেই ছেইহে কৰে। বেয়া দিন পৰিলে যি এদিন ভৰি চেলেকিছিল তেনে কুকুৰেও বাট এৰি দিব নোখোজে। ভাল দিনত আশ্ৰয় বিচাৰি সহয়া বিচাৰি বহু লোক আহে। বেয়া দিন পৰিলে সেই সকলেই তুচ্ছ তাচ্ছিল্য কৰিবলৈ ধৰে বাটত পালে কেৰাহিঁকৈয়ে চাব নিবিচাৰে।

**৬৯৮। দুষ্টৰ লটপট শান্তৰ মৰণ।**

অনেক সময়ত দুষ্ট লোকে অপৰাধ মূলক কাম কৰে। তেও দহক বিশ কৰিব পৰা গুণ থকাৰ কাৰণে দোষ কৰিও সাৰি যায়। লগত থকা সাধুৱে দুষ্টৰ লটপটীয়া স্বভাৱৰ বাবে মৃত্যু বৰণ কৰিব লগীয়া হয়।

**৬৯৯। দুষ্টৰ একাল সন্তৰ সৰ্বতি কাল**

দুষ্ট মানুহে ছলাই ভুলাই মানুহৰ পৰা এবাৰ হে অনুগ্ৰহ লাভ কৰিব পাৰে। সাধু লোকে সদায় লোকৰ অনুগ্ৰহতে বৰ্ত্তি থাকে।

**৭০০। দূৰৰ বৌ বৰালি ওচৰৰ পুঠী খলিহা।**

দূৰলৈ গলে বৌ বৰালি মাছ পাব পাৰি। কিন্তু দূৰলৈ গৈ বৌ বৰালি ধৰা কষ্ট সাধ্য কাম। গতিকে দূৰ দেশলৈ গৈ ধন সোণ অনাটো সহজ কথা নহয় বিপদো বহুত ওচৰৰ বস্তু সহজলভ্য। ওচৰৰ পৰা খাদ্য সংগ্ৰহ কৰি পেট প্ৰৱৰ্ত্তন কৰাই শ্ৰেয়স।

**৭০১। দেও চাই পূজা বা যেনে কুকুৰ টেনে টাঙোন।**

সকলো দেৱতাকে একে ধৰণে পূজা কৰা নহয়। কোনো কোনো দেৱতাক বলি বিধানেৰে পূজা কৰে। কোনো কোনো দেৱতাক ফুল জল তুলসী দি পূজে। কোনো কোনো দেৱতাৰ নাম ল'লেই সন্তুষ্ট হয়। দেৱতাৰ বেহ ৰূপ চাই পূজা কৰিব লাগে। জয়াল দেৱ দেৱীক জয়াল ভাবে পূজা কৰা উচিত। ঠিক তেনে দৰে কুকুৰ চাই টাঙোন ব্যৱহাৰ কৰিব লাগে। অৰ্থাৎ যেনে শত্ৰু তেনে ধৰণৰ শাস্তিৰ বিধান কৰিব লাগে।

৭০২। দেখাত হে চিতল পিঠিত্তে কাঁইট

চিতল মাছ দেখিবলৈ চিকচিকীয়া মিহি কিন্তু পিঠিৰ অংশ কাঁইটেৰে ভৰ পূৰ। সেইদৰে সংসাৰখনো বাহ্যিক দৃষ্টিত বৰ সুন্দৰ কিন্তু বিপদ আপদে ঘেৰা। দেখিবলৈ ভাল হলেই নহয়। তাত বিপদ লুকাই থাকে। গতিকে ভালকৈ চাই চিতি কাম কৰিব লাগে।

৭০৩। দেখিব নোৱাৰি কৰিব কি ?
বাটত থাকিম ঠেঙাল দি।

মোক তুমি ভাল নাপাব পাৰা। মোক দেখিলে তোমাৰ খং উঠিব পাৰে। কিন্তু মই তোমাক এৰি ক্ষন্তেকো থাকিব নোৱাৰোঁ। তোমাৰ ওপৰত মোৰ সকলো আশা ভৰসা। গতিকে তুমি যেনি যোৱা তাতেই মোক ঠিয় দি থকা দেখিবা। তোমাক আমনি নিদি মোৰ উপায় নাই।

৭০৪। দেখাক দেখি
কুকুৰে কৰে একাদশী

মানুহে পুণ্য সাঁচিবলৈ শৰীৰ নিঘূণী ৰাখিবলৈ একাদশী ব্ৰত পালন কৰে। তাকে দেখি কুকুৰেও একাদশীৰ দিনা একো নাখায় ব্ৰত পালন কৰে। লাভ হওক নহওক গৰাকীয়ে ব্ৰত পালন কৰে বুলি জানি কুকুৰেও ব্ৰত পালন কৰা দেখা যায়। এজনে কৰা দেখিলে লাভ হওক বা নহওক আনেও কৰিবলৈ লয়।

৭০৫। দেখিলে চকু পোৰে।
নেদেখিলে হিয়া পোৰে।।

এক জনকে সদায় দেখিলে মূল্য কমি যায়। বহু সময়ত আমনি জনকো হয়। দেখিলে চকু পুৰিবলৈ ধৰে। তেনে এজনক আন্তৰেৰে ভাল পালে তেওঁৰ অবৰ্ত্তমানে হিয়া পুৰিবলৈ ধৰে। এজন মানুহকে সদায় দেখি থাকিলে আমনি লাগে। কিন্তু ভাল পোৱাজনক এদিন নেদেখিলেই মনত পৰি থাকে। গতিকে ভাল পোৱা বেয়া পোৱাটো সহজে পোৱা নোপোৱাৰ ওপৰতে নিৰ্ভৰ কৰে।

৭০৬। দেখিলেই চোৰ নেদেখিলে সাধু।

মানুহৰ স্বভাৱ চৰিত্ৰ তাৰ কৰ্মৰ মাজেৰে প্ৰকাশ পায়। দেখিলেই যাকে তাকে ভাল বা বেয়া বুলি কব নোৱাৰি। হাতেলোতে ধৰিব পাৰিলেহে চোৰক চোৰ বুলি সাব্যস্ত কৰিব পাৰি। নহলে সাধু আৰু চোৰৰ মাজত প্ৰভেদ একো নাথাকে।

৭০৭। দেশতকৈ মোমাই ডাঙৰ নহয়।

ই এটা বুৰঞ্জীৰ আদৰ্শ। দেশ সকলোতকৈ ডাঙৰ । লাচিত বৰফুকনে কামত হেমাহি কৰাৰ কাৰণে নিজৰ মোমায়েকক কাটি দুছেও কৰিছিল। তাকে নকৰাহেঁতেন মোগলৰ হাতৰ পৰা অসম দেশ ৰক্ষা কৰিবলৈ সামৰ্থ নহলহেঁতেন। সেই কথা আজিও আৰ্হি ৰূপে ব্যৱহাৰ হৈ আছে। দেশৰ সমান কেৱে হব নোৱাৰে।

৭০৮। দেহা থাকিলে বেহা।

মানুহৰ দেহ ৰক্ষাই জীৱন ৰক্ষা। এই দেহাটো ৰক্ষা কৰিবলৈ পাৰিলেহে সংসাৰৰ কামবোৰ কৰি লাভালাভ অৰ্থাৎ পাপ পূণ্য অৰ্জন কৰিব পাৰি। যিমান দিনলৈ দেহা ৰক্ষা কৰিব পাৰি সিমান দিনলৈ কামৰ অন্ত নহয়।

৭০৯। দৈৰ পানী এৰীয়াৰ কানি।

পানী হ'লেও দৈৰ পানীত দৈৰ গুণ থাকে। ফটা কানি হলেও এৰীয়া কাপোৰৰ উম নাযায়। গতিকে ভাল বস্তু কোনো অংশকে বেয়া বুলিব নোৱাৰি।

৭১০। দৈৰ সোৱাদ ঘোলত নয়।

দৈৰ গোন্ধ আৰু কিছু কিছু গুণ ঘোলত পোৱা যায়। দৈ আৰু ঘোল একে বস্তু নহয়। দৈ নাপালে ঘোলকে দৈ বুলি কামত লগাব পাৰি। প্ৰকৃত বস্তুৰ অভাৱত তাৰ নামনাচ বস্তুৰে কাম সমাধা কৰিব পাৰি।

৭১১। দোৱনী গাইৰ লাথি খাব পাৰি
বাঁজী গাইৰ মাতো সহিব নোৱাৰি।

গাখীৰ উত্তম খাদ্য। তেনে উপকাৰী বস্তু পাবলৈ কৰা কষ্টক কষ্ট বুলি বোধ নহয়। লাথি খাই গাই খীৰাব লগীয়া হলেও মানুহে পাছ নোহোহোকে। বাঁজী গাইৰ পৰা গাখীৰ নাপায়। কাৰণে তাই চিঞৰিলে অসহ্য লাগি যায়। যাৰ পৰা কিবা পোৱাৰ আশা থাকে তাৰপৰা অপমান পালেও অপমান বুলি বোধ নহয়। যাৰ পৰা একো পোৱাৰ সম্ভাৱনা নাই তেনে জনৰ মুখৰ মোলায়েম কথাষাৰো আমনিকৰ হৈ পৰে।

৭১২। ধন দিলে সোণ
সোণ দিলে দঁতাল হাতীও পোন।

সোণ মূল্যৱান ধাতু। তেনে ধাতু ধনেৰে কিনিব পাৰি। ধন সোণৰ বলত উদণ্ড হাতীকো নানা উপায়ে বশ কৰিব পাৰি। পৃথিবীত ধনে কৰিব নোৱাৰা কাম নাই।

# ধ

**৭১৩। ধনেই ধৰ্মৰ মূল।**

**ধন নহ’লে যায় জাত কুল।**

ধন থাকিলে সুখেৰে খাই লৈ থাকিব পাৰি। ধৰ্মাদি কাৰ্য্য অনুষ্ঠিত কৰিব পাৰি। ধনহীনৰ পেটৰ চিন্তাই বেছি হৈ পৰে। জীয়াই থকাৰ কাৰণে জাত কুল বিচাৰ নকৰি য’তে ত তে খাব লগীয়া হয়। যেই সেই কাম কৰিব লগীয়া হয়। জীৱনতকৈ জাতি ধৰ্ম একো ডাঙৰ বস্তু নহয়। ধনেই ধৰ্ম মান মৰ্য্যাদা সকলো দিয়াব পাৰে।

**৭১৪। ধৰিব লাগে গাইৰ বাটিত**

**ধৰে হালোৱাৰ পেটিত।।**

গাখীৰ পাবলৈ হলে গাইৰ বাটত টানিব লাগিব। হালোৱা গৰুৰ পেটত বিচাৰিলে গাখীৰ পোৱা নাযায়। য’ত যি বস্তু পোৱা যায় তাতেসেই বস্তু বিচাৰিব লাগে। অথলত বিচাৰিলে পোৱা সম্ভৱ নহয়।।

**৭১৫। ধৰোঁ মাছ নুছুঁও পানী।**

মাছ পানীত থাকে। মাছ ধৰিবলৈ গ লে পানী ছুবই লাগিব। পানী নুছুলে মাছ ধৰাটো সম্ভৱ নহয়। কোনো কাৰ্য্যত সফলতা অৰ্জন কৰিবলৈ হলে সেইকাৰ্য্য কৰোঁতে যি দুখ কষ্ট হব তাক গ্ৰহণ কৰিবই লাগিব। বিনা কষ্টে বিনা পৰিশ্ৰমে কাৰ্য্য সিদ্ধি নহয়। লোকৰ ওপৰত চলিব খোজা সকলেই কাম নকৰাকৈ কৃতকাৰ্য্যতা লাভ কৰিবলৈ বিচাৰে।

**৭১৬। ধৰ্মৰ ঢোল আপুনি বাজে।**

সৎকাৰ্য্য কৰোঁতা সকলে মই সৎকাৰ্য্য কৰিছো বুলি চিঞৰি ফুৰিব নালাগে। সৎকাৰ্য্যত উপকৃত হোৱা সকলেই তাক প্ৰকাশ কৰি দিয়ে ভাল কাম কৰিলেই সি নিজেই প্ৰকাশ হৈ পৰে।

**৭১৭। ধৰ্মৰ গৰু ভগৱানে ৰাখে।**

ধৰ্ম পথেৰে উপাৰ্জন কৰা ধন বস্তুৰ অপব্যয় নহয়। ভগৱানে ৰক্ষা কৰে। ভগৱানে ধৰ্ম পথেৰে উপাৰ্জন কৰা ধন ভাল কামত খৰচ কৰিবলৈকো সুবুদ্ধি দান কৰে।

**৭১৮। ধান খেৰেও খেৰ চান খেৰেও খেৰ।**
**কামত হে হেৰ ফেৰ।**

ধনখেৰ আৰু চান খেৰ একে নহয়। দুয়োবিধ মানুহৰ কামত লাগে। নাম যদিও

একে গুণত ভিন। ধনখেৰ গৰুক খুৱায়। চান খেৰেৰে ঘৰ ছায়। ধান খেৰেৰে ঘৰ ছাব নোৱাৰি। চানখেৰ গৰুৰ খাদ্য কৰিব নোৱৰি। একে নামৰ বস্তু হ'লেও ব্যৱহাৰ অনুযায়ী তাৰ মূল্য ভিন হয়।

৭১৯। ধান পকে মানে টুনীৰ মৰণ।

টুনীয়ে পকা ধান খায়। পকা ধান সকলো সময়তে পোৱা নাযায়। ধান নাপালে বুলি ধান পকক খাম বলি সি বৈ থাকিব নোৱাৰে। তেনেকৈ বৈ থাকিলে সি মৃত্যু বৰণ কৰিব লাগিব। অন্য ব্যৱস্থা কৰিবই লাগিব। কোনো এটা কাম হৈ নুঠালেকে হ'ব হ'ব বুলি একো নকৰাকৈ বহি থাকিব নালাগে। সেই কামৰ লেখিয়া অন্য কাম কৰি জীৱিকা চলাব লাগে।

৭২০। ধানৰ পেটত হে চাউল থাকে।

ধানৰ বাকলি গুচালে চাউল ওলায়। সেই চাউলেৰে ভোক গুচায়। সেইদৰে জ্ঞানীৰ কথাত হে সাৰ কথা থাকে। সেইকথা শুনিলে মানুহৰ সন্দেহে দূৰ হয় জ্ঞান লাভ হয়। মনৰ খুদুৱনি মৰে।

৭২১। ধানটোৰে পতি কণটো
মানুহটোৰে পতি মনটো।

প্ৰতিটো ধানতে একোটা কণ থাকে। সেই কণটোৰ পৰা গজালি ওলাই ধান গছ হয়। সেইদৰে প্ৰত্যেক মানুহৰে একোটা মন আছে। সেই মনেই মানুহৰ কথা বা কাম পৰিচালনা কৰে। সেই কাৰণে মানুহজনে পতি ভিন ভিন ধাৰণা ভিন ভিন কাৰ্য্য ভিন ভিন অভিজ্ঞতা থকা দেখা যায়। ।

৭২২। ধান পুৰীয়া কঁঠাল পাতৰ আঁৰত লুকায়।

ধান পুৰীয়া কঠাল মানে এপুৰা ধান দি সলাই আনিব লগীয়া অথৱ' এপুৰা ধান খোৱা টোমৰ সদৃশ ডাঙৰ কঠাল। তেনে ডাঙৰ কঠালো পাতৰ আঁৰত নেদেখা হৈ থাকে। সেইদৰে জ্ঞানী লোকে নিজৰ যশ গুণ প্ৰচাৰ নকৰে। সৰ্ব সাধাৰণ মানুহৰ লগত মিলি থাকে। আনেক সময়ত তেও লোকক বিচাৰি উলিয়াব নোৱাৰি।

৭২৩। ধাৰ বুজি খেৱ দিবা।

ডাঙৰ নদী পাৰ হব লাগিলে পানীৰ সোঁত কেনি গৈছে তাক চাইচিতি নাওৰে খেৱ দি পাৰ হ'ব লাগে। সোঁতৰ গতি নোচোৱাকৈ খেৱ দিলে সোঁতৰ কোবত নাও ডুবি যাব পাৰে। সেইদৰে সমাজত কথা কওতেই কথাৰ গতি বুজি কব লাগে। নহ'লে অপদস্থ হোৱাৰ সম্ভাৱনা থাকে।

৭২৪। **ধান বান লেঙুৰী নোৱাৰো**
**পানী আন লেঙুৰী নোৱাৰো**
**মাকৰ ঘৰলৈ যা লেঙুৰী**
**লেছুচ লেছুচ।**

মতলবী বোৱাৰীয়ে ঘৰৰ কামবন কৰিবলৈ ইচ্ছা নকৰে। কাম কৰিবলৈ ক লে ওজৰ আপত্তি কৰে। সেই গৰাকী বোৱাৰীক মাকৰ ঘৰলৈ যাবলৈ ক লে যোৱাৰ শকতি নহলেও লেছুচ লেছুচ খোজ দি হাঁহি মুখে যাবলৈ ওলায়।

৭২৫। **ধাৰে কাটিলেও কটা গদীৰে কাটিলেও কটা।**

যেনেকৈ নাকাটক ধাৰেৰে কাটক ব' গদীৰে কাটক কাটিলেই কটা হয়। সেইদৰে ভাল ভা'বই কওক বা বেয়া ভাবেই কওক তাৰ দ্বাৰা যদি ভাল হয় সি ভাল কথা যদি বেয়া হয় কাৰোবাৰ অন্তৰত লাগে সি বেয়া কথা। প্ৰক্ৰিয়াটো ডাঙৰ কথা নহয় ফলাফল হে ডাঙৰ ।

৭২৬। **ধুমুহাই বিৰিণা বনত টৌ খেলে।**
**বৰ গছ উভালি পেলায়।**

ধুমুহাই গছ গছনি ঘৰ দুৱাৰ ভাঙি চূৰমাৰ কৰে। বিৰিণাৰ এবো অনিষ্ট কৰিব নোৱাৰে। ধুমাহাই বিৰিণা বনত ঢৌহে তোলে। সেইদৰে ডাঙৰ বিপদত বৰ বৰ লোকৰ অনিষ্ট হয়। সৰ্ব সাধাৰণৰ বিপদ নহয়।

৭২৭। **ধাৰেও কাটে বাৰেও কাটে।**

কিছুমান অস্ত্ৰ আছে তাৰ চোকা ফালেৰে কাটে আৰু দাঁতিৰেও কাটে। সেইদৰে কিছুমান কটু কথাই দুখ দিয়ে। কূটকথা কোৱা ধৰণেও দুখ দিয়ে

৭২৮। **ধেতত‌েৰি মগৰ মূৰী।**
**এডাল বাঁহৰ তিনডাল গুৰি।।**
**বুজিলে বুজ নুবুজিলে যুঁজ।**

ভগৱান এজন। আদি নাই অন্ত নাই অদৃশ্য অকল্পনীয়। সত্ব ৰজ তম গুণৰ মহিমাৰে তিনিৰূপত ব্ৰহ্মা বিষ্ণু মহেশ্বৰক পোৱা যায়। এই তিনি গৰাকীয়ে বিশ্ব ব্ৰহ্মাণ্ডৰ মূল বুলি ধৰা হয়।

৭২৯। **ধোওঁ কলী নোধোওঁ কলী**
**তেও নুগুচে গাৰ মলি।**

ক'লা বৰণৰ মানুহে গা ধুলেও ক'লা নুধুলেও ক'লা। ক লা ৰ, কোনো ৰকমে গুচাব নোৱাৰি। সেইদৰে বেয়া চৰিত্ৰৰ লোকক উপদেশ দিলে যি নিদিলেও সেই। বেয়া চৰিত্ৰৰ মানুহে সহজে চৰিত্ৰৱান হব নোৱাৰে।

৭৩০। ধোৱাব লেহ্ তেহ্ তাঁতীৰ ওপৰত।

বোৱনৰ ওপৰতে কাপোৰ ভাল বেয়া নিৰ্ভৰ কৰে। আমি ভাল কাপোৰখন ধোৱাই ধুনীয়া কৈ ধুইছে বুলি প্ৰশংসা কৰো। তাঁতীক কমেই প্ৰশংসা কৰোঁ। সৰ্বাচলতে ধোবাৰ ধোৱনৰ ভাল বেয়া কাপোৰৰ ভাল বা বেয়াৰ ওপৰত হে নিৰ্ভৰ কৰে।

৭৩১। ধৃতৰাষ্ট্ৰ ৰজাৰ নুবুজিলোঁ চিত।
ভিতৰি কালকূট বাহিৰে অমৃত।

ধৃতাৰাষ্ট্ৰ ৰজা বৰ কপটীয়া আছিল। পুতেক দুৰ্য্যোধনৰ কাৰণে তেওঁ সকলো কৰিব পাৰিছিল। পাণ্ডৱ সকলক দুৰ্য্যোধনৰ হতুৱাই বহুতো দুৰ্গতি কৰাইছিল। কিন্তু কথাত তেওঁক বৰ মৰমিয়াল যেন দেখা গৈছিল। মৰম কৰিবলৈ লৈ ভীমক টেপাদি হাড় ভাঙিবলৈ যত্ন কৰিছিল। শ্ৰীকৃষ্ণই বুজিব পাৰি ৰজাক লোৰ ভীম আকোৱালি লবলৈ দিছিল। তেনে লোহাৰ ভীমকো চেপেটা কৰি পেলাইছিল। সেই শক্তি ধৃতৰাষ্ট্ৰৰ আছিল। কিছুমান মানুহে মুখত মৰম দেখুৱাই মানুহৰ অনিষ্ট সাধন কৰে। মিঠা মুখীয়া মানুহ কপটীয়া হলে অনিষ্টকাৰী হয়।

# ন

**৭৩২। ন আৰ্জে পুৰণি খায় তাকে বোলে গিৰী**
**তলে খিখিনি ওপৰে সিখিনি তাকে বোলে শ্ৰী।**

নতুন ধান খাবলৈ আনি ভঁড়ালত থৈ পুৰণি ধান খাই থকা গৃহস্থই প্ৰকৃত গৃহস্থ। সেইখন ঘৰত কেতিয়াও অভাৱ নহয়। গছ এজোপা ভালকৈ বঢ়া বুলি ক'লে তাৰ তলৰ শিপা আৰু ওপৰৰ ডাল পাত সমানে বাঢ়িব লাগে। সেই গছ জোপাৰ হে শ্ৰী বৃদ্ধি থকা বুলি কোৱা হয়।

**৭৩৩। নৈৰ কাম খান্দে আৰু পাতে।**
**বিষয়াৰ কাম ভাঙে আৰু পাতে।**

নৈয়ে সহজ পাই এঠাইৰ মাটি খান্দি গঢ়া খহাই আন এঠাত দ'ম কৰি চৰ পেলায়। সেইদৰে বিষয়া সকলেও যাক ভাল পায় তাক ডাঙৰ পদ দিয়ে যাক বেয়া পায় তাক ভাঙে নহয় তললৈ নমায়। এনে ভঙা পতা কৰিয়ে তেওলোকে বিষয় বাব খাই থাকে। কাৰ্য্য ক্ষমতা অনুসাৰেও ভঙা পতা কৰ্য্য চলি থাকে বদলি আদিও হয়।

**৭৩৪। ন তে ন অঁৰা পুৰণি হ'লে ছ'অঁৰা।**

নতুনৰ প্ৰতি মানুহৰ আগ্ৰহ বেছি। পুৰণি হলে সেই আগ্ৰহ কমি যায়। আৱশ্যকতা বাঢ়িলে তাৰ মূল'ও বাঢে। গতিকে নতুন বস্তুৰ দাম নঅৰা হলে পুৰণি হ্লে ছ অৰা হোৱাটো স্বাভাৱিক। নতুন জোঁৱাইৰ প্ৰতি যিমান এৰম চেনেহ ২য় পুৰণি হলে তাৰ চোক কমে।

**৭৩৫। নকটা খেৰ নকুৰি গুটিযায়।**

খেৰ কাটি তিনি মুঠিৰ একোটা গোট বান্ধিব লাগে। কাটিলেহে খেৰ শুকাই ব্যৱহাৰৰ উপযুক্ত হয়। নকটাকৈ বান্ধি থোৱা খেৰ নুশুকায কামতো লগাব নোৱাৰি। গতিকে নকটাকৈ খেৰৰ গোট বান্ধিলে পৰিশ্ৰম অথলে যায়। কাম নকৰি ধনৰ হিচাব কৰিলে একো লাভ নহয। ধন ঘটি ধনৰ হিচাব কৰাহে ভাল।

**৭৩৬। নকলেও নোবাবোঁ ফটা মুখ।**
**ক'লেও লাগে ভকতৰ দোষ।**

সমাজত থাকিলে উচিত কোৱাটো উচিত। কিন্তু কেতিয়াব কেতিয়াবা সমাজৰ অন্যায়ৰ কথা ক'লে সমাজত দোষী হৈ পৰিব লাগে। তেনে অৱস্থাত বৃহত্তৰ উপকাৰৰ কথা চিন্তা কৰা উচিত।

**৭৩৭। নগৈ গড়গাঁৱৰ বতৰা কয়।**

আহোম ৰজা সকলৰ দিনত গড়গাঁও ৰাজধানী আছিল। ৰাজধানীত নতুন নতুন

খবৰ ওলায়— চোৰা‌ৎচোৰা আদিৰ জৰিয়তে। সেইবোৰ খবৰ আন ঠাইত নাথাকে। সেইবাবে তালৈ নোযোৱাকৈ গড়াগওঁৰ খবৰ অনুমানত কৰ নোৱাৰি। কোৱাটো সম্ভৱ নহয়। নিজ চকুৰে নেদেখা খবৰ অনুমানতে ক'লে বিশ্বাসৰ যোগ্য নহয়। বহু মানুহে ভালকৈ নজনাকৈ কথা বিস্তাৰ কৰে। ই দোষণীয়।

৭৩৮। নজনাৰ ডোল ঠেঙত
জনাৰ ডোল গলত।

একো নজনাকৈ দোষ কৰিলে দোষীক লঘু শাস্তি দিয়া হয়। সেইবাবে তেনে জনৰ ভৰিত ডোল লগোৱা হয়। যাতে সহজ ভাবে ভৰি হাত লৰচৰ কৰিব প্যাৰে। জানি দোষ কৰিলে দোষীক গুৰু শাস্তি দিব লাগে বাবে তেনেজন ডিঙিত ডোল দিয়া হয় যাতে অলপ বেকা তেৰা হলেই ডিঙিত চেপা খাই কষ্ট অনুভৱ কৰে। নাজানি দোষ কৰিলেও দোষ। জানি দোষ কৰিলেও দোষ। জানি দোষ কৰিলে গুৰু শাস্তি ভোগ কৰিব লাগে।

৭৩৯। নগাৰ চা তলে বাট।

নগাসকলে চা ঘৰত বাস কৰে। সেই চাঙলৈ উঠা নমা বাটটি তলেৰেহে থাকে। অইন মানুহে সেই চাঙলৈ উঠিবলৈ সুবিধা নাপায়। নগাই সেই বাট নেৰে আন ফালেৰে নাযায়। সেইদৰে কাম কৰোতাই তেওঁৰ সুবিধানুযায়ী বিশেষ নিয়মেৰে কাম কৰে। আনে সেই নিয়ম ভাল নাপাবও পাৰে। মানুহে নিজৰ ভাল ধৰণ কৰণ এৰিব নোখোজাটোৱেই ভাল।

৭৪০। নদী যি ফালে বয়। শিহু ঘঁৰিয়ালো সেই ফালে যায়।

নদীৰ দ বোৱতী পানীত শিহু ঘঁৰিয়াল থাকে। নদীৰ সোঁত যি ফালে বয় মাছ কাছ ও সেইফালে গতি কৰে। মাছ খাবৰ কাৰণে শিহু ঘঁৰিয়ালো সেইফালে যায়। সেইদৰে সমাজৰ গতি যেনি সৰু বৰ সকলোৱে সেই ফাললৈ গতি কৰা উচিত। নদীত সোঁত এৰিলে শিহু ঘঁৰিয়াল শুকাই মৰিব। সমাজ এৰিলে যিমানেই বৰ লোক নহওক তেও দুখ কষ্টত পৰিব।

৭৪১। নতুন মিতিৰৰ এঠা বেছি।
পুৰণি থেকেৰাৰ চোক বেছি।

নতুন মিতিৰৰ প্ৰতি ভালপোৱা ভাব বেছি হয়। সেই কাৰণে আদৰ অভ্যৰ্থনা আশাতীত ৰূপে বেছি হয়। পুৰণি হোৱাৰ লগে লগে সেই আদৰ অভ্যৰ্থনাৰ চোক কমিবলৈ ধৰে। থেকেৰাই নতুনতে বেছি গুণ নিদিয়ে যিমানে পুৰণি হয় সিমানে সি উপকাৰী হয়। তাৰ ঔষধি গুণ বাঢি যায়। বিভিন্ন বস্তুৰ বিভিন্ন সময়ত মূল্য বাঢে বা টুটে।

৭৪২। নদীৰ হানা পাইকৰ খানা

নদীয়ে যি ফাললৈ সোঁত বদলায় সেই ফালে বিপদ হব পাৰে। সেই ঠাই ত্যাগ

কৰা উচিত। পাইকৰ খাদ্য নিকৃষ্ট ধৰণৰ। সেই খাদ্য খালে আন মানুহৰ পেটৰ অসুখ হব পাৰে। তেনে ধৰণৰ খানা বৰ্জন কৰিব লাগে।

**৭৪৩। নদীয়ে জানে বঠাৰ কোব**

নদীত বঠাৰে নাও বাই নিয়ে। বঠাৰে কিমান জোৰেৰে চাব মাৰে নদীয়ে জানে। আনে অনুভৱ কৰিব নোৱাৰে। সেইদৰে ভুক্তভোগীয়েহে তেওৰ দুখ কষ্ট কিমান বুজিব পাৰে আনে নোৱাৰে।

**৭৪৪। নপুংসকৰ পুংসবন**

পু্ংসবন এটা স্ংস্কাৰ। প্ৰথম সন্তান গৰ্ভস্থ হলে পিতৃ মাতৃয়ে এই স্ংস্কাৰ গ্ৰহণ কৰে। কিন্তু যি নপু্ংসক তাৰ সন্তান উৎপাদনৰ শক্তি নাথাকে। তেনে লোকে আনক দেখুৱাবলৈ অনাহকত পু্ংসবন উৎসৱ পাতি স্ংস্কাৰ আদিৰ পিহা কৰাৰ লাভ নাই।

**৭৪৫। নবখিৰৰ মন মূৰ্ত্তি ওঠৰখন।**

**বা**

**নবখিবৰ কন্যাৰ ওঠৰটা মূৰ্ত্তি।**

যিজনী ছোৱালীয়ে শহুৰী খাটিবলৈ ইচ্ছা নকৰে তেও ওঠৰটা ওজৰ আপত্তি দৰ্শাই ওঠৰটা মূৰ্ত্তি ধৰে। মানুহৰ কাম কৰিবলৈ ইচ্ছা নাথাকিলে অনেক ওজৰ আপত্তি দৰ্শাই কামৰ পৰা আঁতৰি থাকে।

**৭৪৬। নবই নাকাটি পিন্ধে জালী।**
**নুৰুই নাদাই খায় শালী।।**

ভাগ্যবান সকলে নিজে কৰ্ম্মকুশল নহলেও লোকৰ জৰিয়তেই ধন সম্পদ লাভ কৰে। তেনে লোকৰ তিৰোতাই বব কাটিব নজনাকৈ জালী দিয়া অৰ্থাৎ জলম লগোৱা ধুনীয়া ধুনীয়া কাপোৰ পিন্ধিবলৈ পায়। নুৰুৱা নোদোৱাকৈ শালী ধানৰ নৰম চাউলৰ ভাত খায়। ভাগ্যত থাকিলে অসাঠনেও ভাল খোৱা বোৱা পিন্ধা সহজে পায়।

**৭৪৭। নমৰিলেও দহজনৰ লগত চকু মুদিব লাগে।**

মানুহ সমাজ প্ৰিয় প্ৰাণী। সমাজত থাকিবলৈ হ্লে সমাজৰ হুকা বধা মানি চলিব লাগে। দহজনে যি কৰে তাকে কৰিব লাগে। দহজন যদি মৰে মৰিব নোৱাৰিলেও চকু মুদি মৰাৰ ভাও জুৰিব লাগে। অৰ্থাৎ সমাজ দ্ৰোহী হব নালাগে।

**৭৪৮। নমৰে মানে চাবা।**
**নুবুৰে মানে বাবা।।**

ৰোগীক নমৰালৈকে সেৱা শুশ্ৰূষা দৰৱ পাতিৰে চিকিৎসা কৰিব লাগে। আশা এৰি দিব নালাগে। মৃত্যু আসন্ন হলেও ভাল হোৱাৰ সম্ভাৱনা থাকে। নাও ডুবিবলৈ ধৰিলে

নাও তললৈ নোযোৱালৈকে বঠা মাৰিব লাগে। তাৰ দ্বাৰা পাৰ পোৱা বা থাউনি পানী পোৱা সম্ভৱ হব পাৰে। সেইদৰে যি কেনো কাম অন্তিম সময়লৈ সম্পন্ন কৰাৰ আশা ৰাখিব লাগে। কৃতকাৰ্য্যতাৰ ই এটা মূলনীতি।

৭৪৯। নমৰিলেও মৰা দেখিছে।

মানুহে নিজৰ মৰণ নেদেখে। আনে মৰা দেখে। তাৰ পৰা অভিজ্ঞতা লাভ হয়। অৰ্থাৎ দেখিও বহু শিক্ষা পাব পাৰি।

৭৫০। নমো নমো পাৰিজাত।
কুকুৰে ছুলে বাহী গাত।

সদায় পাৰিজাত ফুলৰ দৰে পৱিত্ৰ হৈ থকা মানুহজনক বাহী গাৰে থকা অৱস্থাত কুকুৰে ছুলে অপৱিত্ৰ হব নোৱাৰে। কুকুৰ প্ৰভুভক্ত। কুকুৰে চুলে গা ধুলেই পৱিত্ৰ হব পাৰি। তাৰ সলনি ভেম দেখুৱাই বেদ চাই প্ৰায়চিত্ত হবলৈ বিচৰা কামটিত অতিমাত্ৰা প্ৰকাশ পায়।

৭৫১। নৰৰ লঘু লেপলেপোৱা
তিৰীৰ লঘু ঘৰ বেৰোৱা।

পুৰুষে লেপলেপাই কথা ক লে নিজৰ গাম্ভীৰ্য্য নাথাকে। আনেও পাতল বুলি ভাবে। তিৰোতা মানুহ ইঘৰ সিঘৰ বগাই ফুৰিলে অনেক সময়ত নকম্বলগীয়া কথাও কব লগীয়া হয়। আৰু অদৰ্কাৰী কথা শুনিব লগীয়া হয়। তেনে তিৰোতাৰ গাম্ভীৰ্য্য ৰক্ষা নপৰে।

৭৫২। নৰিয়া চাই পৰীয়া

ৰোগ অনুসৰি পৰ দিয়া মানুহ উপযুক্ত হব লাগে। আৱশ্যক হলে একাধিক লোক নিযুক্ত কৰিব লাগে। ৰোগৰ লক্ষণ চাই অভিজ্ঞলোক পৰীয়া হোৱা উচিত। সেইদৰে কামৰ ধৰণ চাই উপযুক্ত লোক নিযুক্তি দিব লাগে।

৭৫৩। নল মৰি গজালি ওলায়।

নল এবিধ বন। পুৰঠ হলে নল মৰি যায়। আৰু গুৰিৰ পৰা গজালি ওলাই নতুন নলৰ জন্ম হয়। সেইদৰে একেখিনি মানুহ সদায় নাথাকে। বুঢ়াবোৰ মৰে ল'ৰাবোৰ ডাঙৰ হৈ সমাজ ৰক্ষা কৰে কিন্তু আদৰ্শ নমৰে। পূৰ্বৰ আদৰ্শ সংস্কৃত হৈ নতুন হয়।

৭৫৪। ন শ মৰীয়াই ছশ খান পায়।

মৰীয়াৰ কাম পিতলৰ সাজ বাচন তৈয়াৰ কৰা। তেওলোক সেই কামত অভিজ্ঞ। তেনে লোকক খেতি কৰিবলৈ লগাই দিলে খেতি ভাল নহয়। যিমান পাব লাগে তাতকৈ বহু কম শইচ পায়। অভিজ্ঞতা থকা লোকৰদ্বাৰা কাম কৰালে কাম ভাল হয় উৎপাদনো বৃদ্ধি পায়। অনভিজ্ঞ লোকৰ কাম আপচু হয়। উৎপাদন তেনেই কম হয়।

**৭৫৫। নহবৰ হ'ল থৰলৈ ঠাই নোহোৱা হ'ল।**

কোনো কোনো দম্পত্তিয়ে বহুদিনলৈ সন্তানৰ মুখ নেদেখাকৈ থাকে। বহুদিনৰ মূৰত সন্তানৰ মুখ দেখিলে সন্তানটি ক'ত থব ক'ত নথব লগায়। মাটিত থ'লে পৰুৱাই খায় মূৰত ল'লে ওকনিয়ে খায়। তাকে লৈ তেওলোকৰ চিন্তা বেছি হয়। নোপোৱা বস্তু পালে মানুহৰ আনন্দ লাগে। লগতে বস্তুটি ৰখাৰ বাবে তাৰ সাৱধান লোৱাৰ বাবে চিন্তা হয়।

**৭৫৬। নাই পো মুখে নাই পো গোফে।**
**নাই পো ধনি নাই পো ধনী।**

ভাল বক্তৃতা দিব পাৰিলে। মোচ দীঘলকৈ ৰাখিলে দেখাত ধুনীয়া হ'লে অথবা টকা পইচা থকা লোক হ'লে সমাজত জনাজাত হয়। পিতৃ মাতয়ে তেওলোকৰ ল'ৰা ধুনীয়া আৰু বলবন্ত হোৱা দেখিলে লিখা পঢ়া শিকি ভাল বক্তৃতা দিব পাৰিলে ভাল পায় লগতে লোকে দেখিলেই ভাল লগা চেহেৰা হোৱাটো কামনা কৰে। তেনেকুৱা ল'ৰাক আনেও ভাল পায় অনিষ্ট কৰিবলৈ সাহস গোটাব নোৱাৰে। ধন বিদ্যা স্বাস্থ্য আৰু বক্তৃতাৰে মানুহ জনাজাত হব পাৰে।

**৭৫৭। নাই মোমাইতকৈ কণা মোমাই ভাল।**

মোমাই ভাগিন সম্বন্ধটো বৰ মধুৰ সম্বন্ধ। মোমায়েকে ভাগিনিয়েকক বৰ মৰম কৰে । মোমায়েক নথকা সকলে সেই মৰমৰ পৰা বঞ্চিত হয়। গতিকে কণা খোৰা যিয়ে নহওক মোমাই থকাটো সকলোৱে বাঞ্ছা কৰে।

**৭৫৮। নাই ভুঁইৰ চাৰি সীমা**
**হালোৱা গৰুৱে পাৰে ডিমা।**

হাল বাবৰ কাৰণে হালোৱা গৰুৰ দৰ্কাৰ। যাৰ মাটি নাই সি হালোৱা গৰু পুহি মৰাৰ কোনো আৱশ্যক নকৰে। হাঁহ কুকুৰা পুহি কণী খাব পাৰি। হালোৱা গৰু পুহি কষ্ট খোৱাৰ বাদে একো লাভ নহয়।

**৭৫৯। নাই বুলিলেও হাতীৰ শুৰত একলহ পানী থাকে।**

হাতী পৰ্বতে কন্দৰে ঘুৰি ফুৰে। য'তে ত'তে পানী নাপায় কাৰণে হাতীয়ে শুৰত কিছু পানী জম' ৰাখে। তাৰে পিয়াহ লাগিলে পিয়াহ পলুৱায়। গৰম লাগিলে গাত ছটিয়ায়। বেছি নহলেও কম পক্ষে একলহ পানী হাতীৰ শুৰত থাকে। সেইদৰে হিচাবী লোক সকলে আপদ বিপদৰ কাৰণে ধন সাঁচি ৰাখে। পৰ্য্যাপ্ত পৰিমাণৰ নাথাকিব পাৰে কিছু নহয় কিছু টানে আপদে লাগিব বুলি সচাঁটো দূৰদৰ্শীৰ কাম।

**৭৬০। নাই চাউল নাই পাত।**
**বস্তুই দে শুদা ভাত।।**

চাউল পাত নহলে ভাত বন্ধাটো সম্ভৱ নহয়। অবুজ লোকে খাবলৈহে বিচাৰে। চাউল পাত নহলে যে ভাত নহয় এই কথা বুজিবলৈ যত্ন নকৰে। সৰু সৰু ল'ৰা ছোৱালীবোৰে এনেটো মনোভাৱ লৈ মাক দেউতাকক ব্যতিব্যস্ত কৰি তোলে। মাক দেউতাকে যি কোনো প্ৰকাৰে ল'ৰা ছোৱালীৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰে যদিও অসম্ভৱক সম্ভৱ কৰিব নোৱাৰে।

**৭৬১। নাই বুলিলে সাপতো বিষ নাই।**

মনৰ বলে সাপৰ বিষো নাইকীয়া কৰিব পাৰে। দুৰ্বল মনৰ মানুহে ছাঁটোতে বাঘটো দেখি মৃত্যু পৰ্য্যন্ত ভোগ কৰে। মনৰ বলৰ প্ৰভাব অপৰিসীম। ই কালৈকো ভয় ডৰ নকৰে।

**৭৬২। নাই শ্ৰদ্ধা নাই কাণ।**
**তাক দিব কোনে জ্ঞান।।**

জ্ঞান লাভ কৰিবলৈ হলে মনোযোগ দি কাণ পাতি শুনিব লাগে। যাৰ পৰা জ্ঞান লোৱা হয় তেওঁৰ প্ৰতি শ্ৰদ্ধা থাকিলেহে জ্ঞান লাভ সহজ হৈ পৰে। শ্ৰদ্ধা আৰু একাণপতীয়া ভাৱৰ দ্বাৰাহে জ্ঞান বিদ্যা লাভ কৰিব পাৰি। শ্ৰদ্ধাহীন লোকৰ জ্ঞান লাভ নহয়। কথা আৰু কামত মনোযোগ নিদিলে অভিজ্ঞতা লাভো কৰিব নোৱাৰি।

**৭৬৩। নাই ৰঙা মাটি নাই গুৱাহাটী**

হয় ৰঙামাটি দখল কৰি লব নহয় গুৱাহটী দখল কৰি থাকিব। এনে এটি দৃঢ় মনোভাৱ লৈ অসমীয়া সৈন্যই মোগলৰ লগত যুঁজ কৰিছিল। তাৰ বাবেই মোগলে সোতৰবাৰ অসম দেশ আক্ৰমণ কৰিও দখল কৰিব নোৱাৰিলে। সকলো কামতে এনে দৃঢ়তা থকা বিশেষ দৰকাৰ।

**৭৬৪। নাও বুৰি তলি পালেও টিঙৰ পৰা নানামে**

নাওখন বুৰি তলি পালে টিঙৰ পৰা ননমা লোক ডুবি মৰে। অহঙ্কাৰীলোকে সৰ্বশ্ৰান্ত হ'লেও নিজৰ ভেম নেৰি হাঁহিয়াতৰহে পাত্ৰ হয়।

**৭৬৫। নাৱৰ ওপৰত নহ্বত পানী**
**মৰিলেহে হব উশাহ টানি।**

পানীৰ তলত উশাহ নিশাহ বন্ধ কৰি ৰাখিব লাগে । নহলে হাওফাওত বতাহৰ সলনি পানী সোমালে তাৰ ফলত মৃত্যুৰ মুখত পৰিবলগীয়া হয়। বিপদে যেতিয়া জুমুৰি দি ধৰে। তেতিয়া বিপদৰ লগত সমানে ফেৰ পতা সম্ভৱ নহয়। তেনে

অৱস্থাত উপস্থিত বুদ্ধি খটাই উদ্ধাৰৰ উপায় চিন্তা কৰাহে উচিত।

৭৬৬। নাকান্দ ছুলি পাবি
বাপেৰ গৈছে কল কৰবলৈ
থোক পাবিলে খাবি।

কল কৰ গছ বাঢিব থোক পেলাব পকিব খাবি বহু দীঘলীয়া সময় যদিও খাবলৈ পোৱাৰ আশাত ল'ৰা ছোৱালী সন্তুষ্ট হৈ পৰে কথাৰ অৰ্থলৈ নাচায়। যি বাবে আওখতি ধৰিছিল আশা ক্ষীণ যদিও আশা দিয়াত ল'ৰা ছোৱালী শান্ত হৈ পৰে। একেটা কথাতে লাগি নথকাতো সৰু ল'ৰা ছোৱালীৰ স্বভাৱ। আশা দি মানুহ মাত্ৰক সন্তুষ্ট কৰিব পৰা যায়।

৭৬৭। নাখালে কৰিব নোৱাৰে
খালে লৰিব নোৱাৰে।

এলেহুৱা নিষ্কৰ্মা লোকে খোৱাৰ কথাটি সদায় আগত ৰাখে। কিবা কাম কৰিবলৈ দিলে খোৱাতো আগতে বিচাৰে। খাবলৈ দিলে ইমান বেছিকৈ খায় যে সি লৰচৰ কৰিব নোৱাৰা হৈ পৰে। এই শ্ৰেণীৰ মানুহে খালেও কাম নকৰে নাখালেও নকৰে। এনে লোক সমাজৰ বোজা স্বৰূপ।

৭৬৮। নাচিব নাজানে চোতালখন হেৰেমগৰীয়া

নাচিব নজনা বহুলোকে নিজৰ অজ্ঞতা ঢাকিবলৈ চোতালখন উপযুক্ত নহয় হেৰেমগৰীয়া এঢলীয়া বুলি আপত্তি কৰে। অৰ্থাৎ অসুবিধাৰ কথাকৈ নিজৰ অজ্ঞতা খিনি ঢাকি থোৱা বহু মানুহৰ স্বভাৱ।

৭৬৯। নাচোনৰ সময় কাচোনত যায়।

নাচনীয়ে ভালকৈ সাজোন কাচোন কৰিব লাগে। সাজোন কাচোন কৰোতে যথেষ্ট সময় খৰচ হলে পাচলৈ নাচোনৰ সময় নাথাকে। গতিকে সময় ৰক্ষা কৰিবলৈ চাব লাগে।

৭৭০। নাজানি দৈৱৰ গতি।
ওফোন্দা গালীও হয় পাৰ্বতী।।

ভাগ্য বা দৈৱই মানুহক ধনী দুখীয়া ডাঙৰ সৰু কৰে। ওফোন্দাগালৰ তিৰোতা কুলক্ষণীয়া বুলি কোৱা হয়। কিন্তু কেতিয়াবা তেঁৱেই লক্ষ্মী স্বৰূপা পাৰ্বতী হৈ ঘৰ সংসাৰ চলায়। গতিকে ভাগ্যই সৰ্বেসৰ্বা।

৭৭১। নাদৰ ভেকুলীয়ে চাব খোজে সাগৰ
গৰু খোজৰ পৰা উঠোতে লাগে ভাগৰ।।

(সমাৰ্থক)

নাদৰ ভেকুলীৰ নাদেই সাগৰ।।

নাদৰ ভেকুলীয়ে গৰু খোজৰ পানীতে সাঁতুৰি ভাগৰি পৰে। চাব খুজিলেও তাৰ বাবে সাগৰ চোৱাটো অসম্ভৱ। নাদৰ ভেকুলী নাদতে ডাঙৰ হয় নাদতে থাকে বাহিৰৰ লগত তাৰ সম্বন্ধ নাথাকে। তাক সাগৰ কেনেকুৱা বুলি সুধিলে নাদটিকে দেখুৱায়। মহাসাগৰ কিমান ডাঙৰ বুলি সুধিলেও সি থকা নাদটিকে দেখুৱায়। তাৰ বাদে তাৰ জ্ঞানেৰে আন কিবা জলাশয় আছে বুলি নাভাবে। যিয়ে যি পৰিসৰত থাকে যি পৰিসৰত ডাঙৰ দীঘল হয় সি সেই পৰিসৰৰ কথাহে জানে বাহিৰৰ বিশাল পৃথিৱীৰ বিষয়ে একো ভু নাপায়। অৱস্থিতিৰ পৰিসৰ অনুসৰিহে জ্ঞান বৃদ্ধি হয়।

৭৭২। নাবা বুলিলেও চাৰি চাপৰ বায়।

সৰু সৰু লৰাছোৱালীক ঢোল এটি বজাবলৈ বাধা কৰিলে দুই চাপৰ বেছিকৈ মাৰিহে ভাল পায়। সেইদৰে কিছুমান মানুহে কাম ধামৰ মাত্ৰা বুজি নাপায়। নকৰিব লগীয়া কৰে। নকবলগীয়া কয়। হকা বাধা মানি নচলে হকা বাধা কৰিলেও অধিক কৰিহে শান্তি পায়।

৭৭৩। নামাতি জিকে নচোবাই গিলে।

পনীয়া ধৰণৰ বস্তু হলে নচোবোৱাকৈ গিলি থব পাৰি। কোনো কোনো লোকে কোনো কথা আলোচনা বিলোচনা নকৰি মনে মনে শুনি থাকি বুদ্ধিৰে আনৰ হতুৱাই কাম কৰায়। তেনে লোকেই কোনো আলোচনা নকৰি কথাবোৰ গিলি থয়। আৰু বুধিৰে আনৰ দ্বাৰা কৰোৱাই জয় লাভ কৰে।

৭৭৪। নাম ললে ভোগাই খায় পানী কাহুদি।

ভোগাযে ভোগ খাব লাগে। কিন্তু ভোগাই নামৰ মানুহে সাত ভোগ খাবলৈ নাপায়। পানী কাহুদিৰেহে ভাত খায়। মানুহৰ নামৰ লগত তাৰ অৰ্থৰ কোনো সম্বন্ধ নাথাকে। ধনীৰামে ভিক্ষা কৰি খায়। ৰাজেন্দ্ৰই মজদুৰ কাম কৰে। বহুক্ষেত্ৰত নাম আৰু কামৰ মিল নাথাকে।

৭৭৫। নামে কাটে দামে কাটে আৰু ধামে কাটে।

নাম দাম আৰু ধামে বস্তুৰ গুণাগুণ প্ৰকাশ কৰে। ভাল ডাঙৰ কোম্পানীৰ বস্তু ভাল বুলি মানুহে ভাবে বিলাতৰ বস্তু বৰ ভাল বুলি মানুহে কয়। দামলৈ লক্ষ্য কৰিও

বস্তুৰ ভাল বেয়া অনুমান কৰি লয়। বেছি দামী বস্তু ভাল বুলি ধৰি লোৱা হয় অৰ্থাৎ নাম ধাম আৰু দামে বস্তুৰ গুণাগুণ প্ৰকাশ কৰে। সেইদৰে ভাল ঘৰৰ ল'ৰা ভাল বুলি কব পাৰি। সাজ পোছাক আৰু কথা বতৰায়ো ডাঙৰ লোকৰ চিনাকি দিব পাৰে। বৰ লোকৰ ল'ৰা ডাঙৰ হব বুলি ধৰি লব পাৰি।

৭৭৬। নাৰী পুৰুষ আধা আধা।
হুটি সিটিৰ পুৰায় বাকী আধা।

নাৰীক অৰ্ধাঙ্গিনী বুলি কোৱা হয়। সেই হিচাবে পুৰুষো অৰ্ধেক অৰ্থাৎ অধাঙ্গ। নাৰী পুৰুষ মিলিত হলেই পূৰ্ণ মানৱ বুলি কব নোৱাৰি। বিৱাহৰ পাছত নাৰীক পুৰুষৰ মনোমত কৰি শিকাই বুজাই ললেহে নাৰীৰ পূৰ্ণতা প্ৰপ্তি ঘটে। সেইদৰে নাৰীয়েও পুৰুষক মনোমত কৰি লবলৈ বিচাৰে। পুৰুষৰ যি বেয়া গুণ বেয়া অভ্যাস সেইবোৰ এৰিলেহে পুৰুষ নাৰীৰ মনোমত হব পাৰে। তেতিয়া পুৰুষৰ পূৰ্ণতা প্ৰাপ্তি ঘটে। গতিকে আধা নাৰী আধা পুৰুষ উভয়ে উভয়ৰ মনোমত হবলৈ বহুশিকিব লগীয়া থাকে। উভয়ে উভয়ৰ মনোমত হব পাৰিলে প্ৰত্যেকৰে পূৰ্ণতা প্ৰাপ্তি ঘটে।

৭৭৭। নাৱৰ গৰ্ভে মাৱৰ গৰ্ভে সমান।

মাকে গৰ্ভত থকা সন্তানক অকণো দুখ কষ্ট নিদিয়াকৈ ৰক্ষা কৰি থাকে। সেইদৰে নাৱত উঠা মানুহকো নাওখনে পানীত নপৰাকৈ ৰক্ষা কৰে। এই কাৰণে নাৱৰ গৰ্ভে মাৱৰ গৰ্ভে সমান বুলি কোৱা হয়।

৭৭৮। নাৱৰ বল বঠাত।
ধানৰ বল কঠিয়াত।।

নাৱৰীয়াৰ বঠাৰ চাবত নাও চলে। বঠাৰ চাব যিমানে গভীৰ হয় নাও সিমানে বেগাই চলে। সেইদৰে কঠিয়া বলবান হলে ধান গছ বলবান হয়। সেই গছে অধিক ফল দিয়ে।

৭৭৯। নাহাঁহিবি মোক।
সূঁচৰিব তোক।।

কণা খোঁৰা খোনাক ভেঙুচালি কৰি ঠাট্টা মস্কাৰ কৰিব নাপায়। তেনে কৰা বহুতেই কণা খোঁৰা বিশেষকৈ খোনা হোৱা দেখা যায়। গতিকে লোকৰ দুৰ্দশা চাই হাঁহিব নালাগে। ভেঙুচালি কৰিব নাপায়। ভেঙুচালি কৰা লোকৰ তেনে অৱস্থা হব পাৰে। বুঢ়া লোকক বুঢ়া বুলি ঠাট্টা কৰিলে আগতে ভাবি চোৱা উচিত যে এদিন তেনে অৱস্থা তেওঁবো হ'ব। খোনাক ভেঙুচিলে খোনা হোৱাতো স্বাভাৱিক কথা। সেইদৰে দুখীয়াক হাঁহিলে দুখীয়া অৱস্থা হব পাৰে। গতিকে মানুহক হাঁহিব নাপায়।

৭৮০। নাহ্বালে নপৰে কিহৰ আহু
মাত বোল নকৰে কিহৰ শাহু?

আহু ধানৰ গুটি বেছি হৈ আগভাৰী হয়। সেইবাবে আহুধানৰ থোকবোৰ হাওলি পৰে। ধান হাওলি নপৰিলে বুজিব লাগে সেই দান ভাল হোৱা নাই। শাহুৱেকে জোৱায়েকক মৰমেৰে মাতবোল নকৰিলে শাহুৱেকৰ প্ৰতি জোৱায়েকৰ শ্ৰদ্ধা ভক্তি নজন্মে আৰু শাহুৱেক গৰাকী নিমৰমিয়াল বুলি ভাবি লয়। শহুৰেকৰ ঘৰৰ শাহু গৰাকীয়ে জোঁৱায়েকৰ বিশেষ আকৰ্ষণীয় ব্যক্তি । তেৱেঁই বেছি মৰম চেনেহ কৰি মাত বোল কৰিব লাগে।

৭৮১। নিজৰ বুদ্ধি শিলৰ খুঁটি।
লোকৰ বুদ্ধি পেট উদি।

নিজৰ বুদ্ধি খটুৱাই যি কাম কৰা হয় সি যিকোনো প্ৰকাৰে সিদ্ধ হবই হব। লোকৰ বুদ্ধিত কাম কৰিবলৈ গলে কামত আউল লাগিলে আউল ভঙা কঠিন হৈ পৰে। লোকৰ বুদ্ধি বাটি নাযায় চুটি হৈ যোৱা দেখা যায়। নিজৰ বুদ্ধি বঢাই লবও পাৰি।

৭৮২। নিজৰ চাৰিপুৰা বাৰা বান্দৰে খায়।
লোকৰ খেতিত টঙি বাখিবলৈ যায়।

চাৰিপুৰা মাটিৰ খেতিত যথেষ্ট উৎপন্ন হয়। তাক যদি গাহৰি আৰু বান্দৰে খাবলৈ ধৰে সেই উৎপাদন ৰক্ষা কৰিবলৈ দিহা কৰিব লাগে। তাকে নকৰি আনৰ খেতিৰ সংৰক্ষণ কৰিবলৈ গলে শলাগ পাব পাৰে নিজৰ খেতি কিন্তু ৰক্ষা নপৰে। নিজৰ ভড়ালো নভৰে। লোকৰ বাহ বাহ লাভৰ কাৰণে নিজৰ সম্পত্তি লৈ চকু নিদিয়াটো নিৰ্বোধৰ কাম।

৭৮৩। নিজৰা জৰে অমৰ মৰে মৰাই বায় হাল।
লক্ষ্মীৰ গাত ফটাকানি মোৰ নাম নিধনীয়ে ভাল।

নিজৰা জৰে অৰ্থাৎ নিজৰাৰ পানী ওলাই থাকে। যাৰ নাম অমৰ তেৱোঁ মৰে যাৰ নাম মৰা তেও পথাৰত হাল বাই খেতি বাতি কৰে যাৰ নাম লক্ষ্মী তেও ফটা কানি পিন্ধে। গতিকে নাম অনুসৰি কাম নহয়। নিধনী নাম লৈ যদি ধনী হব পাৰি তেন্তে নিধনী নাম লোৱাই ভাল। কিয়ানো ধনী নাম ৰাখিলেই ধন নাহে। মণিক নাম থলে ৰত্ন হৈ নপৰে। অতএব নামে কাম নিদিয়ে ভাগ্যইহে সকলো দিয়া নিয়াৰ গৰাকী।

৭৮৪। নিজৰ হাত জগন্নাথ
পৰৰ হাত চুৰাপাত।

লোকৰ হাতেৰে বস্তু লোৱাত কিছু অসুবিধা আছে। অনেকে হাত নোধোৱাকৈ

খাদ্য বস্তু ছোৱে। হাতত মলি আদি থাকিলে খাদ্য বস্তুত মিহলি হয়। নিজ হাতে কৰি মেলি খালে লেতেৰা বস্তু খাব নালাগে। গতিকে নিজৰ হাত জগন্নাথৰ দৰে পৱিত্ৰ। পৰৰ হাত চুৰ' পাত সদৃশ অপৱিত্ৰ। আৰু নিজ হাতে খোৱা বস্তুৰ সোৱাদ বেছি। নিজ হাতে কৰা কামৰো মূল্য বেছি।

৭৮৫। নিজৰ নগুণ পৰক দি।
বামুণ মৰে হুতাশ হৈ।

নগুণে ব্ৰাহ্মণৰ চিনাকি দিয়ে। নটা সুলক্ষণৰ চিন স্বৰূপে বামুণে নগুণ যুক্ত নগুণ লয়। নগুণ নোলোৱাকৈ বামুণে এখোজো কাটিব নোৱাৰে একো খাবও নোৱাৰে। ছিঙিলেও তেনে অৱস্থাই হয়। নতুন নগুণ নোপোৱালৈকে একে ঠাইতে থাকিব লাগে। সেই কাৰণে নিজৰ নগুণ লোকক দিলে বামুণে হা হুতাশ কৰি থাকিব লগীয়া হয়। তেনেকৈ নিজৰ সা সম্পত্তি লোকক দিলে নিজেই দুখ কষ্টত মৰিব লগীয়া হয়। ওৰে জীৱন অনুতপ্ত হৈ থাকিব লগীয়াতো পৰে।

৭৮৬। নিজৰ ছাগলী ভাল হলে লোকৰ বাৰী নুলুটে।

ছাগলী বৰ ঘৰুৱা। নিজৰ বাৰীতে হওক বা লোকৰ বাৰীৰে হওক সুবিধা পালেই শাক পাত খাই তহিলং কৰে। ছাগলী বান্ধি ৰখাৰ বাদে আন উপায় নাই। সেইদৰে নিজৰ লৰা ছোৱালী ভাল হলে লোকৰ ঘৰে ঘৰে নফুৰে আনৰ লৰা ছোৱালীৰ লগত হাই কাজিয়াও নকৰে। গতিকে লৰা ছোৱালীক শাসনত ৰাখিব লাগে। চৰিত্ৰৱান কৰিবলৈ যত্ন কৰিব লাগে।

৭৮৭। নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰে।

যাত্ৰাৰ সময়ত দুৰ্ঘটনা ঘটিলে যাত্ৰা শুভ নহয়। সতিনীয়ে সতিনীৰ অনেক দোষ ধৰে। কেনেকৈ অনিষ্ট হয় অশুভ হয় তাৰ বাবে চেষ্টা কৰে। যাত্ৰাৰ সময়ত অমঙ্গলৰ কোনো নিদৰ্শন দেখুৱাব নোৱাৰিলে নিজৰ নাকটিকে কাটি অমঙ্গল সূচায়। হিংসুকসকলে আনৰ অনিষ্ট সাধন কৰিবলৈ নিজৰ অনিষ্ট কৰিবলৈকো পাছ নোহোহেকে।

৭৮৮। নিজ নামা উত্তমা
পিতৃ নামা মধ্যমা
শহুৰ নামা অধমা।।

নিজৰ নাম গুণৰ দ্বাৰা জীৱনৰ সকলো কাম সমাধা কৰি জনাজাত হব পৰা জন উত্তম পুৰুষ। যি দেউতাকৰ নাম গুণেৰে জনাজাত হয় আৰু দেউতাকৰ আৰ্জনৰ ফল ভোগ কৰে তেও মধ্যম আৰু যি জনে শহুৰেকৰ নাম যশ আৰু ধনৰ ওপৰত নিৰ্ভৰ কৰি চলে তেও অধম লোক।

**৭৮৯। নিজৰ কৰ্ম দোষ**
**হৰিক কৰে ৰোষ।**

নিজৰ কৰ্মৰ ফলত মানুহে দুখ কষ্ট ভোগ কৰে। কিন্তু দুখ দুদৰ্শা গ্ৰস্ত প্ৰত্যেকজন লোকেই নিজৰ কৰ্ম ফলৰ কথা নাভাবি ঈশ্বৰক দোষ দিয়ে। তেওঁ ভাবে ঈশ্বৰেহে যেন তেওঁক দুখ দুদৰ্শা গ্ৰস্ত কৰিছে। সেই বাবে ঈশ্বৰক কণা বিধাতা বুলি গালিও পাৰে।

**৭৯০। নিজৰ ওঠ কাটি ওঠ ৰঙা কৰে।**

নিজে দেখনিয়াৰ হবলৈ বিচাৰজনে কেতিয়াবা নিজৰ হানি কৰিও আনৰ পৰা প্ৰশংসা পাবলৈ যত্ন কৰে। ওঠ ৰঙা হলে ধুনীয়া দেখি কাৰণে ওঠ কাটি ৰঙা কৰাটো অবিবেচকৰ কাম। তেনে কাৰণতে ধুনতী কাউৰীৰ দুৰৱস্থা হৈছিল। গতিকে নিজৰ অনিষ্ট কৰি দেখনিয়াৰ হবলৈ যোৱাটো অনুচিত।

**৭৯১। নিজৰ গা টেকটেকীয়া।**
**লোকৰ গালৈ পানী ছটিয়া।।**

মানুহে নিৰ গা তিতিলে আনকো তিয়াবলৈ যত্ন কৰে। সেইদৰে নিজৰ গাত দোষ থাকিলে আনৰ দোষ খুঁচৰি আনৰ গাত দোষ জাপি দিয়াটো মানুহৰ স্বভাব।

**৭৯২। নিজৰ গোধা ভৰি লুকুৱায়**
**আনক গোধা বুলি জোকায়।**

গোধাই নিজৰ ভৰিৰ কদৰ্য্যতা লুকুৱাই ৰাখি আন গোধাক গোধা বুলি হাঁহে। নিজৰ কু ৰূপ কুৰূপেই নহয় আনৰ কুৰূপহে অতি জঘন্য। এনে স্বাৰ্থপৰ ভাব বহুত মানুহৰ থাকে।

**৭৯৩। নিজৰ নিজ পৰৰ পৰ বাটত পৰি মৰ।**

নিজৰ মানুহলৈ স্বভাৱতে মৰম চেনেহ থাকে। আদৰ সাদৰ কৰি খুৱায়। ৰোগ ব্যাধি হলে সেৱা শুশ্ৰূষা কৰে। আন মানুহে আনৰ দুখ কষ্ট লৈ কেৰেপ নকৰে। বাটত মৰি পৰি থাকিলেও খবৰ নকৰে। আনকি কি হৈছে তাকো নোসোধে। এইসকল মানহুৰ পৰোপকাৰ গুণ সমূলি নাথাকে। নিজৰ দৰে পৰকো সেৱা শুশ্ৰূষা কৰিব লাগে।

**৭৯৪। নিজৰ বেলি আটিপুতি।**
**পৰৰ বেলি চুৱা মাটি।।**

নিজৰ বইবস্তু সকলোৱে আটি পুতিকৈ ৰাখে। অকণো বেয়া হবলৈ নিদিয়ে। লোকৰ বস্তু চুৱা মাটি সদৃশ জ্ঞান কৰে। অৰ্থাৎ অশুচি পেলনীয়া বস্তু বুলি ভাবে। স্বাৰ্থপৰ লোকে নিজকহে জানে আনৰ মূল্য নুবুজে। আনৰ মূল্যবান বস্তুকো মূল্যৱান বুলি নাভাবে।

৭৯৫। নিজৰ মুখ বেকা দাপোণক দিয়ে সেকা

নিজৰ অৱয়ব যেনে দাপোণত ঠিক তেনেভাৱেই প্ৰতিফলিত হয়। নিজৰ মুখ বেকা হ'লে দাপোণতো বেকা দেখা যাব। তাৰ কাৰণে দাপোণক জগৰীয়া কৰি ভাঙি পেলালে নিজৰে ক্ষতি হব। সাধাৰণতে মানুহে নিজৰ দোষক দোষ বুলি নাভাবে। আনে সেই দোষ দেখুৱাই দিলে তেওঁকহে শত্ৰু জ্ঞান কৰে আৰু অনিষ্ট সাধন কৰিবলৈ উদ্যত হয়।

৭৯৬। নাই যদি জীৱনলৈ মোহ
ফেঁটি সাপৰে পোৱালি পোহ।।

ফঁটি সাপ বৰ বিষাক্ত বৰ খঙাল। ফেঁটিসাপ পুহিলে সিয়ে এদিন খুটি মৃত্যু ঘটাব। সেইদৰে নিজৰ মঙ্গল কামনা কৰোঁতা সকলে শত্ৰুক লাই দিব নালাগে। শত্ৰুৱে অনিষ্ট কৰে।

৭৯৭। নিদিয়ক কুটুম থাকক ভালে।
তেওঁক পাম নিদান কালে।

মিতিৰ কুটুমে নিদিলে নুখুৱালেও ভালে কুশলে থাকিব লাগে। বিপদ আপদ হ'লে সেই মিতিৰ কুটুমেহে সহায় কৰে। নিদান কালে যাক পোৱা যায় সিহে প্ৰকৃত বন্ধু।

৭৯৮। নিদিবৰ মন যাৰ।
নাম কৰ দেওবাৰ।।

যাৰ দিবলৈ মন নাই, তেও তিথি বাৰ নক্ষত্ৰ আদিৰ নাম কৈ বিমুখ কৰে।

৭৯৯। নিন্দিলে বন্দিব লাগে

যাক নিন্দা কৰা হয় কোনো কোনো সময়ত তেওক বন্দনা কৰিব লগীয়াত পৰে। সমান্য নিগনি এটায়ো বলবন্ত সি হক বিপদত ৰক্ষা কৰিব পাৰে। গতিকৈ সামান্য বুলি নীচ বুলি আনক নিন্দা কৰা উচিত নহয়।

৮০০। নিবুকীয়ে ভাঙে গাঁও। চকচকীৰ উঠে নাও।।

মুখেৰে বৰ বেছি কথা নোকোৱা নিবোকা মানহ কিছুমান আছে। তেওলোকে কোনো কথা নকয় মতামত নিদিয়ে কিন্তু তলে তলে বেয়া কামবোৰ কৰি ফুৰে। ঘৰে ঘৰে কাজিয়াৰ সৃষ্টি কৰি মনোমালিন্য বৃদ্ধি কাৰে। ফলত গাঁৱত বিশৃঙ্খলতা সৃষ্টি হয়। হাইকাজিয়া কটা কটি মৰা মৰি হয়। ফলত বহুতে গাও এৰি আন ঠাইলৈ যাবলৈ বাধ্য হয়। বেছি কথা কোৱা বাবে দোষ হয় চকচকীৰ। তেওৱেই গাঁও ভঙা বুলি সকলোৱে ধৰি লয়। নিবুকী মাজতে সাৰে।

৮০১। নিমাতী গাই গু খোৱাৰ যম

সাৰসুৰ নকৰা গাই গৰুৱে গু বেছিকৈ খায়। সেইদৰে কথা বতৰা নপতা লোকে বেছিকৈ বেয়া কাম কৰে।

৮০২। নুমলীয়া ধান বানৰ।
নুমলীয়া ছুলি আনৰ।।

ধান শেহতীয়াকৈ ৰুলে বানপানীৰ গৰাহত পৰে। পৰিশ্ৰম অথলে যায়। সেইদৰে বুঢ়া কালত লৰা উপজিলে কষ্ট কৰি ডাঙৰ দীঘল হে কৰা হয়। উপাৰ্জন খাবলৈ নাপায় লোকেহে তেনে সন্তানৰ উপাৰ্জন খায় আদৰ সাদৰো পায়।

৮০৩। নুমাল জুই একবাৰ।
জ্বলা জুই বাৰবাৰ।।

জুই এবাৰ জ্বলি নুমালে সেই এবাৰতে যি অনিষ্ট হয় পাচলৈ অনিষ্টৰ ভয় নাথাকে। কিন্তু জ্বলি থকা জুয়ে বাৰে বাৰে অনিষ্ট কৰিব পাৰে। সেইদৰে সন্তান জন্ম হৈ মৰিলে এবাৰহে শোক তাপ পোৱা যায়। জীয়াই থকা দুষ্ট সন্তানে সদায় মাক দেউতাকক অশান্তি ভোগায়।

৮০৪। নুমাবৰ চাকি বেছিকৈ জ্বলে।

চাকিৰ তেল পুৰি নুমাবৰ হ লে শলিতাত জুই লাগি জুই বেছি হয়। কিছুসময়ৰ পাছতে নুমাই থাকে। সেইদৰে মানুহৰ অধ পতন হবৰ সময়ত উত্তাওালি বেছি হয়। তাৰ পাছতে ধ্বংস হবলৈ আৰম্ভ কৰে।

৮০৫। নেচাই ডেলে গালৈকে ঘাটি।

বা

৮০৬। কথাতে কয় আগভৰি দিহে পাছভৰি দাঙিবা।

অৰ্থাৎ চাই চিতি বাট বুলিবা। বাট৺ সাপ সৃপ হুল জো খাল আদি থাকিব পাৰে। নোচোৱাকৈ সাপ সৃপ ডেই গ া সাপৰ খেটি৺ মৃত্যু হব পাৰে। সেইদৰে ভাবি চিন্তি কাম নকৰিলে বিপদ হব পাৰে

৮০৭। নেখাও তাইৰ হাতে ভাত।
ঘূৰি ঘূৰি তাইতেহে হাত।।

সাঠন নথকা লোকে ঘৈণীয়েকৰ ওপৰত খং কৰি তাইৰ হাতে ভাত নাখাও বুলি শপত খায়। ভোক লাগিলে তাইকে হাত ফুৰাই মৰম কৰি খোৱা বস্তু বিচাৰে। গতিকে যাৰ কাৰণে খোৱা মুঠি মিলে তেওৰ ওচৰত ভেম কৰিলে তেওকে কুটুৰিবলগীয়া হয়।

৮০৮। নেজ দীঘল হ'লে পাৰি বহে।

দীঘল নেজৰ জন্তু কুকুৰ মেকুৰী শিয়াল আদিয়ে নেজডাল পাৰি তাৰ ওপৰত বহে। মানুহৰ ধন সম্পত্তি বেছি হ'লে সেই ধন সম্পত্তিৰ ওপৰত নিজে টিথিল দিলাই থাকে। আনক সহায় কৰাৰ কথা মনলৈ নানে।

৮০৯। নেম নেগুৰ বৰ্জিত।
পৰ চুলাবে সজ্জিত।
নোম নেগুৰ নাথাকিলে পশু কুৎসিত দেখি।

তেনেদৰে নিজৰ জ্ঞান বিবেক সাজ পোছাক নথকা লোক সুন্দৰ নহয় পৰচুলাবে কিছুসময়ৰ কাৰণে খোপা ডাঙৰ কৰিব পাৰি সদায় নোৱাৰি। লোকৰ পৰা ধাৰ লৈ নিজত প্ৰভুত্ব বজায় ৰাখিবলৈ যত্ন কৰিলে নিজত্ব নাথাকে। সেই কাৰণে জ্ঞান বিদ্যা ধন সম্পত্তি আঁচ বাব নিজৰ কৰিবলৈ যত্ন কৰিব লাগে।

# প

**৮১০। পকা আঙঠা তুলাৰে ঢাকিব নোৱাৰি।**

তুলাত সহজে জুই লাগে। পকা আঙঠাত জুই থাকে। সেই আঙঠা তুলাৰে ঢাকিবলৈ গলে তুলাখিনিহে পুৰিব। সেইদৰে হিংসাক হিংসাৰে অথবা সান্ত্বনা বাণীৰে ঢাকি থব নোৱাৰি। হিংসা জুই বেছিকৈ জ্বলিহে উঠে।

**৮১১। পকাধানত মৈ দি চৰণীয়া পথাৰ কৰে।**
**এনে অবিবেকী খাবলৈ নাপাই মৰে।**

ধান পকিলে কাটি আমি ভড়ালত থ'ব লাগে। তেতিয়া ধাননি পথাৰ মুকলি হয়। মাঘ মাহত ধাননি পথাৰ মুকলি কৰি গৰু মহৰ চৰণীয়া পথাৰ কৰি দিয়া নিয়ম। তাকে কৰিবলৈ ধান দাই ঘৰলৈ নানি পকা ধানৰ ওপৰত মৈ চলাই সমান কৰি থলে অপূৰণীয় ক্ষতি হয় পৰিশ্ৰম অথলে যায় অবিবেকী লোক খাবলৈ নেপাই মৰে।

**৮১২। পকা আমৰ বেলা কুজা মহ্য ওলায।**

পকা আম থকা দেখিলে নানা প্ৰকাৰে সম্বন্ধ ধৰি নেদেখা নুশুনা মানুহো আম খাবলৈ আহে। সেইদৰে ভাল দিনত লেণ্ডুৰ ভেণ্ডুৰ বোবা কুজা কলাই সম্বন্ধ ধৰি সহায় বিচাৰে। সুদিনত বন্ধুৰ লেখ নাথাকে। সকলো আপোন হৈ পৰে দুদিনৰ বন্ধুৱেহে প্ৰকৃত বন্ধু।

**৮১৩। পকা মূৰত সেন্দুৰ পিন্ধ**
**সেয়ে ভাগ্যবতীৰ চিন।**

কপালৰ সেন্দৰ সধবাৰ চিন। চুলি পকা বটীৰ কপালত সেন্দুৰ থকা গৰাকী ভাগ্যাৱতী নাৰী। বুঢ়া কালত ভাগ্যৱতী নাৰীয়েহে স্বামী সেৱা কৰিবলৈ পায়।

**৮১৪। পকিল কল সোৱাদ হ'ল**

কল পকিলে সোবাদ হয। সেইদৰে কোনো কাম সিদ্ধ হৈ সফল দিলে মনত সন্তোষ জন্মে।

**৮১৫। পচলাত দাঁত ভাঙে।**

পচলা কোমল বস্তু। পচলা খাওতে দাঁত ভাগিব নোৱাৰে। কিন্তু কেতিয়াবা সামন্য সহজ কামেও অভিজ্ঞ মানুহক ব্যতিব্যস্ত কৰি তুলিব পাৰে অকৃতকাৰ্য্যও হ'ব পাৰে।

**৮১৬। পতান ধানেৰে উঁড়াল ভৰায়।**

পতান ধানৰ চাউল নহয়। গতিকে তেনে ধানেৰে উঁড়াল ভৰাই থোৱাৰ একো লাভ নাই। সেইদৰে সাৰ গোবৰ নোহোৱা কথা লিখি পুথি ভৰালে অকামিলা মানুহৰে

দেশ ভৰালে কাৰো উপকাৰ নহয় বৰং অপকাৰহে হয়।

৮১৭। পচোৱা বতাহে দুৱাৰ মেলে
ৰবলাৰ গাত জগৰ লাগে।

সমাৰ্থক

যত দোষ নন্দ ঘোষ।

যাৰ ওপৰত দোষ জাপিবলৈ সুচল থাকে তেনে লোকক হোৱাই নোহোৱাই দোষ জাপিদি সহজে দোষী কৰিব পাৰি। ৰবলাই লোকৰ ছোৱালীলৈ মন দিয়াটো স্বাভাৱিক। সেইবাবে বতাহে দুৱাৰ কেৰেক কৰিলে বা দুৱাৰ মেল খুৱালে ৰবলাই দুৱাৰ ভাঙিবলৈ লোৱা বুলি ভাবি লোৱা অনুচিত। ই ৰবলা হৈ থকাৰে জগৰ।

৮১৮। পতি বাৰে সিদ্ধি শেলুক।

শেলুক পানীৰ তলৰ বোকাত থকা বস্তু। সিদ্ধি শেলুক খাবলৈ সোৱাদ। কিন্তু প্ৰতিজোপা শেলুকতে সিদ্ধি শেলুক পোৱা নাযায়। সেইদৰে প্ৰতিটো কামতে সুফল নফলে। সকলো কামতে কৃতকাৰ্য্য হব নোৱাৰি।

৮১৯। পতি থাকোঁতে নাৰীৰ অগতি।
সেই পতিৰ দুৰ্গতিয়ে গতি।।

নাৰী পতিৰ আশ্ৰিতা তথা সেৱিকা। সেই নাৰীয়ে পতিৰ মৰম স্নেহ নাপালে পতিৰো দুৰ্গতি হয়।

৮২০। পতিৰ পুণ্যে সতীৰ পুণ্য।
পতি সেৱী হয় ধন্যা।

পতিৰ সুনাম সুযশে নাৰীৰো সন্মান বঢ়ায়। পতিৰ পুণ্যৰ ভাগ নাৰীয়েও লাভ কৰে। সেইবাবে নাৰীয়ে পতিক সৎপথে পৰিচালিত কৰিবলৈ যত্ন কৰিব লাগে। সতী সাধবী তিৰোতাৰ পতি সেৱাই মহৎ ধৰ্ম।

৮২১। পতিৰ প্ৰতি অপতি
সেই নাৰীৰ অসীম দুৰ্গতি।

পতি সেৱাই নাৰীৰ ধৰ্ম। নাৰীয়ে যদি পতিক শ্ৰদ্ধা নকৰে সেৱা শুশ্ৰূষাত মন নিদিয়ে তেনে নাৰীক পুৰুষে ভাল নাপায়। ঘৰ খনত লক্ষ্মীৰ বাস নহয়। ল'ৰা ছোৱালীবোৰে কাৰো হাক বচন নশুনা দুৰ্দান্ত হৈ পৰে। গতিকে সেই গৰাকী নাৰীয়ে অৱশেষত অশেষ দুৰ্গতি ভুগিব লগীয়া হয়।

৮২২। পৰৰ চিত্ত অন্ধকাৰ। নিজৰ চিত্ত বেৰৰ আঁৰ।।

আনৰ অন্তৰ বুজা সহজ নহয়। মানুহৰ মনৰ ভাব অন্তৰতে থাকে। আনে নেদেখে। নিজৰ অন্তৰৰ কথাও আঁৰ বেৰ দি ৰাখিব লাগে। সকলো অৱস্থাতে অন্তৰ খোলা লোকৰ অহিত কৰিবলৈ আনে সুযোগ পায়।

**৮২৩। পৰ দেশত ম্ৰৰ ভেশ**

নিজৰ দেশত মানুহে সকলো প্ৰকাৰৰ বাহাদুৰি খটুৱাব পাৰে। আন দেশত তেনে বাহাদুৰি দেখুৱাবলৈ গলে বিপদ হয়। গতিকে অন্য দেশত নিজ দেশৰ নীতি নিয়মৰ সলনি সেই দেশৰ ৰীতি নীতি ধৰিব লাগে।

**৮২৪। পৰত আশ বনত বাস**

বনত বাস কৰিলে সকলো লাগতিয়াল বস্তু পোৱা নাযায়। খোৱা বস্তুৰ অভাৱত গছৰ ফলমূল খাই কাপোৰ কানিৰ অভাৱত গছৰ ছাল পৰিধান কৰি জীৱন কটাবলগীয়া হয়। সেইদৰে লোকে দিব খাম বুলি আশা পালি থাকিলে লঘোনে থাকিবলীগয়া হয়। আশা কৰা বস্তু সময়ত পোৱা নাযায়। পৰলৈ আশা কৰি থকা আৰু বনত বাস কৰা একে সমান।

**৮২৫। পৰত কৰিলে ঘৰত মিলে**

লোকক যেনে ব্যৱহাৰ কৰা হয় লোকেও তেনে ব্যৱহাৰ কৰে। আনৰ অনিষ্ট সাধন কৰিলে আনেও অনিষ্ট কৰিবলৈ যত্ন কৰে। গতিকে আনক ভাল ব্যৱহাৰ কৰা উচিত। তেতিয়া আনেও ভাল ব্যৱহাৰ কৰিব।

**৮২৬। পৰৰ ওপৰত পায় ধন**
**বাপেক পুতেকে কৰে কীৰ্ত্তন।**

নিজে পৰিশ্ৰম কৰি ধন আৰ্জিলে খৰচ কৰাৰ সময়ত হাতৰ মুঠি টান কৰি অৰ্থাৎ ভাবিচিন্তি খৰচ কৰে। বিনা পৰিশ্ৰমে লোকৰ পৰা ধন পালে ক'ত কিমান খৰচ কৰিব তাৰ নিৰ্ণয় নাথাকে। খৰচৰ মা বাপ নোহোৱা হয়। অবাবতে বহু ধন খৰচ কৰা হয়। বাপেক যেনে পুতেকো তেনে হয়। লোকে অৰ্জা ধন মূল্যহীন বুলি ভাৱে আৰু যাক যেনেকৈ পাৰে খুৱাই শেষ কৰে।

**৮২৭। পৰৰ পৰ বাটত পৰি মৰ।**

মানুহ কম বেচি পৰিমাণে স্বাৰ্থপৰ। নিজৰ চিন্তা ভাৱনা আৰু কাম কাজতে সময় অতিবাহিত কৰে। আনৰ কথা ভাবিবলৈ সময়কে নাপায়। নিজক লৈ বৰ ব্যস্ত থকা মানুহে আনৰ ক'ত কি হয় খবৰ নাৰাখে। বাটত পৰি মৰি থাকিলেও মানুহে পৰ মানুহৰ খবৰ নকৰে।

**৮২৮। পৰৰ মূৰত খায়**
**ভটিয়া পানীত যায়।।**

বুধিয়ক মানুহে লোকৰ ওপৰতে খাবলৈ চেষ্টা কৰে নিজে একো খৰচ নকৰে। ভটীয়া পানীত নাও এৰি দিলে যিদৰে ভটিয়াই গৈ থাকে কোনো কষ্ট কৰিব নালাগে। পৰৰ ওপৰত খোৱা লোকেও নিজে কোনো কষ্ট নকৰাকৈ কোনো দায়িত্ব নোলোৱাকৈ চলে।

৮২৯।    পৰৰ ওপৰত পায়।

পানী ঢালিও তিনি গৰাহ খায়।।

পৰৰ ওপৰত খাবলৈ পালে বেছিকৈ খাবলৈ ইচ্ছা কৰে। পেট ভৰিলেও পানী ঢালি পনীয়া কৰি ডিঙিলৈকে ভৰায়। তাৰ দ্বাৰা স্বাস্থ্যৱান হ'বলৈ বিচাৰে। নিজৰ খৰচত আৰু এসাজ নাখাই থাকিব পৰা হোৱাটো কামনা কৰে।

৮৩০। পৰ ৰুচি কাচন স্বৰুচি ভোজন

সাজপাৰ অয় অলঙ্কাৰ লোৱাত আনৰ ভাল লগা হ'ব লাগে। আৰু নিজৰ সোৱাদ লগা খাদ্য খাব লাগে।

৮৩১।    পৰৰ ঘৰলৈ যাবি

দিয়ন থোৱন চাবি।

মানুহৰ জীৱনত শিকিবলগীয়া বহু থাকে। বহু কথা আনৰ চাল চালন ব্যৱহাৰ পাতিৰ পৰা শিকিব পাৰি। বিশেষকৈ ভাল মানুহৰ ঘৰত শিকিব লগীয়া বহু থাকে। গতিকে লোকৰ ঘৰলৈ গ'লে আচৰণ দিয়ন থোৱনলৈ লক্ষ্য কৰিব লাগে।

৮৩২।    পৰ অৰ্জন পৰে খায়।

কৰ্ত্তা মাথোন নৰকলৈ যায়।

লোকৰ অৰ্জন অপহৰণ কৰিলে অপহৰণ কাৰীয়ে প্ৰায়ে খাবলৈ নাপায়। মোৰ বুলি কওতা গৰাকী কোনোবা ওলায়। তেওহে ভোগ কৰে। ফাঁকতে কোনোবাই হে পায়। অপহৰণ কাৰীয়ে অপহৰণ কৰা পাপহে ভোগ কৰিবলৈ পায়। অৰ্থাৎ পাপৰ শাস্তি ভোগ কৰিবলৈ নৰকলৈ যাব লগীয়া হয়।

৮৩৩।    পৰৰ কথাত নিদিবা কাণ।

নিজে জনাবো লাগে প্ৰমাণ।।

পৰৰ কথা সচা নহ'বও পাৰে। সেই বাবে পৰৰ কথাত কাণ দিব নালাগে। নিজে জনা কথাৰো প্ৰমাণ দিব পাৰিলেহে লোকে বিশ্বাস কৰে।

৮৩৪।    পৰ হাতী পৰ ভাতী

নিজ ইচ্ছা কৰা কাতি।

হাতীয়ে মাউতৰ কথা মতে কাম কৰিব লাগে। ভাতীয়ে টানোতাজনৰ ইচ্ছামতে উঠা নমা কৰিব লাগে। নিজৰ ইচ্ছা মতে হাতী আৰু ভাতীয়ে একো কৰিব নোৱাৰে। সেইদৰে লোকৰ বশবতী হৈ কাম কৰোঁতা সকলে নিজৰ ইচ্ছা মতে চলিব নোৱাৰে। চলোৱাজনৰ কথামতেহে কাম কৰিবলগীয়া হয়।

৮৩৫।    পৰৰ মূৰত কঁঠাল ভাঙে।

আনৰ মূৰত যি কঁঠাল ভাঙিলে সেই মানুহজনৰ মূৰত কঁঠালৰ আঠাৰে লেটপেটীয়া হয়। চুৰ কৰি অনা কঁঠাল হ'লে সেইজন লোকেই দোষৰ ভাগী হ'বলগীয়া হয়। এজনে আনজনৰ গাত ভেজা দি কাৰ্য্য সিদ্ধি কৰিলে দোষত পৰি আনজন মৰা পৰে।

৮৩৬। **পকৰাই পৰ্বত খহায়।**

পৰ্বত বৰ ওখ বহল ডাঙৰ ডাঙৰ শিল মাটিৰে তৈয়াৰী। বৰ ডাঙৰ ডাঙৰ গছো তাত থাকে। সেইবোৰ কাটি মেলি পৰ্বত খহাবলৈ বৰ ডাঙৰ ডাঙৰ যন্ত্ৰপাতিৰ আৱশ্যক। পৰ্বতৰ তুলনাত পকৰা তেনেই নগণ্য। সেই পকৰাই একমুঠ হৈ ডাঙৰ পৰ্বতো খহাব পাৰে। একতাইহে পৰম বল।

৮৩৭। **পৰ্বতত কাছ কণী পুহুত বান।**
**বৰলাৰ ঘৰত শুকান ধান।।**

পৰ্বতত কাছ কণী নাপায় কাৰণ কাছ পৰ্বতত নাথাকে। পুহ মাহত বৰষুণ নোহোৱা কাৰণে বানপানী নহয়। বৰলা মানুহৰ ঘৰত শুকান ধান পোৱা নাযায়। কাৰণ তেও খেতি নকৰে। সকলো বস্তুৰে নিৰ্দ্দিষ্ট ঠাই আৰু সময় থাকে। অসময়ত সেই সেই বস্তু যাতে তাতে পোৱা নাযায়।

৮৩৮ **পঢ়ে পঢ়ায় ৰোৱে পাণ।**
**ই তিনি নিচিন্তে আন।।**

যি পঢ়ে যি জনে পঢ়ায় আৰু যি লোকে পাণৰ খেতি কৰে তেওলোকৰ অন্য কথা চিন্তা কৰাৰ সময় নাথাকে। অন্য কথা চিন্তা কৰিবলৈ হলে পঢ়ুৱৈয়ে পঢ়িব নোৱাৰে পঢ়াওতাই ভালকৈ পঢ়ুৱাব নোৱাৰে আৰু পাণৰ খেতি কৰাজনে ভালকৈ খেতি কৰিব নোৱাৰে।

৮৩৯। **পহুৰ ভেলেকা ভেলেকি**
**গৰু চেলেকা চেলেকি।**
**মানুহৰ আহ যাহ**
**বান্ধৱৰ বাহ বাহ।**

পহুৱে ভেলেকা লাগি থাকিলেই তাৰ মৰম প্ৰকাশ পায়। গৰুৱে চেলেকা চেলেকি কৰি ভাল পোৱা প্ৰকাশ কৰে। আহ যাহৰ দ্বাৰা মানুহৰ আত্মীয়তা বাঢ়ে। বন্ধু বান্ধৱে প্ৰশংসা কৰি ভাল পোৱা ভাৱ প্ৰকাশ কৰে।

৮৪০। **পহু মৰে লতাত লাগি।**
**মানুহ মৰে কথাত লাগি।।**

পহুৰ শিং আছে। শত্ৰু দেখি হাবিৰ মাজত লুকাবলৈ গৈ কেতিয়াবা শিংজোৰ লতাত লাগি পলাব নোৱাৰা হৈ শত্ৰুৰ হাতত পৰে। সেইদৰে মানুহে কথা কটাকটি কৰিবলৈ গৈ মৰামৰি কৰি বিপদ মাতে।

**৮৪১। পাইকৰ বেটা পাই গোটা**

আহোম ৰজাৰ দিনত পাইক নামৰ এক শ্ৰেণীৰ মানুহ আছিল। তেওলোকে অৱশ্যক হ'লেই ৰজাৰ ঘৰত বা ডা ডাঙৰীয়াৰ ঘৰত খাটি দিব লাগিছিল। তেনেজন লোকৰ সতি সন্ততিৰ মই বৰ ভাব বেছি আছিল। সামান্য লোকে ৰজাঘৰীয়া নিকৃষ্ট কাম কৰিলেও নিজকে বৰ ডাঙৰ একোজন বুলি ভাবি লয়। আনকি তেওলোকৰ সতি সন্ততিয়েও মই বৰ ভাবত ওফন্দি ফুৰে।

**৮৪২। পগলাৰ গো বধেই আনন্দ।**

পগলাৰ হিতাহিত জ্ঞান নাথাকে। পগলাই গো বধৰ নিচিনা পাপ কাম কৰি আনন্দ অনুভৱ কৰে। হিতাহিত জ্ঞান নথকা লোকে বেয়া কাম কৰিও আনন্দ লাভ কৰে।

**৮৪৩। পাঁচ আঙুলি সমান নহয়।**

মানুহৰ হাতৰ আঙুলি পাঁচোটা একে সমান নহয়। সেইদৰে একেখন ঘৰৰে সকলো ল'ৰা ৰূপে গুণে এক সমান নহয়। একে শ্ৰেণীত পঢ়িলেও সকলোবোৰ লৰা ছোৱালীৰ বুদ্ধি বৃত্তি একে নহয়। অমিল সকলোতে আছে।

**৮৪৪। পাঁচো আঙুলিৰে খায়।**
**বুঢ়াই হেঁচুকিলেহে যায়।।**

বস্তু খাওতে হাতৰ পাঁচোটা আঙুলি ব্যৱহাৰ হয়। পাঁচোটা আঙুলিৰ ভিতৰত বুঢ়া আঙুলিৰ ব্যৱহাৰ বেছি। বুঢ়া আঙুলিৰে হেঁচুকি নিদিলে খোৱাবস্তু মুখৰ ভিতৰলৈ নোসোমায়। সেইদৰে কামৰ বেলিকা অভিজ্ঞ বুঢ়ালোকৰ দিহামতে কামে কৰিলেহে কাম সুসিদ্ধ হয়। বুঢ়া মানুহ জ্ঞানী অভিজ্ঞ। তেওলোকৰ দিহা পৰামৰ্শ লব লাগে।

**৮৪৫। পাছ দিলে পৰ্বতো পিঠিফালে পৰে।**

পৰ্বতৰ পৰা নামিলে অথবা পৰ্বতৰ ওচৰৰ পৰা গুচি আহিলে পৰ্বতখন পাছফালে ৰয়। তাৰ দ্বাৰা পৰ্বতক হেয় কৰা নুবুজায়। পৰ্বতৰ উচ্চতা নকমে। অৱস্থিতি নলৰে আৰু সৌন্দৰ্য্যও হ্ৰাস নহয়। সেইদৰে সম্মানিত ব্যক্তিলৈ পাছ দিলেই তেওক হেয় কৰাটো নুবুজায়। সম্মানিত ব্যক্তিৰ সম্মান সাধাৰণ লোকে অকণো লাঘৱ কৰিব নোৱাৰে।

**৮৪৬। পাটিৰ তিৰোতাই মাটিতো শোৱে।**

অসুবিধা হ'লে তিৰোতাই পাটীত নুশুই মাটিত শোৱে। ই মনোমালিন্যৰ চিন নহয়। গতিকে ব্যতিক্ৰম ঘটিলেই বিৰোধ হোৱা বুলি ধৰি লব নোৱাৰি।

**৮৪৭। পানীত পৰা মানুহে খেৰকুটালৈকো হাত বঢ়ায়।**

মানুহে অথাউনী পানীত পৰি উদ্ধাৰৰ আন উপায় নেদেখিলে সামান্য খেৰকুটাকে

আশ্ৰয় কৰি উদ্ধাৰ পাবলৈ বিচাৰে। নিজৰ ওজনৰ কথা নাভাবে। সেইদৰে বিপদত পৰিলে সামান্য লোকৰ পৰাও সহায় পাবলৈ মানুহে আশা কৰে। সেই সময়ত নিজৰ ব্যক্তিত্ব মহত্ত্ব সকলো পাহৰি যায়।

৮৪৮। পাপৰ ধন পৰাচিত্তত যায়।

পাপ কাম কৰিলে পৰাচিত হৈ দান দক্ষিণা দিয়াৰ নিয়ম প্ৰচলিত আছে। তাকে কৰিলে ধন খৰচ কৰিব লাগে। পাপ কৰ্ম কৰি অৰ্জা ধন পাপ লুকুৱাবৰ কাৰণেও খৰচ কৰিব লগীয়া হয়। নাম কীৰ্তন যাগ যজ্ঞ কৰি প্ৰায়শ্চিত্ত হৈ পাপ খণ্ডনৰ কাৰণেও কেতিয়াবা ধন ভৰিব লগা হয়। লাভৰ ঘৰত একো নাথাকে। সেই কাৰণে সৎ উপায়ে ধন অৰ্জন কৰা উচিত।

৮৪৯। পাপীৰ মন পিঠাত

পাপী মানুহে সদায় পাপ কৰ্মৰ কথা চিন্তা কৰে। ধৰ্মস্থানত থাকিলেও কেনেকৈ চুৰ কৰিব পাৰি ডকা দিব পাৰি আনৰ কি অনিষ্ট কৰিব পাৰি ইত্যাদি কথাহে ভাবি থাকে। মানুহৰ ঘৰলৈ গলেও কেনি কি বস্তু থয় তাৰ সন্ধেদ লয়। যলৈকে নাযাওক পাপী মানুহে পাপ কাৰ্য্যৰ চিন্তা কৰিবই। পাপ কাৰ্য্য পাপীৰ মনত পিঠাৰ দৰে সোৱাদ লগা।

৮৫০। পাবা চৰাই ভাঙিবা পাখি।
বঢ়া ভাত নথবা ৰাখি।।

চৰাই পালে তাৰ পাখি (ডেউকা) ভাঙি থব লাগে। নহলে উৰি যাব পাৰে। ভাত বাঢ়ি দিলে খাব লাগে। ৰাখি থলে ভাতত পোক পৰুৱা মাখি আদি পৰি বিষাক্ত কৰিব পাৰে। সেইদৰে যেতিয়াৰ যিটো কাম তেতিয়াই কৰি শেষ কৰিব লাগে। পাচলৈ থলে তাৰ মূল্য কমি যায়।

৮৫১। পাৰ পালে ইপাৰ
পাৰ পালে সিপাৰ

(সমাৰ্থক)

চল পালে ইপাৰ
চল পালে সিপাৰ।

নিজৰ নিজত্ব নথকা লোকে যেনি সুবিধা দেখে তেনি স্থিতি লয়। ইফালে ভাল যেন দেখিলে ইফলীয়া সিফালে ভাল যেন দেখিলে সিফলীয়া হয়। নিজৰ লাভখিনি কড়াই ক্ৰান্তিয়ে লবলৈ যত্ন কৰে। নিজৰ নিজত্ব বুলি কোনো কথা নাথাকে। এইসকল লোকেই সুবিধাবাদী বুধিয়ক লোক।

**৮৫২। পাৰ পালে ভুৰখনতে লাথিযায়।**
**যিখন পাতত খায় তাকে দলিয়ায়।**

যিখন ভুৰেৰে নদী পাৰ হ'ল সেইখন ভুৰ তেওৰ বাবে অলাগতিয়াল হ'ল বুলি অকৃতজ্ঞ লোকে লাথি মাৰি গুচি যায়। অশলাগী মানুহে উপকাৰ কৰোঁতাৰ শলাগ নলয়। বৰঞ্চ অপকাৰহে কৰে।

**৮৫৩। পালী চাইহে ৰাগ টানিবা।**

গীত গালে নাম গালে ৰাগ টনাৰ দৰ্কাৰ হয়। সেই ৰাগত তাল মান ৰাখি লগৰীয়া সকলে টানিব পৰা হ ব লাগে। লগৰীয়া সকল ঠিকমতে ৰাগ টানিব নোৱাৰিলে নাম গীত আদি বেসুৰা হৈ পৰে। সেইদৰে সহায়কাৰীৰ সামৰ্থ্য চাইহে টান কামত হাত দিব লাগে। নহলে কামত কৃতকাৰ্য্যতা লাভ কৰা টান হৈ পৰে।

**৮৫৪। পিতৃ অবিহনে সংসাৰৰ পৰে ভাৰ।**
**মাতৃ অবিহনে ভোজনৰ চাৰখাৰ।।**
**ভাতৃ অবিহনে শত্ৰুৱে পায় লাই।**
**ভাৰ্য্যা অবিহনে কুচিত নিদিয়ে ঠাই।।**

বাপেক নাথাকিলে স ংসাৰৰ সকলো ভাৰ পুতেকৰ ওপৰত পৰে। মাক নাথাকিলে খোৱা মুঠিত সুখ নাপায়। ভায়েক নাথাকিলে শত্ৰুৱে আশয় পায় অনিষ্ট কৰিবলৈ সুযোগ পায়। ঘৰৰ তিৰোতা গৰাকী নাথাকিলে ওচৰ চুবুৰীয়াই ভাল চকুৰে নাচায়। চুবুৰীৰ অলাগতিয়াল লোক হৈ পৰে।

**৮৫৫। পুহত আহু জেঠত শালি।**
**তেবেসে জানিবা গৃহস্থালি।। (ডাক)**

আঘোন পুহ মাহত শালিধান চপোৱা হয়। সেই ধান যদি জেঠ মাহৰ পৰা খাব পাৰি জেঠ আহাৰত চপোৱা আহুধান যদি পুহ মাহ মানৰ পৰা খাব পাৰি সেইখন গৃহস্থালি হঠাতে নপৰে শ্ৰীবৃদ্ধিহে হয।

**৮৫৬। পুঠী মাছৰ ফৰফৰনিয়ে সাৰ**

পুঠি মাছে অকণমান পানী পালেই ফৰফৰাই ফুৰে। সেইদৰে অল্প জ্ঞান থকা লোকে নিজকে বহু জনা বুলি দেখুৱাবলৈ বৰ বেছি কথা কয়। তেও সমাজ আৰু অৱস্থিতিৰ কথা চিন্তা নকৰে। অতি বিজ্ঞ লোকৰ মাজতো নিজক জাহিৰ কৰিবলৈ বিচাৰে।

**৮৫৭। পুহিব জানিলে সাপেও পোহ মানে।**

সাপৰ লগত বাস কৰাটো মৃত্যুৰ কাৰণ বুলি কোৱা হয়। কিন্তু পোহমনা সাপে অনিষ্ট নকৰে। সেইদৰে মৰম চেনেহ দিব পাৰিলে অসুৰ প্ৰকৃতিৰ লোকো বশ হয়।

তেও অনিষ্ট সাধন নকৰে। হাবি জংঘলত সিংহ বাঘ ভালুকক মৰমেৰে বশ কৰি একেলগে সাধু সন্ন্যাসী সকল থাকে। কোনেও কাকো শত্রু বুলি নাভাবে।

৮৫৮। **পেটিক আটে চকুক নাটে**
**অধাচাৰী সি জাতে পাতে।**

কিছুমান মানুহ আছে খাবলৈ পাৰিব বুলি অধিক খাদ্য লয় খাব নোৱাৰি এৰি থৈ যাব। সেইখিনি ভিকহু এজনে তৃপ্তিৰে খালেহেতেন। তেনেকৈ এৰি থলে অপব্যয় হয়। তেনেজনকে অধাচাৰী বুলি কোৱা হয়।

৮৫৯। **পেটত ভোক মুখত লাজ**
**পেট পেলাই শুই থাক।**

পেটত ভোক আছে আনে কিজানি খকুৱা বুলি কয় সেই লাজতে খুজি নাখায়। তেনে মানুহে ভোকত কষ্ট পায। লাজ কৰি নাখালে ভোকত পেট পেলাই শুই থকাৰ বাদে উপায নাথাকে।

৮৬০। **পেট ভৰাই খালে লক্ষ্মীছাৰা নহয়।**

যিমানখিনি খালে পেট ভৰে সিমানখিনি খোৱা উচিত। পেট ভৰাই খালে লক্ষ্মীছাৰা নহয়। অবান্নত নষ্ট কৰিলেহে মানুহ দুখীয়া হয় লক্ষ্মীছাৰা হয়।

৮৬১। **পেট কামোৰা মানুহে পাটিতো বাগৰে মাটিতো বাগৰে।**

পেট কামোৰণি উঠিলে মানুহে তং নেপাই মাটিতে হওক বা পাটিতে হওক বাচ বিচাৰ নকৰি বাগৰি ফুৰে। সেইদৰে বিপদত পৰা মানুহে হিতাহিত বিবেচনা হেৰুৱাই যাৰে তাৰে সহায় বিচাৰে উচিত অনুচিত বাচ বিচাৰ কৰিব নোৱাৰে।

৮৬২। **পেটে খালে পিঠি সয।**

পেটত খোৱা বস্তু পৰিলেহে পিঠিত বোজা তুলি লোৱাৰ শক্তি পোৱা যায়। ভুকীয়া মানুহে কাম কৰিব নোৱাৰে।

৮৬৩। **পেটত গৰল মুখত মৌ।**
**সেই লোকক চিনি থৌ।**

কোনো কোনো মানুহে মুখেৰে বৰ মিঠা কথা কৈ চেনেহত পমাই নিয়াব খোজে। কিন্তু পেটে পেটে অনিষ্ট চিন্তা কৰে। মিঠা মুখেৰে কথাকে ভিতৰুৱা সন্ধেদ লয়। তাৰ দ্বাৰা অহিত চিন্তিবলৈ সুচল হয়। তেনেজনক ভালকৈ চিনি থোৱা দৰ্কাৰ।

৮৬৪। পৈ মহঙলৈ গ'ল
লোণভাৰ থৈ মাটি ভাৰ আনিলে
ঠাই মচিবলৈ হ'ল।

গিৰীয়েক লোণ আনিম বুলি মহঙলৈ গৈছিল। মহঙত লোণৰ পুং আছিল। পাছে আহিবৰ সময়ত লোণ নানি মাটিহে এভাৰ আনিলে। ঘৈণীয়েকে গিৰীয়েকৰ দোষ নধৰিলে বৰঞ্চ প্ৰশংসাৰ সুৰত ক'লে—হওক তেও মাটিখিনি ঠাই মচিবলৈকে হ'ব। আপোনজনে দোষ কৰিলেও ঢাকি ৰাখি গুণ বখনাহে দেখা যায়। ই ভাল কথা।

৮৬৫। পো নাইকিয়া ভাগিন পোহ
মাটি নাইকিয়া বকবাণি চোহ।

মোমায়েকৰ মানত ভাগিনিয়েক সম্মানৰ গৰাকী। ল'ৰা নাথাকিলে মোমায়েকে ভাগিনিয়েকক পুহি পুণ্য আৰ্জে। সান্ত্বনাও লাভ কৰে। সেইদৰে যাৰ মাটি নাই তেও বকৰাণি চহাই খেতি কৰিব পাৰে। বিশেষ লাভ নহলেও ব্যস্ত হৈ থাকিব পাৰে। মনলৈ শান্তিও আহে।

৮৬৬। পোতা পুখুৰীত বাঁকেই ৰজা।

বাঁক এজাতি মাছ খোৱা ভূত। ই অকলে পালে মানুহকো মাৰে। বাঁক সাধাৰণতে পোত গৈ ৰাম হোৱা পুখুৰীত থাকে। মাছ খাবলৈ তাতে সুচল পায়। তাতে সি কাকো যাবলৈ দিব নোখোজে। সি সেই পুখুৰীত অধিপতি হৈ পৰে। সেইদৰে যিমানেই সামান্য লোক নহওক নিজৰ ঠাইত সি সৰ্ব্বেসৰ্ব্বা।

৮৬৭। পোন আঙুলিৰে ঘিউ নোলায়।

ঘিউ ঘন জুলীয়া বস্তু। তাক পাত্ৰৰ পৰা উলিয়াব বেকা আঙুলিৰেহে উলিযাব পাৰি। পোন আঙুলিৰে ঘিউ নোলায়। সেইদৰে কুটিল স্বভাৱৰ লোকৰ পৰা কিবা আদায় কৰিবলৈ হলে কুটিলতা অৱলম্বন কৰিব লাগে। হোজা বা সাধু সৰল ব্যৱহাৰেৰে কাম সিদ্ধি নহয়।

৮৬৮। পোহনীয়া শালিকাই চকুত খুঁটিয়ায়।

খোঁটা শালিকাৰ স্বভাৱ। যি পোহে তেওৰ চকুৰ মণিকো কিবা খোৱা বস্তু বুলি খুঁটিয়াই চকু নষ্ট কৰে। গতিকে পোহনীয়া হলেও পোহনীয়া জীৱ জন্তুৰ পৰা বিপদ হব পাৰে। তাতে সততে লক্ষ্য কৰা উচিত। মানুহৰ বেলিকাও আকোৱালি লওতাৰ আকোৱালি লোৱা জনে অনিষ্ট সাধন কৰিব পাৰে। চাইচিতি আনক সাৱটি ধৰা ভাল।

৮৬৯। পোহাৰীৰ সাক্ষী পৈয়েক

পোহাৰীবোৰ স্বভাৱতে দন্দুৰী। নিজকে নিৰ্দোষ বুলি দেখুৱাবলৈ প্ৰতি কথাতে

গিৰীয়েকক সাক্ষী কৰে। নহ'লে আনে সকলো কথাতে হয়ভৰ নিদিবও পাৰে। গিৰিয়েকেনো ঘৈণীয়েকক দোষ দিয়ে কোনটো সতেৰে। খোৱা মুঠিৰে মুদা মৰিবচোন! দন্দুৰা হ'লে বুধিও সাজিব পাৰে। পোহাৰীবোৰে।

৮৭০। পোহনীয়া কুকুৰ
সাঁচনীয়া কাপোৰ।

পোহনীয়া কুকুৰে গিৰীহতক বিপদত জান প্ৰাণ দিও উদ্ধাৰ কৰে। সেইদৰে সাচনীয়া কপোৰেও সময়ত বৰ সহায় কৰে।

# ফ

**৮৭১। ফটা কঁথাত সোণ থাকে।**

ফটা কঁথাখন কেতিয়াবা সোণতকৈও মূল্যবান হৈ পৰে। জাৰৰ দিনত সোণ এসোপা লৈ থাকিলে জাৰ নপলায় ফটা কঁথাখন গাত দিলেহে জাৰ গুচে। গতিকে ফটা কাপোৰেৰে তৈয়াৰী বুলি কঁথাখন অনাদৰ কৰা বস্তু নহয়।

সেইদৰে জ্ঞানী পণ্ডিত লোকে মূল্যবান কথা কয়। সাধাৰণ লোকৰ কথাতো মূল্যবান কথা প্ৰকাশ হ'ব পাৰে। সেই কাৰণে সাধাৰণ মানুহৰ কথাক তেনেই সাধাৰণ বা মূল্যহীন বুলি উৰাই দিব নালাগে।

**৮৭২। ফটা কঁথা তিতে মানে গধুৰ।**

ফটা কঁথা জাৰ নিবাৰণৰ কাৰণে আৱশ্যক। ফটা কঁথাখন তিয়াই ললে গধুৰ হয় জাৰ নিবাৰণ কৰাও টান হয়। সেইদৰে ঋণ পৰিশোধ যিমানে পলম হয় সিমানে সূত বাঢ়ি যায়। বাঢ়ি বাঢ়ি কেতিয়াবা মূলতকৈও অধিক হৈ পৰে দিবৰ সময়ত গা দুখায়।

**৮৭৩। ফটা হওক ছিটা হওক পাটৰ টঙালি।**
**কণা হওক কুঁজা হওক ভূঞাৰ পোৱালি।**

পাট কাপোৰ ফটা ছিটা হলেও পাট কাপোৰেই তাৰ জেউতি নকমে। ভূঞাৰ বংশধৰ কণা কুঁজা হলেও বংশগত গুণ নাইকিয়া নহয়। ভাল বংশৰ লৰাই দুখত পৰিলেও তাৰ বংশ গৌৰৱ ৰক্ষা কৰিবলৈ যত্ন কৰে। মূল্যবান ধাতু মলিয়ন হলেও তাৰ মূল্য কমি নাযায়।

**৮৭৪। ফৰিঙাই জাহ দিয়ে ভাল পাই।**
**মানুহে জাহ দিয়ে দুখ কষ্ট খাই।।**

ফৰি, ছগা আদি পতঙ্গ কিছুমানে জুইৰ উজ্জ্বলতাক ভাল পাই তাত জপিয়াই পৰি মৃত্যুবৰণ কৰে। মানুহে দুখ কষ্টৰ যাতনা সহ্য কৰিব নোৱাৰি জুই বা পানীত জাহ দি মৃত্যু বৰণ কৰে। কাৰ্য্য একে হলেও মৃত্যুৰ কাৰণ ভিন ভিন হ'ব পাৰে।

**৮৭৫। ফলেহে কামৰ পৰিচয় দিয়ে।**

কাম কৰি যি ফল পোৱা হয় তাৰ ওপৰতে কামটিৰ ভাল বেয়া নিৰ্ভৰ কৰে। ভাল কামৰ ফল ভাল হয় আৰু বেয়া কামৰ ফল বেয়া হয়।

**৮৭৬। ফলা বাঁহ জোৰা নালাগে।**

বাঁহ ফালিলে তাক পুনৰায় গোটা বাঁহলৈ পৰিবৰ্তন কৰিব নোৱাৰি। সেইদৰে মনৰ অমিল হলে সহজে মিল নহয়।

৮৭৭। কাল গচোতে মাছৰ বতৰ যায়।

সমাৰ্থক

কেকুৰোতে কান্দোনৰ সময় অতিবাহিত হয়।
সাজোঁতে কাচোঁতে কৈচু বজা হয়।

কাতি মাহত মাছ বোৱে। ফাল তৈয়াৰ কৰোতে যদি কাতিমাহ যায়। ত'ৰপাছত মাছ কই ফল পোৱা নাযায়। সময়ৰ কাম সময়মতে কৰিব লাগে। আঁচৰাব গোটাওঁতে যোগাৰ পাতি কৰোতে ঠিক সময় অতিবাহিত হলে কোনো কামেই সুফল নিদিয়ে।

৮৭৮। ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হয়।

খাণ্ডৱ এখনি বিশাল অৰণ্য আছিল। তাত অৰ্জ্জুনে জুই লগাই অগ্নিৰ অগ্নিমান্দ্য ৰোগ নিৰাময় কৰিছিল। সামান্য জুইৰ ফিৰিঙতি এটাই বিৰাট জুই হৈ বন বনৰ পশু পক্ষী পুৰি ছাই কৰিছিল। জুই ফিৰিঙতিৰ বিৰাট ৰূপ লোৱাৰ যেনে ক্ষমতা আছে মানুহৰ কথা আৰু সৰু সুৰা কাৰ্য্যৰো তেনে ক্ষমতা আছে।

৮৭৯। ফুটা লোটা চুৰুণী গাই
চোৰ চুবুৰীয়া দুষ্ট ভাই।।
মূৰ্খ পুত্ৰ ভাৰ্য্যা দুষ্ট
এই ছটাত বৰ কষ্ট।।

ফুটা লোটাত পানী থলে সময়ত খাবলৈ পোৱা নাযায়। চুৰুণী গাইৰ বাবে গিৰীহতে লোকৰ গালি খাবলগীয়া হয়। ওচৰ চুবুৰীয়া যদি চোৰ হয় তেন্তে শোৱা খোৱাত শান্তি নাথাকে। ভাই দুষ্ট হলে মান সম্মান হানি হয় সা সম্পত্তি নষ্ট হয়। ল'ৰা মূৰ্খ হলে ভৱিষ্যৎ অন্ধকাৰ হৈ পৰে। ঘৰৰ তিৰোতাজনী দুষ্টা হলে মানুহৰ সুখ শান্তি নাইকিয়া হয়। এই ছটাই মানুহক কষ্ট দান কৰে।

৮৮০। ফুলৰ ভাল পদুম
ৰজাৰ ভাল খাটি হুকুম
ভক্তিৰ ভাল একচিত
বিবাদৰ ভাল মাত-মিত।

ফুলৰ ভিতৰত পদুম ফুল উৎকৃষ্ট। যি ৰজাৰ হুকুম নললে খাটা, সেই ৰজা ভাল। একমন একচিত হলে ভক্তি লাভ হয়। বিবাদ প্ৰায়ে হয় মাত মিত হলে বিবাদো ভাল শত্ৰুভাব বৃদ্ধি নাপায়।

৮৮১। ফুল মাত্ৰেই সুন্দৰ কিন্তু সুবাসিত নহয়।

সকলো ফুল দেখিবলৈ ধুনীয়া কিন্তু সকলো ফুলৰ গন্ধ ভাল নহয়। সেইদৰে

সুন্দৰ মানুহ মাত্ৰেই সদগুণী নহয়। দেখাত ভাল হ'লেই ভাল বুলি কব নোৱাৰি। ভাল গুণ থাকিব লাগিব ভাল কামত লগা হ'ব লাগিব। তাক হে ভাল বুলি কব পাৰি।

৮৮২। ফুলৰ ঠাৰিতো কাঁইট থাকে।

ফুল ধুনীয়া সুগন্ধি আৰু পৱিত্ৰ বস্তু। সেই ধুনীয়া আৰু সুগন্ধি ফুলৰ ঠাৰিত কাইট থাকে। গোলাপ কেতেকী আদি ফুল ছিঙোতে সাৱধান হব লাগে কাঁইটে বিন্ধিব পাৰে। তেনেবোৰ ফুল বুজিৰে ছিঙিব লাগে। সেইদৰে ভাল বস্তু পাবলৈ কষ্ট কৰিব লাগে। কাৰণ ভাল বস্তু সহজতে বিনা কষ্টে পোৱা ঠাইত নাথাকে।

৮৮৩। ফুলৰ তগৰ মাইকীৰ জগৰ

তগৰ ফুল ফুলিলে জকমকীয়া হৈ ফুলে মনোমহা হয় আনন্দ দান কৰে। সেইদৰে মাইকী মানুহৰ জগৰ লগালে তিকিৰি বিকিচি উঠে। বহুতে তাতেই সোৱাদ পায়। অৰ্থাৎ তিৰোতা মানুহক জোকাই জগৰ লগাই ভাল লাগে।

৮৮৪। কৈঁচালৈ কৈঁচী ইন্দ্ৰলৈ শচী।
- কৈঁচা নকা মানুহে কৈঁচা নাকী পায়। ইন্দ্ৰই শচী দেৱীক পায়।

যি যেনে সি তেনে তিৰোতা পায়। নহলে বেয়া অশুৱনী ছোৱালী ঘৰ বুঢ়ী হৈ থাকিব লাগিলহেতেন। গতিকে নিজকে বেয়া বুলি কুৎচিৎ বুলি ভাবি দুখ কৰিব নালাগে। ভগবানে উপযুক্ত জনলৈ উপযুক্তা নাৰীৰ ব্যৱস্থা ৰাখি থৈছে।

৮৮৫। ফোঁপজহী ৰতাই,
এদোন ধানৰ চিৰা খুন্দি
গাওঁখনকে জহায়।

এদোন ধানৰ চিৰা খুন্দিলে বৰ বেছি চিৰা নোলায়। যদিও নিজকে জহাই ফুৰা লোকে তাৰ কথাকে গোটেই গাঁওখনতে জাহিৰ কৰি বৰ ভাল বস্তু তৈয়াৰ কৰাটো দেখুৱায়। ফোঁপজহী লোকে শিয়াল এটা মাৰি সিংহ এটা মৰা বুলি মনতে ভাবি লয়। তাকে সকলোকে জনাই দি প্ৰশংসা পোৱাৰ আশা কৰে। এনে লোকৰ কথা বিশ্বাস কৰিব নালাগে।

# ব

৮৮৬। **বগলীয়ে বোলে মই শুকুলা**
**কপাহে বোলে মই।**
**গাখীৰে বোলে সিহঁতক দেখি**
**মোৰ হে লাগিছে ভয়।**

বগলী কপাহ আৰু গাখীৰ তিনিওটা বগা ৰঙৰ বস্তু। ৰং হিচাপে তিনিও সমতুল্য। তিনিওটাৰ ভিতৰত গুণত গাখীৰ উৎকৃষ্ট। কিন্তু আন দুটাৰ ফিতাহিৰ ভাৱৰ কাৰণে গাখীৰ সন্দিহান হৈ থাকে। ৰং নাম বা কথাৰে ভাল বেয়াৰ বিচাৰ নহয়। বিচাৰ হয় গুণেৰে হে। গতিকে গুণী লোকৰ ভয় নিৰৰ্থক।

৮৮৭। **বগা ভাত পেলালে ক'লা কাউৰীৰ অভাৱ নহয়।**

কাউৰীয়ে ধান চাউল খাই ফুৰে। সিহঁতে ডকা দিও খায়। চুৰ কৰিও খায়। পৰি থকা বগা ভাত দেখিলে সিহঁত আনন্দত আত্মহাৰা হৈ পৰে। সেইদৰে ধন সম্পত্তি পোৱাৰ আশা থাকিলে দলে দলে মানুহ আহি মাইাটি পেইাটি বোলায়। সুদিনত সম্বন্ধৰ হিচাব নাথাকে। নিচিনা নজনায়ো সম্বন্ধ লগায়। ধন সম্পত্তি থাকিলে বন্ধু বান্ধৱৰ অভাৱ নাথাকে।

৮৮৮। **বগলী ভকত মাছৰ সখা**
**ফেঁটী সাপৰ পোৱালী ৰখা।।**

ভকতৰ ভাও জোৰা বগলীৰ সৈতে বন্ধু পাতিলে মাছ সবংশে ধ্বংস হয়। ভোক লাগিলে বগলী ভকতে টপটপকৈ গিলিবলৈ ধৰে। বন্ধুত্বৰ কথা কেনিবা পৰি থাকে। মৰম কৰি ফেঁটী সাপৰ পোৱালী পুহি ৰাখিলে কোনোবা এদিন দংশন কৰি মৃত্যু ঘটাবই। ঠিক তেনেদৰে ভণ্ড লোকৰ লগত মিত্ৰতা কৰিলে এদিন নহয় এদিন সৰ্বনাশ সাধন কৰিবই।

৮৮৯। **বঙহে মঙহ খায়**
**বঙহ নহলে পেলনি যায়।**

বঙহৰ লোকে অৰ্থাৎ আপোন সকলেহে সকলোতকৈ বেছি অহিত চিন্তে। কিন্তু বঙহৰ লোক নাথাকিলে মৰাৰ পাছত শ-টিৰ অনাদৰ হয়। মৰাৰ সৎকাৰ কৰিবলৈ আপোন লোকৰ বিশেষ দৰ্কাৰ।

৮৯০। **বতৰৰ লেতেৰা কনিয়া**
**তিৰীৰ লেতেৰা লেনিয়া।**

কিনকিনীয়া বৰষুণ দিলে বাটপথ লেতেৰা হয়। অ'লৈ ত'লৈ যাবলৈকো ভাল

নালাগে। লেনিয়াই লেনিয়াই কথা কোৱা ভিবোতা বৰ স্বাৰ্থপৰ। লেনীয়াই লেনীয়াই নিজৰ স্বাৰ্থ সিদ্ধি কৰাই তেওৰ প্ৰধান কাম।

৮৯১। বতৰৰ চিন উলিয়াই ভিয়ালে।
মিতিৰৰ চিন আগত খৈ খালে।

ৰাতিপুৱাই ৰ'দ এচেৰেঙা উলিয়াই বৰষুণ দিবলৈ আৰম্ভ কৰিলে সেই দিনটি ভালে নায়ায়। মিতিৰক এৰি নিজে খাই বই ল'লে মিতিৰৰ প্ৰতি মৰম নাই বুলি ধৰিব লাগে।

৮৯২। বান্দীয়ে ভাঙিলে কটৰা।
গড়গাওঁ পালেগৈ বতৰা।।
ঘৈণীয়ে ভাঙিলে কাঁহী।
থলে মিটিকিয়াই হাঁহি।।

বান্দীয়ে ধান বানোতে ঢেকীৰ কতৰা ভাঙিব পাৰে সি বিশেষ দোষৰ কথাই নহয়। কিন্তু তাৰ খবৰ গড়গাঁও পালে ৰজাই দোষী বুলি শাস্তি বিধান কৰে। আহোম ৰজাৰ দিনত যি কোনো দোষীয়ে শাস্তি ভোগ কৰিব লগা হৈছিল। কিন্তু ঘৈণীয়েকৰ নিচিনা আপোনজনে মূল্যবান কাঁহী ভাঙিলেও তাৰ খবৰ ৰজাৰ কাণত নপৰে। গিৰীয়েকে মৰমৰ হাঁহি মাৰি দোষ পাতলাই থয়। সৰুৱে সামান্য দোষ কৰিলে গুৰু শাস্তি পায়। ডাঙৰ বা মৰমৰ কোনোবাই অপূৰণীয়া ক্ষতি কৰিলেও শাস্তি খাব নালাগে। বৰঞ্চ মৰমৰ হাঁহি মাতহে পায়।

৮৯৩। বনিয়াৰ দিম দিম কমাৰৰ কালি।
ডোমৰ বৌ মাছ হাতে হাতে পালি।।

বনিয়াক গহনা গঢ়াবলৈ দিলে আজি দিম কাইলৈ দিম বুলি বহুদিন কৰে। কমাৰক দা কুঠাৰ তৈয়াৰ কৰিবলৈ দিলে কাইলৈ লৈ যাব বুলি কয়। কিন্তু কিমান কালি যায় তাৰ হিচাব নাথাকে। মাছ মৰীয়াই বৌ মাছ দিব বুলি আশা পালি থাকোতে যায়। মাছ খোৱা নহয়। যিতিয়াই তেতিয়াই বৌ মাছ পোৱাও টান। গতিকে সোণাৰি কমাৰ আৰু মাছমৰীয়াক আশা কৰি থকা উচিত নহয়।

৮৯৪। বনৰ বাঘতকৈ মনৰ বাঘ বৰ বিপজ্জনক

বাঘ হাবিত থাকে। ই ভয় লগা জন্তু। দেখিলেই খেদি আহি খাবলৈ বিচাৰে। বনৰ বাঘ যিমান ভয়ঙ্কৰ মনৰ মাজত পুহি ৰখা বাঘ তাতোকৈ বেছি ভয়ঙ্কৰ। মনৰ বাঘ লেজুত সাপ দেখাৰ দৰে গছৰ মূৰা জোপোহা আদিত দেখিবলৈ পোৱা যায়। তেনে বাঘ দেখি মানুহ অত্ৰাহি হৈ মৃত্যুৰ মুখত পৰে। দেখাৰ ভয়তকৈ মনৰ ভয় মাৰাত্মক।

৮৯৫।	বৰ বৰ ঘোঁৰাই নেপায় ঘাঁহ।
বতুৱা ঘোঁৰাই বিচাৰে মাহ।।

বৰ বৰ ঘোঁৰাবে ৰণ কৰে। বাগী টনায় খেলত দৌৰায়। তেনে দৰ্কাৰী ঘোঁৰাকে ঘাঁহ দানা পানী দিয়াত সময়ে সময়ে অসুবিধাৰ সম্মুখীন হ'বলগীয়া হয়। তেনে অৱস্থাত বাটে পথে ঘূৰি ফুৰা বেমাৰী ঘোঁৰাই মাহ বিচাৰিলে দিব পৰাটো সম্ভৱ হৈ নুঠে। গতিকে যি যিমানৰ সি সিমানতে সন্তুষ্ট থকা উচিত। বেছি বিচাৰিলে বা ভাল বিচাৰিলে পোৱা টান।

৮৯৬।	বন নাথাকিলে কমাৰে দাখনতে ধাৰ দিয়ে।

কমাৰবোৰ কৰ্ত্তব্য পৰায়ণ। কাম নকৰাকৈ ক্ষন্তেকো থাকিব নোৱাৰে। কোনো গঢনি কাম নাথাকিলে ধাৰ দিয়া কামতে নিজকে ব্যস্ত ৰাখে।

৮৯৭।	বৰকৈ মুখ মেলিলে কোৱাৰি ফাটে।

মুখখন সাধাৰণতে যিমান মেলিব পাৰি সিমান মেলিব লাগে। মেলা মুখত যিমান পাৰি সিমান পৰিমাণৰ বস্তুহে ভৰাব লাগে। বৰ ডাঙৰ বস্তু মুখত সুমুৱালে কোৱাৰি ফাটি ঘা হয়। কষ্ট খাব লাগে। সেইদৰে বেচি লাভ কৰিবলৈ চালে লাভ নহৈ লোকচানহে হয়।

৮৯৮।	বৰ ঢেকুৰাক ভাতে নাটে।

ঢেকুৰা কুকুৰে খাবলৈ দিয়া খাদ্য অলপ যেন দেখে। পেট ভৰিলেও ইচ্ছা নপলায়। বৰ আক্ৰোহী লোকেও যি পায় তাতে সন্তুষ্ট নাথাকে আৰু পাবলৈ বিচাৰে। গতিকে সদায় অনাটন হোৱা ভাৱতে থাকিলে কেতিয়াও পেট নভৰে।

৮৯৯।	বৰি মাটিৰ কালা।
কোবাই খোবাই যি পালা।।

বৰি মাটিত কালা মাহৰ খেতি ভাল নহয়। তেনে মাটিত খেতি কৰিলে যি সামান্য পোৱা যায় সেয়ে বহুত। সেইদৰে যাৰ পৰা কোনো বস্তু পোৱাৰ আশা নাথাকে তেওৰ পৰা যি সামান্য পৰিমাণে পোৱা যায় সেয়ে বহুত বুলি গ্ৰহণ কৰা উচিত।

৯০০।	বৰ নাওৰ কাণ্ডাৰী, বজা ঘৰৰ ভাণ্ডাৰী।

বৰ নাও চলোৱা কাণ্ডাৰীজন বৰ সাৱধান আৰু হিচাবী হ'ব লাগে প্ৰতি ক্ষণে পানীৰ সোঁত আৰু নাওৰ গতিলৈ লক্ষ্য ৰাখিব লাগে। সেইদৰে বজা ঘৰৰ ভাণ্ডাৰী গৰাকীও হিচাবী আৰু ধীৰ স্থিৰ হ'ব লাগে। কাণ্ডাৰীৰ অসাৱধানতাত নাওত থকা মানুহ আৰু বস্তু বাহানি আথানি আবানি হ'ব পাৰে। উভয়ৰে দায়িত্ব বৰ বেছি।

৯০১। ৰৰৰ দোষ পিছুলি লায়।
সৰুৰ দোষ খুচৰি চায়।।

ডাঙৰে দোষ কৰিলে বৰ বেছি গুৰুত্ব দিয়া নহয়। কিবা অসুবিধা হ'ল বুলি পাতলকৈ থোৱা হয়। সৰুৱে দোষ কৰিলে কোনো প্ৰকাৰে এৰি দিবলৈ নুখুজে। বৰঞ্চ খুচৰি খুচৰি অকণমান দোষকে বৰ বেছি কৰি তোলে।

৯০২। ৰৰৰ মিছা শুনিবলৈ মিঠা।
সৰুৰ উচিত শুনিবলৈ কুৎসিত।।

কথা কোৱাটো এটা কলা। জনাবুজা জ্ঞানী মানুহে মিছা কথাকো সজাই পৰাই সাধুকথাৰ দৰে মোনোমহা কৰিব পাৰে। সাধাৰণ লোকে উচিত কথা কলেও সজাই পৰাই শুৱলা কৰিব নোৱাৰা বাবে শুনিবলৈ ভাল নালাগে।

৯০৩। বগা ভাতত কুকুৰ বৈৰী।

ভাত বাঢি বৈ থাকিব নালাগে। বাঢি থোৱা ভাতত পোক পৰুৱা উঠিব পাৰে। সুবিধা পালে কুকুৰেও খাব পাৰে। সেইদৰে সুন্দৰ ভাবে সমাৰণি ঘটা কামত সমান্য আউল লগাইও ঈৰ্ষাপৰায়ণ লোকে নিষ্ফল কৰিব পাৰে।

৯০৪। বৰাৰ ঘৰত তৰাৰ গাঁঠি
বৰা থাকিব কেই ৰাতি?

আহোম ৰজা সকলৰ দিনত কুৰিজন পাইক চলাবলৈ একোজন বৰা থিতাপধাৰী লোক ৰখা হৈছিল। তেওলোকৰ কামৰ থান থিত নাছিল। বছৰৰ সৰহভাগ সময় অ'ত ত'ত বাহৰ কৰি থাকিব লাগিছিল। বৰা থকা বাহৰ অস্থায়ী কৰি সজা হৈছিল। কাৰণে তৰাৰে গাঁঠি দিয়া দৰ্কাৰ হৈছিল। একোটা বাহৰত বৰাই দুই এৰাতিহে থাকিব পাৰিছিল। ক্ষণস্থায়ী কাম অস্থায়ী ভাৱে কৰাই উচিত।

৯০৫। বৰাত দাঁতি কুকুৰত মাটি
গডত উঠি সাপত লাঠি
হাতীত বাগি মহত পৰ বাঘত থৰ।।

বৰা গাহৰিয়ে খেদিলে থকা ঠাইৰ পৰা দাতিলৈ যাব লাগে। বৰাই চকুমুদি খেদে একাষৰীয়া হৈ দিলে সি খুন্দিয়াবলৈ লগ নাপায়। কুকুৰে খেদি আহিলে মাটিৰ পৰা কিবা এটা লোৱা যেন দেখিলে কুকুৰ পলাই যায়। গড়ে খেদিলে গছত উঠি ৰক্ষা পোৱা যায়। সাপে খেদি আহিলে লাঠি ভিন্ন অইন উপায় নাথাকে। হাতীয়ে খেদিলে হাতীৰ বাওফাললৈ ঘূৰিব লাগে। হাতীয়ে বাওফালে ঘূৰিব নোৱাৰে। সি সদায় সো ফালেৰে ঘূৰিহে খেদে। গতিকে দূৰলৈ পলাবলৈ সময় ওলায়। ম'হে খেদিলে মাটিত বাগৰি পৰিব লাগে । নলাত পৰিব পাৰিলে বৰ ভাল। তেতিয়া ম হে তাৰ শিঙেৰে

খুচিব নোৱাৰে। বাঘৰ সমুখত পৰিলে থৰ লাগি বাঘলৈ চাই থাকিব লাগে। লৰচৰ কৰিলে তাক আক্ৰমণ কৰিবলৈ লোৱা বুলি ভাবে আৰু দৌৰিলে দুৰ্বল বুলি ভাবি আক্ৰমণ কৰে।

৯০৬। ৰৰৰ ৰৰকথা শুনিবলৈ ভাল।
কেলেহুৱাৰ বৰ কথা তেনেই আহুকাল।

ডাঙৰ ডাঙৰ মানুহে জ্ঞান বিদ্যাৰে ডাঙৰ ডাঙৰ কথা কয়। ৰৰাই কৰি কলেও শুনিবলৈ বেয়া নালাগে। কথাবোৰত সাৰ থাকে। যাৰ নিজত্ব নাই লোকৰ ঘৰত চাকৰ বা চপনীয়া হৈ থাকে তেনে লোকৰ বৰ কথা শুনিলে খং উঠে আহুকাল পোৱা যায়। যোগ্যজনৰ বৰ কথা হজম কৰিব পাৰি অযোগ্য অসাধন লোকৰ বৰ কথা শুনিবলৈ আহুকাল লাগে।

৯০৭। বলীয়ে নিৰ্ব্বলীয়ে কিহৰ হুতাহুতি।
ধনীয়ে নিধনীয়ে কিহৰ মাতামাতি।।

দুৰ্ব্বল মানুহে সবল মানুহৰ লগত হুতাহুতি কৰিলে দুৰ্বলজনে মাৰ খায়। দুখীয়া মানুহে ধনীৰ লগত ফেৰ মাৰিবলৈ গলে ধনৰ অভাৱত লাজত পৰিব লগীয়া হয়। সেইবাবে বলী নিৰ্ব্বলীয়ে আৰু ধনী নিধনীয়ে সমানে সমানে ফেৰ মাৰি চলিব নালাগে।

৯০৮। ৰৰলৰ বাহত জুই দিয়া

মৌ ৰৰল আদিযে বাহ বন্ধা পোৱালি জগোৱা কামতে দিনৰ দিনটো ব্যস্ত থাকে। তেনে অৱস্থাত কোনোবাই বাহত জুই লগাই দিলে সিহঁতে গুজৰি গুমৰি মানুহক বিন্ধিবলৈ খেদি আহে। নিজে নিজৰ ভাগে কামত লাগি থকা মানুহক আমনি কৰিলে অতি শান্ত মানুহৰো খ উঠে গোঁজাৰে আৰু অনিষ্ট কৰিবলৈ উদ্যত হয়। নিজৰ কামত ব্যস্ত থকা লোকক আমনি দিব নালাগে।

৯০৯। ৰবলৈ লেতেৰা বিহু চেৰা তাঁত।
শুনিবলৈ লেতেৰা থুপৰীৰ মাত।।

অসমৰ জীয়ৰী বোৱাৰীসৱে ফাগুন চ'তত তাতৰ খটখটনি মাকোৰ খিটখিটনি তুলি মৰমৰ দীঘ আৰু চেনেহৰ বানিৰে বিহুৱান বয়। হেপাহেৰে এহাত এমুঠন বহল নানা তৰহৰ ফুল বাছে। বিহু গলে তাতত যদি কিবা থাকেও সহজে বই কাটি উলিয়াবলৈ মন নাযায়। বিহুৰ উলহ মালহত মাহ দিয়েক পাৰ হৈ যায়। তাৰপাছত তাত শালত বহিবলৈ ভাল নালাগে। তেনেকৈ ভাল নালাগে বৰ কাটিব নজনা আৰিয়ৈ হৈ থকা বয়সে ছুই যোৱা গাভৰুৰ কথা শুনিবলৈ সময়ৰ কামৰ একোটা সুৰম ভাল লগা অৱস্থা থাকে। পকা শিপিনীৰ কথা সোৱাদ লগা হয়।

৯১০। বলৱন্তৰ বল
যেই পিনে ধৰে সেই পিনে চল।

বলী সকলে বলৰ উপৰি চল বা সুবিধা কিছুমানো পায়। তেওঁলোকে যেনেকৈ নধৰক কিয় কাবু কৰি লব পাৰে। সেইদৰে ধনী লোকে চল বল দুয়োটা লাভ কৰে। দুৰ্বলী আৰু দুখীয়া লোকৰ বল নাথাকে চলো নাথাকে।

৯১১। বসন্তৰ কুলি হেমন্তৰ কোন?

কুলি বসন্ত কালতহে আহে সুৱলা গীত গায়। হেমন্ত কালত কুলি নাথাকে। তেতিয়া কুলিৰ মাতো শুনিবলৈ সুৱলা নহয়। সেইদৰে সুদিনতহে বন্ধু বান্ধৱৰ সমাগম হয় দুৰ্দিনত বন্ধু বান্ধৱে আনন্দ নিদিয়ে।

৯১২। বৰশীয়া বাৰণৰ পুঙাতেহে দৃষ্টি

বৰশী বোৱা লোকে একাণপতীয়া ভাৱে বৰশীৰ পুঙাটোলৈ চাই থাকে। নহলে মাছে পুঙাটো টানি কেনি লৈ যায় গম নাপাব। সময় মতে বৰশীটো টানি নানিলে মাছো পোৱা নাযাব। একাণপতীয়া লোকে যি কাম কৰে তালৈ মনোযোগ দিয়ে আন চিন্তা নকৰে আনফালে মনোযোগো নিদিয়ে।

৯১৩। বস্তুৰ অধম পচাদৈ
নদীৰ অধম মৰা নৈ
লোকৰ অধম মিছাত পটু
মানহীন যাৰ বচন কটু

পঁচা দৈ খাব নালাগে। সিয়ে অপকাৰ ভিন্ন উপকাৰ নকৰে। মৰা নৈ আৱৰ্জনা পূৰ্ণ হৈ পৰে। তালৈ কোনেও মনোযোগ নিদিয়ে। মিছা কথা কোৱা মানুহ অতি নীচ প্ৰকৃতিৰ আৰু কটু কথা কোৱা লোকৰ মান নাথাকে।

৯১৪। বকৰুৱাৰো এদিন ধকৰুৱাৰো এদিন
অথবা
বামুণৰো এদিন বা বহুৱাৰো এদিন।

কাৰো দিন সমানে নাযায়। আজি যি ৰজা কাইলৈ বাটৰ ভিকহু হব পাৰে। আজি যি ভিখাৰী কাইলৈ ৰাজপাট লব পাৰে। বকৰুৱা খিতাপ লোৱা লোকেও বেছি দিন খিতাপধাৰী হৈ নাথাকে। ধকৰুৱা লোকেও সদায় ধকৰুৱা হৈ নাথাকে। এদিন নহয় এদিন অৱস্থাৰ পৰিবৰ্ত্তন হবই। বকৰুৱাই বৰ কথা কবলৈ সুবিধা পালে ধকৰুৱায়ো এদিন সুবিধা পাব পাৰে। সেইদৰে বামুণ আৰু বহুৱাৰো দিন একেদৰে নাযায়। সলনি হয়।

৯১৫। বলে নোৱাৰা শিলক পৰি নমস্কাৰ

যিটি শিলক লৰচৰ কৰিব নোৱাৰি বহু যত্ন কৰিলেও তুলি আনিব নোবাৰি। তেনে শিলকে দেৱতাবুলি পূজা সেৱা কৰি এৰি থোৱাই ভাল। সেইদৰে যি জন লোকক জ্ঞান বুদ্ধিৰে টলাব নোবাৰি তেওক সম্মান জনোৱা উচিত।

৯১৬। বহি খালে কুবেৰৰ ধনেও নাটে।

খৰচ কৰিবৰ কাৰণেই ধন লাগে। ধনৰ জমা খৰচৰ এটা সোঁত থাকিব লাগে। জমাতকৈ খৰচৰ মাত্ৰা বেছি হলে সোনকালে ধন শেষ হয়। কুবেৰ মহাদেৱৰ ধন ভঁড়ালী । জগতৰ সকলো ধন সোণ কুবেৰৰ ভঁৰালত থাকে। উপাৰ্জন নকৰি বহি খাব লাগিলে তেনে ধন ভাগুৰো উদ্‌ হৈ যায়।

৯১৭। ৰহিব জানিলে মাটিয়ে পীৰা

খাব জানিলে ধানেই চিৰা

আদৰ সাদৰ কৰি বহুৱালে বা বহাৰ সুচল কৰি লব পাৰিলে মাটিতো ৰহিব পাৰি। বুধিজনা লোকে ধান কেইটা পালেই চিৰা আখৈ আদি তৈয়াৰ কৰি খাব পাৰে। সুখ সুবিধা নিজৰ হাততে থাকে। আচলতে সুবিধা কৰি লব পৰাটোহে মূল কথা।

৯১৮। বহুবিদ্যাই ভাতে নাটে।

বহু বুধিয়াৰ বুধি টুটে।।

কেবাটাও বিদ্যা জানা লোকৰ কোনো সময়ত কোন বিদ্যা কামত লগাব লাগে তাৰ হিচাব নাথাকে। ইটো এৰি সিটো ধৰাৰ ফলত উপাৰ্জনৰ বাট মৰে। খোৱা মুঠিৰো আভাৱ হয়। কেবাটাও বুধি থকা জনৰ এটাও কামত নালাগে।

৯১৯। বাওনা হৈ চন্দ্ৰলৈ হাত মেলা

চন্দ্ৰ হাজাৰ হাজাৰ মাইল দূৰত থাকে। হাত মেলিলেই চন্দ্ৰ নাপায়। বাওনা মানুহৰ বাবে যে একেবাৰে অসম্ভৱ। গতিকে যাক পোৱাটো সম্ভৱ নহয় তালৈ হাত মেলি ৰৈ থকা অনুচিত।

৯২০। বাইৰ পো নহয় মোৰ হে পো।

পাটি নাইকীয়া মাটিতে শো।।

বাই বা ভনীৰ পো আতি আপোন নিজৰ পুত্ৰৰ সদৃশ। তেনে আপোনজনক শোৱাপাটী নাথাকিলে মাটিতো শুৱলৈ কব পাৰি। তাত বেয়া পোৱা অনুচিত। আলহী দুলহীকো গৃহস্থই আপোন ভাবি নিজৰ অৱস্থা অনুযায়ী ব্যৱস্থা কৰি শুশ্ৰূষা কৰে। তাৰ বাবে অলহী অতিথিয়ে অসন্তুষ্ট হোৱা উচিত নহয়। আপোন ভাব ললে সকলো ব্যৱস্থাই সুখ দিব পাৰে।

**৯২১। বাই গুণে ভিনীহি।**
**কঠিয়া গুণে কিবিৰি**

কঠিয়া ভাল হলে খেতি ভাল হয়। সেইদৰে বায়েক মৰমিয়াল হলে ভিনীহিয়েকো মৰমিয়াল হয়। বায়েকৰ গুণতহে ভিনীহিয়েকৰ পৰা ভাল ব্যৱহাৰ পোৱা যায়।

**৯২২। বাই মৰা ভিনীহি।**
**কঠিয়া মৰা কিবিৰি**

বায়েক মৰিলে ভিনীহিয়েকৰ আদৰ কমে। সেইদৰে মৰা কঠিয়াৰ খেতি কৰিলে খেতি ভাল নহয়। সেই খেতিৰ প্ৰতি আদৰো নাথাকে।

**৯২৩। বাগৰি ফুৰা শিলত শেলুৱৈ নধৰে।**

শিল বাগৰি ফুৰিলে পানীৰ তলত থাকিলেও তাত শেলুৱৈ বান্ধিব নোৱাৰে। সেইদৰে বিভিন্ন কামত ব্যস্ত হৈ থাকিলে মনত বেয়া ভাৱ সোমাব নোৱাৰে। কৰ্ম প্ৰৱণতাই বুদ্ধি বৃত্তিকো চকচকীয়া কৰি ৰাখে।

**৯২৪। বাঘ পৰুৱাক চিন্তা কৰে।**
**সেই মতে ৰূপ ধৰে।**

**বা**

**বাঘ পৰুৱাক চিন্তাৰ ভয়ত**
**তাহাৰ স্বৰূপ পায় শৰীৰত**

বাঘ পৰুৱাক কুমাৰণী পৰুৱা বোলে। কুমাৰণীয়ে যি পোকক ধৰি নি নিজৰ বাহত সুমুৱায়। সি কুমাৰণীৰ বশ হৈ কুমাৰণীকে চিন্তা কৰি কুমাৰণী ৰূপ ধাৰণ কৰে। মানুহেও যেনে সঙ্গ পায় যেনে চিন্তা কৰে তেনে ধৰণৰ হৈ পৰে।

**৯২৫। বাঘৰ লগত কুটুম**
**ভোক লাগিলে খতম**

বাঘ হিংস্ৰ জন্তু। খোৱাৰ বাদে অন্য চিন্তা নকৰে। নিজৰ শৰীৰ ৰক্ষা কৰাই তাৰ প্ৰধান কাম। সেইবাবে কোনোবাই তাৰ লগত বন্ধু হলেও ভোক লাগিলে সি বন্ধুত্বৰ কথা পাহৰি যায়। বন্ধুক বধ কৰি পেট পূৰায়। সেইদৰে অবিশ্বাসী লোকৰ লগত বন্ধু পাতিলেও দুষ্ট বন্ধুৱে স্বাৰ্থ সিদ্ধিৰ কাৰণে বন্ধুত্বৰ মূল্য নাৰাখি আনিষ্ট সাধন কৰে।

**৯২৬। বাঘৰ গো বধ পাপ নহয়**

বাঘে জীৱন ৰক্ষাৰ বাবে গো বধ কৰে। পাপ কাম নহয়। খাদ্যত বাদে কৰপক বাঘৰ আন কোনো কামত নালাগে। মানুহে গৰুৰ পৰা উপকাৰ পায় সেই কাৰণে গো বধ পাপ বুলি গণ্য কৰে। কোনো কোনো কাৰ্য্য এজনৰ পাপ আনজনৰ কৰ্ত্তব্য হব পাৰে।

৯২৭। বাঘৰ চকুৰে চাবা
হাতীৰ খাৱনেৰে খুৱাবা।।

লৰা ছোৱালীক মৰম কৰিব লাগে। বেছি মৰম কৰি শাসন নকৰিলে লৰা ছোৱালী ভাল নহয়। গতিকে মৰমে যাতে লৰা ছোৱালীৰ শাসনৰ ভয় নকমায় তালৈ লক্ষ্য ৰাখিব লাগে। হাতীক বেছি খাদ্য বস্তু লাগে। হাতীয়ে হেঁপাহ পলুৱাই খাবলৈ পালে সন্তুষ্ট হয়। লৰা ছোৱালীকো খুৱাই বোৱাই সন্তুষ্ট কৰি ৰাখিলে স্বাস্থ্য ভাল হয়। কিন্তু শাসন ঢিলাই দিব নালাগে। শাসনলৈ ভয় থাকিলেহে বেয়া কমত হাত দিবলৈ টান পায়। সেই কাৰণে লৰা ছোৱালীক বাঘৰ চকুৰে চাবলৈ আৰু হাতীৰ খাৱনেৰে খুৱালৈ কোৱা হৈছে।

৯২৮। বাঘ চাব নালাগে বিড়ালীকে চাবা
ভাল মানুহ চাবলৈ আলিবাটলৈ যাবা।

বাঘ চাবলৈ হাবিলৈ যাব লাগে। হাবিলৈ বাঘ চাবলৈ গলে জীৱনৰো সংশয় থাকে। সেই কাৰণে বাঘ চাবলৈ হাবিলৈ নগৈ ঘৰত থকা মেকুৰী চালেই হয়। কাৰণ বাঘ আৰু মেকুৰী একে জাতৰ। মেকুৰী সৰু বাঘ ডাঙৰ এয়ে প্ৰভেদ। গতিকে মেকুৰী চালেই বাঘৰ চেহেৰা বুজিব পাৰি। ভাল মানুহ য'তে ত'তে নাপায়। ভাল মানুহ চাবলৈ আলিবাটলৈ ওলাই যাব লাগে। সভা সমিতিত হে ভাল মানুহ দেখিবলৈ পোৱা যায়।

৯২৯। বাঘ মহৰ যুজ লাগিল।
নল খাগৰিৰ মৰণ মিলিল

বাঘ আৰু মহৰ যুজ লাগিলে প্ৰায় সমানে সমানে যুঁজ কৰে। সিহঁতৰ যুঁজ বহু সময়ত ধৰি চলে। সেই যুজত সিহঁতৰ ভৰিৰ খোজত তাত থকা নল খাগৰি বিৰিণা আদি মৰে। সেই নিচিনাকৈ বৰ লোকে কাজিয়া কৰিলেও সাধাৰণ মানুহৰ দুৰ্গতিৰ সীমা নাইকিয়া হয়।

৯৩০। বাঘৰ নেজেৰে কাণ খজুওৱা

বাঘক আন ঠাইত ধৰি বাবু কৰিব পাৰিলেও নেজত ধৰি নোৱাৰি। বাঘৰনেজ তজবজীয়। তাতে ধৰিলে তাৰ খ, বেছি হয়। নেজত ধৰা জনক সি সুদাই নেৰে। বাঘৰ নেজেৰে কাণ খুজুওৱাটো সম্ভৱ নহয়। গতিকে যত বিপদ অৱশ্যাম্ভৱী তাত সাহস দেখুৱাবলৈ যাব নালাগে।

৯৩১। বাঘৰ আগে ছাগে ডেৱা ডেৱি কৰা।

বাঘে ছাগলী দেখিলেই ধৰি খায়। তেনে দুৰ্বল প্ৰাণী এটাই বাঘৰ আগেৰে আহযাহ কৰাটো অনুচিত। তেনে কৰাৰ অৰ্থ নিজৰ মৰণ মাতি অনা। পৰাক্ৰমী শত্ৰুৰ আগত বাহাদুৰি দেখুওৱাৰ কোনো মূল্য নাই। তাৰ দ্বাৰা নিজৰ অহিত হে হয়।

৯৩২। বাঘ নৌমৰঁাতে ছাল কঢা।

বাঘে মানুহৰ তেজ পিয়ে। গতিকে বাঘ নৌ মৰোঁতে ছাল কাঢ়িবলৈ যোৱা অসাধ্য কাম। ফলত মৃত্যুহে বৰণ কৰিব লগা হব পাৰে। সেইদৰে পৰাক্ৰমী আঢ্যৱন্ত লোকক পৰাজয় নকৰাকৈ অঙহী বঙহীৰ অনিষ্ট কৰিবলৈ গ'লে নিজৰ হে বিপদ হোৱাৰ সম্ভৱনা থাকে।

৯৩৩। বাছোঁতে বাছোঁতে লেগা বৰালিতহে হাত পৰে।

বস্তু চাই চিতি বাছি আনিব লাগে। বেছিকৈ বাছিবলৈ গ'লে ঠগ খাবলগীয়া হয়। মাছ বাছোঁতে বাছোঁতে কোনটো ভাল কোনটো গেলা ধৰিব নোৱাৰা হয়। তাৰ ফলত কেতিয়াবা গেলা বৰালিহে লৈ আহিব লগীয়া হয়। সেইদৰে দৰা বা কইনাৰ ক্ষেত্ৰতো বেছি বাছিবলৈ গলে বেয়াটোহে পছন্দত লাগে।

৯৩৪। বাছি খাবা জাগি শুবা
তিনি মুৰীয়াৰ বুদ্ধি লবা।

খোৱা বস্তু বাছ বিচাৰ কৰি খাব লাগে। খাদ্য অখাদ্যৰ জ্ঞান থকা দৰ্কাৰ তাৰ দ্বাৰা ৰোগ ব্যাধিৰ পৰা হাত সাৰি থাকিব পাৰি। স্বাস্থ্য ৰক্ষা কৰিব পাৰি। ৰাতি শুলেও সজাগ ভাব এটা থাকিব লাগে। ৰাতি চোৰ ডকাইত আহিৰ ভয় থাকে। সজাগ ভাব ৰাখিলে সেই ৰোৰৰ পৰা ৰক্ষা পাব পাৰি। সকলো সময়তে আঠুত মুৰ সমুাই তিনিমুৰীয়া যেন হোৱা বুঢ়া বুঢ়ীৰ পৰা দিহা বুধি লব লাগে। তেওলোক আভিজ্ঞ আৰু সুদিহা দিওতা । তেওলোকৰ বুদ্ধিমতে চলিলে কাম সিজে সুখ লাভ হয। বিপদ নহয়।

৯৩৫। বাজিব লাগে টেমী কটাৰী বাজে হাঁচতি

টেমী কটাৰী ধাতুৰ বস্তু। খুন্দা খালে টেমী কটাৰীৰ শব্দ হয়। হাঁচতি সুতাৰ । তাৰ পৰা কোনো শব্দ উদ্ভৱ হোৱাৰ কথা নাই। কিন্তু মানুহৰ বেলিকা সিও সম্ভৱ হয়। কোনো কোনো বিষয় লৈ যাৰ যাৰ মাজত কাজিয়া হব লাগে তেওলোকৰ মাজত নহয হয সেই সেই লোকৰ সম্বন্ধীয়া মানুহৰ মাজত।

৯৩৬। বাঁজীয়ে নুবুজে পোৱাঁতীৰ মোল

সন্তান জন্ম দিওতে পোৱাতীয়ে কিমান দুখ কষ্ট সহ্য কৰিব লগা হয় সেই কথা বাঁজী তিৰোতাই অনুভৱ কৰিব নোৱাৰে। সেইদৰে যি লোক ভুক্তভোগী নহয় তেও শোক তাপ দুখ আদিত কিমান কষ্ট ভোগ কৰিব লাগে তাক অনুভৱ কৰিব নোৱাৰে। পোৱাতীয়েহে পোৱাতীৰ মোল বুজে দুখীয়াই দুখীয়াৰ দুখ অনুভৱ কৰিব পাৰে। ভুক্ত ভোগীয়েহে আনৰ দুখকষ্ট অনুভৱ কৰিব পাৰে।

৯৩৭। **বাটত পালো কমাৰ**
**দা গঢ়াই দে আমাৰ।**

কমাৰে দা গঢ়ায় । দা গঢ়োৱা নিৰ্দিষ্ট স্থান থাকে। য'তে ত'তে কমাৰজনে দা গঢাই দিব নোৱাৰে। সময় অসময়ো থাকে। যিমানে অভিজ্ঞ নহওঁক কিয় সময় আৰু সুবিধা নাথাকিলে অভিজ্ঞতা প্ৰকাশ কৰা টান হয়। গতিকে য'তে ত'তে মানুহক অনুৰোধ কৰা অনুচিত।

৯৩৮। **বাটত পাতে তিৰীত খাটে**
**দুয়োৰো সময় অলাগত কাটে।।**

আলিবাটত কাম কৰিবলৈ গ'লে বাটকৰা প্ৰত্যেকেই দিহা দিবলৈ ধৰে। ফলত কামটি নষ্ট হয়। নিজৰ অভিজ্ঞতা থিনিও কামত নালাগে। যিজন পুৰুষে তিৰোতাক খাটনি ধৰিবলৈ যায় তেও কাজুৱা লোক নহয়। তেনে লোকৰ নিজত্ব নাথাকে। আৰু কামো সফল নহয়।

৯৩৯। **বাটি খালে আঁটি যায়**
**লুকাই খালে চুকাই যায়।**

অলপ বস্তুকে ভগাই পিতাই খালে আনন্দ পোৱা যায়। অলপ হলেও সকলোৱে পায়। লুকাই চুৰকৈ খালে বস্তুখিনি আনে নিয়াৰ ভয়ত বা দেখাৰ ভয়ত সোনকালে শেষ কৰি পেলোৱা হয়। পেট ভৰিব পাৰে কিন্তু আনন্দ পোৱা নাযায়। বেছি দিনলৈ মনত নাথাকে। সোৱাদো নাথাকে।

৯৪০। **বাটৰ কচু গাত ঘঁহা**

কচুগছ য'তে ত'তে জন্মে। ভাল কচৰ মানহে খেতিও কৰে। বাটৰ দাঁতিয়ে কাষৰে গজা কচু ভাল নহবও পাৰে। যি কচুৱে গা খজুৱায় তেনে কচু আনি গাত ঘঁহিলে খজুৱতিক মাতি অনাহে হয় গতিকে লাভ নহৈ ক্ষতিহে হয়। অদৰকাৰত জেঙা লগাই লোৱা হয়।

৯৪১। **বাটত দিলে জে**
**ভকতলৈ মেলিলে ঠে।**
**গুৰুক দিলে পিঠি**
**গ'ল বৈকুণ্ঠলৈ উঠি।।**

মনৰ গতি যেনি তেনি। মনৰ গতিপথত জে-পুতি ঠিক পথ লগাব লাগে। সন্ত-মহন্তলোকৰ সঙ্গ লবলৈ বেঙা মেলি যাব লাগে। গুৰুৱে দিয়া ভক্তি বোকোচাত বান্ধি লব পাৰিলে বৈকুণ্ঠলৈ যাব পাৰি।

৯৪২। বান্দৰৰ সৰুবৰ নাই।

বান্দৰ চঞ্চল প্ৰকৃতিৰ। সৰুৱে হওক বা ডাঙৰেই হওক বান্দৰ মাত্ৰেই চঞ্চল স্বভাৱ থাকিবই। চঞ্চল স্বভাৱৰ মানুহক বান্দৰ বুলি কোৱা হয়। একে পৰিৱেশত থকা ডাঙৰ দীঘল হোৱা মানুহ একে প্ৰকৃতিৰ হয়। তাত সৰু বৰৰ প্ৰভেদ নাথাকে।

৯৪৩। বান্দৰৰ সাত পুৰুষ গ'ল ডাল কোবাই
এতিয়া ফুৰে অট্টালিকা চাই।

বান্দৰ গছত বগাই জপিয়াই ফুৰা প্ৰাণী। জোপোহাত থকাই তাৰ অভ্যাস। বান্দৰে ঘৰেই সজাব নাজানে। তেনে প্ৰাণীয়ে অট্টালিকা চাই ফুৰাটো হাঁহি উঠা কথা। সেইদৰে অট্টালিকা সজাবলৈ ক্ষমতা নথকা লোকে অট্টালিকা চাই ফুৰাটো নিৰৰ্থক। গতিকে যি যিমানৰ সি সিমানতে সন্তুষ্ট থকা উচিত।

৯৪৪। বান্দৰে কি জানে নাৰিকলৰ মোল।

নাৰিকল এবিধ ভাল ফল। বান্দৰে ফল খাই জীৱন নিৰ্বাহ কৰে। ফল ভাল পায়। সি নাৰিকল খাব নোৱাৰে। তেনে ফল তাৰ মানত একেবাৰে মূল্যহীন। ভাল বস্তু হলেও যেয়ে সেয়ে তাৰ মোল বুজিব নোৱাৰে। কামত খটুৱাব পাৰিলেহে বস্তু মূল্যৱান হয়। নহলে সি অলাগতিয়াল হৈ পৰে।

৯৪৫। বান্দৰৰ ডিঙিত মুকুতাৰ মালাৰ কি কাজ?

বান্দৰ ফলাহাৰী প্ৰাণী যি ফল খাব পাৰে সেই ফল তাৰ মানত মূল্যবান। মুকুতা অতি মূল্যবান বস্তু হলেও তাৰ দ্বাৰা বান্দৰৰ পেট নভৰে। মুকুতাৰ মালা পিন্ধি সুন্দৰ বা সুন্দৰী হোৱাৰ স্বভাৱ বান্দৰৰ নাই। গতিকে বান্দৰৰ মানত মুকুতাৰ মালা মূল্যহীন আৱৰ্জনাহে মাত্ৰ। যি বস্তুৱে যাক শোভা নকৰে যি মোল নুবুজে তাক সেই বস্তু দিব নালাগে।

৯৪৬। বান্ধৰ দুই মেৰ কথাৰ একমেৰ।

কোনো বস্তু বান্ধিলে ৰচি বা টঙালেৰে দুই মেৰ দিলেহে বান্ধ আঁট খায়। সহজে সুলকি নাযায়। কিন্তু কথা এটা হব লাগে। দুভজীয়া কথাৰ মূল্য নাই। তেনে ধৰণৰ কথা কওঁতাৰো মূল্য নাথাকে।

৯৪৭। বান্ধিলে মন শিলৰ খুটি।
মেলিলে মন ঘোঁৰাৰ ছুটি।

মনেই সুখ দুখৰ গৰাকী। মনক বান্ধি ৰাখিব পাৰিলে সুখ পোৱা যায়। মনক বান্ধি ৰখাটো বৰ টান কিন্তু বান্ধি ৰাখিলে শিলৰ খুটিৰ দৰে অলৰ অচৰ হৈ থাকে। বান্ধি নাৰাখি খুলি দিলে মনে ঘোঁৰাৰ দৰে যেনি তেনি দৌৰি অমঙ্গল ঘটায়।

৯৪৮। বাপ চাই বেঁজ মাক চাই জী।

বাপেক যি প্ৰকৃতিৰ পুতেকেও সেই প্ৰকৃতি লয়। আকৃতিও লয়। ছোৱালীয়ে মাকৰ গুণ লয়। সাধু লোকৰ ল'ৰা ছোৱালী কেতিয়াবাহে দুষ্ট দগাবাজ হয়। আদৰ্শ আৰু আৰ্হিয়ে ল'ৰা ছোৱালীক গঢ় দিয়ে। ল'ৰা ছোৱালীয়ে ডাঙৰৰ আৰ্হি লয়। তেনে আৰ্হি মাক দেউতাকৰ পৰাই লবলৈ শিকে। কাম কাজ চাল চলনত ল'ৰা দেউতাকৰ নিচিনা আৰু ছোৱালী মাকৰ নিচিনা হয়।

৯৪৯। বাপ ধৰা সাপ
মা বাপৰো বাপ—।

ধৰা সাপৰ বিষ নাই যদিও দেখিলে ভয় লাগে কেতিয়াবা খোঁটেও। ল'ৰা ছোৱালীয়ে সাধাৰণতে দেউতাকক ভয় কৰে। দেউতাকে সময়ে সময়ে ল'ৰা ছোৱালী শাসন কৰিবলৈ শাস্তিও দিয়ে। মাক বাপৰো বাপ অৰ্থাৎ ককা দেউতাক ককা দেউতাকে নাতি পুতেক বৰ মৰম কৰে দোষ কৰিলেও একো নকৰে। মাকজনী ককাৰ দৰে লৰা ছোৱালীক মৰম কৰে। দোষ কৰিলেও শাস্তি দিবলৈ গালি শপনি পাৰিবলৈ টান পায়।

৯৫০। বাপৰো বাপ থাকে।
যাৰ নাই বাপ তেওঁৱেই ভগৱান।।

এজনৰ বাপেক আছে যেতিয়া সেই বাপেকৰো বাপেক আছে। থাকিবই লাগিব। সেইদৰে দুষ্টৰ ওপৰত অতি দুষ্ট থাকে চতুৰৰ ওপৰত অতি চতুৰ থাকে। বিচাৰকৰ ওপৰতো বিচাৰক থাকে ভগৱানেই অন্তিম বাপ তাৰ ওপৰত কোনো নাই। তেওঁৰ বিচাৰেই শেষ বিচাৰ তেওঁৰ ওপৰত বিচাৰকো নাই।

৯৫১। বাপ জনমত নাই গাই।
চালনীলৈ দুবলৈ যায়।

গাখীৰ খীৰাবলৈ কঁৰীয়া থাকে। যাৰ গাই নাথাকে তাৰ ঘৰত কৰীয়াৰো আৱশ্যক নাথাকে। কোনো কালে গাই গৰু নথকা ঘৰৰ মানুহে গাখীৰ কেনে পাত্ৰত খীৰায় তাক নজনাটোত আচৰিত হব লগীয়া একো নাই। তেনে মানুহে কঁৰীয়াৰ সলনি চালনী লৈ যোৱাটোও অসম্ভৱ নহয়। আনুষঙ্গিক বস্তুৰ ব্যৱহাৰলৈ লক্ষ্য কৰিলেই মানুহৰ অভিজ্ঞতা ধৰা পৰে।

৯৫২। বামুণ, গণক কোৱা
ই তিনি পৰৰ খোৱা

বামুণে শিষ্যৰ ঘৰত হোম যজ্ঞ শ্ৰাদ্ধাদি কৰি ধন ঘটে তাৰে জীৱিকা চলায়। গণনাকাৰী দৈৱজ্ঞ সকলে জন্ম কুণ্ডলী দশা আদি কৰি দি যি ধন পায় তাৰে ঘৰ

সংসাৰ চলায়। কাউৰীৰ কোনো ভঁড়াল নাই। মানুহৰ ঘৰে ঘৰে গৈ চুব কৰি ডকা দি খাই ফুৰে পো পোৱালিকো খুৱায়। গতিকে বামুণ গণক আৰু কাউৰী পৰৰ খায়। এইটো পুৰণি যোজনা। আজিৰ গণক আৰু বামুণে নিজ নিজ ব্যৱসায় কৰে চাকৰি বাকৰিও কৰে। গতিকে যোজনাটি আধুনিক কালৰ উপযোগী নহয়।

৯৫৩। বামুণ বাদল ধল
দক্ষিণা পালেই হ'ল।

বামুণে দক্ষিণা পালে গুচি যায়। দক্ষিণাৰৰী বতাহ পালে মেঘ আঁতৰি যায়। দক্ষিণাৰৰী বতাহ বলিলে ধল পানীও শুকাই যায়।

৯৫৪। বামুণৰ গৰু শুদিৰে বায়।
গছত উঠি শগুণে চায়।

বামুণে গৰু পুহিলে ঘাঁহ পানী বিশেষ দিব নোৱাৰে। গতিকে বামুণে পোহা গৰু দুৰ্বল। হালত যোৱাৰো অভ্যাস কম। সেই গৰু শুদিৰক হাল বাবলৈ দিলে মৰিয়াই খতিয়াই হাৰা শাস্তি কৰে। তেনে গৰুৰ মৃতপ্ৰায় অৱস্থালৈ লক্ষ্য কৰি শগুণে গৰু হাল মৰিব আমি খাবলৈ পাম বুলি গছৰ ওপৰৰ পৰা আশা পালি বৈ থাকে। লোকৰ বস্তুৰ লোকে আদৰ নুবুজে। ফলত নষ্ট পায়।

৯৫৫। বাঘে মানুহৰ তেজৰ সোৱাদ পালে নেৰে।

বাঘে এবাৰ মানুহৰ তেজ খাবলৈ পালে সি মানুহৰ তেজ খাবলৈ বিচাৰি ফুৰে। সেইদৰে কোনো মানুহে সহজতে লোকক ঠগি ভয় দেখুৱাই ধন সোণ লাভ কৰিবলৈ সুবিধা পালে সেই সুবিধা নেৰে। ন্যায় অন্যায় বিচাৰ নকৰে। তেনেদৰে ধন সোণ পাবলৈ মানুহক হত্যা পৰ্য্যন্তও কৰিব পাৰে।

৯৫৬। বামুণৰ চিকুণ ফোঁটে লগুণে
হোমৰ চিকুণ ধোঁৱা
পানীৰ চিকুণ পানী পৰুৱা
মাছৰ চিকুণ মোৱা।

বামুণক ফোঁট আৰু লগুণেৰে ধুনীয়া দেখি। হোমৰ ধোৱা ওলালে হোম মনোগ্ৰাহী ধুনীয়া হৈ পৰে। পানী পৰুৱা পানীৰ ওপৰত দৌৰি ফুৰিলেহে ভাল দেখি। সকলো মাছৰ ভিতৰত মোৱা মাছ দেখিবলৈ ধুনীয়া। পৰিৱেশ আৰু সাজ পোছাকে সৌন্দৰ্য্য বৰ্দ্ধন কৰি ধুনীয়া কৰে।

৯৫৭। বাৰ সেৰীয়া কাঁহীত খুদ চাউলৰ ভাত।
দিয়াৰ যে খিক খিক খোৱাৰো লাজ।।

বাৰ সেৰ ওজনৰ কাঁহীখন যথেষ্ট ডাঙৰ আৰু মূল্যবান। তেনে কাঁহী এখনত খুদ চাউলৰ ভাত মূঠেই শোভা নাপায়। তেনে কাহীত খুদ চাউলৰ ভাত দিওতাৰ লাজৰ কথাই খাওতাৰো লাজ লগা অৱস্থা হয়। ব্যক্তি পাত্ৰ আৰু দ্ৰব্য মিলা হোৱা উচিত।

৯৫৮। বাৰ মাহৰ তেৰ জগৰ
সদায় লুগুচে একোটা লগৰ

মানুহ ডাঙৰ হোৱাৰ লগে লগে কামৰ দায়িত্ব বেছি হয়। দায়িত্ব পালন নকৰাটো জগৰৰ কথা। বাৰ মাহত যিমান কামৰ বোজা লব পাৰে তাতোকৈ বোজা বেছি হয়। সেই বোজা বা দায়িত্ব পালন কৰিব নোৱাৰা হয় দুই এটা দায়িত্ব বৈ যায়। সেই কাৰণে লগৰ পৰা দায়িত্ব তথা জগৰ আঁতৰ নহয় এটা হলেও বৈ যায়।

৯৫৯। বাৰ হাত জালৰ তেৰ হাত কটা
জাল মাৰিলি বাপৰ বেটা,
বৌ বৰালি সৰকি গ'ল
পুঠী খলিহ্ন পাহে পাহে ব'ল।।

বাৰ স্কন্ধ ভাগৱত শাস্ত্ৰ খনক বাৰ হাত জাল বুলি কোৱা হৈছে। সেই বাৰ হাত জালত যি মতবাদ আছে তাৰ উপৰি বহু মত আছে। সেই কাৰণে হিন্দু ধৰ্ম্মৰ পন্থা বহুতো। পণ্ডিত সকলে বিভিন্ন পন্থা গ্ৰহণ কৰি ধৰ্ম আচৰণ কৰে। সকলোবোৰ পন্থা ভাগৱতে আকোৱালি লব নোৱাৰে। বেদ ভিন ভিন স্মৃতি শাস্ত্ৰও ভিন ভিন। বিভিন্ন পন্থা লোৱা পণ্ডিত সকলক বৌ বৰালি আখ্যা দিয়া হৈছে। সেইসকলে ভাগৱতৰ মতৰ বাহিৰলৈ গৈ বেলেগ বেলেগ মতবাদ প্ৰচাৰ কৰে। ভাগৱত শাস্ত্ৰৰ যি সাম্যভাৱ তাক সৰ্বসাধাৰণ ৰাইজেহে মানি চলে। সাধাৰণ ৰাইজক পুঠী খলিহনা বুলি কোৱা হৈছে।

৯৬০। বাৰহাত কেৰেলাৰ তেৰহাত গুটি।
খাবলৈ জানিলে লাগিব জুতি।।

দ্বাদশ স্কন্ধ ভাগৱতক বাৰহাত দীঘল কেৰেলা বুলি কোৱা হৈছে। মহাপুৰুষ মাধৱদেৱে দ্বাদশ স্কন্ধ ভাগৱত আৰু ৰত্নাৱলী পুথি লগ লগাই তেৰ স্কন্ধ বা তেৰ হাত দীঘল নামঘোষা পুথিখন লিখিছে। কেৰেলা খাবলৈ তিতা, কিন্তু খাদ্য গুণ থকা। নাম ঘোষাৰ শ্লোকবোৰ সহজবোধ্য নহয় বুজি লব পাৰিলে সোৱাদ পোৱা যায়।

৯৬১। বাৰ বিহাৰ বাটি জোৰা।

বাৰ বিহাৰ তাত বাটি জুৰিলে শিপিনীৰ আন কামত মন নবহে। কোনো কাম কৰিবলৈ পাচিলে বহু ওজৰ আপত্তি কৰে। তাকে বাৰ বিহাৰ বাতি জোৰা বা বাৰটা কামৰ লেখ দিয়া অৰ্থ প্ৰকাশ কৰা হৈছে।

৯৬২। বাৰ ঠাই ফুৰে যি
বাৰ কথা শিকে সি।

দেশ বিদেশ ভ্ৰমণ কৰিলে নানা দেশৰ দৃশ্য লোক সংস্কৃতি আচাৰ-ব্যৱহাৰ ধৰণ কৰণ সাহিত্য কলা ভাস্কৰ্য্য আদি চাই বহু ধৰণৰ জ্ঞান অৰ্জন কৰিব পাৰি। দেশ ভ্ৰমণ কৰিলে মানুহৰ বুদ্ধি বৃত্তি বাঢ়ে মানুহ সাহসী হব পাৰে। তেনেলোকে দেশৰ উন্নতি জাতিৰ উন্নতি ব্যক্তিৰ উন্নতি কৰিব পাৰে।

**৯৬৩। বালীৰ শৰে সুগ্ৰীৱৰো শৰ**

সুগ্ৰীৱৰ প্ৰৰোচনাত শ্ৰীৰাম চন্দ্ৰই বালীক অন্যায় ভাবে শৰ মাৰি বধ কৰিছিল। তেনে ধৰণে সুগ্ৰীৱৰো মৃত্যু হৈছিল। আনৰ প্ৰতি যেনে আচৰণ কৰা হয় তেৰোঁ তেনে আচৰণ আনৰ পৰা পায়। অন্যায়ৰ প্ৰতিফল অন্যায় ভাবে পোৱা যায়।

**৯৬৪। বাঁহৰ আগ তল গলে কাউৰীৰ ৰং চাব পৰা যাব।**

বাৰিষাৰ বান পানীয়ে বহুলোকৰ ঘৰ দুৱাৰ উটুৱাই শস্য নষ্ট কৰি পয়মাল ঘটায়। উৰিব পৰা চৰাই চিৰিকতিবোৰে ওখ গছত আশ্ৰয়লৈ নিশ্চিন্ত মনে থাকে। কাউৰীয়ে মাছ আৰু পোক পৰুৱা সহজতে পাব বুলি বাঁহ গছৰ আগত বহি আনন্দ মনে থাকে। তাকে দেখি বাৰিষাৰ বানত দুখ কষ্ট ভোগ কৰা সকলে ঈৰ্ষা ভাবেৰে কয় বাঁহৰ আগ তল গ'লে কাউৰীৰ ৰং চাবলৈ বৰ ভাল হ'ব। বাঁহৰ আগ তল যাবলৈ হ'লে আনবোৰৰ কি দুৰ্গতি হ'ব তালৈ অকণো চিন্তা নকৰি এনে কথা কয়। এনেদৰে নিজৰ বাবে চিন্তা নকৰি আনৰ দুৰ্গতি বাঞ্ছা কৰা সকল অবিবেচক।

**৯৬৫। বিত্তেহে চিত্তক লেখে।**

ধনৰ ব্যৱহাৰত মানুহৰ অন্তৰ বুজিব পাৰি। অনাহকত ধন খৰচ কৰা সকল অবিবেচক। ধনৰ বলত লোকৰ অহিত কৰি নিজৰ অহঙ্কাৰী ভাব প্ৰকাশ কৰি লোক বোলাব পাৰি। দুখীয়া নিচলাক সহায় কৰি পৰোপকাৰী বুলি চিনাকি দিব পাৰি। ধন সাঁচি খৰচ নকৰা সকল কৃপণ। গতিকে ধনৰ ব্যৱহাৰ কৰালৈ চাই মানুহৰ স্বভাৱ চৰিত্ৰ অনুমান কৰিব পাৰি। ধন থাকিলো মনো ডাঙৰ হয়।

**৯৬৬। বাহিৰে ৰং চং, ভিতৰে কোৱা ভাতুৰি**

পকা কোৱাভাতুৰি দেখিবলৈ বৰ ধুনীয়া দেখিলে খাও খাও লাগে। ভিতৰখন ফালি চালে খিণ লগা বস্তু ওলায়। সেইদৰে বাহ্যিকতা দেখিয়ে মানুহ চিনিব নোৱাৰি। অন্তৰ জানিলেহে তেও কেনে মানুহ, প্ৰকৃত মানুহ হয়নে নহয় বুজিব পাৰি।

**৯৬৭। বাহিৰত পৰম শুচী**
**ভিতৰত পাপৰ সুঁতি।।**

বাহিৰৰ সাজ পোছাক দেখিলে মানুহ এজনক অতি ভদ্ৰ নিষ্পাপ নিষ্কলুষ বুলি ভাব হয়। তেও আনে নেদেখাকৈ দুৰ্ঘোৰ পাপ কামত লিপ্ত থাকিব পাৰে। মানুহৰ ৰূপ আৰু সাজ পোছাকে চিনাকি দিব নোৱাৰে ৰীতি নীতি কাম কাজ কথা বতৰাৰেহে মানুহ চিনিব পাৰি।

**৯৬৮। বায়নৰ ঘৰৰ বাজাই খুতি ভাল যায়।**

বায়নৰ ঘৰত বাজনাৰ চৰ্চা হয়। সেই চৰ্চাৰ প্ৰভাৱ বাদ্য চাকৰৰ ওপৰত পৰিব

পাৰে। বায়নৰ ঘৰত তেনে লোকে অন্য নাজানিলেও খুতি তাল বজাব পৰা হয়। যি যেনে সঙ্গত বাস কৰে সেইমতে অভিজ্ঞতা লাভ কৰে চৰিত্ৰ গঠনো কৰে।

৯৬৯। বাহিৰত বৰ চুৰিয়াৰ কেৰ ভিতৰত চকুৱাৰ বেৰ

বহু মানুহে নিজৰ দুৰৱস্থাৰ কথা লোকক কবলৈ বা লোকৰ আগত প্ৰকাশ কৰিবলৈ বেয়া পায়। ভাল খাবলৈ নাপালেও বাহিৰত ঘিউ মৌ খোৱা বুলি প্ৰচাৰ কৰে। ঘৰৰ বেৰ চকুৱাৰে দিলেও আন মানুহক তেনে অৱস্থা দেখুৱাবলৈ ইচ্ছা নকৰে। ধাৰ ঋণ কৰি হ লেও ভাল চুৰিয়া চোলা পিন্ধিহে লোকৰ আগত ওলায়। নিজৰ দুৰৱস্থা দূৰ কৰিবলৈ চেষ্টা নকৰি আনৰ আগত বৰ মানুহ বোলাই ফুৰিবলৈ বিচৰাজন বিবেচনাহীন লোক।

৯৭০। বিধাতাই দিলেও তিৰোতাই নিদিয়ে।

ভাগ্যত থাকিলে বিধাতাই ধন বিত দিয়ে। সেই ধন বিতেৰে তিৰোতা গৰাকী বিবেচিকা সাঁচতী হলেহে ধনী হ'ব পাৰি। ধন বহু পৰিমাণে উপাৰ্জন কৰিলেও জমা কৰিব নাজানিলে হাতত ধন নাথাকে তাতে তিৰোতা গৰাকীক যদি সাজোন কাচোন কৰি ধনৰ অপব্যয় কৰিব লগীয়া হয় তেনেলোকে ধন জমা কৰিব নোৱাৰে। তিৰোতা গৰাকী অধাচাৰিণী হ লে চহকী লোকো ধোঁৱাখুলীয়া হয়। ধন সম্পত্তি তিৰোতাৰ ওপৰতে নিৰ্ভৰ কৰে।

৯৭১। বিনা মেঘে বজ্ৰপাত—

আকাশত মেঘৰ চলাচল নাথাকিলে বজ্ৰপাত নপৰে। সেইদৰে কোনো কাৰণ নোহোৱাকৈ বিপদ নাহে। কিন্তু দিন বেয়া হ লে নহবলগীয়াটোও হয়। নভবা কাৰ্যও ঘটে।

৯৭২। বিনাশী কালত বিপৰীত বুদ্ধি।

অতি বিবেচক লোকবো মৰিবৰ সময়ত বুদ্ধি ভ্ৰষ্ট হয়। নকৰিবলগীয়া কৰে নকবলগীয়া কয়।

৯৭৩। বিপদ কালত ঔয়ে ডিঙি খজুৱায়।

ঔ পেটলৈ ভাল। কচু আদি খাঁওতে ডিঙি খজুৱালে ঔ টেঙাৰে সেই খজুৱতি মাৰিব পাৰি। কিন্তু বিপদ কাল উপস্থিত হ লে ঔৱে খজুৱতি কৰে নিৰাময় নকৰে। বেয়া দিন পৰিলে ভাল কথাই উপকাৰী বস্তুৱে গুণ নিদিয়ে অপকাৰ হে কৰে।

৯৭৪। বিড়াল তপস্বী বগলী ভকত।
দুয়ো থাকে একেটা খকত।।

মেকুৰীয়ে এন্দুৰ নিগনি মাৰে বগলীয়ে মাছ খাবলৈ ভাল পায়। এন্দুৰ নিগনি ধৰিব নোৱাৰিলে মেকুৰীয়ে তপ কৰি ধকাৰ দৰে থাকে। সুবিধা পালেই এন্দুৰ নিগনি

ধৰি খায়। বগলীয়েও পানীৰ তিয়নিত মাছ আহিব ধৰি খাম বুলি এখন ঠেঙত ভৰ দি তপ কৰি থকাৰ দৰে থাকে· মাছ ওচৰ পালেই ধৰি খায়। মেকুৰী আৰু বগলীয়ে খাবলৈ পাম বুলিহে তপস্যা কৰি থকাৰ দৰে থাকে।

৯৭৫। বুজাক বুজাবি আকাৰে উকাৰে।
নুবুজাক বুজাবি ধৰা চাপৰে।।

বুজা লোকৰ আকাৰে ইঙ্গিতে কথা কলেই বুজি পায় বেছি পৰিশ্ৰম কৰিব নালাগে। যিজনে সহজে বুজি নাপায় বুজালেও নুবুজে তেনে লোকক বুজাবলৈ শাস্তিৰ ব্যৱস্থাহে কৰিব লাগে।।

৯৭৬। বুকু ফাটিলেও কথা নুফুটে।

দুখ বেজাৰেৰে ভাৱাক্ৰান্ত হ'লে মানুহৰ মুখত কথা নোলায়। শোকত বহুতৰে বুকুত শেল বিন্ধাদি বিন্ধে বুকু ফাটি যাও ফাটি যাও কৰে মনৰ ভাব প্ৰকাশ কৰিব নোৱাৰে মুখত কথা নুফুটে।

৯৭৭। বুঢ়াটো বুঢ়াটৈ কুঠীয়া বুঢ়াটৈ
উধানত খুন্দা খাই মৰে।
কাণেৰে নুশুনে চকুৰে নেদেখে
ছোৱালী বিচাৰি ফুৰে।।

মানুহ মাত্ৰেই ৰিপুৰ বশ। দুই এজনহে জিতেন্দ্ৰিয় পুৰুষ দেখা যায়। ৰিপুবোৰে বয়সৰ শেষ সীমালৈ খেদে। সেই কাৰণে যাৰ কাণ চকুৰ শক্তি নাইকিয়া তেনে বুঢ়া মানুহেও ৰূপহী গাভৰু ছোৱালী দেখিলে বিয়া কৰাবলৈ ইচ্ছা কৰে। তাৰ কাৰণে গাভৰু ছোৱালী থকা ঘৰলৈ আহ জাহ কৰে।

৯৭৮। বুঢ়াৰ হাতত চেঙেলী।

চেঙেলী মাছ বৰ পিছল। হাতৰ পৰা সহজতে পোলোকা মাৰিব পাৰে। বুঢ়া মানুহৰ হাত সোতৰা সোতোৰ। সেইবাবে বুঢ়া মানুহৰ হাতৰপৰা চেঙেলী মাছ সতকাই পোলোকা মাৰিব নোৱাৰে। সেইদৰে উপযুক্ত বুধিয়ক লোকৰ ওচৰত অতি দুষ্ট মানুহেও কাণ মূৰ লৰচৰ কৰিব নোৱাৰে।

৯৭৯। বুঢ়াই বুঢ়ীয়ে জুইশাল খন
ল'ৰাই বুঢ়াই ঘৰখন।

ঘৰত বুঢ়া বুঢ়ী থাকিলে জুইশাল এখন থাকে। জুইশাল খনত বুঢ়া বুঢ়ী বহি থাকিলেহে শোভা পায়। সেইদৰে ল'ৰাই বুঢ়াই হাঁহি ধেমালি কৰি থাকিলেহে ঘৰৰ শোভাবাঢ়ে ঘৰখন আনন্দ মুখৰ হৈ থাকে।

৯৮০। বুঢ়াৰ কথা নুশুনা ডেকা,
টানত পৰি কিয় কৈকা।।

বুঢ়া মানুহৰ অভিজ্ঞতা বেছি বহু কথা জানে দূৰদৰ্শিতাও থাকে। কাম বন কৰিবৰ বেলিকা ঘৰত বুঢ়া মানুহ থাকিলে তেখেতৰ দিহা পৰামৰ্শ লৈ কৰিলে কামত আউল নালাগে সুকলমে কামটি কৰি পেলাব পাৰি। বুঢ়ালোকৰ উপদেশ মানি নচলিলে বিপদ হব পাৰে। কেৱল উৎসাহ থাকিলেই নহয় অভিজ্ঞতাও লাগে। তাৰ কাৰণে অভিজ্ঞ লোকৰ দিহা পৰামৰ্শৰ বিশেষ দৰ্কাৰ।

৯৮১। বুঢ়া শালিকাই মাত নলয়।

ময়না ভাটৌ আৰু শালিকাই শিকালে মানুহৰ দৰে কথা কব পাৰে। সেইবোৰ পোৱালি অৱস্থাতে আনি মাত কথা শিকাবলৈ যত্ন কৰিব লাগে। বুঢ়া শালিকাই শিকালেও মাত লব নোৱাৰে। সেইদৰে সৰু কালৰ পৰা শিকালে সেইমতে অভ্যাস কৰিলেহে মানুহে জ্ঞান লাভ কৰিব পাৰে বিদ্যা শিকিব পাৰে। বুঢ়াবয়সত বিদ্যা অৰ্জন কৰিব নোৱাৰি।

৯৮২। বুঢ়ীৰ কি কাম আছে
শাকত বন পেলাই বাছে।

বয়সীয়া মানুহে সদায় কাম কৰি থকাৰ অভ্যাস। সেই অভ্যাস এৰিব নোৱাৰে। কাম নাথাকিলে যিকোনো কাম উলিয়াই লয়। বুঢ়ী মানুহে কৰিবলৈ একো কাম নাথাকিলে বৰা কামকে কৰিবলৈ বিচাৰে। শাক বাছি অন্ত কৰি আন কা নাথাকিলে বন জাবৰবোৰ পুনৰ মিহলাই বাছিবলৈ আৰম্ভ কৰে।

৯৮৩। বুঢ়ী পাঠীৰ লগত মাহদোনৰ ব্যয়।

পাঠী ছাগলীৰ মা স এনেয়ে লিকটা। বুঢ়ী পাঠী হলে কথাই নাই। বুঢ়ী পাঠীৰ মা সৰ লগত মাহ ৰান্ধিলে মাহখিনিহে লোকচান হয়। খাবলৈ সোৱাদ নালাগে। ধন আৰু পৰিশ্ৰম অথলে যায়

৯৮৪। বুঢ়ী মৰিল ভালেই হ'ল।
সিখনি কাঁথাও মোৰেই হ'ল।

বুঢ়া মানুহ মৰিলে ঘৰৰ ধৰণী নাইকিয়া হয়। আত্মীয় কুটুমে শোক পায়। বুঢ়া বুঢ়ীৰ মৃত্যু কেৱে ভাল নাপায়। কিছুমান দুখীয়া মানুহে বুঢ়া মানুহৰ আঁচবাব নিজৰ কামত খটুৱাবলৈ পাব বুলি বুঢ়া মানুহ মৰিলে ভালো পায়। মানুহৰ স্বাৰ্থ আন সকলোৰে আগত থাকে।

**৯৮৫। বেঙৰ বচনে বাৰিষা নহয়।**

বাৰিষা কালত ন পানী পাই বেঙে টোৰ টোৰায় বেছি বৰষুণ দিলে বানপানীও নহয়। মানুহে ভাবে বেঙে টোৰটোৰোৱা বাবে বৰষুণ হৈ বান পানী হৈছে। আচলতে বেঙৰ টোৰটোৰণিত বৰষুণ নহয় বাৰিষাও নাহে। প্ৰাকৃতিক কাৰণতহে বৰষুণ হয় বাৰিষাও হয়।

**৯৮৬। বেছাৰ কাণ কাটিলে খলিহনা নহয়।**

বেছা মাছ বেলেগ খলিহনা মাছো বেলেগ। বেছা মাছৰ কাণ কাটি খলিহনা কৰিব নোৱাৰি। সেইদৰে সাজ পোছাক বদলি কৰি প্ৰসাধন ঘঁহিলে ভিক্ষাৰী জেন ৰাজপুৰুষ হব নোৱাৰে। জাতিগত আকৃতি সলনি কৰিলেই উন্নত বুলি কব নোৱাৰি।

**৯৮৭। বেছিকৈ গাঁজিলে বৰষুণ নিদিয়ে।**

মেঘ বেছি বেগে চলাচল কৰিলে গাঁজনি বেছি হয়। গাঁজনি মাৰি মেঘ আকাশৰ এঠাইৰ পৰা আন ঠাইলৈ যায়। বতাহে চলাই নিয়। সেই কাৰণে যি ঠাইৰ আকাশত মেঘৰ গাজনি বেছি হয় তেতিয়া তাত বৰষুণ নহয়। সেইদৰে বৰকৈ চিঞৰ বাখৰ কৰা মানুহে আনক ভয় খুৱাব নোৱাৰে নিজও ভাল কাম কৰিব নোৱাৰে।

**৯৮৮। বেছিকৈ গাল মাৰিলে কোৱাৰি ফাটে।**

মুখ যিমান বহল খোৱা বস্তু তাতকৈ ডাঙৰ হলে সহজে মুখত নোসোমায়। যোৰ কৰি মুখত ভৰাবলৈ গলে কোৱাৰি ফাটি তেজ ওলায় মুখত ঘা হয়। সেইদৰে বেছি লাভ লবলৈ গলে বস্তু বিক্ৰী নহয়। বেছি লাভলৈ চালে মূলো হেৰাব পাৰে। বস্তু নষ্ট হয়।

**৯৮৯। বেছিকৈ পঢ়িলে সিও ভাল।**
**মূঠে নাজানিলে সিও ভাল।**
**আধা কেচেলুৱা হলে হয় যমকাল।।**

বেছি পঢ়ি শুনি মানুহ জ্ঞানী গুণী সৎ হয়। একেবাৰে পঢ়িব নজনা লোক ধৰ্ম ভীৰু হয় আনক খাতিৰ বাতিৰ কৰি নম্ৰ হৈ নিজৰ কাৰ্য্য সিদ্ধি কৰে। বেছি পঢ়া শুনা নজনা লোকৰ দুষ্ট বুদ্ধি কপটীয়া ভাৱ হয় বেয়া কাম কৰে বেয়া কথা কয়। যি আধা কেচেলুৱা হয় তেও নিজে বৰ জনাটো হয় আনক মান সম্মান কৰিব নাজানে। ভাল বেয়া বুজি পালেও নিজৰ মইমত ভাৱত চলে কাৰোকে কেৰেপ নকৰে।

**৯৯০। বেজৰ নাকত খৰে খায়।**

বেজে আনৰ ৰোগ ব্যাধি ভাল কৰি ফুৰে। নিজ নাকত খৰে খালে খবৰেই

নাথাকে। তাতে মনোযোগ নিদিয়ে। কিন্তু দেখিবলৈ আপচু হৈ পৰে। সেইদৰে ভাল ভাল লোকে সামান্য কথাক কথা যেন নেদেখে সময়ত সিয়ে বিপদ মাতি আনে।

৯৯১। বেজীৰ জলা মনে কুঠাৰৰ জলা নমনে

বেজী সৰু বস্তু তাৰ ফুটাটি সৰু কুঠাৰ বেজীতকৈ ডাঙৰ কুঠাৰৰ বিন্ধা নমনে বেজীৰ বিন্ধা মণিব পাৰে কথাই নিজৰ ডাঙৰ দোষকো মানুহে নেদেখে বা দোষ বুলি নাভাবে। আনৰ সামান্য দোষক গুৰুতৰ দোষ বুলি গণ্য কৰে।

৯৯২। বেটীয়ে ভাঙিলে কঁতৰা
গড়গাওঁ পালেগৈ বতৰা।
ঘৈণীয়ে ভাঙিলে কাঁহী
মিচিকৈকৈ মাৰিলে হাঁহি।।

চাকৰ চাকৰণীয়ে সাজ বচন আদি লাগতিয়াল বস্তু অসাৱধানতা বশত ভাঙে। গিৰীহতে এনে ভঙা কাৰ্য্য সহি থাকিবলৈ ভাল নাপায় খ কৰে তাৰ বাবে শাস্তিও বিহে। আনকি ঢেকী দিওতে কতৰা ভাঙিলে বৰ ডাঙৰ দোষ বুলি ৰজা ঘৰতো খবৰ দিয়ে। কতৰাটো বেয়া কাঠৰ বা পুৰণা হবও পাবে তালৈ লক্ষ্য নকৰে। চাকৰ বাকৰক শাস্তি বিহাটোহে উচিত কাম বুলি বিবেচনা কৰে। নিজৰ তিৰোতা গৰাকীয়ে কাঁহী বাতি ভঙা ক্ষতিকৰ কাম কৰিলে মিচিকিয়া হাঁহি মাৰি দোষ পাতলাই দিয়ে। আনৰ সামান্য দোষেই বৰ ডাঙৰ নিজৰ ক্ষতিকৰ দোষো দোষ নহয়। এনে নিজপৰ ভাব মানুহ মাত্ৰৰে থাকে।

৯৯৩। বেটীৰ খং বাঢ়নীত।

মুনিবে চাকৰ নকৰৰ ওপৰত খ কৰে। চাকৰ বাকৰ নাথকিলে নিজৰ সম্বন্ধী সৰুবোৰক খ, কৰে। নাপালে বেৰ ঘৰৰ অনিষ্ট কৰে। বেটীৰ খ উঠিলে খং সাৰিবলৈ একো নাপাই হাতত থকা বাঢ়নী টাৰকে থেকেচি লেকেচি থয়। খঙে সামান্য ভাবে হলেও অনিষ্ট সাধন কৰিহে শাঁত হয়।

৯৯৪। বেটীক মাৰি বোৱাৰীক চক খুৱায়ঃ

দোষণীয়া কাম কৰিলেও বোৱাৰীৰ গাত হাত তোলা অন্যায়। কিছুমান চতুৰা বোৱাৰীক টানকৈ কৈও সুফল পোৱা নাযায়। তেনে অৱস্থাত বেটীক মাৰি গালি শপনি পাৰি বোৱাৰীক সাৱধান কৰিব পাৰি। যাক পোনে পোনে শাসন কৰিব নোৱাৰি তাক আনৰ ওপৰত শাস্তি বিহি বা খং কৰি বুজাবলৈ চেষ্টা কৰা হয়।

৯৯৫। বেটীৰ কপালে বান্দীৰ কপাল

বান্দীয়ে লোকৰ ঘৰত কাম কৰি জীৱিকা নিৰ্বাহ কৰে। ছোৱালীয়েও আনৰ ঘৰলৈ

গৈ সেইখনকে নিজৰ ঘৰ বুলি সকলো কাম কৰিব লাগে। বান্দীৰ নিজত্ব নাথাকে বোৱাৰী'য় নিজত্ব ৰক্ষা কৰিব লাগে পাৰ্থক্য সিমানেই।

৯৯৬। বেপাৰৰ লাভ মূলত
খেতিৰ লাভ ফলত।

মূলধন ৰক্ষা কৰি অতিৰিক্ত ধন লাভ হ'লে বেপাৰত লাভ হোৱা বুলি কোৱা হয়। সেইদৰে খেতি কৰি শস্যৰ গুটি বা ফল বেছি পালে খেতিৰ লাভ হয়।

৯৯৭। বেৰ ছালৰো আছে কাণ
সাৱধান সাৱধান।

গোপনীয় কথা আনক সদৰি কৰিব নালাগে। ছাল বেৰৰ কাণ আছে। সেইবাবে গোপন কথা কোৱাত সাৱধান হব লাগে। সন্মুখত নাথাকিলেও বেৰৰ আনফালে কোনোবা থাকিব পাৰে ছালৰ ওপৰতো কোনোবা উঠি থাকিব পাৰে সেই কাৰণে গোপন কথা গোপনে আনে নুশুনাকৈ কোৱা উচিত।

৯৯৮। বেৰাই শহ খায়।

শস্য ৰক্ষা কৰাৰ কাৰণে খেতিৰ চৌপাশে বেৰা দিয়া হয়। চৌ পাশে বেৰা থকা সত্ত্বেও যদি শস্য নাইকিয়া হয়। তাক বেৰাই শস্য খোৱা বুলি মনক প্ৰবোধ দিয়াৰ বাদে আন উপায় নাই। কাৰণ শস্য চোৰক ধৰিব নোৱাৰিলে মনত এটা দুখ লগা আক্ৰোহী ভাব পুহি ৰখা উচিত নহয়।

৯৯৯। বেল পকিলে কাউৰীৰ লাভ নাই।

কাউৰীয়ে পকা ফল খায়। বেল পকিলে কাউৰীয়ে টান বাকলিৰ বাবে খাব নোৱাৰে। গতিকে বেল পকিলে কাউৰীৰ একো লাভ নহয়। সামৰ্থহীন বেছি বস্তু দেখিলেই নেপায়। তেনে বস্তুলৈ লোভ নকৰাই ভাল।

১০০০। বেশ্যাৰ কি একাদশী
বগলীৰ কি নিৰামিষী।

বগলীয়ে পানীৰ জিয়লিত চুপনা পাতি বহি থাকে। যেন মাছ বে, আদি খাবলৈ এৰা নিৰামিষী ভকত। মাছ দেখিলে টপককৈ ধৰি খায়। সেইদৰে বেশ্যাই গ্ৰাহক নাপালে একাদশী পালন কৰে। এনে একাদশী ব্ৰতৰ একো মূল্য নাই। তেও সুযোগ পালে বেশ্যাগিৰি কৰিবই যাৰ যি স্বভাৱ অভ্যাসত পৰিলে কেতিয়াবা শুধৰাই লোৱা যেন দেখুৱায় কিন্তু তেনে শুধৰণিয়ে চৰিত্ৰৰ শুধৰণি নঘটায়।

১০০১। বেশ্যাৰ পৰাচিত্ত আছে, মিছাৰ নাই।

বেশ্যা সকলে তেওলোকৰ ব্যৱসায় এৰি পৰচিত হৈ শুদ্ধা হব পাৰে। মিছলীয়া

মানুহে শপত খালেও মিছা কবলৈ এৰিব নোৱাৰে। গতিকে বেশ্যাৰ প্ৰায়শ্চিত্ত হব পাৰে।

১০০২। বৈকুণ্ঠতো অসুৰ থাকে।

বৈকুণ্ঠ বিষ্ণুৰ বাসস্থান। সি পুণ্যস্থান কিন্তু তেনে পুণ্যস্থানতো অসুৰ থাকে। ভালৰ লগত ভাল লোকৰ লগত বেয়া মানুহ থাকিব পাৰে।

১০০৩। বৈকুণ্ঠলৈ যাবলৈ মৰ কিবা দিব লাগে।

বৈকুণ্ঠ ভগৱন্তৰ ঠাই তালৈ পুণ্যৱান সকল যায়। দুষ্টলোকক মৰ বধ দিও তালৈ পঠিযাব নোৱাৰি কাৰণ তেনে লোকে নীতি নিয়ম বহুত মানি চলিব লগীয়া হয় কাৰণে বিশেষ মন নকৰে। ভাল মানুহ হবলৈ ভাল অৱস্থা কৰিবলৈ সহজ নহয়। বহু কষ্টৰ মূৰতহে ভাল মানহ হ'ব বা অৱস্থা ভাল কৰি লব পাৰি। লৰা ছোৱালীক ভাল কৰিবলৈ মাক দেউতাকৰ অশেষ কষ্ট হয়। মাক দেউতাকৰ কথা মানি চলিলে নিজৰে উপকাৰ হয় এই কথা সৰহভাগে বুজি নাপায়।

১০০৪। বোৱাৰ শত্ৰু নাই।

ইজন সিজনৰ মাজত হাই দন্দ লাগে বেয়া কথা ক'লে বেয়া ব্যৱহাৰ কৰিলে। কিছুমান কথাই মানুহৰ অন্তৰত শেলে বিন্ধাদি বিন্ধে। অসহ্য হৈ কাজিয়া পগাল কৰে। বেয়া ব্যৱহাৰত কৈ বেয়াকৈ কোৱা কথাই শত্ৰু বঢায়। যি কথা কম কয় কোনো মন্তব্য নিদিয়ে তেওৰ বিৰুদ্ধ লোক থাকিব নোৱাৰে। বোবাৰ দৰে থাকিব পৰা গুণটো বৰ ভাল।

১০০৫। বোকাত পোত গ'লে ভেকুলীয়েও হাতীক লথিয়ায়—

হাতী বৃহৎ জন্তু। সেইবাবে পৃথিৱীৰ সকলো প্ৰাণীয়ে হাতীক ভয় কৰে। হাতীৰ পৰা আঁতৰে আঁতৰে থাকে। হাতী পোতত পৰিলে সকলোৱে হাতীৰ অনিষ্ট কৰিবলৈ সুযোগ পায়। আনকি ভেকুলীয়েও তেনে অৱস্থাত পালে হাতীক লাথ মাৰে। যিমানেই বলী বা ক্ষমতাপন্ন নহওক কিয় বিপদত পৰিলে সামান্য লোকেও অহিত কৰিব পাৰে।

**১০০৬। বোবাই কয় কলাই শুনে**

বোবাই কথা কব নোৱাৰে বকবকায় মাথোন। কলাই কোনো কথাকে নুশুনে। গতিকে বোবাই কথা কয় কলাই শুনে বুলি কোৱা কথা সঁচা নহয় অসম্ভৱ অমূলক কথা।

**১০০৭। বোলে বাগে হয় কপালৰ ভাগে—**

খঙত বহুতে গালি শপনি পাৰে। সেই গালি শপনিত কাৰোবাৰে অনিষ্ট হোৱাটো সম্ভৱ নহয়। কোনোবাই গালি শপনি দিলে যদি সেই মতে কাম হয় তেন্তে সেই কাম কপালত থকা বুলি ধৰি লব লাগে। ই এক প্ৰকাৰ কাকো পৰে ভালো সবাৰ নিচিনা কথা। তাল কাউৰীয়ে সৰুৱাব নোৱাৰে। তাল পকি থাকিলে হঠাৎ তাত গৈ কাউৰী বহিলে পকা তাল সৰিব পাৰে। তাক কাউৰীয়ে সৰুওৱা বুলিব নোৱাৰি।

# ভ

১০০৮। ভকতত ভকতি গুৰুত মুকুতি
কথা সুধিবা বুঢ়াত।
ঘৰ ঘৰোৱাহুৰ উর্মি লাগিছে
মাতঙ্গ বান্ধিবা মূৰাত।।

ভকতৰ সঙ্গত ভক্তি লাভ হয়। গুৰুৰ পৰা মুক্তি লাভৰ উপায় পাব পাৰি। গূঢ়তত্ত্ব বুঢ়া মানুহক সুধিলে পোৱা যায়। ৰিপু আৰু ইন্দ্ৰিয়বোৰ অবাধ্য হ'লে মনক গছৰ মূৰাত বন্ধাৰ দৰে বান্ধি ৰাখি শাসন কৰিব লাগে। মন স্থিৰ হৈ থাকিলে ৰিপু আদিয়ে বিচলিত কৰিব নোৱাৰে।

১০০৯। ভকত লোটা ভকত শৌতা
ভকত তিনিৰাৰ কটা।

ভকতে গুৰুৰ পৰা তত্ত্বজ্ঞান লুটি লয়। তেও সমাজৰ বেয়া অভ্যাস বেয়া নীতি নিয়মবোৰ সাৰি নাইকিয়া কৰে। ভকতে গুৰুৰ দ্বাৰা সাধু সঙ্গৰ দ্বাৰা আৰু ভক্তিৰে নিজৰ মনৰ ওপৰত দমন কাৰ্য্য চলায়।

১০১০। ভকত মৌ গুটি খায় টকৌ গুটি
দিয়ে ফেঁটী সাপত হাত।
নামঘৰ গুচি শ্যামঘৰ হয়
চলৌলৌ লগায় গাত।।

ভকতে মৌ গুটিৰ দৰে নানা জনৰ পৰা জ্ঞান আহৰণ কৰে নানা পুথি পাঁজিৰ পৰাও জ্ঞান সংগ্ৰহ কৰে। তেখেতে সৰ্বসাধাৰণে বুজিব নোৱাৰা তত্ত্বকথা বুজি পায়। মনৰূপী ফেটী সাপক কঠোৰ ভাবে শাসন কৰে। তেতিয়া দেহৰূপী নামঘৰটো শ্যামঘৰ হয় অৰ্থাৎ ভগৱানৰ অৱস্থান ঘটে। তেতিয়া শৰীৰত থকা ৰিপু সমূহৰ চিতনি পোৰণি উঠে।

১০১১। ভকতে নামাৰে ভাই
ব্ৰাহ্মণে নামাৰে গাই
মহন্তই নাখায় মদ
ই তিনি নাপায় পৰমপদ

ভকতে ভাইবোৰ অৰ্থাৎ ইন্দ্ৰিয়বোৰক যদি দমন কৰি মৃতপ্ৰায় নকৰে বামুণ সকলে যদি গায়ত্ৰী মন্ত্ৰৰ তত্ত্ব বুজি নাপায় মহন্তসকলে যদি অহংভাব ধ্বংস কৰিব নোৱাৰে তেওঁলোকে পৰমপদ ভগৱানক পাব নোৱাৰে।

**১০১২। ভকত ভকতৰ চৰণ পখৰা**
**সম্মানে নিদিবা ঠাই।**
**মহা মহা মহন্তক মৰিয়াই মাৰিবা**
**তেহে ঈশ্বৰক পায়।।**

ভকত ভাবুক ভয়াতুৰ ভগৱানৰ দাস শুভ কাৰ্য্যত ভয়হীন আদি ভ যুক্ত গুণৰ অধিকাৰী। ভকতৰ চৰণ ধ্বজ বজ্ৰ পদ্ম আদিৰে পখৰা। তেনে ভকতক সমানে আসন নিদি উচ্চ আসন দিব লাগে। কাম ক্ৰোধ আদিক শাসন কৰি দমাই ৰাখিব পৰা লোকে ভগৱানক লাভ কৰে।

**১০১৩। ভগা সৰাহত বাগ দিয়া**

ভগা সৰাহত বাগ টানিলে তাৰ মূল্য নাথাকে। সুবিধাবাদী লোকে আনে সমাপন কৰা কামত ভাগ লৈ নাম কৰিবলৈ বিচাৰি সমাপ্তিত যোগদান কৰে।

**১০১৪। ভক্তিহীন সকলে ভকতৰ ভাও ধৰে**
**গুটি নাথকিয়া গছৰ গুটি টপৰ টপৰ সৰে।**

বহুলোকে ভকতৰ ভাও জুৰি ভক্তিৰ কথা কয়। সেইবোৰ কথাৰ সাৰমৰ্ম একো নাথাকে। গুটিহীন গছৰ গুটি সৰিব নোৱাৰে সেইদৰে সাৰমৰ্ম নথকা ভক্তিৰ কথাৰ পৰা ভক্তি ভাব নোপজে।

**১০১৫। ভৰা ভাখৰিত ফুল দলিয়ালে লাভ নহয়।**

যাৰ ভড়াল ধনে ধানে পৰিপূৰ্ণ তাত ধনে ধানে পৰিপূৰ্ণ হবলৈ ফুল দলিয়ালে কোনো লাভ নহয়। তেনে ভঁড়ালত বেছি ধন ধান হ'ব লাগিলে ভঁড়াল উপচি ধন ধানৰ অপচয়হে হয়।

**১০১৬। ভাবিব ডোল ডিঙিত বান্ধে**
**বিপদত পৰি নিজেই কান্দে।**

ভৰিৰ ডোল থাকিলে হাত মুখ লৰাব পাৰি ডিঙিত ডোল লগালে অলপ লৰচৰ কৰিলেই আটখাই মৃত্যুৰ মুখত পৰিব পাৰে। সেইকাৰণে তেনে অবিবেচনাৰ কাম কৰা অনুচিত। নাভাবি নিচিন্তি তেনে কাম কৰিব লাগিলে বিপদ মাতি কান্দিবলগীয়া হয়।

**১০১৭। ভৰিৰ তলেদি বৌ মাছ যায়**
**দৰিকনালৈ বৰশী বায়।**

ভৰি তলেদি বৌ বৰালি গ'লেও বহুতে সেই মাছ ধৰিবলৈ সাহস নকৰে। সামান্য দৰিকনা মাছৰ কাৰণে বৰশী বাই বহু সময় নষ্ট কৰে। সৌভাগ্য যেতিয়া আহে তেতিয়া তাৰ সৎ ব্যৱহাৰ কৰিব লাগে। সামান্য কামত ব্যস্ত হৈ সৌভাগ্যজনক কামক

বাদ দিব নালাগে। নজনা নুবুজা লোকে বহু সময়ত বেছিলৈ আশা নকৰি সামান্য কামতে ব্যস্ত হৈ থাকে। ফলত সৌভাগ্য লাভৰ ছেগ আঁতৰি যায়।

১০১৮। ভয়ত ভগৱন্ত পলায়
কিলনৈ বাসুদেৱ ভবায়।

অন্যায়কাৰী অসুৰক বৰ দিবলগীয়া হোৱাৰ ভয়ত ভগৱানে পলাই ফুৰে। শ্ৰীকৃষ্ণই মাকৰ পৰা শাস্তি পোৱাৰ ভয়ত মিছা কথা কৈছিল। শক্তিকে শাস্তিলৈ সকলোৱে ভয় থাকে। পৰাক্ৰমী সকলৈলে ভয় নকৰিবলগীয়া কাম কৰাত ভয় সকলোৱে কৰে।

১৯১৯। ভয়ত ভজে আশাত ভজে ভক্তিত কমেই ভজে।

পৰাক্ৰমী সকলৰ ভয়ত মানুহ সেও হৈ পৰে। কাৰোবাৰ পৰা কিবা পাবলৈ আশা থাকিলে তেওক ভজনা কৰে কাকুতি মিনতি কৰি পোৱা বস্তু লবলৈ চেষ্টা কৰে। প্ৰকৃত ভক্তসকলেহে ভগৱানক ভজন কৰে। তেনে ভকতৰ সংখ্যা তেনেই কম। আনসকলে স্বাৰ্থৰ কাৰণে যাকে তাকে ভজনা কৰে।

১০২০। ভালে পায় ভাল, জাবৰে পায় খাল

ভাল বস্তুৱে ভাল ঠাই পায় জাবৰে খাল পোত নিয়ায়। সেইদৰে ভাল লোকে ভাল সঙ্গ পায় আনৰ পৰা ভাল ব্যৱহাৰ পায়। দুষ্ট মানুহক কেৱে মৰম নকৰে সকলোৱ লেই লেই ছেই ছেই কৰে।

১০২১। ভাই ভাই ঠাই ঠাই।

মানুহে সমাজ পাতি থাকে। বংশ বৃদ্ধি হোৱাৰ লগে লগে গৃহস্থৰ সংখ্যা বাঢ়ে। সকলো কেইটি ভাই ককাই লগে ভাগে থকাটো ভাল কথা। কিন্তু বহু সময়ত সি সম্ভব নহয়। প্ৰত্যেকৰে নিজস্ব ৰক্ষা কৰিবলৈ গলে হাই দন্দ লাগে মনোমালিন্য ঘটে। তেনেবোৰ কাৰণত ভিন ভিন ঠাইত ভিন ভাবে থকা উচিত। তাৰ কাৰণে গৃহস্থৰ সংখ্যা বৃদ্ধি হব। আঁতৰে আঁতৰে থাকিলে আপোন ভাব বাঢ়ে মৰম চেনেহো বাঢ়ে।

১০২২। ভাইৰ সমান মিত্ৰ নাই,
ভাইৰ সমান শত্ৰুও নাই।

মৰম প্ৰীতিৰ কাৰণে ভায়েকে ভায়েকৰ প্ৰতি মিত্ৰ হৈ থাকে। স্বাৰ্থপৰ হলে ভায়েকৰ প্ৰতি ভায়েক পৰম শত্ৰু হবও পাৰে।

১০২৩। ভাং ভাজিবৰ খোলা নাই,
কুটনিত বেঙেনা ভজা খাই।

যাৰ ঘৰত ভাং ভাজিবলৈ মাটিৰ পাত্ৰৰ খোলা নাথাকে তেনে লোকৰ মুখত বেঙেনা ভাজি খোৱাৰ কথা শোভা নাপায়। বৰ বৰ কথা ক'লেই ডাঙৰ হব নোৱাৰে।

**১০২৪। ভাগ্য যাৰ উদয় হয়,**
**মাটি খুঁটিও ধন ওলায়।**

ভাগ্যই সৰ্বেসৰ্বা। সৌভাগ্যই লগ দিলে সকলো ফালে জয় জয় ময়ময় হয়। তেনেলোকে মাটিৰ তলতো ধন সোণ পায়।

**১০২৫। ভাঙক ছিঙক বৰ নাওৰ খোলা**
**বুজক নুবুজক ৰাম নাম বোলা।**

ভগাছিগা হলেও বৰ নাওৰ খোলাই বৰ নাৱৰে চিনাকি দিয়ে। অতি নিকিন অৱস্থাত পৰিলেও মহৎ লোকে মহত্ত্ব বজায় ৰাখে। মায়াময় সংসাৰত ৰাম নাম মহৌষধ স্বৰূপ। নুবুজিও ৰাম নাম ললে তেও শান্তি পায় মনৰ কলুষতা গুচি পৱিত্ৰ হৈ পৰে।

**১০২৬। ভাজনৰ ভোজন অভাজনৰ গলগ্ৰহ।**

উপযুক্ত লোকে হে ভাল বস্তুৰ মোল বুজে ভোগ কৰিবলৈ সমৰ্থহয় অযোগ্য ব্যক্তিক বহু মূলীয়া বস্তু সম্ভাৰ দিলে সেইবোৰ কি কামত লগাব তাৰ দিহা নাপায়। ফলত মূল্যবান বস্তুও ডিঙিৰ হাড়মাল হৈ চিন্তাতহে পেলায়।

**১০২৭। ভাতৰ আকাল হ'লেও মাতৰ আকাল নহয়।**

মানুহে দুৰৱস্থা হেতু আলহী দুলহীকো এমুঠি ভাত খুৱাব নোৱাৰিব পাৰে। মিঠা মাত এষাৰি সকলোৱে দিব পাৰে। মিঠা মাত সুমিষ্ট খাদ্যতকৈও বেছি মিঠা। একো দিব নোৱাৰিলে মিঠা মাতেৰেই মানুহক সন্তুষ্ট কৰিব পৰা যায়। গতিকে ভাতৰ দুখীয়া হ'লেও মাতৰ দুখীয়া হোৱা উচিত নহয়।

**১০২৮। ভাতে মৰদ ঘাঁহে বলদ**

ভাত মুঠি খাবলৈ পালে মানুহৰ গাত বল শক্তি হয় সেইদৰে ঘাঁহ খাবলৈ পালেহে বলদ গৰুৰ শক্তি ৰক্ষা পৰে। খাদ্যই সকলোকে শক্তি দান কৰে।

**১০২৯। ভাতৰ তিতা খাব পাৰি**
**মাতৰ তিতা সহিব নোৱাৰি।**

তিতা ষড়ৰসৰ এবিধ। মানুহে মিঠা তিতা খাৰ আদি খায়। খাই ভাল পায়। ভাতৰ লগত তিতাৰ আঞ্জা মানুহে খায়। কিন্তু কঠুৱা মাত সহ্য কৰা টান হৈ পৰে। তাৰ কাৰণে বহুতো হাই দন্দ লাগে মনোমালিন্য হয়।

**১০৩০। ভাদত এনেয়ে ক'লী গাই নজগে।**

ভাদ মাহটো বৰ ভাল মাহ নহয়। ভাদ মাহত ওপজা ল'ৰা ভাগ্যৱান হয় বুলি কোৱা হয় কিন্তু ভাদ মাহত ক'লী গাইৰ পোৱালি জগিলে অমঙ্গল হয়। তাৰ উচিত বিধানৰ ব্যৱস্থা কৰিব লাগে।

১০৩১। ভাদত কৰি কলগছ ৰোপন।
সবংশে মৰে লঙ্কাৰ ৰাৱণ। (ডাক)

ভাদ মাহত বোৱা তোলা মঙ্গল কাৰক নহয়। লঙ্কাৰ ৰজা ৰাৱণে ভাদ মাহত কলগছ বোৱা কাৰ্য্য কৰাৰ কাৰণে সোণৰ লঙ্কা ধ্বংস হৈছিল। সবংশে নাশ পাইছিল। ভাদ মাহত কলগছ বোৱা অনুচিত।

১০৩২। ভাপত সিজে, ভাবত সিজে, অভ্যাসত সিজে।

ভাপত খাদ্য বস্তু সিজোৱা হয়। ভাবি চিন্তি টান বিষয় বস্তুৰ তত্ত্ব উলিয়াব পাৰি। অভ্যাস কৰিলে সকলো কাম সহজো সিদ্ধ হয়।

১০৩৩। ভাবিলে ভাৱক পায়—

ভাব চিন্তা নকৰাকৈ কোনো কথাৰ গূঢ়তত্ত্ব বুজিব নোৱাৰি। ভাব চিন্তাৰ দ্বাৰাহে পৃথিৱীত মহৎ কাম সিদ্ধ হয়। ডাঙৰ ডাঙৰ আৱিষ্কাৰ সমূহ ভাব চিন্তা কৰা লোকসকলে কৰিছে। এতিয়াও ন ন আৱিষ্কাৰ তেনে চিন্তাশীল ভাবুকসকলে কৰি আছে।

১০৩৪। ভাব নাবান্ধি থাকে চাই,
পৰকালত গতি নাই।।

এই জন্মত সৎ কাম কৰিলে পৰোপকাৰ কৰিলে যি ধৰ্ম লাভ হয় পৰকালত তাৰ দ্বাৰাই সন্তোষ লাভ কৰিব পাৰি। ইহ কালত ধৰ্ম কৰি পুণ্য নাসাঁচিলে পৰকালত দুৰ্গতি ভোগ কৰিব লাগে।

১০৩৫। ভাবৰ লৰফৰ সাউী
মাছৰ লৰফৰ বামী।
মাতৰ লৰফৰ বোৱা
জাতৰ লৰফৰ ধোৱা।।

সাউীভাৱ তলঁলৈ ওলোমি যোৱা হেতু লৰফৰ কৰি যায়। বামী মাছ দীঘল কাৰণে তলঁলৈ ওলমি লৰকফৰক কৰে বোবাই স্পষ্টকৈ কব নোৱাৰে বাবে মাতৰ লৰফৰ হয়। কাপোৰা ধোৱা সকলক ধোৱা বোলা হয়। কাপোৰ ধোৱা কাম যেয়ে সেয়ে কৰিব পাৰে গতিকে ধোৱা বোলা জাত এটা নাই।

১০৩৬। ভাৰ্য্যা নহলে কিহৰ ঘৰ
স্নেহ নহলে কিহৰ সোদৰ।

ঘৰখন তিৰোতা গৰাকীয়ে সজাই পৰাই ধুনীয়া আৰু সুশৃংখল কৰি ৰাখে। সময়মতে খোৱা বোৱাৰ দিহা কৰে। অবাৰত খৰচ হবলৈ নিদিয়ে। গিৰীয়েক ল'ৰা ছোৱালীৰ সুখ সুবিধাৰ কাৰণে সকলো কাম কৰে আলহী দুলহীকো ঘৰৰ সম্মান ৰক্ষা

কৰি শুশ্ৰূষা কৰে। মৰম চেনেহেৰে সকলোকে আপোন কৰি লয়। ঘৰখনৰ কেন্দ্ৰ বিন্দুত নাৰী গৰাকী থাকে। তেওঁৰ কথা মতে ঘৰৰ সকলো কাম চলে। তেনে এগৰাকী নাৰী ঘৰত নাথাকিলে ঘৰখন ঘৰ হৈ নাথাকে।

ভাই ভনীৰ মাজত আপোন ভাব থাকিব লাগে। ল'ৰা বুঢ়া অগুহী বগুহীক মৰম চেনেহে সেই আপোন ভাব বৰ্তাই ৰাখে। মৰম নাথাকিলে সহোদৰ ভাই ভনীও পৰ হৈ পৰে।

১০৩৭। ভাৰ্য্যাক প্ৰশংসিবা বৃদ্ধ কাল হ'লে
ভোজনক প্ৰশংসিবা খাদ্য জীৰ্ণ গ'লে।
শস্যক প্ৰশংসিবা চাপিলে গৃহত
পুত্ৰক প্ৰশংসিবা জিকিলে ৰণত।

বৃদ্ধ কালত ভাৰ্য্যাই কেনেদৰে আদৰ সাদৰ কৰে তাকে চাই প্ৰশংসা কৰিব লাগে। বুঢ়া কালত অলৰ অচৰ ৰোগ ব্যাধি হ'লে ভাৰ্য্যাই পৰিচৰ্য্যা কৰি সুখ দিব লাগে। তেনে ভাৰ্য্যা প্ৰশংসাৰ যোগ্য হয়। সহজে হজম হ'লে খাদ্য বস্তু ভাল বুলি প্ৰশংসা কৰিব লাগে। পথাৰৰ শস্য ঘৰৰ ভঁড়ালত থিতাপি লগাব পাৰিলে শস্যক প্ৰশংসা কৰিব লাগে। পঢ়া শুনা কাজে কামে ভাল ফল দেখুৱালে তেনে জীৱন যুঁজত জয়ী পুত্ৰক প্ৰশংসা কৰিব লাগে।

১০৩৮। ভাল মানুহে কুক চালে বুজিব নালাগে।

কুকত মাছ মাৰি ভৰাই আনে। তেনে কুক ভাল ভদ্ৰ মানুহে চালে বুজিব লাগে তেওঁৰ মাছৰ প্ৰতি লোভ লৈছে। তেও মুখ খুলি নকয় যদিও সম্ভৱপৰ হ'লে কিছু মাছ দি থৈ যোৱা উচিত। তেনেদৰে কোনো লোকে কিবা বস্তু থকাৰ কথা সুধিলে সেইজনৰ সেই বস্তুৰ দৰ্কাৰ বুলি বুজিব লাগে।

১০৩৯। ভাল আমৰ এচকল খাবা।
সজ্জনৰ লগত এখোজ যাবা।

ভাল আমৰ এচকল খালেই সোৱাদ বুজিব পাৰি। তেনেদৰে সৎলোকৰ লগত এখোজ গ'লেই ভাল কথা শিকিব পাৰি।

১০৪০। ভাল কৃষি নষ্ট গেল মাজে হৈল বাট,
ভাল নাৰী নষ্ট হৈল নিতে বেড়ায় হাট।
ভাল কাপোৰ নষ্ট গৈল নিতে উবে জাপত,
ভাল পুত্ৰ নষ্ট গেল কথা নুসুধি বাপত।। (ডাক)

অন্যভাৱে

১০৪১। ভাল কাপোৰ নষ্ট হয় যদি লয় জাপত
ভাল পুত্ৰ নষ্ট হয় যদি নোসোধে বাপত।
সুৰাবী নষ্ট হয় মাজে ললে বাট,
সুতিৰী নষ্ট হয় নিতে বেহায় হাট।।

ভাল মূল্যৱান কাপোৰ জাপত ললে বেয়া হয়। সুপুত্ৰই যদি দেউতাকক নোসোধাকৈ কাম কৰে তেনে লৰা মদগৰ্বী হয় বিপদতো পৰিব পাৰে। ভাল ল'ৰাই মাক দেউতাকৰ উপদেশ লৈ কাম কৰিলে উন্নতি কৰিব পাৰে। খেতি বাৰীৰ মাজেৰে আহ যাহৰ বাট থাকিলে সেই খেতি বাৰীৰ কিছু ভৰিৰ গছকত হাতৰ টানত নষ্ট হয়। যি গৰাকী তিৰোতা মানুহে দৰ্কাৰে অদৰ্কাৰে সদায় বজাৰ ফুৰে তেনে তিৰোতাৰ স্বভাৱ লৰে।

১০৪২। ভাল মানুহৰ বান্দীকে আনিবা,
বেয়া মানুহৰ সুন্দৰীকো নানিবা।

ভাল মানুহৰ ঘৰত থকা বান্দীয়ে ভাল কথা শিকে, ভাল ব্যৱহাৰ কৰিব পাৰে চৰিত্ৰও ভাল হয়। তেনে বান্দীকে বিয়া কৰাই অনা ভাল। সুন্দৰী হ লেও বেয়া মানুহৰ ছোৱালী আনিব নালগে। তেনে ছোৱালীৰ চৰিত্ৰ ভাল নহব পাৰে ভাল কথা ভাল ব্যৱহাৰ নাজানিবও পাৰে কথা বতৰাও ভাল নহব পাৰে।

১০৪৩। ভাল আঞ্জাক ভাতে নাটে।

আঞ্জা সোৱাদ হ'লে বেছি ভাত খাব পাৰি। প্ৰত্যেকেই তেনে ধৰণে বেছি বেছি ভাত খালে হিচাবত বন্ধা ভাতৰ নাটনি হয়।

১০৪৪। ভাল বুলিলে ভলি যায়।
ফলৰ ভৰত মূৰ দোৱায়।।
গুটি লগা গছ যেনে সদা তলমূৰ।
গুণী হলে হয় নম্ৰ ভাবত গধুৰ।।

ফল লাগিলে ফলৰ ভৰত গছৰ ডাল হাওলি পৰে। মানুহৰ গুণ বেছি হ লে গুণৰ ভৰত নম্ৰ হয় গধুৰ ভাৱচিন্তাত মগ্ন হৈ পৰে। তেনে গুণী লোকক প্ৰশংসা কৰিলেও স্বভাৱৰ কোনো পৰিবৰ্ত্তন নহয়। কিন্তু স্বল্প গুণী মানুহে প্ৰশংসা পালে গঙাটোপৰ দৰে ফুলি উঠে অহঙ্কাৰত মতলীয়া হৈ পৰে।

১০৪৫। ভাল ভাল ঘোঁৰাই নেপায় ঘাঁহ।
বতুৱা ঘোঁৰাই বিচাৰে মাহ।।

ভাল ঘোঁৰাক যুদ্ধলৈ নি নানা মাল বস্তু কঢিওৱা হয় গাড়ীও টানিবলৈ দিয়া হয় তেনে ঘোঁৰাক ঘাঁহ দানা পানী যথেষ্ট পৰিমাণে দিব লাগে। তেনে ঘোঁৰাক দিবলৈ

দানা পানী আনকি খাঁহবো অভাৱ হব পাৰে তেনে অৱস্থাত বাটত বেমাৰ হৈ পৰি থকা থোঁৱাই ভাল খাঁহ বিচাৰিলে দিয়াটো সম্ভৱ নহয়। ভাল কৰ্মঠ মানুহে ভাল খাদ্য খাবলৈ নাপালে বেমাৰী মানুহক উপাদেয় খাদ্য দিব নোৱাৰি। তেনেলোকে অভাৱৰ দিনত ভাল খাবলৈ বিচৰা উচিত নহয়।

## ১০৪৬। ভাবেৰে কলে পকা ধানেও বাট এৰি দিয়ে

পকা ধানৰ পথাৰেৰে বাট হ'লে ভৰি গছকত গাত লাগি ধান সৰে। ভালভাবে অনুৰোধ জনালে ইকাতি সিকাটি হৈ পকা ধানে বিশেষ দৰ্কাৰত বাট দিব পাৰে। অৰ্থাৎ গিৰীহঁতে বিশেষ দৰ্কাৰ অনুভৱ কৰিলে মিনতি কৰা জনক। নিজৰ ক্ষতি স্বীকাৰ কৰিও পকাধানৰ মাজেৰে বাট দিয়ে। আৱশ্যকতা দেখুৱাই সনম্ৰে অনুৰোধ জনালে হৃদয়ৱান লোকে নিজৰ ক্ষতি কৰিও আনৰ উপকাৰ কৰে।

## ১০৪৭। ভায়ে ভায়ে কন্দল লাগে পৰে পায় আশ।
## তিৰী মৰদৰ কন্দল লাগে ঘৰেই পৰবাস।।

ভাই ককাই কেবাজনো থাকিলে আনে অনিষ্ট কৰিবলৈ সাহস নকৰে। ভাই ককাইৰ ভিতৰত হাই দন্দ লাগিলে মনোমালিন্য ঘটিলে আনে জোকাবলৈ অনিষ্ট সাধন কৰিবলৈ সুবিধা পায়। ঘৰৰ তিৰোতাজনী ঘৰৰ লক্ষ্মী। তেও সন্তুষ্ট হৈ থাকিলে পুৰুষজনৰ লগত মিলেৰে থাকিলে ঘৰখন সুখৰ হয়। স্ত্ৰী পুৰুষৰ মনোমালিন্য ঘটিলে ঘৰখনত কোনো সুখ শান্তি নাথাকে। তেতিয়া ঘৰখনেই প্ৰবাসৰ দৰে ভয়ৰ ঠাই হৈ পৰে।

## ১০৪৮। ভীমৰ ভাও ল'লে গদা ঘূৰাব জানিব লাগে

গদা ঘূৰোৱাত পাৰ্গত কাৰণে ভীমক গদাধৰ মধ্যম পাণ্ডৱ বুলি কোৱা হয়। গদা ঘূৰাব নোৱাৰিলে ভীম নামৰ সাৰ্থকতা নাথাকে। ভীমৰ ভাও দিবলৈকো গদা ঘূৰাবলৈ জানিব লাগে। গতিকে যিয়ে যি কামৰ ভাৰ লয় সেই কাম কৰাৰ সামৰ্থ্য তেওঁৰ থকা উচিত। বৰ মানুহ হ'বলৈ হ'লে বৰ মানুহৰ স্বভাৱ চৰিত্ৰ প্ৰকাশ কৰিব লাগে। দেশৰ আৰু দহৰ উপকাৰ কৰাৰ ক্ষমতা অৰ্জন কৰিব লাগে।

## ১০৪৯। ভীমক মানিলে গদাকো মানিব লাগে।

ভীমৰ লগত গদাৰ অপৰিহাৰ্য্য সম্বন্ধ। ভীমলৈ মনত পৰিলে গদাৰ কথা আহিবই। গতিকে ভীমক মানিলে গদাকো মনা উচিত। গুৰু গোঁসাই মানিলে তেখেত সকলৰ আদেশ উপদেশ মতে চলা উচিত।

## ১০৫০। ভুকা কুকুৰে নাকামোৰে।

বেছিকৈ ভুকা কুকুৰে নিজৰ দুৰ্বলতা হে প্ৰকাশ কৰে। সি আগবাঢ়ি গৈ আন পৰক আক্ৰমণ নকৰে। বহু সময়ত সি যে কৰ্মীয়া তাকেহে জনাই দিয়ে আৰু

অভ্যাগতক সাৱধান কৰি দিয়ে। সেইদৰে ৰৰকৈ খং দেখুৱাই গালি দুলি পৰা লোকে অনিষ্ট কৰিবলৈ নাযায় প্ৰতিবাদ হে জনায়।

১০৫১। ভুকুতে কল নপকে।

কল পকিবলৈ সময় লাগে। ভুকুৱাই কল পকাব নোৱাৰি। ভুকুৱাই পকোৱা কলৰ সোৱাদ নাথাকে। সেইদৰে নিখুঁত কামৰ সমাপ্তি ঘটাবলৈ সময়ৰ দৰ্কাৰ। ততাকৈয়াকৈ কৰা কাম ভাল নহয়।

১০৫২। ভূতৰ মুখত ৰাম নাম
মেকুৰীৰ বাস কাশীধাম ।

ভূতে ৰাম নাম শুনিলে আঁতৰি পলায়। গতিকে ভূতৰ মুখত ৰাম নাম নোলায়। মেকুৰীয়ে পুণ্য সঞ্চয়ৰ কাৰণে কাশীধামলৈ নাযায়। কিবা খোৱা পোৱাৰ আশাত যাব পাৰে। ৰাম নামে মানুহৰ পাপ নাশ কৰে কাশীৰ নামেই মনত পৱিত্ৰতা আনি দিয়ে। ধৰ্ম নুবুজা লোকে ৰাম নামৰ মাহাত্ম্য বুজি নাপায়। তীৰ্থস্থানবো মহিমা বুজিব নোৱাৰে। তেনে লোকে ৰাম নাম ললে কাশীধাম আদি পুণ্যক্ষেত্ৰলৈ গ'লে আচৰিত হবলগীয়া কথা হৈ পৰে।

১০৫৩। ভেদ দণ্ড সাম দান
ই চাৰি ন্যায়ৰ জান।

কোনো ঘটনাৰ ন্যায় বিচাৰ পাবলৈ হলে ঘটনাৰ লগত জড়িত লোক সকলৰ মাজত ভেদ ভাবৰ সৃষ্টি কৰিব লাগে। তেতিয়া সত্য কথা লুকাই নাথাকে। অভিযুক্ত লোক সকলৰ পৰা আচল কথা ওলাই নপৰিলে তেওলোকে আচল কথা লুকাই থৈছে বুলি বুজিব লাগে। তেনে অৱস্থাত দণ্ডৰ বিধান কৰি সত্য কথা উলিয়াবলৈ যত্ন কৰিব লাগে। মৰম চেনেহৰ জৰিয়তেও প্ৰকৃত সত্তেদ উলিয়াব পাৰি। পুৰস্কাৰ আদি ঘোষণা কৰিলেও সত্য ওলাই পৰিব পাৰে। ন্যায় বিচাৰ কৰিবলৈ এই চাৰিটা উপায়ৰ একাধিক বিধান কৰিব লাগে।

১০৫৪। ভৃত্যৰ চাল চলনত প্ৰভুৰ মৰ্য্যাদা প্ৰকাশ হয়।

ভৃত্যই প্ৰভুক কি দৰে মান সন্মান কৰে প্ৰভু বা গৰাকীৰ বচন কি ধৰণে মানে। অতিথি অভ্যাগতক কেনে ধৰণে শুশ্ৰূষা কৰে আৰু তেওঁৰ চাল চলন কেনে ইত্যাদিৰ দ্বাৰা গিৰীহঁতক কৰা মান মৰ্য্যদা প্ৰকাশ পায়। সেই কাৰণে নিজৰ মান-সন্মান ৰক্ষাৰ কাৰণে চাকৰ বাকৰক সুশিক্ষা দিব লাগে।

১০৫৫। ভোকৰ ভাত পিয়াহত পানী
ভাক নাপালে বল হয় হানি।

ভাত পানী স্বাস্থ্য ৰক্ষাৰ কাৰণে দৰ্কাৰ। ভোকত ভাত পিয়াহত পানী খাবলৈ নাপালে স্বাস্থ্য হানি হয়। বল শক্তি কমি যায়। কেবাদিনো ভাত পানী খাবলৈ নাপালে জীৱনবো সংশয় হয়।

১০৫৬। ভোকত ভাত পিয়াহৰ পানী
যি নিদিয়ে সি কিহৰ জ্ঞানী।

ভোকাতুৰক অন্নদান তৃষ্ণাতুৰক জলদান পুণ্যৰ কাম। যি নিদিয়ে তেও অজ্ঞানী। ভোকত ভাত পিয়াহত পানী দিবলৈ যত্ন কৰিব লাগে। জ্ঞানী লোকে এই দুবিধ বস্তু দিবলৈ পৰাঙ্মুখ নহয়।

১০৫৭। ভোক হে ভাতৰ আঞ্জা।

ভাতৰ লগত আঞ্জা খোৱা হয়। আঞ্জাই ভাতৰ সোৱাদ বঢ়ায়। ভোক লাগিলে আঞ্জা থাককেই বা নাথাকক শুদা ভাত খাইও মানুহে তৃপ্তি পায়। অৰ্থাৎ ভোকেহে ভাতৰ সোৱাদ লগায়।

১০৫৮। ভোগাই নাম লয়,
পানী কাহুদিবে ভাত খায়।

ভোগাই নামৰ অৰ্থ ভোগ কৰোঁতা। অৰ্থাৎ যি ভাল ভাল খাদ্য বস্তু খাবলৈ পায় তেওক ভোগাই বোলে। সাধাৰণতে অৰ্থৰ সৈতে মিল ৰাখি মানুহৰ নাম ৰখা নহয়। পানী কাহুদিৰ ভাত খোৱা জনৰ নামো ভোগাই থব পাৰে। অন্ধজনৰ নাম পদ্মলোচন দুষ্ট লোকৰ নাম সাধু হ'ব পাৰে। গতিকে নামলৈ চাই মানুহৰ আকৃতি প্ৰকৃতি ধৰিব নোৱাৰি।

১০৫৯। ভোজনৰ আগ নামৰ পাছ।

ভোজলৈ নিমন্ত্ৰিত হলে আগতীয়াকৈ যোৱা উচিত। পাছ পৰিলে খাদ্য সম্ভাৰৰ অভাৱ ঘটিব পাৰে।নামলৈ গলে শেহভাগত গলেও হয় কাৰণ নামৰ প্ৰসাদ আদি শেহত হে ভগোৱা হয়।

১০৬০। ভোজনৰ ৰস যদি পৰশে আহি,
নৌকাৰ ৰস যদি লোকে নিয়ে বাই (ডাক)

মাক জনীয়ে ৰান্ধি বাঢি দিলে লৰা ছোৱালীয়ে তৃপ্তিৰে খায়। আনে বন্ধাবঢা কৰিলে সিমান সোৱাদ নাপায়। আনে বাই নিলে নাওত উঠি সুখ পোৱা যায়। আৰামত যাব পাৰি।

১০৬১। ভোজনতকৈ বচন মিঠা।

বৰ ভালকৈ তৃপ্তি পলুৱাই খুৱালেমানুহে খাই ভাল পায়। তেনে ভোজন সদায়

পোৱাটো সম্ভৱ নহয়। গতিকে সেই ভোজনৰ সোৱাদ বেছি দিন নাথাকে। মিঠা মাতৰসোৱাদ বহু দিনলৈ থাকে। মিঠা মাতেৰে কথা কোৱা মানুহজনলৈ সততে মনত পৰে। অকল খাবলৈ দিলেই নহয়। লগতে যদি মিঠা মাত দিব পাৰে তেন্তে সেই খাদ্য বেছি সোৱাদ আৰু তৃপ্তিদায়ক হয়।

১০৬২। ভোজন গমন মৰণ বাণী

ডাকে বোলে ইয়াক নাজানি।

কেতিয়া ক'ত কি খাবলৈ পোৱা যায় কেতিয়া কলৈ যাব লাগে কাৰ কেতিয়া ক'ত মৃত্যু হব এই কথা কোনেও কব নোৱাৰে বুলি ডাক ভনিতাত আছে। চৰণেহে জানে মৰণৰ ঠাই। যাৰ য ত মৰণ আছে তালৈকে গৈ মৃত্যু বৰণ কৰে।

# ম

**১০৬৩। মই হৰিণা পৰৰ খাওঁ**

**শুনিব নোৱাৰোঁ অতিথিৰ নাও**

হৰিণাই ঘাঁহ বন খাই জীৱন নিৰ্বাহ কৰে নিজৰ বুলিবলৈ একো নাই লোকক দিবলৈও একো নাই। সেই নিচিনা লোকৰ ঘৰত কাম কৰি অথবা খুজি মাগি খোৱা মানুহে নিজৰ পেট পূৰাবলৈকে টান পায়। অতিথি আলহী আহিলে দিবলৈ একো নাথাকে। গতিকে অতিথি নাম শুনিব নোখোজে।

**১০৬৪। মইৰৰ হস্তী নুফুৰে বনত**

**মাখিয়ে কণী পাৰে তাৰে গালত।**

মই বৰ ভাৰত মতলীয়া হৈ থকা হাতীয়ে যদি হ্রবিবনত ফুৰি গছ পাত আদি খাই নুফুৰে ভেম জুৰি বহি থাকে খাবলৈ নপাই মৰে। মৰা হাতীত মাখি পৰে আৰু গেলা পচা অঙ্গবোৰত কণী পাৰি দুৰ্গন্ধ বিয়পায়। সেইদৰে যি জন লোকে ক্ষমতাৱন্ত হৈও নিজৰ খোৱা মুঠিৰ চিন্তা নকৰে কোনোবাই দিবহি বা কোনোবাই মাতি নি খুৱাব বুলি ভাবি থাকে তেওঁৰ পেট নভৰে। খাবলৈ নাপাই শুকাই খীণাই মৃত্যুও হব পাৰে। গতিকে মই বৰভাবে পেট পূৰ নকৰে। জীয়াই থাকিব লাগিলে নিজে পৰিশ্ৰম কৰি খাদ্যাদি সংগ্ৰহ কৰিব লাগে।

**১০৬৫। মদাৰ গছৰ পাণ খবলৈহে ভাল পাৰিবলৈ বৰ টান।**

মদাৰ গছত বগাই উঠা পাণ খাবলৈ সোৱাদ। মদাৰ গছত কাঁইট থকা হেতু পাৰিবলৈ কষ্ট হয়। ভাল বস্তু সহজতে পোৱা নাযায়। পাবলৈ কষ্ট কৰিব লাগে। বিনা পৰিশ্ৰমে ভাল খাবলৈ পিন্ধিবলৈ নাপায়।

**১০৬৬। মন কৰিলে ছন**

**বাকৰিতো পায় ধন।**

মনৰ দঢ়তাই কৃতকাৰ্য্যতাৰ গুৰি।মন দৃঢ় কৰি কাম কৰিলেই কামত সফলতা লাভ কৰিব পাৰি। মন কৰিলে বাকৰিতো শস্য উৎপান কৰি লাভবান হব পাৰি।

**১০৬৭। মনকে বান্ধিবা মনকে ছাটিবা**

**মনকে নিদিবা লাই।**

**অবুজন মনকে বুজাব নোৱাৰি**

**যেন গজ–মূৰী গাই।**

মনেই ভাল বেয়া কামৰ মূল। মনক মাতঙ্গ বা হাতী বুলি কোৱা হয়। মনক যি ফালে যাবলৈ দিয়া হয় সেই ফালে অবাধে গতি কৰে। মনে গজমূৰী গাইৰ নিচিনাকে ধ্বংস কৰে। মন অবুজন বুজালে নুবুজে। গতিকে শাসনত ৰাখি মনক সৎপথে ধাৱিত কৰিব লাগে।

**১০৬৮। মনে খন্দা পুখুৰীত পানী নোলায়।**

মনেৰে বহুকাম কৰিবলৈ পাঙি থকা হয়। মনদৃঢ কৰি কামত নালাগিলে পাঙি থকা কাম কাৰ্য্যত প্ৰতিফলিত নহয়। পুখুৰী খান্দি পানী পাব পাৰি বুলি ভাবি কামত নালাগিলে সেই পুখুৰীৰ পানী খাবলৈ পোৱা নাযায়।

**১০৬৯। মনে খোজে ৰজা হব।**
**বিধাতাই নিদিয়ে খুজি খাব।**

মনেৰে বহু কল্পনা কৰিব পাৰি। ৰজা হোৱাৰ কথাও চিন্তা কৰিব পাৰি। চিন্তা বা কল্পনা কৰিলেই মানুহৰ সিদ্ধি লাভ নহয়। ভাগ্যই হে সকলোৰে গৰাকী। বিধাতাই যদি ভাগ্যত লিখি থৈছে সেইমতে কাম হয় কল্পনা কৰিলেই কাম নহয়।

**১০৭০। মনে জানে পাপ চিত্তে জানে পাপ**
**মাকেহে জানে কোন কাৰ বাপ।**

মনে পাপ কাম কৰিছে নে পুণ্যৰ কাম কৰিছে জানে। অন্তৰেৰেও পাপপুণ্য অনুভৱ কৰিব পাৰে। গোপনে কৰা কামৰ কথা কৰোতা জনেহে জানে প্ৰকাশ কৰিবলৈহে টান লাগে মাকে তেওৰ গৰ্ভস্থিত বা তেও জনম দিয়া সন্তনটিৰ দেউতাক কোন কব পাৰে। আনে নাজানে।

**১০৭১। মৰমৰ চুমাই নাকটি ছিঙে**

মৰম অতি ভাল গুণ। মৰমেৰে বহুতকে আপোন কৰি লব পাৰি। নাকটিত পিন্ধা অলঙ্কাৰ বেছি গধুৰ হলে নাকটি ছিঙে। সেইদৰে বেছি মৰম কৰিলে লৰা ছোৱালী নষ্ট হয় মাক দেউতাকৰ দুখৰ কাৰণ হৈ পৰে।

**১০৭২। মৰাৰ সলনি লাথি খোৱাই ভাল।**

মৰণ জীৱনৰ শেষ সীমা। মৃত্যুৰ পাছত আশা আকাঙ্খাবো সামৰণি পৰে সংসাৰখন সুখ দুখে ভৰা যদিও কোনো প্ৰাণীয়ে সংসাৰ এৰি যাবলৈ ইচ্ছা নকৰে। সুখৰ মৌকোঁহ ইযাতে আছে। দুখ কষ্ট জীয়াতু ভোগ কৰিও মৰিবলৈ ইচ্ছা নকৰে। লোকৰ লাথি চৰ খাই হলেই জীয়াই থকাৰ কামনা কৰে।

**১০৭৩। মৰাৰ খৰি ৰজাৰ কড়ি।**

মৰা মানুহক খৰি কাঠ জাপি পুৰি পেলাব লাগে। অতি মৰমৰজন হলেও অসাৰ দেহাটি পুৰি সংকাৰ কৰিব লাগে নহলে তাৰ পৰা দুৰ্গন্ধ ওলাই স্বাস্থ্য হানি কৰিব পাৰে। ৰজাৰ খাজনা দিব লাগে। নহলে ৰাজৰোষত পৰি দণ্ড ভৰিব লগীয়া হব লাগে। ৰজাৰ খাজনা গুৰুৰ কৰ দিয়া উচিত।

**১০৭৪। মৰাৰ লগত জীয়াই থায়।**
**জীয়াই এৰিলে পেলনি যায়।**

**আত্মা অবিনশ্বৰ ই নাথাকিলে পঞ্চভূতী দেহ মৃত। এই মৃত বুলি কল্পনা কৰা দেহটো শ্ৰীবৃদ্ধিৰ কাৰণে নানা খাদ্য গ্ৰহণ কৰি আত্মাৰো স্থিতি ৰক্ষা কৰে। গতিকে জীৱৰ দেহৰ লগতে আত্মায়ো খাদ্যাদিৰে তুষ্ট হৈ থাকে। সেই আত্মাই জীৱ দেহ এৰি গ লে দেহ অচেতন হৈ গেলি পচি পেলনীয়া বস্তু হৈ পৰে। আত্মাক ৰক্ষা কৰা জীৱ মাত্ৰৰে কৰ্ত্তব্য।**

**১০৭৫। মৰা গৰুৰ ছালে বেবায়।**

গৰু ছাগলী ম'হ মৰিলে ছাল চেলাই ৰদত শুকুৱাই তাৰে ঢোল দগৰ আদি তৈয়াৰ কৰে। সেই ছালৰ ছেঙনিৰ কাৰণে ঢোল খোল আদিৰ মাত ওলায়। তাক বেবায় বুলি কোৱা হৈছে।

**১০৭৬। মৰাৰ সময়ত উইচিৰিঙাৰ পাখি গজে।**

উঁই উইচিৰিঙা আদিয়ে উৰিব নোৱাৰে। সিহতৰ পাখি নাই। কিন্তু মৃত্যু ওচৰ চাপিলে পাখি গজে আৰু উজ্বল বস্তু জুই আদিত পৰি মৰে। মানুহৰো মৃত্যুৰ ক্ষণ আহিলে উদ্ভগুলি বেছি হয় আৰু নকৰিবলগীয়া কৰি মৃত্যু বৰণ কৰে

**১০৭৭। মৰাৰ সময়ত মানুহে হাত ভৰি আঁচোৰে।**

দুখ কষ্ট বিপদ বিঘিনি থাকিলেও স সাৰত জন্ম গ্ৰহণ কৰি কোনেও আঁতৰি যাবলৈ ইচ্ছা নকৰে। মৰিবৰ সময়ত সেই কাৰণে হাত ভৰি আঁচুৰি ৰক্ষা পাবলৈ যত্ন কৰে।

**১০৭৮। মৰাৰ ওপৰত খোৰাই খ, সাৰে।**

খোৰাই বেগাই যাব নোৱাৰে কোনোবাই তাৰ অনিষ্ট কৰি দৌৰিলে সি প্ৰতিশোধ লব নোৱাৰে। কোনো মৰা মানুহ গৰু বা ছাগলী পালে তাতেই তাৰ খ সাৰে। খ প্ৰতিশোধ পৰায়ণ। খ উঠিলে প্ৰতিশোধ লব পাৰিলেহে মনত শান্তি পোৱা যায়।

**১০৭৯। মৰিলে গাঁতে আটিব জীলে ভাতে আটিব।**

ভগৱানে জীৱ সৃষ্টি কৰাৰ লগত খাদ্যদিৰো দিহা কৰি থয়। গতিকে খাবলৈ নাপাই অতি কম স,খ্যক প্ৰাণীৰ দেহাৱসান ঘটে। অখাদ্য খাইহে বহুতো মৰে। জীয়াই থাকোঁতে পৃথিৱীত একণি ঠাই পোৱাৰ দৰে মৰাৰ পাছতো পুতি থবলৈ গাঁত এটা পাব।

**১০৮০। মৰিলে কান্দোতা নাই,**
**হাৰিলে বিচাৰোঁতা নাই।**

বন্ধু বান্ধৱ আত্মীয় কুটুম নথকা নিঠৰুৱা লোক মৰিলে কাৰো গা নুদুখায়। তেনে লোক মৰিলে কোনেও নাকান্দে কেনিবা হেৰাই গ'লে কোনেও বিচাৰি নাযায়। গতিকে সংসাৰত থাকিলে আত্মীয় কুটুমৰ উপৰি বন্ধু বান্ধৱ থাকিব লাগে। নিঠৰুৱা হ'ব নালাগে।

১০৮১। মৰিলে যম জীলে ঈশ্বৰ

জন্ম মৃত্যু জীৱ জগতৰ স্বাভাৱিক ৰীতি। জন্মিলে মৰিব লাগে। জীয়াই থকা দিন কেইটাত দুখ কষ্ট পালে মানুহে কণা বিধাতা বুলি ঈশ্বৰক গালি পাৰে। মৃত্যু হ'লে নিৰ্দয় যম বুলি যমক দোষ দিয়ে। দুখ কষ্ট মৰণ মানুহৰ কৰ্মদোষত হয় তাকে নুবুজি ঈশ্বৰ আৰু যমক দায়ী কৰাটো অনুচিত।

১০৮২। মৰে বামুণ কাটে খৰি
তেতিয়াও বিচাৰে দক্ষিণাৰ কড়ি।

আগত দিনৰ বামুণে যজমানি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। এতিয়াও বহুতে কৰে। যজমানি কৰা বামুণসকলে দুখীয়া টকা পইচাৰ চিন্তাত থাকে। যজমানি কৰা দান দক্ষিণা ক'ৰবাত বাকী থাকিলে বামুণৰ মন তাতে থাকে। পোৱাৰ আশা পুহি ৰাখে। মৰণ কালৰ অন্তিম সময়ত অৰ্থাৎ বামুণ মৰিব এই ভাবি বন্ধু বান্ধৱ আত্মীয় কুটুমে খৰি কাঠ সংগ্ৰহ কৰাৰ সময়ত বামুণে আন কথা নকৈ কাৰোবাৰ পৰা পাব লগীয়া দক্ষিণাৰ পইচাৰ কথাহে কবলৈ বিচাৰে।

১০৮৩। মৰীয়াৰ দিম দিম কমাৰৰ কালি
মাছ মৰীয়াৰ বৌ মাছ হাতে হাতে পালি।

মৰীয়াক কিবা বাচন বৰ্তন তৈয়াৰ কৰিবলৈ দিলে তেওলোকে দিম ৰব হব দিম অপেক্ষা কৰক বুলি কৈ বহু দিন লগায়। কমাৰক দা কুঠাৰ গঢ়িবলৈ দিলে কালিলৈ দিম কালিলৈ দিম বুলি হোঁহোকাই থাকে। মাছ মৰীয়াই বৌমাছ পালেই দিম বেছি সময় নালাগে অলপ ৰব বুলি কৈ সময় মতে দিব নোৱাৰে। সেই কাৰণে এই সকলৰ কথা বিশ্বাস কৰিব নালগে।

১০৮৪। মৰো বুলি নাৰ্জিলে জীলে খাব কি?

মানুহৰ মৃত্যু অৱশ্যম্ভাৱী। মৰিমেই যেতিয়া আয় উৎপন্ন কৰি লাভ কি? এনে এটি ভাব মানুহৰ মনত খেলাব পাৰে। মৃত্যু কেতিয়া হয় তাৰ কোনে ঠিকনা নাই। জীয়াই থকা দিন কেইটা খাই বই থাকিবলৈকে ধন ধান উপাৰ্জন কৰিব লাগে। মৰিম বুলি ভাবি উপাৰ্জন নকৰিলে খাবলৈ নেপাই সোনকালে মৃত্যুৰ মুখত পৰিব লগীয়া হয়। সেই কাৰণে মৰণৰ কথা চিন্তা নকৰি ক্ষমতানুযায়ী উপাৰ্জন কৰিব লাগে।

১০৮৫। মৰো যদি ৰাপুৰ চুণ খায়ে মৰো।

মানুহৰ মৰণ হ'বই মৰাৰ কাৰণ থকা দৰ্কাৰ। এনেই মৰিলে আত্মঘাতী হোৱা বুলি কোৱা হয়। আত্মঘাতী হোৱাটো পাপ কাম। সেই কাৰণে কিবা এটা হেতু থাকিব লাগে। আন হেতু নাপালে বাপুৰ চূণ খাই মৰিব পাৰিলেও ভাল।

১০৮৬। মৰে উকলি পুতা
মৰে পদুলি সুতা।
মৰে অলপ পানীৰ মাছ
মৰে নদীৰ গুৰিৰ গাছ।

যাৰ কোনো থানথিত নাই লোকৰ কথাত উটি ভাহি ফুৰে তাৰ মৰণ যেতিয়াই তেতিয়াই হ'ব পাৰে। যি লোকে লোকৰ পদুলি সুঁতি ফুৰে তেনে চুলং লোকৰ বিপদ হয়। অলপ পানী থকা মাছ পানী শুকালে মৰে। নদীৰ দাঁতিত থকা গছ খহনিয়াত বাগৰি পৰে। চাৰিওৰে মৃত্যু সহজে হ'ব পাৰে।

১০৮৭। মৰণ কালত দৰবে গুণ নিদিয়ে।

দৰবেঁ ৰোগ ভাল কৰে। যাৰ মৃত্যু অনিবাৰ্য্য তাক দৰবে গুণ নিদিয়ে। ভাল ভাল বেজ জ্ঞানী আনিও ৰোগীক ভাল কৰিব নোৱাৰে। বেজ জ্ঞানীৰ বদনাম হয়।

১০৮৮। মলমূত্ৰ, বা ইয়াক নিদিবা ঠাই,
ওচৰ চুবুৰীয়ক সাৱধান কৰিবা
ককাই কেশ্যাবাৰী যায়।

গু মূত আৰু অন্তৰ বায়ু এই তিনিবিধক ধৰি থব নালাগে। ইয়ে দেহৰ অনিষ্ট সাধন কৰে। মনে সদায় উদণ্ড হ'বলৈ বিচাৰে। ইন্দ্ৰিয়বোৰৰ প্ৰলোভনত পৰি মনে বেয়া কাম বোৰ কৰে। মনে যাতে বেয়া কামত প্ৰলুব্ধ হ'ব নোৱাৰে তাৰ কাৰণে বিবেক আত্মসম্মান বংশ মৰ্যাদা আদি চুবুৰীয়া সকলক সজাগ কৰি থব লাগে।

১০৮৯। ম'হ বামুণ ৰৰা
পানী নহলে তিনিও মৰা

ম'হ ৰৰা (গাহিৰ)ৰ ছাল ডাঠ। গৰম সহ্য কৰিব নোৱাৰি বোকা পানীত লেটি লৈ থাকে। পানী নথকা ঠাই ইহঁতে বাস নকৰে। বামুণ সকলেও গা পা ধুবলৈ পূজা অৰ্চনা কৰিবলৈ পানী বিচাৰে। খাদ্য তৈয়াৰ কৰিবলৈ চাফচিকোণ হ'বলৈ পানী সকলোকে লাগে। পানী সকলো প্ৰাণীয়ে খায়। ম'হ গাহৰি আৰু বামুণ সকলক পানী নহ'লে নচলে। পানীৰ অভাৱত এই সকল জীয়াই থাকিব নোৱাৰে। পানীয়ে জীৱৰ জীৱন।

১০৯০। মহন্ত চিন মাহনিত
বুঢ়া গৰুৰ চিন ঘাঁহনিত।

মাহনি সোমাই যি জনে মাহ নাখায় তেৱেঁ সৎলোক বা মহন্ত। গৰুৱে ঘাঁহনিত সোমাই ঘাঁহ খাবলৈ নোৱাৰা গৰুটিয়ে বুঢ়া গৰু। প্ৰচুৰ খাদ্য বস্তু দেখি যি জনে

লোকৰ বস্তুলৈ লোভ নকৰে তেওঁকে মহন্ত বুলি আৰু যাঁহ প্ৰচুৰ থকা স্বত্বেও যি গৰুৱে পেট ভৰাই খাব নোৱাৰে সেইটিয়ে বুঢ়া গৰু বুলি জানিব লাগে। প্ৰাচুৰ্য্যৰ মাজত থাকিও যি সকলে লোভ সম্বৰণ কৰিব পাৰে তেওঁলোক সাধু অথবা বুঢ়া বুলি জানিব লাগে।

১০৯১। মহন্তে নাদৰে যাক
কেৰে ভাল নোৱোলে তাক।
মহন্তে আদৰে যাক
তাতো লাগে হাতীৰ পাক।।

সাধু মহন্তসকলে সদগুণী সদাচাৰী সকলকহে আদৰ কৰে। মহন্তসকলে যাক আদৰ সাদৰ নকৰে সেই সকলক কেৰে ভাল নোৱোলে। মহন্তই যাক আদৰ সাদৰ দেখুৱায় তেওলোক মহন্তৰ আদৰ পোৱা বুলি যদি ভেম দেখুৱায় তেনে লোকক মানুহে বেছি বেয়া পায়। আনৰ আদৰ সাদৰ সকলোৰে কাম্য। ভাল মানুহৰ আদৰ পাই ভাল হোৱা উচিত। তাৰ পৰিবৰ্তে যদি অহঙ্কাৰী বা নিজকে বৰ মানুহ বুলি জহাই ফুৰে তেনেলোকক কোনেও ভাল নাপায় বৰঞ্চ ঘৃণাহে কৰে।

১০৯২। ম'হতকৈ শিং চৰা।

ম হ জন্তুটো যিমান ওখ তাৰ শিং যোৰ তাতকৈ ওখ হৈ জিলিকি থাকে। সেইদৰে কোনো এখন বস্তুৰ যিমান মূল্য হোৱা উচিত তাতকৈ বহুত বেছি হ লে অথবা এজন লোকে যিমান জ্ঞানী তাতকৈ বেছি বুলি দেখুৱালে এই প্ৰবচনটি ব্যৱহাৰ কৰা হয়।

১০৯৩। মহৰ শিঙত ককিলাৰ ডাঁৰ।

কোনে অঙ্গত মৰা তেজ জমা হ লে ককিলা মাছৰ জোঙা জোঙা দাঁতেৰে সেই মৰা তেজ উলিয়াই পেলোৱা হয়। ম'হৰ শি টান তাত ককিলা মাছৰ ডাঁৰ নেসোমায়। ম'হৰ শিঙত মৰা তেজো জমা নহয়। গতিকে ম'হৰ শিঙত ককিলাৰ ডাৰ মৰা কাৰ্য্য তেনেই অলাগতিয়াল। অলাগতিয়াল কাম কৰা উচিত নহয়।

১০৯৪। মহাজনৰ বাটেহে পথ। (মহাজনো যেন গত সঃপন্থা।)

সংসাৰত ধৰ্ম বহুতো। বহুতে কোনেটো ধৰ্ম লব কোন ধৰ্মমতে চলিলে দেহৰ আৰু দহৰ উপকাৰ হয় তাৰ তত্ত্ব বুজিব নোৱাৰে। সাধু, সন্ত মহন্তসকলে যি পথ লয় তাকে অনুসৰণ কৰি চলিলে কোনো অমঙ্গল হোৱাৰ ভয় নাথাকে। গতিকে মহাজন সকলৰ পথেই উৎকৃষ্ট পথ বুলি বুজিব লাগে।

১০৯৫। মহাদেৱৰ ধন কুবেৰ ভঁড়ালী

মহাদেৱ দিগম্বৰ। গাত ভস্ম সানি লয়। লাহ বিলাহ একো নাই। ভাঙত হোপা দুটামান মাৰিলেই তেওঁৰ হয়। গতিকে তেওঁৰ খৰচ বুলিবলৈ নাই। কিন্তু জগতৰ সকলো ধনৰ গৰাকী মহাদেৱ। কুবেৰ মহাদেৱৰ ধন ভড়ালী কুবেৰে ধন খৰচ নকৰে। ধনৰ ভঁড়াল চাইহে ভাল পায়। গতিকে ধনৰ অধিপতি হ'লেও তেওলোকে ধন খৰচ কৰিব নোৱাৰে। ধন খৰচ কৰিব নোৱাৰা ধনী লোকক সেই কাৰণে ধন কুবেৰ বুলি কোৱা হয়। তেনে লোকৰ ধনৰ সদব্যৱহাৰ নহয়।

১০৯৬। মহাপাপীৰ লগত যমদূতৰ শাস্তি।

যমদূতে মৃতক সকলৰ জীৱ ধৰি নি যমৰ নগৰত জমা দিব লাগে। কৰ্ম অনুসৰি জীৱক নৰকলৈও নিব লাগে। মহাপাপীৰ লগত যম দূতৰ নৰক দৰ্শন হয়। কৰ্ম গতিকে যম দূতেও শাস্তি খাব লগীয়া হয়।

১০৯৭। মাইকীৰ চিত কৃপণৰ বিত।

কৃপণ লোকে সহজতে ধন খৰচ নকৰে। মাইকী মানহেও নিজৰ অন্তৰ সহজতে লোকক নিদিয়ে। কৃপণৰ ধন পাবলৈ যেনেকৈ ধৰ্মৰ কথা কব লাগে ভৱিষ্যত লাভৰ কথা কব লাগে। মাইকী মানুহৰ চিত পাবলৈ বহু ধৰণৰ মনভুলোৱা কথা কব লগীয়া হয়।

১০৯৮। মাউথে উটিলে গুৰি পুৰুৰাৰ মৰণ নাই।

গুৰি পৰুৱা তেনেই নগণ্য প্ৰণী। সিহঁতৰ একতাৰ বান্ধ বৰ বেছি। পানীত পৰি উটি ভাহি গ'লে সিহঁত মৰে কিন্তু বহুত পৰুৱাই মখা বান্ধি ল'লে সিহঁত নমৰে। তেনেদৰে মানুহ গুটীয়া ভাবে থাকিলে বিপদত ৰক্ষা নোপোৱা হয়। সকলো মিলি এক হৈ থাকিলে কোনেও অনিষ্ট কৰিবলৈ সাহস নকৰে। একতাৰ বলেৰে বহু ডাঙৰ কামো কৰিব পাৰে।

১০৯৯। মাকতকৈ জীয়েক কাজী।
ঢেঁকী থোৱাৰে বটে পাঁজি।

মাক চাই জীয়েক। মাক কাজী হ'লে জীয়েক কাজী হোৱাটো স্বাভাৱিক। মাক খুপুৰী হ'লে জীয়েকো খপৰী হয়। কোনো ছোৱালী মাকতকৈ কাজী দেখুৱাবলৈ গৈ ঢেঁকী থোৱাৰে পাঁজি বটিবলৈ আৰম্ভ কৰে। কাজী মাকৰ ছোৱালী অচ বাবৰ প্ৰক ব্যৱহাৰ নাজানি মাকৰ দৰ্শমহে কৰে গতিকে ঘৰ সংসাৰ চলোৱা সুনিপুণ গৃহিণী এগৰাকীৰ ছোৱালী ভালকৈ কাম বন নিশিকাৰ বাবে আলাবাদ্ হ'ব পাৰে। ল বাব ক্ষেত্ৰতো দেউতাকতকৈ বেছি কামিলা দেখুৱাবলৈ গৈ হাঁহিয়াৰত পাত্ৰ হব লগীয়া হয়।

১১০০। মাক গোত্ৰী জী কড়াই ভাজি খায়।
বাপেক গোত্ৰী পো বণিজলৈ যায়।।

সাধাৰণতে মাকৰ কাম কামৰ ধৰণ কৰণ জীয়েক শিকে আৰু বাপেকৰ কাম কাজ পুতেকে শিকে। মাক দেউতাক যি যি কামত পাৰ্গত হয় ছোৱালী আৰু ল'ৰাই সেইবোৰ কামত পাৰ্গত হৈ পৰে। মাকৰ কড়াই ভাজি খোৱাৰ অভ্যাস জীয়েকে শিকে আৰু বাপেকৰ বেপাৰ বনিজ পুতেকে চলাবলৈ শিকিলয়। গতিকে মাক দেউতাকৰ আদৰ্শ নিখুঁত আৰু উন্নত হোৱা উচিত।

১১০১। মাকে নাজানে তাঁতৰ বিহা
জীয়েকৰ গাত ফুলাম বিহা।

তাত ববলৈ জনাটো অসমীয়া তিৰোতাৰ গৰ্বৰ বিষয়। আজি কালি তাঁত ববলৈ নজনাটো এটা আত্ম শ্লাঘাৰ বিষয় যেন হৈছে। আগৰ কালত ঘৰৰ মহিলাই বিধে বিধে কাপোৰ বৈ নিজে পিন্ধিছিল ঘৰৰ সকলোকে পিন্ধাইছিল। আজি কালি বজাৰত বহু ধৰণৰ সাজ পাৰ পোৱা যায। সেইবোৰ কিনি আনি ল'ৰা ছোৱালীক পিন্ধাই গৌৰৱ কৰে। মাকে ভাত ববলৈ নজনাৰ বাবে জীয়েকৰইতেও তাঁতা শালৰ বিহা ব টোলাটা আদি চিনি নোপোৱা হৈছে। বজাৰৰ ধুনীয়া ধুনীয়া ফুলাম বিহা মেখেলা চাদৰ হে ভাল পোৱা হৈছে। সেইবোৰ কাপোৰ যে ঘৰতে বৈ লব পাৰি এই কথা ছোৱালীবোৰে নজানে। অসমৰ শিল্পকলা হ্ৰাস পাইছে কিন্তু ব্যৱহাৰ বৃদ্ধি হৈছে। লোকৰ শিপলৈ বিহ পৰা হৈছে।

১১০২। মাকে শলাগে জী
বাপেকে শলাগে জী
লোকে শলাগিব যাক
সেয়েহে মাকৰ জী
সমাৰ্থক
মাকে শলাগে ভাল
বাপেকে শলাগে ভাল
ওচৰ চবুৰীযাই শলাগে যাক
সেই ছোৱালীহে ভাল।

মাক দেউতাকে [illegible] বোলে ভাল বুলি [illegible]
চুবৰীযাই শলাগে সেইজনীহে ভাল ছোৱালী

১১০৩। মাকে চায় মুখলৈ
তিৰোতাই চায় হাতলৈ

লৰাই কিবা খাবলৈ পাইছেনে নাই মাকে প্ৰথমে তাৰ হে খবৰ লয়। সেইবাবে মাকে প্ৰথম মুখলৈ চায়। ঘৈণীয়েকে হাতলৈ চায় কিবা নতুন বস্তু আনিছে নেকি? তাৰ দ্বাৰা বুজিব পাৰি মাকৰ মৰম নিস্বাৰ্থ তিৰোতাৰ মৰম স্বাৰ্থজড়িত

১১০৪। মাছে নিচিনে নঈ
তিৰোতাই নিচিনে পৈ
কুকুৰে নিচিনে তামতুলসী
ঢোং দাড়ি মুকে দৈ।

মাছে নদী চিনি নাপালে খৰালি কালত মৃত্যুৰ মুখত পৰে। তিৰোতাই গিৰীয়েকক নিচিনিলে সমাজত বিশৃঙ্খল ঘটে। কুকুৰে তুলসী গছৰ মাহাত্ম্য বুজি নাপায়। গতিকে সেই পৱিত্ৰ গছৰ গুৰিত প্ৰস্ৰাৱ কৰে। তাৰ কাৰণে তাৰ গাত ফাঁপৰে ধৰে।

১১০৫। মাছৰ তেলেৰে মাছ ভাজে।

কিছুমান তেলাল মাছ আছে। সেই মাছৰ তেলেৰে মাছ ভাজি খাব পাৰি। তেনে কৰিলে তেলৰ খৰচ কমে। তেনেদৰে বুধিয়ক সকলে ৰাইজৰ পৰা ধন সংগ্ৰহ কৰি। ৰাইজৰ বাবে উমৈহতীয়া মাঙ্গলিক কাৰ্য্য সাধন কৰে। ই বুদ্ধিমানৰ কাম।

১১০৬। মাছ বুলি নাখায় জি জি বুলি খায়।

মাছৰ আন এটা নাম জি জি। সৰু সৰু ল'ৰা ছোৱালীয়ে মাছ শব্দ উচ্চাৰণ কৰিবলৈ টান পোৱা কাৰণেই সম্ভৱ জি জি শব্দৰ প্ৰচলন ঘটিছে। মাছ এবিধ উৎকৃষ্ট খাদ্য। বহু হিন্দুৱে মাছ মাংস নাখায়। ধৰ্মৰ বাধা আহি পৰে। খোৱাৰ একান্ত ইচ্ছা থাকিলে বেলেগ নাম এটা দি খায়। বহুতে কুকুৰাৰ মাংস আৰু কণী নাখায়। কিন্তু বন্য কুকুটৰ মা স আৰু কণী খায়। বস্তু একে বিধেই ভিন নাম এটা দি খোৱাত দোষ নাথাকে। সেইদৰে কোনো কোনোৱে বলি দিয়া ধৰণে কুমুৰা কাটিলে নাখায়। কুমুৰাটো দাখনৰ ওপৰত থৈ কাটিলে খায়। বস্তু একেটাই। এইবোৰ মানুহৰ ছল চাতুৰি।

১১০৭। মাছৰ বল পানীত
চেপাৰ বল ঘানিত।

মাছ পানীত থাকে। পানীত সি চলাচল কৰিব পাৰে। লুকাবও পাৰে। খাদ্য বস্তুও পানীতে পায়। গতিকে পানীত মাছৰ পূৰা মাত্ৰাই বল থাকে। ঘানিত চেপা খাই অকণি অকণি সৰিয়হ তিল আদিৰ পৰা তেল ওলায়। ঘানিৰ চেপা বৰ বলী। বিভিন্ন বস্তুৰ বল বিভিন্ন প্ৰকাৰে বুজিব পাৰি।

১১০৮। মাছৰ লঘু লাওপতি
কুৰ্মৰ লঘু শালপতি।

লাওপতি মাছৰ মঙহ কম সোৱাদো কম। শালপতি সম্বন্ধতো বেছি আদৰ সাদৰ নাথাকে। সকলোটি সমান মূল্যৰ । শহুৰেক শহুৰেকে কাকো কম বেছি বুলি নাভাৱে।

১১০৯। মাছৰ লঘু চেলেকনা
চোৰৰ লঘু সিন্ধি খনা
নৰৰ লঘু সমাজে নকৰে মান
ধনীৰ লঘু ভঁড়ালত নাই ধান।

চেলেকনা মাছ বৰ চঞ্চল আৰু পাতল। সিন্ধি খানি চুৰ কৰা চোৰ তেনেই সামান্য চোৰ। সমাজে যাক মান নকৰে তেওঁ ব্যক্তিত্ব নথকা সামান্য লোক। যি জনে ধনী বোলায় কিন্তু ভঁড়ালত এটিও ধান থবলৈ সমৰ্থ নহয়। প্ৰকৃত অৰ্থত তেওঁ ধনী নহয়। ভড়ালত ধান নথকা জনক ধনী বুলি কৰ নোৱাৰি। টকা পইচা হাতৰ মলি স্বৰূপ। থাকিলেও নাইকিয়া হবলৈ বেছি সময় নালাগে।

১১১০। মাছৰ নানিবা সৰু কুটা
তিৰীৰ নানিবা বজাৰ লোটা।

মাছৰ সৰু কুটা আনিব নালাগে। সেইবোৰ মাছ খোৱা যেন নালাগে। ধাৰা বচা কৰাতো অসুবিধা। বজাৰে বজাৰে ঘূৰি ফুৰা ছোৱালীৰ চৰিত্ৰৰ দোষ ঘটে। উদণ্ড হয়। তেনে ছোৱালীয়ে কাৰো হাক বচন নামানে ঘৰখনৰ প্ৰতি টান নাথাকে।

১১১১। মাজ মূৰত নাই চুলি
পৈয়েকে মাতে ৰূপহী বুলি।

মাজমূৰত চুলি নথকা টপা তিৰোতা দেখিবলৈ অশুৱনী। গিৰীয়েকক মৰম লগাব জানিলে তেনে তিৰোতাকো গিৰীয়েকে সুন্দৰী ৰূপহী বুলি আকোৱালি লয়।

১১১২। মাজ মূৰত সাপে খাই
ধৰণী বান্ধিবলৈ ঠাই নাই।

সাপে খুটিলে সাপৰ বিষ যাতে সৰ্ব শৰীৰত বিয়পি পৰিব নোৱাৰে তাৰ কাৰণে সাপে খোটা ঠাইৰ ওপৰতে ধৰণী বান্ধ টানকৈ বান্ধিব লাগে। মাজ মূৰত সাপে খুঁটিলে ধৰণী বান্ধিবলৈ ঠাই নাইকীয়া হয়। তেনে অৱস্থাত সাপে খোঁটা মানহুজনৰ মৃত্যু অনিবাৰ্য হৈ পৰে। কোনো কাৰ্য্যৰ অন্তিম পৰ্য্যায়ত বিঘিনি ঘটিলে তাৰ শুধৰণি কৰাৰ অৱকাশ নাথাকে। তেনে কাম বেয়াই হয়।

১১১৩। মাটি কিনিবা মাজ খাল
ছোৱালী আনিবা মাক ভাল।

মাজ ভোখৰ দ ভাৰ চাবিওফালে কিছু ওখ হ'লে মাটিৰ সাৰ বাহিৰলৈ যাব নোৱাৰে। ফলত খেতি ভাল হয়। তেনে মাটি কিনিলে লাভ হয়। যি জনী ছোৱালীৰ মাক ৰূপে গুণে অদৰ্শনীয় চৰিত্ৰ ভাল আচাৰ ব্যৱহাৰ জানে তেনে ছোৱালী বিয়া কৰাই আনিলে ঘৰখনৰ উন্নতি হয়।

১১১৪। মাটি কিনিবা ছিটি বান্ধনি
গৰু কিনিবা গাই।
তিৰোতা আনিবা এলাই জাৱৰী
তাইহে ঘৰখৰি খায়।

মাটি কিনিবৰ সময়ত ছিটা ছিটাকৈ আলিবান্ধি পানী ৰাখিব পৰা হ'ব লাগে। তেনে মাটিত খেতি ভাল হয়। গৰু কিনিবৰ বেলিকা প্ৰথমে গাই গৰু কিনিব লাগে। গাই গৰুৰ পৰা গাখীৰ আৰু পোৱালি পোৱা যায়। সেই পোৱালিৰ পোৱালি হৈ গৰুৰ সংখ্যা বাঢে । এজনী গাই গৰুৰ পৰা এগোহালি গৰু হ'ব পাৰে। ছোৱালী এজনী বিয়া কৰাই আনিবৰ বেলিকা বৰ চৌখিন ছোৱালী নানি দুখত উঠা ছোৱালী আনিলে তেনে ছোৱালীয়ে ঘৰৰ অৱস্থানুযায়ী ব্যৱস্থা কৰিব পাৰে আৰু ঘৰখন সুন্দৰকৈ ৰাখিব পাৰে।

১১১৫। মাটিৰ খাল পুতিব পাৰি
পেটৰ খাল পুতিব নোৱাৰি।

মাটিৰ খাল থাকিলে জাবৰ জোথৰ আৰু আন ঠাইৰ মাটিৰে পূৰ কৰিব পাৰি। পেটৰ খাল পুতিব নোৱাৰি। খাদ্যাদিৰে পেট পূৰ কৰি ললেও কিছু সময়ৰ পাছত আকৌ পেট খালী হয় ভোক লাগে। সাময়িক ভাবেহে পেট পূৰ কৰিব পাৰি। গোটেই জীৱনৰ বাবে পেট পূৰাব নোৱাৰি।

১১১৬। মাণিকে লয় শামুকৰ খোল
শামুকে কি জানে মাণিকৰ মোল।।

সাগৰৰ শামুকৰ পেটত মুক্তা জন্মে। মুক্তা এবিধ মূল্যবান ৰত্ন। সেই ৰত্নৰ মূল্য মানুহেহে বুজে শামুকে নুবুজে। যি মূল্যৱান বস্তুৰ মূল্য নুবুজে তেনেবোৰৰ হাততে ভগবানে অৰ্পণ কৰে। মোল বুজা সকলে পৰিশ্ৰম কৰিহে তেনেবোৰ মূল্যবান বস্তু লাভ কৰিব পাৰে।

১১১৭। মাতৃক ৰাখিবা সুৱৰ্ণ হৰিবা
আতিথিক নিদিবা লাই
সঙ্গী ভকতক খিয়া কিল মাৰিবা
তেহে সদগতি পায়।

মাতৃ = জ্ঞান সুৱৰ্ণ = ভক্তি সদগণ অতিথি= ইন্দ্ৰিয় সমূহ সঙ্গী=ৰিপু।
আনন্দ মনে জ্ঞান আহৰণ কৰিব লাগে। সাধু সন্তৰপৰা ভক্তি আৰু সদগুণবোৰ গোপনে আহৰণ কৰিব লাগে। ইন্দ্ৰিয় সমূহক আশ্ৰয় দিব নালাগে আৰু কাম ক্ৰোধ আদি ৰিপু বোৰক কঠোৰ হাতেৰে দমন কৰি ৰাখিব পাৰিলেহে জীৱৰ সদগতি লাভ হয়।

১১১৮। মাকৃত লভিব আগে কৰিব ত্যাগিনী
লোকনীক আশ্ৰয় কৰি বেচিব গৃহিণী।।

প্ৰথমে আনন্দমনে জ্ঞান লাভ কৰিব লাগে। আশা ৰূপী তৰীজনীক ত্যাগ কৰিব লাগে। সন্তসকল দোকানী স্বৰূপ তেওঁলোকে নামভক্তি উপযুক্ত লোকক বেচে। সেইসকলক আশ্ৰয় কৰি সৎ জ্ঞান বস্তু কিনি লব পাৰি। এনেজন বিজ্ঞলোকে দেহৰূপী ভাৰ্য্যাক ত্যাগ কৰিব পাৰিব।

১১১৯। মাতিলে ৰণলৈ যাবা।

নামাতিলে ভোজ খাবলৈকো নাযাবা।।

ভোজ লোভনীয়। সমাজৰ মাজত আনন্দমনে ভোজ খাবলৈ পোৱাটো সৌভাগ্যৰ কথা। তেনে ভোজ খাবলৈ অনিমন্ত্ৰিত হৈ গ'লে অপমানিত হোৱাৰ সম্ভাৱনা থাকে। আনে কিবা কওক নকওক নিজৰে সংকোচ ভাব হয়। নিমন্ত্ৰিত হৈ ৰণলৈ গৈ মৃত্যুকো বৰণ কৰা উচিত। দেশ ৰক্ষা সন্মান ৰক্ষা কৰিবলৈ গৈ মৃত্যু হ'লে স্বৰ্গবাসী হব পাৰি।

১১২০। মাতে অমৃত মাতে বিষ।

মিঠা মাত অমৃতৰ দৰে সোৱাদ লগা। কিছুমান লোকৰ মাত শুনিলে বা কথা কোৱাৰ ধৰণ দেখিলে খং উঠে। কথা কলেই নহয় সুন্দৰ ভাবে কথা কোৱাটো এটা কলা। মাত কথাই মানুহৰ উচ্চ নীচ মনৰো চিনাকি দিয়ে। মিঠা মাতে মানুহক আকৰ্ষণ কৰে আৰু বন্ধুত্ব বঢ়ায়। গতিকে মিঠা মাতে আকৰ্ষণ কৰে আৰু বন্ধুত্ব বঢ়ায়। গতিকে মিঠা মাত আৰু তাৰ সদ ব্যৱহাৰ কৰিবলৈ শিকা উচিত।

১১২১। মান দিলে মান পায়।

যাক যেনে ব্যৱহাৰ কৰা হয় তেওঁৰ পৰা তেনে ব্যৱহাৰ পোৱা যায়। মান সন্মান সুধীজনলৈ আগ বঢ়োৱা হয়। ইয়াৰ আদান প্ৰদান হয়।

১১২২। মানীয়ে জানে মান
কাঠৰ ঢেঁকীয়ে কি জানে খুন্দি মাৰে ধান।

ঢেকী অচেতন বস্তু। তাক ব্যৱহাৰত লগালে লাগি থাকে। ঢেকী ধান খুন্দিবলৈহে ব্যৱহাৰ কৰা হয়। তাৰ আন কাম নাই। মান সন্মানৰো জ্ঞান নাই। মানী লোকে মান সন্মান বুজি পায়। যি বস্তু কামত খটোৱা হয় তাৰ মান সন্মানৰ জ্ঞান নাথাকে। মান সন্মানৰ কথা নাভাবে। কৰিব লাগে কৰি যায়।

১১২৩। মানুহে পাতে ঈশ্বৰে ভাঙে।

মানুহে কিবা কিবি কৰিম বুলি ভাবিলেই কৰিব নোৱাৰে সা সুবিধা থাকিব লাগে। ভাগ্যইহে সেই সা সুবিধাবোৰ মিলাই দিয়ে। ভাগ্যত নাথাকিলে কোনেও - কা কৰিব

নোৱাৰে। ভাগ্যক ঈশ্বৰৰ বিধান বুলি কোৱা হয়। সেই কাৰণে ভাগ্যত নাই'লে ঈশ্বৰে নিদিয়ে বুলি ধৰি লয়।

ধান ধান বুলি আটোম টোকাৰিকে ৰাখিলে পেটৰ ভাত পোৱা যায়। ধান বুলি নাভাৰিলে পতান যেন আলাই আথানি কৰিলে সেই ধানে কোনো উপকাৰ নকৰে ভাৰৰৰ দ'মতহে ঠাই পায়।

১১২৫। মানুহ মৰে কৈ চৰাই মৰে বৈ

সমাৰ্থক

মানুহ মৰে কৈ হৰিণা মৰে বৈ।

মানুহে লাগ বান্ধ নোহোৱা কথা ক'লে স্থান কাল পাত্ৰ নাচালে বিপদত পৰে। চৰাই উৰি ফুৰিলে তাক কোনেও মাৰিব নোৱাৰে কৰবাত বৈ দিলেহে শত্ৰুৰ কবলত পৰে। হৰিণাই তীব্ৰ গতিত দৌৰিব পাৰে। বৰ দীঘল দীঘল জাপ মাৰি বহু দূৰ যাব পাৰে। হৰিণাই নবলে কোনেও তাক হত্যা কৰিব নোৱাৰে। বৈ পাছলৈ চোৱা হৰিণাৰ অভ্যাস ́ তাৰ কাৰণে চিকাৰী বাঘ আদিৰ কবলত পৰে।

১১২৬। মানুহ সোৰোপাই বেলিকৈ চায়
গৰু সোৰোপাই পানীটুপি খায়।

সমাৰ্থক

মানুহ আলচাই বেলিলৈ চায়।
গৰু আলচাই পানীলৈ চায়।

এলেহুৱা মানুহে কাম কৰিবলৈ ললে বাৰে বাৰে বেলিলৈ চায়। সময় কিমান হ'ল। ঘৰলৈ যাবলৈ সময় হ'ল নে নাই। সোৰোপা গৰুৱে বাৰে বাৰে পানী খাবলৈ বিচাৰে কামত ভালকৈ নলাগে বেছি খটুৱাবলৈ বিচাৰিলে শুই পৰে। কামৰ সময়ত মানুহ আৰু গৰুৰ সোৰোপালি বুজিব পাৰি।

১১২৭। মানুহ বুঢ়া হলে পৰকিতি লবে।
কুকুৰ বুঢ়া হেলে ফাপৰে ধৰে।

মানুহ বুঢ়া হলে সৰু সৰু ল'ৰা ছোৱালীৰ নিচিনা অবুজ হয়। অলপতে ওফোন্দ পাতে। বিচৰা বস্তু বিচাৰি নাপালে খং কৰে। বুঢ়া মানুহক সেই কাৰণে বহুতে আমনি দায়ক বুলি ভাবে। কুকুৰ বুঢ়া হ'লে গাত ফাপৰে ধৰে। ফাপৰে ধৰা কুকুৰক লেই লেই ছেই ছেই ক'ৰে। বুঢ়া কালত সকলোৰে প্ৰকৃতি লবে। তাৰ বাবে আনৰ পৰা আদৰ নাপায়।

১১২৮। মিঠা মাতৰ মহয় সৰি
মাতে অৰি মাতে বৈৰী
মাত মহয় খাগৰি খৰি।

মিঠা মাতে জগত মুহিব পাৰে। কথা কব নাজানিলে শত্ৰু সৃষ্টি হয়। কথা কটাকটি কৰি কাজিয়াৰো সৃষ্টি হয়। কথা কওঁতে সাৱধান হ'ব লাগে, নহ'লে খাপৰি খৰিব জুইৰ দৰে দপদপাই জ্বলি ডাঙৰ বিপদৰ সৃষ্টি কৰিব পাৰে।

১১২৯। মানুহে প্ৰতি মনটো,
ধানটো প্ৰতি কণটো

প্ৰতিটো ধানৰ ভিতৰত একোটিকৈ কণ থাকে। তাৰ পৰাই গজালি মেলি ধান গছ হয়। ঠিক সেইদৰে প্ৰত্যেক মানুহৰে মন বেলেগ বেলেগ। সেই অনুযায়ী কামবোৰ বেলেগ হয়। ভিন ভিন মনৰ মানুহৰ চাল চলন স্বভাৱ চৰিত্ৰ ভিন ভিন হয়।

১১৩০। মানুহে পইচা কৰে
পইচাই মানুহে কৰে।

মানুহে নানা প্ৰকাৰে খাটি ধন উপাৰ্জন কৰে। সেই ধন ভাল কামত খটুৱালে ভাল কাম হয়। ভাল কাম হ'লে মানুহজনৰো নাম হয়। ধনেই সমাজত প্ৰতিপত্তি বঢায় ডাঙৰ মানুহৰ সৃষ্টি কৰে। ধন উপাৰ্জ্জন কৰিলেই নহ'ব ভাল কামত খৰচ কৰিবলৈ সমৰ্থ হ'ব লাগিব।

১১৩১। মামাখেৰ গাই খীৰায় মোৰ নাম দুধ কৌৰৰ

সদায় গাখীৰ খোৱা জনক দুধ কৌৰৰ বোলে। মোমায়েক ঘৰৰ গাখীৰ সদায় নাপায়। মাজে মাজে পায় তাক লৈ দুধ কৌৰৰ হ'ব নোৱাৰে। নিজে গাখীৰৰ মাজত জন্ম গ্ৰহণ কৰিলেহে দুধ কৌৰৰ হ'ব পাৰে। নিজৰ ধন বিদ্যাৰেহে মানুহ ডাঙৰ হয় লোকৰ ধনেৰে ধনী নহয়। লোকৰ বিদ্যাৰেও বিদ্বান নহয়।

১১৩২। মাংসত বাঢে মাংস ঘিউত বাঢে বল
দধিত বাঢে চন্দ্ৰ শাকত বাঢে মল।

মাংস খালে শৰীৰত মাংস বাঢে ঘিউ খালে শক্তি বাঢে দৈ গাখীৰ খালে শৰীৰৰ শীতলতা বৃদ্ধি পায়। শাক খালে মল বাঢে শৌচ প্ৰস্ৰাৱ খোলোচা হয়। স্বাস্থ্যৰ কাৰণে দধি দুগ্ধ ঘিউ মৌ মাংস মাখন শাকপাচলি উপকাৰী বস্তু। সেইবোৰ বস্তু খোৱা উচিত।

১১৩৩। মাছৰ মাৰ দেখি তিলে আপোনা আপুনি বেত মেলে।

মাছ কোবাই কোবাই উলিয়াব লাগে। তিল কাটি শুকাবলৈ দিলে বদৰ তাপত ফাটি মেলি তিলবোৰ এনেই ওলায়। তাকেই মাছৰ মাৰ দেখি তিলে বেত মেলা বুলি কোৱা হৈছে। আনক দিয়া শাস্তি দেখি এজনে ভয়তে শান্ত হৈ পৰা বুলি কোৱা হৈছে।

১১৩৪। মাহে পথে যাবা বৰ পীৰাখন পাবা।
দিনে দিনে যাবা খেৰকুটা যেন হবা।

সমাৰ্থক

ঘনি দেখে দিতে দিত
চতুৰে কৰে পিত পিত
মাহে পথে হবা থিত
তেহে পাবা মৰম চাত।।

কোনো মানুহৰ ঘৰলৈ সদায় আহ যাহ কৰিব নালাগে। মিতিৰ কুটুমৰ ঘৰলৈকো দিনে দিনে গ'লে আদৰ সাদৰ কমি যায়। খেৰ কুটা জ্ঞান কৰে। মাহত এবাৰ বা পখত এবাৰ গলেহে আদৰ সাদৰ পোৱা যায়।

১১৩৫। মালীৰ ফুলে দেৱতা পূজে
মালীৰ নাম মুখত নুসুজে।

মন্দিৰত পূজা সেৱা কৰিবলৈ ফুল পাত লাগে। মন্দিৰৰ মালীয়ে সেইফুল পাত যতনাই দিয়ে। পূজাৰীৰ মুখত কোনো দিনেই মালীৰ নাম উচ্চাৰণ নহয়। সেইদৰে ৰজা মহাৰজা সকলে প্ৰজাৰ ধনেৰে অট্টালিকা সাজে কিন্তু কোনেও প্ৰজাৰ নাম ঘূণাক্ষৰেও প্ৰকাশ নকৰে। সম্ৰাট চাহজাহানে আগ্ৰাত তাজমহল সজাইছিল। তজমহল সজাওতে যি সকল লোকে খাটিছিল তেওঁলোকৰ নাম কতো নাই। খাটিখোৱা লোকৰ নাম নাথাকে। বৰ বৰ লোকৰ হে নাম জাউতি যুগীয়া হৈ থাকে।

১১৩৬। মাহীৰ আগত মামাৰ গল্প
মাহীয়ে শুনি হাঁহে অল্প।

মাহীয়েক মোমায়েকৰ বায়েক বা ভনীয়েক। ভনীয়েকে ককায়েক ভায়েকৰ সকলো কথা জানে। গতিকে তেওঁ হাঁহি থকাৰ বাদে একো নকয়। যি সকলো জানে তাৰ আগত সেই কথা বিৱৰি কোৱাৰ আৱশ্যক নকৰে।

১১৩৭। মিছা কথাৰ ঠেং চুটি
সঁচাক ধোকাও নালাগে।

মিছা কথা কলে তাক সঁচা বুলি প্ৰমাণ কৰিবলৈ আৰু আন মিছা কথাৰ সহায় লব লাগে। ঠেং চুটি হলে জোৰা দিব লাগে। তেতিয়াহে লৰচৰ কৰিব পাৰি। মিছা কথাকো আন মিছা কথাৰে জোৰা দিব লাগে। নহলে মিছা ওলাই পৰে।

১১৩৮। মিতিৰক মাতিবা আগত
ৰতীক খুচিবা কুমত।

মিতিৰে মিতিৰৰ উপকাৰ কৰিব লাগে। সেইবাবে মিতিৰৰ দোষ গুণ খোলাভাবে কৈ দিব লাগে। তেতিয়া কিবা দোষ থাকিলে শুধৰণি হয়। গুণৰ কথা ক লে গুণ

বৃদ্ধি পায় আৰু আত্মীয়তা বাঢ়ে। হাতী বৃহৎ আকাৰৰ জন্তু। তাক শাসনত ৰাখিবলৈ হ'লে তাৰ কুম্ভত চিপ্ৰাঙেৰে খুচিব লাগে। তেতিয়া সি মাউতৰ কথা মতে চলে।

মানুহে বিভিন্ন জনৰ লগত বিভিন্ন প্ৰকাৰে মিত্ৰতা কৰিব লাগে। বিভিন্ন প্ৰকাৰে শাসনো কৰিব লাগে।

১১৩৯। মিত্ৰই কান্দিলে শত্ৰুই হাঁহে।

মিত্ৰই মিত্ৰৰ দুখত দুখী সুখত সুখী হয়। মিত্ৰৰ দুখত মিত্ৰই কষ্ট পায় কান্দে। শত্ৰুসকলে তেনে অৱস্থাত হাঁহে। অৰ্থাৎ মিত্ৰই মিত্ৰৰ দুখত দুখী হয় শত্ৰুৱে দুখ হোৱা দেখিলে ভাল পায়।

১১৪০। মুখত মধুৰ বাণী,
পেটত খুৰখনি।
(সমাৰ্থক)
মুখে লটপট ভিতৰি কপট।
(সমাৰ্থক)
মুখত মৌ পেটত শূল
তাৰ কথাত নাযাবা ভোল।

কপটীয়া মানুহে মৰমেৰে সোৱাদ লগা কথাকৈ কি প্ৰকাৰে অনিষ্ট সাধন কৰিব পাৰি তাৰ কথাহে চিন্তা কৰে। শতিকে মানুহ চিনা টান। কপটীয়া মানুহৰ মৰমতো মামৰে ধৰে।

১১৪১। মুখ মেলিলেই গৰ্ত্ত চিনা যায়।

কথা নোকোৱা পৰ্য্যন্ত মানুহৰ জ্ঞান গৰিমা আওভাও ধৰিব নোৱাৰি। কথা ক'লেই মানুহজনৰ জ্ঞান বিদ্যা আও ভাও বুজিব পাৰি। বহুতে মানুহৰ মুখ'ল চায়ো তেওঁৰ অন্তৰৰ কথা ধৰিব পাৰে। কথা ক'লে ভালকৈ বুজি পোৱা যায়।

১১৪২। মুখত হৰি নাম
হাতত কৃত্য কাম।

হৰিনাম লোৱাৰ সময় অসময় নাই। দিনটোৰ সকলো কাম কৰাৰ লগে লগে হৰি নাম লব পাৰি। ঈশ্বৰৰ নাম লৈ কৰ্তব্য কাম কৰিলে অন্তৰত ভক্তি ভৰ থকাটো নিশ্চিত হৈ পৰে আৰু কামো ভাল হৈ পৰে।

১১৪৩। মুখেই মনৰ দাপোণ।

দাপোনত প্ৰতিবিম্ব দেখাৰ দৰে মানুহৰ মুখ মণ্ডলতো অন্তৰৰ ভাৱ ৰাশি প্ৰকাশ পায়। মুখখনলৈ চালেই মানুহৰ মনৰ দুখ আনন্দ কিছু নহয় কিছু পৰিমাণে ধৰিব পাৰি। অন্তৰত দুখ শোক থাকিলে মুখখন মলিন অনুজ্জ্বল হয় আনন্দ উৎফুল্লতাই মুখত হাঁহি বিৰিঙায়।

১১৪৪। মুচিও শুচি হয় যদি কৃষ্ণ ভজে।

মুচিয়ে গৰু ম'হ, ছাগলীৰ চালেৰে জোতা বেগ আদি তৈয়াৰ কৰে। মৰা গৰু ম'হ, ছাগলীৰ চাল কটা ছিঙা কৰা কাৰণে নৈতিক সকলে ঘৃণাৰ চকুৰে চায়। কিন্তু মচিয়ে যদি সদা কৃষ্ণ নাম স্মৰণ কৰে কৃষ্ণক ভজনা কৰে তেও শুচি আৰু পবিত্ৰ হয়।

১১৪৫। মূৰৰ ওপৰত তিনি চাৰি পানী।
কথাই কওঁতাই একো নাজানি।।

মূৰ ওপৰত তিনিচাৰি পানীৰ অৰ্থ অতি গভীৰ পানী কমেও ২৫/৩০ হাত। সেই পানী মূৰৰ ওপৰত থকা মানে বহু বিপদ আপদত জুৰুলা হোৱা বুজাইছে। সাধুলোক সকলে তেনে বিপদতো ধৈৰ্য্য নেহেৰায়। তেওলোকৰ কথা কাৰ্য্যই সিমান বিপদৰ কথা ঘৃণাক্ষৰেও প্ৰকাশ নকৰে।

১১৪৬। মূৰ্খ বৈদ্য যম সম।

যমে জীৱক মাৰে। বেমাৰ পাতি ভাল কৰা বৈদ্য যদি মূৰ্খ হয় তেৱো ৰোগীক ভুল চিকিৎসা কৰি ভুল ঔষধ পাতি দি ৰোগীৰ মৃত্যু ঘটায়। মৃত্যু নহ'বলগীয়া ৰোগীও বৈদ্যৰ ভুল চিকিৎসাত মৰে। গতিকে বৈদ্য মূৰ্খ হ'লে যমৰ দৰে মৃত্যু কাৰক হয়।

১১৪৭। মূৰ্খ পুত্ৰ হোৱাতকৈ নিতভী হোৱাই ভাল।

পুত্ৰই বংশ ৰক্ষা কৰে বংশৰ মৰ্য্যাদা ৰক্ষা কৰে। লগতে বংশৰ নাম যশ বৃদ্ধি কৰিব লাগে। পুত্ৰ মূৰ্খ হ'লে বংশৰ মৰ্য্যাদা ৰক্ষা কৰা নাম যশ বঢ়োৱা দূৰৰ কথা হ্ৰাসহে কৰে। মূৰ্খ পুত্ৰই বংশৰ মৰ্য্যাদা বুজি নাপায়। উচিত অনুচিতৰ জ্ঞান নাথাকে। নানা প্ৰকাৰ অন্যায় অত্যাচাৰ কৰি মাক দেউতাকৰ সম্মান লাঘৱ কৰে। সেই কাৰণে মূৰ্খ পুত্ৰ জন্ম দিয়াৰ সলনি নিতভী অৰ্থাৎ অপুত্ৰক হোৱা বহুগুণে ভাল।

১১৪৮। মূৰ সুমুৱাবলৈ ঠাই নাই
লোকৰ দুখত পমি যায়।

ধনী মানুহে দুখীয়াৰ দুখ নুবুজে। দুখীয়াৰ দুৰৱস্থাৰ কথা চিন্তা নকৰে। যি দুখীয়া তেওঁহে দুখীয়াৰ দুখত পমি যাব খোজে। যাৰ ঘৰ দুৱাৰ নাই তেনেলোক পৰোপকাৰী হয়।

১১৪৯। মেঘ চাই গাজনি
হিলৈ চাই খাজনি।।

মেঘ যিমানে ঘন হৈ চলাচল কৰে তাৰ গাজনিও সিমান প্ৰবল হয়। হিলৈৰ আকৃতি চাই খাৰ বাৰুদ ভৰাব লাগে। ডাঙৰ হিলৈত সামান্য খাৰ বাৰুদ দিলে কামত

নাহে। আকৃতি চাই খাব বাকচ ভবাব লাগে। সেইদৰে সামৰ্থ্য থকা সকলেহে সামৰ্থ্য অনুযায়ী কাম কৰিব পাৰে। গতিকে সামৰ্থ্য চাই কামৰ ভাৰ আৰু খোৱাৰ সম্ভাৰ দিব লাগে।

১১৫০। মেকুৰী জোলোঙাৰ পৰা ওলাল।

মেকুৰীয়ে চিকাৰ ধৰিবলৈ লুকাই থাকে। চিকাৰ দেখিলেই ওলাই পৰে। গোপন কথাও গোপন হৈ সদায় নাথাকে হঠাৎ ওলাই পৰে। গোপন শত্ৰুও তেনে দৰে ওলাই পৰিলে এই প্ৰবচনটি কোৱা হয়।

১১৫১। মেকুৰীয়ে পানীৰ মাছ খায় পানী নোছোৱে।

মেকুৰীয়ে পানীত জন্মা মাছ খায়। মাছ ধৰিবলৈ পানীলৈ কেতিয়াও নাযায়। কাৰণ পানীত নামিলে মেকুৰীৰ বিপদ হে হয়। মেকুৰীয়ে পানীত তিতিলে বৰ কষ্ট ভোগ কৰিব লগা হয়। জ্ঞানীলোকে ভাল বস্তু গ্ৰহণ কৰে। তেনে বস্তু পোৱাত যদি বিপদ থাকে তেন্তে তাৰ কাৰণে সাৱধান হয়।

১১৫২। মেখি পৰিছে খালত
কুকুৰে কামোৰ গালত।

কুকুৰে সাধাৰণতে আঠুৰ তলত কামোৰে। কুকুৰৰ খং উঠাই ল'লে সি য'তে ত'তে কামোৰে। খালত পৰি সাৰিবলৈ গ'লে গালতো কামুৰিব পাৰে। সেইদৰে প্ৰতিশোধ পৰায়ণ শত্ৰুৱে আগগুৰি নাচায় য'তে যেনেকৈ সুবিধা পায় ত'তে প্ৰতিশোধ লয়।

১১৫৩। মেটেকাৰ ধুনীয়া ফুল ওপৰতে থাকে।
পানীৰ গভীৰতাৰ জ্ঞান নাথাকে।।

মেটেকা ওপঙি থকা উদ্ভিদ। ফুলবোৰ দেখিবলৈ ধুনীয়া। মেটেকা কিমান দ পানীত ওপঙি থাকে ক'ব নোৱাৰি। সেইদৰে ধুনীয়া ল'ৰা ছোৱালীবোৰক মাক দেউতাকে কিমান কষ্টত তুলি তালি ডাঙৰ দীঘল কৰিছে তাৰ খবৰ আনলোকৰ নাথাকে। ধুনীয়া দেখনিয়াৰ হ'লেই নহয় শিক্ষা দীক্ষা বংশ মৰ্য্যাদাও থাকিব লাগে। মূল ঠিক নহলে প্ৰমূল্য ঠিক নহবও পাৰে।

১১৫৪। মেখি মাটিত বহিলে কোনে পীৰা খাল্দি তলত বহিব?

সন্মানিত লোকক উচ্চ আসন দিয়া উচিত। মেখি সমাজৰ সন্মানিত লোক। তেওঁ মাটিত বহিলে আনে যদি মাটিত বহে সকলোৰে আসন সমান হৈ পৰে। মাটিত বহা মেখিক উচ্চ আসন দিবলৈ হ'লে বাকী সকলে মাটিত গাঁত খান্দি গাঁতত বহিব লাগিব। তেনে কাম কোনেও কৰিবলৈ নাযায়। গতিকে মেখিয়ে উচ্চ আসনত বহিবলৈ চাব লাগে। নিজৰ মান সন্মান নিজে ৰক্ষা কৰিবলৈ চোৱা উচিত।

**১১৫৫। মেৰু গিৰিৰ আগত কি শিমলু তুলা?**

উঁই পৰুৱাই মাটি তুলি ওখ ওখ টিপ তৈয়াৰ কৰে। সেইবোৰক উঁই হাফলু বোলে। সেইবোৰ মেৰু পৰ্বতৰ তুলনাত তেনেই নগণ্য। শিমলু গছ বৰ ওখ হয়। তাতে শিমলু কৰ মাটি তুলা হৈ উৰি যায়। সামান্য বতাহে শিমলু তুলা উৰুৱাব নোৱাৰিব পাৰে কিন্তু প্ৰচণ্ড ধুমাহাই সেই তুলা উৰুৱাই বহুদূৰলৈ নিয়ে। তথাপি মেৰু অতিক্ৰম কৰিব নোৱাৰে।

**১১৫৬। মেলত বহি নকয় উচিত;**
**দোষে পায় কিঞ্চিৎ কিঞ্চিৎ।**

মেলুৱে সকল ন্যায় পৰায়ণ ব্যক্তি হোৱা উচিত। আপোন পৰ ভাব তেওলোকৰ মনত ঠাই পাব নালাগে। সকলো সময়তে উচিত কথা কবলৈ পৰাঙ্মুখ হব নালাগে। কোনোবাই বেয়া পাব বা কোনোবাই ভাল পাওক বুলি কোনো মন্তব্য দিবলৈ বা মন্তব্য দিয়াৰ পৰা বিৰত থকা অনুচিত। উচিত কথা নোকোৱা মেলুৱেক কিঞ্চিৎ হলেও দোষে চুৱে।

**১১৫৭। মোমায়ে কাঠ কাটে**
**মামীয়ে পানী যেন দেখে।**

কাঠ কটা টান কাম। কিন্তু কাঠ কটা কাম নকৰা সকলে বৰ টান কাম বুলি নাভাবে। মোমায়েকৰ কাঠ কটা চাই মামীয়েকে পানী কটাৰ দৰে সহজ বুলি ভাবে। কৰ্মীসকলে ৰ'দে বৰষুণে কাম কৰে। কাম চাই ফুৰাসকলে বিশেষ একো কৰা নাই বুলি মন্তব্য দিয়ে। কৰ্মীসকলৰ দুখ কষ্ট আনে নুবুজে।

**১১৫৮। মোৰ নহয় সতিনীৰ পো।**
**ভবি পাতি নালাগে মাটিতে শো।।**

সতিনী পুতেকক সতিনীয়ে ভাল নাপায়। সেই কথা কাজে কামে কথা বতৰাই আচাৰ ব্যৱহাৰত ওলাই পৰে। সতিনীৰ পুতেকৰ অনিষ্ট কেনেকৈ কৰিব পাৰে তাৰে চেলু বিচাৰি ফুৰে। সতিনীৰ পুতেকক মাটিয়ে বালিয়ে শুৱাই মনৰ ক্ষোভ মিটাবলৈ পালে বৰ ভাল পায়।

**১১৫৯। মৌপিয়া চৰায়ে পৰ্বত লয় তুলি।**

**ঢোল বেন কণী পাৰে চুঙাৰ বাদুলী।।**

মৌ পিয়া এজাতি সৰু চৰাই। সেই চৰায়ে পৰ্বত তুলি লোৱাটো অসম্ভৱ। চুঙাৰ বাদুলী চুঙাত সোমাই থাকে সেই চুঙাত ঢোলৰ দৰে ডাঙৰ কণী পৰাটোও অসম্ভৱ। তাৰউপৰি বাদুলীয়ে কণী নাপাৰে পোৱালীহে জগায়। সামান্য লোকে বহু ডাঙৰ কথা কব পাৰে সেইবোৰ কথাৰ অৰ্থ কি হব পাৰে ভাবি নাচায়। গতিকে জ্ঞান নাথাকিলে

কথা কওঁতে সম্ভৱ অসম্ভৱৰ কথা ধৰিব নোৱাৰে। নুবুজাকৈ বহু ডাঙৰ কথা কয় অসম্ভৱ কথাও কৈ দিয়ে।

১১৬০। মৌৰ সোৱাদ কুঁহিয়াৰত পায়।
কুঁহিয়াৰ মৌৰ সমান নহয়।।

মৌ মিঠা, কুঁহিয়াৰো মিঠা। সোৱাদ একে কিন্তু দ্ৰব্য গুণ একে নহয়। মৌ এবিধ উৎকৃষ্ট ঔষধ কুঁহিয়াৰ তেনে ঔষধ নহয়। গতিকে সোৱাদেৰে বস্তুৰ গুণ বুজিব নোৱাৰি। দ্ৰব্য গুণৰ উৎকৃষ্টতাই বস্তুৰ মূল্য বঢ়ায়। সেইদৰে মানুহ সমগুণী হলেই সমান নহয়। যি বাইজৰ উপকাৰত আহে তেওঁ উচ্চ থাপৰ।

# য

**১১৬১। যত দোষ নন্দ ঘোষ।**

নন্দ ঘোষ নামৰ এজন অসৎ স্বভাৱৰ মানুহ। সকলোৱে জানে নন্দ ঘোষে বেয়া কাম কৰি ফুৰা বুলি। সেইকাৰণে কৰবাত চুৰি ডকাইতি হ'লেই নন্দঘোষক সকলোৱে সন্দেহ কৰে। নন্দঘোষে নকৰিলেও কৰা বুলি ধৰি লয়। বেয়া কাম কৰি দোষ কৰি ফুৰা মানুহক যি কোনো বেয়া কামৰ বাবে দোষী বুলি সকলোৱে ভাবি লয়।

**১১৬২। যত ক্ষণ শ্বাস ততক্ষণ আশ।**

শ্বাস প্ৰশ্বাসেই মানুহ আছে সকলো জীৱৰে জীৱন। শ্বাস প্ৰশ্বাস থাকিলে জীয়াই থকা বুলি বুজা যায়। যিমান দিনলৈ শ্বাস প্ৰশ্বাসৰ কাম চলি থাকে সিমান দিন জীয়াই থকাৰ আশা থাকে। শ্বাস বন্ধ হ'লেই জীৱন শেষ হয়।

**১১৬৩। য'তে থাকিবা সৰ্বতি কাল**
**তাত নিবিচাৰিবা ভালাভাল।।**

ভাল ঠাইত থাকিবলৈ ভাল বস্তু খাবলৈ সকলোৰে মন যায়। কিন্তু যি ঠাইত সদায় থাকিবই লাগিব সেই ঠাই বেয়া বুলি ভাবি থাকিলে মন বেয়া হে হয়। বেয়া কিবা থাকিলে ভাল কৰি লবলৈ যত্ন কৰিব লাগে।

**১১৬৪। য'তে বাঘৰ ভয় ত'তে ৰাতি হয়।**

বাঘ হাবিত থাকে। ই নিশাচৰ জন্তু। বাঘে ৰাতি খাদ্য বিচাৰি ফুৰে। ৰাতি যদি সেই বাঘ থকা ঠাইত থাকিব লগীয়া হয় ভয়ৰ সীমা নাইকিয়া হয়। যাক দেখিলেই ভয় লাগে সেই ভয়ানক জন্তু থকা ঠাইখনত যদি ৰাতি খপিবলগীয়া হয় যিমানে সাহসী লোক নহওক কিয় তেও ভয়তে পেপুৱা লাগি থাকিব লগীয়া হয়। বেয়া দিন পাবিলে বেয়া দশাপ্ৰাপ্ত হয়।

**১১৬৫। য'তে ৰাতি ত'তে কাতি।**

ৰাতি জিৰণিৰ সময়। সেই সময়ত দিনৰ ভাগৰ পলুৱাবলৈ টোপনি যোৱাৰ আৱশ্যক। সকলো ঠাইতে আৰাম দায়ক বিছনা পত্ৰ পোৱা নাযাব পাৰে। গতিকে যেনে তেনে প্ৰকাৰে শুবলৈ যত্ন কৰাটো ভাল অভ্যাস। ৰাতি হ'লেই শুবলৈ যত্ন কৰা উচিত।

**১১৬৬। য'তে ধৰ্ম, ত'তে জয়।**

ধৰ্মত থাকি কাম কৰিলে জয় হবই। অধৰ্মৰ জয় ক্ষন্তেকীয়া। ধৰ্মৰ জয় যুগমীয়া। গতিকে ধৰ্মত চলাই উচিত।

১১৬৭। য'তে ইচ্ছা ত'তে বাট।

ইচ্ছাই কৰ্মৰ বাট দেখুৱাওঁতা। কৰ্মৰ সফলতাও ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰে। ইচ্ছাৰ বলতে মানুহে অসম্ভৱকো সম্ভৱ কৰিব পাৰে।

১১৬৮। য'তে মন ত'তে ধন।

ধন উপাৰ্জন কৰিবলৈ মন কৰিলে য'তে ত'তে ধন উপাৰ্জন কৰাৰ উপায় ওলায়।

১১৬৯। য'তে যায় যুগী ত'তে কোৰা কুৰি।

ই এটা পুৰণি প্ৰবাদ। ইয়াত যুগীসকলৰ নামেৰে সমাজৰ কথা কোৱা হৈছে। তাহানি যুগীসকলে য'তে নাথাকক ততেই কাজিয়া পেছাল হাই দন্দ প্ৰায়ে হৈছিল। মানুহৰ জাতিগত কিছুমান দস্তুৰ থাকে সেইবোৰ সহজে এৰিব নোৱাৰে। যলৈ নাযাওক তেওলোকে নিজৰ নীতি নিয়ম আচাৰ ব্যৱহাৰ সহজে এৰিব নোৱাৰে।

১১৭০। য'তে দেখে গাজী কল, ত'তে উঠে নামৰ বল।

নামৰ গাজী কল খাবলৈ ভাল লাগে। গতিকে গাজী কল দেখিলে নামতীসকলে বেছি উৎসাহেৰে নাম ধৰি ভাল পায়। খোৱাৰ আশা থাকিলে মানুহে কাম কৰিবলৈ উৎসাহ পায়।

১১৭১। যদিও হয় মুনিজন
তেও সোধে তিনিজন

ঋষি মুনি সকল গুণী জ্ঞানী লোক। তেওলোকৰো কোনো কথাত সন্দেহ থাকিব পাৰে। সেই সন্দেহ নিবাৰণৰ কাৰণে তেওঁলোকেও তিনিজন লোকৰ পৰামৰ্শ লয়। কোনো কামত সন্দেহ থাকিলে অভিজ্ঞলোকৰ পৰা শিকি বুজি লব লাগে।

১১৭২। যদি বৰষে আঘোণে
ৰজা যায় মাগনে।
যদি বৰষে মাঘৰ শেষ
ধন্য ৰজাৰ পুণ্য দেশ।
যদি বৰষে মকৰে
ধান নধৰে তাতাৰে।।

যদি বৰ্ষে আঘ্ৰাণে
ৰজা যায় মাগনে।
যদি বৰ্ষে মাঘেৰ শেষ
ধন্য ৰজাৰ পুণ্য দেশ। (৯১)
যদি বৰ্ষে মকৰে
ধান হয় টৈকৰে।
(খনাৰ বচন)

যদি আঘোণ মাহত বৰষুণ হয় তেন্তে পথাৰৰ পকাধান পথাৰতে আধানি আধানি হয় দেশত আকালে দেখা দিয়ে ৰজাও ভিক্ষাৰী হয়। মাঘৰ শেষত বৰষুণ দিলে প্ৰজাৰ সুখ হয় ধানেৰে বসুন্ধৰা শস্যশালিনী হয়। যদি পোটেই মাঘ মাহটোত বৰষুণ হয় তেন্তে ধানেৰে ভঁড়াল উপচি পৰে।

১১৭৩। যদি নেবা অসতীৰ স্নেহ,
ফেঁটী সাপৰ পোৱালি পোহ।

ফেঁটী সাপৰ পোৱালি পুহিলে এদিন নহয় এদিন সি খুটিব। সেই নিচিনা অসতী তিৰোতা থাকিলে স্বাৰ্থ সিদ্ধিৰ কাৰণে গিৰীয়েকক বিপদত পেলাব পাৰে। দৰ্কাৰ হ'লে গিৰীয়েকক হত্যাও কৰিব পাৰে। অসতী তিৰোতাৰ লগত গৃহবাস কৰা বিপদৰ কথা।

১১৭৪। যদি দেখে নিত নিত
চকুৱে কৰে পিতপিত।
মাহে পখে হবা বিত
তেহে পাবা মৰম বিত।।

অতি আপোনজনৰ ঘৰলৈকে দিনে দিনে যোৱা উচিত নহয়। আহ্ যাহ্ বেছি হ'লে আদৰ স্নেহ কমি যায়। অতি মৰমৰ জনকো আদৰ নকৰা হয়। মাহেকে পখেকে গ'লে আদৰ নকমে। তেনেকৈ মাজে সময়ে আহ্ যাহ্ কৰিলে মৰম বেছি পায়। আগন্তুক জনক চাবলৈ কথা বতৰা হ'বলৈ আৱশ্যক অনুভৱ হ'লে মৰম চেনেহ বাঢ়ে। সেয়ে হবলৈ আহ্ যাহ্ কম হোৱাই বাঞ্ছনীয়।

১১৭৫। যদি লাগিব লাগে ঋণ।
খেদি কুৰি বুঢ়া গৰু কিন।।

বুঢ়া গৰুৱে বেছিদিন হাল বাব নোৱাৰি। বেছি কাম কৰাবলৈ গ'লে সোনকালে মৰে। আকৌ গৰু কিনিব লগীয়া হয়। তেনেকৈ গৰু কিনিবলৈ হ'লে দুখীয়া মানুহৰ ঋণ লাগে। গতিকে লোকৰ ধৰুৱা হৈ থাকিব খুজিলে মহাজনৰ খেচ খেচনি খাবলৈ মন কৰিলে বুঢ়া গৰু কিনিবলৈ উপদেশ দিয়া হৈছে।

১১৭৬। যমক নেওচা দিবলৈ খোজে।
যমৰ মাকক চলি খোজে।।

যমেই মৃত্যুৰ গৰাকী। ল'ৰা হওক বুঢ়া হওক আয়ুস শেষ হ'লেই যমদূতে জীৱৰ আত্মা লৈ যায়। ল'ৰা ছোৱালীৰ মৃত্যু পিতৃ মাতৃৰ কাৰণে সহিব নোৱাৰা হয়। শোক তাপত জুৰুলা হৈ যমক গালি পাৰে। যমক নেওচা দিবলৈকে যমৰ মাকক চলি খোজাৰ মানস কৰে। যমৰ মাকেহে যমৰ অন্যায় কাৰ্য্যত বাধা দিব পাৰিব বুলি ধৰি লয়। যমৰ মাক নাই, যমৰ কাৰ্য্যৰ প্ৰতিকাৰো নাই। গতিকে মৰাক যুঁৱাই অনাটো সম্ভৱ নহয়।

১১৭৭। যমপুৰী নিদান ঠাই,
ইয়াত দিলে তাত পায়।

যমপুৰী খনকে জীৱৰ অন্তিম স্থল বুলি কোৱা হয়। তাৰ পৰা ঘূৰি আহিব নালাগে। তাতে পাপ পুণ্যৰ ফল ভোগ কৰে। জীৱনত ভাল কাম লোকৰ উপকাৰ আদি কৰিলে যমপুৰীত আত্মাই সদগতি পায়। বেয়া কাম কৰিলে দুৰ্ভোগ ভুগিব লাগে। ইয়াত যেনে কাম কৰা হয় যমপুৰীত তেনে ফল ভোগ কৰে। গতিকে এই জগতত সৎ কাম কৰি পুণ্য অৰ্জন কৰি লোৱা উচিত।

১১৭৮। যমে নিলেও নিয়া জোঁৱাই নিলেও নিয়া।

যমে নিলে মৃতকক ঘূৰাই আনিব নোৱাৰি সেইদৰে জোঁৱাইৰ হাতত অৰ্পণ কৰিলেও ছোৱালীক ঘূৰাই পাব নোৱাৰি। বিয়া দিয়া দিনৰ পৰা ছোৱালী লোকৰ হৈ পৰে। সেই কাৰণে যম আৰু জোঁৱাইক সমান বুলি ধৰি লোৱা হৈছে। প্ৰভেদ মাথো যমে নিলে তাৰ ছাঁটিকো দেখা পোৱা নাযায়। জোঁৱাই নিলে সময়ত দেখা পোৱা যায়।

১১৭৯। যাক নোৱাৰা হাতে
তাক মাৰিবা ভাতে।।

বলীৰ লগত হাতে হাতে যুজ কৰি জয়লাভ কৰিব নোৱাৰি। তেনে প্ৰতিদ্বন্দীক খোৱাৰ পথ বন্ধ কৰিহে জয় লাভ কৰিব পাৰি।

১১৮০। যাক ৰাখা সিয়ে ৰাখে।

যাক বিপদত সহায় কৰি ৰখা যায়। বিপদৰ সময়ত সেইজনেই ৰক্ষা কৰিবলৈ আগবাঢ়ি আহে। ক্ষুদ্ৰ নিগনি এটাই উপকাৰৰ কথা সুঁৱৰি মহা বলী সিংহক মৃত্যুৰ পৰা ৰক্ষা কৰিছিল।

১১৮১। যাক বুলিবা আপোন।
সিয়ে ভৰায় ছুপোণ।।

স্বাৰ্থৰ ক্ষেত্ৰত আপোন কথা মনলৈ নাহে। স্বাৰ্থ সিদ্ধিৰ বাবে আপোনে ছুপোণ দণ্ড ভৰায়। মানুহক বিশ্বাস কৰিব নোৱাৰি।

১১৮২। যাক নোৱাৰে সুৰাসুৰ নৰে
তাক কি কৰিব কুকুৰনেচীয়া বাঘে।

দেৱতা অসুৰ আৰু মানুহে যাক বলে নোৱাৰে তেনে জনক কুকুৰনেচীয়া বাঘে একো কৰিব নোৱাৰে। মহা বলৱন্ত সকলে যাক দমন কৰিব নোৱাৰে তাক সাধাৰণ লোকে একো কৰিব নোৱাৰে।

১১৮৩। ঘাটি দিয়া সোণৰ মূল্য নাই।

সোণ মূল্যবান ধাতু। তেনে মূল্যবান ধাতুকো কাবোবাক ঘাটি দিবলৈ বিচাৰিলে মূল্যহীন হয়। ঘাটি দিবলৈ গ'লে ধন বিদ্যা সাৰ গৰ্ভ উপদেশ একোবে মূল নাথাকে। পণ্ডিতকে কোনো বস্তুকে উপঘাটি দিয়া উচিত নহয়। আৱশ্যক হ'লে খুজি নিয়ক। খুজি নিয়া বস্তুৰ মূল্য থাকে।

১১৮৪। যাৰ নাই গৰু সি সবাতকৈ সৰু।

খেতিয়ক সকলৰ গৰুৱে মূল্যবান সম্পত্তি। গৰুৰে গাড়ী চলায় মৰণা মাৰে হাল বায়। গাই গৰুৱে গাখীৰ আৰু গোবৰালি দিয়ে। কেৱল গাখীৰ খাবলৈকে সকলো মানুহে গৰু পোহে। গৰু নথকা মানুহ সম্বলহীন বুলি সকলোতকৈ হীন বুলি গণ্য হয়।

১১৮৫। যাৰ কালে বৃহস্পতি পোন
তাৰ ঘৰত মৰম কোন?

বৃহস্পতি দেৱতা সকলৰ গুৰু। গ্ৰহ নক্ষত্ৰবো গুৰু। জন্ম কুণ্ডলীত লগ্ন আৰু জন্ম ৰাশিত বৃহস্পতিৰ পূৰ্ণ দৃষ্টি থাকিলে জাতক ধনী বিদ্বান ভাগ্যবান হয়। তেওঁ ৰজাৰ দৰে খাবলৈ আৰু থাকিবলৈ পায়। তেওৰ বহুতো বন্ধু বান্ধৱ আৰু আজ্ঞাধীন ভৃত্য থাকে।

১১৮৬। যাৰ বহুত শাখ সেন্দুৰ।
তাকে পাতে ভোকোৰা এন্দুৰ।।

হিন্দুৰ তিৰোতাই হাতত শাঁখা, আৰু কপালত সেন্দুৰ লৈ জীয়াই থাকিব্বলৈ পালে নিজকে সৌভাগ্যৱতী বুলি গৌৰৱ কৰে। স্বামী জীয়াই থকা পৰ্য্যন্ত কপালৰ সেন্দুৰ আৰু হাতৰ খাৰু আঁতৰাব নালাগে। সেন্দুৰ আৰু শাখা খাৰু সৌভাগ্যৱতীৰ চিন। যাৰ কাৰণে নাৰী সৌভাগ্যশালিনী তেওঁক এন্দুৰ নিগনি বুলি ধাৰণা কৰা অনুচিত। স্বামীৰ প্ৰতি কৃতজ্ঞ থকাটো নাৰীৰ কৰ্ত্তব্য।

১১৮৭। যাৰ দেখে ওলোমা ভুনি
তাৰ কালে মামাতে কোনে?

ভাল সাজ পোছাক ল'লে মানুহ দেখনিয়াৰ হয়। ভাল মানুহেই ভাল সাজ পাৰ লয়। তেনে লোকক আনে সন্মান কৰে আৰু তেনে সন্মানিত ব্যক্তিৰ হৈ তেওৰকালে টানি হ'লেও প্ৰশংসাসূচক এযাৰ মাত মাতে। সাজ পোছাকবো এটা আকৰ্ষণী শক্তি থাকে।

১১৮৮। যাৰ খাৰা নোণ।
তাৰ গাৰা গুণ।।

যাৰ পৰা সহায় পোৱা যায় যিয়ে পোহ দিয়ে তাৰ গুণ গোৱাটো জ্ঞানী লোকৰ কাম। উপকাৰীৰ শৰণাগ লোৱা উচিত।

১১৮৯। যাৰ নোৱাৰোঁ নাম শুনিব
তাৰ নাযাও ধান কিনিব।

যাৰ নাম শুনিলে ভাল নালাগে তেও নিশ্চয় অনিষ্টকাৰী শত্ৰু হ'ব। তেনে শত্ৰুৰ পৰা ধান কিয় কোনো বস্তু কিনাই উচিত নহয়। এনেই দিলেও শত্ৰুৰ পৰা একো বস্তু লব নালাগে। শত্ৰুৰ পৰা লোৱা বস্তুতো সন্দেহৰ কাৰণ থাকে।

১১৯০। যাৰ শিতানেৰে নাযায়।
তাৰ ভৰি পথানেৰে বগায়।।

যাৰ শিতান অৰ্থাৎ জ্ঞান বিদ্যাক গণ্য কৰা নহয় কেতিয়াবা তেনে লোকৰ ভৰিত ধৰিবলগীয়া অৱস্থা হয়। স সাৰত হীন নীচ বুলি একো কথা নাই। সামান্য লোক যাক কোনো মূল্য দিয়াই নহয় টানত পৰিলে তেওঁকে বন্দনা কৰিবলগীয়া হ'ব পাৰে।

১১৯১। যাৰ ঘৰত পাৰিবা পাত
তাক নুবুলিবা শুদা।
যাৰ পাৱত কৰিবা সেৱা
তাক নুবুলিবা গোধা।।

যাৰ ঘৰত পাত পাৰিবা তাক শুদা ভাত বুলি ভুলতো নকবা কাৰণ শুদাই নিকাই খাবলৈ দিয়াটোত তেওঁৰ মহত্ত্ব প্ৰকাশ পাইছে। শক্তি সামৰ্থ্য অনুযায়ী কৰা অভ্যৰ্থনা গৰীবী হ'লেও সমালোচনাৰ কথা নহয়। সেইদৰে যাৰ ভৰিত সেৱা ক'ৰিব লাগিবই তেওঁক গোধা বেমাৰী বুলি ঘিণ কৰিব নাপায়।

১১৯২। যাৰ নাই তৰ্জুতুল
সি কি জানে বণিজৰ মোল?

বাণিজ্য কৰোঁতাজনৰ জোখমাপ কৰিবলৈ ফুট গজ মিটাৰ পৰিমাণৰ স্কেল আৰু তুলচনীৰ দৰ্কাৰ হয়। সেইবোৰ জোখ মাপৰ আহিলা নাথাকিলে কিনা বেচা কৰিব নোৱাৰি। যাৰ জোখ মাখ কৰা আহিলা স্কেল দগা পাল্লা নাথাকে তেওঁৰ বেপাৰ কৰা বুদ্ধি নাই বুলি জানিব লাগে।

১১৯৩। যাৰ বুঢ়া গৰু খালত পৰে
সিহে তাৰ নেজত ধৰে।।

বুঢ়া গৰু খালত বা পোতত পৰিলে গৰাকীয়েহে গিৰীইতে নেজত ধৰি টানি বাহিৰ কৰিব পাৰে। আনে সিমান মনোযোগ দিয়াৰ আৱশ্যক বোধ নকৰে। সেইদৰে যাৰ বিপদ হয় তেওঁৱে সেই বিপদৰপৰা উদ্ধাৰ হ'বলৈ চেষ্টা কৰিব লাগে।

**১১৯৪। যাৰ পো মেলত নাই তাৰ মেল গোধা**

গোধাই ভালকৈ খোজ কাঢ়িব নোৱাৰে। তেনে গোধালোকে খোজ কঢ়া বা দৌৰ মৰা প্ৰতিযোগিতাত যোগ দিলে পাছ পৰি যায়। সেইদৰে মেলত যাৰ পো বা তেনে সম্বন্ধীয় মানুহ নাথাকে তেওঁৰ ফালে কোৱা বা টনা লোকৰ অভাৱত মেলৰ সিদ্ধান্তই তেওঁৰ ভাল কৰিব নোৱাৰে। বেয়াহে কৰিব পাৰে।

**১১৯৫। যাৰ নাই গৰু নন্দন বনত চৰে।**
**যাৰ নাই তিৰী একে কিলে মাৰে।।**

যাৰ গৰু নাই তেও ইন্দ্ৰৰ নন্দন বনত গৰু চৰোৱাৰ কথা ভাবে। যাৰ তিৰোতা নাই তেও দোষ পালেই কিলাই মাৰিব বুলি কয়। কিন্তু কাৰ্য্য ক্ষেত্ৰত তেনে কাম নহয়। গৰু থকা লোকে নন্দন বনত চৰোৱাৰ কথা নাভাবেই নিয়মমতে দানা পানীও খাবলৈ নিদিয়ে আৰু তিৰোতীজনী বিয়া কৰাই অনাৰ পাচত মাৰপিট কৰা দূৰৰ কথা তেওহে সেও হৈ পৰে।

**১১৯৬। যাৰ নাই মৰম।**
**তাৰ নাই ধৰম।।**

দয়াই ধৰ্ম। ভাল পোৱাই ধৰ্ম। যাক ভাল পোৱা যায় তালৈ মৰম ওপজে। মৰমেই মানুহক আপোন কৰে। মানুহক আপোন কৰি লব পৰা গুণটো মহৎ গুণ। এই গুণেই মানৱ ধৰ্ম। গতিকে মৰমিয়াল লোক ধৰ্ম পৰায়ণ হয়। তেওৰ বিচাৰ বিবেচনা নাথাকে।

**১১৯৭। যাৰ যি স্বভাৱ মৰিলে টুটে।**
**যাৰ যি প্ৰভাৱ ভূমিত লোটে।।**

মানুহৰ স্বভাৱ সহজে পৰিবৰ্তন নহয়। চোৰে শাস্তি খালেও চুৰ কৰিবলৈ নেৰে মদাহীয়ে মদ খাবলৈ নেৰে সেইদৰে টুটকীয়াই মিছলীয়াই নিজৰ স্বভাৱ এৰিব নোৱাৰে। মৰিলেহে মানুহৰ স্বভাৱ লগত যায়। প্ৰভাৱশালী লোকৰ প্ৰভাৱ পৰাক্ৰম ফুটনি এনেই নকমে মৰিলেহে সেইবোৰ নাইকিয়া হয়।

**১১৯৮। যাৰ নাই মন, তাৰ নাই ধন।**

মানুহৰ মনেই সকলো কামৰ গুৰি। মন কৰিলেই নানা ধৰমৰ কাম কৰি লাভৱান হব পাৰি ধনী মাতব্বৰো হব পাৰি। কাম বন কৰিবলৈ মন নকৰি সোৰোপা হ'লে ধন বস্তু একো নাহে আনিক ভাত মুঠি খাবলৈকো নিমিলে। গতিকে ধনী হবলৈ কাম কাজত মন দিব লাগে।

**১১৯৯। যি লাই খাতে তাৰ দুপাততে চিন।**

লাই ভাল হবনে বেয়া হ'ব তাক দুপতীয়া হওতে চিনিব পাৰি সেইদৰে ল'ৰা ছোৱালী ভাল হব নে বেয়া হ'ব শিশু অৱস্থাতে চিনি পোৱা যায়। শিশুক ভাল কৰিবলৈ মাক দেউতাকে যত্ন কৰিলেহে ভাল হয়।

১২০০। যি দেশত বৃক্ষ নাই এৰাই বৃক্ষ।

এৰা গছ নহয় তৃণ জাতীয় উদ্ভিদ। যি ঠাইত গছ নাথাকে এৰা গছকে বৃক্ষ বুলি কোৱা হয়। সেই নিচিনা যি ঠাইত গুণী জ্ঞানী শিক্ষিত লোক নাথাকে তাত অলপ জনা মানুহকে গুণী জ্ঞানী লোক বুলি কোৱা হয়।

১২০১। যি নাই ভাৰতত সি নাই ভাৰতত।

ইয়াত ভাৰত শব্দৰ অৰ্থ জগত বা পৃথিৱী বুলি কোৱা হৈছে। ভাৰতত মহাপুৰুষ বীৰপুৰুষ বীৰাঙ্গণা সতী ধৰ্মপ্ৰচাৰক ঋষি মুনি আবিষ্কাৰক অৱতাৰী পুৰুষ সকলো আছে। পৃথিৱীৰ বহু দেশত তেনেলোক বিৰল। সকলো ধৰ্ম সাহিত্য জ্যোতিষ আদি ভাৰততে প্ৰথম সৃষ্টি হৈছে। ওখ পৰ্বত ডাঙৰ নদী মৰুভূমি আদিও ভাৰততে আছে। গতিকে ভাৰতত নথকা বস্তু জগতত পোৱা নাযায়।

১২০২। যি জানে প্ৰবাসৰ ভাও।
সি মাৰে আগতে তাও।।

প্ৰবাসত থকা খোৱা কষ্ট কৰিহে পাব পাৰি। কেতিয়া ক'লৈ যাব লাগে তাৰ খবৰ আও ভাও বুজা লোক সকলেহে জানে। গতিকে প্ৰবাসৰ আও ভাও বুজা লোকে সকলোতকৈ আগতে সকলো সুবিধা কৰি লব পাৰে। নতুন আও ভাও নুবুজা লোকে ধন সময় অনাহকত খৰচ কৰিবলগীয়া হয়। কষ্টও খায়।

১২০৩। যি কৰে পৰত।
তাৰ মিলে ঘৰত।।

আনক যেনে ব্যৱহাৰ কৰা হয় তেৱোঁ তেনে ব্যৱহাৰকে পায়। লোকৰ অন্যায় কৰিলে আনেও অন্যায় কৰে। মৰম কৰিলে মৰম দিয়ে। সেই কাৰণে আনক ভাল ব্যৱহাৰ কৰা উচিত।

১২০৪। যি দল টানে সি মাগুৰ কাৱৈ খাবলৈ পায়।

মাগুৰ কাৱৈ গৰৈ আদি মাছ সাধাৰণতে দলনিৰ বেকা পানীত থাকে। দলনিৰ দল টানি মুকলি কৰিলেহে মাগুৰ কাৱৈ গৰৈ চেঙা আদি মাছ ধৰিব পাৰি। পৰিশ্ৰম কৰিলে মানুহৰ সফলতা লাভ হয়। পৰিশ্ৰম নকৰি ভাল ফল আশা কৰিব নোৱাৰি।

১২০৫। যি যিমানলৈ নামে সি সিমানলৈ তিতে।

পানীৰ যিমান দলৈ নমা যায় সিমানলৈ গা তিতে কাপোৰ কানিও ভিজে। ভিজি

লুতুৰি পুতুৰি হয়। ঠিক তেনেকৈ যি মানুহে যিমান বেয়া কাম কৰে সি সিমানে দণ্ড ভোগ কৰে।

**১২০৬। যি যেনে আনকো দেখে তেনে।**

**(সমাৰ্থক)**

**সাপেহে সাপৰ ঠেং দেখে।**

যি মানুহৰ যেনে স্বভাৱ আন মানুহকো তেনে বুলি ভাৱে। চোৰে আনকো চোৰ বুলি কয়। নিজৰ স্বভাৱ অনুসৰি আনক তেনে স্বভাৱৰ বুলি ভবা অনুচিত। নিজকে শুধৰাই লবলৈ যত্ন কৰাহে উচিত।

**১২০৭। যি কৰে আপোনাৰ কৰে।**

মানুহে কৰা কামবোৰ তেওঁৰ নিজৰ কাৰণে ভাল বা বেয়া হয়। আনৰ বাবে কৰিলেও ভাল কাম কৰিলে সুনাম আৰু বেয়া কাম কৰিলে দুৰ্ণাম হয়।

**১২০৮। যুঁজৰ বেলি ম'হৰ শিং ঠাক**

ম'হৰ শিংযোৰ ডাঙৰ আৰু পিঠিফাললৈ হাওলি থকা। যুঁজ কৰিবৰ সময়ত মূৰ গুজি শিংযোৰা থিয় কৰি লয়। সেইদৰে মানুহ যেনেই নহওক কাজিয়া কৰিবৰ সময়ত মুখৰ মাত ডাঙৰ হয় হাত ভৰি প্ৰস্তুত কৰি লোৱাৰ অনুশীলন কৰে। কৰ্ত্তব্য কৰাৰ সময়তো মানুহে প্ৰস্তুত হৈ লয়।

**১২০৯। যুঁজৰ কুকুৰাই মৰণলৈ ভয় নকৰে।**

কুকুৰাক বহু ঠাইত যুজোৱা হয়। যুজৰ কুকুৰাই জান প্ৰাণ দি যুঁজিবলৈ ধৰে। নিজে যে মৰিব পাৰে তালৈ ভ্ৰূক্ষেপ নকৰে।

**১২১০। যেতেক নাটে তেকে ফাটে**

**লাভলৈ চাওঁতে মূলো নাথে।**

আটক বা নাটক ভাবে বস্তু তৈয়াৰ কৰিলে তৈয়াৰী বস্তুৰে অটাবলৈ টান হয়। নতুনকৈ আৰু তৈয়াৰ কৰিব লগীয়া হয়। তেতিয়া খৰচ বাঢ়ে। কোনো মতে গাত সোমাব পৰা সাজ তৈয়াৰ কৰি ল লে গাত সোমাওতে ফাটি যায়। নাটনি হলেই খৰচ হয় ফলত লাভ কৰিবলৈ যাওতে আচল খৰচতকৈ বেছি খৰচ হয়।

**১২১১। যেতিয়া মৰিব কালে।**

**কি কৰিব বেজ ভালে।।**

মৰিবৰ সময়ত ঔষধে গুণ নিদিয়ে ভাল নাম কৰা বেজ জ্ঞানী আমি বচাব নোৱাৰে। মৃত্যু অৱশ্যম্ভাৱী হলে বেজ বা ঔষধ যিমানেই ভাল হওক কামত নাহে।

১২১২। যেতিয়াৰ দিন তেতিয়াহ গ'ল।
সান্দহ খোৱা বালি তল গ'ল।।

সকলো দিন সমানে নাযায়। কেতিয়াবা ভাল দিন আহে, কেতিয়াবা দিন বেয়া হয়। ভাল দিনত ভাল খাব ববলৈ পায়। সেইদিন সদায় পোৱা যাব বুলি ভবাৰ লাভ নাই। গতিকে অতীতৰ সুখবোৰ তেতিয়াই যোৱা বুলি ধৰি লব লাগে।

১২১৩। যেতিয়াই মাৰিব ঢোলত চাপৰ।
তেতিয়াই লবা মূৰত কাপোৰ।।

বিয়া বোলা কাৰ্য্যটি ঢোলত চাপৰ পৰিলে খৰধৰ কৈ মূৰত কাপোৰ লৈ কইনা সাজি ওলালেই নহয়। বিয়াৰ জোগাৰ পাতি বহুদিন আগৰ পৰাই কৰিব লাগে। ই এটা মাঙ্গলিক উৎসৱ। তাৰ বাবে তিথি বাৰ নাড়ী নক্ষত্ৰ আদিও চোৱা উচিত। বিবাহ উৎসৱ হুৰমূৰ কৰি কৰা কাম নহয় আদৰ অপ্যায়নৰ কথাও থাকে সেই বাবে বিবাহ উৎসৱৰ কাৰণে প্ৰস্তুতিৰ আৱশ্যক।

১২১৪। যেতিয়া পৰিব কালৰ দশা।
পাটিৰ তিৰোতাই বুলিব মহা।।

দুৰ্দিনত সকলোৰে পৰা অনাদৰ পোৱা যায়। আনকি পতিৰ প্ৰতি পত্নীৰো শ্ৰদ্ধাভক্তি নোহোৱা হয়।

১২১৫। যেত ল'ৰা তেত বুধি।
চুটি চোলাৰ পেট উদি।।

চুটি চোলা পিন্ধিলে পেট ওলাই থাকে ঢাকিব নোৱাৰি। সৰু ল'ৰাৰ বুধিবোৰো চুটি চুটি। তেওলোকে কৰা কামবোৰ স্থায়ী নহয়। ডাঙৰৰ আহিঁলৈয়ে কামবোৰ কৰিবলৈ লয় কিন্তু কাম কৰাৰ ধৰণ কৰণ ভালকৈ নজনাৰ কাৰণে সি ভাল কাম হৈ নুঠে। কিবা এটা কৰিলে আন এটাৰ অভাৱ ঘটে। ডাঙৰ লোকৰ দৰে কথা কবলৈ যত্ন কৰে কিন্তু ভাৱ আৰু ভাষাৰ নাটনি অনুভৱ কৰে উপযুক্ত শব্দ ব্যৱহাৰ কৰিব নোৱাৰে। ল'ৰা ছোৱালী ডাঙৰ হোৱাৰ লগে লগেহে বুদ্ধি জ্ঞান বাঢ়ি যায়।

১২১৬। যোৰবো যোৰ পাত যোৰ
তই হাড়ীত খাইতী মই গৰু চোৰ।
(সমাৰ্থক)

১২১৭। যোৰবো যোৰ বিপৰীত যোৰ
এটি কাণ কটা এটি গৰু চোৰ।

ভগৱানে কণাৰ কাণী খোঁৰাৰ খুঁৰী চোৰৰ চুৰুনী আদি যোৰ মিলাই থয়। এজন

হাড়ীত খোৱা চুৰণীৰ স্বামী গৰুচোৰ হ'লে মিলি পৰে। পান্ত মাছে যোৰ নভণ্ডাৰ দৰে এওঁলোকেও এৰা এৰি নহয়। কাণ কটা চোৰ আৰু গৰু চোৰবো কামত অলপ প্ৰভেদ থাকিলেও মিলা প্ৰীতিৰে থাকে। অৰ্থাৎ দুষ্টই দুষ্টৰ সৈতে ভালে ভালৰ সৈতে মিলিব পাৰে।

১২১৮। যোৱা মাছটি ডাঙৰ।

মাছ মাৰিবলৈ যোৱা মানুহে যিটো মাছ ধৰিব পৰা নাই সেইটো ডাঙৰ বৰ ডাঙৰ তাক ধৰিব নোৱাৰি বুলি কৈ নিজৰ অসমৰ্থতাক ঢাকি ৰাখিবলৈ বিচাৰে। অৰ্থাৎ সেইটো মাছ কোনেও ধৰিব নোৱাৰা ভাৱ প্ৰকাশ কৰে। সৰু মাছ কেইটাৰে তেওঁৰ পাৰ্গতালি থকা বুজাবলৈ চেষ্টা কৰে।

১২১৯। যোৰ যাৰ মুলুক তাৰ

(সমাৰ্থক)

যোগ্য ভোগ্যা বসুন্ধৰা।

যাৰ যোৰবল আছে বিদ্যা বুদ্ধি আছে তেও পৃথিৱী ভোগ কৰিব পাৰে। বল নথকা সকলে ভয়তে কোঁচ খাই থাকে। বহুতে জীৱনৰ সুখভোগ কৰিবলৈকো অপাৰগ হয়। নিজক যোগ্য কৰি লোৱাৰ ভাৰ নিজৰ। সেইকাৰণে যোগ্য হবলৈ যত্ন কৰা উচিত।

# ৰ

**১২২০। ৰঙৰ কিল, খঙৰ কিল কেতিয়াবা ৰঙৰ কিলতে হাড় গুৰুত্ব গুৰুত্ব হয়।**

মানুহে খঙতো কিলা কিলি কৰে ৰঙতো কৰে কিন্তু ৰঙৰ মাত্ৰা অধিক হ'লে মানুহে হিতাহিত জ্ঞান হেৰুৱাই পেলায়। তেতিয়াই ৰঙৰ কিলতো হাড় ভাঙে।

**১২২১। ৰজাই ভাল পায় যাক·**
**ঢেঁকী পথলি নালাগে তাক।**

মানুহে ধান বানি চাউল উলিয়াই ভাত খায়। তাৰ কাৰণে ঢেঁকী লাগে। কিন্তু ৰজাৰ অনুগ্ৰহ লাভ কৰিলে ধান বানি চাউল উলিয়াই ভাত খাব নালাগে। ৰজাৰ ধনৰ ওপৰতে খেতি বাতি নকৰি আৰামত খাব পাৰি। গতিকে তেনে লোকক ঢেঁকীৰ আৱশ্যক নকৰে।

**১২২২। ৰজাই ঘূৰায় সমুদ্ৰে বুৰায়।**

সমুদ্ৰত জোৱাৰ উঠিলে পানী ওফন্দি উঠি তীৰভূমি বুৰাই পেলায়। ৰজাৰ সুবিচাৰ পাবলৈ বহু ঘূৰ পাক খাব লাগে। চৰকাৰী কাম কাজৰ বাট দীঘলীয়া আৰু পাক খোৱা। ৰাজ বিচাৰ প্ৰাৰ্থী হ'লে ঘূৰি ফুৰিব লাগে ইটো এৰি সিটোৰ ওচৰ পাব লাগে।

**১২২৩। ৰজা নাই ৰাজ পাটত,**

**খৰি কিলায় মাজ বাটত।**

ৰজা নাথাকিলে শাসন নথকা হয় যাৰ যি ইচ্ছা তাকে কৰিবলৈ লয়। বাটত কিলা কিলি কৰিলেও মাতোতা নাথাকে। শাসনেহে সকলোকে ন্যায় পথত চলাব পাৰে।

**১২২৪। ৰজাক নাটে বজাক নাটে।**

**(সমাৰ্থক)**

**ৰজাৰ আক্ৰোহ বজাৰ আক্ৰোহ সমান।**

মানুহৰ ধন ঐশ্বৰ্য্যৰ প্ৰতি লালসা অসীম। ৰজা এজন দেশৰ অধিপতি দেশৰ ঐশ্বৰ্য্য তেওৰ অধীনত। তথাপি তেও সুখী নহয়। সাগৰা পৃথিৱীত অধিপতি হ'বলৈ বিচাৰে বসুন্ধৰাৰ সকলো ঐশ্বৰ্য্য দিলেও ৰজা সুখী হৈ নাথাকে। তেওক আৰু লাগে। সেইদৰে ল'ৰা ছোৱালী নথকা দম্পতিক যিমানে দিয়া যায় আৰু সিমানে বিচাৰে। আকাংখাৰ সীমা নাই।

**১২২৫। ৰজাকো দেও নোবোলে।**

দেৱতাৰ ওচৰত মানুহে শান্ত-সৌম্য ভাব গ্ৰহণ কৰে। কাৰণ দেৱতাই অলৌকিক কাম কৰিব পাৰে, ভাল বেয়া সকলো কৰিব পাৰে। ৰজাৰো প্ৰজাৰ ভাল বেয়া কৰিব পৰা ক্ষমতা আছে তথাপি বহুতো ৰজাক দেৱতা জ্ঞান নকৰে সন্মান ফেৰাও নজনায়। এই সকলেই উদণ্ড লোক।

**১২২৬। ৰজাৰ দোষত ৰাজ্য নষ্ট প্ৰজাই কষ্ট পায়।**
**ঘৈণীৰ দোষত ঘৰ নষ্ট লখিমী এৰি যায়।।**

ৰজাৰ লগত দেশ আৰু প্ৰজাৰ সম্বন্ধ আছে। ৰজা বেয়া হ'লে শাসনৰ বান্ধ টিলা হ'লে প্ৰজাৰ দুখ দৰ্দশাৰ সীমা নাথাকে। মানুহ মুকলি মনেৰে ফুৰিবলৈ নোৱাৰা হয়। ঘৰৰ গৃহিণী গৰাকী যদি বিবেচনা হীনা হয় তেন্তে ঘৰত শান্তি বিৰাজ নকৰে ঘৰৰ শাসন টিলা হৈ পৰে দ্বন্দ্ব কাজিয়া হয় তাৰ ফলত ঘৰখনৰ আয় উৎপন্ন কমি যায়। ঘৰ লক্ষ্মীহীন হয়।

**১২২৭। ৰজাক চিনিবা দানত**
**ঘোঁৰাক চিনিবা কাণত।**
**খুৰক চিনিবা শানত**
**তিৰীক চিনিবা টানত।।**

ৰজা দানী হ'লে প্ৰজাৰ দুখ বুজা প্ৰজাবৎসল ৰজা হয়। তেওঁৰ ৰাজ্য শাসনত প্ৰজা সুখে সন্তোষে বাস কৰে। ঘোঁৰাৰ কাণ দুখনতে বলী আৰু তজবজীয়া হয় নে নহয় ধৰিব পাৰি। খুৰ শানত দিলে ধাৰ উঠাখন ভাল খুৰ। বিপদৰ সময়ত ধন বস্তুৰ অভাৱৰ দিনত তিৰোতা গৰাকীৰ ব্যৱহাৰ কেনে হয় তাৰ পৰা তিৰোতা গৰাকীক চিনিব পাৰি।

**১২২৮। ৰজাই ভেঁটী ভাৰ খায়।**

**ভাৰ্য্যাই টোপোলালৈ চায়।**

ৰজা বা গণ্য মান্য ব্যক্তিৰ ওচৰলৈ গলে ভাৰ ভেটী লৈ যোৱা উচিত। সেইদৰে নিজৰ তিৰোতা গৰাকীৰ ওচৰলৈ গলে টোপোলা এটি নিয়া উচিত। আনে নহলেও তিৰোতা গৰাকীয়ে হাতত কি আনিছে তালৈ লক্ষ্য কৰে।

**১২২৯। ৰজা যেনে ৰাম সিং।**
**মন্ত্ৰী তেনে ঘিটিং টিং।।**

ৰজা যেনে মেজাজী হয় মন্ত্ৰী গৰাকী ঠিক তেনে মেজাজৰ হব লাগে। তেতিয়া ৰাজকাৰ্য্য সুকলমে চলিব পাৰে।

**১২৩০। ৰজাৰ জতিত কটা যায়।**
**তিৰীৰ জতিত পত্ৰা খায়।।**

ৰজাই দোষ গুণ বিচাৰ কৰি দোষীক কাটিব পাৰে ফাঁচীও দিব পাৰে। দোষীলোক ৰজাৰ বিচাৰত কটা যায়। ঘৰৰ তিৰোতা গৰাকীৰ লগত মন মিলাই চলিব পাৰিব লাগে। তিৰোতাগৰাকী অসন্তুষ্ট হৈ থাকিলে ঘৰখনত অশান্তি হয়। তিৰোতা গৰাকীয়ে দিয়া শাস্তি স্বৰূপে পইতা ভাত খাব লগীয়াত পৰে।

**১২৩১। ৰজাৰ মূৰত সোণৰ কিৰীটি**
**চকুত টোপনি নাই।**
**দুখীয়া নিচলাই পিন্ধে ফটাকানি**
**ফোঁচ ফোঁচ টোপনি যায়।।**

অতি ধনৱন্ত হলেও সুখ শান্তি নাপায়। ৰজাই ধন ঐশ্বৰ্য্যৰ ওপৰত বহে মূৰত সোণৰ কিৰীটি পৰিধান কৰে। সেই সম্পত্তি আৰু আ অলঙ্কাৰে ৰজাক শান্তিত খাবলৈ শুবলৈ নিদিয়ে। শাৰীৰিক চিন্তা সম্পত্তিৰ চিন্তা আৰু দেশৰ চিন্তাত ৰজাই উজাগৰে কটায়। কপৰ্দ্দকহীন নীচলোকে নিশ্চিন্ত মনে টোপনিত লালকাল দিয়ে।

**১২৩২। কুকুৰ ৰজা হ'লেও জোতা কামুৰিবলৈ নেৰে।**

কুকুৰে মঙহ খায় চামৰা কামুৰি ভাল পায়। ৰজা হলেও কুকুৰে সুবিধা পালে চামৰা কামুৰিবই। জোতা চামৰাৰে তৈয়াৰী গতিকে জোতাও কামুৰিব। তাৰ জাতিগত স্বভাৱ এৰিব নোৱাৰে। সেইদৰে কদাচাৰী দুষ্টলোকে সা সম্পত্তিৰ গৰাকী হৈ ধনী মাতব্বৰ হ'লেও তাৰ জাতিগত অনাচাৰবোৰ এৰিব নোৱাৰে।

**১২৩৩। ৰজাও নিচিনি মন্ত্ৰীও নিচিনি**
**নিচিনি সোদৰৰ ভাই।**
**পেটৰ কেঁচু কুমটি তাকো নিচিনি**
**সিংহতেও কামুৰি খায়।।**

ৰজা মন্ত্ৰীৰ কোনো নিৰ্দিষ্ট নীতি নাই যেতিয়াই যি কৰা উচিত তাকে কৰে। মন্ত্ৰীও সময় আৰু বিষয় বিবেচনাৰে ভিন ভিন মন্ত্ৰণা দিয়ে। নিজৰ ভায়েককো চিনিব নোৱাৰি সুবিধা পালেই স্বাৰ্থপূৰণ কৰে। আনকি পেটত থকা কেঁচু কুমটিকো চিনিব নোৱাৰি। সেইবোৰ বেছি হলে পেট কামোৰনি হাগনি আদি বেমাৰ হয়। সংসাৰত কাকো চিনিব নোৱাৰি।

**১২৩৪। ৰণত পৰি কণীয়া হ'লোঁ।**
**তেল নাপাই কপৰীয়া হ'লোঁ।।**

জীৱন যুঁজ খনে মানুহৰ ডাঙৰ যুঁজ। এই যুঁজত লাগি থাকোঁতেই মানুহ বুঢ়া হয়। শৰীৰৰ যত্ন লবলৈ সময় নাপায়। অতি পৰিশ্ৰম কৰি ক'লা হয় তেল ঘঁহিবলৈ নাপাই গাৰ চাল ফপৰীয়া হয়। জীৱন যুঁজত ব্যস্ত হৈ থাকিলে চাকচিক্যলৈ সময় নাথাকে।

**১২৩৫। ৰসাল কথাৰ কেৰেঙনি মেলে।**

যিবোৰ কথা শুনিলে ৰস পোৱা যায় শুনিলে শুনি থাকিবলৈ মন যায়। সেইবোৰ কথাতে ডাল পাত মেলি বহু কথা সোমাই পৰে। ৰামায়ণ মহাভাৰত ৰসাল কথাৰ কাব্য। তাত ঠাল ঠেঙলি মেলি মহাকাব্য হৈ পৰিছে।

**১২৩৬। ৰাইজে ৰজা, জাতিয়ে গঙ্গা।**

ৰজা দেশৰ সৰ্বেসৰ্বা। সেই ৰজাকো ৰাইজে উঠ বহ কৰাব পাৰে। গতিকে ৰাইজেই ৰজা। গঙ্গা নদীৰ পানী বৰ পৱিত্ৰ। তাত স্নান কৰিলে পুণ্য হয়। জাতিৰ প্ৰতি কৰা কামেও তেনে পুণ্যকে দান কৰে।

**১২৩৭। ৰাইজৰ লগত মৰিব নোৱাৰিলেও চকু মুদিব লাগে।**

সদায় ৰাইজৰ লগত থাকিব লাগে আৰু ৰাইজৰ আদেশ মানি চলিব লাগে। ৰাইজে যি কৰিবলৈ দিহা দিয়ে সেইমতে কৰিব লাগে। ৰাইজ যেনি যায় তেনি যাব লাগে। আনকি ৰাইজৰ লগত পাৰিলে মৰিবও লাগে। নোৱাৰিলে চকু মুদি মৰা ভাও জুৰিব লাগে।

**১২৩৮। ৰাইজৰ নাও বামেৰেও যায়।**

নাও পানীত চলে। ৰাইজ একত্ৰিত হৈ বল দিলে বামেৰেও চলিব পাৰে। একতাৰ বলত অসম্ভৱকো সম্ভৱ কৰিব পাৰি।

**১২৩৯। ৰাইজে নখ জোকাৰিলে নদী বয়।**

নখত নিচেই সামান্য পৰিমাণৰ পানী লাগি আছে। হাজাৰ বিজাৰ মানুহৰ নখৰ পানীৰে নৈ যেন হৈ বৈ যাব পাৰে। প্ৰত্যেকেই সামান্য পৰিমাণৰ বস্তু দিলে পৰ্বত প্ৰমাণ ওখ দ'ম হ'ব পাৰে। সেইদৰে প্ৰত্যেকৰ সৰু সৰু কামৰ সমষ্টিয়ে ডাঙৰ কাম সম্পন্ন হয়। একতা সম্প্ৰীতি আৰু সমভাবেই মহৎ কামবোৰ কৰে।

**১২৪০। ৰাইজ ডাঙৰ নে ৰজা ডাঙৰ?**

ৰজাক প্ৰজা সকলেই পাতি লোৱা হয়। যেনেকৈ পাতে তেনেকৈ ৰাইজে ৰজা ভাঙিবও পাৰে। গতিকে ৰজাক ডাঙৰ পাতে যদিও ৰাইজহে ডাঙৰ।

**১২৪১। ৰাং দি টাং সলায়**
**কথাৰ মালিয়ত গমেই নাপায়।**

ঠগবোৰে নানা প্ৰকাৰ কথাকে মানুহৰ মন আকৰ্ষিত কৰে। কথাবোৰত বিশ্বাস জন্মোৱাব পাৰিলেই হাতৰ টিপতে সোণৰ বস্তু নি পিতলৰ অথবা বাঙৰ বস্তু দি নাইকিয়া হৈ পৰে।

১২৪২। ৰাখিলে ঈশ্বৰ মাৰিলে যম।

ঈশ্বৰ সকলোৰে গৰাকী। জন্ম দিয়াৰো গৰাকী মাৰি নিয়াৰো গৰাকী। মানুহ জীয়াই থকা দিন কেইটাত ঈশ্বৰক পূজা কৰে দুখ কষ্ট পালে 'কণা বিধাতা বুলি ঈশ্বৰকে গালি পাৰে। মৃত্যু হলে যমৰ গাত দোষ জাপি দিয়ে। কণা যমে কাক মাৰিব লাগিছিল কাক মাৰি নিলে বুলি গালি শপনি পাৰে।

১২৪৩। ৰাখে হৰি মাৰে কোনে?
মাৰে হৰি ৰাখে কোনে?

ঈশ্বৰে ৰক্ষা কৰি থাকিলে জীৱ সকলক কোনেও মাৰিব নোৱাৰে আৰু ঈশ্বৰে মাৰিব খুজিলে কেৱে ৰক্ষা কৰিব নোৱাৰে।

১২৪৪। ৰাজহুৱা মেল আৰু ফটা জালে সমান।

ফটা জালেৰে মাছ মাৰিব নোৱাৰি এফালে আগচিলে আন ফালেদি ওলাই যায়। ৰাজহুৱা মেলবো এজনে ইফালে কব আন এজনে আনফালে কব। ইজনৰ কথা কাটি সিজনে কব। কেতিয়াবা বহুমতো হয়। গতিকে মেলৰ সিদ্ধান্ত লব নোৱাৰা অৱস্থা হয়।

১২৪৫। ৰাতি জুহালত সাত হাল বায়।
দুপৰীয়া নৈক টৈপনি যায়।

এনেহুৱা লোকে বহু কথা কয় বহু কল্পনা কৰে কামৰ সময়ত দেখা পোৱাই টান হয়। কানীয়া ভঙুৱা সকলে আগদিনা ৰাতি জুইশালত বহি ৰাতিপুৱাই সাতখন হাল বোৱাৰ কথা কয় ৰাতিপুৱা শুই নুঠে। উঠোঁতে দুপৰীয়া হয়। হাল বোৱাৰ সময় নাথাকে। গতিকে বৰ বৰ কথা কলেই কাম নহয় কামত ধৰিলেহে কাম হয়।

১২৪৬। ৰাতিটোকে হাতীটো যেন দেখে।

হাতী বৃহৎ জন্তু। হাতীৰ আগত পৰিলে ভয় লাগে গা কঁপে। ৰাতি চোৰ ডকাইতৰ প্ৰতাপ পঢ়ে। তাৰ কাৰণে ৰাতি সুখ শান্তিৰে শুব নোৱাৰি। ভয় ভয় ভাব মনত লাগি থাকে। হাতীৰ সমুখত পৰিলে যেনে ভয় লাগে। ৰাতি সময়তো তেনে ভয় লাগে। সেইবাবে ৰাতিটোকে হাতীটো বুলি কোৱা হয়।

১২৪৭। ৰামকৃষ্ণৰ বাণী
নঠাই শালিৰ আগ ভল যায়
শুকিয়ে নাগায় পানী।

মানুহ বুঢ়া হ'লে কঁকাল ভাজ খায় মূৰ তললৈ সোমায়। তাকে লঠাই শালি ধানৰ গছ বুলি আখ্যা দিয়া হৈছে। বুঢ়াৰ মূৰ আঠুৰ মাজত সোমালেও অন্তৰৰ সৎ চিন্তা সৎ ভাৱ আঁতৰি নাযায়। অন্তৰত বাৰ্দ্ধক্যৰ কোনো ধৰণৰ আঁচোৰ নপৰে। বেয়া ভাব চিন্তাই বশ কৰিব নোৱাৰে।

১২৪৮। ৰামৰ কামলৈ বৈদ্যৰ হেলা।

বৈদ্যই ৰোগ ব্যাধি ভাল কৰে। কিন্তু তেও নিজৰ স্বাৰ্থ আগত ৰাখে। বনবাসী ৰামৰ পৰা ধন সোণ পোৱাৰ আশা নাইকিয়া হেতু লক্ষ্মণ শক্তিশেলত পৰা সময়ত বৈদ্যই চিকিৎসা কৰিবলৈ ইচ্ছা কৰা নাছিল। ভগৱানৰূপী ৰামকো তুচ্ছ জ্ঞান কৰিছিল। মানুহৰ স্বাৰ্থই সৰ্বেসৰ্বা।

১২৪৯। ৰামৰ খায় ৰাৱণৰ গীত গায়।

ক্ষমতাৱন্তসকলে সৰ্বসাধাৰণৰ হতুৱাই তেওঁৰ গুণানুকীৰ্ত্তন কৰায় খাবলৈ দিব লাগে বুলি নাভাবে। ক্ষমতাশালী সকলৰ গুণকীৰ্ত্তন নকৰিলেও নচলে। বিপদ জাপি দিব পাৰে। সেই কাৰণে সকলোৱে ৰামৰ দৰে প্ৰজানুৰঞ্জনকাৰী পুৰুষৰ অন্ন গ্ৰহণ কৰি গুণ গাবৰ সময়ত ৰাৱণৰ দৰে প্ৰতাপী লোকৰহে গুণ গায়।

১২৫০। ৰামতো হয় হয় হৰিতো হয় হয়

সুবিধাবাদী লোকে যিফালে লাভ হোৱা যেন দেখে সেই ফালে সমৰ্থন জনায়। তেনে লোক সকলে ৰাম বুলি কলেও হয় দিয়ে হৰি বুলি কলেও হয় বুলি সমৰ্থন জনায়।

১২৫১। ৰামে মাৰিলেও মৰা ৰাৱণে মাৰিলে মৰা।

ৰামে মাৰক বা ৰাৱণেই মাৰক মৃত্যু বেলেগ হব নোৱাৰে। কিন্তু ৰামৰ দৰে অৱতাৰী পুৰুষে বধ কৰিলে সদগতি হব পাৰে বুলি ৰামৰ হাতত মৰাটোকে শ্ৰেয়স বুলি গণ্য কৰে। মায়া ধৰিব পৰা মাৰীচে এই কথাষাৰ কৈ ৰামৰ হাতত প্ৰাণ দিছিল।

১২৫২। ৰামো নাই অযোধ্যাও নাই।

ৰামে ৰজা হৈ প্ৰজাৰ সুখ সমৃদ্ধিৰ কাৰণে দেহে কেহে যত্ন কৰিছিল। ৰামৰ ৰাজত্ব কালত প্ৰজাৰ সুখ উভৈনদী আছিল। আজি ৰাম নাই আগৰ সেই অযোধ্যাও নাই আৰু সময়ৰো পৰিবৰ্তন হৈছে। গতিকে আগৰ কথা কৈ একো লাভ নহয়।

১২৫৩। ৰাৱতে শিয়াল পখৰা।

শিয়াল পখৰা নহয়। ৰাৱ কাটিলে পখৰা কলা আদিৰ কথা মনলৈ নাহে আহে শিয়াল নামৰ জন্তুটোৰ কথাহে। সেই দৰে কোনো লোকে কেনে ধৰণে কথা কয় তাৰ জৰিয়তে মানুহ জনৰ মনৰ ভাবহে ধৰিব পাৰি অন্য কথা মনলৈ নাহে।

১২৫৪। বাহিত লিগিবা হাত
ল'ৰা ছোৱালী লঘোনে মথবা
দিবা গধূলিতে ভাত।

প্ৰত্যেকেই উপাৰ্জনৰ কিছু অংশ বাহি কৰি সাঁচি থব লাগে বিপদে সম্পদে সাঁচি থোৱা ধন কামত লাগিব। সেই বুলি ধন সাঁচি ৰাখিবলৈ গৈ ল'ৰা ছোৱালীক লঘোনে ভোকে ৰাখিবলে যত্ন কৰিব নালাগে। ল'ৰা ছোৱালী তথা ঘৰৰ খা খৰচ পূৰা মাত্ৰাই কৰি বাহি থিনিহে সাঁচিব লাগে। সেই বাহিত হাত দিব নালাগে।

১২৫৫। ৰূপহী দেখি চুপতি কৰ।
মন ঘোঁৰাটোৰ লেকাম ধৰ।।

ৰূপহীৰ লগত চুপতি কৰিবলৈ ভাল লাগে। চুপতি মাৰোঁতে তজবজীয়া মন ঘোঁৰাটোক শাসনত ৰাখিব লাগে। নহলে চুপতিয়ে অন্যকাললৈ গতি কৰাব পাৰে। মনক বান্ধি ৰাখিব নোৱাৰিলে বিপদ হব পাৰে।

# ল

**১২৫৬। লবে চৰে পৰৰ খায়**

**নলবে নচৰে ঘৰৰ খায়।**

লৰি চৰি ফুৰিলে আন আন কাম কৰি নিজৰ মুঠি অন্ততঃ উপাৰ্জন কৰিব পাৰে। নলৰি ঘৰৰ ভিতৰতে সোমাই থাকিলে ঘৰখিনি হে খাই জীৱন ধাৰণ কৰিব লগীয়া হয়। তেনেলোকৰ আয় নাবাঢ়ে ধন সম্পত্তি কৰিব নোৱাৰে সাঁচতীয়া কিবা অলপ থাকিলেও নাইকিয়া হয়।

**১২৫৭। লঙ্কালৈ যি যায় সি ৰাৱণ হয়**

যি দেশত যি ৰীতিনীতি তালৈ গলে সেই মতে চলিব লগীয়া হয় তাত থকা সুবিধাবোৰ গ্ৰহণ কৰিবলগীয়া হয়। ৰাৱণ লঙ্কাৰ ৰজা আছিল তেও অত্যাচাৰী আৰু পৰস্ত্ৰী অপহৰণকাৰী আছিল। গতিকে তালৈ গৈ ৰজা হ'লে ৰাৱণৰ দৰে হব লাগে। সেইদৰে পদমৰ্যাদা লাভ কৰিলেও আগৰজনৰ নীতি অনুসৰণ কৰি সীতাহৰণকাৰীৰ দৰে-হবলৈ বাধ্য হৈ পৰে।

**১২৫৮। ল'ৰাৰ মেল কলৰ ভেল।**

কলৰ ভেল তৈয়াৰ কৰি ললে সাময়িক কাম কৰি লব পাৰি পাচলৈ পানীত গেলি পচি কলগছবোৰ নষ্ট হৈ অকামিলা হৈ পৰে। ল'ৰাৰ মেলবোৰো ক্ষন্তেকীয়া ক্ষণেকৰ উত্তেজনাৰ বশবৰ্ত্তী হৈ মেল পাতে আন্দোলন চলায় পাচলৈ সেৰেঙা হৈ পৰে।

**১২৫৯। লৰাই পানী পেলায়**

**বৰে পিছলি পৰে।**

ল'ৰাই পানী লৈও খেলে যতে ততে পানী পেলায়। সেই পানীয়ে ঠাইখন পিছল কৰে। তাৰ পৰা বিপদ হব পাৰে। এনে ভাব ল'ৰাৰ মনত নেখেলায়। সেই পিছল ঠাইত পিছল খাই ডাঙৰ মানুহ পৰি আঘাত পাব পাৰে। ল'ৰা ছোৱালীয়ে নভবা নিচিন্তাকৈ নানা কৰ্ম বা অপকৰ্ম কৰে তাৰ কাৰণে মাক দেউতাক আত্মীয় কুটুমে হাই কাজিয়া যুঁজ বাগৰ কৰিবলগীয়া হয়।

**১২৬০। দৌৰাৰ বিমান কষ্ট**

**খেদাৰে সিমানে কষ্ট**

কোনো এজনৰ পাছত খেদি যাব লাগিলে দৌৰা আৰু খেদাৰ সমানে কষ্ট হয়।

**১২৬১। লৰা নষ্ট হয়, হাটত**

**ছিৰোতা নষ্ট হয়, পানীৰ ঘাটত**

হাট কৰা মানুহবোৰ ঠগ চলাহী। এওঁলোকে ঠাই সহজে নাম কৰি মানুহক ঠগে। কোনোৱে তেনে মানুহৰ সঙ্গ লৈ হাটত বহিলে সেইবোৰ গুণ লাভ কৰে। হাটলৈ যোৱা মানুহবো তেনে চল চাতুৰি থাকিব পাৰে। সেইবোৰ দেখি শুনিও ল'ৰা বেয়া হব পাৰে। তিৰোতা মানুহে নৈৰ ঘাটৰ পৰা পানী আনিবলৈ যাওতে ইজনীয়ে সিজনীৰ লগত কথা পাতে। ভাল বেয়া নানা কথা ওলায়। সেইবোৰ কথাই তিৰোতাক মনত গভীৰ ৰেখাপাত কৰে। তেনে কথা কিছুমানে ভাল তিৰোতাকো বিচলিত কৰি বেয়া পথ ল'বলৈ প্ৰৰোচিত কৰিব পাৰে।

১২৬২। লৰাই লুবীয়ে ঘৰখন
ডোখৰা ভুখৰিয়ে জুহাল খন

ল'ৰা ছোৱালী থাকিলেহে ঘৰখন আনন্দ মুখৰ হৈ থাকে। ল'ৰা ছোৱালী নাথাকিলে ঘৰখন নিমাওমাও হৈ পৰে । জুইশাল খনতো ডোখৰ ডোখৰ কাঠ দি থলে জুই জ্বলি থাকে। খৰি নাথাকিলে জুই নাথাকে। জুইশাল বুলি কব নোৱাৰি।

১২৬৩। লাই দিলে ল'ৰা গুচে
সাই দিলে বগাই উঠে।

লাউ কোমোৰা উৰহী আদি গছত সাই দিব লাগে। সাই দিলে বগাবলৈ সুবিধা পায় ফল দিয়ে। সেইদৰে ল'ৰা ছোৱালীকো মৰম কৰি লিখা পঢ়া কাম বন শিকিবলৈ সুবিধা কৰি দিব লাগে। শিকাৰ সুবিধা কৰি দিলে ল'ৰা ছোৱালী সকলো কামতে আগবাঢ়ি যাব পৰা হয়। কিন্তু সকলো সময়তে ল'ৰা ছোৱালীক আশয় দিব নালাগে। আশয় পালে লৰা ছোৱালী দুষ্ট হয় শাসন নমনা হয়।

১২৬৪। লাই পালে কুকুৰে ডিঙিলৈ ধায়।

আশয় পালে কুকুৰে ডিঙিত কামুৰি ধৰিবলৈ বিচাৰে। সেইদৰে তলতীয়া লোকক আশয় দিলে মান সম্মান কৰিবলৈ পাহৰি যায়। তেনে অৱস্থাত সেই সকলক লৈ কাম কৰা অসম্ভৱ হৈ উঠে। গতিকে যি যিমানৰ তাক সিমানতে থাকিবলৈ দিব লাগে।

১২৬৫। লাউ ডাঙৰ হলেও পাতৰ তল।

লাউ যিমান ডাঙৰ নহওক কিয় সি সদায় পাতৰ তলত লুকাই থাকে। কোনো লোক যিমানে বিদ্বান বুদ্ধিমান জ্ঞানী হওক তেও সমাজৰ শাসনত থাকিব লাগে সমাজৰ মুধাফুটাজনেও সমাজক মানি চলিব লাগে। লৰা ছোৱালী যিমানে ডাঙৰ জ্ঞানী নহওক কিয় তেওলোকে মাক দেউতাক আদি গুৰু সকলৰ ওচৰত সৰু হৈ থাকিব লাগে।

১২৬৬। লাউ কোমোৰাৰ টিকাত বিদ্যা।
নিজক এৰি পৰক শিক্ষা।

লাউ কোমোৰাৰ তলফালে বিজ্ঞা যেন খাল একোটা থাকে। সেইদৰে মানুহ মাত্ৰৰে দোষ থাকে। দোষ গুণেই মানুহ। নিজৰ দোষ দেখদেখ অৱস্থাত থাকিলেও নিজৰ দোষ ঢাকি ৰাখি লোকৰ দোষক নিন্দা কৰা মানুহৰ স্বভাৱ। এই স্বভাৱ এবাটো মহৎ লোকৰ কাম।

১২৬৭। লা দি শালিলোঁ দা,
গাৰ কাপোৰ দি বৰ মানুহ কৰিলোঁ
তাৰ প্ৰতাপ চা।

লা দি দা শালে। দাখন বহু দিনলৈ সুলকি নপৰে। কামত লগাব পৰা হৈ থাকে। মানুহৰ বেলিকা নিজৰ গাৰ কাপোৰ কানি দি খাৰন শোৱন দিলেও বৰ মানুহ হৈ সোনকালে পাহৰি যায়। যাৰ সহায়ত বৰ মানুহ হ'ল তেওৰ প্ৰতি কৃতজ্ঞ নহয় বৰঞ্চ ওভতগোৰে নাচিবলৈ হে ধৰে।

১২৬৮। লাগি থাকিলে মাগি খাব নালাগে।

নিজৰ কৰ্তব্য কৰি থাকিলে দুখত পৰিব পাৰে কিন্তু খোৱাৰ অভাৱত নপৰে। নিজহাতে কাম কৰি পেটৰ ভাত মুঠি উলিয়াব পাৰে। তাকে নকৰি নিকৃষ্ট ভিক্ষাবৃত্তি লোৱাটো লাজৰ কথা।

১২৬৯। লাগিলে সৰে।
জন্মিলে মৰে।

গছত ফুল ফল লাগে কিছুদিনৰ পাছত সৰি পৰে। সেইদৰে জন্ম গ্ৰহণ কৰিলে মৃত্যুবৰণো কৰিব লাগে। ই জগতৰ ৰীতি বিধিৰ বিধান।

১২৭০। লাগনি নহলে জুই নজ্বলে।
টুটকীয়া নহলে গাওঁ নবহে।।

জুই জ্বলাবলৈ খৰি কাঠ তেল গ্যেচ আদিৰ কিবা এবিধ লাগে। নহলে জুই জ্বলাব নোৱাৰি। টুটকীয়া মানুহ নাথাকিলে গাঁওৰ মানুহৰ কথাবোৰ প্ৰচাৰিত হৈ নপৰে দ্বন্দ্ব হাইও নালাগে। দন্দ্ব হাই কাজিয়া পেছাল হ লেহে গাওখনৰ মানুহবোৰৰ মাজত মিটমাট হৈ মিলনৰ বাট প্ৰশস্ত হয়। নিমাওমাও হৈ থাকিলে গাঁৱত সম্মিলিত ভাব নহয়। গতিকে গাঁৱত ভাল মানুহ জ্ঞানী সৎ মানুহৰ লগতে টুটকীয়া ওফাইডা, মৰা লোকো থাকিব লাগে। তেতিয়া গাওখনৰ এটা জীৱন্ত ৰূপ ফুটি উঠে।

১২৭১। লাগে তামোল নালাগে।
নালাগে তামোল লাগে।।

তামোল গছ বোওতে ছয় হাত দূৰে দূৰে ৰুব লাগে তেতিয়া ইজোপা গছৰ পাত সিজোপাৰ পাতত নালাগে। পাতে পাতে নালাগিলে তামোল বেছি লাগে। পাতে পাতে লাগিলে তামোলৰ থোক কম হয়।

১২৭২। লাজত কাজ হেৰায়।

তৈপনিত ভোজ হেৰায়।।

লাজ কৰিলে কোনো কাম শিকিব নোৱাৰি। কাম নাজানিলে খোৱা মুঠি পোৱাও টান হৈ পৰে। লাজকুৰীয়া লোক নিষ্কৰ্মা হৈ থাকিব লগীয়া হয়। টোপনি ধৰিলে মানুহে খোৱা বস্তু খাবলৈ ইচ্ছা নকৰে খালে তৃপ্তিও নাপায়। বহু টোপনি পৰুৱা লোকে টোপনি আহিলে খোৱাৰ ইচ্ছাও নকৰে।

১২৭৩। লাজত নকয় তাৰ

জোলোঙাই ভাঙে কামী হাড।

আজি কালি ভাৰ ববলৈ বহুতে লাজ কৰে। ভাৰ বোৱা মানুহক বহুতে তুচ্ছ জ্ঞান কৰে। সেই কাৰণে য'তে ত'তে ভাৰ বোৱা মানুহ পোৱা নাযায়। পতিকে নিজৰ এভাৰ বস্তু ভাৰ নাবান্ধি জোলোঙাত ভৰাই নিয়াৰ দিহা কৰে। জোলোঙা বেছি ভাৰী হলে কামী হাড ভাঙিব পাৰে। নিজৰ কাম কৰোঁতে লাজ কৰিব নালাগে। নিজা বস্তুৰ ভাৰ ব'লে সৰু মানুহ হৈ যোৱাৰ কথা নাই।

১২৭৪। লাজত মৰে হাত পাতি ধৰে।

একাহী ভাত এগৰাহ কৰে।।

কোনো কোনোৱে পেটত ভোক থাকিলওে খাবলৈ লাজ কৰে। দিহলৈ খুজিলে হাতেৰে ঢাকি ধৰে। কিন্তু খাবলৈ ধৰিলে দিওতে তৰণি হেৰাই যায়। একাহী ভাত এগৰাহতে শেষ কৰি দিব যেন কৰে। লাজ কৰিলে ভোকৰ ভাত নেপায়। সেই কাৰণে খোৱাত লাজ কৰিব নাপায়।

১২৭৫। লাজুৱা বামুণ কঁহুৱা চোৰ।

দুয়োৰে কামৰ পৰে ওৰ।।

বামুণসকল দান দক্ষিণাৰ ওপৰতে নিৰ্ভৰ কৰে। সেই দান দক্ষিণা খুজিবলৈ লাজ কৰিলে খাবলৈ নোপোৱা হয়। লাজকুৰীয়া বামুণে মাত্ৰ স্তোত্ৰ আদি মাটিবলৈ লাজ কৰিলে তেওঁ অনভিজ্ঞ বুলি প্ৰমাণিত হয়। তেনে বামুণক শ্ৰাদ্ধাদিত নিমন্ত্ৰণ কৰিবলৈ বহুতে টান পায়। চোৰে চুৰ কৰোতে কাঁহ উঠিলে গিৰীহতে সাৰ পায় চুৰি কাৰ্য্য কৰা সম্ভৱ নহয়। লাজুৱা বামুণ আৰু কহুৱা চোৰৰ কাৰ্য্য সাধন হয়।

১২৭৬। লিখা পঢ়া বৰ্জিত হৰমোহন পণ্ডিত।

হৰমোহন নামৰ মানুহ এজনে বহু জনা দেখুৱাই বাহাদুৰি কৰি ফুৰে। লিখা পঢ়া একো নাজানে। তাৰ কথাৰ বাহাদুৰিৰ কাৰণে সকলোৱে তাক পণ্ডিত বুলি কয়। লিখা পঢ়া নাজানিলেও কথাৰ মলিহা মাৰি পণ্ডিত বোলাব পাৰি।

১২৭৭। লিখি পঢ়ি মৰে দুখে।
মাছ মাৰি খায় সুখে।।

লিখা পঢ়া জনা লোকে বহু সময়ত উপযুক্ত চাকৰি নাপায়। উপাৰ্জন নহ'লে খোৱা শোৱাত সুখ শান্তি নাপায়। কিছুমান মানুহে লিখা পঢ়া নিশিকে খেতি কৰি মাছ মাৰি সুখে সন্তোষে থাকিব পাৰে। কোনে কেনেদৰে জীৱিকা নিৰ্বাহ ক'ৰি সুখে সন্তোষে থাকিবলৈ সমৰ্থ হয় কোনেও কব নোৱাৰে। ভাগ্যই সকলো সুখ দুখৰ গৰাকী।

১২৭৮। লুইতেহে জানে বঠাৰ কিমান কোব।

বঠাৰে নাও বায়। নাৱৰীয়াই কিমান যোৰে বঠাৰ চাব মাৰে তাক লুইতেহে বুজি পায়। আনে অনুভৱ কৰিব নোৱাৰে। কোনো কাম কৰোঁতাই কিমান খাটনি খাটে তাৰ বাবে কিমান দুখ কষ্ট সহিব লাগে কৰোঁতাইহে বুজে আনে অতি সহজে হয় বুলি ভাবি লয়।

১২৭৯। লুইত প্ৰসন্ন হ'লে ভঙা নাৱেৰে পাৰ হব পাৰি।

লুইত বৰ ডাঙৰ নদী। তাত সময়ে সময়ে প্ৰবল ঢৌ উঠে। লুইতৰ উপৰি ভাগতকৈ তলেৰে সোঁতৰ গতি প্ৰবল। বা বতাহৰ প্ৰকোপ নাথাকিলে ভঙা নাৱেৰে লুইত পাৰ হব পাৰি। সেইদৰে ক্ষমতাশালী লোক সুপ্ৰসন্ন হৈ থাকিলে তেওঁৰ সহায়ত বহু ডাঙৰ কাম কৰি লব পাৰি।

১২৮০। লেধাই শামুকেও পাঞ্চজন্যৰ বংশধৰ বুলি বৰাই কৰে।

পাঞ্চজন্য শ্ৰীকৃষ্ণৰ শংখটিৰ নাম। শংখ শামুক জাতীয় প্ৰাণী হলেও শামুক নহয়। ই এবিধ উন্নত ধৰণৰ শামুক। লেধাই শামুক তেনে ধৰণৰ হলেও শংখ বুলি কেৱে আদৰ নকৰে। মানুহৰ মাজত উচ্চ মানৰ মানুহ জন্ম গ্ৰহণ কৰে। সকলো মানুহ উচ্চ মানৰ নহয়। নিজে উচ্চ জাতৰ নহলে উচ্চ জাতিৰ বুলি গৰ্ব কৰিব নালাগে। তাৰবাবে হাঁহিয়াতৰ পাত্ৰ হব লাগে।

১২৮১। লেকামে ঘোঁৰাক ঠিক বাটেৰে চলায়

লেকাম লগালে ঘোঁৰাই তজবজ কৰিব নোৱাৰে। ইচ্ছামতে যেনি তেনি নিব পাৰি। মানুহৰো লেকাম থাকিব লাগে। তেতিয়াহে কথা কোৱাত শিক্ষাগ্ৰহণ কৰ্মত চাল চলনত মানুহ ঠিকমতে চলিব পাৰে। লেকাম নাথাকিলে মানুহৰ কথাই অনৈক্যৰ সৃষ্টি কৰে। ঔচিত্যই মানুহৰ লেকাম।

১২৮২। লো পুৰিলেহে তীখা হয়।

লো গৰম কৰি টেম্পাৰ দিলেহে তীখা হয়। তীখাৰে অস্ত্ৰ শস্ত্ৰ তৈয়াৰ কৰে। সেইদৰে দুখ দুৰ্দশাৰ মাজেৰেহে মানুহ হ'ব পাৰি। তেনে মানুহ সংসাৰৰ সকলো কামতে পাৰ্গত হয়।

১২৮৩। লোকৰ কথা নুশুনিবা।
বাটত নাঙল নাচাঁচিবা।।

নাঙল চাঁচি উলিওৱাটো টান কাম। তাত নিৰ্দিষ্ট ভাজ, নিৰ্দিষ্ট ঠাইত খোলনি থাকিব লাগে। বাটত নাঙল চাঁচিলে বহুতে বহু উপদেশ দি নাঙল নকৰি কিবা এটাহে কৰে। গতিকে বাটত নাঙল চাঁচিব নালাগে যাৰে তাৰে উপদেশ মতে কাম কৰিব নালাগে। অভিজ্ঞ লোকৰহে উপদেশ গ্ৰহণ কৰিব লাগে।

১২৮৪। লোভে পাপ, পাপে মৃত্যু।

লোভত পৰি মানুহে চুৰ কৰে ডকা দিয়ে। তাৰ দ্বাৰা পাপ সঞ্চয় কৰা হয়। বেছি পাপ কাম কৰোতে মৃত্যুও হব পাৰে।

১২৮৫। লোকৰ কথাত মাত মাতে কথাত নাই সুখ।
মৰাৰ গলত ধৰি কান্দে মৰাই নুবুজে দুখ।।

আনৰ কথাত মাত মাতি কোনো সুখ পোৱা নাযায়। মৰা মানুহৰ ডিঙিত ধৰি কান্দিলেও সুখ পোৱা নাযায়। কাৰণ মৰাই কি দুখত কান্দিছে গম নাপায়।

১২৮৬। লোণ ঢুকায় চাকোঁতে
তেল ঢুকায় বাকোঁতে।।

প্ৰত্যেকেই চাকি চাবলৈ গ'লে লোণ শেষ হয়। এটা বটলৰ পৰা আন এটালৈ বাকোতে তেল পৰি নাইকিয়া হয়। যি কাম এজনৰ দ্বাৰা হয় তাক কেবাজনেও কৰিবলৈ গ'লে লাভ নহৈ লোকচান হয়। বাকাবাকি কৰি থাকিলে তেল নাইকিয়া হয়।

১২৮৭। লোৰ লগত অগ্নিয়ে মাৰ খায়।
মাৰৰ কোবত ছিটিকি পলায়।
কমাৰৰ গাত কোনো দোষ নাই।।

কমাৰে লো জুইত পুৰি ৰঙা কৰি লৈ পিটি যন্ত্ৰপাতি তৈয়াৰ কৰে। পিটোঁতে জুইৰ ফিৰিঙতি উফৰি যায়। তাৰ বাবে কমাৰৰ গাত দোষ দিব নোৱাৰি। এজনক দিয়া শাস্তিয়ে যদি আনৰ গা পোৰে। তাৰবাবে শাস্তি দিওতা দোষী নহয়।

১২৮৮। লোৰ হাতুৰী লোৰ বটালি
লোৰ চেপেনাৰে ধৰে
নিয়ৰি মুখত দিলে থলী পায়গৈ
চৈধ্য ব্ৰহ্মাণ্ড তৰে।।

আহাৰ খাওতে মানুহে ওঠ দুটাক চেপেনাৰ দৰে ব্যৱহাৰ কৰে দাঁতে হাতুৰীৰ দৰে খাদ্য বস্তু খুন্দি গুৰা কৰে জিভাই সেইবোৰকে লৰাই চৰাই আলজিভাৰ মুখত

পেলাই দিয়ে। তাৰপৰা খাদ্য নলীৰে পাকস্থলীলৈ গৈ জীৰ্ণ হয়। আহাৰৰ সাৰ ভাগ গৈ চৈধ্য ইন্দ্ৰিয়ক সজীৱ সতেজ কৰি ৰাখে।

**১২৮৯। লোহা টান লোহা টান,**
**তাতোকৈ বাৰ মুঠি টান**
**তাৰ হে ধন-ধান।**

মানুহে ধনী হ'বলৈ খুজিলে খৰচৰ বেলিকা মুঠি টান কৰি বান্ধিব লাগে। যেনে তেনে খৰচ কৰিলে ধন জমা কৰিব নোৱাৰে। কৃপণৰ ধন বুলি কোৱা হয়।

**১২৯০। লোকহে লোৰে পিটিব পাৰি।**

লো বৰ টান ধাতু। সেই ধাতুক পিটি চেপেটা বা কিবা ভিন্ন আকৃতিৰ কৰিবলৈ লোৰ হাতুৰীৰ দৰ্কাৰ হয়। কঠোৰ ভাৱৰ লোকৰ দ্বাৰাহে কঠোৰ ভাৱৰ লোকক ঠিক কৰি লব পাৰি।

**১২৯১। লোণ দানে সোণ দানে সমান**

লোণে খাদ্য ব্যঞ্জন আদি সোৱাদ লগা কৰে লোণ ঔষধ ৰূপেও ব্যৱহাৰ হয়। দুখীয়াৰ পৰা ৰজা মহাৰজালৈকে সকলোকে লোণ লাগে। সোণ সম্পত্তিশালী লোকৰ সম্পদ। সোণে মানুহৰ মূল্য বঢ়ায়। অৱস্থাৰ মাহাত্ম্য প্ৰকাশ কৰে। গৰীব দুখীয়া লোকৰ বাবে সোণ বৰ আৱশ্যকীয় বস্তু নহয়। দুখীয়া লোকে সোণ নহ'লেও চলিব পাৰে। কিন্তু লোণ নহলে এসাজ ভাতো সুখেৰে খাব নোৱাৰে। তেওলোকৰ মানত সোণতকৈ লোণৰ মূল্য বহু বেছি। সেই কাৰণে লোণ দান পুণ্যৰ কাম।

# শ

১২৯২। **শক্তৰ ভক্ত, নৰমৰ যম**

শক্তিমন্ত লোকলৈ সকলোৱে ভয় কৰে যেয়ে সেয়ে নোজোকায়। তেনে লোকক ভক্তিও কৰে। সহজ সৰল মানুহক ভয় কৰা দূৰৰ কথা সুবিধা পালে অনিষ্টহে কৰে।

১২৯৩। **শক্তি বুজাহি ভক্তি।**

যাৰ যিমানখিনি শক্তি আছে তেওঁ সেই মতে ভক্তি অৰ্ঘ্য যাচিব লাগে। লোকক দেখুৱাই বা আনক দেখি নিজৰ সামৰ্থ্যৰ বাহিৰলৈ যাব নালাগে। নিজৰ ধন বল চাই বিয়া সবাহত খৰচ কৰিব লাগে। ভক্তি ধনৰ বলত নহয় মনৰ বলত হে হয়।

১২৯৪। **শগুণ বহু ওপৰলৈ উৰে।**
**ঘনাই বাহলৈ চকু কৰে।।**

শগুণে বহু ওপৰলৈ উৰিব পাৰে। বহু উপৰলৈ উৰিলেও নিজৰ বাহটিলৈ চকু দি থাকে। সেইদৰে মানুহে বহু দূৰলৈ গলেও নিজৰ ঘৰখনৰ প্ৰতি ল'ৰা ছোৱালীৰ প্ৰতি সঘনে মনত পৰে। ঘৰখনেই শান্তিৰ ঠাই।

১২৯৫। **শগুণৰ শাওত বুঢ়া গৰু নমৰে।**

গৰু বুঢ়া হ'লে মৰে। শগুণৰ খাদ্যাভাৱ হ'লে শাও দি গৰু মাৰিব নোৱাৰে। মানুহৰ বেলিকাও লোকৰ শাওপাত খাই নমৰে। মনোকষ্ট পায় মাথোন। আয়ুস টুটিলেহে মৰে।

১২৯৬। **শত্ৰুৰ তেজ বঢাই নলবা।**

শত্ৰুৱে সুবিধা পালেই অনিষ্ট কৰে। গতিকে তেনে শত্ৰুৰ ক্ষমতা সাহ বঢোৱা কোনো কাম কৰিব নালাগে। পৰাপক্ষত শত্ৰুক দমাইহে থব লাগে।

১২৯৭। **শত্ৰুৰ ছাগলীৰ কাণ মুচৰিব পাৰিলেও গা শাত পৰে।**

সকলো মানুহে শত্ৰুৰ অনিষ্ট কৰিব পাৰিলে সুখী হয়। আন কৰিব নোৱাৰিলেও বহুতে শত্ৰুৰ ছাগলিৰ কাণ মুচৰি শান্তি লাভ কৰে।

১২৯৮। **শত্ৰু যেনকৈ বান্ধিবা মিত্ৰ যেনকৈ নিবা।**

কোনা বস্তু নিবলৈ হলে মৰম ভাবেৰে বান্ধিব নালাগে। কৰবাত সুলকি পৰি নষ্ট হব পাৰে। টানকৈ বান্ধি নিব লাগে। আৰু নিওতে মিত্ৰক নিয়া যেন কৰি আতোল তোলকৈ নিব লাগে।

**১২৯৯। শৰীৰ ৰখাই প্ৰধান ধৰ্ম।**

নিজৰ শৰীৰটো ৰোগ ব্যাধিৰ পৰা দূৰত ৰাখি সুস্থ সবল কৰি ৰাখিব পৰাটোৱেই জীৱৰ প্ৰধান ধৰ্ম প্ৰধান কৰ্মও। শৰীৰ ভালে থাকিলে জীৱনৰ সুখ শান্তি উপভোগ কৰিব পাৰি।

**১৩০০। শপতৰ লৰচৰ পৰৰ মূৰত খায়।**
**সম্বন্ধৰ লৰচৰ শালপতি ভাই।।**

'তোমাৰ মূৰ খাম যদি মিছা কৈছো' বুলি শপত খালে পৰৰ মূৰত শপত খোৱা হয়। তেনে শপতৰ সাৰ্থকতা নাথাকে। নিজৰ মূৰ খাম বুলি কেৱে শপত নাখায়। শালপতি সম্বন্ধটো অলপ আঁতৰৰ হৈ পৰে। তেজ মঙহৰ কোনো যোগাযোগ নাথাকে। তাৰ কাৰণে শালপতি সম্বন্ধ লৰক ফৰক ধৰণৰ।

**১৩০১। শলৰ পেটত শালৰ জন্ম।**

শাল মাছ শুক ভকতে নাখয়। অশুচি বুলি জ্ঞান কৰে। শল মাছ সকলোৱে খায়। শল মাছৰ পেটত শাল জন্মিলেও সি অশুচি হব পাৰে। ভাল মানুহৰ ঘৰত জন্মিলেই ভাল বুলি ধৰিব নোৱাৰি। ভাল মানুহৰ ঘৰতো দুষ্ট দগাবাজ জন্ম গ্ৰহণ কৰিব পাৰে। গতিকে জন্মৰ উদৰ লৈ ভাল বেয়াৰ বিচাৰ নহয়। সৎ চৰিত্ৰবান হ'লেহে লোকক সৎ আৰু সাধু বুলি কোৱা হয়।

**১৩০২। শলাগোঁতে শলা গাঁঠি লাগে।**

শলাগণিত মানুহৰ উৎসাহ বাঢ়ে। শলাগনি পালে দুগুণ উৎসাহেৰে কাম কৰে। বেছি শলাগনি পালে কিছুমানৰ অহঙ্কাৰ বাঢ়ি যায়। তেতিয়া ভাল কাম নহয়। শলা গাঁঠি লাগিলে শলা নুখুৰা হয় মানুহে বেছি শলাগনি পালে কাম নকৰা হয়।

**১৩০৩। শস্য টুটিল মৎস্য টুটিল**
**টুটিল বিবিধৰ গুটি।**
**ভাল ভাল মানুহৰ বাইক লৰিল**
**লৰিল ধৰ্মৰ খুটি।।**

দেশত দুৰ্দিন উপস্থিত হলে শস্য মৎস্যৰ অনাটন হয়। গছত ফল নধৰে। আকালে দেখা দিয়ে। খাবলৈ নাপালে মানুহৰ মন ভালে নাথাকে। ভাল মানুহৰো কথাৰ ঠিক ঠিকনা নোহোৱা হয়। ফলত ধৰ্মতো অধৰ্মৰ প্ৰভাৱ পৰে।

**১৩০৪। শাওৰা দপতীয়া নৌহওঁতে যখিনীয়ে বাহ লয়।**

শাওৰা গছত যখিনী থাকে বুলি মানুহে কয়। শাওৰা গছজোপা জোপোহা হৈ উঠিব লাগে তেতিয়াহে তাত যখিনীয়ে বাহ লব পাৰে। দুপতীয়া হৈ থাকোতে

ৰক্ষিনীয়ে বাহ্ লব নোৱাৰে। সেইদৰে শিশু অবস্থাতে বেয়া গুণে স্থান লব নোৱাৰে। শিশুৰ মন তেতিয়া অতি পবিত্র হৈ থাকে। তেনে শিশুৰ মনত বেয়া ভাব জগালে বেয়া কাৰ্য্যবোৰ কৰিবলৈ শিকালে। শিশুক জীৱনলৈ অনিষ্ট কৰা হয়।

১৩০৫। শাওনমহীয়া বোৱনী,
তিনদিনীয়া পঁইতা খায়,
সাদিনীয়া মৰা জীয়াবলৈ যায়।

শাওন মাহত বোৱনীৰ অৱসৰ বৰ কম। বৰুৱা কাম যদি কৰি এটাই ভাত ৰান্ধিবলৈ সময় নাপায়। সেইকাৰণে তিনিদিনীয়াকৈ পঁইতা ভাত ৰাখি খায়। তাকে খাই পথাৰলৈ ধান কৰবলৈ যায়। কঠিয়াবোৰ সাদিন আগতে তুলি থোৱা আছে কৰ্য্যলৈহে সময় কৰিব পৰা নাই। সেইবোৰ কঠিয়াকে কই জীয়াই তোলে ধান গছ হয়। ধানেৰে ভঁড়াল উপচি পৰে।

১৩০৬। শাক ৰান্ধিবলৈ নাই ধুম।
তোজ বান্ধে ধামধুম।।

যিজনে শাক ৰান্ধিব নাজানে তেওক ভোজ ৰান্ধিবলৈ ধুমধাম কৰিলেও ৰান্ধিবলৈ দিব নালাগে। তেনেজনক ৰান্ধিবলৈ দিলে ৰন্ধাবোৰ সোৱাদ লগা হৈ নুঠে। খাওতাই সন্তুষ্ট হৈ খাব নোৱাৰে।

১৩০৭। শাকে শোকোতাই তক্ষণ।
সেয়ে পুৰুষৰ লক্ষণ।।

যিজন পুৰুষে শাকে শোকোতাৰে তৃপ্তি পলুৱাই খাব পাৰে তেৱেঁই সুলক্ষণীয়া পুৰুষ। যেতিয়াই যি মিলে তাকেই আনন্দমনে গ্ৰহণ কৰিলে জঞ্জাল নাথাকে। ৰান্ধনীয়েও ভাল পায়।

১৩০৮। শাপে বৰ হয়।

কোনো ক্ষেত্ৰত শাপে আশৰ্বাদ হৈ পৰে। দশৰথ ৰজাক অন্ধ মুনিয়ে অভিশাপ দিছিল তুমিও আমাৰ দৰে পুত্ৰশোকত মৰিবা। দশৰথ ৰজা তেতিয়ালৈ অপুত্ৰক আছি। অন্ধমুনিৰ অভিশাপ কাৰ্য্যকৰী হবৰ কাৰণে দশৰথ ৰজাৰ চাৰিজন পুত্ৰ উপজিছিল। অৱশ্যে মুনিৰ সাপো ফলিয়াইছিল পুত্ৰ শোকতে দশৰথ ৰজাৰ মৃত্যু হৈছিল।

১৩০৯। শামুকৰ পেটত মুক্তা জন্মে।

মুক্তা এবিধ মূল্যবান ৰত্ন। এই ৰত্ন ঘিণ লগা শামুকৰ পেটত জন্মে। সেইদৰে অতি নীচ মানুহৰ ঘৰত ৰত্ন সদৃশ গুণী জ্ঞানী পুৰুষৰ জন্ম হব পাৰে।

**১৩১০। শাল শিঙাৰ কঁৰে একাল।**
**ইকৰাই বোলে মই শিঙি-তলে**
**যাম কত কাল।**

শাল শিঙৰি আৰু কৰৈগছৰ কাঠ বহু দিন টিকে। ইকৰাৰে বেৰ ছাটে। ইকৰা যদি পানীত নিতিতে বহু দিন একে অৱস্থাতে থাকে।

**১৩১১। শালক শিঙিয়ে কহে।**
**তয়ো এসাজী ময়ো এসাজী**
**সেয়েহে গৰাকী নাহে।।**

শাল আৰু শিঙি মাছক অখাদ্য বুলি বহুতে বেয়া পায় নাখায়। শিঙিয়ে শালক লগ পাই নিজৰ দুখ পাতলাবলৈ কৈছে— আমি অখাদ্য বুলি আমাক নিবলৈ কোনোৱে নাহে। একে ভুক্তভোগী লগ পালে মনত শান্তি পোৱা যায়। গতিকে আমি দুখ কৰাৰ আৱশ্যক নাই। মানুহৰ বেলিকাও লোকৰ অনাদৰত ম্ৰিয়মান হৈ থকাজনে সমদুখী পালে মনত শান্তি পায়। মুখত হাহি ওলায়।

**১৩১২। শাহু বোৱাৰীৰ ঘৰ।**
**কোনে খায় গাখীৰৰ সৰ।।**

একেখন ঘৰতে শাহুৱেক বোৱাৰীয়েক থাকে। ঘৰৰ খোৱাবস্তু কিবা নাইকিয়া হলে নকলে সৈ নাকাঢ়িলেও কোনোবা এজনীয়ে খোৱাটো নিশ্চিত। কোনেও নকয় কাৰণে ঘৰখনত কাজিয়াৰ সৃষ্টি হয়। এজনীয়ে আনজনীৰ প্ৰতি কলুষ ভাব পুহি ৰাখিবলগীয়া হোৱা কাৰ্য্য অতি গৰ্হিত।

**১৩১৩। শাহু হ'ল আহুকাল**
**পুত্ৰ হ'ল যম কাল।**
**মতা হল ঘোচামৰ জৰী**
**গাভৰু কালতে খাইল ফুৰিল**
**মায়াত নিদিবি ভৰি।।**

ছোৱালী বিয়া দিলে গিৰীয়েকৰ লগত এৰাব নোৱাৰাকে বান্ধ খায়। গিৰীয়েকক এৰিব নোৱাৰা বাবে শাহুৰী খাটিব লগীয়া হয়। শাহুৱেকে বোৱাৰীয়েকক মুকলি মূৰীয়াকৈ ফুৰিব নিদিয়ে। শাহুৱেক থকা কাৰণেই খাও বোলা বস্তু খাবলৈ নেপায়। আহুকাল পায়। সন্তান হ'লে বৰ কষ্ট খাবলগীয়া হয়। সেইকাৰণে নিজৰ ঘৰত গাভৰু হৈ থাকোঁতে মায়াত ভৰি নিদিওতে মনৰ ইচ্ছামতে খাই আৰু ফুৰি লব লাগে।

**১৩১৪। শাহুৰী খাটিবলৈ গৈ গালি শপনিলৈ ভয় কিয়?**

বিয়াৰ পাছত শাহুৱেকে বোৱাৰীক শিকাই বুজাই লবলৈ বিচাৰে। তাৰবাবে

কেতিয়াবা গালি শপনিও দিবলগীয়া হয়। সেই গালি শপনিৰে ভয় কৰিলে ঘৰুৱা কাম বন তালকৈ শিকা নহয়। শাহুৱেৰে গালি শপনি বোৱাৰীয়েকৰ ভালৰ কাৰণে দিয়ে। ভাত খেয়া পালে অশান্তি ভোগ কৰিব লাগে।

১৩১৫। শিং ভাঙি বলদক দামুৰি কৰিব নোৱাৰি।

দামুৰিৰ শিং নাথাকে। বলদ গৰু এটাৰ শিং দুটা ভাঙি দিলে দামুৰি হৈ নপাৰে। সেই দৰে দাড়ি গোফ খুৰাই দিলে ডাঙৰ মানুহ এটাক ল'ৰা বুলি কব নোৱাৰি ল'ৰা ধেমালি কৰিলেও বুঢ়া মানুহ লৰা নহয়। বয়স কমাব নোৱাৰি।

১৩১৬। শিমলুৰ দেখি কৰ।
পখীয়ে দিয়ে পৰ।।

শিমলু গছত কৰ হোৱা দেখিলে বহু চৰায়ে তাত পৰ দি থাকে। কৰ পূৰঠ হৈ ফাটি তুলা ওলাই পৰিলে চৰাইবোৰ নিৰাশ হৈ গুচি যায়। অথলত আশা পাতি বৈ থাকিলে নিৰাশ হব লাগে।

১৩১৭। শিল চিকুটিলে নখহে ভোটা হয়।

শিল কঠিন বস্তু। নখ তাতকৈ বহু কোমল। নখেৰে শিল চিকুটিলে নখহে ক্ষয় হৈ ভোটা হয। সেইদৰে মানী লোকক জ্ঞানী লোকক সমালোচনা কৰিলে নিজহে লাজত পৰিব লাগে। জ্ঞানী মানী জনৰ কোনো অপযশ নহয়।

১৩১৮। শিয়ালৰ জাক জাক সিংহৰ এটা।

শিয়াল সিংহৰ তুলনাত সৰু জন্তু। সাহ বলো কম। এটা সিংহক জাক জাক শিয়ালে একো কৰিব নোৱাৰে। হেজাৰজন ভীৰু কাপুৰুষ লোক থাকিলে দেশৰ কোনো উন্নতি কৰিব নোৱাৰে। এজন সাহসী বুধিয়াক লোকে দেশৰ উন্নতি সাধন কৰিব পাৰে। সেইবাবে হেজাৰদুৰ্বল ভীৰু কাপুৰুষ লোকত কৈ এজন সাহসী বিদ্বান বুধিযক লোক বহুগুণে শ্ৰেষ্ঠ।

১৩১৯। শিয়ালৰ ডিঙিত মণ্ডহৰ ভাৰ
আনৰ নাপালে মৰণে সাৰ।।

শিযালৰ ডিঙি মণ্ডহাল। মণ্ডহৰ ভাৰলৈও সি আনৰ মাস নাপালে শুকাই মৰিবলগীয়া হয়। নিজৰ সা সম্পত্তিৰে অনেকৰ পেট নভৰে। লোকৰ পালেহে জীৱন ৰক্ষা পৰে।

১৩২০। শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।

হাঁহ ধৰি খাবলৈ পৰিশ্ৰম কৰিব লাগে। শুই থকা শিয়ালৰ মুখত হাঁহ নিজে আহি নপাৰে। সেইদৰে ধনী হবলৈ খুজিলে বিদ্বান হবলৈ খুজিলে পৰিশ্ৰম কৰিব লাগে। আপোনা আপুনি ধন বিদ্যা মানুহৰ হাতলৈ নাহে। বিনা পৰিশ্ৰমে পেটৰ ভাত মুঠিও পাব নোৱাৰি। পৰিশ্ৰম উন্নতিৰ সোপান।

**১৩২১। শুই থকা কুকুৰক জগাই নলবা।**

শুই থকা কুকুৰক জগাই দিলে তাৰ টোপনিৰ ব্যাঘাত ঘটে। সেই কাৰণে সি কামুৰিবলৈ খেদি আহে। সেই দৰে নিতাল মাৰি থকা শত্ৰুক জোকাই লব নালাগে। তেনে শত্ৰুৱে বিপদ ঘটাবলৈ চেলু পায়।

**১৩২২। শুনা কথা বিপৰীত।**

যিকোনো কথা স্বাৰ্থ জড়িত ভাবে বিস্তাৰিত হয়। পতিকে স্বাৰ্থ সিদ্ধিৰ বাবে মিছা কথাকো সঁচা বুলি প্ৰচাৰ কৰে। সেই কাৰণে শুনা কথা বেছি গুৰুত্ব দিব নালাগে।

**১৩২৩। শুনা কথাত নিদিবা কাণ**
**দেখা কথাৰ তিনিটা প্ৰমাণ**

শুনা কথা বিশ্বাস কৰিব নালাগে। শুনা কথা মিছাও হব পাৰে। দেখা কথাকো তিনিটা প্ৰমাণ সাপেক্ষেহে বিশ্বাসত লব লাগে।

**১৩২৪। শুকান বালি তিয়াব নোৱাৰি।**

বালি তিতে কিন্তু পানীৰে সিক্ত হৈ নাথাকে শুকান বালিত পানী ঢালিলে পানী ওলাই যায় নিভিজে সেইদৰে অভাৱী লোকক সহায় কৰিব পাৰি কিন্তু অভাৱ দূৰ কৰিব নোৱাৰি। অভাৱী লোকে সফল হবলৈ অভাৱ দূৰ কৰিবলৈ নিজ পৰিশ্ৰমৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। আনৰ সহায়েৰে আংশিক ভাবেহে অভাৱ পূৰন কৰিব পাৰি।

**১৩২৫। শুকান জেওৰা চেপি ৰস উলিয়ায়।**

শুকান জেওৰা চেপিলে ৰস নোলায়। সেইদৰে কৃপণৰ পৰা ধন সৰকাব নোৱাৰি। কিন্তু কোনো কোনো সময়ত অতি কৃপণৰ পৰাও বুধিৰে ধন আদায় কৰিব পাৰি।

**১৩২৬। শূকৰৰ পেট ভূমিত লোটে।**
**যাৰ যি স্বভাৱ মৰিলে টুটে।।**

গাহৰিয়ে বোকাত লেটি লৈ থাকে। সিহতৰ চাল ডাঠ আৰু তেলাল কাৰণে গৰম সহ্য কৰিব নোৱাৰে। সেইবাবে গাহৰিৰ পেট বোকাপানীত লেটিয়াই যায়। এই অভ্যাস সিহঁতে নেৰে এৰিব নোৱাৰে। যাৰ যি স্বভাৱ মৰিলেহে যায়।

**১৩২৭। শেষ ভাবেই সকলো ভাল।**

কামত দোষ গুণ থাকে। যি কামৰ শেষ ফল ভাল সেই কামেই উৎকৃষ্ট।

**১৩২৮। শেনটি যোৱা দি যায়**
**কৈঁচাটি অহা দি আহে।।**

শেন চৰাইৰ বল বেছি। সি গ'লে ছো মাৰি যায় ডকা দি খায়। কেতিয়াবা সি

নিবাশ হয়। তেতিয়া ফেঁচাটো হোৱা দি নিবাশ মনে ঘূৰি আহে। সেইবাবে কোনো অৱস্থাতে বাহ্যদুৰি কৰি যাব নালাগে কৃতকাৰ্য্য নহৈ ঘূৰি আহিব লাগিলে লাজ পোৱা যায়।

১৩২৯। শোৱাত শুচি তিৰীৰ পাৰ
চাচলি দিলে শুচি অেমৰ নায়
পইচা দিলে শুচি নাপিতৰ হাত
যাচি দিলে শুচি বামুণৰ ভাত(ডাক)

তিৰোতাৰ ভৰি পুৰুষৰ গাত লগাটো দোষণীয়। কিন্তু শোওতে তিৰোতাৰ ভৰি পুৰুষৰ গাত লাগিব পাৰে তাত দোষ নাথাকে। মাছমৰীয়াৰ নাৱত কেঁচা মাছৰ গোন্ধ থাকে। সেই নাওত যদি চাচলি দিয়া থাকে তেন্তে গোন্ধ থাকিলেও নাওখন শুচি হয়। নাপিতৰ হাতে চুলি কাটিলে পইচা দিলে শুচি হয়। বামুণৰ খাদ্য খাব নাপায়। বামুণে যদি যাচি খাবলৈ দিয়ে সেই খাদ্য খাব পাৰি। সেই খাদ্য শুচি তাত কোনো দোষ নাথাকে।

# ষ

১৩৩০। ষাঠি বছৰত বোলে আই
আহাৰ শাওনত দোহে গাই
পুহত আহু জেঠত শালি।
তেবে জানিবা গৃহস্থালি (ডাক)

যিজনে ষাঠি বছৰ বয়সতো মা বুলি মাতিব পাৰে মাকৰ মৰম পায় তেও ভাগ্যবান লোক। আহাৰ শাওন মাহত যাৰ ঘৰত খীৰঁতী গাই থাকে তেও ভাগ্যৱান। যিঘৰ মানুহে পুহত আহুধানৰ আৰু জেঠত শালিধানৰ ভাত খাবলৈ পাৰে সেইখন ঘৰেই প্ৰকৃত ঘৰ প্ৰকৃত গৃহস্থালী।

# স

১৩৩১। সকলো চৰায়ে মাছ খায়।
মাছৰোকাৰ নাম হয়।

মাছ চৰাইৰ প্ৰিয় খাদ্য। মাছ সকলো চৰায়ে খায়। কেৱল এবিধ চৰাইৰ নামহে মাছৰোকা। সকলো মানুহে কম বেছি পৰিমাণে মাছ মাৰে কেৱল এক শ্ৰেণীৰ মানুহক মাছমৰীয়া বোলে। কোনো লোক যি কামত আনতকৈ পকা হয়। তেওঁ সেই হিচাবে নাম পায়।

১৩৩২। সকলো হাতীত মুকুতা নাথাকে।
সকলো কাঠ নহয় চন্দন।
সকলো ভকতত ভকতি নিসিছে।
সকলো সাধু নহয় মহাজন।

হাতী মাত্ৰবে দাঁতত মুকুতা নজন্মে। হাবিৰ উদণ্ড মতা হাতীৰ দাঁতত মুকুতা পোৱা যায়। কাঠ মাত্ৰেই চন্দন কাঠ নহয়। আন আন বহু কাঠ হাবিত জন্মে। ভকত হলেই ভক্তি দান কৰিব নোৱাৰে। পৰম ভকতেহে ভক্তি দিব পাৰে। সাধু পুৰুষ মাত্ৰেই উত্তম পুৰুষ ভগৱান নহয়। ভগৱান এজনহে আছে।

১৩৩৩। সকলোতকৈ ডাঙৰ হৰি কথা।
তাতোকৈ ডাঙৰ চাউল কথা।

ভগৱানৰ নাম চিন্তা চৰ্চা শ্ৰৱণ কীৰ্তন কৰা উৎকৃষ্ট কৰ্ম। কিন্তু ভোকত লাল কাল হৈ ভগৱানক চিন্তা কৰিব নোৱাৰি। একাগ্ৰতা নজন্মে। একমন এক প্ৰাণে ভগৱানক চিন্তা কৰিব নোৱাৰিলে ঈশ্বৰ চিন্তাৰ কোনো সফলতা লাভ নহয়। গতিকে অন্ন চিন্তাহে ডাঙৰ চিন্তা। তাৰ পাছত হে ঈশ্বৰ চিন্তা কৰিব লাগে।

১৩৩৪। সতিনীৰ পোক দিওঁ বোলোঁতেই বাহী হয়।

সতিনীৰ পোক খাবলৈ নিদিব পাৰিলে মনত শান্তি পোৱা যায়। গতিকে দিম বুলি থোৱা বস্তু বা খাদ্য দিম দিম বোলোঁতেই বাহী হৈ যায়। নিদিবৰ মন হ’লে খুৱাই তৃপ্তি দিয়াতকৈ নষ্ট হবলৈ দিয়াটোকে বহুতে শ্ৰেয় বুলি ভাবে।

১৩৩৫। সতিনীৰ জালত অভক্ষও খায়

সতিনীৰ অমঙ্গল চিন্তা কৰাটোৱেই সতিনীৰ মুখ্য কৰ্ম। যদি অভক্ষ (বিষ্ঠা) ভক্ষণ কৰিলে সতিনীৰ অমঙ্গল হয়। তেনে অভক্ষ গ্ৰহণ কৰিবলৈ সতিনীয়ে অকণো দ্বিধাবোধ নকৰে।

১৩৩৬। সতিনীৰ কোলাত পো।
ফুৰ্তি নাহে, চকুত লো।

নিজৰ কোনো সন্তানে নৌ জন্মোতে যদি সতিনীৰ কোলাত পো দেখে তেন্তে সতিনীয়ে মৰ্মান্তিক দুখ পায়। শুৱ নোৱাৰে চকুৰ পানী ধাৰাসাৰে বৰলৈ ধৰে। হিংসা ভাব অতি জঘন্য। যিকোনো প্ৰকাৰে অনিষ্ট কৰি হিংসা চৰিতাৰ্থ কৰাই হিংসুক লোকৰ কাম।

১৩৩৭। সময়ৰ চিকমি আগকালে।

সময়ৰ লগত খোজ মিলাই চলিবলৈ হলে কাম আৰম্ভ হোৱাৰ আগৰ পৰাই প্ৰস্তুতি চলাব লাগে। ঠিক সময়ত কাম আৰম্ভ কৰিব পাৰিলে সময়মতে কাম কৰি কৃতকাৰ্য্য হব পাৰি।

১৩৩৮। সময় যায় মানে মৃত্যু আগবাঢ়ি আহে।

সময় গৈ থাকে কালৈকে নৰয়। সময় যায় মানে বয়স বৃদ্ধি হয় জীৱন কাল টুটি আহে। যিমানে বয়স বাঢ়ি যায় সিমানে মৃত্যু ওচৰ চাপে। তাকে চাই সময়মতে সকলো কাম কৰা উচিত তেতিয়াহে জীৱন সফল হয়।

১৩৩৯। সমানে সমানে কৰিবা কাজ।
হাৰিলে জিকিলে নাহিকে লাজ।

সমান বল শক্তি থকা একে সম্মানৰ গৰাকী সকলৰ মাজত প্ৰতিযোগিতা হ লে হৰা বা জিকাত লাজ নালাগে। নিম্ন খাপৰ লগত প্ৰতিযোগিতাত নামি হাৰিলেহে লাজ পোৱা যায়। উচ্চ লোকৰ সৈতে প্ৰতিযোগী নোহোৱাই উচিত। উচ্চ লোকৰ উচ্চ স্তৰত স্থান দিয়াই শ্ৰেয়স।

১৩৪০। অন্তৰ সঙ্গত সু বাসনা
দুষ্টৰ সঙ্গত দুৰ্বাসনা

সাধুৰ লগত ফুৰিলে মনত সৎ ভাৱ সৎ চিন্তা হয দুষ্টৰ লগত লগ হ লে বেয়া চিন্তা বেয়া ভাব হয। বেয়া কাম বোৰ কৰিবলৈ লৈ বিপদত পৰিব লগীয়া হয়।

১৩৪১। সন্তৰ শ কাল
দুষ্টৰ একাল।

সাধুলোকে এইজনমত সুনাম পায় পাছতো মানুহে নাম যশ গায়। দুষ্টলোকে এইকালতে লঘু লাঞ্ছনা ভোগ কৰিব লাগে। মৃত্যুৰ পাছত তেওৰ বাবে কোনেও নাভাবে। নাম নাইকিয়া হয়। বৃদ্ধি হয়।

১৩৪২। সন্তানৰ আশ্ৰয় মাক
জ্ঞানৰ আশ্ৰয় বাক।

সন্তানে মাকক আশ্ৰয় কৰি ডাঙৰ দীঘল হয়। সেইদৰে জ্ঞান কথাক আশ্ৰয় কৰি প্ৰকাশ পায়।

১৩৪৩। সৰিয়হ, বাঁহ বুজিহে কাটিব লাগে

বাঁহ কোন জোন কেতি কাটিব লাগে তাক জানিব লাগিব নহলে কটা বাঁহ উলিওৱাত মস্কিল হয়। কাৰণ বাঁহবোৰ সবলভাবে থিয়হৈ নাথাকে তল ওপৰ হৈ থাকে। বাঁহ কাটিব নাজানিলে দুৰ্ঘটনাও হব পাৰে।

১৩৪৪। সম্পদৰ বাইভনী আপদ কালৰ মিতা।
ধন নহলে ভাৰ্য্যাৰ সঙ্গও হয় তিতা।

ভাল দিনত বাই ভনী আত্মীয় কুটুম বহুত পোৱা যায়। আপদ কালৰ বন্ধুৱেহে প্ৰকৃত বন্ধু প্ৰকৃত কুটুম। ধনহীন হলে আনৰ কথা নধৰিলেও ভাৰ্য্যাই অসন্তুষ্ট হয়। ভাল মুখৰ মাত এযাৰ দিবলৈ বৰ টান পায়। সঙ্গ সুখ ভাল নলগা হয়।

১৩৪৫। সৰিয়হৰ ভুলিত ভূত।

বেজে সৰিয়হ জাৰি ভূত খেদায়। সৰিয়হ থকা ভুলিতে যদি ভূতে বাঁহ লয় তেন্তে ভূত খেদোৱাৰ উপায় নাইকিয়া হয়।

১৩৪৬। সঁচা ক'লে কটা যায়।
মিছা ক'লে বটা পায়।

সাক্ষীয়ে সচা কথাকে দোষী লোকক কটা খেদাব পাৰে। যদি মিছা কথা কয় তেনেহ'লে দোষীজন সাৰি যাব পাৰে। মিছা কথা কোৱা পাপ। কিন্তু মানুহৰ জীৱন ৰক্ষা কৰিবলৈ গৈ আনৰ অনিষ্ট নোহোৱাকৈ মিছা কথা কোৱাটো পাপ নহয়। তেনে সাক্ষীয়ে জীৱন ৰক্ষা কৰা বাবে বটাও পাব পাৰে।

১৩৪৭। সহিলে সম্পদ পায়।

মানুহৰ মাজত হাই দণ্ড লাগে। তাৰ কাৰণে কটাকটি মৰামৰিও হব পাৰে। কোনোবাই অন্যায় কৰিলে বা কিবা অনিষ্ট সাধন কৰিলেও যিজনে সহ্য কৰি থাকিব পাৰে তেওঁৰ বিপদ নহয় মনত শান্তি লাভ কৰিব পাৰে। সুখ শান্তি বৰ ডাঙৰ সম্পদ।

১৩৪৮। সহজ সবল মানুহ পায়
উচতাই খোল খায়।

সবল মানুহক ঠগাবলৈ বৰ সহজ। বহুতে সবল মানুহক উৎসাহ দি ওপৰলৈ তোলে। কথাৰে ভুলাই মানুহজনৰ প্ৰাপ্যখিনি নিজে ভোগ কৰে। সুবিধাখিনিও আদায় কৰে।

**১৩৪৯। সহজাত ৰোৰেই মানুহৰ পৰম শত্ৰু।**

মানুহ ওপজাৰ লগে লগে কাম ক্ৰোধ লোভ মোহ আদিৰো জন্ম হয় সেই কাৰণে কাম ক্ৰোধ লোভ মোহ আদিক সহজাত বুলি কোৱা হয়। বয়স বঢ়াৰ লগে লগে এইবোৰে মানুহৰ দুৰ্গতিৰ সীমা নাইকিয়া কৰে। সেই কাৰণে ইহঁতক ৰিপু বা শত্ৰু বুলি কোৱা হয়।

**১৩৫০। সৰু হ'লে সৰকি যায়।**
**ডাঙৰক বিপদে পায়।**

জাল পেলালে সৰু মাছ সৰকি যায়। ডাঙৰ মাছ আৱদ্ধ হয়। সেইদৰে বিপদ আহিলে সৰু সৰু মানুহৰ গাত নালাগে ডাঙৰ সকলকহে বিপদে জুকলা কৰে।

**১৩৫১। সৰু হলে পাচে**
**কোৰ হলে চাঁচে।**

কোৰেৰে মাটি চুৰুকি পৰিষ্কাৰ কৰে। সৰু লৰা ছোৱালী থাকিলে এইটো কৰ এইটো আন বুলি সৰু কাম কৰিবলৈ দিয়ে।

**১৩৫২। সৰ্ব গুণীয়াক ভাতে নাটে।**
**শ বুধিয়াক বুধিয়ে পাটে।**

বহু গুণ থকা মানুহে কি গুণৰ বলেৰে জীৱিকা চলাব পাৰিব কি গুণে জনাজাত হব পাৰিব তাৰ বাছ বিচাৰ কৰি থাকোতে সময় যায়। কামত খটুৱাবলৈ সঠিক বুদ্ধি বিচাৰি নাপায়। সেইকাৰণে তেও কামত কৃতিত্ব লাভ কৰিব নোৱাৰে। সেই বাবেই আয় উৎপন্ন নোহোৱা হৈ খাবলৈ নোপোৱা হয়। এশ বুধিয়াই দৰ্কাৰৰ সময়ত কোনটো বুধিৰে কাম হব ভাবিকে নাপায়। গতিকে কিবা কৰাৰ ঠাইত কিবা এটাহে কৰি পেলায়।

**১৩৫৩। সাগৰ তলিত হে ৰত্ন থাকে।**

ৰত্ন বহুমূলীয়া বস্তু। য'তে ত'তে ইয়াক পোৱা নাযায়। বহু প্ৰকাৰ ৰত্ন সাগৰৰ তলিত থাকে। তাৰপৰা আহৰণ কৰিব লাগে। সেইদৰে উপযুক্ত গুণীলোক য'তে ত'তে পোৱা টান। জন সমুদ্ৰত বিচাৰিলেহে কৰবাত দুই চাৰিজন পোৱা যায়।

**১৩৫৪। সাগৰ মথিলেহে হাতী ঘোঁৰা ওলায়।**

তাহানি দেৱতা আৰু অসুৰ সকলে সাগৰ মন্থন কৰি ঐৰাৱত হাতী উচ্চৈশ্ৰৱা ঘোঁৰা লক্ষ্মী আৰু অমৃত উলিয়াইছিল। সেইদৰে জ্ঞানৰ সাগৰ মন্থন কৰিলেহে সাহিত্য সংস্কৃতি বিজ্ঞানৰ ন ন আৱিষ্কাৰ হব পাৰে।

**১৩৫৫। সাগৰত পানী ঢালিলে সাগৰ নভৰে।**

সাগৰ বৰ বিশাল। সেই বিশাল বিৰাট সাগৰত অহৰহ নদী জান জুৰিয়ে পানী দি

আছে তথাপি সাগৰ উপচি পৰানাই। তেনে সাগৰত মানুহে পানী ঢালিলে সাগৰ নভৰে। পূৰ্ব্বৰত হৈ থাকে। সেইদৰে ধনীলোকৰ ধনৰ সীমা সংখ্যা নাই। যিমানে ধন দিয়া হয় আৰু দিয়লে লাগে। তেওঁলোকৰ আকাঙ্ক্ষা পূৰ নহয়।

১৩৫৬। সাগৰত নৈ পৰ্ব্বতত নৈ
বোপাইৰ তিৰোতা নাই
কন্যাইৰ সাতজনী বৈ

মানুহৰ অন্তৰ সাগৰত মৰম চেনেহ দয়া আদি মিঠা লগা গুণবোৰ থাকে। সেই গুণবোৰৰ কাৰণে সংসাৰৰ ভোগ এৰি যাবলৈ মন নাযায়। তেনে মানুহৰ অন্তৰতে অহংকাৰ ভাবৰ জন্ম হয়। অহংকাৰী মানুহৰ অহংকাৰক পৰ্ব্বত বোলা হৈছে সেই পৰ্ব্ব পৰ্ব্বতত কেৱে আৰোহন কৰিবলৈ ইচ্ছা নকৰে। আত্মা পিতৃ স্বৰূপ। আত্মাৰ পত্নী নাই গতিকে বান্ধোনো নাই। আত্মা চিৰমুক্ত। দেহৰূপী কন্যাইয়ে আত্মাৰ নিদ্ৰা, ভয় সুখ দুখ মান অপমান নামে সাতজনী তিৰোতাৰ সৈতে বাস কৰে। দেহাই বহু দুখ কষ্ট ভোগ কৰে। আত্মা ওলাই গলে দেহা নিস্তেজ নিষ্কৰ্মা হৈ পৰে অৱশেষত নাশ হয়।

১৩৫৭। সাগৰতে নগৰ পাতি নিয়ৰলৈ ডৰো

সাগৰত নগৰ পতা কামত বহু দুখ কষ্টও ধনৰো খৰচ। পানীৰ মাজত তেনে নগৰ পাতি সামান্য নিয়ৰলৈ ভয় কৰাৰ কাৰণ নাথাকে। বৰ ডাঙৰ কাম কৰি সামান্য অসুবিধাক ভয় কৰাটো অনুচিত।

১৩৫৮। সাত সাগৰত পাতিলে ডিঙৰা,
ঘট ঘটকৈ লাগি আছে তিনিটা শিঙৰা

সাগৰত ডিঙৰা পতা বৰ টান কাম। তেনে টান কাম কৰি তিনিটা শিঙৰা মাছ পোৱাটো লাজৰ কথা। অৰ্থাৎ বৰ কাম কৰি সামান্য লাভ হলে মনত ভাল নালাগে। পৰিশ্ৰম অথলে যায়।

১৩৫৯। সাঁচি থোৱাৰ মৰণ নাই
সাৱধানৰ বিপদ নাই।

উপাৰ্জনৰ কিছু অংশ সাঁচি থব পাৰি আপদে বিপদে বৰ সহায় হয়। আনকো সহায় কৰিব পাৰি। সাঁচনি ধন থাকিলে নেখাই মৰিব নালাগে। জীৱনৰ বাট খলা বমা। প্ৰতি খোজতে বিপদ হব পাৰে। গতিকে সাৱধান হৈ চলিব লাগে।

১৩৬০। সাত হাল হাতী একালে
আহুঁ জৰকলে একেলে।

সাত হাল হাতীৰে মাটি চহোৱা লোক ধনী মাতব্বৰ। কিন্তু যাৰ ভাগ্য সুপ্ৰসন্ন তেওঁ তাতোকৈ ধনী হব পাৰে। গতিকে সৌভাগ্য সকলোতকৈ ডাঙৰ।

**১৩৬১। সাত পুত্ৰৱতী শিয়ালে খায়**

**কাঠ বাঁজী স্বৰ্গলৈ যায়।**

সাত পুত্ৰ থকা মাকৰ যদি পুতেকহঁতৰ মাজত মিলাপ্ৰীতি নাথাকে মাকৰ প্ৰতি এজনবো শ্ৰদ্ধাভক্তি নাথাকে কষ্টত দিন কটায় বেমাৰ হ'লে ঔষধ পাতি দিয়াৰ দায়িত্ব কোনেও লব নোখোজে সেই গৰাকী মাক মৰিলে শেষ কৃত্য কৰিবলৈ কেৱে আগবাঢ়ি নাহিব। শিয়াল কুকুৰেহে শটো খাই শেষ কৰিব। পুত্ৰহীনা তিৰোতাই আনৰ দয়াৰ ওপৰতে নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰে সৎ পথত চলি তেও স্বৰ্গবাসী হ'বলৈ সমৰ্থ হয়। অযোগ্য পুত্ৰ সাতজন থাকিলেও কোনো লাভ নাই , বৰঞ্চ নিপুত্ৰী হোৱাই শ্ৰেয়স।

**১৩৬২। সাতোৰ সাঁতোৰ বাউসীৰ বলে।**

**সাঁতুৰিব নাজানিলে যাবি ৰসাতলে।।**

স সাৰখন স্বাৰ্থপৰ। সকলো নিজৰ কাৰণে ব্যস্ত। নিজে কৰিব নোৱাৰিলে আনৰ ওপৰত নিৰ্ভৰ কৰি কোনো লাভ নহয়। নিজৰ বাউসীৰ বলেৰে স ংসাৰ সাগৰ সাঁতুৰি পাৰ হ'বলৈ চেষ্টা কৰিব লাগে। নহলে ৰসাতললৈ যাব লাগে। নিজৰ ওপৰত ভাৰসা ৰাখি সকলো কাম কৰিব লাগে। আনে কৰি দিব বুলি বাট চালে কোনো লাভ নহয়।

**১৩৬৩। সাধিছে বান্দৰে মধুফল খায়**

**নাসাধে বান্দৰ ডাল বগায়।।**

ডাল বগাই ফুৰাই বান্দৰৰ কাম। তাৰ ভিতৰৰে ডাল বগাই ফুৰোঁতে সোৱাদ লগা ফল খাবলৈ পায়। বহুতৰে ডাল বগাই ফুৰোঁতে যায়। যি ভাগ্যত লৈ আহিছে তেওঁলোকে ভোগ কৰিবলৈ পায় যাৰ ভাগ্যত নাই তেওঁলোক জন্ম গ্ৰহণ কৰাৰ কোনো সাৰ্থকতা লাভ কৰিব নোৱাৰে। সকলো চেষ্টা ব্যৰ্থ হয়।

**১৩৬৪। সাপে খায় আৰু কাপে খায় কেতিয়াবা কাপৰ বিষ সাপৰ বিষত কৈ বেছি হয়।**

সাপে খুটিলে মানুহে মৰে। কাপৰ লিখনি কম মাৰত্মক নহয়। লিখনিয়ে মান সম্মান বঢায় টুটায়ো। লিখনিয়ে মানৱ জাতিক উন্নত কৰি তুলিব পাৰে লিখনি বেয়া হ'লে লিখকৰ অনিষ্ট হয় জাতিবো অপকাৰ হব পাৰে। গতিকে সাপলৈ লক্ষ্য ৰখা দৰ্কাৰ আৰু কাপ সাৱধানে চলাব লাগে।

**১৩৬৫। সাপেহে সাপৰ ঠেং দেখে।**

সাপৰ ঠে ং নাই বুকুৰে বগুৱাবাই যায়। সাপেও সাপৰ ঠেং নেদেখে কেনেকৈ যায় জানে সেইদৰে চোৰেহে চোৰক চিনি পায়। আনে চিনি নাপায়।

১৩৬৬। সাপে খায় লেখি।
বাঘে খাই দেখি।।

লেখন থাকিলেহে সাপে খোঁটে। বাঘে দেখিলেহ শত্রুজ্ঞান কৰি দেখি আহি আক্রমণ কৰে।

১৩৬৭। সাপ হৈ খোঁটে
বেজ হৈ জাৰে।

সাপে খুটিলে কোনো কোনো বেজে জাৰিফুকি ভাল কৰিব পাৰে। পৃথিৱীত এনে কিছুমান মানুহ আছে যি মানুহৰ অনিষ্ট কৰি কাৰ্য্যসিদ্ধি কৰে পাচত সান্ত্বনা দি মনত ভাল লগায়। তেনে দুমুখীয়া লোকৰ সঙ্গ নোলোৱাই ভাল।

১৩৬৮। সাপৰ মুখৰ বেং পলায়
বাঘৰ মুখৰ ছাগ হেৰায়।।

বে সাপৰ খাদ্য। অসাৱধান হলে সাপৰ মুখৰ পৰা বেং পলাই সাৰিব পাৰে। সেইদৰে বাঘৰ খাদ্য ছাগলী। সেই ছাগলীও বাঘৰ সমুখৰ পৰা পলাব পাৰে গতিকে খাদ্য গ্রহণতো বিশেষ সাৱধান হব লাগে।

১৩৬৯। সাপ মাৰি নেগুৰত বিষ এৰিব নালাগে।

সাপ আধা মৰা কৰি নেগুৰত বিষ এৰিব নালাগে। আকৌ সজীৱ হৈ উঠিব পাৰে। সাপ প্রতিশোধ পৰায়ণ। যি সাপৰ অনিষ্ট কৰে। সাপে সেই জনক প্রতিশোধ নলৈ নেৰে। গতিকে সাপ মাৰিলে আধা মৰাকে এৰি থব নালাগে। ।

১৩৭০। সাপে নেপাহৰে ককালৰ কোৰ
মাকে নেপাহৰে পুতেকৰ শোক ।

সাপৰ ককালত কোৱাই যাবলৈ দিলে সি যি কোনো প্রকাৰে তাৰ প্রতিশোধ লৈহে এৰে পাহৰি নাযায়। সেইদৰে মাকেও পুত্ৰৰ মৰণ আমৰণ মনত ৰাখে। কিবা সু‚সূত্র ওলালেই হিয়া ঢাকুৰি কান্দে চকুৰ পানীৰে বাট নেদেখা হয়।

১৩৭১। সাপো মৰক লাঠীও নাভাঙক

সাপ মৰক কিন্তু যি লাঠীৰে সাপ মৰা হয় সেই লাঠী ভাগিব নালাগে। সেইদৰে যাৰ দ্বাৰা শত্রুক নাশ কৰা হয় তাৰ যেন একো অনিষ্ট সাধন নহয় তালৈ চক ৰাখিব লাগে।

১৩৭২। সাপে খায় বাঘে খায় যদি মৰে জলে
সকলো ঘটে জানা নিজ কৰ্ম ফলে।

সাপে খুঁটিলে বাঘে খালে অথবা পানীত ডুবি মৰিলে আনক দুষিব নোৱাৰি। নিজৰ কৰ্মফল অনুসৰি এইবোৰ ঘটে বুলি ধৰি লব লাগে।

১৩৭৩। সিংহ নষ্ট হয় টিপচিক বুধি
মানুহ নষ্ট হয় দোষাদোষী কৰি।।

টিপচি এটি সৰু চৰাই। সিংহৰ দৰে পৰাক্ৰমী জন্তু এটাই টিপচিৰ পৰা বুধি ল'লে বিপদ হ'বই। সৰুৰে ডাঙৰক বিপদত আয় যদিও ক্ষুদ্ৰ চৰাইৰ বুধি শুনি সিংহই কাম কৰিব নালাগে। মানুহ নষ্ট হয় ইজনে সিজনক দোষ দিবলৈ ধৰিলে। মানুহে দোষতকৈ গুণহে লক্ষ্য কৰা উচিত।

১৩৭৪। সুখ থাকে ৰবীৰ কোণত।
দুখ থাকে চকুৰ পলকত।।

সুখ লাগে বুলিলেই পোৱা নাযায়। তাৰ কাৰণে কষ্ট কৰিব লাগে। বাৰীত চকুতে সুখৰ সমল থাকে তাকে লাভ কৰিব পাৰিব লাগে। দুখ যতে ততে চকুৰ পলকতে লাভ কৰিব পাৰি। কিবা এটা বেয়া কাম কৰিলেই দুখ পোৱা যায়।

১৩৭৫। সুবাট দুৰ্গম নহবা এৰি
বুঢ়ী হ'লেও বিয়া কৰিবা তেওঁ নানিবা ৰাৰী

কষ্টকৰ হলেও সুবাট এৰিব নালাগে। সুগম হলেও দুৰ্বাট বৰ্জন কৰিব লাগে। ৰাৰী তিৰোতা অনাত কৈ বুঢ়ীকে আনিব লাগে। ৰাৰী তিৰোতাৰ কপাল বেয়া গুণে বিধবা হ'ব লগীয়া হৈছে। নতুনকৈ বিয়াত বহিলেও দুৰ্ভাগ্য ঘটিব পাৰে।

১৩৭৬। সুযোগ এবাৰ আহে।

মানুহৰ জীৱন সুখদুখে ভৰা। সুখ কেতিয়াবাহে পোৱা যায়। সেই বাৰৰ সুযোগৰ সৎব্যৱহাৰ কৰিব নোৱাৰিলে গোটেই জীৱন দুখতে কটাব লগীয়া হয়।

১৩৭৭। সুফল কমলী সুতিৰী খেদেলী।
সুজল ৰবিজলা সুজন কিবিষণা।
সুপুৰুষ ৰাম সু নাৰী শ্যামা।।

সকলোতকৈ উৎকৃষ্ট ফল কল। কল বলকাৰক খাদ্য। পূজা পাৰ্বণত লাগে। তিৰোতাৰ ভিতৰত আপৰিষ্কাৰ কাম বনত লেতেৰাজনী সুতিৰী। ৰবদুণৰ পানী পৰিষ্কাৰ। খেতিয়ক সকল উপকাৰী ভাল মানুহ। ৰামচন্দ্ৰৰ দৰে পুৰুষ সকলোৰে আদৰ্শণীয় সু পুৰুষ। শ্যামবৰ্ণা নাৰীয়ে ভাল নাৰী।

১৩৭৮। সুৰ হেৰালে আজি ভঙ্গিয়ে পুৰায়।

অভিজ্ঞ গায়কৰসুৰ হেৰালে আঙ্গি ভঙ্গি কৰি তাৰ তাল মান ৰক্ষা কৰে। সেইদৰে পণ্ডিত লোকেও কোনো কথা প্ৰকাশ কৰিবলৈ অপাৰগ হলে অন্যপ্ৰকাৰে প্ৰকাশ কৰে।

**১৩৭৯। সূৰ্য্যৰ মুখত সোপা দিব নোৱাৰি।**

সূৰ্য্য সৌৰজগতৰ বৃহত্তম নক্ষত্ৰ। সূৰ্য্যৰ প্ৰখৰ তাপ। সূৰ্য্যক ঢাকি থব নোৱাৰি। সেইদৰে বজ্ৰজনা হৈ পৰা কথাক ঢাকি ৰাখিব নোৱাৰি।

**১৩৮০। সেৰে সেৰে যায় পোৱাসে কান্দে।**

য'ত সেৰে সেৰে ক্ষতি হয় তাত এপোৱা আধাপোৱা ক্ষতিৰ বাবে দুখ কৰিলে লাভ নহয়। সেৰৰ তুলনাত পোৱা তেনেই কম। গতিকে বেছি ক্ষতিৰ কথা চিন্তা নকৰি সামান্য ক্ষতিৰ কথা চিন্তা কৰি লাভ নাই।

**১৩৮১। সোণ হলে দীতাল হাতীও পোন।**

সোণ মূল্যবান ধাতু। সকলো বস্তুৰ মূল্য সোণৰ মূল্যামানৰ লগত হে তুলনীয়। সোণ মানে ধন হাতী কিনিবলৈ বহুধনৰ আৱশ্যক। থিয়ে সোণ জমা কৰিব পাৰে হাতীও কিনিব পাৰে।

**১৩৮২। স্বামীৰ দোষত ভৃত্যৰ দণ্ড**
**স্ত্ৰীৰ দোষত স্বামীৰ দণ্ড তণ্ড।।**

স্বমীৰ কিবা দোষ হলে সেই দোষত ভৃত্যই শাস্তি খায়। স্ত্ৰীৰ দোষ হলে গোটেই ঘৰখনেই নষ্ট হৈ যায়। স্ত্ৰী গৃহলক্ষ্মী হবলৈ যত্ন কৰিব লাগে। তেতিয়া ঘৰখনে সুন্দৰ ভাবে দোপত দোপে উন্নতি কৰে। স্ত্ৰী সুগুণ সম্পন্না নহ'লে ঘৰৰ লক্ষ্মী আঁতৰি যায়। হাই কাজিয়া হৈ গৃহস্থৰ অধঃপতন ঘটে।

**১৩৮৩। সোলাৰ মুখত মাখি পৰা**

দাঁত নথকা মানুহক সোলা বোলে। সোলাৰ মুখ প্ৰায়ে মেল খাই থাকে। তেনে খোলাৰ মুখত মাখিয়ে খোৱা বস্তু বিচাৰি এনেই সোমাই যায়। সোলাই একো কষ্ট কৰিব নালাগে। কোনো পৰিশ্ৰম নকৰিলেও ভাগ্যত থাকিলে কোনো কোনো সময়ত অভাবিত ভাবে লাভ হয়।

**১৩৮৪। স্নানৰ পৰে তৈল ঘঁহে বিটৌ জন।**
**নৰৰ অধম সি জানে সৰ্বজন।**

গা ধোৱাৰ আগতে গাত তেল ঘঁহি গা ধুব লাগে। স্নান কৰি উঠি গাত তেল ঘঁহা লোকক মানুহে অধম বুলি জ্ঞান কৰে।

# হ

## ১৩৮৫। হৰৰ দিনত কুকুৰেও মৈ টানে।

সুদিন আহিলে চাকৰ বাকৰে গিৰীহঁতৰ উন্নতিৰ কাৰণে মন প্ৰাণ দি কাম কৰে। আনকি কুকুৰ মেকুৰী আদি ঘৰত পোহ পাল পাই থকা প্ৰণীবোৰেও গৃহস্থৰ মঙ্গলজনক উপাকাৰ হোৱা কামবোৰে কৰিবলৈ লয়। কুকুৰে বোকা পানীত মৈ টানিব নোৱাৰে। গৰু ম'হৰ তুলনাত কুকুৰ সৰু জন্তু। তথাপি কুকুৰে গিৰীহঁতৰ বাবে অন্যান্য ভাল কাম কৰে।

## ১৩৮৬। হ'ৰ ছলি বুলিৰ বাপ
## তেহে গুচিব মনৰ তাপ।।

মাক দেউতাকে ল'ৰা ছোৱালীয়ে তেওলোকক মা দেউতা বুলি মাতিব এনে আকাংখা সকলোৰে কৰে। কিন্তু মনৰ আকাংখা কেতিয়া পূৰ হব তাক সময় সীমা নথকা হেতু দম্পত্তিৰ মনত  সদায় চিন্তা ভাৱনা হৈ থাকে আৰু ভৱিষ্যতলৈ ধিয়াই থাকে।

## ১৩৮৭। হলা গছ দেখিলে আটায়ে বাগি কঠাৰ মাৰে।

হাওলি থকা গছ কাটিবলৈ বৰ সহজ । তেনে গছত যেয়ে সেয়ে বাগি কুঠাৰ মাৰি সহজে গছজোপা কাটি বাগৰাব পাৰে। সেইদৰে নিমাখিত লোকক ঠগাবলৈ বৰ উজু । সকলোৱে সেই উজু কামটি কৰি ভাল পায়। লোক জনৰ অৱস্থালৈ লক্ষ্য নকৰে। স্বাৰ্থ সিদ্ধি হলেই সকলো হয় বুলি ভাবে।

## ১৩৮৮। হয় বঙা মাটি নহয় গুৱাহাটী

আহোম ৰজা আৰু মোগলৰ মাজত হোৱা ৰণত অসমীয়া সেনা সকলে জান প্ৰাণ দি যুদ্ধ কৰিছিল। তেওলোকে প্ৰতিজ্ঞা কৰিছিল বঙা মাটিৰ মোগলৰ ঘাটি ছেদেলি ভেদেলি কৰি বঙা মাটি দখল কৰিব নোৱাৰিলে মোগলৰ প্ৰবল আক্ৰমণ প্ৰতিহত কৰি গুৱাহাটী ৰক্ষা কৰিব। এনে দৃঢতাৰ কাৰণে মোগলে সোতৰ বাৰ চেষ্টা কৰিও গুৱাহাটী দখল কৰিব নোৱাৰিলে। মনৰ দৃঢতাৰে কৰা কাম কোনেও ব্যৰ্থ কৰিব নোৱাৰে।

## ১৩৮৯। হৰিয়ে নাৰাখিলে জৰীয়ে নাৰাখে।

ৰোগ ব্যাধি হলে মন্ত্ৰ তাবিজ আলনীয়া আদিৰে উপশম ঘটাবলৈ চেষ্টা কৰে। যাৰ মৃত্যু আৱশ্যম্ভাবী তেওক এইবোৰ তাবিজ আলনীয়াৰ জৰীয়ে ৰক্ষা কৰিব নোৱাৰে। মৰমৰ জৰীয়েও একো কাম নিদিয়ে। ৰক্ষা কৰোঁতা বা মাৰি নিওঁতা এক ভগৱানেই। ৰাখে হৰি মাৰে কোনে? মাৰে হৰি ৰাখে কোনে?

১৩৯০। হৰিণাৰ মঙহেই বৈৰী।

হৰিণা নিমাখিত প্ৰাণী। কাৰো অন্যায় কৰিবলৈ নাযায়। হাবিৰ ঘাঁহ নিজৰাৰ পানীয়ে হৰিণাৰ খাদ্য। তেনে নিমাখিত প্ৰাণীক মানুহ বাঘ সিংহ আদিয়ে বধিবলৈ চেলু বিচাৰি ফুৰে। হৰিণাৰ সুস্বাদু মঙহৰ লোভত মানুহ বাঘ সি হই হৰিণা বধ কৰে। তাক নিজৰ গাৰ মঙহেই বৈৰী বুলি কোৱা হৈছে।

১৩৯১। হা দিয়ো হু হু দিয়ো
ন দিয়ো ব্যাঘ্ৰজম্পনে

বিলনীয়াই খাদ্য বিলাওতে অতিৰিক্ত খাদ্য লাগে নেকি সোধা উচিত। সুধিলেও কোনে কোনোৱে লাজতে লাগে বুলি কবলৈ নোখোজে । পাতত নাথাকিলে দিবলৈ খোজোঁতে যদি খাওতাই হা হা নিদিবা হুহু নিদিবা বুলিলেও কিছু কিছু দি যাব লাগে। যদি বাঘে জাপ মৰা দি দুয়োখন হাত পাতৰ ওপৰত ধৰে তেতিয়া দিব নালাগে। খাওতাৰ তৃপ্তিৰ কাৰণে তেওঁৰ কাৰ্য্যলৈ লক্ষ্য কৰি বিলনীয়াই তেওঁৰ বিলোৱা কাৰ্য্য কৰিব লাগে।

১৩৯২। হাত নাই হাতালি খেলে।
পা নাই ভৰিৰে ঠেলে।

হাত নাথকিলে হাতালি খেলিব নোৱাৰি ভৰি নাথাকিলে লথিয়াব নোৱাৰি। আন কোনো অঙ্গ নাথাকিলেও সেই অঙ্গৰো ব্যৱহাৰ নহয়। সেইদৰে ধন নহলে বস্তুৰ দৰদাম কৰাটো অনুচিত। কাৰণ দৰ দাম কৰি নিকিনাটো অভদ্ৰ ব্যৱহাৰ হৈ পৰে। কাজিয়াও হব পাৰে।

১৩৯৩। হাক নাই ঢাক নাই।
গাভৰু ছোৱালীৰ লাজ নাই।

গাভৰু ছোৱালীৰ যৌৱন অৱস্থাই লোকক আকৰ্ষণ কৰে। তাৰ কাৰণ দৈনন্দিন চাল চলনত লুক ঢাক থাকিব লাগে। মাক দেউতাক আদি গুৰুজনৰ হাক বচন শুনিব লাগে তাকে নকৰিলে সকলোৱে লাজ নাইকিয়া ছোৱালী বুলি কব। গাভৰু হোৱাৰ লগে লগে ছোৱালীৰ দায়িত্ব বৃদ্ধি হয় আত্মসম্মানে মনত স্থান লাভ কৰে। গাভৰু ছোৱালীৰ লাজ লাজ ভাব এটি থকা উচিত।

১৩৯৪। হাকিম লৰে হুকুম নলৰে।

হুকুম আইন মতে হ'য়। আইন যেতিয়াই তেতিয়াই সলনি নহয়। গতিকে হুকুমো সলনি নহয়। হুকুম দিয়া হাকিম সলনি হয় হুকুম সলনি নহয়।

**১৩৯৫। হাঁচি, জেঠি উজুটি খালে**
**মিছা নহয় কোনো কালে।**

যাত্ৰাৰ সময়ত কোনোবাই হাঁচিয়ালে জেঠীয়ে টিকটিকালে অথবা উজুটি খালে যাত্ৰা ভঙ্গ হয় । সেয়ে যাত্ৰা স্থগিত ৰাখিব লাগে। নহলে বিপদ হয়। ই সকলো কালৰ বাবে মানি চলিব লগীয়া কথা।

**১৩৯৬। হাতত নাই বিত,**
**মনে কৰে পিতপিত।**

হাতত ধন নাথাকিলে কোনো কামকে কৰিব নোৱাৰি। নিধনীলোকে মনক দমাই ৰাখিবলৈ যত্ন কৰিব লাগে।

**১৩৯৭। হাতত নাই কপটো**
**বৰ সবাহলৈ মনটো।**

বৰ সবাহৰ দৰে ভাল কাম কৰিবলৈ সকলোৰে মন যায়। বৰ সবাহ কৰিবলৈ বহুতো ধনৰ দৰ্কাৰ। ধন নোহোৱাকৈ বৰ সবাহ পাতিলে লাজ পাবলগীয়া হব পাৰে।

**১৩৯৮। হাতৰ এৰি বাটৰ খেদা**

হাতত বা হাতেৰে লগ পোৱাত যি থাকে তাতে সন্তুষ্ট হোৱাটো বুদ্ধিমানৰ কাম। হাতৰ এৰি বাটৰ বস্তু বিচাৰিলে কষ্ট হয় আৰু নাপাবও পাৰে।

**১৩৯৯। হাতৰ নিব কাণৰ নিব**
**দহো আঙুলিৰ দান কোনে নিব?**

চোৰ বা ডকাইতে হাতৰ কাণৰ ডিঙিৰ গহনা নিব পাৰে। কিন্তু দহোটা আঙুলিৰে কৰিব পৰা কামৰ আভিজ্ঞতা কোনোও নিব নোৱাৰে। গতিকে অভিজ্ঞতা মানুহৰ অমূল্য সম্পদ।

**১৪০০। হাতীৰ পোকৰত তৰাৰ ফমুটি**

হাতী বৃহত্তম জন্তু। তেনে জন্তু এটাৰ পোকৰত তৰা গছৰ ফমুটি মাৰিলে হাতীয়ে একো গম নাপায়। সেইদৰে মহৎ লোকক পাচত গালি পাৰিলে বা সমালোচনা কৰিলে কোনো লাভ নহয়।

**১৪০১। হুস্কিলে মস্কিলে হাতীবো পা পিছলে।**

হাতীৰ ভৰি পতা বৰ বহল। ডাঙৰ ডাঙৰ নখ থকা সেইকাৰণে হাতীয়ে খোপনি ৰাখিব পাৰে। তেনে হাতীবো কেতিয়াবা ভৰি পিছলিব পাৰে। গতিকে সাৱধান হব লাগে।

১৪০২। হাতীয়ো পিছলে পায়
সজ্জনবো ভুলে নায়।
ভীমেও দিয়ে বণ ভঙ্গ
মুনিবো হয় মতিভ্রম।

হাতীৰ ভৰি পভা বহল আৰু খোপনি পুতিবলৈ ডাঙৰ নখ থকা সত্বেও কেতিয়াবা ভৰি পিছলি যায়। সংলোকবো কেতিয়াবা কথা লৰচৰ হ'ব পাৰে। ভীমৰ দৰে মহাবলী জনেও যুদ্ধৰ পৰা আঁতৰি আছিল। মুনি সকলবো মতি ভ্ৰম ঘটে। গতিকে অসম্ভৱ বুলি কোনো কথা নাই।

১৪০৩। হাতীৰ খাৱনে খুৱাবা।
বাঘৰ চাৱনে চাবা।।

ল'ৰা ছোৱালীক শাসনত ৰখিবলৈ হ'লে সিহঁতৰ প্ৰতি কঠোৰ হ'ব লাগে। বাঘৰ চাৱনে চাব লাগে যাতে ভয় কৰে। কিন্তু খোৱা বোৱাত হাতীৰ খাৱনে খুৱাব লাগে অৰ্থাৎ যিমান খাব পাৰে সিমান খাদ্য যৰম কৰি খুৱাব লাগে।

১৪০৪। হাতে কাজী মুখে কাজী।
তলেদি যায় বামতাল বাজি।।

হাতৰ কামত পকা হ'লে আনৰ হিংসাভাব স্বভাৱতে ওপজে। তাতে যদি মুখেদি কথা কোৱাত পাকৈত হয় তেন্তে গোপনে শত্ৰুৰ সৃষ্টি হয়। কেতিয়াবা সেই শত্ৰু ভাব প্ৰকাশ হৈ কাজিয়াও হয়।

১৪০৫। হাতীচোৰ আগে আগে যায়।
বেঙেনা চোৰে মাৰ খায়।।

যেয়ে সেয়ে হাতী চুৰ কৰিব নোৱাৰে। হাতী চলাব জনা লোক হব লাগিব। তেনে অভিজ্ঞ লোকক মানুহে চোৰ বুলি নাভাবে। হাতীচোৰ আগে আগে গ'লেও লগত হাতী নাথাকিলে মানুহে তেওক চোৰ বুলি কবলৈ সাহসো নকৰে। বেঙেনা ক্ষেতত লৈ যোৱাজনক চোৰ বুলি নিৰ্ভয়ে কব পাৰি। ডাঙৰ ডাঙৰ চোৰ ধৰা নপৰে অভাৱত পৰি বেঙেনা জলকীয়া চোৰ কৰা জন সহজতে ধৰা পৰে।

১৪০৬। হাতীক খুচিবা কপালত
মিত্ৰক দুষিবা আগত।।

হাতীক কুমত লোৰ চিপ্ৰাঙেৰে খুচিলেহে হাতী বশ হৈ থাকে আৰু মাউতৰ কথামতে চলে। সেইদৰে মিত্ৰৰ দোষ সমুখত ক'লে মিলা প্ৰীতি বৃদ্ধি পায় আৰু শুধৰণি হয়।

**১৪০৭। হাতীৰ দাঁতক চিকুটি ছিঙিলে**
**কুঠাৰেৰে কাটিলে মূলা।**
**বৰ বৰ বতাহে শিল উৰুৱালে**
**উৰুৱাব নোৱাৰে তুলা।।**

হাতীৰ দাঁত টান তাক চিকুটি ছিঙিব নোৱাৰি। হাতীৰ দাঁতৰ তুলনাত নখ তেনেই কোমল। হাতীৰ দাঁত চিকুটি ছিঙিব পৰা নহয়। কুঠাৰেৰে গছৰ মূৰা কাটে মূলা কাটিবলৈ কুঠাৰ নালাগে। শিল বৰ গধুৰ। বৰ বতাহে তাকো বগৰাই দিব পাৰে। তুলা অতি পাতল যেতিয়া শিমলু বা কপাহৰ কৰত সোমাই থাকে তাক উৰুৱাই নিব নোৱাৰে। যিমানে শক্তিৱান নহওক অতি ক্ষুদ্ৰ বস্তুকো সুবিধা কৰিব নোৱাৰিলে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে। অনাৱশ্যক ভাবে সামান্য কামত বেছি শক্তিৰ প্ৰয়োগ অনাৱশ্যক।

**১৪০৮। হাতী হৈ মাখি হলোঁ।**
**গো খোজত তল গ'লোঁ।।**

হাতী এটা যদি মাখিৰ আকাৰ ধাৰণ কৰে তেন্তে সেই মাখি গৰুৰ খোজৰ পানীত তল যাব পাৰে। সেইধৰণে জ্ঞানীলোকে নকৰিব লগীয়া কাম কৰিলে তেওঁৰ মহত্ব কমি যায় নিকৃষ্ট লোক হৈ পৰে। য তে ত'তে লাজ পাবলগীয়া হয়।

**১৪০৯। হাতী ম'হৰ যুঁজ লাগে।**
**বিৰিণাৰ হয় মৰণ।।**

হাতী আৰু ম'হৰ যুঁজ লাগিলে বহু সময় যুজ কৰে। সিহঁতে যুজ কৰা ঠাইত থকা বিৰিণা বন গছকত মৰি যায়। ঠাইখন ধানৰোৱা বোকা পথাৰ যেন হৈ পৰে।

**১৪১০। হাতীৰ গা হাতীয়ে নেদেখে।**

হাতীৰ গাৰ তুলনাত চকু সৰু ডাঙৰ কাণ দুখনে পাছ ফাললৈ বেৰ যেন হৈ থাকে সেইবাবে হাতীয়ে নিজ চকুৰে নিজৰ গা নেদেখে। তেনেকৈ যিমানে বৰলোক নহওক কিয় স্বাৰ্থপৰতাৰ বাবে নিজৰ দোষ নেদেখে। নিজে সদায় ভাল উচ্চ পৰ্য্যায়ৰ লোক সেইবাবে দোষ থাকিব নোৱাৰে বুলি ভাবি লয়।

**১৪১১। হাতীৰ শুঁৰত নাই বুলিও একলহ পানী থাকে।**

হাতীৰ চাল ডাঠ। সেইবাবে গৰমত কষ্ট পায়। শুৰেৰে পানী ছটিয়াই গা শাঁত পেলায়। তাৰ বাবে হাতীৰ শুৰত পানী জমাই ৰাখে। নাই বুলিও একলহ পানী থাকে। সেইদৰে বৰ বৰ লোকৰ দুখ কষ্ট সহিব নোৱাৰা হব পাৰে। তাৰ কাৰণে কিছু পৰিমাণে ধন সাঁচি ৰাখে।

**১৪১২। হাতীয়ে খায় যিমান লাদেও সিমান**

হাতীৰ আকাৰ অনুসৰি খাদ্য বেছি লাগে। সেই হিচাবত বিষ্ঠা ত্যাগো বেছি কৰে। সেইদৰে যি যিমান বেছি আয় কৰে তেও সিমানে খৰচো কৰিব লগীয়া হয়।

**১৪১৩। হাতে নামাৰি তাতে মাৰা বেছি নির্দয় কাম।**

মানুহৰ দোষৰ বাবে শাস্তি ভোগ কৰে। শাস্তি দুই প্রকাৰৰ হাতেৰে মাৰি শাস্তি দিলে লঘু শাস্তি আৰু জীৱিকাৰ পথ বন্ধ কৰি দিয়া শাস্তি চৰম শাস্তি। পৰম শত্রুৱেহে চৰম শাস্তিৰ বিধান কৰে। ই দয়ামায়াহীন কাম।

**১৪১৪। হাবিৰ জুই সৱে দেখে।**
**মনৰ জুই কেৱে নেদেখে।।**

হাবিত জুই লাগিলে সকলোৱে দেখা পায়। মানুহৰ অন্তৰত যি শোক তাপৰ জুই জ্বলে তাক কোনেও নেদেখে। গতিকে এজনৰ অন্তৰত জ্বলা জুইৰ উত্তাপ আনে অনুভৱ কৰিব নোৱাৰে।

**১৪১৫। হাটি মৃবীয়া গিৰী**
**লেকৰা ওঠী তিৰী।**
**সাজে গর্জাদেৱ**
**উমান নাপায় কেও।।**

হাটী বা চুবুৰীৰ এমূৰে থকা মানুহ ঘৰৰ কেতিয়া কি আপদ বিপদ হয় আনে গৰমে গৰমে খবৰ নাপায়। ডাঙৰ ওঠৰ তিৰোতাই কেতিয়া কি কথা কয় কেতিয়া কি কৰে আনে গম ধৰিব নোৱাৰে। গধূলি মেঘে গর্জিলে মানুহে বিশেষ মন নকৰে।

**১৪১৬। হাল বায় ৰাতিৰ পৰা**

**ভাতে নাটে কাতিৰ পৰা।**

ৰাতিতে উঠি হাল কোৰ লৈ পথাৰত কাম কৰিলেও অসাধন লোকে ভাল খেতি কৰিব নোৱাৰে। ফলত আহাৰত দাই অনা ধানেৰে চাৰিমাহ খাব পাৰে। কাতিৰ পৰা ধান কিনিবলগীয়া হয়। কেৱল কাম কৰিলেই নহয় কাম কৰাৰ নীতি নিয়মো জানিব লাগে।

**১৪১৭। হাবুঙত লোণ সস্তা, দেহাৰ বা কি অৱস্থা?**

তাহানি হাবুং নামৰ ঠাইত লোণৰ পুং আছিল। হাবু, তেতিয়া হাবি বনে ভৰা ঠাই আছিল। তালৈ গ'লে লোণ এনেই আনিব পাৰিছিল। তালৈ অহা যোৱা কৰা হে বৰ কষ্টকৰ আছিল। বাঘ হাতী মেথোন আদি বনৰীয়া জন্তুৰ বাবেও সেই ঠাই ভয় লগা আছিল। কেৱল লোণ সস্তা বা সহজে পোৱা হ'লেই নহয়, দেহাৰে অৱস্থা কি হব পাৰে তালৈ চিন্তা কৰিব লাগে। দেহা দি বেহা কৰিলে কোনো লাভ নহয়।

**১৪১৮। হাঁহ চোৰৰ মুৰত পাখি।**
**কঁঠাল চোৰৰ আঠাই সাখী।**

অসাৱধান বশত হাঁহ চোৰৰ মূৰত হাঁহৰ পাখি লাগি থাকিব পাৰে তাৰ দ্বাৰাই চোৰ ধৰা পৰে। কঁঠাল চোৰৰো হাতে পাতে কঁঠালত আঠা লাগি থাকিব পাৰে সেই আঠাই চোৰ ধৰা পেলায়। গতিকে যি কামকে কৰা নহওক কিয় কাম কৰি এটাই তাৰ চিন নাইকিয়া কৰিব লাগে।

**১৪১৯। হাঁহৰ ওপৰত শিয়াল ৰজা।**

হাঁহ শিয়ালৰ প্ৰিয় খাদ্য। তেনে প্ৰাণীৰ ওপৰত ৰজা হব পাৰিলে অভাৱ নাইকিয়া হয়। সেইদৰে দুৰ্বলৰ ওপৰত ক্ষমতাৰ সুযোগ পালে ক্ষমতাশালীৰ কৰা খোৱাৰ চিন্তা নাইকিয়া হয়।

**১৪২০। হিংসুক যায় অধঃপাতে।**

**দুখীয়াই ষায় পেটে ভাতে।।**

হিংসাকুৰীয়া লোকে হিংসা কৰি ফুৰোঁতে সুখ শান্তি নাপায়। হিংসুক লোক সকলোৰে অপ্ৰিয় ভাজন হয়। কাৰো পৰা সহায় সহানুভূতি নাপায়। হাই কাজিয়া কৰোঁতে নিজৰ কামো সুকলমে কৰিব নোৱাৰে। দুখীয়া মানুহে হাই কাজিয়া ভয় কৰে। লোকৰ বদনাম গোৱা অনিষ্ট কৰা তেওলোকৰ স্বভাৱ বিৰুদ্ধ। দুখীয়া হ'লেও সেই সকলে আনৰ সহায় পায়। নেখাই লঘোণে থাকিব নালাগে।

**১৪২১। হীৰা মাণিক থাকয় অপাৰ**
**খুদগাল নহলে মৰণেহে সাৰ।।**

হীৰা মাণিক আদি মূল্যবান ৰত্ন ঘৰ ভৰি থাকিলেও যদি খাবলৈ ধান চাউল নাথাকে তেনেহ'লে শুকাই মৰিব লগীয়া হব পাৰে। ধান চাউল গম যৱ আদিৰ অনাটন হ'লে আকাল হয়। আকাল হ'লে ধন সোণ মাণি মুক্তাই কোনো উপকাৰ কৰিব নোৱাৰে। গতিকে সকলোৰে বাবে চাউল অমূল্য সম্পদ। চাউল কথাৰ অভাৱত মৰণক সাৱটি লবলগীয়া হয়।

**১৪২২। হুলেহে হুল কাঢে।**

হুলে বিন্ধিলে হুলৰ দ্বাৰাই হে হুল বাহিৰ কৰিব পাৰি। সেইদৰে যি যেনে তাক তেনে ব্যৱহাৰ কৰিলেহে উচিত কাম কৰা হয়।

**১৪২৩। হুজুগত ঘৰ সাজিলোঁ**
**নাচালোঁ খুঁটিৰ পোত**
**ধুমুহাই ঘৰ ভাঙিলে**
**এতিয়া থাকিম ক'ত?**

হুজুগত কোনো কাম কৰিব নালাগে। হুজুগত কৰা কামৰ দাম কম খৰচ আৰু পৰিশ্ৰম বহুত বেছি হয়। হুজুগত কৰা কাম অস্থায়ী বিবেচনা ৰহিত। হুজুগ নাইকিয়া হ'লে সেই কাম মূল্যহীন হৈ পৰে। আনকি মূৰ সুমুৱাবলৈকো ঠাই নাইকিয়া হয়।

১৪২৪। হুকুমৰ দাস
নিজৰ নাই তাৰ।

লোকৰ হুকুমত কাম কৰা লোকৰ নিজৰ বৰীয়া কথা নাই। নিজৰ মতে কৰিবলৈ গ'লে হুকুম দাতাৰ সন্মান হানি হয়।

১৪২৫। হেৰোৱা সময় উভটি নাহে।

সময়ৰ গতি ৰোধ কৰিব নোৱাৰি। যোৱা সময় আৰু তাৰ লগৰ সুযোগ সুবিধাবোৰ ঘূৰি নাহে। গতিকে সময়ৰ কাম সময়মতে কৰিব লাগে। সময়ৰ বুকুত খৰধাপৰ মাৰিব পৰা জনেই কৃতকাৰ্য্যতা লাভ কৰিব পাৰে।

১৪২৬। হেলাত কৰ্ম্ম নাশ।
কামত নলগালে বুদ্ধি নাশ।।

কাম কৰিবলৈ হেলা কৰিলে কাম হৈ নুঠে। সময়ৰ কাম সময়মতে নকৰিলে তাৰ সুফল নফলে। বুদ্ধি থাকিলে কামত খটুৱাই চোকা কৰি লব লাগে। কামত নলগালে বুদ্ধি ভোটা হয়। অনভ্যাসে জনা কামো নজনা হৈ পৰে।

১৪২৭। হেপাই জনিলে চিৰী।
বোন্দা হ'লে ওপৰতে গিৰী।

হেপা আৰু বোন্দা মেকুৰী দেখিবলৈ একে ধৰণৰ। হেপাই চুৰ কৰি অনা হাঁহ কুকুৰা পাৰৰ ওপৰত বোন্দাই জপিয়াই পৰি হেপাক আঁতৰাই দিয়ে। ঠিক তেনেদৰে দুৰ্বলীৰ সম্পত্তিৰ ওপৰত ক্ষমতাশালীয়ে ক্ষমতা বিস্তাৰ কৰি দুৰ্বলীক হাৰাশাস্তি কৰে।

১৪২৮। হোৱা আঞ্জাত দিয়ে লোণ
তাৰ কথা শুনে কোন?

আঞ্জা হোৱাৰ পাচত আৰু লোণ দিলে লোণ বেছি হয়। তাৰ কাৰণে আঞ্জাৰ সোৱাদ নথকা হয়। তেনেদৰে কোনো কাৰ্য্যৰ সমাপ্তি ঘটিলে তাক আকৌ নতুনকৈ কৰিবলৈ গ'লে পৰিশ্ৰম অথলে যায়। কিছুমান দাপাগিৰি কৰা লোকে এনে ধৰণৰ কাম কৰে বা কৰায়। সেই কাৰণে তেনে লোকৰ কথা শুনিব নালাগে।

# ক্ষ

১৪২৯। ক্ষত্ৰিকৰ ভোজ খাওঁতা নাই।

কাৰ কেতিয়া কি হয় কোনেও কব নোৱাৰে। লবি ঢাপৰি ফুৰা লোকজনৰ হঠাতে মৃত্যু ঘটিব পাৰে। খাবলৈ লোৱা বস্তু খাবলৈ নেপাব পাৰে। গতিকে যেতিয়াৰ কাম তেতিয়াই কৰিবলৈ যত্ন কৰাটো জ্ঞানীৰ কাম। সত্বৰ নহব পাৰে বুলি হাত সাবটি থকা অনুচিত।

১৪৩০। ক্ষুধাতুৰ আৰু ক্ষুব্ধ লোকৰ হিতাহিত জ্ঞান নেথাকে।

ভোকত কাতৰ আৰু কোনো কথাত ক্ষুণ্ণ হৈ পৰিলে মানুহ ভাল বেয়া চিন্তা কৰিব নোৱাৰা হয়। পেটৰ ভোকত আৰু খঙত মানুহ অধীৰ হৈ যেই সেই কাম কৰে।

১৪৩১। ক্ষুদ্ৰ বুলি নকৰিবা হেলা।
ক্ষুদ্ৰই তৰায় আপদৰ বেলা।।

ক্ষুদ্ৰ বস্তুৰে অৰ্থাৎ অণু পৰমাণুৰে বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে। এই কথা মনত ৰাখি ক্ষুদ্ৰ বস্তুৰ প্ৰতি অৱহেলা কৰা অনুচিত। আপদৰ সময়ত ক্ষুদ্ৰ বস্তু বা ক্ষুদ্ৰ জনেও মহৎ উপকাৰ কৰিব পাৰে।